বিশ্বলিপিৰ ভূমিকা

নাৰায়ণ দাস

অসমীয়া বিভাগ, প্ৰাগজ্যোতিষ মহাবিদ্যালয়,
গুৱাহাটী ৯, অসম।

ডেকো পাবলিকেচনচ
কলেজ হোষ্টেল ৰোড, গুৱাহাটী-৭৮১০০১

BISHWA LIPIR BHUMIKĀ An Introduction to world's Scripts Written by Narayan Das, M A (Double), M Phil, Lecturer, Dept of Assamese, Pragjyotish College, Guwahati-781009 and Published by M/s Decco Publications, College Hostel Road, Guwahati-1, Second Edition, 1989

Price Rs Fifty and Sixty (Deluxe) only

প্ৰকাশক শ্ৰীচন্দন দে, বি, এচ, চি,

ডেকো পাবলিকেচনচ * কলেজ হোষ্টেল ৰোড * গুৱাহাটী—১ ॥

* দ্বিতীয় প্ৰকাশ * ১৯৮৯ খ্ৰীষ্টাব্দ

॥ ছপা বীণাপাণি প্ৰেছ * ২, ঈশ্বৰ মিল বাই লেন * কলিকতা ৬ ॥

কেঁচা বন্ধা ॥ মূল্য ঃ পঞ্চাশ টকা মাথোন ॥

পকা বন্ধা ॥ মূল্য ষাঠি টকা ॥

• নিজে অনাখৰী হৈও মোক আখৰী কৰাৰ কাৰণে
ওৰেজীৱন যত্ন কৰা, মোৰ স্বৰ্গগত পিতৃ
কৃষ্ণৰাম দাসৰ সজল স্মৃতিত
'বিশ্বলিপিৰ ভূমিকা' খনি
অৰ্পিত হ'ল।

॥ আগকথা ॥

মোৰ পুৰণি ছাত্র আৰু বৰ্তমান দৰং কলেজৰ অসমীয়া ভাষা-সাহিত্যৰ অধ্যাপক শ্ৰীনাৰায়ণ দাসে 'বিশ্বলিপিৰ ভূমিকা' নাম দি এই সৰু পুথিখনি লিখি, ছপাই উলিয়াই অসমীয়া ভাষাৰ ছাত্ৰসকলৰ এটি মহৎ প্ৰয়োজন সাধন কৰিলে। এই বিষয়ত তাহানি সৰ্বেশ্বৰ কটকীৰ প্ৰাথমিক প্ৰকৃতিৰ পুথিখনৰ বাহিৰে দ্বিতীয় এখন কিতাপ আমাৰ নাছিল। বিষয়টো লৈ আলোচনাও আমাৰ অতি কমেই হৈছে। অথচ এই বিষয়ে আলোচনা কৰিবলগীয়া আৰু গৱেষণা কৰিবলগীয়া বহুতো কথাই আছে। ভাৰতৰ নিজস্ব লিপি কোনো কালেই নাছিল আৰু আন কি পাণিনিৰ দিনতো লিপি বোলা বস্তু এটা খায় নে কাণতে পিন্ধে সেইকথা ভাৰতীয়ই নাজানিছিল—বহুত আগশাৰীৰ পাশ্চাত্য পণ্ডিতৰে এসময়ত এনেবোৰ ধাৰণা আছিল। এতিয়াও ভাৰতীয় লিপিৰ উৎপত্তিৰ বুৰঞ্জী ধুৱলী কুৱলী হৈ আছে। উমাচল লিপিত আৰম্ভ কৰি কানাই-বৰশী বোৱা তুৰুষ্ক ক্ষযৰ লিপিৰ পূৰ্বলৈকে প্ৰাচীন কামৰূপৰ লিপিবোৰক কুটিল লিপি বুলিব পাৰিনে ইও এটা যেন ডাঙৰ প্ৰশ্ন হৈ আছে। প্ৰাচীন অসমীয়া লিপিৰ (তুৰুষ্ক ক্ষযৰ ফলিত আৰম্ভ কৰি) গড়গঞা কাইথেলী (লহকৰী) আৰু বামুণীয়া এই তিনিটা ভাগ কোনে উলিযালে? তেনে বিভাজনৰ ভিত্তি কি? তিনিওটা ভাগৰ বিশেষ বিশেষত্ব কি কি? এইবোৰ প্ৰশ্নৰ স্পষ্ট উত্তৰ আমাৰ লগা হৈ আছে। আহোম ৰাজ্যত হিন্দু আখৰ বা হেন্দুৱান আখৰ (প্ৰাচীন অসমীয়া লিপি) আৰু অসমাক্ষৰ বা অশমাক্ষৰ বা আচামাক্ষৰ (অসম বা অশম বা আচাম বা আহোমৰ আখৰ), এনে বিভাজন কৰাও দেখা যায়। আজিকালি আকৌ আমি যেনেবোৰ আখৰ লেখোঁ, সেইবোৰক এসময়ত বঙলা বোলা হৈছিল, আনকি তেতিয়া ছপা হলেই অসমীয়া কিতাপক লোকে বঙলা পুথি বুলিছিল। এই বঙলা আখৰৰে লগতবা প্ৰাচীন অসমীয়া আখৰৰ আৰু প্ৰাচীন বঙলা আখৰৰ সম্বন্ধগছ কেনেকুৱা? এইবোৰ প্ৰশ্ন আমি নিজক কৰা উচিত আৰু তাৰ উত্তৰ আমি নিজেই দিয়া উচিত। অধ্যাপক দাসৰ এই কণমান পুথিখনিয়ে আমাৰ চিন্তাশীল শ্ৰেণীক এনে প্ৰশ্নৰে যদি বিব্ৰতও কৰি তুলিব পাৰে, তেতিয়া হলেই আমাৰ জ্ঞানৰ নতুন এটা পথ মুকলি হ'ব। দাসদেৱে আমাক প্ৰতিশ্ৰুতি দিছে যে এই তাঙৰণৰ পুথিবোৰ সোনকালে শেষ কৰি নতুন উন্নত সংস্কৰণ এটি আনি আমাৰ হাতত দিবহি। তেওঁৰ এই বাঞ্ছাৰ যেন সিদ্ধি হয়, এয়ে আমাৰ কামনা।

মহেশ্বৰ নেওগ

৬ বিশ্ববিদ্যালয় টোল
গুৱাহাটী ১৪, অসম
৭ জুন ১৯৭৩

প্ৰাক্‌কথন

শূৰ্পবদ্দোষমুৎসৃজ্য গুণং গৃহ্ণন্তি সাধৱঃ

মৌখিক সাহিত্যবপৰা লিখিত সাহিত্যক পৃথক কৰিছে লিপিয়ে। সাহিত্যৰ মূল যেনেকৈ ভাষা, লিখিত ভাষাৰ মূল তেনেকৈ লিপি। ভাষা অবিহনে সাহিত্যৰ সৃষ্টি হ'ব নোৱাৰাৰ দৰে লিপিক বাদ দি সুসভ্য ভাষাৰ জন্ম আৰু বিকাশ অসম্ভৱ। সেই কাৰণে সাহিত্যৰ ছাত্ৰই লিপিতত্ত্বৰ প্ৰাথমিক জ্ঞান আহৰণ কৰাটো বাঞ্ছনীয়। পুৰণি হাতেলিখা পুথিৰ চৰ্চাকাৰীক লিপিতত্ত্বৰ জ্ঞানে কেনেভাৱে সহায় কৰে, তাক দোহাৰিবৰ আৱশ্যক নাই। একোখন দেশৰ পুৰালিপিতত্ত্বৰ অধ্যয়নে সেই দেশৰ লোকৰ সভ্যতা আৰু সংস্কৃতিৰ অজান দিশত পোহৰ পেলাবলৈ সুবিধা দিয়ে। লিপিৰ জন্ম আৰু বিকাশৰ বিভিন্ন স্তৰে মানৱ সভ্যতাৰ ক্ৰমোন্নতিৰ কথা সূচায় বাবে সভ্যতা বিকাশৰ বৈচিত্ৰ্য অধ্যয়নকাৰীক ভিন্নদেশৰ পুৰালিপিতত্ত্বৰ অধ্যয়নে জ্ঞানৰ নতুন দিগন্তৰ সন্ধান দিবলৈ সমৰ্থ হয়।

প্ৰাচীন সভ্যতাৰ লীলাভূমি ইজিপ্ত, মেচোপটেমিয়া চীন আদি দেশৰ লেখন-কলাৰ আমোদজনক আৰু প্ৰণালীবদ্ধ অধ্যয়নৰ পথ উন্মোচন কৰে পাশ্চাত্য পণ্ডিত-সকলে। ভাৰতীয় পুৰালিপিতত্ত্ব অধ্যযনৰ আগভাগ লোৱাৰ ক্ষেত্ৰতো পাশ্চাত্য পণ্ডিতসকলৰ নাম শ্ৰদ্ধাৰে স্মৰণ কৰিবই লাগিব। অশোক আৰু তেওঁৰ পৰৱৰ্তী নৃপতিসকলৰ ৰাজত্বকালত খোদিত ভিন্ন লেখমালাৰ পাঠোদ্ধাৰে ভাৰতৰ অতীত ইতিহাসৰ ৰূপৰেখা অংকনত কেনেভাৱে সহায় কৰিছে, তাক নক'লেও হ'ব। পাশ্চাত্য পণ্ডিতসকলৰ আহিঁৰ অনুকৰণত ভাৰতীয় পণ্ডিতসকলেও আমাৰ দেশৰ চুকে কোণে পৰি থকা অসংখ্য শিলালেখ, মাটিৰ মোহৰ বা মুদ্ৰাৰ লিপি অধ্যয়ন কৰি বিগত দিনৰ অনেক গোপন তথ্য 'নিহিত গুহায়াং' অৱস্থাৰপৰা পোহৰলৈ আনিবলৈ সক্ষম হৈছে। পুৰণি অসমৰ শৈললেখ আৰু তাম্ৰলিপি অধ্যয়নৰ সুফল ৰূপে আমি অতীত অসমৰ ইতিহাসৰ ৰূপৰেখা আঁকিবলৈ সমৰ্থ হৈছোঁহক।

বিশ্বৰ নানা দেশৰ পুৰালিপিতত্ত্বৰ আলোচনা বিলোচনাৰ গ্ৰন্থ ইংৰাজী ভাষাত যথেষ্ট। ভাৰতীয় পুৰালিপিতত্ত্বৰ সন্দৰ্ভতো দেশী বিদেশী পণ্ডিতে প্ৰণয়ন কৰা গ্ৰন্থৰ অভাৱ নাই, কিন্তু ভাৰতীয় প্ৰাদেশিক ভাষাত লিখা পুথিৰ সংখ্যা আঙুলি মূৰত লেখিব পৰা। তেনেক্ষেত্ৰত অসমীয়া ভাষাত এই জাতীয় পুথি নথকাত আচৰিত হ'ব লগীয়া একো নাই। ইং ১৯৬৬ চনত সৰ্বেশ্বৰ কটকীয়ে পুৰণি অসমীয়া লিপিৰ বিষয়ে

লেখা সৰু পুস্তিকাখনিত বিনে আজিলৈ এই বিষয়ত দ্বিতীয় পুথি এখনি ওলোৱা। অসমীয়া পণ্ডিতসকলেও এই বিষয়টোত বৰকৈ মনযোগ দিয়া যেন নালাগে। অসমৰ বিশ্ববিদ্যালয়ত অসমীয়া ভাষা আৰু সাহিত্যৰ স্নাতকোত্তৰ মহলাত ভাৰতীয় আৰু অসমীয়া লিপিৰ অধ্যয়ন বাধ্যতামূলক। অসমীয়া ছাত্ৰই কোনো বিষয়ক কিতাপ অসমীয়া ভাষাত নাপালেই বঙলা বা হিন্দী ভাষাৰ ওচৰ চাপে। দুৰ্ভাগ্যৰ কথা, হিন্দীত লিখা পণ্ডিত গৌৰীশংকৰ হিৰাচন্দ ওঝাৰ ভাৰতীয় 'প্ৰাচীন লিপিমালা' বাদ দি উপযুক্ত দুয়োটা ভাষাতে বিশ্বৰ বিভিন্ন লিপিৰ পূৰ্ণাংগ আলোচনা থকা পুথি পাবলৈকে নাই।

পুৰালিপিতত্ত্বৰ অধ্যয়ন এক কষ্টসাধ্য প্ৰযত্ন। এই বিষয়ত পাৰদৰ্শিতা লাভ কৰিবলৈ দীঘলীয়া অধ্যয়ন আৰু অন্তদৃ´ষ্টিৰ প্ৰয়োজন। এই দুয়োটা গুণ তিলমান নথকা সত্ত্বেও 'বিশ্বলিপিৰ ভূমিকা' ৰচনাত প্ৰবৃত্ত হৈছোঁ এই কাৰণেই যে উক্ত বিষয়ত অসমীয়া ভাষাত ৰচিত গ্ৰন্থ এখনো নাই। ইয়াত মই কোনো মৌলিক চিন্তা চৰ্চাৰ আভাস দিবলৈ অপচেষ্টা কৰা নাই। পূৰ্বসূৰী পণ্ডিতসকলৰ মতামতকেই চমুকৈ আলোচনা কৰি গৈছো মাত্ৰ। এই খুদমান পুথিখনি ৰচনা কৰোঁতে যিবোৰ গ্ৰন্থৰপৰা প্ৰত্যক্ষ বা পৰোক্ষভাৱে সহায় লৈছোঁ সেই আটাইবোৰ গ্ৰন্থৰ নাম পাদটীকাত উল্লেখ কৰিছো।

পুথিখনি লিখা হোৱাৰ পিছত পোন প্ৰথমে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ৰীডাৰ ড উপেন্দ্ৰনাথ গোস্বামী ছাৰক দেখুৱাওঁ। তেখেতে পঢ়ি চাই মোক উৎসাহিত কৰি ছপাবলৈ নিৰ্দে´শ দিয়ে। 'বিশ্বলিপিৰ ভূমিকা' নামটিও ছাৰেই পছন্দ কৰি দিয়া। ছাৰক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তাৰপিছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ জৱাহৰলাল নেহৰু অধ্যাপক, মোৰ শিক্ষাগুৰু ড মহেশ্বৰ নেওগদেৱৰ ওচৰ চাপোঁ। তেখেতে নানা ব্যস্ততাৰ মাজতো গোটেইখন পাণ্ডুলিপি পঢ়ি চাই, ভুল ভ্ৰান্তিবোৰ আঙুলিয়াই দিয়ে। ছাৰৰ নিৰ্দেশক্ৰমেই ব্ৰাহ্মী, খৰোষ্ঠী আৰু অসমীয়া লিপিৰ তালিকা কৰাৰ উপৰি অসমীয়া, বঙলা, হিন্দী আৰু ইংৰাজী ভাষাৰ গ্ৰন্থপঞ্জীখনো প্ৰস্তুত কৰোঁ। পুৰণি অসমীয়া লিপিৰ তালিকা কৰোঁতে কালানুক্ৰমিকভাৱে তাম্ৰশাসন বা শৈললেখসমূহৰ আখৰবোৰ সজোৱা হৈছে যাতে তাৰপৰা পাঠকে অসমীয়া লিপিৰ বিকাশৰ এটি আভাস পাব পাৰে। মধ্যযুগীয় অসমীয়া লিপিৰ উপবিভাগবোৰৰ বৈশিষ্ট্য এই সংস্কৰণত দিব পৰা নগ'ল। লিপি অধ্যয়ন কৰিলে দেখা যায় যে মধ্যযুগৰ অসমত প্ৰাচীন কামৰূপীয় লিপি আৰু পুৰণি অসমীয়া

লিপি—উভয় ধাৰাৰে কম বেছি পৰিমাণে চলতি আছিল। কোচৰজাসকলৰ শাসন-সমূহৰ লিপি আধুনিক অসমীয়া লিপিৰপৰা অধিক আঁতৰত নোহোৱাটোও উল্লেখনীয় কথা। কাছাৰৰ সকলাদীঘি নামে ঠাইত প্ৰাপ্ত, বৰ্তমানে অসম ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষিত ১৪৯ শক বা ই. ১৫৬৮ চনত খোদিত পোৱা ইটা এডোখৰৰ 'শ'টো আধুনিক 'শ'ৰ অনুৰূপ। শ্ৰী আখৰটোৰো তিনিটামান ৰূপ পোৱা যায়। এই সংস্কৰণত সংযুক্ত বৰ্ণমালাৰ চিত্ৰ স্বেচ্ছাই নিদিলো। দ্বিতীয় তাঙৰণত দিয়াৰ আশা থাকিল।

কিতাপখনি ছপা হোৱাৰ পিছত নেওগছাৰে পঢ়ি চাই ছপাৰ ভুলবোৰ আঙুলিয়াই দি এখনি শুধৰণি পত্ৰ দিবলৈ নিৰ্দেশ দিছিল। ড নেওগ ছাৰে তেখেতৰ বিভিন্ন ব্যস্ততাৰ মাজতো 'আগকথা' লিখি দি বিশ্বলিপিৰ ভূমিকাৰ সৌষ্ঠৱ বঢ়াইছে। শিক্ষাগুৰুৰ ঋণ পৰিশোধ কৰিম কেনেকৈ? তেখেতৰ ওচৰত কৃতজ্ঞতা পাশত আবদ্ধ থকাত বিনে যে মোৰ গত্যন্তৰ নাই।

'বিশ্বলিপিৰ ভূমিকা' লেখকৰ প্ৰথম প্ৰচেষ্টা। ইয়াত নানা প্ৰকাৰ ভুল থকা স্বাভাবিক। সহৃদয় পাঠক সমাজে সেইবোৰ আঙুলিয়াই দিলে সোনকালে ইয়াৰ এটা উন্নত সংস্কৰণ তেওঁলোকৰ হাতত তুলি দিয়াৰ প্ৰতিশ্ৰুতি দিলো।

দৰং কলেজ, তেজপুৰ
মে' ১৯৭৩

নাৰায়ণ দাস

দ্বিতীয় তাঙৰণৰ

॥ লেখকৰ নিবেদন ॥

সুদীৰ্ঘ পোন্ধৰ বছৰৰ পিছত 'বিশ্বলিপিৰ ভূমিকা'ৰ দ্বিতীয় পৰিবৰ্দ্ধিত তাঙৰণটি পাঠক সমাজৰ সমুখত আগবঢাবলৈ পাই নিজকে ধন্য মানিছোঁ। ইংৰাজী ১৯৭৩ চনত যেতিয়া এই সৰু পুথিখনি প্ৰণয়ন কৰা হৈছিল, তেতিয়া অসমীয়া ভাষাত পুৰালিপিতত্ত্বৰ সন্দৰ্ভত আলোচনা বিলোচনা আছিল আঙুলি মূৰত লেখিব পৰা। সীমিত সময়ৰ ওপৰত নিৰ্ভৰ কৰি যুগুতোৱা 'বিশ্বলিপিৰ ভূমিকা'ৰ প্ৰায়খিনি আলোচনাই আছিল চমু আৰু অসম্পূৰ্ণ। পিছে ছপাশাল গৰকি অহাৰ লগে লগে কেবাজনো লব্ধপ্ৰতিষ্ঠ সাহিত্যিক আৰু পণ্ডিতে পুথিখনিক মৰমৰ চকুৰে চাই তাৰ উৎকৰ্ষ সাধনৰ বাবে বহুমূলীয়া উপদেশবাণী আগবঢাই লেখকক উৎসাহিত কৰিছিল। ড সত্যেন্দ্ৰনাথ শৰ্মা দেৱে লিখিছিল—'তোমাৰ গ্ৰন্থখন আমাৰ এম এ পঢা ল'ৰাৰ বিশেষ কামত আহিব। ৺সৰ্বেশ্বৰ কটকীৰ প্ৰাথমিক পুথিখন আজিকালি পাবলৈ নাই। সেই অভাৱ তোমাৰ গ্ৰন্থখনে পূৰণ কৰাৰ লগতে ছাত্ৰক লিপি সম্পৰ্কে অলপ ব্যাপক জ্ঞানো দিব পাৰিব বুলি মোৰ বিশ্বাস। (১৪।৯।৭৩) সুসমালোচক ত্ৰৈলোক্যনাথ গোস্বামীদেৱে চমুকৈ কৈছিল—'আপোনাৰ পুথিখন তথ্য পাতিৰে সমৃদ্ধ। বহল আলোচনাৰ প্ৰয়োজন অনুভৱ কৰা যায়। তথাপি পুথিখনৰ নিজা বৈশিষ্ট্য আছে। প্ৰকাশ ভংগী ভাল।' (২।১২।৭৩) অধ্যক্ষ শ্ৰীসদানন্দ চলিহাদেৱে উৎসাহিত কৰি মন্তব্য দিছিল— অখিল বিশ্বৰ লিপিমালাৰ সন্দৰ্ভত কিতাপখন প্ৰণীত হোৱাটো সন্তোষৰ কথা হৈছে। অৱশ্যে ই এতিয়াও লিপি বিজ্ঞানৰ প্ৰাৰম্ভিক স্তৰত আছে। ভৱিষ্যতে যদি পৰিবৰ্ধিত আকাৰত উলিয়াব পাৰে , তেন্তে অসমীয়া সাহিত্যসেৱীসকল আপোনাৰ ওচৰত অধিকতৰ ঋণী হ'ব।' (২৭।৯।৭৩) ড সত্যেন্দ্ৰনাথ গোস্বামী ছাৰে পুথিখনিৰ নতুন তাঙৰণৰ উন্নতিকল্পে উপদেশ দিছিল— 'পুথিখনৰ দ্বাৰা সকলো শ্ৰেণীৰ পাঠকেই লাভবান হ ব—যিহেতুকে অসমীয়া ভাষাত ই এটা নতুন দিশত আলোকপাত কৰিবলৈ চেষ্টা কৰিছে। মোৰ কিন্তু ভাল লাগিল-হেঁতেন, যদিহে বৰ্ণনাবোৰ দীঘলীয়া হ'লহেঁতেন। সম্ভৱ হ'লে প্ৰতিটো লিপিৰ যোগেদি সেই সেই ভাষাৰ অলপ অলপ নিদৰ্শন দিব পাৰি নেকি। পৰৱৰ্তী সংস্কৰণত ভাবি চাব চোন। (১৯।১১।৮১) বিশ্ব বিশ্ৰুত পণ্ডিত, জাতীয় অধ্যাপক ড সুনীতিকুমাৰ চট্টোপাধ্যায় দেৱে মৰমকৈ লিখিছিল 'The book on the development of writing among different peoples and different countries will be a useful work for those who are begining a study of the subject' (১৩।১।৭৭)

সম্ভৱৰ দশকৰেপৰা পুৰালিপিতত্ত্ব বিষয়টিয়ে অসমত ভালেখিনি জনপ্ৰিয়তা অৰ্জন কৰা বুলিব পাৰি। ইংৰাজী ১৯৭৫ চনত প্ৰখ্যাত পুৰালিপিতত্ত্ববিদ্ ড° ঠাকুৰ প্ৰসাদ বৰ্মাই পণ্ডিত আনন্দৰাম বৰুৱা স্মাৰক বক্তৃতাত আৰম্ভণিৰেপৰা খ্ৰীষ্টীয় দ্বাদশ শতাব্দী লৈকে বিকশিত প্ৰাচীন কামৰূপীয় লিপিৰ বিষয়ে বিজ্ঞান সন্মত আলোচনা আগবঢ়ায়। ইং ১৯৮১ চনত বাগ্মীবৰ নীলমণি ফুকন স্মাৰক বক্তৃতাত কবি সাহিত্যিক সমালোচক ড মহেন্দ্ৰ বৰাই পুৰণি অসমীয়া লিপিৰ পৰিৱৰ্তনৰ বিচিত্ৰ ধাৰাৰ বিষয়ে পাণ্ডিত্যপূৰ্ণ অধ্যয়ন কৰে। ইতিমধ্যে অসমীয়া পুৰালিপিৰ তিনিটা গ্ৰহণযোগ্য সংকলন প্ৰকাশ পায়। সেয়া হ'ল—প্ৰাচ্য শাসনাৱলী *Inscriptions of Ancient Assam* আৰু *Kamarupa Sasanavali* এই কালছোৱাৰ ভিতৰতে ড বুহলৰৰ *Indian Pal-eography* ৰো একাধিক পুনৰ্মুদ্ৰণ প্ৰকাশ পাইছে। উপযুক্ত হাতে ঢুকি পোৱা তথ্যসমূহৰ ভেটিত আমাৰ দ্বিতীয় তাঙৰণটি তথ্যভিত্তিক কৰি তুলিবলৈ যত্ন কৰা হৈছে। লিপিৰ সৈতে প্ৰত্যক্ষ কিংবা পৰোক্ষভাবে সম্পৰ্ক থকা পুথিৰ নাম গ্ৰন্থ-পঞ্জীৰ অন্তৰ্ভুক্ত কৰাত সেইখনিৰ আকাৰ কিছু বাঢ়িল। ভাৰতীয় আৰু অসমীয়া পুৰালিপিৰ ভালেখিনি নিদৰ্শন বৰ্তমান সংস্কৰণত সাৰণীভুক্ত কৰা হৈছে।

'বিশ্বলিপিৰ ভূমিকা'ৰ দ্বিতীয় তাঙৰণটি প্ৰকাশৰ দায়িত্বলৈ গুৱাহাটীৰ 'ডেকো পাবলিকেচনচ' আৰু চকুত লগাকৈ ছপা কাৰ্য সমধা কৰি কলিকতাৰ 'বীণাপাণি প্ৰেছ' লেখকৰ কৃতজ্ঞতাৰ ভাগী হৈছে। যোগাযোগৰ আঁত ধৰিছে 'কলিতা আৰ্ট প্ৰেছ'ৰ পুৰণি বন্ধু শ্ৰীভোগেশ্বৰ কলিতাই। আহিঁ কাকতৰ শুধৰণি আৰু শব্দ নিৰ্দেশিকা প্ৰস্তুতিত লাগি ভাগি দিছে—শ্ৰীমতী জ্যোৎস্না দাস সৰ্বশ্ৰী দেৱজিৎ দাস আৰু প্ৰসেনজিৎ দাসে। তেওঁলোকৰ শলাপ লওঁ। পুথিখনিত ছপাৰ ভুল কিছু থাকিল। 'উষ্ণীষ বিজয় ধাৰণী' য়ে সৰ্বত্ৰ 'ধাৰিণী' ৰূপ লৈছে। ১৬৫ পৃষ্ঠাত 'অসমীয়া প্ৰাচীন লিপি'য়ে প্ৰাচীন অসমায়া ৰূপ লোৱাটোও মন কৰিবলগীয়া। কহলনে 'বিহলন (২৬৯ পৃ) গৰ্ডনে 'গৰ্ভন (১৫১ পৃ) অৰুনোদয়ে 'অৰুণোদই' (১৭৯, ১৮ , ১৮১ পৃ) ভগৱদ গীতাই 'ভাগৱত গীতা' (১৬ পৃ), আসপদে 'আপছদ' (১২৮), সাৰণীয়ে 'সৰণী' (১৬৩ পৃ) *CII* এ '*CII* (১৮৪ পৃ) আৰু *CCI* (৯৯ পৃ) *IAA* এ '*IAI*' (৮৯ পৃ) Buhler এ 'Buhles' (পৃ ৮৮) কচ 'কচ (পৃ ৩৫), ব্ৰাহ্মীতে 'ব্ৰাহ্মীত' (৫৯) ঘোষণাই 'ঘোষোণা' (৪ ৫১ পৃ) ৰূপত ছপা হৈছে। স্থান আৰু ব্যক্তি নামসমূহো একাধিক ৰূপত প্ৰকাশ পাইছে। এনে ধৰণৰ ভুল আৰু আন ত্ৰুটীৰ বাবে সহৃদয় পাঠকসকলৰ ওচৰত ক্ষমা মাগিছো।

ডেকাপাৰা
গুৱাহাটী ১৭
বিজয়া দশমী' ১৯১১ শক।

ভৱদীয়
নাৰায়ণ দাস

॥ গ্ৰন্থনামৰ সংক্ষিপ্তায়ন ॥

অ সা স প = অসম সাহিত্য সভা পত্ৰিকা

উ = উত্তৰ বৰবিল শাসন

এলা = এলাহাবাদ স্তম্ভলিপি

কুলি = কুশাণকালীন লিপি

থ = থনামুখ লিপি

গি = গিৰ্ণাৰ শিলানুশাসন

গু গুৱা = গুৱাকুছি লিপি

ডু = ডুবি তাম্ৰশাসন

ন = নগাজৰী খানিকৰ গাওঁ প্ৰস্তৰখণ্ড লিপি

ন শা = নগাওঁ শাসন

নি = নিধনপুৰ তাম্ৰশাসন

নী = নীলাচল তাম্ৰশাসন

প = পৰ্বতীয়া তাম্ৰশাসন

প্ৰাশা = প্ৰাচ্য শাসনাৱলী

ব = বৰগংগা শিলালিপি

ব তা = বৰমূৰ্তিয়া তাম্ৰফলি

ব শ = বৰগাওঁ শাসন

শা = শাৰী

শু = শুৱালকুছি শাসন

হা = হায়ংথল শাসন

হাও = হাওৰাঘাট শাসন

AI = Antiquities of India

ARASI = Annual Report of Archaeological Survey of India

ASI (AR) = Do

CII = Corpus Inscriptionum indicarum

DHAS = Department of Historical and Antiquarian Studies, Assam

DASK = Development of Script in Ancient Kamrupa

EAS = The Evolution of Assamese Script

EI = Epigraphia Indica

HPMB = History and Palaeography of Mauryan Brahmi

IAA = Inscriptions of Ancient Assam

IHQ = Indian Historical Quarterly Calcutta

IP = Indian Palaeography

In P = Do

JASB = Journal of Assam Research Society

JABS = Journal of the Asiatic Society of Bengal

JASB (Ns) = Journal of the Asiatic Society of Bengal, New Series

JRASB = Journal of the Royal Asiatic Society of Bengal

PBS = Palaeography of Brahmi Script in North India

॥ বিষয় সূচী ॥

বিষয় **পৃষ্ঠা**

আগকথা, প্ৰাক্কথন, দ্বিতীয় তাঙৱণৰ নিবেদন, গ্ৰন্থনামৰ সংক্ষিপ্তায়ন, সাৰণী পৰিচিতি (I—XVIII)

॥ লিপিৰ জন্ম আৰু বিকাশৰ বিভিন্ন স্তৰ ॥ ১—৭

ভূমিকা ঃ লিপিৰ সৃষ্টিকৰ্তা—কুইপু বা গ্ৰন্থিলিপি—ৱামপুম—চিত্ৰলিপি ইয়াৰ সীমাবদ্ধতা—ভাৱলিপি—ভাৱ ধ্বনিমূলক লিপি—ধ্বনি লিপি—অক্ষৰ আৰু বৰ্ণলিপি।

॥ পৃথিবীৰ পুৰণি লিপিমালা ॥ ৮—৩৭

বাণমুখলিপি ইয়াৰ উৎপত্তি আৰু বিকাশৰ স্থলী—সুমেৰ আক্কাডিয়া এলমাইট আসিৰীয়া আদি—বেহিস্থান গিৰিলিপি **—ইজিপ্তৰ পূতখোদিত লিপি** ইয়াৰ উৎপত্তি আৰু বিকাশ—উক্তলিপিৰ শ্ৰেণী বিভাজন শব্দ বা মূল ব্যঞ্জন প্ৰতীক, শব্দলিপি আৰু নিৰ্ণয়াত্মক চিহ্নলিপি—পবিত্ৰলিপি আৰু গণলিপি—ৰচেটা লিপি।

হিত্তী লিপি—ক্ৰীটলিপি—চাইপ্ৰাচ দ্বীপৰ লিপি—চীনালিপি ইয়াৰ বিকাশৰ ইতিহাস উক্তলিপিৰ শ্ৰেণী বিভাগ চিত্ৰাত্মক চিহ্ন—সংযুক্ত চিত্ৰাত্মক চিহ্ন—ভাৱচিহ্ন আৰু ধ্বন্যৰ্থ সংযুক্ত চিহ্ন—জাপানী লিপি ইয়াৰ উপ বিভাগ কতাকানা আৰু হিৰাগানা—কোৰিয়াৰ লিপি—মংগোল লিপি—চাইবেৰীয়াৰ লিপি।

ফিনিচীয় লিপি ইয়াৰ উৎপত্তি আৰু বিকাশৰ ধাৰা—গ্ৰীকলিপি—সিনাই লিপি—এট্ৰুস্কান লিপি—লেটিন লিপি—সীৰিলিক লিপি—ৰুচ আৰু পোল লিপি—ৰুনিচ লিপি—মায়া লিপি—আৰামীয় লিপি।

সিন্ধুলিপি—ভূমিকা এই লিপি সম্পৰ্কে ভিন্ন মতবাদ—ফ্লাইণ্ডাৰচ পেট্ৰে, মেৰিগ্নি, ৰেভা হেৰাচ, লংডন, এল এ ৱাডেল, কাৰজভ, শ্ৰীমৎ শংকৰানন্দজী, বেণীমাধৱ বৰুৱা, এচ আৰ ৰাও আদিৰ অভিমত—এইলিপি ব্ৰাহ্মীৰ প্ৰত্নৰূপ—ইণ্ডো ইউৰোপীয় ইত্যাদি।

বিষয়	পৃষ্ঠা
॥ ভাৰতীয় পুৰালিপিৰ উৎপত্তি আৰু বিকাশ ॥	৩৮—১২৬

ভূমিকা ভাৰতীয় লিপিৰ প্ৰাচীনতা—বৈদিক, ধ্ৰুপদী সংস্কৃত, বৌদ্ধ, আৰু জৈন গ্ৰন্থত লিপিৰ উল্লিখন—ললিত বিস্তৰৰ চৌষষ্টি প্ৰকাৰ লিপি—পুৰাতাত্ত্বিক আৰু বিদেশী সাহিত্যত ভাৰতীয় লিপিৰ কথা।

খৰোষ্ঠী লিপি নামকৰণ—ইয়াৰ সৈতে আন পুৰালিপিৰ সম্পৰ্ক—ভাৰতত ইয়াৰ ব্যৱহাৰ—বহি ভাৰতত ইয়াৰ প্ৰয়োগ—খৰোষ্ঠীত ব্ৰাহ্মীৰ প্ৰভাৱ।

ব্ৰাহ্মী লিপি : ইয়াৰ মূল সম্পৰ্কে মতবাদ ইয়াৰ মূল গ্ৰীকলিপি ছেমীয় লিপি, ফিনিচীয় লিপি, দক্ষিণ ছেমীয় লিপি, উত্তৰ ছেমীয় লিপি। ব্ৰাহ্মীৰ জন্মভূমি ভাৰতবৰ্ষ—জেনেৰেল কানিংহামৰ অভিমত—ইযাৰ মূল সিন্ধুলিপি—ইয়াৰ জন্মদাতা আৰ্য নে দ্ৰাবিড ?

অশোককালীন ব্ৰাহ্মী—চৈধ্য গিৰিশিলানুশাসন—লঘু শিলানুশাসন—শিলা স্তম্ভ শাসন—অশোককালীন ব্ৰাহ্মীৰ উত্তৰ দক্ষিণী শৈলী—ব্ৰাহ্মীলিপিৰ পৰীক্ষা নিৰীক্ষা আৰু প্ৰগতিৰ কাল শুংগ শক আৰু ক্ষত্ৰপকালীন ব্ৰাহ্মী।

কুশাণকালীন ব্ৰাহ্মী—ভূমিকা : অশোককালীন আৰু কুশাণকালীন ব্ৰাহ্মীৰ পাৰ্থক্য, এই লিপিৰ ভাগ—পশ্চিমা আৰু পূৰ্বী—চৰকাৰী আৰু বেচৰকাৰী— সংখ্যা প্ৰতীকৰ প্ৰয়োগ—পশ্চিম আৰু দক্ষিণ ভাৰতৰ লিপি।

গুপ্তকালীন ব্ৰাহ্মীলিপি আৰু ইয়াৰ ভিন্ন শৈলী : ভূমিকা—উত্তৰ আৰু দক্ষিণী শৈলী—উত্তৰ ভাৰতীয় গুপ্তলিপিৰ তিনিটা শৈলী পূৰ্বী, পশ্চিমা আৰু কৌণিক মাৰক শৈলী—ড দানীৰ শ্ৰেণী বিভাজন পূৰ্বী, পূৰ্বী মালোৱা আৰু মথুৰা শৈলী।

পৰৱৰ্তী স্তৰৰ গুপ্তলিপি আৰু প্ৰত্ন আঞ্চলিক লিপিৰ উৎপত্তি—আঞ্চলিক লিপি বিকাশৰ কাৰণ—সিদ্ধ মাতৃকা লিপি—শাৰদা, শ্ৰীহৰ্ষ আৰু কুটিল—আলবেৰুণীৰ অভিমত, সূক্ষ্মকোণী, গোজমুখী, নখমুখী, কাঁড়মুখী আৰু কুটিলাক্ষৰৰ স্বৰূপ কুটিল শৈলী বিকাশৰ

বিষয় পৃষ্ঠা

শৈলী—উত্তৰ পূৰ্ব ভাৰতত ইয়াৰ নিদৰ্শন—খ্ৰীষ্টীয় সপ্তম-অষ্টম শতাব্দীৰ ভাৰতীয় লিপিৰ শ্ৰেণী বিভাজন মধ্যগংগা উপত্যকাৰ লিপি—পূৰ্ব ভাৰতৰ লিপি—মথুৰা আৰু উত্তৰ পশ্চিম ভাৰতৰ লিপি—ৰাজস্থান আৰু মধ্যভাৰতৰ লিপি—মহীশুৰ আৰু মহাৰাষ্ট্ৰ অঞ্চলৰ লিপি—মহানদী মোহনাৰ লিপি—কৃষ্ণ উপত্যকাৰ লিপি।

ভাৰতৰ প্ৰাদেশিক লিপিমালা: শাৰদা লিপি—ইয়াৰ পৰা বিকশিত লিপিমালা নাগৰী লিপি—দাক্ষিণাত্যত নাগৰীলিপি—পশ্চিম ভাৰতত নাগৰী—নাগৰীৰপৰা বিকশিত লিপিমালা—দক্ষিণ ভাৰতীয় লিপিমালা—তেলেগু আৰু কন্নড় লিপি—পল্লৱ-গ্ৰন্থলিপি—টাইলিপি—তামিল লিপি—পূৰ্ব ভাৰতীয় লিপিমালা—বঙলা লিপিৰ বিকাশৰ ধাৰা বঙলা লিপিৰ ছপা হৰফ আৰু তাৰ বিকাশ— উৰীয়া লিপিৰ বিকাশ—মৈথিলী লিপি—নেপালী লিপিৰ বিকাশ।

বিদেশত ভাৰতীয় লিপি: ভূমিকা—সিংহল, বৰ্মা, শ্যাম, জাভা, কম্বোডিয়া, সুমাত্ৰা, বৰ্ণিও, মালয় দ্বীপ, মধ্য এচিয়া আৰু তিব্বতত ভাৰতীয় লিপিৰ প্ৰতিপত্তি।

॥ অসমীয়া লিপিৰ উৎপত্তি আৰু বিকাশ ॥ ১২৭—২৯৬

ভূমিকা: অসমীয়া লিপিৰ উৎসসমূহ—ক শিলালেখ—তাম্ৰ শাসন, মুদ্ৰা আদি— নগাজৰী খনিকৰ গাওঁ প্ৰস্তৰ খণ্ড লিপি—উমাচল শৈললিপি—বৰগংগা শিলালিপি—ডুবি তাম্ৰশাসন—নালন্দাৰ মৃন্ময় মোহৰ লেখ—নিধনপুৰ তাম্ৰলেখ—শংকৰ নাৰায়ণ মূৰ্ত্তিলিপি—হৰিহৰ মূৰ্ত্তি লিপি—দেওপানী বিষ্ণুমূৰ্ত্তিলিপি—শ্ৰীজীৱৰ আঙুঠি লিপি—শ্ৰীকুমাৰদেৱৰ ঘণ্টালিপি—ঐ গুৱি শিলালিপি—হায়ংথল তাম্ৰশাসন—কুকৰাবাহী সত্ৰশাসন—ধূলাপাদুং মুদ্ৰা লিপি—তেজপুৰ তাম্ৰশাসন—পৰ্বতীয়া তাম্ৰশাসন—দীঘলী গাওঁ তাম্ৰশাসন—কাকীৰ সূৰ্যপ্ৰতিমা লিপি—নৰকাসুৰ দেৱীমূৰ্ত্তি লিপি—উত্তৰ বৰবিল তাম্ৰশাসন—নগাওঁ শাসন—উলুবাৰী শাসন—বৰগাওঁ শাসন—গুৱাল কুছি শাসন—চৰাতবাৰী শাসন—গুৱাকুছি শাসন—এবা দীঘল পানী শাসন—গছতল শাসন—খনামুখ শাসন—

বিষয় পৃষ্ঠা

শুভংকৰ পাটিৰ শাসন—পুষ্পভদ্ৰা শাসন—কমৌলী শাসন—বল্লভদেৱৰ অসম শাসন— কানাই বৰশীবোৱা শিলৰ তুৰুষ্ক ক্ষয়ৰ ফলি— আমবাৰী শিলালিপি—গছতল স্তম্ভলিপি—বাউতকুছি তাম্ৰশাসন —সত্যনাৰায়ণ প্ৰত্যক্ষ নাৰায়ণৰ তামৰ ফলি—লক্ষ্মীনাৰায়ণৰ ভূমিদানৰ তামৰ ফলি—বৰমূৰ্তিয়া বিল তাম্ৰপট্ট—লংকা শৈললেখ —চেপাখোৱা তাম্ৰলিপি—পায়া তাম্ৰেশ্বৰী মন্দিৰ শাসন—নীলাচল তাম্ৰশাসন—কামাখ্যা মন্দিৰৰ শিলৰ ফলি—নৰ-নাৰায়ণৰ মুদ্ৰা লিপি—মাধৱৰ মন্দিৰৰৰ শিলৰ ফলি—ভণ্ডাৰী গোসাইৰ গড় নিৰ্মাণৰ শিলৰ ফলি—কামতেশ্বৰী গোসানীৰ মন্দিৰৰ শিলৰ ফলি প্ৰভৃতি খ কন্নমৰ শৈলীত অসমীয়া লিপিৰ উৎস—অসমীয়া লিপি চৰ্চাৰ ইতিহাস—অসমীয়া লিপিৰ উৎপত্তি সন্দৰ্ভত ভিন্ন মত—অসমীয়া লিপিৰ যুগ বিভাজন—প্ৰাচীন কামৰূপীয় লিপি, পুৰণি অসমীয়া লিপি আৰু আধুনিক অসমীয়া লিপি— অসমীয়া লিপিৰ অৱস্থানান্তৰ, পৰীক্ষা নিৰীক্ষা, দ্ৰুতবিকাশ, পৰিপূৰ্ণতা আৰু সাংস্কৃতিক সমন্বয়ৰ কাল—পুৰণি অসমীয়া লিপিৰ প্ৰকাৰভেদ গড়গঞা, কাইথেলী আৰু বামুণীয়া শৈলী—অভিলেখিক শৈলী— পুৰণি অসমীয়া লিপিৰ চূড়ান্ত বিকাশ আৰু প্ৰোজ্জ্বলকৰণৰ কাল —ছপা হৰফেৰে আধুনিক অসমীয়া লিপি—উত্তৰ-পূৰ্ব ভাৰতৰ অসমীয়া আৰু আন সহৱৰ্তী লিপিমালা—অসমীয়া স্বৰলিপি বিকাশৰ ধাৰা— অসমীয়া ব্যঞ্জনলিপি বিকাশৰ ধাৰা—সামৰণি।

॥ সংখ্যা আৰু বিৰাম চিহ্নৰ বিকাশ ॥ ২১৭—২৩১

ভূমিকা ভাৰতীয় সাহিত্যত সংখ্যাৰ উল্লিখন—সুমেৰ, বেবিলন আসিৰীয়া প্ৰভৃতি দেশৰ সংখ্যা গণনা পদ্ধতি—মিছৰ, গ্ৰীচ ৰোম, চীন প্ৰভৃতি দেশৰ সংখ্যা প্ৰতীক—মায়া আৰু ভাৰতবৰ্ষৰ সংখ্যা প্ৰতীকৰ বিকাশ—সংখ্যা সংকেত পদ্ধতি— অক্ষৰৰ প্ৰয়োগ পদ্ধতি—অশোককালীন সংখ্যা প্ৰতীক—পুৰণি অসমৰ লিপিত সংখ্যা প্ৰতীকৰ প্ৰয়োগ—বিৰাম চিহ্নৰ উৎপত্তি আৰু বিকাশ।

বিষয়	পৃষ্ঠা
॥ লেখৰ সামগ্ৰী ॥	২৩২—২৭০
ভূমিকা: শিল— শিলাস্তম্ভ— শিলাফলক— বেদিকা— শৈলকুম্ভৰ দাঁতি— মৃন্ময় সম্ভাৰ— তাম— সোণ— ৰূপ— পিতল— ব্ৰঞ্জ— কাঁহ— টিন— লো— জন্তুৰ ছাল— শামুকৰ খোলা— কাছৰ খোলা— দাৰু ফলক— মম— বাঁহৰ কামী— জীৱ জন্তুৰ ছাল— কাপোৰ— পেপাইৰাছ— তালপাত— ভূৰ্জপত্ৰ— সাঁচিপাত— তুলাপাত— চিয়াহি— ভিন্ন ৰঙৰ চিয়াহি— অসমীয়া চিয়াহি— লেখনী—মহীচুঙা— কুটনী— আঁকমাৰী— বিহ্না— লেখক লিপিকাৰ আদি— সামৰণি।	
॥ পৰিশিষ্ট ক ॥	২৭১—২৭২
পাৰিভাষিক শব্দাৱলী	
॥ পৰিশিষ্ট খ ॥	২৭৩—২৮৪
গ্ৰন্থপঞ্জী— অসমীয়া মুখ্য আৰু গৌণ উৎস— গ্ৰন্থ নিবন্ধ গুচ্ছ— বঙলা মুখ্য আৰু গৌণ উৎস— গ্ৰন্থ নিবন্ধ গুচ্ছ— সংস্কৃত— হিন্দী মুখ্য আৰু গৌণ উৎস— টোকা, ভ্ৰমণ বৃত্ত— অভিলেখ আৰু আন মুখ্য উৎস— গৌণ উৎস ইংৰাজী গ্ৰন্থ ইংৰাজী প্ৰবন্ধ পঞ্জী।	
॥ পৰিশিষ্ট গ ॥	২৮৫—৩০০
শব্দ নিৰ্দেশিকা ,	৩০১—৩১৮
সাৰণী	

সাৰণী পৰিচিতি

বিষয় **পৃষ্ঠা**

এক চিত্ৰলিপি

১, ২, ৩, ৪ আৰু ৫ বিশ্বৰ বিভিন্ন প্ৰান্তৰৰ শৈল পৃষ্ঠাত অংকিত আদিম যুগৰ চিত্ৰলিপি, ৬ বামপুম

দুই গ্ৰন্থিলিপি আৰু ভাৱলিপি

১ পেৰুৰ গ্ৰন্থিলিপি—২ অষ্ট্ৰেলিয়াৰ বৃক্ষশাখালিপি—৩ টংগানিকাৰ সূত্ৰ লিপি— ৪ ৰেড ইণ্ডিয়ানসকলে ব্যৱহাৰ কৰা ভাৱলিপি— ৫ ইজিপ্তৰ পূতখোদিত লিপি

তিনি প্ৰাচীন চিত্ৰলিপিৰপৰা বাণমুখ লিপিৰ বিকাশৰ ধাৰা

চাৰি ভাৰতীয় ব্ৰাহ্মীলিপিৰ সৈতে আধুনিক ইউৰোপীয় লিপিমালাৰ সাদৃশ্য গত তুলনা

পাঁচ ব্ৰাহ্মী আৰু খৰোষ্ঠী লিপি

১ অশোককালীন ব্ৰাহ্মী— ২ কুশাণকালান ব্ৰাহ্মী— ৩ গুপ্তকালীন ব্ৰাহ্মী— ৪ খৰোষ্ঠী লিপি— ৫ ষষ্ঠ শতাব্দীত বংগদেশ আৰু বিহাৰত ব্ৰাহ্মী লিপিৰ বিকাশ

ছয় সংখ্যা প্ৰতীক আৰু বিৰাম চিহ্নৰ বিকাশৰ ধাৰা

১ আধুনিক অসমীয়া— ২ ইজিপ্তৰ পৱিত্ৰ লিপি— ৩ গণলিপি— ৪ বাণমুখ লিপিৰ সংখ্যা প্ৰতীক— ৫ চীনা সংখ্যা প্ৰতীক— ৬ অশোক-কালীন ব্ৰাহ্মীৰ সংখ্যা প্ৰতীক— ৭ ক্ষত্ৰপসকলৰ অনুশাসনত ব্যৱহাৰ হোৱা সংখ্যা প্ৰতীক— ৮ গুপ্তকালীন ব্ৰাহ্মীৰ সংখ্যা প্ৰতীক— ৯ চৰ্যাপদৰ সংখ্যা প্ৰতীক— ১ মধ্যযুগীয় অসমীয়া সংখ্যা প্ৰতীক— ১১ টাই লিপিৰ সংখ্যা প্ৰতীক— ১২ অসমৰ তাম্ৰলেখ আৰু হস্তলিখিত পুথিত ব্যৱহাৰ হোৱা বিৰাম চিহ্ন— ৩ আঙ্কীৰ বিকাশ

সাত উত্তৰ ভাৰতীয় ব্ৰাহ্মীলিপিৰ বিকাশ

ক উষ্ণীয় বিজয় ধাৰণীৰ লিপি— খ অলংকৰণে অনা উত্তৰ ভাৰতীয় ব্ৰাহ্মীৰ পৰিৱৰ্তন— গ কলমৰ শৈলীয়ে অনা উত্তৰ ভাৰতীয় ব্ৰাহ্মীৰ পৰিৱৰ্তন

বিষয় | পৃষ্ঠা

আঠ পুৰণি অসমৰ তিনিখনি প্ৰখ্যাত শিলালিপি
১ নগাজৰী খনিকৰ গাওঁ প্ৰস্তৰ খণ্ডলিপি— ২ সুৰেন্দ্ৰৱৰ্মাৰ উমাচল শৈললিপি— ৩ কানাই বৰশীবোৱা শিলৰ তুৰস্ক ক্ষয়ৰ ফলি

ন আৰু দহ অসমীয়া লিপিৰ বিকাশৰ ধাৰা
পঞ্চম শতাব্দীৰপৰা উনবিংশ শতাব্দীলৈকে। শীৰ্ষস্থানৰ সংখ্যাই খ্ৰীষ্টাব্দৰ ক্ৰম সূচাইছে

এঘাৰ আৰু বাৰ স্বৰচিহ্ন সংযুক্ত অসমীয়া ব্যঞ্জন লিপিমালা

তেৰ প্ৰাচীন কামৰূপীয় সংযুক্ত বৰ্ণমালা

চৈধ্য পুৰণি অসমীয়া সংযুক্ত বৰ্ণমালা

(পোন্ধৰৰ পৰা ওঠৰলৈ আধুনিক ভাৰতীয় লিপিমালা
অ = অসমীয়া—উ = উৰীয়া—ক = কন্নড— কৈ = কৈথী — গু = গুজৰাটী— গু = গুৰুমুখী— টা ট = টাকৰী— তা, ত = তামিল— তে = তেলেগু— না = নাগৰী — ব = বঙলা— ম = মলয়ালম— ম = মহাজনী— মো = মোডী—ল = লংডা — শা = শাৰদা সিং = সিংহলী

এক

লিপিৰ জন্ম আৰু বিকাশৰ বিভিন্ন স্তৰ

বাণীৰ লৈখিক প্ৰতিৰূপেই লিপি[১]। আন কথাত, বাগযন্ত্ৰৰ সহায়ত উচ্চাৰিত ধ্বনিসমূহক যি প্ৰতীক চিহ্ন অথবা ৰেখাচিত্ৰৰ সহায়ত ব্যক্ত কৰা হয়, সেয়ে লিপি। প্ৰাচীন ভাৰতত ধাতুৰে নিৰ্মিত সূক্ষ্মাগ্ৰ কলমৰ সহায়ত ভূৰ্জপত্ৰ, আৰু তালপাতত দাগকাটি তাৰ ওপৰত চিয়াহি ঘহি দিয়া হৈছিল। এনেধৰণৰ ৰঞ্জক পদাৰ্থ লেপন কৰাৰ পৰাই লিপি শব্দৰ উৎপত্তি। ক্ষৰণ নাই গুণে ই অক্ষৰৰূপে পৰিচিত[২]। পৃথিৱীত মানুহৰ আবিৰ্ভাৱৰ তুলনাত লিপিৰ আবিষ্কাৰ নিতান্তই সাম্প্ৰতিক বুলিব পাৰি। ই মাত্ৰ ছ হাজাৰ বছৰৰ পূৰ্ববৰ্তী কথা। পূৰ্ণাংগ আক্ষৰিক লিপিৰ ইতিহাস আৰু সাম্প্ৰতিক। ইয়াৰ জন্ম লগ্নত ঈশ্বৰ অথবা ঈশ্বৰ প্ৰেৰিত দূতৰ হাত থকা বুলি বিভিন্ন দেশৰ লোকে বিশ্বাস কৰিছিল। দৃষ্টান্ত স্বৰূপে ভাৰতীয় ব্ৰাহ্মী লিপিৰ সৈতে সৃষ্টিকৰ্তা ব্ৰহ্মাক, মিছৰীয় লিপিৰ সৈতে থচ (Thoth) বা আইচিচ, বেবিলনীয় লিপিৰ লগত নেবু, গ্ৰীকলিপিৰ সৈতে হৰ্মিচ (Hermes), পেলমিডচ প্ৰমেথিউচ, লিনোজ আদি, চীনালিপিৰ লগত বেনচাং (Wenchang), ফিনিচীয় লিপিৰ সৈতে কেদমচ (Cedmus), ৰোমান লিপিৰ লগত মাৰ্কুৰী (Mercury), ইজৰাইলৰ লিপিৰ লগত জেহোবা (Jehova), আৰবৰ লিপিৰ সৈতে আল্লা আৰু আয়াৰলেণ্ডৰ কেল্টিক ওগম লিপিৰ লগত ও গম (Oghama) প্ৰভৃতি পৌৰাণিক দেৱতাক সাঙোৰা ৰূপকথা আজিও সুপ্ৰচলিত। পিছে বাস্তৱ দৃষ্টিত আদিম মানৱৰ প্ৰয়োজন পূৰ্তিৰ দীৰ্ঘম্যাদী প্ৰযত্নৰ ফলশ্ৰুতিৰূপেহে লিপিৰ জন্ম আৰু বিকাশ সম্ভৱ হয়[৩]।

---

১ সংস্কৃত √ লিপ+ই (ইন্)=লেপন কৰা অৰ্থত। পাণিনিৰ 'অষ্টাধ্যায়ী'ত জয়জয়তে এই শব্দটো পোৱা যায় (৩ ২ ২১)। সম্ৰাট অশোকৰ ধৰ্মলিপিসমূহত 'লিপি', 'লিবি' 'দিপি আদিৰ উপৰি লিখিত, লেখিত, লেখাপিত, (খৰোষ্ঠীত) নিপিসত, নিপেসিত, নিপেসপিত প্ৰভৃতি ৰূপবোৰ ব্যৱহাৰ কৰা হৈছে। স্মৰ্তব্য যে খৰোষ্ঠী লিপিত পোৱা ৰূপ কেইটা হখমনীষ শিলালিপি সমূহতো সঘনে পোৱা যায়।

২ ন ক্ষৰ, নঞ তৎপুৰুষ।

৩ Astle, T —*Origin and Progress of Writing* Allen, A B—*Romance of Alphabet* , Moorhouse, A C —*The Triumph of the Alphabet —A History of Writing* আৰু Mercer, S —*Story of Writing and Alphabet* দ্ৰষ্টব্য।

স্মৃতি সংৰক্ষণৰ কাৰণে গামোচা বা ৰুমালত গাঁথি দি ৰখা পদ্ধতি আজিও অব্যাহত। আদিম মানৱে অৱশ্যে ৰুমাল অথবা গামোচাৰ পৰিৱৰ্তে ৰচি অথবা জন্তুৰ ছালৰ ফিতাত গাঁথি দি কথা মনত ৰখাৰ উপায় উদ্ভাৱন কৰি লৈছিল। দক্ষিণ আমেৰিকাৰ পেৰু দেশৰ আদিবাসীসকলে (ক) ৰচি এডালত বেলেগ বেলেগ ৰং লগাই, (খ) ৰচি অথবা চামৰাৰ ফিতাত বেলেগ বেলেগ ৰঙৰ সূতা বা মণি আদি আঁৰি দি, (গ) এডাল দীঘল লাঠি কিংবা বাঁহ কাঠৰ মাৰিত ভিন্ন ৰঙৰ ৰচি লগ লগাই তাত গাঁথি মাৰি (ঘ) একেডাল ৰচিতে ভিন্ ভিন্ কৈ গাঁথি মাৰি অথবা ভিন্ন দূৰত্বত গাঁথি দি উল্লেখযোগ্য বিষয়, ঘটনা, পৰিসংখ্যা আদি মনত ৰখাৰ উপৰি ব্যবসায় বাণিজ্যৰো প্ৰাথমিক কাৰ্য সম্পাদন কৰিছিল। সাধাৰণতে ৰঙা ৰঙৰ ৰচিয়ে সৈনিক, হালধীয়া ৰঙৰ ৰচিয়ে সোণৰ, আৰু বগা ৰঙৰ ৰচিয়ে বিয়াৰ অৰ্থ সূচায়। তদুপৰি এটা গাঁথিয়ে ১০, দুটা গাঁথিয়ে ২০, এজটা ৰচিৰ গাঁথিয়ে ১ , দুজটা ৰচিৰ গাঁথিয়ে ২ আদি বুজাইছিল। এটা কালত এনেদৰে ৰচিত গাঁথিবন্ধা আৰু তাৰ অৰ্থ বুজাবলৈ এশ্ৰেণী লোককেই নিয়োজিত হৈছিল। মনৰ ভাব প্ৰকাশ কৰা এই পদ্ধতিক পেৰু দেশত কিপাচ (Kıpus), কুইপাচ (Quıpus), কুইপু (Quıpu) অথবা **গ্ৰন্থিলিপি** ৰূপে জনা যায়[৪]।

দক্ষিণ আমেৰিকাৰ ইন্‌কা সাম্ৰাজ্যৰ ভিন্ন অঞ্চলত গ্ৰন্থিলিপিৰ বিভিন্ন নিদৰ্শন উদ্ধাৰ হোৱাটো মন কৰিবলগীয়া। পেৰুৰ অফচৰে এই গ্ৰন্থিলিপিৰ বিশেষ উন্নতি সাধন কৰা বুলি জনা যায়। খ্ৰী পূ ৪৯৮ ত হালিকাৰত জন্মগ্ৰহণ কৰা প্ৰখ্যাত ঐতিহাসিক হেৰোডোটাচে লিখা ডেৰিয়াচৰ চাইথিয়া আক্ৰমণৰ বৰ্ণনাত গ্ৰন্থিলিপিৰ উল্লিখন তাৎপৰ্যপূৰ্ণ। ডেৰিয়াচে তেওঁৰ সৈন্যসকলৰ হাতত দলং এখনি ৰক্ষাৰ ভাৰ অৰ্পণ কৰি গাঁথি মৰা ৰচি এডাল দি কলে—'প্ৰতিদিনে ইয়াৰ একোটাকৈ গাঁথি খুলিবা আৰু অন্তিম গ্ৰন্থি খোলাৰ দিনাও যদি মই ঘূৰি নাহোঁ, তেন্তে দলংখনি ভাঙি তোমালোক স্বদেশলৈ ঘূৰি যাবা। উত্তৰ আমেৰিকাৰ ইৰোকোৱা আদিবাসীসকলৰ মাজত প্ৰচলিত 'ৱামপুম' (Wampum) নামৰ সাংকেতিক পদ্ধতিটোও গ্ৰন্থিলিপিৰ সমপৰ্যায়ৰ। 'ৱামপুম' হ'ল শামুকৰ খোলাৰে বোৱা টঙালি বিশেষ। খোলাসমূহ গঁথা আৰু সজোৱাৰ বৈচিত্ৰ্যত বক্তব্য বিষয় লুকাই থাকে। টগানিকাৰ মকোন্দে আদিবাসীসকলে ছালৰ ৰচিত গাঁথি দি বিভিন্ন ঘটনা আৰু সময় গণনা কৰা পদ্ধতি দীৰ্ঘদিন জুৰি প্ৰচলিত হৈ আহিছে। অষ্ট্ৰেলিয়াৰ আদিবাসীসকলে আকৌ গছৰ ডাল এটাত ধাৰ থকা শিলৰ টুকুৰা এটিৰে বিভিন্ন দাগ দি স্মৃতি সংৰক্ষণ কৰে।

---

৪ সবিশেষৰ বাবে Leland Lock প্ৰণীত *The Ancient Quipu* দ্ৰষ্টব্য।

কেতিয়াবা কেতিয়াবা দূৰত থকা লোক এজনৰ মনোভাব প্ৰকাশৰ বাবে পতাকা, বিশেষ ধৰণৰ বস্তু অথবা চিহ্নৰ প্ৰয়োগ কৰা দেখা যায়। বগা পতাকা উত্তোলনেৰে চলি থকা যুদ্ধ সাময়িকভাৱে স্থগিত ৰখা পদ্ধতি বিশ্বত আজিও প্ৰচলিত। ৰাষ্ট্ৰীয় পতাকা অৰ্দ্ধনমিত কৈ ৰাখি নেতৃস্থানীয় লোকৰ বিয়োগৰ শোক প্ৰকাশ কৰা হয়। নৱজাতকৰ জন্মৰ পিছত কামৰূপৰ বিভিন্ন স্থানত মাছ কিংবা জলাবটা বিলোৱা প্ৰথা আছে। ফতেহপুৰ জিলাৰ উচ্চশ্ৰেণীৰ হিন্দুসকলে হালধিৰে ছোবালীৰ আৰু চুপাৰীৰ দ্বাৰা লৰাৰ নিমন্ত্ৰণী আগবঢ়ায়। বাস্তৱ দৃষ্টিত এনেবোৰ প্ৰক্ৰিয়াক লিপি বুলিব নোৱাৰিলেও ইয়াৰদ্বাৰা যে এজনৰ মনোভাব ব্যক্ত হয়, তাত অকণো সন্দেহ নাই। এনে পদ্ধতিক ভাব অভিব্যক্তিৰ প্ৰতীকাত্মক ৰীতি অথবা **প্ৰতীকাত্মক লিপি** আখ্যা দিয়া হয়[৫]। লিপি বিকাশৰ ক্ষেত্ৰত গ্ৰন্থিলিপি আৰু প্ৰতীকাত্মক লিপিৰ স্থান নি সন্দেহে শূন্যৰ ঘৰত।

লিপিৰ উদ্ভৱ আৰু বিকাশৰ ইতিহাসলৈ লক্ষ্য কৰিলে ইয়াৰ কেইটামান স্তৰ স্পষ্টৰূপত দেখিবলৈ পোৱা যায়। সেই স্তৰ কেইটা হ'ল—

ক **চিত্ৰলিপি**—অৰণ্যচাৰী আদিম মানৱে চিকাৰৰ অনুসন্ধান কৰোঁতে চকুৰ আগত পৰা বিভিন্ন জীৱ জন্তুৰ চেহেৰাক স্মৰণীয় কৰি ৰাখিছিল—বিভিন্ন ৰৈখিক চিত্ৰৰ মাধ্যমত। এনেকৈয়ে মানৱ মনৰ সুকুমাৰ চিন্তাধাৰাৰ প্ৰকাশ সম্ভৱ হৈছিল—পৰ্বতৰ বুকুত থকা বিভিন্ন আকাৰৰ মসৃণ শৈলপৃষ্ঠত। গুহাবাসী মানৱে আন ঠাইলৈ নগৈ গুহাৰ ভিতৰতে চিত্ৰাংকন সমাধা কৰিছিল। সেই চিত্ৰসমূহ অংকিত হৈছিল বাস্তৱৰ ভেটিত। সাধাৰণতে হৰিণ এটা বুজাবলৈ সম্পূৰ্ণ হৰিণটো আকিব লগা হৈছিল। চিকাৰৰ দৃশ্যত হৰিণৰ সৈতে আয়ুধহস্ত চিকাৰীকো দেখা যায়। এই চিত্ৰসমূহে আদিম মানৱৰ সৌন্দৰ্যবোধৰ পৰিচয় প্ৰদৰ্শন কৰাৰ উপৰি আন এটি উদ্দেশ্যও সাধন কৰিছিল। অনামী শিল্পীয়ে যেতিয়া এটি হৰিণ অথবা বাইচনৰ ছবি আঁকিছিল তেতিয়া তেওঁৰ সংগীসকলে সহজে বুজিব পাৰিছিল যে তেওঁ হৰিণ বা বাইচনৰ কথা চিন্তা কৰিছে। এনেদৰেই এই চিত্ৰসমূহে এজনৰ মনৰ ভাৱ আন এজনৰ ওচৰলৈ কঢ়িয়াই নিয়াত সফল হৈছিল। সময়ৰ অগ্ৰগতিয়ে চিত্ৰলিপিৰ ভালেখিনি বিকাশ সাধে। এই স্তৰত গৰু এটা বুজাবলৈ সম্পূৰ্ণ গৰুটো অকাৰ পৰিৱৰ্তে শিংদুটিৰে সৈতে মুখখন আঁকি গৰুক দ্যোতনা কৰা ৰীতি প্ৰচলিত হ'ল। দক্ষিণ ফ্ৰান্স, স্পেন, ক্ৰীটদ্বীপ, মেচোপটেমিয়া, গ্ৰীচ, ইটালী, পৰ্তুগাল, চাইবেৰীয়া, উজবেকিস্থান, চিৰিয়া, মিছৰ, কেলিফোৰ্ণিয়া,

৫ তিৱাৰী, ভোলানাথ—ভাষাবিজ্ঞান, পৃ ৪১১-১২

ব্ৰাজিল, অষ্ট্ৰেলিয়া, চীন আৰু ভাৰতবৰ্ষৰ বিভিন্ন স্থানত প্ৰাচীন চিত্ৰলিপি উদ্ধাৰ হৈছে। ভিন্ন কালীন এই চিত্ৰবোৰ শৈল পৃষ্ঠৰ উপৰি হাতীদাঁত, গছৰ ছাল, জন্তুৰ ছাল, মৃন্ময় বাচন বৰ্তন, কাঠৰ ফলক আৰু জন্তুৰ হাড়তো অংকন কৰা দেখা যায়। এই সমস্ত চিত্ৰই ৰেখা সৰ্বস্ব। চিত্ৰলিপিৰ বিশ্বজনীন মূল্যবোধৰ কথা কোনোপধ্যেই নুই কৰিব নোৱাৰি যদিও ইয়াত থকা সীমাবদ্ধতাৰ কথাও উন্মুকিয়াই থোৱা ভাল—(১) চিত্ৰলিপিয়ে ব্যক্তি ভিন্নতা বুজাবলৈ অসমৰ্থ, (২) স্থূল বস্তু অথবা জীব জন্তুৰ প্ৰকাশত চিত্ৰলিপিয়ে সাহায্য আগবঢ়ালেও সূক্ষ্ম ভাবানুভূতিৰ প্ৰকাশত সিবোৰে কোনো ধৰণৰ ভূমিকা ল'ব নোৱাৰে, (৩) চিত্ৰাংকনত ভালেখিনি সময়ৰ প্ৰয়োজন। তদুপৰি (৪) প্ৰত্যেক মানুহেই চিত্ৰবিদ্যাত পাৰদৰ্শী হ'ব বুলিও আশা কৰিব নোৱাৰি।

থ **ভাৱলিপি** ৽—চিত্ৰলিপিৰ বিকশিত ৰূপেই ভাবলিপি। চিত্ৰলিপিত যিটো প্ৰাণী বা বস্তুৰ ছবি আঁকা হয় সেই বস্তুটোহে ব্যক্ত হয়, সুখ দুখ, দয়া ক্ষমা প্ৰভৃতি বিমূৰ্ত ভাৱৰাশি চিত্ৰলিপিৰে প্ৰকাশ কৰিব নোৱাৰি, কিন্তু ভাবলিপিৰে সিবোৰো ব্যক্ত কৰিবলৈ সম্ভৱ হ'ল। এই স্তৰত চিত্ৰৰ প্ৰাধান্য কমি আহিল, ৰেখা অথবা চিহ্নই মুখ্য আসন অধিকাৰ কৰিলে। ভাৱলিপিত অংকিত কোনো এটা বস্তুৰ প্ৰতীকটোৱে সেই বস্তুটোক প্ৰত্যক্ষভাবে নুবুজাই সেই বস্তুটোৰ লৈতে সংযোজিত ভাৱটোৰ দ্যোতনা কৰে[৬]। দৃষ্টান্ত স্বৰূপে, গোলাকাৰ চিত্ৰটোৱে চিত্ৰলিপিত মাথোঁ সূৰ্যটো বুজাইছিল কিন্তু ভাবলিপিত সি সূৰ্যদেৱতা, গৰম প্ৰভৃতি বুজাবলৈ ধৰিলে। এইস্তৰত, অৰ্ধচন্দ্ৰৰ তলত তৰা আঁকিলে সি বুজাব ৰাতিৰ অন্ধকাৰক, চকুৰ কাষৰ প্ৰাণীৰ চোঁপালে দুখৰ সংবাদ দিব আৰু সিংহৰ সমুখভাগে ইংগিত দিব প্ৰভুত্বৰ। চীনদেশৰ ভাৱলিপিত মুখনিসৃত বাক্য বুজাবলৈ মুখৰ লগত বাষ্পৰ প্ৰতীক আৰু বক্তৃতা বুজাবলৈ মুখ আৰু বাষ্পৰ লগত জিভাৰ প্ৰতীক সংযোগ কৰা দেখা যায়[৭]। আমেৰিকাৰ চুপিৰিয়ৰ হ্ৰদৰ পাৰত অৱস্থিত পাহাৰ এখনিত এটি মনোৰম ভাবলিপিৰ নমুনা পোৱা গৈছে। সেই ভাবলিপিত অংকিত হৈছে—পাঁচখনি নাও। প্ৰত্যেকখনি নাৱত যাত্ৰী থকাৰ ইংগিত ৰেখা চিত্ৰৰে দিয়া হৈছে। কাষত এটি চৰাই। সি নিসন্দেহে দলনেতা। তাৰ ওপৰত এটি অৰ্ধবৃত্ত—তাৰে তলত তিনিটা গোলক। অৰ্ধবৃত্তটো আকাশৰ আৰু গোলক তিনিটা তিনিটা সূৰ্য অৰ্থাৎ তিনিদিনৰ প্ৰতীক। সোঁফালে আছে এটি কাছ—তাক পানীৰপৰা বামলৈ উঠি অহাৰ ইংগিত দিয়া হৈছে। এই ভাবলিপিৰ সহায়ত ৰেড ইণ্ডিয়ানসকলে বুজাব বিচাৰিছে

৬ Taraporewala, I J S —*Elements of Science of Language*, foot note, P 387

৭ Giles, H —*Gems of Chinese Literature*

যে জনৈক দলনেতাই পাঁচখনি নাৱত যাত্ৰীসহ জল অভিযানত ওলাই তিনিদিনৰ মূৰত নিৰাপদে হ্ৰদটো পাৰ হৈছিল[৮]।

ভাৱলিপিৰ সহায়ত দীঘলীয়া সংবাদ প্ৰেৰণৰো সুযোগ ওলাল। ডেভিদ ডিৰিঞ্জাৰৰ গ্ৰন্থত[৯] এই বিষয়ক এটি সুন্দৰ উদাহৰণ পোৱা যায়। আমেৰিকাৰ ৰেড ইণ্ডিয়ান আদিবাসীসকলৰ সাতোটা উপজাতিৰ লোকে পুখুৰী বিশেষত মাছ মাৰিবলৈ যুক্তৰাষ্ট্ৰৰ প্ৰেচিডেণ্টৰ ওচৰত ভাৱলিপিৰ সহায়েৰে তেওঁলোকৰ এটা দাবী উত্থাপন কৰিছে। তেওঁলোকে যে একেলগে মাছ ধৰিব, সেইটো বুজাবলৈ সাতোটি প্ৰাণীৰ চকু আৰু হৃৎপিণ্ড একেডাল সূতাৰে গ্ৰথিত কৰা হৈছে। ছবিৰ সাতোটি প্ৰাণী সাতটা ভিন্ন উপজাতিৰ প্ৰতীক। প্ৰথমতে অকা ডাঙৰ বগলী জাতীয় চৰাইটো হ'ল নেতৃস্থানীয় 'অচ কাবাওইচ' উপজাতিৰ প্ৰতীক। দলৰ আগত চিত্ৰিত পখীটোৰ সৈতে পিছফালে থকা পুখুৰীৰ মাছ কেইটি সংযোগ কৰি ভাৱলিপিকাৰে কৰা স্বজাতিৰ মাছধৰা দাবী উত্থাপনৰ ব্যঞ্জনা মনোৰম। ভাৱলিপিৰ প্ৰয়োগ আজিও অব্যাহত। আলিবাটত থকা উপপথ, দলং, চোকা ভাজ প্ৰভৃতি বুজাবলৈ ব্যৱহাৰ কৰা চিত্ৰসমূহেই তাৰ প্ৰমাণ। পিছে ছবিৰে মুখৰ ধ্বনিক ৰূপ দিব নোৱাৰি। দৃশ্যমান বস্তু এটিয়ে আমাৰ মানসপটত যিটো ছবি আঁকে, তাৰ ৰেখাময় ৰূপটিহে চিত্ৰলিপি কিম্বা ভাৱলিপিত পৰিস্ফুট হয়।

গ **ভাৱ-ধ্বনিমূলক লিপি** —ভাৱলিপিৰ বিকশিত ৰূপটো ভাৱ ধ্বনিমূলকলিপি ৰূপে পৰিচিত। এই স্তৰত অংকিত সৰলীকৃত সংক্ষিপ্ত ৰেখাৰূপটোৰ কিছু অংশ চিত্ৰধৰ্মী, কিছু অংশ ভাবদ্যোতক আৰু আন কিছু অংশ কোনো বস্তুৰ ধ্বনিৰূপৰ প্ৰতিভূ। মেচোপটেমিয়া, হিত্তী আৰু মিছৰৰ পুৰণি লিপিক সাধাৰণভাৱে ভাৱলিপিৰূপে চিহ্নিত কৰিলেও সিবোৰ দৰাচলতে ভাৱ ধ্বনিমূলক লিপিৰহে দৃষ্টান্ত। মিছৰৰ চিত্ৰ-প্ৰতীক লিপিত আকাশৰ চিত্ৰৰূপ আকাশ বাচক 'পতা' এই ধ্বনিৰূপত ব্যৱহাৰ হোৱাটো এইখিনিতে স্মৰণযোগ্য। কোনো কোনো পণ্ডিতে হৰপ্পা আৰু মহেঞ্জদৰোত উদ্ধাৰ হোৱা চীল মোহৰৰ লিপিক ভাৱধ্বনিমূলক অথবা মিশ্ৰৰীতিৰ অন্তৰ্ভুক্ত কৰিবলৈ বিচাৰে। আধুনিক চীনালিপিয়ো ইয়াৰ পৰ্যায়ভুক্ত। দৃষ্টান্ত স্বৰূপে, ফ্যাং শব্দটোৱে চীনাভাষাত বুজায় নাও, স্থান, বয়ন প্ৰভৃতি। গতিকে স্থান বুজাবলৈ নাৱৰ লগত পৃথিৱী আৰু বয়নৰ অৰ্থ বুজাবলৈ নাৱৰ সৈতে ৰেচমৰ চিহ্ন অংকন কৰিবলগীয়া হয়[১০]।

---

৮ ৰেড ইণ্ডিয়ানসকলে ব্যৱহাৰ কৰা ভাৱলিপিৰ যথেষ্ট নমুনা Colonel Garrick Mallery-ৰ *B A E Annual Reports* (1893) ত পোৱা যায়।

৯ Diringer, D —*The Alphabet*, P 34

১০ Wells, H G —*The Outline of History*, P 199

ঘ **ধ্বনিমূলক লিপি** —লিপি বিকাশৰ এইস্তৰটোত অংকিত চিহ্নই কোনো বস্তু অথবা ভাৱ প্ৰকাশৰ পৰিৱৰ্তে কোনো এটা ধ্বনিহে প্ৰকাশ কৰিবলৈ লয়। সেই ধ্বনিৰ সহায়ত মূৰ্ত-বিমূৰ্ত বস্তু অথবা ভাৱ আপোনা আপুনি প্ৰকাশ পাবলৈ বাধ্য। নাগৰী, আৰবী প্ৰভৃতি লিপি ইয়াৰ দৃষ্টান্ত। ধ্বনিমূলক লিপিক আকৌ দুটা ভাগত ভগোৱা হৈছে—**অক্ষৰলিপি** আৰু **বৰ্ণলিপি**।

যি লিপিত কোনো চিহ্নই সম্পূৰ্ণ বৰ্ণটো নুবুজাই সাধাৰণতে আদ্য অক্ষৰটিহে বুজায়, তাক **অক্ষৰলিপি** কোৱা হয়[১১]। দৃষ্টান্তস্বৰূপে, হিব্ৰু ভাষাত আলেফ মানে গৰু। এই গৰু বুজোৱা চিনটোৱে ফিনিচীয় লিপিৰ বাতায়নেদি সৰকি গৈ গ্ৰীক বৰ্ণমালাত আল্‌ফা লিপিৰ ৰূপ লয়। ইংৰাজী family শব্দটো fa mi ly এই তিনিটা শব্দাংশ বা অক্ষৰত ভাগ কৰি প্ৰতিটো অক্ষৰৰ বাবে এটিকৈ প্ৰতীকচিহ্ন বহুৱালে সি হ'ব অক্ষৰ লিপি। গতিকে শব্দাংশ বা অক্ষৰৰ লৈখিক ৰূপদান এই লিপিৰ মূল কথা। ভাৰতৰ নাগৰীলিপি এইবিধ লিপিৰ উদাহৰণ। ইয়াৰ 'ক চিহ্ন ক+অ- এই দুই বৰ্ণৰ স যুক্তৰূপ। অসমীয়া লিপিৰ ক্ষেত্ৰতো ই প্ৰযোজ্য। আনহাতে ৰোমান লিপি 'অক্ষৰলিপি' নহয়—বৰ্ণলিপিহে। দৃষ্টান্ত স্বৰূপে, 'জগত' শব্দটো বুজাবলৈ নাগৰী বা অসমীয়াৰ তিনিটা লিপি চিহ্নৰ ব্যৱহাৰে যথেষ্ট (জ—গ—ত), কিন্তু ৰোমান লিপিত তাক বুজাবলৈ পাঁচোটা চিহ্ন প্ৰয়োগৰ প্ৰয়োজন (J—A—G—A—T) হয়। উত্তৰ মিছৰীয়, মেচোপটেমিয়াৰ মধ্যস্তৰৰ বাণমুখ আৰু সুমেৰৰ লিপি আলোচিত লিপিৰ আন উদাহৰণ। সুমেৰৰ লিপিৰ ৩৫ টা আক্ষৰিক চিহ্ন থকাৰ কথা পণ্ডিতসকলে সদৰি কৰিছে[১২]।

লিপি বিকাশৰ অন্তিম স্তৰটি **বৰ্ণলিপি** ৰূপে পৰিচিত। এটি ধ্বনিৰ কাৰণে এটি প্ৰতীক চিহ্নৰ প্ৰয়োগ বৰ্ণলিপিৰ মূলকথা। উত্তৰ মিছৰীয় লিপি (বৰ্ণলিপিৰ সংখ্যা ২৪), ফিনিচীয় লিপি (বৰ্ণলিপি ২২টা) আৰু ৰোমানলিপি বৰ্ণলিপিৰ প্ৰতিভূ। মিছৰৰ ভাষাত 'লাবোই'ৰ অৰ্থ সিংহী। তাত প্ৰথমে সিংহীৰ চিত্ৰৰূপে, পৰৱৰ্তী কালত 'লাবোই'ৰ ধ্বনি হিচাপে তাৰপৰা ই প্ৰথম অক্ষৰ 'লা'ৰ প্ৰতীকৰূপত ব্যৱহাৰ হয়। ৰোমান লিপিত সেয়ে 'ল' বৰ্ণলিপিলৈ উত্তৰণ কৰিছে।

চিত্ৰলিপিত আৰম্ভ কৰি আক্ষৰিক লিপিলৈ অগ্ৰসৰ হ'ব পৰা বা নোৱাৰা যি কেইটা

---

১১ The symbol donotes a sound (appealing to the ears) which is syllable (generally the first) of the word represented by it—*Elements of Science of Language*, footnote, P 389 by Taraporewala

১২ Diringer, D —*The Alphabet* দ্ৰষ্টব্য।

পুৰণি লিপিৰ নিদৰ্শন উদ্ধাৰ হৈছে, সেই কেইটা হ'ল—সুমেৰীয়, মিছৰীয়, ক্ৰীটান, হিত্তী চীনা, বেবিলনীয়, প্ৰত্ন এলামীয়, লেটিন আমেৰিকাৰ মায়া তথা আজটেকীয় আৰু প্ৰত্নভাৰতীয় অথবা সিন্ধুলিপি প্ৰখ্যাত। আজিৰ পৃথিবীৰ বিভিন্ন দেশত প্ৰচলিত লিপিসমূহ উপৰ্যুক্ত লিপিমালাৰ প্ৰত্যক্ষ কিংবা পৰোক্ষ প্ৰভাৱৰ ফলশ্ৰুতিত গঢ় লোৱা[১৩]।

১৩ Taylor, I —*The Alphabet* দ্ৰষ্টব্য।

দুই

পৃথিৱীৰ পুৰণি লিপিমালা

ক° বাণমুখলিপি

চিত্ৰলিপি আৰু অক্ষৰলিপিৰ অন্তৰ্বৰ্তীকালীন যি কেইবিধ লিপিৰ নাম পোৱা যায়, সেই কেইবিধৰ ভিতৰত মেচোপটেমিয়াৰ **বাণমুখ লিপিৰ** নাম সৰ্বাগ্ৰে উল্লেখনীয়। বৰ্তমান ইৰাকৰ টাইগ্ৰিচ আৰু ইউফ্ৰেটিচ—এই দুই নদীৰ সংগমস্থলীত থকা সৰুদেশ খনিক পুৰণি গ্ৰীচ দেশৰ অধিবাসীসকলে নাম দিছিল মেচোপটেমিয়া অৰ্থাৎ দুই নদীৰ মধ্যবৰ্তী দেশ। সুদূৰ অতীতত এই নামটো নাছিল। তবে পৰিবৰ্তে উত্তৰ আছিল আসিৰিয়া আৰু দক্ষিণে বেবিলনীয়া। বেবিলনীয়াৰ উত্তৰত আক্কাড আৰু দক্ষিণত সুমেৰ অৱস্থিত। এই সুমেৰতেই খ্ৰী পূ চতুৰ্থ সহস্ৰাব্দীৰ মধ্যৱৰ্তী কালৰপৰা বাণমুখ লিপিৰ প্ৰয়োগ দেখা যায়। মধ্যপ্ৰাচ্যৰ কোন স্থানত কেতিয়া এই লিপিৰ প্ৰথম ব্যবহাৰ হৈছিল, তাক খাটাং কৈ কোৱা টান। কোনো কোনো পণ্ডিতে বাণমুখ লিপিৰ প্ৰথম ব্যৱহাৰৰ থলী মেচোপটেমিয়া বুলি নিৰ্দেশ কৰিবলৈ বিচাৰে যদিও সৰহসংখ্যক পুৰালিপিতত্ত্ববিদৰ মতে সুমেৰেই এই লিপিৰ আদিম জননী। অৱশ্যে ইয়াৰ প্ৰাচীনতম নিৰ্দশন উদ্ধাৰ হৈছে 'উৰুক' অৰ্থাৎ বাইবেল বৰ্ণিত 'ইৰেক' অঞ্চলত। চৰাইৰ পদচিহ্নৰ অনুকৰণত প্ৰাচীন সুমেৰবাসীয়ে কেঁচা ঘূৰণীয়া মাটিৰ ফলকৰ ওপৰত কাঠৰ টুকুৰা, হাড় অথবা আন কঠিন পদাৰ্থৰে লিখিবলৈ লৈছিল। তেওঁলোকে আখৰবোৰ বৃত্তাকাৰভাৱে নিলিখি পোনভাৱে হেচি হেচি কাটি পিছত ফলকবোৰ ৰদত শুকাই জুইত পুৰি লৈছিল। কঠিন পদাৰ্থৰ আগেৰে হেচি লিখা গুণে সিবোৰে দেখাত বাণ, কাঁড় অথবা গোঁজৰ মুখৰ আকৃতি লয়। সেইবাবে তাক বাণমুখ, কীলকাক্ষৰ অথবা কিউনিফৰ্ম আখ্যা দিয়া হৈছে[১]। এই নামকৰণ কৰে জয়ন্তয়তে প্ৰখ্যাত লিপিবিদ্ টমাচ হাইদে।

বাণমুখ লিপি যে এক প্ৰকাৰ চিত্ৰলিপিৰ পৰা বিকশিত, তাত অকণো সন্দেহ নাই। উৰুকত প্ৰাপ্ত বাণমুখ লিপিৰ প্ৰাচীনতম নিদৰ্শনে ইয়াৰ ইংগিত বহন কৰিছে।

---

১ লেটিন *Cuneus* ৰ ইংৰাজী প্ৰতিশব্দ Wedge, অসমীয়া গোঁজ বা কীলক আৰু *forma* ৰ ইংৰাজী প্ৰতিশব্দ Shape, অসমীয়া আকৃতি। গতিকে অসমীয়াত ইয়াক কীলকাক্ষৰো বুলিব পাৰি। কিউনিফৰ্মৰ জাৰ্মান প্ৰতিশব্দ keilschrift ৰো অৰ্থ কীলকাক্ষৰ।

প্ৰত্নতাত্ত্বিক আৰু নৃতাত্ত্বিকসকলৰ দৃষ্টিত নগৰ সভ্যতা গঢ়ি উঠাৰ লগে লগে সমাজ জীৱনৰ বাস্তৱ সমস্যা সমাধানৰ অন্যতম অহিলা ৰূপেই এই লিপিয়ে আত্মবিকাশ লাভ কৰে[২]। নগৰ সভ্যতাৰ বুনিয়াদ গঢ়ি তুলিবলৈ যি বিপুল পৰিমাণৰ ধন-দৌলতৰ প্ৰয়োজন হৈছিল, সিবোৰ সংৰক্ষিত হৈছিল ৰাজঘৰা মন্দিৰত। তাৰ তত্ত্বাৱধায়ক হ'ল পুৰোহিত শ্ৰেণী। দেৱতা হ'ল সসাগৰা পৃথিৱীৰ মালিক। সেই দেৱতাৰ মাটি চহাই খেতি কৰিলে তাৰ কৰ দিয়াটো অৱশ্য কৰ্তব্য। কোনে কিমান কৰ আদায় দিব লাগিব—তাক ঠিক কৰি দিছিল পুৰোহিতসকলে। পিছে লেনদেনৰ হিচাপ বৰ উজু নহয়। একমাত্ৰ স্মৃতিৰ ওপৰত নিৰ্ভৰ কৰি বিপুল পৰিমাণৰ ধন দৌলত সামৰি লোৱাটো এক কষ্টসাধ্য কৰ্মত পৰিণত হ'ল। অথচ দেৱতাৰ ধনৰ ইফাল সিফাল কৰাটো এটা দূষণীয় কাম। আনহাতে পুৰোহিতৰ জীৱনো নশ্বৰ। তেওঁৰ মৃত্যুকালত যদি কোনে কিমানখিনি ধন আদায় দিব লাগিব, তাক নিয়াৰিকৈ উত্তৰাধিকাৰীজনক কৈ যাব নোৱাৰে, তেতিয়া কি হ'ব? এনে অসুবিধা আঁতৰোৱাৰ একমাত্ৰ উপায় লিখি ৰখা। পিছে সেই লিখা হ'ব লাগিব 'বহুজন সুখায় চ হিতায় চ'। ফলশ্ৰুতিৰূপে দীৰ্ঘদিনীয়া অনুশীলনৰ ফলত সুমেৰৰ পুৰোহিতবৰ্গই আৱিষ্কাৰ কৰিলে লিপিৰ। সৰ্বসাধাৰণে সেই লিপিক আদৰণি জনালে যদিও প্ৰত্যেকে তাক পাঠ কৰাটো সম্ভৱ নহয়। সেই গুণে পাঠক শ্ৰেণী এটাক নিযুক্ত কৰা হ'ল।

প্ৰথম স্তৰৰ বাণমুখ লিপি বহু পৰিমাণে **চিত্ৰলিপিৰ** লেখীয়াই আছিল। তৰা, ভগবান আৰু সৰগ বুজাবলৈ সেই কাৰণে তৰাৰ চিন অংকন কৰা হৈছিল। তৰাটো দেখিবলৈ আছিল ঘূৰণীয়াকৈ অকা আঠোটা বাণাকৃতি ৰেখাৰ সমষ্টি। পিছলৈ অষ্টকোণী তৰাই দীৰ্ঘ পথালিকৈ সংযোজিত দুডাল বাণমুখী ৰেখাৰ বাওঁফালে অংকিত দ্বিতীয় ডাল অনুভূমিক বাণমুখী ৰেখাৰ সমষ্টিৰ ৰূপ লয়। সময়ৰ অগ্ৰগতিৰ লগে লগে এই লিপি ভাবলিপিলৈ উন্নীত হয়। এই স্তৰত তাপ আৰু দিন বুজাবলৈ সূৰ্য নাইবা গতি নিৰ্দেশ কৰিবলৈ ভৰিৰ ছবি অংকিত হৈছিল[৩]। অন্তিম স্তৰত কোনো কোনো ভাষাত (আসিৰীয় আদি) এই লিপিয়ে অৰ্ধ আক্ষৰিক ৰূপ পৰিগ্ৰহ কৰাটো মন কৰিবলগীয়া। সেইবাবে এই লিপিক কোনো কোনো পুৰালিপিতত্ত্ববিদে অক্ষৰলিপিৰ প্ৰথম সোপান বুলিবলৈ সাহস পায়। সুমেৰৰ আদিস্তৰৰ বাণমুখ লিপিত প্ৰায় দুহাজাৰ

---

২ Hawkers, J & Woolly, L —(ed) *History of Mankind*, Vol I PP 639-40

৩ Lehmann, W P —*Historical Linguistics*, P 74

সংকেত চিহ্নৰ (খ্ৰী পূ ৩০০০) প্ৰয়োগ আছিল যদিও পিছলৈ মাথোন ছশ সংকেত চিহ্নলৈ (খ্ৰী পূ ২৫০০) বৰ্তি থাকে। বাণমুখ লিপিয়ে আক্ষৰিক ৰূপ গ্ৰহণ কৰা কালত বিভিন্ন অনিশ্চয়তা আৰু বিশৃংখলতাই দেখা দিয়ে। এই বিশৃংখলতাসমূহ আঁতৰাবলৈ মূল প্ৰতীক চিহ্নৰ আগে পিছে কিছুখিনি বিশেষ ধৰণৰ চিহ্ন প্ৰয়োগৰ ব্যৱস্থা হ'ল। এই চিনবোৰ উচ্চাৰিত নহয়। যিক্ষেত্ৰত এটি প্ৰতীকৰদ্বাৰা একাধিক বস্তু বা ভাৱক বুজাব লগা হয়, তেতিয়া কোন ভাবক প্ৰকাশ কৰিব বিচাৰিছে তাক এই সহায়ক চিহ্ন সমূহৰ সহায়ত প্ৰকাশ সম্ভৱ হৈছে[৪]।

সুমেৰৰপৰা **আক্কাডীয়সকলে** বাণমুখ লিপি গ্ৰহণ কৰি নাগৰিক জীৱনলৈ সুচলতা আনে। তেওঁলোকে বেবিলন জয় কৰাৰ পিছত সুমেৰীয় লিপিকে তাতো চলাই দিয়ে। তেওঁলোকৰ অগণন মৃৎফলকত লিখা এই লিপি উদ্ধাৰ হৈছে[৫]। আক্কাডীয়সকলে সুমেৰ আক্কাডী শব্দকোষো প্ৰস্তুত কৰিছিল। এই শব্দকোষৰ সহায়ত মাটিৰ ফলকসমূহত উৎকীৰ্ণ লিপিমালাৰ পাঠোদ্ধাৰ সম্ভৱ হৈছে। আক্কাডীয় সকলৰ কল্যাণতে বাণমুখ লিপিৰ প্ৰতীক সংখ্যা ছশলৈকে হ্ৰাসীকৃত হয়। **আসিৰীয় সকলে** খ্ৰীষ্টজন্মৰ প্ৰায় ২৩ বছৰৰ পূৰ্বে এই লিপি গ্ৰহণ কৰি অক্ষৰলিপিৰ ফালে আগুৱাই অনাত সফল হয়। সৰলতা আৰু স্পষ্টতা এই লিপিৰ লক্ষণীয় বিন্দু। আসিৰীয় সম্ৰাট অসুৰ বনিপালৰ (খ্ৰী পূ ৬৮৮—৬২৬) বিখ্যাত গ্ৰন্থাগাৰত পৰৱৰ্তী আসিৰীয় লিপিত উৎকীৰ্ণ বহুসংখ্যক মৃন্ময় ফলক উদ্ধাৰ হৈছে আৰু সিবোৰৰ পাঠোদ্ধাৰ কৰিছে—চাৰ হেনৰী ৰলিনচনে। সেই টালিলিপিসমূহত আন আন বিষয়ৰ লগতে আছে 'গিলগামেশ' মহাকাব্যৰ পূৰ্ণৰূপ[৬]।

প্ৰাচীন **এলামাইটবাসীয়ে** চিত্ৰলিপিৰপৰা জ্যামিতিক ৰেখাসৰ্বস্ব একপ্ৰকাৰ লিপি আবিষ্কাৰ কৰি লৈছিল যদিও খ্ৰী পূ ২০০০ ত তেওঁলোকে নিজস্ব লিপি পৰিহাৰ কৰি সুমেৰীয় অথবা বেবিলনীয় বাণমুখ লিপিৰ কিছু পৰিবৰ্তন সাধি নিজস্ব লিপিৰূপে চলায়। বেবেলনীয় বাণমুখ লিপিত থকা ৫৭০টা বিশিষ্ট প্ৰতীক চিহ্নৰ

---

৪ *Encyclopaedia Britannica*, Vol PP 868 70

৫ সবিশেষৰ বাবে Barton, G A —*The Origin and Development of Babylonian Writing* , Breasted J H —*Semetic Writing* আৰু Cark, C —*The Art of Early Writing— With special Reference to the Cunie form Writing* গ্ৰন্থ দ্ৰষ্টব্য।

৬ সবিশেষৰ বাবে King, L W ৰ *Assyrian Language*-আৰু Friedrich, D-ৰ *Sumerische Grammatik* দ্ৰষ্টব্য।

মাথোন ১১৩টাহে তেওঁলোকে নিৰ্বাচন কৰে। অধ্যাপক F W Konigএ ইয়াৰ চাৰিকুৰিমান প্ৰতীকক আক্ষৰিক চিহ্ন ৰূপে স্বীকৃতি দিয়াটো মন কৰিবলগীয়া[৭]। আসিৰীয়সকলে এই লিপিক পশ্চিম এচিয়াৰ বিভিন্ন নগৰলৈ সম্প্ৰসাৰণ ঘটায়। মিটান্নী সকলে খ্ৰী পূ ১৬০০ত ইয়াক গ্ৰহণ কৰে। হখমনীয় নৃপতিমণ্ডলীৰ ছত্ৰছায়াত এই লিপিয়ে পাৰস্য দেশত বিকশিত হোবাৰ সুযোগ পায়। বাণমুখ লিপিৰ তিনিটা ভিন্নৰূপ একে লগে পোৱা গৈছে—পাৰস্যৰ সম্রাট দাৰয়বহুশে (=গ্ৰীক Darius) উৎকীৰ্ণ কৰোৱা ইৰাণৰ বেহিস্থানৰ এক গিৰিলিপিত। সেই লিপিত পুৰণি পাৰসী, এলামী বা সুনিয়ন আৰু আক্কাডীয় বা বেবিলনীয় ভাষাৰ ত্ৰিবেণী সংগম তাৎপৰ্য পূৰ্ণ[৮]। গিৰিলিপি খনৰ ওপৰত খোদিত হৈছে তেওঁলোকৰ ইষ্টদেৱতাৰ লৈখিক ৰূপ। তাৰ তলৰ দুভাগত ছবি। বাওঁফালৰ ভাগত থিয় দি থকা শেল, ধনু প্ৰভৃতি আয়ুধহস্ত তিনি জন মানুহ আৰু সোঁফালৰ ভাগত স্থানকভংগীৰ নজন মানুহক একেডালি সুঁতাৰে বন্ধা দেখা যায়। এই চিত্ৰ দুখনৰ একেবাৰে বাওঁ আৰু সোঁফালে দুভাগ বেবিলনীয় লিপি উৎকীৰ্ণ হৈছে। ইয়াৰ তলত (অৰ্থাৎ ক বেবিলনীয় লিপি, খ প্ৰথম চিত্ৰ, গ তৃতীয় চিত্ৰ আৰু ঘ বেবিলনীয় চিত্ৰ) বাওঁফালৰপৰা ক্ৰমে তিনিটা কলমত এলামাইট অথবা সুনিয়ন পাঠ আৰু তাৰে সোঁফালে চাৰিটা কলমত উৎকীৰ্ণ হৈছে—পুৰণি পাৰসী পাঠ। ১৪৭২ খ্ৰীষ্টাব্দৰ ভেনিচৰ ৰাষ্ট্ৰদূত জ্বাচোফত বাৰ বৰোত (Giasofar Barbare) আৰম্ভ কৰি প্ৰায় পাঁচ শতাব্দী কাল বিভিন্ন দেশৰ বহু সংখ্যক পুৰালিপিতত্ত্ববিদে আলোচিত অদ্ভুত গিৰিলিপিখনৰ পাঠোদ্ধাৰত লাগি অৱশেষত কৃতকাৰ্য হয়। লিপিতত্ত্ববিদ্‌সকলে পুৰণি পাৰসী ভাষাত থকা ৩৬টা আক্ষৰিক চিহ্নৰ উপৰি পাঁচোটা অতিৰিক্ত চিহ্নৰে সেই গিৰিলেখৰ পাঠোদ্ধাৰত ব্ৰতী হৈ পাৰস্যৰ নৃপতিসকলৰ নামবোৰ উদ্ধাৰ কৰে। পাৰসী ভাষাৰে অৰ্থ উলিয়াব নোৱাৰা অৱশিষ্ট অংশ এলামাইট আৰু আক্কাডীয় ভাষাৰ আলোকত পাঠ কৰি লিপিতত্ত্ববিদসকল কৃতকাৰ্য হয়। ‘বেহিস্থান গিৰিলেখ’ৰ প্ৰাচীন পাৰসীয় ভাষাত লিখা প্ৰথম কলমৰ প্ৰথম বাক্যটি এনেধৰণৰ—

‘আদম দাৰয়বুশ খশায়নীয় বজৰক খশায়থীয় খশায়থীয়ানাম খশায়থীয় পাৰ সইয় খশায়থীয় দহয়ুনাম বিশতাস্পহয়া পতৰঅৰ্শাসহয়া নপা হখানীশীয়।’

---

৭ Brice, W C —*The Writing System of the Proto Elamite Account Tablets of Susa* দ্ৰষ্টব্য।

৮ Booth, A. J —*The Discovery and Decipherment of the Trilingual Cuneiform Inscriptions*—PP 119 55

(মই শক্তিশালী নৃপতি, নৃপতিৰো নৃপতি, দেশৰ নৃপতি, পাৰ্শিয়াৰ নৰপতি বিশতাস্পৰ পুত্ৰ অৰ্শামৰ পৌত্ৰ হখমনী বংশৰ দ ৰ য় ব উ শ)। উপৰ্যুক্ত পাঠৰ এলামাইট পাঠ এনেধৰণৰ—

'(ম) উ (ম) তৰিয় মউশ (ম) জুনকুক ইৰশৰৰ (ম) জুনকুক (ম) জুনকুক ইপ ইন্ন (ম) জুনকুক (নিৰ্ধাৰক) পাৰ্শিন ইক্ক (ম) জুনকুক (ম) ইৰশাম (ম) ক্বহ শকৰী (ম) অকমন্নীশীয়।

(মই তৰিয়মুশ (ডেৰিয়স) শক্তিশালী নৃপ, নৃপৰো নৃপ, পৰ্শিন (পৰ্শিয়া) ৰ নৃপ, দেশৰ নৃপ, ইৰ শম (অৰ্শাম) ৰ পৌত্ৰ অকমন্নীশীয় (হখমনীয় বংশৰ)। উপৰি উক্ত পাঠাংশৰ বেবিলনীয় পাঠ হ ল—

'অনকু (ম) দৰিয়মুশ শৰৰুড ৰবুশৰ মাতাতী (ম) অখমনীশ শৰ শৰৰাণী (অমেলু) পৰসা অ শৰ (মাতূ) পৰসু।

(মই দৰিয়স, মহাৰজা, দেশৰ নৃপতি অখমনী ব শীয়, ৰজাৰো ৰজা পাৰ্শিয়ান, পাৰ্শিয়াৰ নৃপতি)।

জয়জয়তে বাণমুখলিপি ওপৰৰ পৰা তললৈ লিখা হৈছিল। পিছত সোঁফালৰ পৰা বাওঁফাললৈ আৰু প্ৰায় ২৬ খ্ৰীষ্টপূৰ্বত ইয়াক বাওঁ হাতৰপৰা সোঁহাতলৈ লিখাৰ ৰীতি প্ৰচলন হয়। আক্কাডীয়সকল ছেমীয় ভাষাগোষ্ঠীৰ লোক গুণে তেওঁলোকে ব্যবহাৰ কৰা লিপিটোক বহুতে ছেমীয় লিপি বুলি চিনাক্ত কৰিবলৈ আগ্ৰহ দেখুৱায়। এই লিপিয়ে অৰ্ধ আক্ষৰিক অথবা আক্ষৰিক লিপিৰ স্তৰলৈ আগবাঢ়িলেও বৰ্ণলিপিৰ স্তৰলৈ উত্তৰণৰ সুযোগ নাপালে।

খ ইজিপ্তৰ পূত খোদিত লিপি

খ্ৰীষ্টজন্মৰ এক শতাব্দী পূৰ্বলৈকে পুৰোহিত শ্ৰেণীৰ নিৰ্দেশক্ৰমে প্ৰাচীন মিছৰৰ পৱিত্ৰ স্থান সমূহৰ শিলৰ ওপৰত অনামী শিলাকুটিয়ে বটালিৰে কিছুমান সাংকেতিক চিহ্ন খোদিত কৰিছিল। কোনো কোনো স্থানৰ সেই চিহ্নবোৰত তুলিকাৰে ৰঙা, সেউজীয়া, হালধীয়া, নীলা আদি ৰং সানি দেখিবলৈ জকমকীয়া কৰি তুলিছিল। মিছৰবাসীয়ে সেই সংকেতবোৰ ভগৱানৰ বক্তব্য বুলি ভাবিছিল আৰু লিপিবোৰক দেৱভাষা বা পূতলিপি আখ্যা দিছিল। গ্ৰীক সকলে সেই পৱিত্ৰ লিপিক 'হায়াৰো' (hieros=পৱিত্ৰ) 'গ্লিফিন' (glyphein=ৰেখাংকন) অথবা 'হায়াৰো' গ্লিফিকা' (gluphe=খোদিত

কৰা) 'গ্রামাটা' (grammate=অক্ষৰ) বুলি চিনাক্ত কৰিছিল[৯]। উনবিংশ শতাব্দীত সিবোৰ **'হায়াৰ'গ্লিফিক্‌চ'** ৰূপে অধিক পৰিচিত হ'ল। যদিও আৰম্ভণিতে সেই চিত্রাত্মক চিহ্নবোৰ ধৰ্মীয় স্থানত 'দেৱভাষা' ৰূপে প্রয়োগ হৈছিল, পিছলৈ সিবোৰ প্রাত্যহিক জীৱনৰ কথাবস্তুৰে কাঠ, মৃন্ময় ফলক আৰু পেপাইৰাছৰ পাততো লিখাৰ নীতি প্রচলিত হয়।

পুৰণি ইজিপ্তৰ ৰজাসকলে বৰ্ষাপঞ্জী প্রস্তুত কৰিছিল আৰু তেওঁলোকৰ নামসমূহো ভাবী পুৰুষৰ জ্ঞাতাৰ্থে কালানুক্রমিকভাৱে লিখি ৰাখিছিল। পলেৰ্মো যাদুঘৰত সংৰক্ষিত পলেৰ্মো শিলাখণ্ডই (Palermo Stone) এনে ৰাজবংশৰ পৰিচয় দিয়ে। খ্রীষ্টজন্মৰ প্রায় চাৰি সহস্রাব্দমানৰেপৰা শৈলপৃষ্ঠত পূত খোদিত লিপি লিখাৰ ধাৰাটি আৰম্ভ হয়। পিছলৈ শিল অথবা পেপাইৰাছৰ পাতত লিখা লিপিবোৰ বেছ জকমকীয়া[১০]।

পৃথিৱীৰ প্রাচীনতম লিপিৰ জন্ম সুমেৰত নে ইজিপ্তত হৈছিল তাক আজিও সন্দেহাতীতভাৱে কোনোৱে ক'ব পৰা নাই। পিছে এটাকথা ঠিক যে খ্রী পূ তৃতীয় সহস্রাব্দৰ পূৰ্বে বাণমুখ, চীনা অথবা মায়ালিপিৰ দৰে ইজিপ্তৰ পূত খোদিত লিপিয়েও জন্ম গ্রহণ কৰি বৈচিত্র্যৰ ফালে আঁগবাঢ়িছিল। কোনো কোনো পণ্ডিতৰ মতে, প্রথম ৰাজবংশৰ আমোলত (আনুমানিক খ্রী পূ ৩) সমগ্র মিছৰক যেতিয়া একত্রিত কৰা হ'ল, তেতিয়াই সামাজিক আৰু ৰাজনৈতিক প্রয়োজনত কৃত্রিমভাৱে উক্ত লিপিক সৃষ্টি কৰা হয়। অধ্যাপক এ এল ক্রোবেবাৰৰ এই মতৰ প্রধান প্রবক্তা। আন এদল পণ্ডিতে পিছে এনে যুক্তি মানি ল'বলৈ নাৰাজ। তেওঁলোকে ভাৱে যে সুমেৰৰ বাণমুখ লিপিৰদৰে মিছৰীয় লিপিও চিত্রলিপিৰপৰা বিকশিত হয়। ৰজাৰ নাম আৰু উপাধি খোদিত এই লিপিবোৰ যিকোনো উন্নত চিত্রৰ সৈতে ফেৰ মাৰিব পাৰে। আলোচিত

---

৯ It was by this Process that the ancient writing already early regarded as of a divine origin became a sacred accomplishment, the special characteristic of sacred learning and was, there fore, called by the Greeks hieroglyphs or sacred glyphs'—*The History of Egypt* by J H Brasted, P 576

১০ The hieroglyphies were traced in black but commenced in red and the sculptured hieroglyphies were also embellished with colour —*The Standard History of the World.* Vol I by J Smith, PP 78-79

পূত খোদিত লিপিৰ প্ৰধান বৈশিষ্ট্য হ'ল—বেলেগ বেলেগ ব্যঞ্জনধ্বনি বুজাবলৈ স্বকীয়া স্বকীয়া প্ৰতীকৰ প্ৰয়োগ। কিছুমান প্ৰতীকে এটা ব্যঞ্জনধ্বনি বুজায় যদিও আন কিছুমানে দুই তিনিটাও ব্যঞ্জনধ্বনিৰ দ্যোতনা কৰে। এই লিপিত একক ব্যঞ্জনধ্বনি বুজোৱা ২৪টা আৰু সংযোগধ্বনি বুজোৱা ৭৫টা প্ৰতীকৰ প্ৰয়োগ দেখা যায়। এই পূত খোদিত লিপিসমূহ সাধাৰণতে সোঁহাতৰ পৰা বাওঁহাতলৈ লিখা হৈছিল যদিও সমতা আৰু সৌন্দৰ্য সংৰক্ষণৰ কাৰণে সিবোৰ কেতিয়াবা বাওঁহাতৰপৰা সোঁহাতলৈকেও লিখা দেখা যায়। পখীৰ ঠোঁট কি বা মানুহৰ মুখৰ অৱস্থানলৈ লক্ষ্য কৰিলেই লিখাৰ দিশ ধৰিব পাৰি। অৰ্থ দ্যোতনালৈ লক্ষ্য কৰি লিপিতত্ত্ববিদ্‌সকলে ইয়াক তিনিটা ভাগত ভগাইছে—ক শব্দ অথবা মূলব্যঞ্জন প্ৰতীক (word or root sign), খ শব্দলিপি (phonogram) আৰু গ নিৰ্ণয়াত্মক চিহ্ন লিপি (determinative sign)

কোনো বস্তুৰ সৈতে প্ৰত্যক্ষভাবে সম্পৰ্ক থকা পূত খোদিত লিপিসমূহ প্ৰথম শ্ৰেণীৰ অন্তৰ্ভুক্ত[১১]। গ্ৰীক আৰু ৰোমান সাম্ৰাজ্যৰ অভ্যুত্থানৰ আগতেই মিছৰৰ কিছুসংখ্যক প্ৰতীক চিহ্ন আক্ষৰিক ৰূপলৈ অগ্ৰসৰ হয় আৰু প্ৰায় এশটা শব্দলিপিৰ ভিতৰত প্ৰায় সত্তৰ-আশীটামান উৎকৃষ্ট লেখাসমূহত (good writings) ব্যৱহাৰ হ'বলৈ ধৰে। পিছলৈ গুৰুত্বপূৰ্ণ আক্ষৰিক লিপিয়ে একাক্ষৰিক কি বা বৰ্ণলিপিলৈ উন্নীত হয়[১২]। এনে উন্নত বৰ্ণলিপিৰ সংখ্যা ২৪টা ইতিমধ্যে উল্লিখিত হৈছে। অৱশ্যে পিছলৈ সমধ্বনি সংযোগৰ ফলত ইয়াৰ সংখ্যা ডেৰকুৰিলৈ বৰ্ধিত হয়। দ্বিঅক্ষৰী পূত খোদিত লিপি-সমূহ প্ৰায়ে দুটা ব্যঞ্জনৰ যোগ আৰু তেনে যোগ প্ৰতীকৰ আঢৈকুৰিমান সৰ্বদা ব্যৱহাৰ হৈছিল আৰু অৱশিষ্ট কিছু সংখ্যক যোগ (পোন্ধৰৰপৰা কুৰিৰ ভিতৰত সীমিত) মাজে সময়ে প্ৰয়োগ ঘটিছিল[১৩]। দৃষ্টান্ত স্বৰূপে দহ হাজাৰ বুজাবলৈ 'db , গিলা আৰু ডাঙৰ বুজাবলৈ 'WR'ৰ ব্যৱহাৰ মনকৰিবলগীয়া। অৱশ্যে পানী বুজাবলৈ 'n' আৰু কমৰ বুজাবলৈ S প্ৰভৃতি একাক্ষৰী প্ৰতীকৰ প্ৰয়োগো নথকা নহয়। নিৰ্ণয়াত্মক প্ৰতীক চিহ্নৰ সূত্ৰ হ'ল—a sign which defined the meaning of a word which

---

১১ The word value of the sign is in the first place the name of the object it represents or of some material or quality or idea suggested by it'—*Everyman's Encyclopaedia*

১২ True alphabetic letters has been discovered in Egypt two thousand five hundred years before their use by anyother people '—Breasted, I H —*A History of Egypt*, P 45

১৩ *Everyman's Encyclopaedia* দ্ৰষ্টব্য।

denoting the class to which it belonged' পুৰণি মিছৰৰ লেখন কলাত সাধাৰণতে প্ৰথম আৰু দ্বিতীয় প্ৰকাৰৰ পূত খোদিত লিপিৰ প্ৰয়োগেই প্ৰচুৰ, তৃতীয় প্ৰকাৰৰ প্ৰয়োগ কম, কিয়নো সিহঁতৰ কাম হ'ল—শব্দটোৰ আচল অৰ্থ প্ৰকাশ কৰাটোহে।

প্ৰাচীন পূত খোদিত লিপিৰপৰা কালক্ৰমত সৰলীকৃত দুবিধ লিপিৰ উদ্ভৱ হয়। মন্দিৰৰ জ ঘা আৰু ৰাজকীয় অথবা ধৰ্মসম্পৰ্কীয় বিষয়ত পূত খোদিত লিপি ব্যৱহাৰ হৈ থকাৰ ফলশ্ৰুতিৰূপে সিবোৰৰ আকৃতিগত শোভা আছিল অপূৰ্ব। পিছে সেইলিপি জনসাধাৰণৰ উপযোগী নহয়। জয়জয়তে পুৰোহিত শ্ৰেণীয়ে প্ৰাচীন পূতখোদিত লিপিৰ অনুকৰণত কিছু সহজভাবে লিখিব পৰাকৈ এবিধ লিপি উলিয়ায়। পেপাইৰাছৰ পাতত লিখা এই লিপিত চিত্ৰৰ প্ৰতীক কমি আহে। ওচিৰিচ, ৰা, হাপি প্ৰভৃতি দেৱতাৰ উদ্দেশ্যে ৰচিত স্তোত্ৰাৱলী, প্ৰাৰ্থনাসংগীত আৰু আয়ুৰ্বেদ সম্পৰ্কীয় বিভিন্ন কথা আলোচিত লিপিত লিখা হৈছিল। গ্ৰীকসকলে এই লিপিক **'পৱিত্ৰ লিপি'** (Hierotic) আখ্যা দিছিল। ইথিয়পিয়া বংশৰ অভ্যুত্থানৰ লগে লগে পৱিত্ৰ লিপিয়ে দ্ৰুত সৰলীকৰণৰ ফালে আগবাঢ়ে। লিপিত ছবিৰ সংখ্যা তেনেই টুটি আহে।

ব্যৱসায় বাণিজ্য আৰু দেশৰ প্ৰশাসন যন্ত্ৰটি সুকল ম পৰিচালিত কৰিবলৈ পৱিত্ৰ লিপিতকৈও সৰল দ্বিতীয়বিধ লিপিয়ে জনপ্ৰিয়তাৰ তুৰীয় শিখৰলৈ উত্তৰণ কৰে। দ্ৰুত লেখনৰ ফলত এইবিধ লিপিত ছবি একেবাৰে নাইকিয়া হৈ পৰে। জনসাধাৰণে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা গুণে হবলা গ্ৰীকসকলে এইবিধ লিপিক **'গণলিপি'** (Demotic) আখ্যা দিছিল। গণলিপিৰ উদ্ভৱৰ লগে লগে সমাজত আখৰী আৰু অনাখৰী—এই দুটা শ্ৰেণীৰ সৃষ্টি হ'ল। কিয়নো প্ৰাচীন পূত খোদিত লিপিৰ ছবিবোৰ বুজি পোৱাত কোনোবে অসুবিধা পোৱা নাছিল, কিন্তু পৰৱৰ্তীকালৰ গণলিপিবোৰ সৰ্বসাধাৰণৰ কাৰণে বহুসময়ত বিভীষিকাস্বৰূপ হ'ল।

দীৰ্ঘদিনজুৰি মিছৰৰ পুৰালিপিৰ পাঠোদ্ধাৰ সম্ভৱ হোৱা নাছিল। পিছত ১৭৯৯ খ্ৰীষ্টাব্দত নেপোলিয়ঁই যেতিয়া ইজিপ্ত অৱৰোধ কৰিলে, তেতিয়া নীলনদীৰ মোছোনাত থকা ৰচেটা দুৰ্গৰ পৰিখাত বেচল্ট পাথৰত খোদিত এক অদ্ভুত লিপি উদ্ধাৰ কৰে—কেপ্তেন এম বুচাই। ১৮০১ খ্ৰী ত ইংৰাজে এই শৈলশাসনখনি হস্তগত কৰি বৃটিছ মিউজিয়মত সুৰক্ষা দিয়াৰ পিছত চুইডেনৰ পুৰালিপিতত্ত্ববিদ জে ডি আকেৰব্লাড, ফৰাচীদেশৰ চিলভেস্তৰ দ্য চাকি আৰু কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ ড° টমাচ ইয়ঙৰ দীৰ্ঘদিনীয়া অধ্যৱসায়ৰ ফলত তাৰ পাঠোদ্ধাৰ সম্ভৱ হয়। এই শৈললেখখনি আচলতে

পঞ্চম টলেমী এপিফানেচৰ সম্মানাৰ্থে খ্ৰী পূ ১৯৬ ৯৭ অত খোদিতকৰা পুৰোহিত সকলৰ এখনি ঘোষণাপত্ৰ। শৈললেখখনিত মিছৰীয় আৰু গ্ৰীক—এই দুই ভাষা আৰু পূতখোদিত লিপি, গণলিপি আৰু গ্ৰীকলিপিৰ ত্ৰিবেণীসংগম চমকপ্ৰদ। প্ৰথমৰ চৈধ্যটা শাৰী পূতখোদিত লিপিত, মাজৰ বত্ৰিশটা শাৰী গণলিপিত আৰু অন্তিমৰ চৌৱন্নটা শাৰী গ্ৰীকলিপিত খোদিত।

গ হিত্তী লিপি

খ্ৰী পূ ২০ —১২ ০ ত পশ্চিম এচিযাৰ আনাতোলিয়াত (এচিয়া মাইনৰ) অধিষ্ঠিত প্ৰাচীন সুসভ্য জাতি হিত্তীসকলৰ সভ্যতা আৰু স স্কৃতিৰ সন্দ ভত ভালেখিনি কথা ই ১৯ ৬ ৭ আৰু ই ১৯১১ ১২ ত জাৰ্মান ওৰিয়েণ্ট চোছাইটিৰ হৈ Hugo Winckler-ৰ নেতৃত্বত চলোবা অনুসন্ধান আৰু খননকাৰ্যৰ ফলস্বৰূপে লাভকৰা প্ৰায় দহ হাজাৰ মৃৎফলকত উৎকীৰ্ণ লিপিৰ সহাযত জানিবপৰা গ ল। এই জাতিৰ সভ্যতা আৰু স স্কৃতি কোনোপধ্যেই মিছৰ অথবা বেবিলনৰ সভ্যতা স স্কৃতিতকৈ নিম্নস্তৰৰ নাছিল। Boghazkeui এ খননকাৰ্যত উদ্ধাৰ কৰা হিত্তী সাম্ৰাজ্যৰ মহাফেজখানাত মৃন্ময় ফলকত উৎকীৰ্ণ হোৱা শ শ গ্ৰন্থৰ সংৰক্ষণ চমকপ্ৰদ। তাত হিত্তী অভিধান, আইন, শাসনকাৰ্যৰ দলিল, ইতিহাস, সন্ধিপত্ৰ, হিচাপ পত্ৰ, পুৰণি কাহিনী, সাহিত্য, সংগীত, জ্যোতিৰ্বিদ্যা, আয়ুৰ্বেদ, পশুচিকিৎসা প্ৰভৃতি বিষয়ক লেখা উদ্ধাৰ হৈছে।

খ্ৰী পূ ১৫ ৰেপৰা হিত্তীসকলৰ মাজত সঞ্চালনীভাবে চলা পুৰালিপিৰ ভালেখিনি নিদৰ্শন কাৰকেমিচ নামে ঠাইত (অধুনা জেবাল্লুচৰ নিকটবৰ্তী স্থান) উদ্ধাৰ হৈছে। প্ৰথম স্তৰৰ লিপিবোৰ পূৰ্ণদমে চিত্ৰাত্মক। পিছলৈ সিবোৰে কিছু পৰিমাণে ভাৱাত্মক আৰু ধ্বন্যাত্মক ৰূপ লোৱা দেখা যায়। খ্ৰী পূ ৬০০ৰ পিছত ইয়াৰ কোনো নিদৰ্শন উদ্ধাৰ হোৱা নাই। কোনো কোনোৱে এই লিপিত ৪১৯টা প্ৰতীক চিহ্ন থকাৰ কথা উল্লেখ কৰিছে। ইয়াক সাধাৰণতে সোঁহাতৰপৰা বাওঁহাতলৈ লিখা হৈছিল যদিও তাৰ বিপৰীত দিশত লিখা নিদৰ্শনো পোৱা গৈছে। মিছৰীয় পূতখোদিত লিপিৰপৰা এই লিপিৰ উৎপত্তি হোৱা বুলি কোনো কোনোৱে মন্তব্য দিছে যদিও সুমেৰীয় বাণমুখলিপিৰ প্ৰভাৱহে ইয়াত অধিক যেন লাগে। হিত্তী ভাষাৰ শব্দসম্ভাৰত সুমেৰীয় আৰু আক্কাডীয় ভাষাৰ প্ৰভাৱ প্ৰচুৰ, মিছৰীয় শব্দৰ সংখ্যা তেনেই কম। এইখিনিতে এটি কথাৰ উল্লেখ প্ৰয়োজনীয় সুমেৰীয় আৰু আক্কাডীয় ভাষাৰ অভিধান মিলাই লৈহে ভাষাতাত্ত্বিক-সকলে হিত্তীভাষাৰ সবিশেষ প্ৰকাশ কৰিবলৈ সমৰ্থ হৈছে।

ঘ° ক্ৰীট লিপি

ভূমধ্যসাগৰীয় দেশবোৰৰ ভিতৰত ক্ৰীটত পুৰণি লিপি থকাৰ প্ৰমাণ পোৱা গৈছে। মিনোচ ৰাজপ্ৰাসাদত প্ৰাপ্ত কাঠৰ সিন্ধুকাত ভৰাই থোৱা শ শ আয়তক্ষেত্ৰাকাৰ মাটিৰ মোহৰত এই দেশত চলা লিপিৰ নমুনা দেখা যায়[১৪]। ইয়াত খ্ৰী পূ ৮০০০-ৰ পৰা খ্ৰী পূ ১৭ লৈ যিবোৰ লিপি চিহ্ন উদ্ধাৰ হৈছে, সেইবোৰক চিত্ৰলিপি বুলিব পাৰি। ষাড়ৰ মূৰ চকু, তোৰণ প্ৰভৃতিৰ সহায়ত শব্দ দ্যোতিত হৈছিল। এনে প্ৰতীকৰ সংখ্যা আছিল প্ৰায় ৩৩৫টা। লাহে লাহে এই লিপিও কিছু পৰিমাণে ভাৱলিপি আৰু ধ্বনিলিপিৰ ফালে আগবাঢ়ে। খ্ৰী পূ ১৭০০ ৰ পিছত এই লিপিয়ে ৰেখাত্মক ৰূপ লোৱাটো মনকৰিবলগীয়া। এই অৱস্থাত প্ৰতীকচিহ্নৰ সংখ্যা চাৰিকুৰি দহলৈ সংকুচিত হয়হি। ইয়াক মূলত বাওহাতৰপৰা সোঁহাতলৈ লিখা হৈছিল। কিবা অজ্ঞাত কাৰণত খ্ৰী পূ ১২০০ত এইবিধ হৰফৰ প্ৰয়োগত হঠাতে যতি পৰে। ক্ৰীটলিপিক মিনোৱানলিপি ৰূপেও জনা যায়[১৫]।

ক্ৰীট দ্বীপৰ লিপিৰ সৈতে সাদৃশ্য থকা এবিধ লিপি হ'ল **চাইপ্ৰাচ দ্বীপৰ লিপি**। খ্ৰী পূ সপ্তম শতাব্দীৰেপৰা খ্ৰীষ্টজন্মৰ প্ৰথম শতাব্দীলৈকে ইযাৰ প্ৰচলনৰ প্ৰমাণ পোৱা গৈছে। দ্বিভাষিক লিপিৰ বৰ্তমানে এই লিপিৰ পাঠোদ্ধাৰত কিছু সুচলতাই দেখা দিয়া বুলিব পাৰি। চাৰিশ মৃন্ময় মোহৰত উৎকীৰ্ণ হোৱা ইয়াৰ প্ৰাচীনতম নিদৰ্শন পোৱা হৈছিল—কুৰিখনি মৃন্ময় ফলকত। তি বি ছেণ্ডবিথ (T B Sandwith), এইচ ল (R H Lang), চেচনোলা (L P de Cesnola), ও, ৰিখতৰ (O Richter) আৰু এম মাৰ্কিডিজে (M Markids) এই লিপিৰ ভালেখিনি গোপন তথ্য পোহৰলৈ আনিবলৈ সমৰ্থ হয়। ইয়াৰ কিছু অংশ সোঁহাতৰপৰা বাওঁহাতলৈ আৰু আন কিছু অংশ বাওঁহাতৰপৰা সোঁহাতলৈ অৰ্থাৎ লাংগলকৰ্ষণবৎ পদ্ধতিত লিখা। এই লিপিত স্বৰৰ সংখ্যা হ'ল পাঁচ[১৬] আৰু বিশিষ্ট চিহ্নৰ সংখ্যা ৪৫।

---

১৪ Bury J B—*A History of Greece*, P 9

১৫ ইংৰাজী ১৯০১ চনত লণ্ডনৰপৰা প্ৰকাশ কৰা ইবানচ প্ৰণীত 'স্ক্ৰিপ্তা মিনোৱা' (*Scripta Minoa*)-ত ১৭২২টা বিভিন্ন ক্ষুদ্ৰলিপিৰ পাঠ সংৰক্ষিত হৈছে।

১৬ Ventris & Chandwick—Evidence for Greek Dialect in Mycenaean Archives in *Journal of Hellenic Studies*, Vol. LXVIII (1955) P 84

৬° চীনালিপি

সুমেৰ, ইজিপ্ত, বেবিলন প্ৰভৃতিৰ দৰে পুৰণি সভ্যতাৰ লীলাভূমি চীনতো লিপিৰ উদ্ভৱ খ্ৰীষ্টজন্মৰ দ্বিতীয় সহস্ৰাব্দৰ পূৰ্বেই হৈছিল[১৭]। অন্যান্য দেশৰদৰে এই দেশৰ লিপিৰ জন্ম সম্পৰ্কেও জনশ্ৰুতিৰ অভাৱ নাই। শাং বংশৰ ৰাজত্বকালত হাড়ৰ ফলকত ধাতুৰ শলখাৰে দৈৱবাণী লিখাৰ নিয়ম আছিল। এটি জনশ্ৰুতি মতে, চীনা সম্ৰাট ফু শিয়ে (খ্ৰী পূ ২৮৫২ ২৭৩৮) চীনালিপি আবিষ্কাৰ কৰে। আন এটি জনশ্ৰুতি অনুযায়ী ধাৰ্মিক লোকসকলে কৰ্মকাণ্ডত ব্যৱহাৰ কৰা এক বিশেষ ত্ৰিপংক্তীয় ৰেখাৰপৰা এই লিপি বিকশিত হয়। ধাৰ্মিক লোকসকলৰ দৃষ্টিত অক্ষৰদেৱতা ৎজুশেনহে আলোচিত লিপিৰ প্ৰৱৰ্তক। এই দেশৰ এটি সাধুত আছে, খ্ৰীষ্টজন্মৰ প্ৰায় ২৮ শ বছৰৰ পূৰ্বে চীনদেশত ৎসং কী নামে এজন প্ৰতিভাশালী লোকে জন্মগ্ৰহণ কৰিছিল। এদিনাখন তেওঁ কেচু এডাল বগুৱা বাই যাওতে সৃষ্টিহোৱা ৰেখা কেইডালক চিত্ৰৰ ৰূপ দি অনুক্ৰমে তেওঁ চাৰিওফালে দেখিবলৈ পোৱা বিভিন্ন প্ৰকাৰৰ সজীৱ আৰু নিৰ্জীৱ পদাৰ্থক ৰেখাৰ বান্ধোনত বন্দীকৰাৰ ফলশ্ৰুতিৰূপে চীনালিপিৰ জন্ম হয়। চীনা বিশ্বকোষ 'কা ৱান চু লিন্' মতেও ৎসং কীয়েই পখীৰ পদচিহ্নৰ আলমত চীনালিপিৰ সৃষ্টি কৰে।

আধুনিক পণ্ডিতসকলে চীনালিপিৰ উদ্ভৱৰ ক্ষেত্ৰত নিম্নোক্ত উৎস কেইটা আগবঢাইছে—ক পেৰুৰ গ্ৰন্থিলিপিৰ লেখীয়া কোনো ভাৱদ্যোতক লিপি, খ সুমেৰৰ বাণমুখ লিপি, গ মিছৰৰ পূতখোদিত লিপি, ঘ মেচোপটেমিয়া নাইবা সিন্ধুলিপিৰ চিত্ৰ প্ৰতীক ৰূপ, ঙ চীন দেশত প্ৰচলিত হস্তমুদ্ৰাৰ অনুকৰণ আৰু চ সৌন্দৰ্যবৰ্ধনহেতু অংকিত চিত্ৰাংকন পদ্ধতি। বৰ্তমানৰ চীনালিপি মূলত একাক্ষৰী। অৱশ্যে পূৰ্বপ্ৰচলিত ভাৱলিপিৰ প্ৰভাৱো ইয়াত নপৰা নহয়। প্ৰতিটি লিপিচিহ্নই এক অথবা একাধিক ধ্বনি বুজোৱা অক্ষৰৰ প্ৰতীক। চীনালিপিত প্ৰায় ৪২,০০ ভিন্ন প্ৰতীক চিহ্ন আছে। ইংৰাজী ১৭১৬ চনত সংকলিত চীনা শব্দকোষত ৪০,৫৪৫টা শব্দপ্ৰতীক সংকলিত হ'লেও সিবোৰৰ প্ৰায় ছয় সাত হাজাৰমান প্ৰতীক চিহ্নহে বহুলভাৱে ব্যৱহাৰ হয়। শিক্ষিত চীনাব্যক্তি একোজনে দৈনন্দিন জীৱন সুচাৰুৰূপে চলাবলৈ কমেও

---

১৭ চীনা লিপিৰ সম্পৰ্কত অধিক জানিব বিচৰাসকলে B. Karlgrem প্ৰণীত *Sound and Symbol in Chinese* (লণ্ডন, ১৯২৩), L C. Hopkins ৰ *The Development of Chinese Writings* (1911), G Owen-ৰ *The Evolution of Chinese Writing* (1911) আৰু H A Gites-ৰ *A Chinese-English Dictionary* পঢ়ি চাব পাৰে।

৪,২ ০ প্ৰতীক চিহ্নৰসৈতে পৰিচয় থকা বাহ্নীয় বুলি বিশেষজ্ঞসকলৰ ধাৰণা[১৮]। অৰ্থ আৰু প্ৰয়োগলৈ চাই চীনালিপিৰ প্ৰতীকসমূহক কেইবাটাও ভাগত ভগাব পাৰি[১৯]। যেনে—

ক চিত্ৰাত্মক চিহ্ন—চীনালিপিৰ প্ৰাৰম্ভকালত আটাইবোৰ চিহ্নই আছিল চিত্ৰাত্মক। সূৰ্যক বুজাবলৈ সূৰ্য পৰ্বতক বুজাবলৈ পৰ্বত অথবা মাছক বুজাবলৈ মাছৰ ছবি আঁকিব লগা হৈছিল। পুৰণি মিছৰ, মেচোপটেমিয়া, মেক্সিকো আৰু সিন্ধুদেশৰ চিত্ৰলিপিৰ সৈতে চীনালিপিৰ প্ৰস্তুতি পৰ্বৰ চিত্ৰলিপিক সহজে ৰিজাব পাৰি।

খ সংযুক্ত চিত্ৰাত্মক চিহ্ন—চীনালিপিৰ দ্বিতীয় স্তৰৰ চিহ্নমালাক সংযুক্ত চিত্ৰাত্মক আখ্যা দিব পাৰি। একাধিক চিত্ৰ মিলাই একোটা ভাৱ প্ৰকাশৰ প্ৰয়াস সিবোৰত সংৰক্ষিত হৈছে। দুডাল গছৰ ছবিৰে জ গল, নাইবা গছৰ ওপৰত সূৰ্যৰ চিহ্ন বহুৱাই পুৱাৰ নিৰ্দেশ কৰা এই স্তৰৰ চীনালিপিত দেখা যায়।

গ ভাৱ চিহ্ন—স্থূল বস্তুবোৰ বুজাবলৈ চীনালিপি প্ৰস্তুত হোৱাৰ পিছত সূক্ষ্ম তথা বিমূৰ্ত ভাৱধাৰা প্ৰকাশৰ প্ৰযত্ন চলিল আৰু তাৰে ফলশ্ৰুতিৰূপে আত্মবিকাশ লাভ কৰিলে চীনালিপিৰ ভাৱ চিহ্ন মালাই। দৃষ্টান্তস্বৰূপে, দুখনি হাতৰ চিত্ৰই মিত্ৰতা, দুগৰাকী স্ত্ৰীৰ চিহ্নই কাজিয়া, দুৱাৰ আৰু কাণৰ সংযোগে শুনা, গছৰ তলৰ সূৰ্যৰ ছবিয়ে পূৰ্বদিশ আৰু চকুৰ কাষৰ বাষ্পই দুখৰ দ্যোতনা কৰাটো ভাৱ চিহ্নৰ মূলকথা।

ঘ ধ্বন্যৰ্থ সূচক চিহ্ন—চীনা ভাষাত এটা শব্দই বেলেগ বেলেগ অৰ্থ সূচায়। কোৱাৰ সুৰ লৈ তাৰ অৰ্থ স্পষ্ট হয়। যেনে—য়েন (yen)[১] =ধূমপান কৰা, য়েন[২] = নিমখ, য়েন[৩] = চকু, য়েন[৪] = পাতিহাঁহ। এই শব্দটোৰে চকুক নিৰ্দেশ কৰিবলৈ সেই-বাবে য়েন[৩]ৰ পিছত সদায় ধ্বন্যৰ্থসংযুক্ত শব্দ চিং (ching=চকুৰ মণি) বহুৱাব লাগে। একে দৰে নিমখ বুজাবলৈ য়েন[২] কেতিয়াও অকলশৰে উচ্চাৰিত নহয়। তাৰ সৈতে সৰ্বদা ধ্বন্যৰ্থসংযুক্ত পাইৰ (pai) প্ৰতীক বহুৱাব লাগে[২০]।

---

১৮ Taraporewala, I J S —*Elements of Science of Language*, P 387

১৯ চীনালিপিৰ বিভাজন সম্পৰ্কীয় কথাখিনি ড০ ভোলানাথ তিৱাৰীৰ 'ভাষাবিজ্ঞান'ৰ অন্তৰ্গত 'লিপি' অধ্যায়ৰপৰা লোৱা।

২০ Hook, S H —*The Early History of Writing* (*Antiquity*, 1937) দ্ৰষ্টব্য।

প্ৰতিটো শব্দ বুজাবলৈ চীনা ভাষাত বেলেগ বেলেগ লিপি চিহ্ন থকা বাবে বিদেশী শব্দসমূহ এই লিপিৰে লিখা মুস্কিল। সেইকাৰণে তেওঁলোকে বিদেশী শব্দমালা পোনতে চীনা ভাষাত অনুবাদ কৰিহে পিছত তাক লিপিবদ্ধ কৰে[২১]। বিদেশী লোকৰ পক্ষে এই লিপিৰ অধ্যয়ন একপ্ৰকাৰে কষ্টসাধ্য প্ৰযত্ন। সেইবাবে মিচনেৰীসকলে চীনালোকক ৰোমান লিপি চলাবলৈ পৰামৰ্শ আগবঢাইছিল যদিও তাৰ ফল হ'লগৈ a mere jumble of sound, utterly unintelligible

চ জাপানী লিপি

জাপানী পণ্ডিত হিৰতাই তেওঁৰ প্ৰখ্যাত গ্ৰন্থ 'সুইজী হিবুমীদেন' (খ্ৰী ১৮১৯)ত উল্লেখ কৰিছে যে জাপানৰ প্ৰাচীনতম লিপিৰ নাম 'দেৱীলিপি'। কোনো কোনোৱে ইয়াক 'অহিৰ লিপি' আখ্যা দিছে[২২]। ১৪৪ খ্ৰীষ্টাব্দত নিৰ্মিত মন্দিৰ এটাত উক্ত লিপিত খোদিত বহুসংখ্যক অভিলেখ পোৱাটো উল্লেখযোগ্য। এজন বৌদ্ধভিক্ষুৱে সিবোৰ সংকলন কৰি ই ৰাজী ১৭৭ চনতে প্ৰকাশ কৰে। তেওঁৰ মতে চীনালিপি লৈ জাপান পোৱাৰ পূৰ্ববৰ্তীস্তৰৰ সেয়া জাপানীলিপিৰ সুন্দৰ নিদৰ্শন[২৩]। খ্ৰীষ্টীয় পঞ্চম শতাব্দীত চীনা লিপি লৈ জাপান পায়। এটা কাহিনীত পোৱা যায় যে জাপানী নৃপতি ওজিতে (খ্ৰী ২৭ —৩১২) তেওঁৰ পুত্ৰক বিদ্যাশিক্ষা দিবলৈ চীনা পণ্ডিত অচিকী আৰু বাণীক কোৰিযা দেশৰপৰা লৈ যায়। এই দুই পণ্ডিতৰ লগত চীনা ভাষা আৰু লিপিও লৈ জাপানত উপস্থিত হয়। খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীত বৌদ্ধধৰ্ম চীনৰপৰা কোৰিয়া হৈ জাপান পায়। চীনা ভাষাত বৌদ্ধধৰ্মৰ ভালেখিনি ধ্ৰুপদী গ্ৰন্থৰ অনুবাদ হৈছিল। গতিকে বৌদ্ধ ধৰ্মৰ মৰ্মাৰ্থ বুজিবলৈ বিচৰা জাপানী লোকে নিজৰ মাতৃভাষাৰ লগতে চীনা ভাষাৰ জ্ঞান আহৰণ কৰাটো অপৰিহাৰ্য হৈ পৰিছিল[২৪]। এনেকৈয়ে জাপানত চীনা লিপিৰ প্ৰবেশ সম্ভৱ হ'ল আৰু লগে লগে প্ৰৱেশ ঘটিল চীনা তুলিকা (ফুদে), চিয়াঁহি (সুমী) তথা চিয়াঁহিৰ পাথৰৰ (সুজুৰী)। আদিস্তৰৰ জাপানী লিপিত চীনা

---

২১ প্ৰাথমিক ধাৰণা এটি ল'বৰ বাবে ভোলানাথ তিবাৰীৰ 'ভাষা চিন্তন'ৰ (১৯৭১) অন্তৰ্গত চীনালিপি শীৰ্ষক প্ৰবন্ধ পঢ়ি চাব পাৰে।

২২ Yamagiva, J K—*Introduction to Japanese Writing* (1948) দ্ৰষ্টব্য।

২৩ Kochachiro Miyazaki—*Jindainomoji* (*Scriptsigns from the time of Gods*, 1942) দ্ৰষ্টব্য।

২৪ বাহ্ৰী, ঈশ্বৰচন্দ্ৰ—লেখন কলা কা ইতিহাস, পৃ ৪৯২

ভাবলিপি আৰু ধ্বন্যৰ্থসংযুক্ত চিহ্ন বিদ্যমান থকা গুণে সেই লিপিৰ অধ্যয়ন বিদেশী লোকৰ পক্ষে এক বিভীষিকাস্বৰূপ[২৫]। কালক্ৰমত প্ৰাচীন জাপানী লিপিৰপৰা দুবিধ নতুন লিপিৰ জন্ম হয়। সিহঁতৰ নাম—**কতাকানা** (Katakana) আৰু **হিৰাগানা** (Hiragana)।

কঠিনতাই আৱিষ্কাৰৰ মূল। প্ৰথমস্তৰৰ জাপানত প্ৰচলিত চীনালিপিৰ অধ্যয়ন শ্ৰমসাপেক্ষ। ফিনিচীয় লোকসকলে মিছৰৰ চিত্ৰ প্ৰতীক লিপিৰ আধাৰত ধ্বনিলিপি সাজি লোৱাৰ লেখিয়াকৈ জাপানীসকলেও চীনালিপিৰ আধাৰত এক প্ৰকাৰ নতুন লিপিৰ সৃষ্টি কৰিছিল। ইয়াক কানা' লিপিৰূপে জনা যায়। এই কানা (গুপ্তনাম) লিপিৰ জন্মদাতা হ'ল কীবী নো মাবী। চীনদেশৰ 'কাই শু লিপিৰ আধাৰত বিকশিত হোৱা বাবে ইয়াৰ পূৰ্ণ নাম হ'ল—'**কতাকানা**। খ্ৰীষ্টীয় অষ্টম শতাব্দীত জন্মগ্ৰহণ কৰা এই লিপি বিংশ শতাব্দীৰ মধ্যম স্তৰ গলৈ চলিছিল যদিও আজি তাৰ প্ৰয়োগ মাত্ৰ বিদেশী শব্দ লেখনৰ ক্ষেত্ৰতেই সীমাবদ্ধ হ'ব লগাত পৰিল। ইয়াৰ আৰম্ভণিতে পাঁচটা অক্ষৰ পোৱা যায়—অ ই, উ, এ আৰু ও। সেইবাবে কোনোকোনোৱে ইয়াক 'অইউএও লিপি ৰূপেও অভিহিত কৰিছে।

জাপানত প্ৰচলিত আনবিধ লিপিৰ নাম '**হিৰাগানা**'। চীনা লিপিৰ খৰকৈ লিখা 'ৎ সাউ শু' (T' Sao Shu) শৈলীৰ আধাৰত বৌদ্ধভিক্ষু কোবো-দৈশীয়ে (Kobo daishi) খ্ৰীষ্টীয় নবম শতাব্দীত ইয়াৰ বিকাশ ঘটায়। এই দুয়োবিধ লিপিতে অক্ষৰৰ সংখ্যা হ'ল—৪৭। অৱশ্যে আজিকালি 'অ' ধ্বনি প্ৰতীকটো সংযোগ কৰাৰ ফলত দুয়োবিধ লিপিৰে আখৰৰ সংখ্যা ৪৮টা হ'লগৈ। জাপানী লিপি বাওফালৰপৰা সোঁফাললৈ লিখা হয়[২৬]।

কোৰিয়াৰ লিপি—চীনালিপি প্ৰচাৰৰ থলী কোৰিয়াত খ্ৰীষ্টীয় সপ্তম শতাব্দীত

---

২৫ The Japanese writing remainds a clumsy system, as clumsy as curiform though not so clumsy as Chinese, and there has been a movement in Japan to adopt a Western alphabet Korea long ago went to step further and developed a true alphabet from the same Chinese origins—*Outline of History*, P 585 by W G Wells

২৬ সবিশেষৰ বাবে Chamberlain, B H—*A Practical Introduction to the Study of Japanese Writing* (1905) আৰু Isemonger, N E—*The Element of Japanese Writing* (1943) দ্ৰষ্টব্য।

চিন্‌মুন নৃপতিৰ মহামন্ত্ৰী সেনচোগনে নিজৰ দেশৰবাবে 'পুমসী' নামেৰে এবিধ লিপি চলাবলৈ যত্ন কৰিছিল যদিও সি অধিক জনপ্ৰিয় নহ'ল। পিছত খ্ৰীষ্টীয় ১৪৪৩ চনত ই ৰাজবংশৰ নৃপতি সী চোংগে এবিধ নতুন লিপিৰ সৃষ্টি কৰে। সেই লিপি ওনমুন অৰ্থাৎ জনতাৰ লিপিৰূপে খ্যাত। ইয়াক বৰ্ণলিপি বুলিব পাৰি। ইয়াত মুঠতে ৮টা স্বৰ আৰু ১৭টা ব্যঞ্জন প্ৰতীক আছে। ইয়াক ওপৰৰপৰা তললৈ আৰু সোঁফালৰপৰা বাওঁফাললৈ লিখা হয়[২৭]।

মংগোল লিপি—মংগোলীয়াত প্ৰচলিত লিপিৰ সম্বন্ধত একাধিক মত পোৱা যায়। পেলিঅফৰ মতে, পশ্চিম তুৰ্কীস্থানৰ উইগুৰ লোকসকলে খ্ৰীষ্টীয় ত্ৰয়োদশ শতাব্দীত এবিধ লিপিৰ সৃষ্টি কৰিছিল। সেই লিপি উইগুৰী লিপিৰূপে জনাজাত। সেই লিপিত উৎকীৰ্ণিত চেংগিচখাঁৰ দিনৰ অভিলেখ এখনি পোৱা গৈছে। এই লিপিৰপৰাই কালক্ৰমত মংগোল লিপিৰ বিকাশ হয়[২৮]। আনহাতে অবেল ৰেমুচতে (Abel Remusat) ক'বলৈ বিচাৰে যে ছিৰিয়া লিপিৰপৰাহে মংগোল লিপিৰ বিকাশ সম্ভৱ হয়। ড° টেলৰো এই মতৰ পক্ষপাতী[২৯]। এই লিপিৰ অক্ষৰ সংখ্যা মাত্ৰ কুৰিটা। মংগোলীয়াত আৰু এবিধ লিপিৰ প্ৰয়োগ আছে। থলুৱাভাবে তাক **'গালিক'**ৰূপে জনা যায়। গালিকৰ অৰ্থ কা লেখ অৰ্থাৎ ক বৰ্গ। এই লিপি ভাৰতৰপৰা তিব্বত হৈ মংগোলীয়া পায়গৈ। এয়া বৌদ্ধধৰ্ম সম্প্ৰসাৰণৰ সুফল। ইয়াক ওপৰৰপৰা তললৈ লিখা হয়। খ্ৰীষ্টীয় ত্ৰয়োদশ শতাব্দীলৈকে ইয়াৰ প্ৰচলন আছিল। কাৰো কাৰো মতে এই লিপিৰপৰা আধুনিক মংগোল লিপিৰ বিকাশ হৈছে।

খ্ৰীষ্টীয় ত্ৰয়োদশ শতাব্দীত মংগোল লিপি আৰু ভাষা গৈ মঞ্চুৰিয়া পায়। চীনত চু বংশৰ শাসন চলা কালত খ্ৰীষ্টীয় সপ্তদশ শতাব্দীৰ মঞ্চুৰীয়া ভাষাৰ প্ৰকৃত লৈখিক ৰূপ দিবলৈ 'দাহায়ে' এবিধ নতুন লিপিৰ প্ৰচলন কৰিছিল যদিও ই° ১৯৩৭ চনৰেপৰা চীনা লিপিয়ে পূৰ্ব প্ৰচলিত লিপিৰ স্থান অধিকাৰ কৰিবলৈ সমৰ্থ হয়[৩০]।

---

২৭ Mecune G M —System de tianscriptionum de l alphabet (*Journal Asiatic*, 1930) দ্ৰষ্টব্য।

২৮ Pelliof—Les Systems d'ecritures en Usagechezles Anciens Mongols—*Asia Minor II*, (1925), p 289

২৯ এই লিপিৰ অক্ষৰ সংখ্যা ৪৯। See Jansen, H —*Syn, Symbol and Script*, p 417

৩০ Wylie, A —A Discussion on the Origin of the Manchus and their written character (*Chinese Researches* Vol IV 1897) দ্ৰষ্টব্য।

ইংৰাজী ১৯ ১ চনত মুলৰ চাহাবে উত্তৰ মংগোলীয়াৰ কাৰা বল্‌গাচুনৰ ওচৰত খ্ৰীষ্টীয় নৱম শতাব্দীত উৎকীৰ্ণ কৰা এখনি অভিলেখ উদ্ধাৰ কৰে। লিপিৰ ভাষা মোগদী। উক্ত ভাষাত উৎকীৰ্ণিত আন এখনি অভিলেখৰ পাঠোদ্ধাৰ কৰে চাৰ অৰিল ষ্টাইনে (Sir Aurel St in)। এই শিলালেখ লিখা লিপিটো **মোগদীলিপি** ৰূপে পৰিচিত। মাত্ৰ কুৰিটা বৰ্ণযুক্ত এই লিপিৰ মূল আৰামীয় লিপি[৩১]।

চাইবেৰিয়াৰ লিপি—ইংৰাজী ১৯২২ চনত যনিছী নৈৰপাৰৰ এক প্ৰাচীন মংগোল ৰাজ্যৰ চহৰৰ ধ্বংসস্তুপৰ মাজত জাৰ্মান পণ্ডিত মেচৰ্স্মিথে (Messer Schmidt) এখনি অভিলেখ উদ্ধাৰ কৰি মনোবল গোটাই ওহৰণ নদীৰ পাৰতো আন এখনি মূল্যবান স্মাৰকলিপি উদ্ধাৰ কৰে। খ্ৰী ৭৩২ত চীনাসম্ৰাট তুৰ্কীস্থানৰ ৰাজকুমাৰ কুল তিজিনক স্বাগত জনাবলৈ উক্ত স্মাৰকলিপি লিখাইছিল। ই ওপৰৰপৰা তললৈ আৰু সোঁফালৰপৰা বাওঁফাললৈ লিখা। এই লিপিৰ মূল আৰামীয়। গতিকে উত্তৰ মংগোলীয়া, চাইবেৰিয়া প্ৰভৃতি দেশ আৰামীয় লিপি বিকাশৰ থলী[৩২]।

ছ° ফিনিচীয় লিপি

ফিনিচীয়সকলে খ্ৰীষ্টজন্মৰ চতুৰ্থ সহস্ৰাব্দ বৰ্ষৰ পূৰ্বেই ছিৰিয়াত উপনিবেশ স্থাপন কৰিলেও খ্ৰী পূ ১৮০ ৰ পৰাহে তেওঁলোক জগতত প্ৰসিদ্ধ হয়। এককথাত খ্ৰী পূ ১৮০০-ৰপৰা গ্ৰীক মহাবীৰ আলেকজেণ্ডাৰে খ্ৰী পূ ৩৩২ত টায়াৰ বিজয় কৰা কাললৈকে প্ৰায় পোন্ধৰশ বছৰ ফিনিচীয় সভ্যতাৰ কাল। ফিনিচীয়সকল কেবাবাৰো আন শক্তিৰ অধীন হ ব লগাত পৰে। প্ৰথমে তেওঁলোক মিছৰ সম্ৰাট তৃতীয় থাদ্‌মোদৰ (খ্ৰী পূ ১৫০০), দ্বিতীয়তে বেবিলনৰ সম্ৰাট নেবুচেডনেজাৰ, তৃতীয়তে পাৰশ্যৰ সম্ৰাটৰ আৰু অৱশেষত গ্ৰীকৰ অধীনত্ব স্বীকাৰ কৰিবলৈ বাধ্য হয়। তেওঁলোক আছিল বণিক জাতি। বাণিজ্যৰ কাৰণে সমগ্ৰ ভূমধ্যসাগৰ, ইংলেণ্ডৰ উপকূল, আফ্ৰিকা আৰু পূৰ্ব ভাৰতীয় দ্বীপপুঞ্জলৈ তেওঁলোকে যাতায়াত কৰিছিল আৰু তেওঁলোকৰ ভাষা আছিল উত্তৰ ছেমীয়। ফিনিচীয়সকলে ব্যৱহাৰ কৰা লিপি সন্দৰ্ভতো মতানৈক্য নথকা নহয়। অধিকাংশ পুৰালিপিতত্ত্ববিদ্‌ৰ মতে বেপাৰী জাতিটোৱে খ্ৰী পূ দশম শতাব্দীমানত মিছৰীয় বৰ্ণাত্মক লিপি তেওঁলোকৰ লেখন কলাৰ অন্তৰ্ভুক্ত কৰি লয়[৩৩]। ইতিপূৰ্বে

৩১ Madden, I —*Universal Palaeography*, p 209

৩২ বাহী, ঈশ্বৰচন্দ্ৰ—প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ৪৭৬

৩৩ এই মত খ্ৰী ১৮৫১ত জয়জয়তে প্ৰকাশ কৰে ডী ৰোসে (De Roughe), পিছত হেলভী (Halvey=১৮৪৭ খ্ৰী) আৰু ফ্ৰেডিক ডী লিসে (F de Lieche=১৮৯৭ খ্ৰী°) উক্ত মতত সমৰ্থন জনায়।

তেওঁলোকে মেচোপটেমিয়াৰ বাণমুখলিপি ব্যৱহাৰ কৰিছিল[৩৪] যদিও সেই লিপি লিখা মৃন্ময় ফলকসমূহৰ ওজন ভালেখিনি হোৱাত এঠাইৰপৰা আনঠাইলৈ অনা নিয়া কৰাত বেচ অসুবিধা দেখা দিয়া গুণে তাক এৰি পেপাইৰাছৰ বুকুত লিখা মিছৰীয় লিপি গ্ৰহণ কৰে। এই লিপি গ্ৰহণ কৰাৰ পিছত তেওঁলোকে পেপাইৰাছৰ সুৰাবোৰ এঠাইৰপৰা আনঠাইলৈ নিয়াত সুযোগ হ'ল। তদুপৰি কেঁচামাটিৰ ফলকত লিখাতকৈ নল খাগৰিৰ কলমেৰে পেপাইৰাছত লেখাটো ভালেখিনি উজু। এওঁলোকে মিছৰৰ ২৪টা বৰ্ণলিপিক ২২টা বৰ্ণলিপিলৈ সংকুচিত কৰি প্ৰকৃত বৰ্ণলিপিৰ জনকৰূপে প্ৰসিদ্ধ হয়[৩৫]। এই সন্দৰ্ভত প্ৰথম শতিকাৰ সমীক্ষক তেকিতাচে (Tacitus) বুৰঞ্জীত লিখি গৈছে—'The Egyptian first represented concepts by mean of animal figures, The e oldest monuments of human memory may still be een engraved in stone They claim to be the inventors of writing From them the Phoenicians are said to have brought the script to Greece because they ruled the seas, and they received the credit of inventing what they only tookover[৩৬] পিছে ফিনিচীয় লিপিৰসৈতে মিছৰীয় লিপিৰ প্ৰত্যক্ষ যোগাযোগৰ নিদৰ্শন দীৰ্ঘ দিনলৈ লোকচক্ষুৰ অন্তৰালত আছিল। অবশেষত ইংৰাজী ১৯০৪-৫ চনত প্ৰখ্যাত পুৰালিপিতত্ত্ববিদ্ ফ্লাইণ্ডাৰ্চ পেট্ৰে (Flinders Petrie) পেলেষ্টাইনৰ দক্ষিণে সিনাই নামে ঠাইত তামৰখনি এটাৰপৰা যোল্লখনি সৰু সৰু অনুশাসন পোৱাৰ পিছত চাৰ এ এইচ গাৰ্ডিনাৰ চাহাবে পাঠোদ্ধাৰ কৰি মিছৰীয় ২৪টা বৰ্ণলিপিৰপৰা ফিনিচীয় ২২টা বৰ্ণলিপি বিকাশৰ অনুমানটো তথ্যভিত্তিক কৰিবলৈ সমৰ্থ হয়। সিনাই লেখমালা খ্ৰী পূ ১৮ শতাব্দীৰ ওচৰে পাজৰে খোদিত। এই লিপিৰ একাধিক অক্ষৰেৰে সৈতে ফিনিচীয় লিপিৰ সাদৃশ্য ধৰা পৰে[৩৭]।

কোনো কোনো পণ্ডিতৰ মতে, মিছৰীয় পূত খোদিত লিপি অথবা পূত লিপিৰপৰা উদ্ভূত ক্ৰীট অথবা মিনোৱান লিপিৰ প্ৰভাবত গঢ লোৱা ছেমীয় লিপিমালাৰ ভিতৰত্ব

৩৪ ই, ১৮৭৭ ত এই মত প্ৰকাশ কৰে ডিকে (Deecke)

৩৫ Brasted J H —*The History of Egypt*, P 484

৩৬ Annals, 11 14

৩৭ ফ্লাইণ্ডাৰ্চ পেট্ৰে (F Petrie) এই মতবাদ প্ৰচাৰ কৰে ই, ১৯০৫ চনত। মচিয় ডুনাই পিছে সিনাই লিপিত বৰ্ণলিপিৰ পূৰ্বাভাস থাকিলে তাৰেপৰা ফিনিচীয় আৰু বৰ্ণলিপিৰ উদ্ভৱৰ কথা মানি নলয়।

ফিনিচীয় লিপি অন্যতম। চাৰ আৰ্থাৰ ইভেন্স এই মতৰ অন্যতম প্ৰবক্তা[৩৮]। পুৰালিপিতত্ত্ববিদ্‌সকলে পিছে ইভেন্সৰ সূত্ৰ মানি নল'লে। ছিৰিয়া উপকূলৰ লাটাকিয়াৰ সমীপবৰ্তী ইউগাৰিটত (অধুনা ৰাসচামৰা) ইংৰাজী ১৯২৯ চনত চেফাৰ, সনে আৰু ভিৰোলাই কিছুস খ্যক লিপি উদ্ধাৰ কৰে। খ্ৰী পূ ১৫ শতাব্দীমানত লিখা এই লিপিবোৰ বাণমুখ লিপিৰদৰে যদিও সিবোৰ বৰ্ণাত্মক। তাত হেনো ২৮টা বৰ্ণলিপি আছে। গতিকে সেই লিপিৰপৰা ফিনিচীয় লিপিৰ উদ্ভৱ হোৱা বুলি উপযুক্ত পুৰালিপি বিশাৰদসকলে মন্তব্য দিছিল। পিছে ভালদৰে অধ্যয়ন কৰিলে দেখা যায় যে ইউগাৰিট আৰু ফিনিচীয়—উভয় লিপিয়ে বৰ্ণলিপি হ লেও প্ৰথমটোৰপৰা দ্বিতীয় লিপিৰ বিকাশ সম্ভৱ হোৱা নাই।

আন এচাম পণ্ডিতে ভাবে যে মিছৰৰ পৃতথোদিত লিপি, সুমেৰৰ বাণমুখলিপি আৰু ক্ৰীটদ্বীপৰ লিপিৰ প্ৰেৰণাত উত্তৰ পশ্চিম ছেমীয় ভাষাগোষ্ঠীৰ লোকসকলে স্বাধীনভাৱে বৰ্ণলিপিৰ সৃষ্টি কৰিছিল। খ্ৰী পূ দ্বিতীয় সহস্ৰাব্দৰ অন্তিম লহৰত বৰ্ণলিপিৰ সৃষ্টি প্ৰক্ৰিয়া সম্পূৰ্ণ হয়। পৃথিৱীৰ বিভিন্ন স্থানত ভিন্ন অথবা একেসময়ত ভাবলিপি, ধ্বন্যাত্মক ভাবলিপি অথবা অক্ষৰ লিপিৰ বিকাশ সম্ভৱ হ'লেও বৰ্ণলিপিৰ সৃষ্টি হৈছিল মাত্ৰ এবাৰহে। ম চিয় ডুন াই ক ৰৰদৰে, c'est la une invention qu'on ne peut faire deux fois —ই এনে এটি আৱিষ্কাৰ—যি দ্বিতীয়বাৰ সংঘটিত হোবাৰ উপায় নাই। উত্তৰ ছেমীয় লিপিৰ অন্তৰ্গত ফিনিচীয় লিপিৰ প্ৰাচীনতম নিদৰ্শন সেইবাবে বিখ্যাত ৰজা মেশৰ মোবাইট স্তম্ভলিপিলৈ নিৰ্দেশিত হয়। খ্ৰী পূ নৱম শতাব্দীত লিখা এই স্তম্ভলেখত জুদা আৰু হিব্ৰু নৃপতিৰ আক্ৰমণক প্ৰতিহত কৰাৰ সোণালীস্মৃতি সুৰক্ষিত হৈছে[৩৯]। ফিনিচীয় লিপিত ব্যঞ্জন ধ্বনিহে আছে—স্বৰধ্বনি পাবলৈকে নাই। পৰবৰ্তীকালৰ দক্ষিণ আৰবী ভাষাৰদৰে সম্ভৱত ফিনিচীয়সকলে ব্যঞ্জনধ্বনিসমূহ অতি স্পষ্টৰূপত উচ্চাৰণ কৰাৰ ফলশ্ৰুতিৰূপে মধ্যবৰ্তী স্বৰসমূহৰ বিলোপ হৈছিল। ভূমধ্য

---

৩৮ ই ১৯১৩ চনত ছিনীডৰেও (Schneider) এই মত প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছিল।

৩৯ মোবাইট লিপিৰ ভাষা হিব্ৰু, লিপি ফিনিচীয়। ইয়াত ৩৪টা পংক্তি আছে। ফ্ৰান্সৰ লুভ্ৰে (Louvre) সংগ্ৰহালয়ত সংৰক্ষিত এই স্তম্ভলেখৰ পাঠোদ্ধাৰ আৰু অনুবাদ কৰ্ম সম্পন্ন কৰে—লিডজবাৰ্স্কিয়ে (Lidzbarski—*Handbuch der nordsemitique Epigraphia* (1902), P 175) ফলিৰ পাঠৰ নমুনা—'অনক মেশাৱিন কোমোশমলিক মালিক মোআব' (মই মোৱাবৰ ৰজা, কেমোশ-ভগৱানৰ পুত্ৰ মেশ)

সাগৰীয় বিভিন্ন ভাষাৰ উপৰি উত্তৰ ছেমীয় নানা বৰ্ণলিপিতো এই লিপিৰ প্ৰভাৱ অনস্বীকাৰ্য[৪০]।

জ গ্ৰীক লিপি

ফিনিচীয় সকলৰপৰা খ্ৰী পূ ৯০০ মানত গ্ৰীকসকলে লেখন কলা গ্ৰহণ কৰে[৪১]। এই লিপিৰ প্ৰাচীনতম নিদৰ্শন উদ্ধাৰ হৈছে—খ্ৰী পূ সপ্তম শতাব্দীত খোদাই কৰা কুম্ভ-লিপিত (Attic jar)। গ্ৰীকসকলে পোনতে একাধিক পদ্ধতিত আখৰ লিখিছিল—ছেমীয়সকলৰদৰে সোঁফালৰপৰা বাওঁফাললৈ, বাওঁফালৰপৰা সোঁফাললৈ আৰু নহ'লে বা দুয়োটা পদ্ধতিৰ সংমিশ্ৰণত (boustrophedon=লাংগলকৰ্ষণবৎ)। ঐতিহাসিক হেৰোডোটাচে কয় যে ফিনিচীয় ৰাজকুমাৰ কডমসে (Cadmus) থী বীজ (Thebes) নগৰ স্থাপন কৰি গ্ৰীক লিপিৰ জন্ম দিয়ে পুৰাতত্ত্ববিদ্ মেন্জে (Mentz) গ্ৰীক ঐতিহাসিকজনাৰ সুৰতে সুৰ মিলাই মন্তব্য ৰাখে যে কডমসে ফিনিচীয়সকলৰ বৰ্ণমালা জয়জয়তে ক্ৰীটদ্বীপলৈ আনি তাৰ পিছত বোয়েটিয়া (Boetia) পায়হি। ফিনিচীয় লিপিৰপৰা গৃহীত হ'লেও গ্ৰীক লিপিকেই প্ৰথম বৰ্ণলিপি আখ্যা দিব পাৰি। কিয়নো এই লিপি স্বৰ আৰু ব্যঞ্জন উভয় বৰ্ণৰ সাৰ্থক লিপি। ছেমীয়সকলৰদৰে গ্ৰীক-সকলেও তেওঁলোকৰ বৰ্ণলিপিৰ নামকৰণত আদ্যধ্বনি সূত্ৰ (acrophonic principle) মানি চলিছিল। দৃষ্টান্তস্বৰূপে, ছেমীয় ভাষাগোষ্ঠীৰ হিব্ৰু আৰবীত প্ৰথম বৰ্ণমালাৰ অক্ষৰ হ'ল—স্বৰবিহীন লেফ। ইয়াৰ অৰ্থ ষাঁড়। পূত খোদিত লিপিত শিং সহ ষাঁড়ৰ মূৰৰ ছবি দেখা যায়। সিনাই লিপিতো ষাঁড়শিৰৰ ৰৈখিক ৰূপটো বিদ্যমান। গ্ৰীকত তাৰ নাম হ'ল আল ফা। হিব্ৰুত দ্বিতীয় আখৰটো 'বেত' অৰ্থাৎ ঘৰৰ প্ৰতি-শব্দ। পূতখোদিত লিপিত থকা ঘৰৰ ৰৈখিক ৰূপে পৰিবৰ্তিত হৈ 'ব' ৰূপ লৈছে। গ্ৰীক ভাষাত তাৰ নাম বিটা। গ্ৰীক ভাষাৰ প্ৰথম আৰু দ্বিতীয় বৰ্ণমালাৰ সংযোগ 'আলফা বিটা'ৰপৰা ইংৰাজী alphabet ৰ জন্ম। একেদৰে গ্ৰীক বৰ্ণমালাৰ তৃতীয় অক্ষৰ 'গামা' হিব্ৰু গিমেল অৰ্থাৎ উটৰ প্ৰতিৰূপ[৪২]। ইতিমধ্যে উল্লিখিত গ্ৰীক স্বৰধ্বনি আল্‌ফা বা A 'ফিনিচীয় আলিফৰ পৰিবৰ্তিত ৰূপ। এই লিপিত থকা লঘু আৰু গুৰু

---

৪০ ফিনিচীয় লিপিৰ অন্তিমৰূপ পুনিকৰ (Punic)-ৰ নিদৰ্শন কাৰ্থেজ খননৰ ফলত ইং ১৮৪৫ত মাল্টা, চাৰ্ডিনায়া আদিত উদ্ধাৰ হৈছে।

৪১ Bury, J B—*A History of Greece*, P 74

৪২ Pendersen—*Linguistic Science in the Nineteenth Century*, P 206

হ দুটাৰ (হেথ) পৰা এ ধ্বনিৰ (এপছিলন=upsilon)-ৰ সৃষ্টি কৰে। একেদৰে 'জাইন' (জ) ধ্বনিৰপৰা আই, i (আইওতা=iota), 'এন্'ৰ পৰা ও (omicron) আৰু 'ভাউ' ধ্বনিৰপৰা গ্ৰীক উ y ধ্বনি লিপিৰ উদ্ভৱ হোৱা বুলি ভাষাতাত্ত্বিকসকলে অভিমত দিছে। ফিনিচীয় ভাষা ব্যঞ্জনান্ত, আনহাতে গ্ৰীক ভাষা স্বৰান্ত। যেনে—বেথ (গ্ৰী বেটা) গিমেল (গ্ৰী গামা) দলেথ (গ্ৰী ডেল্টা) আদি।

সিনাই লিপি—পেলেষ্টাইনৰ দক্ষিণ দিশত অৱস্থিত সিনাই নামে স্থানত উদ্ধাৰ হোৱা সিনাই লিপিৰ আভাস ইতিমধ্যে দি অহা হৈছে। এই লিপিৰ উদ্ধাৰকৰ্তা আৰু পাঠ উদ্ধাৰক হ'ল যথাক্ৰমে ফ্লাইণ্ডাৰ্চ পেট্ৰে[৪৩] আৰু এ এইচ গাৰ্ডিনাৰ চাহাব (A H Gardiner)[৪৪]। এই লিপিয়ে বৰ্ণলিপিৰ বিকাশত এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে। জয়জয়তে ইয়াত ৩২টা বৰ্ণলিপি থকা বুলি কোৱা হৈছিল যদিও ৮টা প্ৰতীক চিহ্ন ৰূপভেদ হোৱা গুণে প্ৰকৃত বৰ্ণলিপিৰ সংখ্যা ২৪টা হয়গৈ[৪৫]। ইয়াত প্ৰাপ্ত এখনি অভিলেখৰ ওপৰত এটি মূৰ্তি খোদিত আছে—যাৰ মুখ খনি বাঘৰ আৰু গাটো মানুহৰ। এই মূৰ্তি খোদিত লেখখনি বৰ্তমানে ব্ৰিটিছ মিউজিয়মত সুৰক্ষা দিয়া হৈছে। এই অভিলেখৰ অসমীয়া অনুবাদ এনেধৰণৰ—(১) বালত (বালদেৱতা) ক প্ৰেম (কৃপা দৃষ্টি) মিলিল (২) বালত (বালদেৱতালৈ)ক মোৰ সেৱা। এই লিপি খোদিত হৈছে বাওঁফালৰপৰা সোঁ ফাললৈ।

এট্ৰুস্কান লিপি—মধ্য ইটালীৰ এট্ৰুৰিয়াত খ্ৰীষ্টপূৰ্ব সপ্তম শতাব্দীৰেপৰা খ্ৰীষ্টীয় প্ৰথম শতাব্দীলৈকে সৰুবৰ ৯০০ মৃন্ময় মোহৰ লেখ পুৰাতত্ত্ববিদ্‌সকলে উদ্ধাৰ কৰিছে। ইয়াৰে এটা মাটিৰ মোহৰত ৩০০টা শব্দ উৎকীৰ্ণ হোৱাটো মনকৰিবলগীয়া। যকৃৎ আকাৰৰ আন এখনি মৃন্ময় ফলকত বিভিন্ন দেব দেৱীৰ নামবোৰ উৎকীৰ্ণ হৈছে। ইয়াত প্ৰাপ্ত এখনি কাপোৰত ২৫০ শব্দ সম্বলিত এখনি অভিলেখ পোৱা গৈছে। পুৰালিপি-তত্ত্ববিদ্‌সকলৰ মতে সি খ্ৰীষ্টীয় প্ৰথম শতাব্দীৰ সম্পদ। এট্ৰুৰিয়াৰ দক্ষিণ অঞ্চলত গ্ৰীকলিপিৰ দৰে অক্ষৰ খোদিত অলংকৃত কলহ, থাল, বাচন বৰ্তন আৰু লঘুশিলত যিবোৰ অক্ষৰ উৎকীৰ্ণ হৈছে, সিবোৰক ড° টেলৰে পেলাসগিয়ন (গ্ৰীচৰ মূল নিবাসী), গাৰ্ড থাউটনে প্ৰোটো টাইৰেনিয়ন (Proto-Tyrrhenion) আৰু কিৰ্চোফে পশ্চিমী লিপি বুলিছে। এটা কালত এইলিপি কালচিচৰপৰা চিছিলীলৈ চলাবুলি পণ্ডিতসকলৰ

৪৩ Meorhouse, C —*Writing and the Alphabet*, p 41
৪৪ Gardiner, A H —*The inscriptions of Sinai* (1955) দ্ৰষ্টব্য।
৪৫ Sprengling, M —*The Alphabet*, p 28

ধাৰণা। হেমৰষ্টীমৰ মতে, এট্রুস্কান ভাষাত BDOX ধ্বনি পাবলৈ নাই। F ধ্বনিৰ বাবে তেওঁলোকে লীডিয়াৰ বিশেষ বৰ্ণ ৪ সাহায্য ল'ব লগাত পৰা গু ণ কোনো কোনো পণ্ডিতে এট্রুস্কানসকলৰ আদিভূমি লীডিয়া বুলি সাব্যস্ত কৰে যদিও সৰহসংখ্যক পুৰালিপিতত্ত্ববিদৰে ধাৰণা হ'ল—গ্ৰীকসকলৰপৰা এট্রুস্কানসকলে লেখনকলা সংগ্ৰহ কৰি আন দেশলৈকো প্ৰেৰণ কৰিছিল[৭৬]।

ঝ লেটিন লিপি

ইউৰোপত বহু প্ৰচলিত লিপিসমূহৰ ভিতৰত লেটিন লিপি অন্যতম। ইয়াৰ মূল কোনোবে উত্তৰ ছেমীয় আৰু আন কোনোবে গ্ৰীকলিপি ৰূপ নিৰ্দেশ কৰে। উপৰি উক্ত যিকোনো এটি লিপি মধ্য ইটালীৰ এট্রুৰিয়াৰ এট্রুস্কানসকলে তেওঁলোকৰ লেখন কলাৰ অন্তভূক্ত কৰি লয়। কালক্ৰমত এট্রুস্কানলিপিৰপৰা অব্ৰিয়ন, ৰিউনিক আৰু লেটিন (লেটিয়ম্ শব্দৰপৰা উদ্ভব) লিপিৰ বিকাশ হয়—খ্ৰীষ্টজন্মৰ ৬ অথবা ৭ শতাব্দীৰ পূৰ্বে। লেটিন লিপিৰ প্ৰাচীনতম নিদৰ্শন উদ্ধাৰ কৰে—ফোৰম ৰোমনেমে (Forum Romanumএ) ইংৰাজী ১৮৯৯ত উদ্ধাৰ কৰা এই লিপি লাংগলকৰ্ষণবৎ পদ্ধতিত লিখা। কটাৰত প্ৰাপ্ত 'মেনিয়স ক্লেস্প' (Manios Clasp) আলোচিত লিপিৰ দ্বিতীয় প্ৰাচীন নিদৰ্শন। এট্রুস্কান লিপিত স্বৰ আৰু ব্যঞ্জন লৈ মুঠ ২৬টা বৰ্ণলিপি আছিল যদিও প্ৰথমস্তৰৰ লেটিন লিপিত একৈশটা ধ্বনিলিপিহে গৃহীত হয়। লিপি কেইটা হ'ল—A B, C, D, E, F, G, H I, K L, M N, O P, Q, R S T V আৰু X চীজাৰৰ ৰাজত্বকালত যেতিয়া গ্ৰীক ভাষাৰ বহু শব্দ গৈ লেটিনত সোমাল, তেতিয়া নতুন ধ্বনিসমূহ লিখিবলৈ গ্ৰীকৰপৰা Y আৰু Z বৰ্ণলিপি দুটা গ্ৰহণ কৰিবলৈ বাধ্য হয়। মধ্যযুগত গ্ৰীক লিপিৰপৰা U W আৰু J—এই তিনিটা বৰ্ণলিপি গ্ৰহণ কৰাৰ ফলশ্ৰুতি ৰূপে বৰ্ণমালাৰ সংখ্যা হ'লগৈ ২৬। আদিস্তৰৰ লেটিন লিপিত ঘোষ অঘোষ ক গৰ মাজত পাৰ্থক্যৰ সীমাৰেখা নিৰূপিত হোবা নাছিল, বৰ্ণমালাৰ তৃতীয় অক্ষৰটি 'ক' ধ্বনিৰ প্ৰতীকৰূপে ব্যবহাৰ হৈছিল। পৰবৰ্তীকালত ইয়াৰ ভালেখিনি উৎকৰ্ষ সাধিত হ'ল। G-ৰ স্থান C এ আৰু Z ৰ স্থান Gয়ে ললে। U লিপিক V ৰূপলৈ সলোবা হ'ল। Uক দুগুণ কৰাত সি হ'ল W I আৰু E হয়গৈ Y সংখ্যাৰ প্ৰতীক চিহ্নৰ ক্ষেত্ৰত এই কথা বিশেষভাৱে লক্ষণীয়। দৃষ্টান্ত স্বৰূপে, পঞ্চাশ (গ্ৰীক Khi) শ (গ্ৰীক theta), হাজাৰ (গ্ৰীক Phi) প্ৰভৃতি সংখ্যাসমূহৰ প্ৰতীকবোৰ LCM প্ৰভৃতি প্ৰতীকেৰে লেটিন লিপিত প্ৰয়োগ হ বলৈ ধৰে। আজিকালি ই ৰোমান লিপিৰূপেই অধিক পৰিচিত।

৪৬ Panli, W—*Corpus Inscriptionum Etruscarum* (1893) দ্ৰষ্টব্য।

ইংৰাজী, ফৰাচী, স্পেনীয়, পর্টুগাল, ৰুমানীয়ান, চেক পোলিশ আদি ভাষাৰ উপৰি আফ্রিকাৰো একাধিক ভাষাই আলোচিত লিপিক নিজস্ব লেখন কলাৰ বাহন ৰূপে আকোঁৱালি লয়। জার্মান আৰু স্কাণ্ডিনেভিয়াত মধ্যযুগত সন্ন্যাসী লিপিকৰসকলৰ হাতত ৰোমান লিপিয়ে যি বর্তুলাকাৰ আৰু কাৰিক ৰূপ পৰিগ্ৰহ কৰিছিল, সেয়ে **গথিক লিপি** ৰূপে পৰিচিত হ'ল। ২৭টা বর্ণযুক্ত এই লিপিত বাইবেল অনূদিত হৈছিল। এটা সময়ত এই লিপি ইংলণ্ডতো চলিছিল যদিও বর্তমানে তাৰ প্ৰয়োগ নাই[৪৭]।

বুলগেৰিয়াত প্রচলিত ৪২টা বর্ণযুক্ত **চিৰিলিক লিপি** গ্ৰীক লিপিৰ ভেটিত গঢ় লোৱা। ইয়াক দুটা শাৰীত সজোৱা হয়। প্ৰতিটো শাৰীত অক্ষৰৰ সংখ্যা ২৪। বুলগেৰিয়াৰ পুৰণিলিপি **গ্লেগোলিথিক লিপি** প্রাচীন ৰুনৰপৰা উদ্ভব হোৱা বুলি গ্ৰুবীছিখে (Grubissich) অভিমত দিছে[৪৮]। ৪০টা অক্ষৰযুক্ত উক্ত লিপিক মিলৰ চাহাবে আবেস্তাৰপৰা, চফাৰিক (Safarik) আৰু ৰোণ্ডাৰ্ক (Vondark) প্রাচীন ফিনিচীয় লিপিৰপৰা উদ্ভব হোৱা বুলি মন্তব্য দিয়া দেখা যায়।

খ্রীষ্টীয় নৱম শতাব্দীত খ্রীষ্টধর্ম প্রচাৰক চিৰিলে (Cyril) বুলগেৰিয়া আৰু মোৰাভিয়াৰ স্লাভ ভাষাত বাইবেল অনুবাদ কৰিবলৈ যি বর্ণমালা প্রয়োগ কৰিছিল, সেই চিৰিলিক লিপিৰপৰা বৰ্তমানৰ ৰুচ, পোল প্ৰভৃতি বর্ণমালাৰ বিকাশ। **ৰুচলিপিত** আদিতে ৩৫টা বর্ণ আছিল। বৰ্তমানে উক্ত ভাষাৰ লিপিসংখ্যা ৩৩। মহান পীটাৰৰ দিনত এলিয়চ কোপীবিচে (Elias kopivitch) এই লিপিৰ ভালেখিনি পৰিবর্তন সাধে। পৰিবর্তিত ৰুচ লিপি ই ১৮৩৫ৰ পৰা প্রচলন হ'বলৈ ধৰে আৰু পীটাৰে তাক 'গ্ৰাজদা সকালা' (civil Alphabet) ৰূপে অভিহিত কৰে। ইংৰাজী ১৯১৭ চনত এই লিপিৰ দ্বিতীয়বাৰ সংস্কাৰ সাধিত হয়[৪৯]।

জার্মানীৰ পুৰণিলিপি ৰুনিচ (Runes) ধর্ম আৰু ঐন্দ্রজালিক কথা লিখা সৰু সৰু লেখমালাত প্রয়োগ হৈছিল। গোথিক ভাষাত 'ৰুন' শব্দৰ অর্থ হ'ল গোপনীয়। এই লিপিত লিখা প্রাচীনতম শৈলখনি উত্তৰ জার্মানীত উদ্ধাৰ হৈছে। লিপিৰ কাল খ্রীষ্টীয় চতুর্থ শতাব্দী। বাওঁফালৰপৰা সোঁফাললৈ লিখা। অৱশ্যে বাওঁফালৰপৰা

৪৭ Gutenbrunner—*Uberden Urspung des gotischen Alphabets*, P 500

৪৮ Altheim—*Hannische Runen*, P 14

৪৯ *Clodd, E —Story of the Alphabet* (New york, 1935) দ্রষ্টব্য।

সৌকাললৈ লিখা লিপিও উদ্ধাৰ নোহোৱা নহয়[৫০]। আদিতে এই ভাষাৰ লিপিৰ সংখ্যা ২৮ আছিল যদিও পিছলৈ তাৰ সংখ্যা ২৪ হয়গৈ। প্ৰতিটো শাৰীত আঠোটাকৈ আখৰ লিখি তিনি শাৰীত বৰ্ণমালা শেষ কৰা হয়। ইয়াৰ প্ৰথম শাৰীটো ফুথাৰ্ক (Futhark) নামে পৰিচিত। দ্বিতীয় আৰু তৃতীয় শাৰী দুটা হেগাল (Hagall) আৰু টায়ৰ (Tyr) ৰূপে জনা যায়।

ঞ মায়া লিপি

মধ্য আমেৰিকাৰ মেক্সিকো আৰু ব্ৰাজিলত প্ৰস্তৰ যুগতেই মায়া সভ্যতা নামেৰে এটি উন্নত সভ্যতা গঢ়ি উঠিছিল। প্ৰাচীন হিত্তী ব' মিছৰৰদৰে তেওঁলোকে এক প্ৰকাৰ চিত্ৰ আৰু ভাৱমূলক লিপি ব্যৱহাৰ কৰিছিল। সেই লিপিসমূহ শিল, কাঠ আৰু মৃন্ময় ফলকত উদ্ধাৰ হৈছে। সিবোৰৰ পূৰ্ণ পাঠোদ্ধাৰ হ'বলৈ এতিয়াও বহুখিনি বাকী। যিখিনি পাঠোদ্ধাৰ কৰিব পৰা হৈছে, তাৰদ্বাৰা পুৰালিপিত্ত্ববিদ্‌সকলে অনুমান কৰে যে এই লিপিত কমেও আঠশ চিত্ৰলিপি ব্যৱহাৰ হৈছিল। প্ৰাচীন মিছৰীয় পূত খোদিত লিপিৰ সৈতে মায়ালিপিৰ কিছু সাদৃশ্য ধৰা পৰে। পৰৱৰ্তী আজতেকসকলেও এই লিপিকে ব্যৱহাৰ কৰিছিল। মায়া লিপিত লিখা পঞ্জিকা পোৱা যায়। তেওঁলোকে এমাহত কুৰি দিন ধৰাত বছৰত হয়গৈ ওঠৰ মাহ। এবছৰত বৈ যোৱা পাঁচটা দিনক অপবিত্ৰ জ্ঞান কৰি তাক তেওঁলোকৰ পঞ্জিকাত স্থান দিয়া নাছিল। দক্ষিণ আমেৰিকাৰ চিলিৰ পশ্চিমত থকা ইষ্টৰদ্বীপত কাঠৰ ফলকত খোদিত চিত্ৰলিপিৰ সৈতে মায়ালিপিৰ সাদৃশ্য কিমানখিনি, তাক অধ্যয়ন কৰিবলগীয়া[৫১]।

ট আৰামীয় লিপি

পশ্চিম এছিয়াৰ ছিৰিয়া ৰাজ্যৰ উত্তৰ ছেমীয় লিপিৰপৰা বিকশিত হোৱা **আৰামীয় লিপিয়ে** সময়ৰ অগ্ৰগতিৰ লগে লগে কেইবাটাও নতুন লিপিৰ জন্ম দিবলৈ সমৰ্থ হয়। মৰু সমুদ্ৰৰ তীৰবৰ্তী এক পৰ্বতৰ গুহাত আৰামীয় লিপিত খোদিত ছালৰ দুৱাৰ পুথি

---

৫০ Arntz, H—*Handbuch der Runenkunda*, P 46, লগতে Seth Kurt ৰ—*Der Upsprung des Alphabets* চাওক।

৫১ Brinton, D G—*A Primer of Mayan Hieroglyphs* (Bostan, 1893) আৰু Mallery, G—*Picture Writing of the American Indians*—Tenth Annual Report of the Bureau of Ethnology (Washington, 1893) দ্ৰষ্টব্য।

(Dead Sea Scroll)[৫২] ওল্ড টেষ্টামেণ্ট উদ্ধাৰ হৈছে। সিবোৰ দুহাজাৰ বছৰৰ পূৰ্ববৰ্তী লেখা। আৰামীয় লিপিৰপৰা জৰথুস্ত্ৰবাদীসকলৰ পৱিত্ৰ গ্ৰন্থ 'জেন্দ আবেস্তা'ৰ লিপি **পহ্লবী**, অশোকৰ কিছুসংখ্যক লিপিত ব্যৱহৃত খৰোষ্ঠী, প্ৰাচীন হিব্ৰু, এচিয়ানিক আৰু সিনেতিক লিপিৰ বিকাশ ঘটে। হিব্ৰু লিপি ভংগ চতুষ্কোণাকৃতিৰ। সিনেতিক লিপিৰপৰা পুৰাতন আৰবী লিপিৰ উদ্ভৱ। মক্কা, মদীনা, বসৰা, কুফা, আৰু ডামস্কচ হ'ল **আৰবী লিপি** বিকাশৰ থলী। ডামস্কচৰ নিকটবৰ্তী ইম্ৰামাৱৰ সমাধিৰ কাষত খোদিত ৩২৮ খ্ৰীষ্টাব্দৰ লিপি এখনিত এই লিপিৰ প্ৰথম নিদৰ্শন উদ্ধাৰ হৈছে। ৫১২ খ্ৰী ত খোদিত এলিপোৰ জাবাদ (Zabad) শৈললেখ সময় ৰেখাৰ কালৰপৰা দ্বিতীয় পুৰাতন আৰবী লিপি[৫৩]। এই শৈললেখত আৰবী, চাইৰিক আৰু গ্ৰীক ভাষাৰ ত্ৰিবেণী সংগম মনকৰিবলগীয়া। কালক্ৰমত ইয়াৰ কুফী আৰু নসখী নামে দুটা শৈলী স্পষ্ট হয়। স্থায়ী মূল্যৰ অভিলেখমালাত সুলেখন কলাৰ প্ৰতিভূ কুফীৰ প্ৰয়োগ হৈছিল। সোঁহাতৰপৰা বাওঁহাতলৈ লিখা এই লিপিৰ অক্ষৰ সংখ্যা—২৮। আৰবী লিপিয়ে বৰ্তমানৰ ইউৰোপ, এচিয়া আৰু আফ্ৰিকাত এক বিশিষ্ট আসনত সমাসীন হ'বলৈ সমৰ্থ হৈছে। এই লিপিৰে প্ৰকাৰভেদ **ফাৰ্চীৰ** অক্ষৰ সংখ্যা—৩২ আৰু উৰ্দুৰ অক্ষৰ সংখ্যা হ'ল—৩৮।

৪° সিন্ধুলিপি

ভাৰতবৰ্ষৰ প্ৰাচীনতম লেখন কলাৰ সন্দেহ প্ৰাক্ বৈদিক যুগৰ সিন্ধু সভ্যতাই আমাক দিয়ে। ইজিপ্ত আৰু সুমেৰৰ লেখন কলাৰ স্বাক্ষৰ অগণন শিলালেখ, পেপাইৰাছ আৰু মৃন্ময় মোহৰে বহন কৰাৰ দৰে প্ৰাচীন ভাৰতীয় লোকৰ লিপিজ্ঞানৰ পৰিচয় দিছে—হৰপ্পা আৰু মহেঞ্জদৰোত প্ৰাপ্ত প্ৰায় দুহাজাৰ পোৰা মাটিৰ মোহৰে[৫৪]। হৰপ্পা অধুনা পাকিস্তানৰ পঞ্জাৱ প্ৰদেশৰ মণ্ট গোমাৰী জিলাত আৰু মহেঞ্জদৰো সিন্ধু প্ৰদেশৰ লাৰকানা জিলাত অৱস্থিত। উক্ত দুই স্থানত প্ৰাপ্ত মাটিৰ মোহৰত উৎকীৰ্ণ প্ৰতীক চিহ্নৰ সাদৃশ্য থকা কিছু সংখ্যক মৃন্ময় আৰু নৰম শিলৰ মোহৰ কাঠিয়াবাড়ৰ লোথল, ৰাজস্থানৰ কালীবংগা আৰু পঞ্জাৱৰ ৰোপৰ নামে ঠাইত উদ্ধাৰ হৈছে। হৰপ্পা আৰু মহেঞ্জদৰোত প্ৰাপ্ত কিছু সংখ্যক লিপি চিহ্নৰ সৈতে সুমেৰ, প্ৰাক্ এলাম, হিত্তাইট, মিছৰ, ক্ৰীট, চাইপ্ৰাচ আৰু চীনদেশৰ লিপি চিহ্নৰ

---

৫২ সবিশেষৰ বাবে M Burrowৰ *The Dead Sea Scrolls* (1955) বা R D Vauk-ৰ *Archaeology and the Dead Sea Scrolls* (1961) পঢ়ক।

৫৩ Abott, Nabia—*Rise and Development of North Arabic Script* P 130

৫৪ Basham, A L—*The Wonder that was India*, P 147

উপৰি প্ৰশান্ত মহাসাগৰীয় পূৰ্বদ্বীপমালাত অৱস্থিত লিপি মোহৰৰ সাদৃশ্য লক্ষ্য কৰি[৫৫] এদল পণ্ডিতে ইয়াৰ পাঠোদ্ধাৰত লাগি আছিছে যদিও তেওঁলোকৰ প্ৰযত্নক বহুতেই ভ্ৰূকুটি কৰে। এডিনবাৰ্গ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° পিগোটে মহেঞ্জদৰোৰ লিপিৰ পাঠোদ্ধাৰ প্ৰচেষ্টাক দায়িত্বহীন প্ৰচেষ্টা বুলি ইতিকি কৰাটো ইয়াৰ উৎকৃষ্ট উদাহৰণ[৫৬]।

এইটো সৰ্বজনজ্ঞাত কথা যে পুৰালিপি হ'ল যিকোনো এটি জীৱন্ত কি বা মৃত ভাষাৰ লৈখিক ৰূপ। গতিকে পুৰালেখ অধ্যয়নৰ ক্ষেত্ৰত পুৰালিপি আৰু ভাষাৰ সংযোগ এনেধৰণৰ—ক অজ্ঞাত লিপি, জ্ঞাত ভাষা—ব্ৰাহ্মী আৰু খৰোষ্ঠী লিপি অধ্যয়নৰ কালত পুৰালিপিতত্ত্ববিদ্‌সকলৰ লিপি জ্ঞান নাথাকিলেও সংস্কৃত আৰু প্ৰাকৃতৰ জ্ঞান পৰ্যাপ্ত আছিল। একেদৰে হখমনী লিপিমালাৰ অধ্যয়ন কালতো পুৰালিপিতত্ত্ববিদ্‌সকলে আলোচিত লিপিমালাত ব্যৱহৃত আবেস্তাৰে সম্পৰ্ক থকা পুৰণি পাৰসী ভাষা জ্ঞানক কামত লগাব পৰা গুণে পুৰালিপি অধ্যয়নত কিছু সুযোগ হৈছিল। খ জ্ঞাত লিপি অজ্ঞাত ভাষা—ৰোমানসকলৰ অভ্যুত্থানৰ পূৰ্বে ইটালীত এট্ৰুস্কানসকল বাস কৰিছিল। তেওঁলোকৰ পুৰালেখ উদ্ধাৰ হৈছে। সেই পুৰালেখৰ লিপি গ্ৰীক। বৰ্তমানে এট্ৰুস্কান এটি লুপ্তভাষা। সেইবাবে পুৰালিপিতত্ত্ববিদ্‌সকলে সেই পুৰালেখসমূহৰ অক্ষৰ কেইটা পঢ়িব পাৰিলেও তাৰ মৰ্মাৰ্থ বুজি পোৱা নাছিল। পিছত ইংৰাজী ১৯৭১ চনত বুলগেৰিয়াৰ পুৰালিপিতত্ত্ববিদ্ জাৰ্জীএবে আলোচিত লিপিমালাৰ ভাষাৰ স্বৰূপ উদ্‌ঘাটন কৰিবলৈ সমৰ্থ হয়। হিত্তীভাষাৰে সম্পৰ্ক থকা এট্ৰুস্কান ভাষাৰ মৰ্মাৰ্থ উপলব্ধিত পৰিচিত লিপিয়ে যে প্ৰাথমিক সাহায্যদান কৰিছিল তাক দোহাৰিবৰ প্ৰয়োজন নাই আৰু গ অজ্ঞাত লিপি আৰু অজ্ঞাত ভাষা—পুৰালিপিৰ লিপি আৰু ভাষা উভয়ে যেতিয়া অজ্ঞাত হয়, তেতিয়া তাৰ পাঠোদ্ধাৰ কেতিয়াও সন্তোষজনক হ'ব নোৱাৰে। সিন্ধুলিপিৰ পাঠোদ্ধাৰৰ ক্ষেত্ৰত এই কথা বিশেষভাবে মনকৰিবলগীয়া[৫৭]।

৫৫ Pusalkar, A D—The Indus Script in *Vedic Age* in The History and Culture of Indian People, Vol I, Wheeler, M—The Indus Civilisation in *Cambridge History of India* and Hevesy, G D—*Bulletin de la Societe, Pre-Historique Froancaise*, P 78

৫৬ Piggot, S—*Pre Historic India*, P 178

৫৭ মুলে গুণাকৰ—ভাৰতীয় লিপিয়োঁ কী কহানী, পৃ ১২৮-২৯

পাশ্চাত্য একাধিক লিপিতত্ত্ববিদে্ সিন্ধু লিপিক জয়জয়তে 'চিত্ৰলিপি' ৰূপে চিনাক্ত কৰিছিল। এই ক্ষেত্ৰত চাৰ ফ্লাইণ্ডাৰচ পেট্ৰেৰ নাম উল্লেখযোগ্য। কিছু সংখ্যক মোহৰত চৰাই, মাছ, ষাঁড়, একশিঙীয়া জন্তু আৰু ভিন্ন আকৃতিৰ মানুহৰ প্ৰতিকৃতি দেখা যায়। পিছে চিত্ৰবোৰৰ তলে ওপৰে একাধিক প্ৰতীক চিহ্নও উৎকীৰ্ণ হৈছে। ছবিৰ কথা প্ৰতীক লিপিত প্ৰকাশ পোৱা বুলিব নোৱাৰি, কিয়নো ইয়াত প্ৰাপ্ত দুটা মোহৰত দুটা ষাঁড়ৰ ছবি অ কিত হৈছে। তাৰে এটা সোঁহাতলৈ মুখ কৰি থকা আৰু আনটোৰ মুখখন আছে বাওঁ হাতে। অথচ দুয়োটা চিত্ৰৰ ওপৰত থকা প্ৰতীক চিহ্ন কেইটা ভিন্ ভিন্। একশিঙীয়া জন্তু উদ্‌গত মোহৰ তিনিটাত খোদিত প্ৰতীক চিহ্নৰ ক্ষেত্ৰতো এই মন্তব্য প্ৰযোজ্য। আকৌ মূল প্ৰসংগলৈ ঘূৰি যোৱা যাওক। হৰপ্পা আৰু মহেঞ্জদৰোৰ মোহৰ কিছুমানত চিত্ৰ থাকিলেও সিবোৰত থকা প্ৰতীক চিহ্নসমূহহে অধ্যয়নৰ বস্তু। গতিকে সিবোৰক চিত্ৰলিপি আখ্যা দিব নোবাৰি।

মেৰিগ্নি নামৰ পণ্ডিত এজনে হিত্তী ভাৱলিপি আৰু অক্ষৰ লিপিৰ আলোকত সিন্ধু লিপি পৰীক্ষা কৰি এই সিদ্ধান্তলৈ আহে যে এইলিপিৰ প্ৰয়োগকৰ্তাসকলে মৃন্ময় মোহৰ মালাৰ লিপিত ideo phonologic system এটা প্ৰয়োগ কৰিছিল[৫৮]। পিছে G de Heve y-য়ে মেৰিগ্নিৰ তথ্য নানা যুক্তি'ৰ থকা সৰকা কৰি পেলায়। প্ৰকৃত পক্ষে, একে ধৰণৰ লিপি সিন্ধু সভ্যতাৰ সৰ্বত্ৰ পোৱা হেতুকে সিবোৰৰ ক্ৰমবিকাশৰ ৰূপৰেখা অংকন কৰাটো একপ্ৰকাৰ কষ্টসাধ্য কাম হৈ পৰিছে। 'লিপি চিহ্নৰ স্পষ্টতা, ৰৈখিক স্বভাব, বিবিধতা আৰু বাহুল্যই হ'ল সিন্ধুলিপিৰ প্ৰধান বৈশিষ্ট্য[৫৯]।' বৰ্তমানলৈকে সিন্ধুলিপিৰ প্ৰায় চাৰিশ প্ৰকাৰ চিহ্নৰ তালিকা প্ৰস্তুত কৰি (এই লিপি চিহ্নৰ স খ্যা হাণ্টাৰে ২৫৩টা, ল ডনে ২৮৮টা, গড আৰু স্মি'থ ৩৯৬টা বুলি'ছ) সিবোৰৰ পাঠোদ্ধাৰৰ প্ৰযত্ন চলোৱা হৈছে। লিপি চিহ্ন বাৰ দুটা ভাগত ভগাব পাৰি— মৌলিক আৰু যৌগিক। মানুহ, মাছ প্ৰভৃতিৰ চিহ্ন বাৰ মৌলিক। এ'ন মৌলিক প্ৰতীক চিহ্নৰ সংখ্যা আঢৈশমান হ'ব। মানুহ, মাছ প্ৰভৃতিৰ প্ৰতীকত আন ৰেখাৰ সংযোজনা-সমূহ যৌগিক প্ৰতীক চিহ্নৰ অন্তৰ্ভুক্ত।

ফাদাৰ ৰেভা হেৰাচে (Heras) সিন্ধুলিপিৰ পাঠোদ্ধাৰ কৰাৰ দাবী কৰি কয় যে এই লিপি লেখাৰ পদ্ধতি সোঁহাতৰপৰা বাওঁহাতলৈ আৰু সিবোৰ দ্ৰাবিড় মূলীয়

৫৮ Meriggi, P—*Zur Indusschrift Zeitschur D Veutschen Morgel, Gesellshaft*, 1934 দ্ৰষ্টব্য।

৫৯ অসম একডেমী অনূদিত আৰু প্ৰকাশিত 'বৈদিক যুগ' পৃ. ২২৬

তামিলৰ প্ৰত্নৰূপ[৬০]। চাৰ জন মাৰ্চালো এই মতৰ অনুগামী[৬১]। গডে (Godd) লিবোৰৰ ভাষাত প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ ৰূপ নিহিত হৈ থকা বুলি অনুমান কৰে। লংডনেও (Longdon) তাক মানি লয়। জি আৰু হাণ্টাৰে ইয়াৰ লিপিক অশোক-কালীন ব্ৰাহ্মীলিপিৰ প্ৰত্নৰূপ বুলি অভিহিত কৰে[৬২]। সিন্ধুলিপিৰ ভালেকেইটা প্ৰতীক চিহ্ন ব্ৰাহ্মীলিপিৰ চিহ্নৰে মিলি যোৱাটো এই খিনিতে উল্লেখযোগ্য[৬৩]। পিছ সিন্ধু লিপিত খোদিত ভাষা ইণ্ডো ইউ ৰোপীয় বুলি খাটাংকৈ ক'ব নোৱাৰা বাবে এই মতবাদ বাহাল ৰখাত কিছু অসুবিধাই দেখা নিদিয়া নহয়।

এল এ ৱাডেল (Waddell) চাহাবে দেখুৱায় যে খ্ৰী পূ ৪০০০ বছৰৰ আগেয়ে সিন্ধু উপত্যকাত সুমেৰীয়সকলৰ উপনিবেশ আছিল। গতিকে তেওঁলোকৰ ভাষা আৰু লিপিক এই দেশত চলাই দিয়ে[৬৪]। তেওঁ আৰ্যসকলকো সুমেৰবাসী বুলিছিল। পিছে

---

৬০ Haras, H—Mohenjodaro, the People and the Land in *Indian Culture*, Vol III, (1937) আৰু *Studies in Proto Indo—Mediterranean Culture*

(1953) দ্ৰষ্টব্য। ফাদাৰ হেৰাচে সিন্ধুলিপিৰ ২৪১টা চিহ্ন পৃথককৈ দেখুৱায়। যেনে—এজন মানুহ (যাৰ চাৰিখন হাত), এজন মানুহ (যাৰ নেজ আছে), এজন মানুহ (ঢোল বজাই থকা), এজন মানুহ (কোনো বস্তু ডাঙি ধৰা), এজন মানুহ (কিবা বস্তু দূৰলৈ ঠেলি পঠোৱা) আদি। হেৰাচৰ দ্ৰাবিড়মূলীয় তামিল আৰু সিন্ধুলিপিৰ চিত্ৰ সাদৃশ্য সমূহ এনেধৰণৰ—

তামিল=কডাবুল	অৰ্থ=দেৱতা	তামিল=বিলন	অৰ্থ=ধনুধাৰী
,, আল	,, মানুহ	,, কা	,, মৃত্যু
,, পৰিয়ন	,, ঢোলৱালা	,, ইন	,, মৃত্যু
,, টুকান	,, মজদুৰ	,, পলী	,, নগৰ ইত্যাদি।

৬১ Marshall, J—*Mohenjodaro and the Indus Civilization*, Vol II PP 423-34

৬২ Hunter, G R—*The Script of Harappa and Mohenjodaro and its connection with other Scripts* দ্ৰষ্টব্য।

৬৩ ইং ১৯৫২ চনত প্ৰকাশিত ৰাজবলী পাণ্ডেৰ *Indian Palaeography* গ্ৰন্থত ২৩টা সিন্ধুলিপিৰ প্ৰতীক চিহ্নৰে সৈতে ব্ৰাহ্মীলিপিৰ আপাত সাদৃশ্য প্ৰদৰ্শিত হৈছে (পৃ ২৪৮), ভোলানাথ তিৱাৰীয়েও ইং ১৯৫৫ চনত ব্ৰাহ্মী ট, ক, হ, ৰ, ঠ, ঘ, গ, শ, ৰ আৰু ইৰ সৈতে সিন্ধুলিপিৰ নিকট সাদৃশ্য দেখুৱায়।

৬৪ Waddell, L A—*The Indo-Sumerian Seals Deciphered* দ্ৰষ্টব্য।

তেওঁৰ বৈদিক আৰু মহাকাব্য যুগীয় দেৱতা, নৃপতি আৰু বিভিন্ন স্থানত নাম চিনাক্তকৰণৰ প্ৰচেষ্টাই বিদ্বানমণ্ডলীক সন্তুষ্ট কৰিব নোৱাৰিলে। ড প্ৰেমনাথেও সুমেৰ বাণমুখলিপিৰপৰাই সিন্ধু লিপি আমদানিৰ যুক্তি আগবঢায়[৬৫]। পুৰালিপিতত্ত্বৰ অধ্যয়নে এইটো স্পষ্টকৈ দেখুৱায় যে পুৰণি ইজিপ্ত, সুমেৰ, চীন, ক্ৰীট আৰু ভাৰতবৰ্ষ—এই আটাই কেইখন দেশতে এটা কালত চিত্ৰলিপিৰ প্ৰচলন আছিল আৰু সেই চিত্ৰ লিপিবোৰৰ মাজত কিছু সাদৃশ্যও বৰ্তমান। কিন্তু সেই বুলিয়ে আমি আজি সুমেৰ আৰু সিন্ধুলিপিৰ কিছু সাদৃশ্যৰ ভেটিত ন দি কব নোবাৰো যে প্ৰথমবিধৰপৰা দ্বিতীয় বিধ লিপিৰ আমদানি। হাণ্টাৰে পুৰণি ইজিপ্তৰ পূত খোদিত লিপি আৰু মেচোপটেমিয়াৰ বাণমুখ লিপিৰ সৈতে সিন্ধুলিপিৰ কিছু সাদৃশ্য দেখি মন্তব্য আগবঢায় যে সিন্ধুলিপি has been borrowed in part from Egypt and in part from Mesopotamia[৬৬]। ডেভিদ ডিৰিঞ্জাৰে সিন্ধুলিপিৰ সৈতে বাণমুখলিপি আৰু পুৰণি এলামাইট লিপিৰ সাদৃশ্য লক্ষ্য কৰি উক্ত তিনিওটা লিপি একে উৎসৰপৰা উদ্ভৱ হোবাৰ মত আগবঢায়। হাতত বন্দুক বেয়োনেট লৈয়ো প্ৰত্নতত্ত্বত আত্মনিয়োগ কৰা জাৰ্মান পণ্ডিত হ্ৰেনজিয়ে (Hronzy) আকৌ হিত্তী আৰু সিন্ধুলিপিৰ মাজতহে নিগুঢ় সম্পৰ্ক থকা বুলি ভাবে।

ৰুচ আৰু ফিনলেণ্ডৰ লিপিতত্ত্ববিদ্ কাৰজভ, ভলচক, জুৰোভ প্ৰভৃতিয়ে কম্পিউটাৰৰ সহায়ত সিন্ধুলিপি চিহ্নসমূহ বিশ্লেষণ কৰিবলৈ লওঁতে দ্ৰাৱিড় ভাষাক ভিত্তিৰূপে গ্ৰহণ কৰিছিল[৬৭]। তেওঁলোকে যৌগিক চিহ্নমালাত সম্বন্ধ কাৰক (একবচন আৰু বহুবচন), সম্প্ৰদান কাৰক (একবচন), কৰ্তা কাৰক আৰু সম্প্ৰদান কাৰকৰ (বহুবচন) অৱস্থিতি থকাবুলি দাবী কৰিছে।

---

৬৫ Premnath—The script of Indus valley in *JRAS* (London 1931) দ্ৰষ্টব্য।

বাবেৰু জাতকত (৩৩৯ সংখ্যক) ভাৰতবাসীয়ে বেবিলনলৈ সমুদ্ৰ পথেৰে বাণিজ্য কৰা কথা পোৱা যায়।

৬৬ Hunter, G R—Indus Epigraphy in *JRAS* (London)

The Indus Valley Script has perhaps derived from an, at present unknown, early script which may have been the common ancestor of the Cunifrom writing and of the Early Elamite writing—*The Alphabet*, P 85 by D Diringer

৬৭ ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে *IHQ*, 1925 ত প্ৰকাশিত এটি প্ৰবন্ধত জয়জয়তে দক্ষিণ ভাৰতীয় সভ্যতাৰ সৈতে সিন্ধু সভ্যতাৰ সমিলমিলৰ অনুমান কৰিছিল। ড° চট্টোপাধ্যায় অনুমানৰ পম খেদিয়ে বেভাৰেও হেৰাচে এই মতৰ সপক্ষে একাধিক প্ৰবন্ধ আৰু গ্ৰন্থ ৰচনা কৰে।

ইংৰাজী ১৯৩৪ চনত শু হেবেচীয়ে প্ৰশান্ত মহাসাগৰৰ ইষ্টৰদ্বীপত উদ্ধাৰ হোৱা অজ্ঞাত লিপিৰ সৈতে সিন্ধুলিপিৰ সম্পৰ্কগছি নিৰূপণৰ প্ৰযত্ন চলায়। পিছে আলোচিত দ্বীপত উদ্ধাৰ হোৱা লিপিৰ বয়স হাজাৰ বছৰতকৈ অধিক নহয়। গতিকে উক্তলিপিৰে সিন্ধুলিপিক তুলনা কৰিবলৈ যোৱাটো পণ্ডশ্ৰমত বিনে আন একো নহয়।

ভাৰতীয় সভ্যতা আৰু সংস্কৃতিক গৌৰৱৰ স্বৰ্ণ মিনাৰলৈ উত্তৰণৰ সজ্ঞ প্ৰচেষ্টা চলোৱা একাধিক পণ্ডিতে সিন্ধুলিপিৰ ভাষাক ইণ্ডো ইউৰোপীয় ভাষাগোষ্ঠীৰ অন্তৰ্ভুক্ত কৰিবলৈ যত্ন কৰে। এইসকল পণ্ডিতৰ ভিতৰত কলিকতাৰ শ্ৰীমৎ স্বামী শংকৰানন্দজী[৬৮] পালি পণ্ডিত ড বেণীমাধৱ বৰুৱা[৬৯] প্ৰত্নতত্ত্ববিদ ৰাজমোহন নাথ[৭০], ড ফতহসিংহ[৭১], সুধা শুকুমাৰ ৰায়[৭২] আৰু এচ আৰ ৰাও[৭৩] উল্লেখযোগ্য। ৰাবৰ সিদ্ধান্ত অনুযায়ী হৰপ্পাৰ পোৰামাটিৰ মোহৰত থকা লিপি স্তৰ দুটা—ক আদি হৰপ্পীয় স্তৰ আৰু খ

---

৬৮ এইজনা পণ্ডিতে তান্ত্ৰিক অক্ষৰাভিধানৰ অৱলম্বনত সিন্ধুলিপিৰ পাঠোদ্ধাৰ কৰি *The Indus People speak* (Calcutta, 1955) গ্ৰন্থ প্ৰণয়ন কৰে যদিও তান্ত্ৰিক অক্ষৰাভিধানৰ বৈজ্ঞানিক মূলসূত্ৰসমূহ গ্ৰন্থকাৰে ভালকৈ চালিজাৰি চোৱাৰ সুবিধা গ্ৰহণ কৰিব নোৱাৰিলে।

৬৯ বেণীমাধৱ বৰুৱাই ইয়াৰ লিপিত বৰ্ণাত্মক গুণ থকা বুলি সন্দেহ কৰে। সবিশেষৰ বাবে Indus Script and Trantric Code in *Indo—Iranica*, Cal, Vol I, 1946 দ্ৰষ্টব্য।

৭০ নাথে A Clue to the Indus Valley Script শীৰ্ষক বাৰটা ইংৰাজী প্ৰবন্ধ *Organiser* কাকতত লিখাৰ উপৰি (ই ১৯৫৭ ৫৮) গুৱাহাটীত বহা Indian History Congress অত *A Clue to the Indus Valley Script and Civilisation* শীৰ্ষক পুস্তিকা এখনি ছপাই উলিয়ায় আৰু বঙলা ভাষাতো 'মহেঞ্জদৰোৰ' লিপি ও সভ্যতা, শীৰ্ষক গ্ৰন্থ ৰচনা কৰি তন্ত্ৰৰ আলোকত সিন্ধুলিপিৰ পাঠোদ্ধাৰত ব্ৰতী হয়।

৭১ সিংহই সিন্ধুলিপিত ব্ৰাহ্মণ গ্ৰন্থ আৰু উপনিষদসমূহৰ প্ৰতীকৰ সন্ধান কৰে।

৭২ ৰায়ৰ সাময়িকী বিশেষত প্ৰকাশিত প্ৰবন্ধ অনুযায়ী সিন্ধুলিপি বৰ্ণাত্মক।

৭৩ Rao, S R—Indus Script Deciphered in *The Illustrated Weekly of India* Dec '71 আৰু Harappan Script in *Journal of Andhra Historical Research Society*, Vol XXX part I (1972) দ্ৰষ্টব্য।

The Language of the Indus Script (Including the later Harappan script) belongs to the Indo European family It is observed that the Early Harappan phonology has a few features similiar to those of Hittite language —প্ৰাগুক্ত প্ৰবন্ধ পৃ. ৩২

উত্তৰ হৰপ্পীয় স্তৰ। এই লিপিৰ ৩৯০ টা প্ৰতীক চিহ্নৰ (ভাবে ৪০ টা মৌলিক) অধিকাংশই সময়ৰ অগ্ৰগতিৰ লগে লগে স কুচিত হৈ উত্তৰ হৰপ্পীয় স্তৰত কুৰিটালৈকে স‌ংকুচিত হয়। উত্তৰ চিৰিয়া আৰু পেলেষ্টাইনত সৰলীকৰণৰ প্ৰচেষ্টাই বৰ্ণ লিপিৰ শুভজ্ঞাননী দিয়াৰদৰে সিন্ধু সভ্যতাৰ উত্তৰ হৰপ্পীয় স্তৰেও ইয়াক বৰ্ণলিপিৰ প্ৰাথমিক সোপানলৈ উত্তৰণ কৰা বুলিব পাৰি। সমসাময়িক উত্তৰ ছেমীয় লিপিৰ লগত উত্তৰ হৰপ্পীয় লিপিৰ কুৰিটা মৌলিক চিহ্নক বিজাই বাৰে কয় যে ইয়াৰ প্ৰায় ১৪টা লিপিৰ গঢ় ফিনিচীয় লিপিৰ গঢেৰে অভিন্ন। দক্ষিণ ছেমীয় লিপিৰ 'প' আৰু 'স'-এই দুটা বৰ্ণলিপিও উত্তৰ হৰপ্পীয় লিপিত স্থান পোৱাটো উল্লেখনীয় কথা। চৈধ্য অথবা পোন্ধৰটা (ম বৰ্ণলিপিক ধৰিলে পোন্ধৰটা) ব্যঞ্জনধ্বনি আৰু পাঁচটা স্বৰধ্বনিৰ সহায়ত ২৫টা মৃন্ময় মোহৰৰ পাঠোদ্ধাৰ কৰি ৰাওদেৱে ইয়াৰ ভাষাক ইণ্ডো ইউৰোপীয় বুলি দৃঢ় অভিমত দিলেও পাকে প্ৰকাৰে তেওঁ সিন্ধুলিপি ছেমীয় বৰ্ণলিপিৰ আধাৰত গঢ়ি উঠাৰ ই‌ংগিত দিছে।

প্ৰকৃতপক্ষে সিন্ধুলিপিৰ মূল সম্পৰ্কে পণ্ডিতসকল এতিয়াও স্থিৰ সিদ্ধান্তত উপনীত হ'ব পৰা নাই। ছেমীয় লিপিৰ সৈতে এই লিপিৰ সাদৃশ্য দেখি কোনো কোনোৱে ইয়াক সুমেৰৰপৰা সিন্ধু উপত্যকালৈ কঢ়িয়াই অনাবুলি মন্তব্য দিয়ে যদিও দুই এজন পণ্ডিতে আকৌ এনে অভিমতো আগবঢায় যে সিন্ধুলিপি ভাৰতবৰ্ষৰ সাৰুৱা মাটিতে জন্মগ্ৰহণ কৰি বিকশিত হয় আৰু ফিনিচীয়সকলে সেই লিপিকেই সুমেৰ, উত্তৰ ছিৰিয়া আদি স্থানলৈ কঢ়িয়াই লৈ যায়[১৪]। হাণ্টাৰ আৰু ল‌ংডনৰ সিদ্ধান্তক স্বাগত জনাই বিশ্ববিশ্ৰুত ভাষাতত্ত্ববিদ্ পণ্ডিত ড স্নীতি কুমাৰ চট্টোপাধ্যায়ে সিন্ধুলিপিক প্ৰত্নব্ৰাহ্মীৰূপ বুলি সাব্যস্ত কৰিছে[১৫]।

সিন্ধুলিপি সাধাৰণতে সোঁহাতৰপৰা বাওঁহাতলৈ লিখা হৈছে যদিও বাওহাতৰপৰা সোঁহাতলৈ লিখা ব্যৱস্থাও নথকা নহয়। মোহৰত খোদিত জন্তুৰ মুখৰ ফালে লেখা আৰম্ভ হৈ নেজৰফালে লেখাৰ শেষ হোৱা বুলিব পাৰি[১৬]।

---

১৪ Dikshit, K N—*Pre Historic Civilisation of Indus Valley* P 46

১৫ *Indian System of Writing* গ্ৰন্থৰ অন্তৰ্ভুক্ত ড° চট্টোপাধ্যায়ৰ নিবন্ধ দ্ৰষ্টব্য। ড° বেণীমাধৱ বৰুৱায়ো লিখিছে—The *Lalita Vistara* list of 64 scripts mentions Brahmi, Kharosthi and Pashkarasari as three present scripts of India None need wonder if by the third name was meant by the scripts of Mohenjodaro and Harappa—*Asoka and His Inscriptions*, part II P 10

১৬ Mackay, E J H—*Further Excavations at Mohenjodaro* দ্ৰষ্টব্য।

তিনি

ভাৰতীয় পুৰালিপিৰ উৎপত্তি আৰু বিকাশ

সিন্ধুসভ্যতাৰ পতনৰ পিছৰেপৰা খ্রী পূ তৃতীয় শতাব্দীলৈকে ভাৰতীয় লিপিয়ে কেনে বিবৰ্তনৰ পথেদি আগবাঢ়িছিল তাৰ কোনো ধৰণৰ প্ৰত্যক্ষ প্ৰমাণ আজিলৈ উদ্ধাৰ হোৱা নাই। সম্ৰাট অশোকৰ অভিলেখবোৰত ব্যৱহৃত ব্ৰাহ্মীলিপিৰ গঢ় সুন্দৰ, সুপৰিকল্পিত প্ৰয়োজনাধিক চিহ্ন সিবোৰত পাবলৈকে নাই[১]। বিশ্বৰ পুৰালিপিমালাৰ উৎপত্তি আৰু বিকাশৰ বুৰঞ্জী অধ্যয়ন কৰিলে দেখা যায় যে প্ৰতিটো পুৰালিপিয়ে হ'ব চিত্ৰলিপিত আৰম্ভ হৈ অক্ষৰলিপিৰ মাজেদি আগবাঢ়ি বৰ্ণলিপি পায়গৈ। প্ৰত্যক্ষ কিংবা পৰোক্ষভাৱে ঋণ কৰা নহ'লে কোনো লিপিয়ে অক্ষৰলিপি বা বৰ্ণলিপিত আৰম্ভ হব নোৱাৰে[২]। ব্ৰাহ্মীলিপি বিকাশৰ প্ৰাথমিক স্তৰসমূহ আজি আমাৰ দৃষ্টিৰ অন্তৰালত। বৈদিক লেখন কলাৰ স্বাক্ষৰ আজিলৈ উদ্ধাৰ হোৱা নাই। তদুপৰি বেদত 'লিপি' শব্দৰ বিপৰীতে 'শ্ৰুতি' শব্দহে প্ৰয়োগ হোৱা বাবে অধিকাংশ বিদেশী লিপিবিশাৰদে ভাৰতীয় পুৰালিপিক আমদানীকৃত সম্পদৰূপে ক'বলৈ বিচাৰে।

আনহাতে যি ভাৰতবাসীয়ে জ্ঞান বিজ্ঞানৰ বিভিন্ন শাখাত পৰকাষ্ঠা দেখুৱাবলৈ সমৰ্থ হৈছিল, যিয়ে অক্ষৰ বিজ্ঞানৰ সূক্ষ্মাতিসূক্ষ্ম বিচাৰ বিশ্লেষণেৰে জগতবাসীক বিস্মিত কৰিছিল, সেই ভাৰতবাসীয়ে যে লেখনকলা আন দেশৰপৰা ধাৰ কৰিব, তাক কল্পনা কৰাও টান। বৈদিক সাহিত্যত অক্ষৰ সম্পৰ্কীয় ভালেখিনি কথা পোৱা যায়। 'ছান্দোগ্য উপনিষদ'ৰ 'হিংকাৰ ইতি অক্ষৰং প্ৰস্তাৱ ইতি ত্ৰ্যক্ষৰং তৎসমম্' (২ ১০ ৯) আৰু 'তৈত্তিৰীয় উপনিষদ'ৰ 'ৰ্ণ স্বৰ মাত্ৰাবলম্' (১ ১) শাৰী দুটাই অতীত ভাৰতৰ অক্ষৰ,

---

১ আই টেলৰ চাহাবে (Isaac Taylor) ব্ৰাহ্মীলিপিৰ বৈশিষ্ট্য বখানি কৈছে—'The elaborate and beautiful alphabet employed these records is unrivalled among the alphabets of the world for its scientific excellence Bold, simple grand, complete the characters are easy to remember, facile to read and difficult to mistake, representing with absolute precision the graduate niceties of sound with the phonetic analysis of Sanskrit grammarians had discovered in that marvellous idiom,'—*The Alphabet*, Vol II P 289

২ Gelb L J—*A Study of Writing*, P 201

বৰ্ণ, স্বৰ আৰু মাত্ৰাজ্ঞানৰ পৰিচয় প্ৰোজ্জ্বল কৰে। মহাকাব্য দুখনতো লিপি সম্পৰ্কীয় কথাৰ অভাৱ নাই। মহাকাব্য মহাভাৰতৰ লিখিত ৰূপ দিবলৈ বেদব্যাসে সুদক্ষ লিপিকৰ গণেশক নিয়োগ কৰাটো সৰ্বজনজ্ঞাত কথা[৩]। খ্ৰীষ্টজন্মৰ কেবা শতিকা পূৰ্বে ৰচনা কৰা বশিষ্ঠ ধৰ্মসূত্ৰ (১৬ ১০, ১৪-১৫), বিষ্ণু ধৰ্মসূত্ৰ (৬ ২৩), গৌতম ধৰ্মসূত্ৰ (১৩-৪) আদিতো ভাৰতীয় লেখন কলাৰ প্ৰমাণ আছে। প্ৰাতঃস্মৰণীয় সংস্কৃত ব্যাকৰণবিদ্ পাণিনিৰ (খ্ৰীঃ পূ চতুৰ্থ শতাব্দী[৪]) 'অষ্টাধ্যায়ী'ত লিপি[৫] লিবি, লিপিকাৰ প্ৰভৃতি শব্দৰ উপৰি 'যৱনানী'[৬] লিপিৰো উল্লেখ আছে। মনুৰে তেওঁৰ সংহিতাত লেখন কলাৰ উল্লেখ কৰিবলৈ পাহৰা নাই[৭]। খ্ৰীষ্ট জন্মৰ কেই শতিকামান পিছত ৰচনা কৰা নাৰদ আৰু বৃহস্পতিৰ স্মৃতিত সংসাৰ কৰ্ম সুচাৰুৰূপে সম্পাদন কৰিবলৈ স্বয়ংব্ৰহ্মাই লেখন কলাৰ সৃষ্টিকৰা বুলি উল্লিখিত হৈছে[৮]। কৌটিল্যৰ 'অৰ্থশাস্ত্ৰ' ত ৰাজকুমাৰসকলৰ শিক্ষণীয় বিষয়ক কথাৰ বৰ্ণনা প্ৰসংগত আছে—'চূড়াকৰণ সমাপ্ত হোৱাৰ পিছত যুৱৰাজে আখৰ আৰু সংখ্যাৰ ব্যৱহাৰ শিক্ষা কৰিব'[৯]। গুপ্তচৰৰ বাৰ্তাপ্ৰেৰণ ক্ষেত্ৰত কোৱা হৈছে—'গোপনে স গ্ৰহ কৰা বাতাবিলা'ক সংকেত লিপিৰ যোগে পঠাব'[১০]। ৰজাৰ দৈনন্দিন কামৰ খাতিয়ান দিওঁতে কৈছে, 'পঞ্চম ভাগত চিঠি পত্ৰ আদান প্ৰদান কৰি মন্ত্ৰী পৰিষদৰ লগত পৰামৰ্শ কৰিব'[১১] আৰু শাসন ৰচয়িতাৰ গুণৰ সন্দৰ্ভত

---

৩ আদি পৰ্ব ১ ১১২

৪ মেক্সমূলাৰ আৰু বুহ লৰে পাণিনিক খ্ৰী পূঃ চতুৰ্থ শতাব্দীৰ লোক বুলিলেও বি চি গোল্ডষ্টুকাৰে তেওঁক খ্ৰী পূ অষ্টম শতাব্দীত থাপিছে। সবিশেষৰ বাবে ডঃ বাসুদেৱ শৰণ আগ্ৰৱালৰ 'পাণিনিকালীন ভাৰতবৰ্ষ' পঢ়ক।

৫ লিপি লিবি বলি ১৩ ২ ২১

৬ ৪ ১ ৪৯ পতঞ্জলিয়ে ভাষ্যত লিখিছে—যৱনলিপ্যামিতি বক্তব্যম্, যৱনানীলিপি

৭ বলাদ্দত্ত‍ং বালাভুক্ত বলাদ যচ্চাপি লেখিতম্। মনু ৮ ১৬৮

৮ নাকৰিষ্যদ্যদি ব্ৰহ্মা লিখিত‍ং চক্ষুৰুত্তমম্।
তত্ৰেয়মস্য লোকস্য নাভৱিষ্যচ্ছুভা গতি ॥ নাৰদ ৪ ৭০
ষাণ্মাসিকে তু সময়ে ভ্ৰান্তি সঞ্জায়'ত যত।
ধাত্ৰাক্ষৰাণি সৃষ্টানি পত্ৰাৰূঢ়াণ্যত পুৰা ॥ বৃহস্পতি

৯ কৌটিল্যৰ অৰ্থশাস্ত্ৰ ১ ৫ ৭

১০ ঐ ১ ১২ ৯

১১ ঐ ১ ১৯ ১৩

কোৱা হৈছে—'তেওঁ লিখাত খৰতকীয়া হ'ব লাগে আৰু কাকত-পত্ৰ পঢ়িবলৈ যোগ্যতা অৰ্জন কৰা প্ৰয়োজন'[১২]।

বাৰে বহণীয়া বৌদ্ধ সাহিত্যত লিপিসম্পৰ্কীয় ভালেখিনি কথা স্বপীকৃত হৈ থকাটো মনকৰিবলগীয়া। বৌদ্ধধৰ্মৰ মূলগ্ৰন্থ 'ত্ৰিপিটক'ৰ পিটক শব্দই পাচিক বুজায়। বয়বস্তু থোৱাৰ আধাৰ পাচি। অনুমান কৰাত অসুবিধা নহয় যে বুদ্ধৰ পৰিনিৰ্বাণৰ পিছত তেওঁৰ উপদেশমালা যেতিয়া ভিক্ষুসকলে ভাগে ভাগে লিখি তিনিটা পাচিত থোৱাৰ ব্যৱস্থা কৰিলে, তেতিয়াই ত্ৰিপিটকৰ সৃষ্টি হ'ল[১৩]। 'বিনয় পিটক'ত লেখক (৪৮), লিখাপেতি (=লিখোৱা ২ ১১০), লিখিতক চোৰ (=পঞ্জীকৃত চোৰ ১২) শব্দ কেইটা পোৱা যায়। অতীত ভাৰতত সৰু ল'ৰা-ছোৱালীহঁতে শূন্যত অথবা কোনোবা এজনৰ পিঠিত আখৰ লিখি লগৰীয়া জনক তেওঁ লিখা অক্ষৰৰ সবিশেষ সুধিছিল। এনেধৰণে খেলা খেলৰ নাম আছিল 'অক্ষৰিকা'[১৪]। এই অক্ষৰিকা খেলৰ কথা 'দীঘ নিকায়'ত উল্লিখিত হৈছে (১৭)। আনহাতে 'অংগুত্তৰ নিকায়' (৩ ১০৭), 'স যুক্ত নিকায়' (২ ২৬৭) আৰু 'ধম্মপদ'ত (তণ হাবগগ) 'অক্ষৰ' শব্দৰ সংৰক্ষণ মনকৰিবলগীয়া। বিভিন্ন কলাশিল্পৰ ভিতৰত লেখন কলা'ৰ (লেখাসিপ্প) শ্ৰেষ্ঠতাৰ কথা কোৱা হৈছে 'উদান'ৰ নন্দবগগ'ত।' অংগুত্তৰ নিকায়'ত (২ ২০০) লেখনী শব্দটো পোৱা যায়। 'মহাবগগ ত স্পষ্ট উল্লেখ আছে যে অতীত ভাৰতৰ প্ৰাথমিক বিদ্যালয়ত ৰূপ, গণনা আৰু লেখ—এই তিনিটা বিষয় অৱশ্য পঠনীয় আছিল। জাতক সাহিত্যতো লিপিসম্পৰ্কীয় কথা নগণ্য বুলিব নোৱাৰি। গৰ্ভদাস কটাহকে (কটাহকম ১২৫) প্ৰভু পুত্ৰৰ ফলকাদি বহন কৰি পাঠশালালৈ গৈ নিজেও পঢ়া শুনা কৰিছিল। অনীল চিত্ত-জাতকৰ (নং ১৫৬) মিস্ত্ৰীসকলে গৃহনিৰ্মাণ কালত যথাস্থানত ব্যৱহাৰ কৰা কাঠৰ টুকুৰাবোৰত এক, দুই আদিকৈ সংখ্যা লিখাৰ সংবাদ পোৱা যায়। ব্যক্তিগত আৰু চৰকাৰী চিঠিপত্ৰ (পন্ন=কটাহক জাতক), ৰাজকীয় ঘোষোণা পত্ৰ (কুৰু জাতক), ঋণ পত্ৰ (ইণপন্ন, নং ২৮০) আদিৰ কথাও জাতকত আছে।

খ্ৰীষ্টজন্মৰ প্ৰথম অথবা দ্বিতীয় শতাব্দীৰ ভিতৰত ৰচিত সংস্কৃত বৌদ্ধগ্ৰন্থ

---

১২ ঐ ২ ১০ ৩

১৩ Upasak, C H—*HPMB* P 6

১৪ ব্ৰহ্মজাল সুত্ত, ১৪, সামঞ্ঞফল সুত্ত, ৪৯

'ললিত বিস্তৰ'ত চৌষষ্ঠি প্ৰকাৰ ভাৰতীয় আৰু বহিৰ্ভাৰতীয় লিপি[১৫] তালিকাভুক্ত হৈছে। আন এখনি বৌদ্ধগ্ৰন্থ 'মহাবস্তু'তো প্ৰায় ডেৰকুৰিবিধ লিপিৰ নাম পোৱা যায়।

বৌদ্ধগ্ৰন্থৰদৰে জৈন গ্ৰন্থসমূহতো কিছু লিপি সম্পৰ্কীয় কথা আছে। প্ৰখ্যাত জৈনগ্ৰন্থ 'পন্নবণাসূত্ৰ'ত মুঠ ওঠৰ প্ৰকাৰ লিপিৰ নাম তালিকাভুক্ত কৰিছে। সেইবোৰ হ'ল—ক° ব ভী, খ° জবণালি, গ° দোসাপুৰিয়া, ঘ° খৰোট্ঠী, ঙ° পুকৃখৰ সৰিয়া, চ° ভোগৱইয়া, ছ° পহাৰাইয় বা পহাৰাইয়া, জ উয় অন্তৰিকৃখিয়া, ঝ° অকৃখৰ পিট্ঠিয়, ঞ° তেৱণইয়া, ট° গি (ণি) ৰাহইয়া, ঠ° অংকলিৱি, ড° গণিতলিৱি ঢ গন্ধৱ্যলিৱি, ণ° আদংসলিৱি, ত° মাহেসৰী, থ° দামিত্তী আৰু দ° পোলিংদীলিপি[১৬]। জৈন লোকশ্ৰুতি অনুযায়ী প্ৰথম তীৰ্থংকৰ ঋষভদেৱে তেওঁৰ আপোন দুহিতা ব্ৰাহ্মীক উপৰিউক্ত

---

১৫ চৌষষ্ঠি লিপি হ'ল—(১) বংভী (২) খৰোট্ঠী (৩) পুকৃখৰ সাৰিয়া (৪) অংগলিপি (৫) বংগলিপি (৬) মগধলিপি (৭) মাংগল্য লিপি (৮) মনুষ্যলিপি (৯) অংগুলীয় লিপি (১) শকাৰি লিপি (১১) ব্ৰহ্মবল্লী লিপি (১২) দ্ৰাৱিড়ি লিপি (১৩) কনাৰিলিপি (১৪) দক্ষিণি লিপি (১৫) উগ্ৰলিপি (১৬) সংখ্যা লিপি (১৭) অনুলোম লিপি (১৮) উৰ্ধধনুলিপি (১৯) দৰদ লিপি (২০) খাস্য লিপি (২১) চীন লিপি (২২) হুণ লিপি (২৩) মধ্যাক্ষৰবিস্তৰ লিপি (২৪) পুষ্প লিপি (২৫) দেৱ লিপি (২৬) নাগ লিপি (২৭) যক্ষ লিপি (২৮) গন্ধৰ্ব লিপি (২৯) কিন্নৰ লিপি (৩০) মহোৰগ লিপি (৩১) অসুৰ লিপি (৩২) গৰুড় লিপি (৩৩) মৃগচক্ৰ লিপি (৩৪) চক্ৰ লিপি (৩৫) বায়ুমৰু লিপি (৩৬) ভৌম দেৱ লিপি (৩৭) অন্তৰিক্ষদেৱ লিপি (৩৮) উত্তৰকুৰুদ্বীপ লিপি (৩৯) অপৰ গৌড়াদি লিপি (৪০) পূৰ্ববিদেহ লিপি (৪১) উৎক্ষেপ লিপি (৪২) নিক্ষেপ লিপি (৪৩) বিক্ষেপ লিপি (৪৪) প্ৰক্ষেপ লিপি (৪৫) সাগৰ লিপি (৪৬) বজ্ৰ লিপি (৪৭) লেখ প্ৰতিলেখ লিপি (৪৮) অনাদৃত লিপি (৪৯) শাস্ত্ৰাৱৰ্ত লিপি (৫০) গণৱৰ্ত লিপি (৫১) উৎক্ষেপাৱৰ্ত লিপি (৫২) ৱিক্ষেপাৱৰ্ত লিপি (৫৩) পাদলিখিত লিপি (৫৪) দ্বিৰুক্তিৰ পদসন্ধি লিখিত লিপি (৫৫) দশোত্তৰ পদসন্ধি লিখিত লিপি (৫৬) অধ্যাহাৰিণী লিপি (৫৭) সৰ্বৰুৎ সংগ্ৰহিণী লিপি (৫৮) বিদ্যানুলোম লিপি (৫৯) বিমিশ্ৰিত লিপি (৬০) ঋষিতপস্তপ্ত লিপি (৬১) ধৰণী প্ৰেক্ষণী লিপি (৬২) সৰ্বৌষধনিষ্যন্দ লিপি (৬৩) সৰ্বসাৰ সংগ্ৰহণী লিপি আৰু (৬৪) সৰ্বভূতৰুদগ্ৰহণী লিপি—ললিত বিস্তৰ ১০ ১২৫ ১৯

১৬ জৈন 'সমবায় সূত্ৰ'ৰ চতুৰ্থ অংগতো উপৰ্যুক্ত অষ্টদশ লিপিৰ নাম পোৱা যায়।

ওঠৰপ্ৰকাৰ লিপিৰ শিক্ষাদান কৰিছিল। খ্ৰীষ্টীয় পঞ্চম শতাব্দীত সংকলিত জৈন 'নন্দসূত্ৰ'ত ছয়ত্ৰিশবিধ লিপিৰ নাম পোৱা যায়[১৭]।

ড° ৰাজবলী পাণ্ডেই 'পন্নৱণাসূত্ৰ' আৰু 'ললিত বিস্তৰ'ত উল্লিখিত লিপিমালাক চিনাক্ত কৰাৰ প্ৰযত্ন কৰিছে এনদৰে[১৮]—ক° ব্ৰাহ্মী—ভাৰতভূমিত সৰ্বাধিক প্ৰচলিত বৰ্ণ লিপি[১৯]—ব্ৰাহ্মী, খ° খৰোষ্ঠী—ব্ৰাহ্মীৰলেখীয়া ভাৰতৰ উত্তৰ পশ্চিম অংশত প্ৰচলিত লিপি গ ভাৰতবাসীয়ে জনা বিদেশী লিপি –(১) জবণালি বা যবনানি—কুষাণ মুদ্ৰাত ব্যৱহাৰ হোৱা গ্ৰীকলিপি[২০] (২) দৰদলিপি—দৰদসকলৰ লিপি (৩) খস্যলিপি—খচ অৰ্থাৎ শকসকলৰ লিপি (৪) চীনলিপি—চীনালোকে ব্যৱহাৰ কৰা লিপি (৫) হুণলিপি—ইয়াক হুণসকলে ব্যবহাৰ কৰিছিল (৬) অসুৰ লিপি—পশ্চিম এচিয়াৰ আৰ্যসকলৰ লিপি (৭) উত্তৰকুৰু দ্বীপলিপি—হিমালয়ৰ সিপাৰৰ উত্তৰকুৰুসকলৰ মাজত প্ৰচলিত লিপি (৮) সাগৰলিপি—সমুদ্ৰৰ দ্বীপমালাত প্ৰচলিত লিপি।

ঘ ভাৰতৰ ভিন্ন প্ৰাদেশিক লিপিমালা—ব্ৰাহ্মীলিপি সমগ্ৰ ভাৰতৰে উমৈহতীয়া লিপি হ'লেও কালক্ৰমত ব্ৰাহ্মীৰপৰা প্ৰাদেশিক লিপিমালাৰ উদ্ভব আৰু বিকাশ সম্ভব হয়। তেনে কিছু লিপি হ'ল—(১) পুখুৰসাৰিয় (পুষ্কৰ সৰিয়)—পুষ্কৰাৱতী নগৰী যাৰ ৰাজধানী, সেই পশ্চিম গান্ধাৰত ব্যবহাৰ হোৱা লিপি (২) পহাৰাইয়া—উত্তৰৰ পৰ্বতীয়া লোকসকলৰ মাজত প্ৰচলিত লিপি (৩) অংগলিপি—উত্তৰ পূৰ্ব বিহাৰৰ লিপিৰ নাম (৪) বংগলিপি—বংগদেশৰ কাষে পাঁজৰে প্ৰচলিত লিপি (৫) মগধলিপি—প্ৰাচ্য মগধদেশত প্ৰচলিত লিপি (৬) দ্ৰাৱিড়লিপি (দমিলি)—দ্ৰাবিড় দেশত প্ৰচলিত লিপিমালা (৭) কনাৰি লিপি—কনাড়া দেশৰ লিপি (৮) দক্ষিণলিপি—দাক্ষিণাত্যৰ লিপি (৯) অপৰগৌড়ী লিপি—গৌড়ভিন্ন কামৰূপৰ লিপি আৰু (১০) পূৰ্ব-বিদেহ লিপি—পূৰ্ব বিদেহ খণ্ডৰ লিপি।

---

১৭ 'নন্দীসূত্ৰ'ত থকা লিপিবোৰ হ'ল—(১) হংসলিপি (২) ভূতলিপি (৩) যক্ষলিপি (৪) ৰাক্ষসী লিপি (৫) উড (৬) যাৱনী (৭) তুৰুক্ষী (৮) কিৰাতী (৯) দ্ৰাৱিড়ী (১০) সৈন্ধৱী (১১) মালৱী (১২) নড়ী (১৩) নাগৰ (১৪) পাৰসী (১৫) লাটী (১৬) আনিমিত্ত (১৭) চাণক্যী (১৮) মৌলদেবী (১৯) লাটী (২০) চৌড়ী (২১) ডাহলী (২২) কানডী (২৩) গুজৰী (২৪) নোৰঠী (২৫) মৰহঠী (২৬) কোংকনী (২৭) খুৰাসানী (২৮) মাগধী (২৯) সৈংহলী (৩০) হাড়ী (৩১) কীৰী (৩২) হম্বৰী (৩৩) পৰতীৰী (৩৪) মনী (৩৫) মালৱী আৰু (৩৬) মহাযোধী।

১৮ Pandey, R—*Indian Palaeography*, P 26—29

১৯ মহাবস্তুতো (১, ১৩৫, ৫) ইয়াক অক্ষৰৰূপে নিৰ্দেশিত হৈছে।

২০ মহাবস্তুত (১, ৩৫, ৫) এই লিপিৰ নাম 'খৰেষ্ঠী'।

ঙ জনজাতীয় লিপিমালা—(১) গন্ধৰ্বলিপি—গন্ধৰ্ব অৰ্থাৎ হিমালয়বাসীৰ মাজত প্ৰচলিত লিপি (২) পোলিণ্ডি লিপি—পুলিন্দ অৰ্থাৎ বিন্ধ্যবাসীৰ মাজত চলিত লিপি (৩) উগ্ৰলিপি—উগ্ৰজনজাতিৰ মাজত থকা লিপি (৪) নাগলিপি—নাগসকলৰ মাজত প্ৰচলিত লিপি (৫) যক্ষলিপি—যক্ষ অৰ্থাৎ হিমালয়ৰ পাদদেশত বাসকৰা লোকৰ মাজত প্ৰচলিত লিপি (৬) কিন্নৰ লিপি—হিমালয়ৰ কোনো জনজাতিৰ মাজত প্ৰচলিত লিপি (৭) গৰুড়লিপি—গৰুড়সকলৰ মাজত প্ৰচলিত লিপি।

চ বিভিন্ন ধৰ্ম সম্প্ৰদায়ৰ লিপি—(১) মহেসৰী (মহেশ্বৰী)—শৈৱসকলৰ মাজত প্ৰচলিত লিপি (২) ভৌমদেবলিপি—ভূদেৱ ভৌমক পূজকসকলৰ মাজত প্ৰচলিত লিপি।

ছ চিত্ৰাত্মক লিপি—(১) ম গল্য লিপি—স্বস্তিক চিহ্ন যুক্তলিপি (২) মনুষ্য লিপি—মানুহৰ অবয়ব অংকিত লিপি (৩) অংগুলীয় লিপি—আঙুলিৰে সম্পৰ্ক থকা লিপি বিশেষ (৪) উৰ্ধ ধনুলিপি—ধনুৰ আকাৰ বিশিষ্ট অৰ্ধবৃত্তাকাৰ লিপি (৫) পুষ্পলিপি—ফুলৰদৰে শোভনযুক্ত লিপি (৬) মৃগচক্ৰলিপি—জন্তুৰদ্বাৰা বৃত্তকৰাৰ লেখীয়া লিপি (৭) চক্ৰলিপি—বৃত্তাকাৰ লিপি (৮) বজ্ৰলিপি—বজ্ৰৰলেখীয়া বহুশাখাবিশিষ্ট লিপি।

জ সাংখ্য লিপি—(১) অ ক অথবা সংখ্যা লিপি আৰু গণিত লিপি।

ঝ উৎকীৰ্ণ অথবা উদ্‌গত লিপি—আদংশ লিপি।

ঞ শোভন লিপি—(১) উৎক্ষেপ লিপি (২) নিক্ষেপ লিপি (৩) বিক্ষেপ লিপি (৪) প্ৰক্ষেপ লিপি আৰু (৫) মধ্যকষৰ বিস্তাৰ লিপি।

ট স্থানান্তৰিত লিপি—বিমিশ্ৰিত লিপি।

ঠ দ্ৰুত লেখন লিপি—অনুদ্ৰুতলিপি

ড গ্ৰন্থৰ বাবে লিখা শোভন লিপি—শাস্ত্ৰাৱৰ্তলিপি

ঢ গণনাৰ বাবে লিখা শোভন লিপি—গণাৱৰ্ত লিপি

ণ অতি প্ৰাকৃত লিপি—(১) দেৱলিপি দেৱাক্ষৰ (২) মহোৰগ লিপি—সৰ্প লিপি (৩) বায়ু মৰুলিপি—বতাহী আখৰ আৰু (৪) অন্তৰীক্ষদেৱ লিপি—আকাশী দেৱতাৰ লিপি।

খ্ৰী পূ ৩ ০ অব্দত ৰচিত বুলি সাব্যস্ত কৰা 'সমৱায়াংগ সূত্ৰ'[২১] ত ব্ৰাহ্মীলিপিৰ স্বৰূপ পোৱা যায়। ইয়াত ৪৬ টা মাউয়ক্ষৰৰ (মাতৃকাক্ষৰ) উল্লিখন তাৎপৰ্যপূৰ্ণ।

একাধিক গ্ৰীক গ্ৰন্থকাৰৰ লিখাত ভাৰতীয় লেখন কলাৰ উল্লেখে ইয়াৰ প্ৰাচীনত্ব সূচায়। ভাৰতবাসীয়ে তুলাৰপৰা কাকত প্ৰস্তুত কৰাৰ সংবাদ মহাবীৰ আলেকজেণ্ডাৰৰ

২১ Weber, A—*Indische Studien*, Vol XVI, P 281

সেনানীৰূপে ভাৰতভূমিত পদাৰ্পণ কৰা নিয়াৰ্কচে (Nearchos=খ্ৰীঃ পূঃ ৩২৬ অব্দ) পৰিবেশন কৰিছে[২২]। পাটলিপুত্ৰত খ্ৰী পূ ৩০৫—২৯৯ অব্দলৈকে কটোৱা গ্ৰীক কটকী মেগষ্টনিচে (Megastheres) তেওঁৰ প্ৰখ্যাত ভ্ৰমণ টোকা 'ইণ্ডিকা'ত জন্মকুণ্ডলী প্ৰস্তুত কৰাৰ প্ৰণালী আৰু আলিবাটৰ দূৰত্বজ্ঞাপক সংখ্যা খোদিত প্ৰস্তৰখণ্ড ব্যৱহাৰৰ স্পষ্ট উল্লেখ পোৱা যায়[২৩]। আন এগৰাকী গ্ৰীক লিখক কিউ, কাৰ্টিয়াচেও (Q Curtius) বৃক্ষ বিশেষৰ ভিতৰৰ বাকলিৰপৰা লিখাৰ সঁচুলি প্ৰস্তুত কৰাৰ বৰ্ণনা দিছে[২৪]।

৬৬৮ খ্ৰীষ্টাব্দত সংকলন কৰা চীনা বিশ্বকোষ 'ফা য়ান শু লিন'ত স্বয়ং ব্ৰহ্মাই উদ্ধাৰ কৰা ব্ৰাহ্মীলিপিৰ কাহিনী সংকলিত হৈছে[২৫] আৰু আৰবী পণ্ডিত আলবেৰুণীয়ে তেওঁৰ টোকাত লিপিবদ্ধ কৰিছে ভাৰতীয় পুৰালিপিৰ ঐতিহ্যৰ কথা[২৬]।

দেৱতাৰ প্ৰিয় প্ৰিয়দৰ্শী সম্ৰাট অশোকৰ ব্ৰাহ্মী, খৰোষ্ঠী, আৰামীয় আৰু গ্ৰীকলিপিত খোদিত ৰাজকীয় অভিলেখসমূহত ব্যৱহাৰ কৰা লিপিয়ে ভাৰতীয় পুৰালিপিৰ গৌৰৱোজ্জ্বল দিশটোত স্পষ্টভাৱে পোহৰ পেলায়। ৰাজকীয় অভিলেখ সমূহৰ উপৰি এৰণ মুদ্ৰা লিপি[২৭], ভট্টিপ্ৰোলু শৈললেখ, তক্ষশিলাৰ ব্ৰাহ্মী লিপি খোদিত মুদ্ৰা, মহাস্থানৰ তাম্ৰলিপি, সোগৰ তাম্ৰলিপি, বুদ্ধৰ অস্থি সংৰক্ষিত পিপ্ৰৱা পাত্ৰ লিপি[২৮] আৰু আজমেৰৰ বডলি শাসনৰ লিপিয়ে ভাৰতীয় পুৰালিপি বিকাশৰ বিভিন্ন দিশ উদঙাই দেখুৱায়। ওপৰৰ আলোচনাই এটা কথা স্পষ্টকৰে যে খ্ৰীষ্টজন্মৰ কেইবা সহস্ৰাব্দীৰ পূৰ্বৰেপৰা ভাৰতবাসীৰ সৃজনীশীল প্ৰজ্ঞাৰ আলোকত এই দেশৰ লেখন কলাই স্বাধীনভাৱে অগ্ৰসৰ হোৱাৰ সুযোগ পায়।

১ খৰোষ্ঠী লিপি

সম্ৰাট অশোকৰ ধৰ্মলিপিসমূহত চাৰি প্ৰকাৰ লিপি ব্যৱহাৰ কৰা দেখা যায়—আৰামীয়, গ্ৰীক, খৰোষ্ঠী আৰু ব্ৰাহ্মী। আফগানিস্থানৰ পুল ই দাৰুন্তেহ আৰু

---

২২ Strabo (Geographica) XV 717

২৩ *Indica of Megasthenes*, 91, 125 26

২৪ Mac Crindle—*History of Alexander's Invansion of India*, VIII P 9

২৫ *Babylonian and Oriental Records*, Vol I P 59

২৬ Sachau—*Alberuni's India*, Vol I, P 171

২৭ Cunningham—*Ancient Coins of India*, P 101

২৮ *JRASB*, 1898 P 387

পাকিস্তানৰ ৰাৱালপিণ্ডি জিলাৰ তক্ষশিলা নামে ঠাইত প্ৰাপ্ত অনুশাসনৰ লিপি আৰামীয়। আফগানিস্থানৰ কান্দাহাৰ নিকটৱৰ্তী স্থানবিশেষত অশোকৰ এখনি খণ্ডিত গ্ৰীক লিপিত লিখা শাসন উদ্ধাৰ হৈছে। ইয়াৰেই সৰ-ই-কুনাত গ্ৰীক আৰু আৰামীয় উভয় লিপিত লিখা আন এখনি শৈললেখ উদ্ধাৰ হোৱাটোও উল্লেখযোগ্য। পাকিস্তানৰ মানসেহৰা আৰু শ্বাহবাজগঢ়ী নামে ঠাইত চৈধ্যখনি খৰোষ্ঠী লিপিত লিখা ধৰ্মলিপি উদ্ধাৰ হৈছে। বৰ্তমানলৈকে প্ৰাপ্ত খৰোষ্ঠী লিপিৰ এয়ে প্ৰাচীনতম নিদৰ্শন। এই লিপিক গান্ধাৰী, কাবুলী, বেক্টোপালি, ইণ্ডো-বেক্ট্ৰি নামে জনা গ'লেও 'খৰোষ্ঠী' নামটোহে অধিক পৰিচিত। ই.৬৬৮ অব্দত সংকলিত চীনা বিশ্বকোষ 'ফা-ৱান শু-লিন' ত উক্ত শব্দটো (কিঅ-লু=খৰোষ্ঠ) পোৱাৰ পিছত বাকীবোৰ বিশেষণ তল পৰিল[২৯]। অশোকৰ পিছত ভাৰত-যৱন, শক, কুশাণ প্ৰভৃতি নৃপতিমণ্ডলীয়ে ব্যৱহাৰ কৰা এই লিপিৰ প্ৰয়োগ খ্ৰীষ্টজন্মৰ তিনি শ মান বছৰৰ পিছত ভাৰতভূমিত নোহোৱা হৈ পৰে। এই লিপিক খৰোষ্ঠী বোলাৰ কাৰণ হ'ল—

ক ইংৰাজী ৩০৮ত চীনা ভাষালৈ অনূদিত হোৱা 'ললিত বিস্তৰ'ত কথিত কাহিনীৰ আলমত চীনা বিশ্বকোষৰ আঁত ধৰি অধ্যাপক *Terrien de la Couperie* এ দেখুৱাইছে যে কুলিউ, কিয়ালু বা কিয়ালুশ্বেতে (=গাধৰ ওঁঠেৰে সম্পৰ্কিত নাম) প্ৰথমে এই লিপি প্ৰয়োগ কৰা গুণে ইয়াক খৰোষ্ঠী নাম দিয়া হ'ল[৩০]।

খ অধ্যাপক চিলঁভা লেভীৰ (Sylvain Levi) মতে এটা কালত মধ্য এচিয়াৰ কাছগড় নামে ঠাইত এইবিধি লিপিয়ে প্ৰসিদ্ধি লাভ কৰিছিল। সেই লিপিক চীনা ভাষাত চিনাক্ত কৰা হৈছিল 'কিআ লু খ, তা লে' ৰূপে। ইয়াৰ সংস্কৃতকৰণেই হ'ল 'খৰোষ্ট্ৰ'[৩১]। আনহাতে ফ্ৰেঙ্ক (O Franke) আৰু পিশ্চেলে (R Pischel) যুক্তি আগবঢ়ায় যে চীনা শব্দটোৰ সংস্কৃত ৰূপ 'খৰোষ্ঠ' হে[৩২]। খৰোষ্ট্ৰ হ'ব নোৱাৰে। চীনা তুৰ্কীস্থান, খোটান প্ৰভৃতি স্থানত এই লিপিত লিখা ভালেখিনি বৌদ্ধ গ্ৰন্থ উদ্ধাৰ হৈছে যদিও সেইবোৰ খ্ৰীষ্টজন্মৰ পূৰ্বৱৰ্তী নহয়। অথচ খ্ৰীষ্টজন্মৰ তিনি শতাব্দী পূৰ্বৰেপৰা

---

২৯ Dasgupta, C D—*The Development of Kharosthi Script* দ্ৰষ্টব্য।

৩০ Buhler, G—On the Origin of the Indian Brahma Alphabet, P 23

৩১ Levi, S—*Bulletin del, Ecole Francaise d'extreme Orient, ii* P. 246

৩২ Franke and Pischel—*Sitzungsberich der Preussischen Akademie der Wissenchaften*, P 148

এই লিপিৰ প্ৰয়োগ সঞ্চালনীভাৱে উত্তৰ-পশ্চিম ভাৰতভূমিত হৈছিল[৩৩]। গতিকে লিপিৰ নামটো খ্ৰীষ্টজন্মৰ পূৰ্বেই হোৱা সম্ভৱ।

গ ভাৰতবৰ্ষৰ উত্তৰ পশ্চিম ভূভাগত এটা কালত বাস কৰিছিল—অৰ্ধ সভ্য 'খৰোষ্ট্ৰ' সকলে। সেই ভূখণ্ডক খৰোষ্ট্ৰ ৰূপে জনা গৈছিল। তাৰলোকে ব্যৱহাৰ কৰা লিপিয়ে খৰোষ্ট্ৰী[৩৪]। খৰোষ্ট্ৰীয়ে কাল ক্ৰমত 'খৰোষ্ঠী' লৈ মোট সলায়।

ঘ প্ৰাচীন ইৰাণী ভাষাত 'খৰ শব্দই গাধ আৰু 'পোস্ত' শব্দই জন্তুৰ ছালক বুজাইছিল। অধুনা ফাৰ্চী ভাষাৰ 'পুস্ত শব্দটো ইৰাণী 'পোস্ত'ৰপৰা অহা। 'খৰপোস্ত' শব্দৰ অৰ্থ হ'ল গাধৰ ছাল। এটা কালত জন্তুৰ ছালত গ্ৰন্থ লিখা কাম মধ্য এচিয়াৰ বিভিন্ন স্থানত চলিছিল। পাৰসীসকলৰ প্ৰখ্যাত গ্ৰন্থ 'জেন্দ আবেস্তা' বলধৰ ছালত লিখাটোৱে তাৰ প্ৰমাণ। সুবন্ধুৰ 'বাসৱদত্তাতো জন্তুৰ ছালত গ্ৰন্থ লিখাৰ কথা উল্লিখিত হৈছে। অৱশ্যে ভাৰতবৰ্ষত জন্তুৰ ছালত পুথি লিখা পদ্ধতিটো বৰকৈ নচলিল। সেইবাবে 'খৰপোস্ত' শব্দটো ভাৰতীয়ৰ মুখত পৰি 'খৰোষ্ঠ' বা 'খৰোষ্ঠী' হ'লগৈ[৩৫]।

ঙ খ্ৰী পূ ৫৫৯—৩ অব্দত অখণ্ড প্ৰতাপেৰে ৰাজত্বকৰা হখমনী শাসক 'কুৰোষ'ৰ স্মৃতিত উত্তৰ পশ্চিম ভাৰতবৰ্ষত প্ৰচলিত লিপিয়ে 'কুৰোষী'ৰপৰা ৰূপান্তৰিত হৈ 'খৰোষ্ঠী' হোৱা বুলিও কোনো কোনোৱে মন্তব্য ৰাখে[৩৬]।

চ আৰামীয় ভাষাৰ লিপি বাচক শব্দ খৰোটঠ শব্দই স স্কৃতত ৰূপান্তৰিত হৈ 'খৰোষ্ঠী' ৰূপ পায়[৩৭]।

ছ জ্য প্ৰজিলুস্কি (Pryzuluski) ৰ মতে, গাধৰ ছালত লিখা কাৰণে এই লিপিক খৰপৃষ্ঠী কোৱা হৈছিল। পিছলৈ ধ্বনি সংকোচনৰ ফলতহে 'খৰোষ্ঠী' ৰূপ লয়।

জ হিব্ৰুভাষাত 'খৰোশেথ শব্দই খোদাই কৰা বা লিখা বুজায়। ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে সেই হিব্ৰু শব্দটোৱে সংস্কৃতত খৰোষ্ঠীলৈ মোট সলোৱা বুলি অনুমান কৰে।

ঝ পুৰাণ পাৰসীয় ভাষাত হৰুটঠ (haruttha) শব্দৰ অৰ্থ হ'ল খোদাই কৰা

---

৩৩ Sten Konow—(ed) *Corpus Inscriptionum Indicarm* Vol, II P 14

৩৪ Pandey R—*Indian Palaeography*, P 52

৩৫ Dasgupta, C D—প্ৰাগুক্ত গ্ৰন্থ দ্ৰষ্টব্য।

৩৬ মূলে গুণাকৰ—ভাৰতীয় লিপিয়ে৷ কী কথনী, পৃ ১৩৬

৩৭ Pandey, R—*Ibid*, P 53, গুৰুপ্ৰিয় কৌমুদী, পৃ° ৬৮

আৰু 'দিপি' শব্দ অৰ্থ হ'ল লিখা। গতিকে প্ৰাচীন পাৰসীয় 'হকট ঠ দিপি'ৰপৰা কোনো কোনো 'খৰোষ্ঠী লিপি'ৰ উদ্ভৱ হোৱা বুলিব খোজে[৩৮]।

এঃ এইবিধ আখৰৰ গঢ় গাধৰ ওঁঠৰ লেখীয়া গুণে ভাৰতবাসীয়ে ইয়াক 'খৰোষ্ঠী' (খৰ=গাধ, ওষ্ঠী=ওঁঠৰ বিশেষণ) নামকৰণ কৰিছিল। ড° বুহলৰেও ইয়াক মানি লৈছে[৩৯]।

পুৰালিপিতত্ত্ববিদ্ ড বুহলৰ, টেলৰ, জোচেফ হলেভী (Joseph Halevy) আদিয়ে আৰামীয় লিপিৰ সৈতে খৰোষ্ঠীৰ বক্ত সম্পৰ্ক বিশ্লেষণ কৰি দেখুৱাইছে। ব্ৰাহ্মী লিপিৰ লেখীয়াকৈ এই লিপিৰ প্ৰয়োগ সমগ্ৰ ভাৰতবৰ্ষত হোৱাৰ প্ৰমাণ নাই। মাথোন গান্ধাৰ আৰু উত্তৰ পঞ্জাৱতহে ইয়াক ব্যৱহাৰ কৰা হৈছিল। ইতিহাসলৈ চকু দিলে দেখা যায় যে হখমনী সম্ৰাটসকলে তেওঁলোকৰ নিজা ভাষাৰ বাবে বাণমুখ লিপিৰ আধাৰত নিজা লিপিৰ সৃষ্টি কৰি লৈছিল যদিও সমগ্ৰ পশ্চিম এচিয়াত আৰামীয় ভাষা আৰু লিপিৰ বহুল প্ৰচলন আছিল। গতিকে সম্ৰাটসকলে ৰাজশাসন সুচাৰুৰূপে সম্পাদন কৰিবলৈ আৰামীয় ভাষা আৰু লিপিক ৰাজকীয় মৰ্যাদা দিবলৈ বাধ্য হয়। এটা কালত হখমনী সকলৰ সাম্ৰাজ্যৰ পূৰ্বসীমা সিন্ধু নদীলৈ আছিল গুণে সমগ্ৰ গান্ধাৰ তেওঁলোকৰ ছত্ৰছায়াত থাকিব লগাত পৰিছিল। শাসনৰ লগে লগে আৰামীয় লিপিও আহি গান্ধাৰ পালেহি। তক্ষশিলা আৰু আফগানিস্থানত পোৱা কিছুসংখ্যক আৰামীয় লিপিয়ে তাৰ প্ৰমাণ। এই লিপি ছেমীয় লিপিৰপৰা বিকশিত—য'ত স্বৰবৰ্ণৰ অস্তিত্ব নাই। অৱশ্যে 'অলেফ' বৰ্ণটো স্বৰবৰ্ণৰূপে ব্যৱহাৰৰ থল আছিল। এই লিপিৰপৰা বিকশিত পহ্লৱী, আবেস্তা আদি লিপিৰে যেতিয়া ভাৰত ইউৰোপীয় ভাষাগোষ্ঠীৰ অন্তৰ্ভুক্ত ভাষাসমূহ লিখিব লগা হ'ল, তেতিয়া একমাত্ৰ 'অলেফ' চিহ্নটোকে ইকাল সিকাল কৰি স্বৰধ্বনিৰ প্ৰাথমিক কাৰ্য সম্পাদন কৰিব লগাত পৰিছিল। আৰামীয় লিপিৰপৰা বিকশিত হোৱা খৰোষ্ঠী লিপিৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। 'অলেফ' চিহ্নৰ ওপৰত, মাজত বা তলত আন সূক্ষ্মৰেখাৰ সংযোজনাৰে ই, উ, এ আৰু ও ৰ কাৰ্য সম্পাদিত হৈছিল। এই লিপিতো দীৰ্ঘস্বৰৰ কোনো অস্তিত্ব নাই। ব্ৰাহ্মীলিপিত স্বৰবৰ্ণৰ যৌগৰূপসমূহ লগলগাৰ বিজ্ঞানভিত্তিক পদ্ধতি খৰোষ্ঠীত পোৱা নাযায়।

আধুনিক মহাজনী লিপিৰদৰে খৰোষ্ঠী আছিল কাম চলোৱা লিপি। আধুনিক গুজৰাটী লিপিত মূল অ বৰ্ণটোত ভিন্ন প্ৰকাৰৰ মাত্ৰাৰ প্ৰয়োগেৰে আ, ই, উ, এ, ও প্ৰভৃতি বৰ্ণ

---

৩৮ সেন, অমূল্যচন্দ্ৰ—অশোক লিপি, পৃ ১৩

৩৯ I am ready to accept this as true and historical —*Indian Studies* P 113 by Buhler

সজোৱাৰ (অ, আ, অি, অ্ু, অে, অৌ,) পদ্ধতিয়ে খৰোষ্ঠীৰ স্বৰবৰ্ণ নিৰ্মাণৰ পদ্ধতিলৈ মনত পেলায়। এই লিপিত সংযুক্ত ব্যঞ্জনৰ সংখ্যাও বৰ কম। দুই এটা ব্যঞ্জনবৰ্ণ নিশ্চিতভাৱে পঢ়াই টান। ইয়াত ন আৰু ণ বা কোনো পাৰ্থক্য নাই[৪০]।

সংস্কৃতবদৰে বিভিন্ন স্বৰ আৰু স যুক্ত ব্যঞ্জনবৰ্ণযুক্ত ভাষা লিখিবলৈকে খৰোষ্ঠী লিপিৰ উদ্ভৱ হোৱা নাছিল। ভাৰতভূমিৰ উত্তৰ পশ্চিম ভূভাগত প্ৰচলিত প্ৰাকৃত ভাষাৰ লৈখিক ৰূপ দিয়াৰ বাবেহে এই লিপিৰ সৃষ্টি হৈছিল[৪১]। সেইবাবেই ইয়াত দীৰ্ঘস্বৰ আৰু সংযুক্ত ব্যঞ্জনবৰ্ণৰ অভাব পৰিলক্ষিত হয়। একে ধৰণৰ শব্দকে বেলেগ বেলেগ চিহ্নেৰে বুজোৱাত কেতিয়াবা কেতিয়াবা পাঠকক বিমোৰতো নেপেলোৱাকৈ নাথাকে। ক্ষৰ ঠাইত খ, ত্তৰ ঠাইত ত, দ্ধৰ ঠাইত ধৰ প্ৰয়োগ প্ৰচুৰ[৪২]। অশোকৰ মানসেহৰা আৰু শ্বাহবাজগঢ়ীত প্ৰাপ্ত লিপিমালালৈ চকু দিলেই ইয়াৰ সত্যতা প্ৰতীয়মান হ'ব।

খৰোষ্ঠী লিপিৰ উদ্ভৱৰ প্ৰসংগলৈ আকৌ ঘূৰি যোৱা যাওক। ড° আই টেলৰ[৪১] আৰু ই থমাচে[৮২] দেখুৱাইছে যে খৰোষ্ঠী ব (বেথ), ন (নান), ৰ (ৰেচ) আৰু ব (ৱাৱ) এই চাৰিটা বৰ্ণলিপি আৰামীয় লিপিৰপৰা ধাৰ কৰা। ড বুহলৰে এই ঋণৰ সংখ্যা এডজনলৈ বৃদ্ধি কৰাটো মনকৰিবলগীয়া। তেওঁৰ মতে খ, জ, দ, ন, ব, য, ৰ, ল, ৱ, ম, স, আৰু হ লিপিচিহ্ন কেইটা আৰামীয়ৰপৰা গ্ৰহণ কৰা হৈছে[৪৩]। ভাৰতীয় পুৰালিপিতত্ত্ববিদ্ গোৰীশংকৰ হীৰাচন্দ্ৰ ওঝায়ো এই মতৰ সপক্ষে অভিমত আগবঢ়োৱা দেখা যায়[৪৪]।

দুই এজন লিপিবিশাৰদে খৰোষ্ঠী লিপিকো ভাৰতভূমিত বিকশিত হোৱা বুলিব খোজে। চাৰ এ কানিংহাম আৰু ড ৰাজবলী পাণ্ডেৰ নাম এইখিনিতে আঙুলিয়াব পাৰি। বৌদ্ধ, জৈন গ্ৰন্থৰ উপৰি চীনা বিশ্বকোষত খৰোষ্ঠী লিপিৰ নামোল্লেখ এনে মন্তব্যৰ হেতু হোৱা সম্ভৱ[৪৫]।

অশোকৰ মানসেহৰা আৰু শ্বাহবাজগঢ়ীৰ ধৰ্মলিপিমালাত খৰোষ্ঠী লিপি ব্যৱহাৰৰ কথা ইতিমধ্যে উল্লিখিত হৈছে। প্ৰিয়দৰ্শী অশোকৰ দক্ষিণ ভাৰতৰ ধৰ্মলিপিসমূহৰ

---

৪০ মুলে, গুণাকৰ—প্ৰগুক্ত গ্ৰন্থ, পৃ ১৩৮

৪১ Buhler, G —Indian Studies, III P 98 , চীনৰ তুৰ্কীস্থানত প্ৰাপ্ত এক দাৰু পট্টিকাত খৰোষ্ঠী লিপিৰে ৪টা সংস্কৃত শ্লোক লিখাটো এক বিৰল ব্যতিক্ৰম বুলিব পাৰি।

৪১ ৪২ Taylor, I—*The Alphabet*, Vol II P 261

৪৩ Buhler, G —*Indian Studies*, III, PP 101 107

৪৪ ওঝা—প্ৰাচীন ভাৰতীয় লিপিমালা, পৃ

৪৫ Pandey, R —*Op Cit* PP 57 58

লেখন পদ্ধতিলৈ লক্ষ্য কৰিলে দেখা যায় যে দক্ষিণৰ লিপিখোদিতকাৰসকলৰ একাধিক লোক উত্তৰ ভাৰতৰ লোক আছিল—যিসকলেৰ খৰোষ্ঠী লিপিৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছিল। কৰ্ণাটক-ব্ৰহ্মগিৰিৰ সিদ্ধপুৰ লিপিয়ে ইয়াৰ প্ৰমাণ দিয়ে। এইলিপিৰ অন্তিম শাৰীত 'চপড়েন লিখিতে' বুলি লিখাৰ পিছত 'লিপিকাৰেণ' শব্দটো খৰোষ্ঠীলিপিত খোদিত কৰা হৈছে[৪৬]। অন্ধ্ৰপ্ৰদেশৰ কুৰ্ণল জিলাৰ য়েৰ ৰগুৰি নামে ঠাইত প্ৰাপ্ত এখনি শিলালেখৰ কেইটামান শাৰী খৰোষ্ঠী শাসনৰদৰে সোঁফালৰপৰা বাওঁফাললৈ লিখা দেখা যায়[৪৭]। তদুপৰি এক্তজনা সম্ৰাটৰ সাসাৰাম শৈললেখখনিৰ কেইটামান অক্ষৰ ওলোটাকৈ লিখাতোও মনকৰিবলগীয়া। এইবোৰ দৃষ্টান্তই পৰোক্ষভাৱে ব্ৰাহ্মীলিপিৰ ওপৰত খৰোষ্ঠীয় পেলোৱা প্ৰভাৱৰ সূচনা কৰে[৪৮]।

সম্ৰাট অশোকৰ সাম্ৰাজ্য ভাগিযোৱাৰ পিছত খ্ৰী পূ ২ অব্দৰ আগে পিছে বেক্ট্ৰিযাৰ গ্ৰীক শাসকবৰ্গই উত্তৰ পশ্চিম ভাৰতৰ শাসনভাৰ গ্ৰহণ কৰে আৰু তেওঁলোকৰ মুদ্ৰাত গ্ৰীকলিপিৰ লগতে খৰোষ্ঠী লিপিৰো প্ৰয়োগ ঘটায়। সেই মুদ্ৰাৰ এপিঠিত গ্ৰীকলিপি আৰু ভাষাত খোদিত 'ৱেসিলিয়স ৱেসিলিয়ন' লিখাৰ পিছত নৃপতিজনাৰ নাম অংকিত হয়। একেদৰে ওলোটা পিঠিত প্ৰকৃত খৰোষ্ঠী লিপিত 'মহৰজস ৰজতিৰজস' (মহাৰাজস্য ৰাজাতিৰাজস্য) লিখাৰ পিছতে নৃপতিজনাৰ নামটো খোদিত হৈছে[৪৯]। ভাৰত যবন নৃপতিমণ্ডলীৰ পিছত শকসকলে উত্তৰ পশ্চিম ভাৰত ভূমি শাসন কৰিবলৈ লয়। তেওঁলোকৰ মুদ্ৰাত এইলিপিৰ প্ৰয়োগ ঘটায়[৫০]। শক ক্ষত্ৰপসকলৰ ৰাজত্ব কালত উৎকীৰ্ণ কৰা ভালেখিনি পুৰালেখ মথুৰা আৰু তক্ষশিলাত উদ্ধাৰ হৈছে। তক্ষশিলাৰ ধৰ্মৰাজিকা স্তূপত প্ৰাপ্ত এক ৰৌপ্য পত্ৰত খোদিত লিপিৰ আখৰবোৰ আজিকালি ষ্টীল নাইবা আন ধাতৱ বাচন বৰ্তনৰ ওপৰত বিন্দু বিন্দুকৈ খোদিত কৰাৰ দৰে। পৰৱৰ্তী কুশাণসকলৰ আমোলতো আলোচিত অঞ্চলৰ যিবোৰ পুৰালেখ উদ্ধাৰ হৈছে—সেইবোৰৰো লিপি খৰোষ্ঠী। পিছে এই লিপিৰে ভাৰতীয় ভাষা লিখাত সুচল নোহোৱা গুণে লাহে লাহে ইয়াৰ প্ৰয়োগ কমি আহে আৰু ব্ৰাহ্মীলিপিয়ে সেই ঠাই অধিকাৰ কৰি লয়।

ই ১৮৯২ চনত ভূৰ্জপত্ৰত লিখা কিছুসংখ্যক 'পাত' ফৰাচী পৰ্যটক Dut reuil

৪৬ Buhler, G —*Op Cit* P 50

৪৭ ড° দানীয়ে এই লিপিক barbarous example of writing আখ্যা দিছে।

৪৮ দাক্ষিণাত্যৰ চালুক্যকালীন কিছু পুৰালেখ আকৌ ওপৰৰপৰা তললৈ খোদিত কৰা।

৪৯ ৫০ Cunninghum, A —*The Coins of Ancient India* দ্ৰষ্টব্য।

de Rhin এ খোটানৰপৰা ২১ কি মি আঁতৰৰ Komari Muzar ৰপৰা উদ্ধাৰ কৰি ফ্ৰান্সলৈ লৈ যায়। M Senart এ অধ্যাপক Serge d 'Oldenburg ৰ সহায়ত সিবোৰৰ পাঠোদ্ধাৰ কৰি ই. ১৮৯৮ চনত Le Manu cript Kharosthi du Dhammapada' শিৰোনামেৰে *Journal Asiatique* ত প্ৰকাশ কৰে। খৰোষ্ঠী লিপিত লিখা এই পুথিৰ ভাষা H W Bailey ৰ কথাৰে 'গান্ধাৰী'। চীনা তুৰ্কীস্থানৰ অন্তৰ্গত প্ৰাচীন শান্শান্ ৰাজ্যৰ সীমান্তত থকা নিয়া নামে ঠাইৰ বলুকাস্তূপৰপৰা Sir Aruel Stein এ উদ্ধাৰ কৰা খৰোষ্ঠী লিপিৰ পাণ্ডুলিপিত আছে চাৰিকুৰি আঠ বছৰ ব্যাপী লিখা শাসনকাৰ্য, বিচাৰ আৰু ব্যবসায় বাণিজ্য সম্পৰ্কীয় প্ৰতিবেদন[৫১]। মধ্য এচিয়াৰ বিভিন্ন স্থানত খ্ৰীষ্টীয় পঞ্চম শতাব্দীলৈকে এই লিপিত লিখা অভিলেখ উদ্ধাৰ হোৱাটো তাৎপৰ্যপূৰ্ণ। চীনা বিশ্বকোষ স কলন কৰা কাললৈকে সেই ঠাইৰ মানুহৰ খৰোষ্ঠী লিপিৰ কথা অজ্ঞাত নাছিল। এই লিপিৰ লেখন পদ্ধতি ব্ৰাহ্মীৰ বিপৰীত অৰ্থাৎ সোঁফালৰপৰা বাওঁফাললৈ। অৱশ্যে পৰবৰ্তী কালত ব্ৰাহ্মীৰ প্ৰভাৱত পৰি কৰোবাত কৰোবাত এই লিপিয়েও লিখাৰ দিশ সলনি কৰা দেখা যায়। আৰামীয় লিপিত নথকা ভ, ঘ আৰু ধ বৰ্ণলিপি খৰোষ্ঠীত পোৱা যায়। এইটো ব্ৰাহ্মীৰে প্ৰভাৱ হ'ব পাৰে। তদুপৰি বিভিন্ন ৰেখা আৰু অৰ্ধবৃত্তৰ সংযোজনাৰে এই লিপিত হ্ৰস্বস্বৰ নিৰ্মাণৰ যি প্ৰযত্ন সি নি সন্দেহে ব্ৰাহ্মীলিপিৰপৰা ধাৰ কৰা[৫২]। ইয়াৰপৰা কোনো নতুন লিপিৰ জন্ম নহ'লেও ই যে প্ৰায় হাজাৰ বছৰ জুৰি ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ বাহক আছিল তাক কোনোৱে অস্বীকাৰ কৰিব নোৱাৰে[৫৩]।

২° ব্ৰাহ্মী লিপি

খ্ৰীষ্টজন্মৰ তৃতীয় শতাব্দী পূৰ্বে ৰাজত্ব কৰা সম্ৰাট অশোকৰ ধৰ্মলিপিসমূহত প্ৰাচীন ভাৰতীয় লিপিৰ দুটা ভিন্ন পদ্ধতিৰ নিদৰ্শন পোৱা যায়—প্ৰথমটি উত্তৰ-পশ্চিম সীমান্তত প্ৰচলিত খৰোষ্ঠী আৰু দ্বিতীয়টো হ ল প্ৰায় সমগ্ৰ ভাৰত ভূমিত প্ৰচলিত ব্ৰাহ্মী লিপি।

---

৫১ Burrow, T —*The Language of Kharosthi Document from Chinese Turkestan* দ্ৰষ্টব্য।

৫২ Diringer, D —*The Alphabet* দ্ৰষ্টব্য। M Halevyয়ে আকৌ ব্ৰাহ্মী লিপিয়েহে খৰোষ্ঠীৰ পৰা শ, ঋ, ড, ঞ, উ আৰু ৱ—এই ছটা বৰ্ণলিপিৰ উপৰি চাৰিৰপৰা নলৈকে সংখ্যাকেইটাৰ চিহ্নও গ্ৰহণ কৰা বুলি মন্তব্য দিছিল। তেওঁৰ মন্তব্যক অৱশ্যে ড° টেলৰ আৰু বুহ্লৰে উপযুক্ত যুক্তিৰে খণ্ডন কৰিছে।

৫৩ মুলে, গুণাকৰ—প্ৰাগুক্ত গ্ৰন্থ পৃ ১৪১

ভাৰতীয় ধাৰণা মতে এই লিপি ভাৰতৰ নিজস্ব সম্পত্তি আৰু ইয়াৰ স্বষ্টিকৰ্তা স্বয়ং ব্ৰহ্মা[৫৪]। চীনা বিশ্বকোষ ফা-য়ান শু-লিন' মতেও ব্ৰহ্মাই (ফান্) জয়জয়তে এই লিপি ব্যৱহাৰ কৰা গুণে ইয়াৰ নাম ব্ৰাহ্মী হয়গৈ[৫৫]। ভাৰতীয় আৰ্যসকলে ব্ৰহ্মক (=বেদ অৰ্থাৎ জ্ঞান) সংৰক্ষণ দিবলৈ যি প্ৰকাৰ লিপিৰ স্বষ্টি কৰিছিল, সিয়ে কালক্ৰমত ব্ৰাহ্মী নাম পায়[৫৬]।

'দেবানং প্ৰিয়স পিয়দসিনা ৰাজা অশোকৰ (খ্ৰী পূ ২৭২—২৩২) ধৰ্মলিপিসমূহত ব্যৱহৃত ব্ৰাহ্মী এক পূৰ্ণবিকশিত বৰ্ণমালা—প্ৰাকৃত আৰু সংস্কৃত উভয় ভাষাৰ ধ্বনিগুচ্ছ এইলিপিত প্ৰকাশ কৰা সম্ভৱ। এইলিপিৰ পূৰ্ববৰ্তী কালছোৱা অন্ধকাৰাচ্ছন্ন গুণে পাশ্চাত্য এচাম পণ্ডিতে ইয়াক বহিৰ্ভাৰতৰ আমদানি বুলিব খোজে। তেওঁলোকৰ সিদ্ধান্তসমূহ হ'ল -

ক ড আটফ্ৰেড ম্যুলাৰে (Otfried Mueller) স্পষ্টভাৱে ঘোষণা কৰে যে আলেকজেণ্ডাৰৰ আক্ৰমণৰ স্বফলস্বৰূপেই ভাৰতবৰ্ষত লেখন কলাই খোপনি পোতে[৫৭]। বৈদিক যুগৰ সমস্ত সাহিত্যই আছিল মৌখিক। স্বয়ং ঋগ্বেদৰে ১০২৮টা সূক্তৰ ১ ৫৮ টা স্তবকৰ ১৫৩৮২৬টা শব্দ[৫৮] আদিতে শিক্ষিতসকলৰ ওঁঠে ওঁঠেহে বাগৰি ফুৰিছিল, সিবোৰৰ লিখিত ৰূপ নাছিল[৫৯]। পিছত গ্ৰীকসকলৰ সান্নিধ্যলাভৰ লগে লগে মৌখিক 'শ্ৰুতি'য়ে লৈখিক 'গ্ৰন্থ' ৰূপ পালে। জেমচ প্ৰিন্সেপ (James Prinsep), ইমিলি শেনাৰ্ট (Emile Senart) জোচফ হলেভী।[৬০] প্ৰমুখ্যে কেবাজনো পণ্ডিত ম্যুলাৰৰ সিদ্ধান্তক স্বাগত জনায়। হোৰেচ হেমান উইলচন (H H Wilson) আৰো এখোজ আগলৈ দি ক'লে যে অশোকৰ যুগৰ বৌদ্ধসকলে ফিনিচীয় অথবা গ্ৰীকলিপিৰ আদৰ্শত ব্ৰাহ্মীৰ স্বষ্টি কৰি লয়[৬১]। ঐতিহাসিক আৰু প্ৰত্নতাত্ত্বিক দিশৰপৰা এনে যুক্তি

৫৪ নাৰদ আৰু বৃহস্পতিয়ে তেওঁলোকৰ ধৰ্মশাস্ত্ৰত এই সম্পৰ্কে স্পষ্টভাৱে উল্লেখ কৰিছে। অধিক জানিবলৈ বিচৰাসকলে *Sacred Books of the East* Vol, XXX III, PP 58 304 পঢ়ক।

৫৫ *Babylonian and Oriental Records*, I 59

৫৬ Pandey R —*Indian Palaeography* P 35

৫৭ Diringer, D —*The Alphabet* P 335

৫৮ Maxmuller, F —*Hibbert Lectures*, P 153

৫৯ Maxmuller, F —*History of Ancient Sanskrit Literature*, P 497

৬০ *IA*, Vol XXXV, P 253

৬১ Taylor, I—*The Alphabet*, Vol II, P 304

মানি লোৱা টান। কাৰণ ব্ৰাহ্মী লিপিত 'ধৰ্মলিপি' খোদিত কৰোৱা অশোকৰ গ্ৰীক আৰু আৰামীয় লিপিতো খোদিত কৰোৱা একে ধৰণৰ লিপি আফগানিস্থানত পোৱা গৈছে[৬২]। গতিকে গ্ৰীকলিপিৰপৰা ব্ৰাহ্মীৰ উৎপত্তি হোৱা বোলাটো কল্পনাৰ বিলাস মাত্ৰ।

খ আন এচাম পাশ্চাত্য পণ্ডিতে ছেমীয় লিপিৰ আধাৰত ব্ৰাহ্মীলিপি বিকাশ হোৱা বুলি ভাবে। এইচাম পণ্ডিতৰ যুক্তিক তিনিটা ভাগত ভগাই আলোচনা কৰিব পাৰি—

খ ১ পণ্ডিত আলব্ৰেখট বেবৰে (A Weber 1825—1901) ব্ৰাহ্মীলিপিৰ সৈতে ভালেকেইটা ফিনিচীয় লিপিচিহ্নৰ সাদৃশ্য কৰি এই সিদ্ধান্তত উপনীত হয় যে আগৰবিধ লিপি পিছৰবিধ লিপিৰ প্ৰভাৱত বিকশিত হয়[৬৩]। চাৰ উইলিয়ম জোন্স[৬৪] আৰু ড ৰবাৰ্ট নিউহাম কাষ্টো (R N Cust)[৬৫] উক্ত মতৰ সমৰ্থক। মনিয়ৰ উইলিয়মেচে (Monier Williams 1819—89) তেওঁৰ সংস্কৃত-ইংৰাজী অভিধানত ৰোমান, গ্ৰীক, ফিনিচীয় আৰু ব্ৰাহ্মীলিপিৰ এখনি তুলনামূলক তালিকা প্ৰস্তুত কৰি অ, ক, গ ত, থ, দ প, ব য আৰু ব—এই বৰ্ণলিপি কেইটাৰ মূল ফিনিচীয় বুলি দেখুৱাৰ প্ৰযত্নত ব্ৰতী হৈ[৬৬] শেষত এই সিদ্ধান্তত উপনীত হয় যে ফিনিচীয়সকলৰ ২২টা বৰ্ণলিপিৰ সহায়ত গ্ৰীক, ৰোমান আদিয়ে আপোন প্ৰয়োজন সাপেক্ষে লিপি লেখনৰ দিশ পৰিবৰ্তন কৰাৰ লগে লগে লিপিৰ সংখ্যাও বৰ্ধিত কৰাৰ দৰে ভাৰতীয়সকলেও ফিনিচীয়সকলৰপৰাই লিপিৰ ভিত্তিটো গ্ৰহণ কৰি পিছত বৰ্ণলিপিৰ সংখ্যা বঢ়াই লয়। আনহাতে দক্ষিণ ভাৰতীয় পুৰালিপিবিশাৰদ আৰ্থাৰ কোক বুৰনেলে (A C Burnell, 1840—1882) ফিনিচীয় আৰামীয় লিপিমূলৰপৰা ভাৰতীয় ব্ৰাহ্মীলিপি বিকাশৰ ৰূপৰেখা অংকন কৰিছে[৬৭]। এটা কালত বঙলা পণ্ডিত হৰপ্ৰসাদ শাস্ত্ৰীয়েও প্ৰাচীন ফিনিচীয় (মোৱাইট), আধুনিক ফিনিচীয় আৰু ব্ৰাহ্মীৰ সাদৃশ্য দেখুৱাবলৈ যত্ন কৰিছিল[৬৮]।

---

৬২ *Un Editto Bilingue Greco Aramaico di Asoka*, 1958, Ed Tueci

৬৩ Weber—Zeitschrift der Deutschen Margenlandischen Gesellschaft, 1855 দ্ৰষ্টব্য।

৬৪ Taylor—*The Alphabet* Vol II P 304

৬৫ *JRASB* Vol XVI (New series) 1884, P 330

৬৬ Williams, M—*A Sanskrit English Dictionary*, PP XXVII

৬৭ Burnell—*Elements of South Indian Palaeography*, P 9

৬৮ হৰপ্ৰসাদ ৰচনাৱলী, প্ৰথম সম্ভাৰ।

প্ৰকৃত পক্ষে ফিনিচীয় আৰু ব্ৰাহ্মীৰ ৰূপৰ সম্পূৰ্ণ সাদৃশ্য নথকাত তেনে মতক আজি বহুতে মানি ল'বলৈ টান পায়। প্ৰবীণ পুৰালিপিতত্ত্ববিদ্ পণ্ডিত গৌৰীশংকৰ হীৰাচন্দ্ৰ ওঝাই ব্ৰাহ্মী জ (ফিনিচীয় গিমেল) বৰ্ণলিপিত বিনে আন ফিনিচীয় লিপিৰ কোনো ৰক্ত সম্পৰ্ক নথকা বুলি স্পষ্ট অভিমত দিছে[৬৯]। গতিকে ফিনিচী লিপিৰ এটাৰে সৈতে ব্ৰাহ্মী লিপিৰ সাদৃশ্য সম্পূৰ্ণ আকস্মিক হোৱাটোও অস্বাভাৱিক নহয়। খ্ৰীষ্টজন্মৰ তিনি চাৰি শতাব্দীপূৰ্বে ফিনীক্সসকলৰ সৈতে ভাৰতবাসীৰ সম্পৰ্কৰ কোনো স্পষ্ট প্ৰমাণ পোৱা হোৱা নাই। গ্ৰীক ঐতিহাসিক হেৰোডোটাচে (Herodotos) স্বীকাৰ কৰিছে যে পূৰ্বদেশৰ ফিনিচীয়সকল সমুদ্ৰ পথেদি গৈ ভূমধ্য মহাসাগৰৰ পূৰ্ব উপকূল পাইছিলগৈ[৭০]। ঋগ্বেদত ফিনিচীয়সকলক ভাৰতীয় লোকৰূপে চিনাক্ত কৰা হৈছে[৭১]। সেইবাবে ড° ৰাজবলী পাণ্ডেই ক'বলৈ বিচাৰে যে ভাৰতত থাকোঁতে প্ৰত্ন ব্ৰাহ্মীৰ সৈতে পৰিচিত ফিনিচীয়সকলে নিজ দেশ এৰিগৈ ভূমধ্যসাগৰীয় অঞ্চলত বসতি কৰি সেইবোৰ ঠাইত ভাৰতীয় লিপিৰ প্ৰসাৰ ঘটায়[৭২]। ঐতিহাসিক প্ৰমাণৰ অভাৱত ড পাণ্ডেৰ অভিমতো বহুতে গ্ৰাহ্য কৰিবলৈ কৰিবলৈ টান পায়।

খ ২ ড আই টেলৰে দক্ষিণ ছেমীয় লিপিৰপৰা ব্ৰাহ্মীৰ বিকাশৰ যি ৰূপৰেখা অংকনৰ প্ৰযত্ন চলাইছিল [৭৩], সেই প্ৰযত্ন পণ্ডিতমণ্ডলীৰ কোনোপধ্যেই আদৰণীয় নহ'ল। এই মতৰ প্ৰবক্তাই দক্ষিণ ছেমীয় লিপিৰপৰা যিকেইটা লিপি ব্ৰাহ্মীয়ে ধাৰ কৰা বুলি দেখুৱাইছে, সেইকেইটাৰ অধিকাংশৰে ধ্বনি মিল দেখা নাযায়। দৃষ্টান্ত স্বৰূপে, যেতিয়া ব্ৰাহ্মী চ আৰু ক লিপি ছেমীয় কাফ জ আৰু ষ ছেমীয় শ্বিন্ নাইবা য় আৰু ৱ ছেমীয় বাব লিপিৰপৰা উদ্ভব হোৱা বুলি কোৱা হয়, তেতিয়া দুয়োটা ভাষাৰ লিপিকেইটাৰ ধ্বনি গুণৰ বৈষম্যই তেনে মন্তব্যক শিথিল কৰি পেলাবলৈ বাধ্য[৭৪]।

খ ৩° ব্ৰাহ্মী লিপিৰ উদ্ভব আৰু বিকাশৰ ক্ষেত্ৰত তৃতীয় সূত্ৰটো আগবঢ়ায় যোহান

---

৬৯ ওঝা—প্ৰাচীন ভাৰতীয় লিপিমালা পৃ ১৮-১৯

৭০ Herodotos, II, 44

৭১ জহী স্ত্ৰিণং পণিং বৃকো হি য ৬ ৫১ ১৪, সাম্নং পণীৰ্বচোভিৰভি যোধদিন্দ্ৰ ৬ ৩৯ ২

৭২ Pandey, R —*Indian Palaeography*, P 42

৭৩ Taylor, I —*The Alphabet*, Vol I PP 335—46 এই মতৰ আন প্ৰবক্তা কেইজন হ'ল Deeka, Sethe (Diringer—*The Alphabet*, P 335) আৰু ভাৰতবৰ্ষৰ ড° আৰ এস সাহা।

৭৪ Buhler, G —*Indian Brahma Alphabet*, P 54

গেঅৰ্গ বুহলৰে (J G Buhler, 1817—1898)[৭৫]। তেওঁৰমতে, উত্তৰ ছেমীয় লিপিহে স্বকপোৰ্থত ব্ৰাহ্মীৰ জননী। তেওঁ উত্তৰ ছেমীয় লিপিত উৎকীৰ্ণ মেয়াবৰ ৰজা মেশৰ (Mesa) প্ৰস্তৰ লিপিৰ উপৰি চিঞ্জিৰিলি আৰু আসিৰিয়া সাম্ৰাজ্যৰ কিছুসংখ্যক লিপিৰ সৈতে ব্ৰাহ্মীলিপিৰ সাদৃশ্য লক্ষ্য কৰে[৭৬]। বিভিন্ন স্থানত উদ্ধাৰ হোৱা উত্তৰ ছেমীয় লিপিমালা খ্ৰী পূ ৮৯০ অব্দৰেপৰা ৭৫ খ্ৰী পূ ৰ ভিতৰত উৎকীৰ্ণকৰা বুলি ঐতিহাসিক পণ্ডিতসকলৰ অভিমত। বৈদিক, উত্তৰবৈদিক আৰু বৌদ্ধ জাতকৰ বিভিন্ন আখ্যানৰ আলমত ড° বুহলৰে অনুমান কৰে যে উপৰিউক্ত স্থানসমূহৰ সৈতে ভাৰতবৰ্ষৰ ব্যৱসায় বাণিজ্যৰ লেনদেন খ্ৰীষ্টজন্মৰ কেই শতাব্দীমান পূৰ্বৰেপৰা হৈছিল গুণে সেই ঠাইৰপৰা লেখন কলাই আহি ভাৰত ভূমিত বিকশিত হয়হি[৭৭]।

ব্ৰাহ্মী লিপি সাধাৰণতে বাওঁফালৰপৰা সোঁফাললৈ লিখা হয়, কিন্তু ছেমীয় লিপি লিখাৰ ৰীতি হ'ল সোঁহাতৰপৰা বাওঁহাতলৈ। এই দৃষ্টিকোণৰপৰা কানিংহাম প্ৰমুখ্যে এদল পণ্ডিতে বুহলৰৰ মন্তব্যক ভ্ৰান্ত বুলিবলৈ বিচৰাত তেওঁৰ মন্তব্যক নিৰ্ভুল প্ৰমাণ কৰিবলৈ কয় যে ব্ৰাহ্মলিপি বাওঁহাতৰপৰা সোঁহাতলৈ লিখা হলেও ইয়াক সোঁহাতৰ পৰা বাওঁহাতলৈ লিখাৰো নিয়ম আছিল[৭৮]। মধ্যপ্ৰদেশৰ এৰণ (Eran) নামে ঠাইত প্ৰাপ্ত মুদ্ৰা এটিত উৎকীৰ্ণ লিপিৰ[৭৯] উপৰি সিংহলত ব্ৰাহ্মী লিপিৰ কেবাখনো অভিলেখ উদ্ধাৰ হৈছে। সেইবোৰৰ লিখাৰ দিশ হ'ল—সোঁফালৰপৰা বাওঁফাল। ইয়াৰ উপৰি অন্ধ্ৰপ্ৰদেশৰ য়েৰৰগুৰি নামে ঠাইত প্ৰাপ্ত অনুশাসনখনিও লিখা হৈছে লাংগলকৰ্ষণৱৎ পদ্ধতিত[৮০]।

---

৭৫ Buhler, G —*Indische Palaeographie* (1896), *Indian Palaeography* আৰু *On the Origin of the Indian Brahma Alphabet* দ্ৰষ্টব্য।

৭৬ Buhler, G —*IP* P 77

৭৭ Buhler, G —*Ibid*

৭৮ Buhler, G —*Indian Studies*, III, PP 82 83

৭৯ Cunningham, A —*Coins of Ancient India*, P 101, Pl XI

৮০ ASI (AR), 1928—29, P 164, Sircar, D —*Select Inscriptions*, P 52

লিপিখনৰ সন্দৰ্ভত ৰয়াৰাম শাস্ত্ৰীৰ অভিমত উল্লেখযোগ্য—the inscription leaves no doubt that the 'boustrophedon' style of Brahmi epigraphs was not unknown in the time of Asoka'

বুহ্‌লৰে এই সিদ্ধান্তত উপনীত হয় যে উত্তৰ ছেমীয় লিপিৰ বিভিন্ন ৰেখা ইফাল সিফাল কৰি ভাৰতবাসীয়ে ব্ৰাহ্মীৰ বুনিয়াদ গঢ়ি তোলে। উত্তৰ ছেমীয় বৰ্ণলিপি গুচ্ছৰ ব্ৰাহ্মী ৰূপান্তৰ এনেধৰণৰ[৮১]—

ছেমীয় লিপি	ব্ৰাহ্মী বৰ্ণ	সাধিত ৰূপ
(১) অলেফ	অ (আদিস্থান)	আ (আদি আৰু মধ্যবৰ্তী স্থান)
(২) বেথ	ব	ভ
(৩) গিমেল	গ	ঘ (ভোট্টি প্ৰোলু)
(৪) দালেথ	ধ	দ, ড (ঢ, ল)
(৫) হে	হ	উ (ঊ আৰু ও, আদি আৰু মধ্যৱৰ্তী স্থানত)
(৬) বাৱ	ৱ	
(৭) জাইন্	জ	ঝ
(৮) চেইথ	ঘ	ঠ, ট
(৯) থেথ	থ	
(১) য়োদ	য়	
(১১) কফ	ক	
(১২) লমেদ্	ল	ল (ভট্টিপ্ৰোলু)
(১৩) মেম্	ম	`
(১৪) নান	ন	ঙ (ণ, ঙ)
(১৫) সামেখ	ষ (ভট্টিপ্ৰোলু)	স, ষ
(১৬) এইন	এ (আদিস্থানত)	এ (মধ্যৱৰ্তী স্থান), ঐ (আদি আৰু মধ্যস্থান), ই, ঈ (আদি আৰু মধ্যস্থান)
(১৭) ফে	প	ফ
(১৮) ৎসদে	চ	ছ
(১৯) কাফ	খ	
(২০) ৰেছ	ৰ	
(২১) শ্বিন্	শ	
(২২) তৱ	ত	

বুহ্লাৰ এই সিদ্ধান্তলৈ আহে যে ব্ৰাহ্মী লিপিমালাৰ ২২টা বৰ্ণলিপি। উত্তৰ ছেমীয় লিপিৰপৰা, কেইটামান ফিনিচীয় বৰ্ণলিপিৰপৰা, কেইটামান মেশ শিলালেখৰ আৰু ৫টা

৮১ Buhler, G —*Indian Studies*, III, PP 82-83

আসিৰীয় লিপিৰ আধাৰত পুনৰ্নিৰ্মাণ কৰা হৈছে[৮২]। তেওঁ ব্ৰাহ্মী সংখ্যাবাচক প্ৰতীক চিহ্নসমূহৰো মূল নিৰ্ণয় কৰিবলৈ যত্ন কৰিছিল। ড° বুৰ্নেলে তেওঁৰ দক্ষিণ ভাৰতীয় পুৰালিপিতত্ত্বৰ গ্ৰন্থত ব্ৰাহ্মী সংখ্যাসূচক চিহ্নসমূহ পুৰণি ইজিপ্তীয় সংখ্যাসূচক চিহ্নৰপৰা ধাৰ কৰা বুলি উল্লেখ কৰিছিল[৮৩]। ড° বুহ্লৰে আপোন মন্তব্য ৰাখিছে এনেদৰে—the early Indian navigators and merchants might have reached countries which stood under Egyptian influence or might have met on their voyages with Egyptian traders But such a conjecture is, of course, precarious, as long as it is not supported by collateral proof[৮৪]

ড° বুহ্লৰৰ পিছত প্ৰখ্যাত পুৰালিপিতত্ত্ববিদ ডেভিদ ডিৰিঞ্জাৰ চাহাবেও ব্ৰাহ্মী লিপিক উত্তৰ ছেমীয়, বিশেষকৈ আৰামীয় লিপিৰপৰা বিকশিত হোৱা বুলি সিদ্ধান্ত দিছে[৮৫]। কাৰণ, (১) উভয় লিপিৰে সাদৃশ্য অদ্ভুত (২) ভাৰতীয় সিন্ধুলিপি চিত্ৰাত্মক অথবা ভাবধ্বনিমূলক। গতিকে তাৰপৰা ব্ৰাহ্মীৰ দৰে বৰ্ণ কিংবা অক্ষৰলিপিৰ উদ্ভৱ অসম্ভৱ (৩) পুৰণি ব্ৰাহ্মীলিপিও আৰামীয় লিপিৰ লেখীয়াকৈ সে াহাতৰপৰা বাওঁহাতলৈ লিখা হৈছিল আৰু (৪) খ্ৰী পূঃ পঞ্চম শতাব্দীৰ পূৰ্বে কোনো ধৰণৰ লিপি ভাৰত ভূমিত উদ্ধাৰ হোৱা নাই।

উত্তৰ ছেমীয় লিপিৰসৈতে ব্ৰাহ্মীলিপিৰ সাদৃশ্যৰ কথা বৰ্তমানৰ পুৰালিপিতত্ত্ববিদ্ ড° আহমদ হাসান দানী চাহাবেও সদৰি কৰাৰ লোভ পৰিহাৰ কৰিবপৰা নাই[৮৬]। পিছে আই জে গেল্বৰ (I J Gelb) ভাষাৰে ক'বলৈ গ'লে ইবোৰ 'fallacious results'ৰ ফল[৮৭]। কাৰণ ড বুহ্লৰৰদৰে প্ৰবীণ পুৰালিপিতত্ত্ববিদে উত্তৰ ছেমীয়

---

৮২ Pandey, R —*Indian Palaeography*, P 44

৮৩ Burnell, A C —*Elements of South Indian Palaeography* P 65

৮৪ Buhler, G —*Indian Brahma Alphabet*, P 119

৮৫ ডিৰিঞ্জাৰৰ ভাষাত, 'the early Aramaic alphabet as the prototype of the Brahmi script in my opinion there can be no doubt that of all the Semitics, the Armaean traders were the first who came in direct communication with the Indo—Aryan merchants —The Alphabet, P 336

৮৬ Dani, A H —*IP* P 6

৮৭ Gelb I J —*A Study of Writing*, P 144

লিপিৰ সৈতে ব্ৰাহ্মীলিপিৰ যি সাম্য প্ৰদৰ্শন কৰিছে সি ঋজু নহয়, কষ্ট কল্পিত। এনে কষ্টকল্পিত নীতিৰে সংসাৰৰ যিকোনো দুবিধ লিপিৰ সাম্য প্ৰদৰ্শন কৰিব পাৰি। গতিকে উত্তৰ ছেমীয় অথবা আৰামীয় লিপিৰসৈতে ব্ৰাহ্মীৰ সাদৃশ্যক 'আকস্মিক' আখ্যা দিব পাৰি। তদুপৰি চিত্ৰ অথবা ভাব প্ৰতীকাত্মক লিপিয়ে আক্ষৰিক আৰু বৰ্ণলিপিলৈ উত্তৰণ কৰিব নোৱাৰাৰো কোনো যুক্তিসংগত কাৰণ নাই। তৃতীয়তে, অশোকৰ জৌগড় আৰু ধৌলী শৈললেখৰ 'ও' অথবা 'ধ' অক্ষৰদুটি ওলোটাকৈ খোদিত হোৱা মানেই প্ৰাচীন ব্ৰাহ্মীলিপি সোঁফালৰপৰা বাওঁফাললৈ লিখাৰ পদ্ধতি থকা বুলি সিদ্ধান্তত উপনীত হোৱা টান। লিপিকৰৰ অসাবধানতা অথবা খোদিতকাৰৰ খোৰোষ্ঠী লিপিজ্ঞানে এনে ভুলৰ সৃষ্টিকৰা সম্ভৱ। ষষ্ঠ শতাব্দীত উৎকীৰ্ণ কৰা যশোধৰ্মনৰ শৈললেখৰ 'উ' নাগৰী আকৃতিৰ, অথচ সেই একে শতাব্দীত খোদিত গারুলক সিংহাদিত্যৰ দানপত্ৰত এই লিপি সম্পূৰ্ণ ওলোটাভাৱে দেখা যায়। এনে উদাহৰণ আৰু দিব পাৰি। মুদ্ৰা পৃষ্ঠৰ লিপি পোনতে সাঁচত লিখি লোৱা হয়। সাঁচত লিখা লিপিত গণ্ডগোল হ'লে মুদ্ৰাৰ লিপি ওলট পালট হ'ব পাৰে। অন্ধ্ৰৰ সাতবাহন নৃপতি শাতকৰ্ণিৰ মুদ্ৰাতো এৰণ লিপিৰ মুদ্ৰাৰদৰে গণ্ডগোল পোৱা গৈছে। সেইবাবেই এৰণ লিপিৰ আধাৰত ব্ৰাহ্মীলিপি সোঁফালৰপৰা বাওঁফাললৈ লিখাবুলি বুহলৰে আগবঢ়োৱা সূত্ৰ ক্ৰটি চাহাবৰ দৃষ্টিত অৰ্থহীন। য়েৰ ৰগুৰী শৈললেখৰ লেখন ৰীতি হ'ল—কিছু অংশ বাওঁহাতৰপৰা সোঁহাতলৈ আৰু আন কিছু অংশ সোঁহাতৰপৰা বাওঁহাতলৈ। গতিকে ব্ৰাহ্মীলিপিক সোঁহাতৰপৰা বাওঁহাতলৈ লিখাৰ পদ্ধতি আছিল বোলাটো কল্পনা প্ৰসূত[৮৮]। আন কথাত উত্তৰ ছেমীয় লিপিৰ আধাৰত ব্ৰাহ্মীলিপিৰ উদ্ভৱ বোলা যুক্তিটোৰে ঠেকহীন।

এচাম পুৰালিপিতত্ত্ববিদে ব্ৰাহ্মীলিপিৰ উৎপত্তি আৰু বিকাশ ভাৰত ভূমিতে হোৱা বুলি ভাবে। ড এফ মেচনে (F Mason) কয় যে খ্ৰীষ্টজন্মৰ ছয় শতাব্দী পূৰ্বেই ভাৰতীয় বৰ্ণমালাৰ সৃষ্টি হৈছিল আৰু গৌতম বুদ্ধৰ জন্মৰ আগেয়ে তাৰ বহুল প্ৰয়োগ আছিল[৮৯]। প্ৰবীণ ভাষাতত্ত্ববিদ জন বিমেও (J Beam) খৃষ্টজন্মৰ তিনিশ বছৰৰ আগৰেপৰা পালি আখৰৰ চল্তি থকা বুলি দৃঢ়ভাৱে ঘোষণা কৰিছে[৯০]। জেনেৰেল এ কানিংহাম এই মতৰ আন এজন প্ৰবক্তা। ১৮৭৭ খ্ৰীষ্টাব্দত প্ৰকাশিত *Corpus*

---

৮৮ তিৱাৰী, ভোলানাথ—ভাষা বিজ্ঞান, পৃ ৪৩৩—৩৫

৮৯ Mason, F —*Kachchayano's Pali Grammar*, P 7

৯০ Beam, J—*Comparative Grammar of the Modern Aryan Languages of India*, Vol I P. 57

Inscriptionum Indicarum শীৰ্ষক সম্পাদিত গ্ৰন্থৰ পাতনিত তেওঁ দৃঢ়ভাৱে ঘোষণা কৰে যে ভাৰতীয় পালি বা ব্ৰাহ্মীলিপি ভাৰতীয় চিত্ৰলিপিৰপৰা বিকশিত হয়[৯১]। তেওঁৰ কথাৰে মিছৰৰ চিত্ৰাক্ষৰ মিছৰবাসীয়ে সৃষ্টিকৰাৰ দৰে ভাৰতীয় বৰ্ণমালা ভাৰতত্তে সৃষ্টি হৈছিল। মই স্বীকাৰ কৰোঁ, ভাৰতীয় বহুবৰ্ণৰ গঢ় একে বস্তু বুজোৱা মিছৰৰ ভাৰলেখিনি পূত খোদিত লিপিৰে মিলি যায়। পিছে উভয়ৰে উচ্চাৰণ বেলেগ। কিয়নো সিবোৰে দুয়োটা ভাষাত বেলেগ বেলেগ শব্দৰ (ধাতুৰ) সাধন কৰে। দৃষ্টান্ত স্বৰূপে, মিছৰবাসীয়ে বাট বুলোঁতে মেলি দিয়া ভৰি দুখনৰ চিত্ৰৰ সহায়ত গতি বুজাইছিল। ভাৰতবাসীয়ে তেনেকৈ মেলি দিয়া কম্পাচৰ কঁটা এটাৰ চিত্ৰেৰে 'গ' অক্ষৰৰ (গমন কৰা অৰ্থত) সূচনা কৰিছিল, কিন্তু মিছৰত সেই চিত্ৰই 'স (s) আখৰৰ হে নিৰ্দেশ দিয়ে। মই কওঁ, ভাৰতবাসীয়ে এই প্ৰতীকচিহ্ন মিছৰবাসীৰপৰা ঋণকৰা হৈঁতেন সি 'গ' নুবুজাই 'স' বুজালেহেঁতেন। আসিৰীয়সকলে আক্কাডীয় লিপিমালা ধাৰ কৰে যতে তেনে কৰিছিল অৰ্থাৎ মিছৰবাসীৰ সৈতে তেওঁলোকৰ বৰ্ণমালাৰ ধ্বনিসাম্য ৰক্ষা কৰিছিল। তেওঁৰ অনুমান মতে, ব্ৰাহ্মী 'খ' সংস্কৃত খনিত্ৰ বা কোদালৰ অনুকৰণত, যন্ত্ৰ অথবা মানুহৰ কোনো অংগৰ অনুকৰণত 'য' দাঁতৰপৰা 'দ', হাতৰ অনুকৰণত 'প', ধেনুৰ অনুকৰণত 'ধ', বীণাৰ অনুকৰণত 'ব', নাকৰ অনুকৰণত 'ন', লাঙলৰ অনুকৰণত 'ল', আৰু কাণৰ অনুকৰণত 'শ বৰ্ণলিপি বিকশিত হোৱা। একেদৰে অক্ষিৰ অনুকৰণত 'অ', ঈষৰ অনুকৰণত 'ই' বা 'ঈ', ওঁঠৰ অনুকৰণত 'ও', কুঠাৰৰ অনুকৰণত 'ক', চামৰৰ অনুকৰণত 'চ', ছত্ৰৰপৰা 'ছ' টংক বা তৰোৱালৰপৰা 'ট', ত্বৰিত গতিৰ অনুকৰণত 'ত' আৰু ফণীৰ অনুকৰণত 'ফ বৰ্ণলিপিৰ উদ্ভৱ সম্ভৱ হৈছে[৯২]। কল্পনা প্ৰসূত কানিংহামৰ সিদ্ধান্তক বুহলৰে তীব্ৰ সমালোচনাৰে থকা সৰকা কৰে।

পণ্ডিত আৰ শৰ্মাশাস্ত্ৰীয়ে সংস্কৃত তান্ত্ৰিক শাস্ত্ৰৰ সূত্ৰধৰি ভাৰতীয় লিপিয়ে বিভিন্ন প্ৰতীকৰপৰা বিকশিত হোৱা বুলি মন্তব্য দিছিল। পূজাৰ কাৰণে পাতৰ ওপৰত অংকিত ভিন্ন আকাৰৰ সৰু বৰ বৃত্ত আৰু ত্ৰিভুজৰ মাজৰ প্ৰতীকক 'দেৱানাম নগৰম' আখ্যা দিয়া হয়। এই দেৱনগৰৰ মাজত অংকিত অনেক প্ৰকাৰ প্ৰতীক চিহ্নই কালক্ৰমত বেলেগ বেলেগ লিপিৰ ৰূপ লয়। বিশেষকৈ 'দেৱনাগৰী' শব্দৰ তাৎপৰ্য

---

৯১ Cunninghum A —(ed) *Corpus Inscriptionum Indicarum* Vol I, P 52

৯২ Cunninghum, A,—*Inscriptions of Asoka*, PP 51—63
Dutta R C —*Civilization in the Buddhist Age* P 113

সেয়ে[৯৩]। পিছে তন্ত্ৰশাস্ত্ৰ বেদতকৈ পুৰণি বুলি আজিও সৰ্বমান্য সিদ্ধান্ত হোৱা নাই। গতিকে এই সূত্ৰই আমাক এটি ভুল সিদ্ধান্তৰ ফালেহে আগবঢ়াই দিয়ে[৯৪]।

জন দচনে (Jhon Dowson) ভাৰতীয় লিপিমালা গংগা উপত্যকাৰ কোনোবা খিনিত সৃষ্টিৰ সম্ভাবনা প্ৰকাশ কৰে[৯৫]। এওঁৰ পৰবৰ্তী পণ্ডিত জয়স্বলে (Jayaswal) হিন্দু অক্ষৰ বৈদিক যুগতে উদ্ভব হোৱা বুলি কয়[৯৬]। পণ্ডিত গৌৰীশংকৰ হিৰচন্দ ওঝাই দৃঢ়ভাৱে ঘোষণা কৰে যে চিত্ৰলিপিৰপৰা কালক্ৰমত ভাৰতীয় লিপিৰ উদ্ভৱ হৈ সময়ৰ অগ্ৰগতিৰ লগে লগে সি ধ্বনিতাত্ত্বিক বৈশিষ্ট্যসমূহ সংৰক্ষণ কৰিবলৈ সমৰ্থ হয়। ইয়াত কোনো বিদেশী লিপিৰ ছাঁ নাই[৯৭]।

ভাৰতীয় ব্ৰাহ্মীলিপিৰ উৎপত্তিৰ আঁত বিচাৰি দেশ বিদেশলৈ ঢাপলি মেলাতকৈ সিন্ধুলিপিৰ ওচৰ চাপিলে ভালেখিনি সমস্যা কমি যায়, সিন্ধুলিপি চিত্ৰলিপি, ভাৱলিপি আৰু ভাৱধ্বনিমূলক লিপিৰ সমাহাৰ। সেইলিপিৰপৰা কালক্ৰমত ব্ৰাহ্মীৰ বিকাশ হোৱাৰ সম্ভাৱনা সৰহ। এই দিশলৈ জয়স্বতে আঙুলিয়াই লংডনে (Longdon) কয়, 'the early syllabic alphabet of Northern India known as Brahmi script, from which all later characters were derived, is most probably a survival of the early pictographic system of the Indus Valley'[৯৮] ইয়াৰ পিছত আৰ জি হাণ্টাৰ চাহাবে ব্ৰাহ্মীক হৰপ্পীয় লিপিৰ বংশধৰ বুলিকৈ সিন্ধুলিপিৰ বিভিন্ন প্ৰতীকচিহ্নই ব্ৰাহ্মীতল কেনেদৰে ৰূপান্তৰিত হৈছে তাৰ বহল আলোচনা আগবঢ়ায়[৯৯]। সুপ্ৰসিদ্ধ ভাষাতত্ত্ববিদ্ ড° সুনীতি কুমাৰ

---

৯৩ *IA*, Vol, XXXV P 225

৯৪ Upasak C H —*HPMB* P 13

৯৫ *JRASB* (New Series) Vol XIII (1881) P 112

৯৬ *Journal of Bihar and Orissa Research Society*, Vol VI (1920) PP 188—200

৯৭ 'নিশ্চয় কে সাথ ইতনা হী কহা জা সকতা হৈ কি ইস বিষয় কে প্ৰমাণ জহাঁ তক মিলতে হৈঁ, বহাঁ তক ব্ৰাহ্মী লিপি অপনী পৌঢ় অৱস্থা মে ঔৰ পূৰ্ণ ব্যৱহাৰ মেঁ আতী হুই মিলতী হৈ, ঔৰ উসকা কিসী বহাৰী ক্ষেত্ৰ ঔৰ প্ৰভাৱ সে নিকলনা সিদ্ধ নহী হোতা।'—প্ৰাচীন ভাৰতীয় লিপিমালা, পৃ ৩০

৯৮ Marshall, J —*Mohenjodaro and the Indus Valley Civilization* Vol II P 427

৯৯ Hunter—*Harappa Script and its connection with others Scripts* দ্ৰষ্টব্য।

চট্টোপাধ্যায়[১০০], ড ৰাজবলী পাণ্ডে[১০১] আৰু প্ৰখ্যাত পুৰালিপি আৰু অভিলেখবিদ ড° দীনেশচন্দ্ৰ সৰকাৰে[১০২] লংডন আৰু হাণ্টাৰ চাহাবৰ মন্তব্যত হয়ভৰ দিয়ে।

ব্ৰাহ্মীলিপিৰ জন্মদাতা আৰ্য নে দ্ৰাবিড়সকল, এই লৈ পণ্ডিতসকলৰ মাজত মতানৈক্য নথকা নহয়। এডোৱাৰ্ড জোচেফ টমাচে (E J Thomas, 1869—1958) দ্ৰাবিড়সকলক এইলিপিৰ সৃষ্টিকৰ্তাৰ আসনত অধিষ্ঠিত কৰিবলৈ বহুৱাবলৈ যত্ন কৰিছিল[১০৩]। আৰ্যসকলৰ পূৰ্বে দ্ৰাবিড়সকল ভাৰত ভূমিত পদাৰ্পন কৰা সূত্ৰৰ আলমত এই নতুন সূত্ৰ উত্থাপিত হৈছিল যদিও একাধিক কাৰণত ই সৰ্বজন গ্ৰাহ্য নহ'ল। কিয়নো পুৰণি ব্ৰাহ্মীৰ অধিকাংশ নিদৰ্শনে উদ্ধাৰ হৈছে উত্তৰ ভাৰতত দাক্ষিণাত্যত নহয়। দাক্ষিণাত্যৰ আদিবাসী দ্ৰাবিড়সকল ইয়াৰ জন্মদাতা হোৱা হ'লে দাক্ষিণাত্যত ইয়াৰ একাধিপত্য থাকিব লাগিছিল। দ্বিতীয়তে দ্ৰাবিড় ভাষা গোষ্ঠীৰ প্ৰাচীনতম ভাষা তামিলত বৰ্ণমালাৰ বিভিন্ন বৰ্গৰ প্ৰথম আৰু পঞ্চম বৰ্ণহে উচ্চাৰিত হয়—বাকীবোৰ নহয়। আনহাতে ব্ৰাহ্মীত বৰ্গৰ পাঁচোটা বৰ্ণৰেই শুদ্ধ উচ্চাৰণ থোকাৰ প্ৰমাণ বৰ্তমান। গতিকে ব্ৰাহ্মীলিপিৰ জননীৰ আসন দ্ৰাবিড়সকলৰ প্ৰাপ্য নহয়। অৱশ্যে ইয়াৰ জন্মলগ্নত আৰ্যসকলৰ অবদানৰ কথা কানিংহাম, লছেন আৰু দৰনে শ্ৰদ্ধাৰে স্মৰণ কৰাত কাৰ্পণ্য দেখুৱা নাই। এই লিপিৰ নিটোল ৰূপদানৰ ক্ষেত্ৰত সংস্কৃত বৈয়াকৰণসকলৰ অবদান কোনোপধ্যেই অস্বীকাৰ কৰিব নোৱাৰি। ধ্বনিতত্ত্বৰ দীৰ্ঘম্যাদী গবেষণাৰ ফলশ্ৰুতি ব্ৰাহ্মীলিপি। ড নিডহাম ৰৰ্বাট কাষ্টে ক'বৰ দৰে, 'The Indian alphabet is a marvellous and magnificient phenomenon quite unrivalled in the world'[১০৪] প্ৰস্তুতিপৰ্বতই হয়তো ব্যৱসায় বাণিজ্যৰ কামত নিয়োজিত হৈছিল—বণিক ফিনিচীয়সকলৰ কল্যাণত চিৰিয়া আৰু চাইপ্ৰাচদ্বীপৰ প্ৰাচীন আদিবাসীসকলৰ লিপিক প্ৰভাৱান্বিত কৰিছিল, কিন্তু পিছলৈ ই বৈয়াকৰণসকলৰ ধ্বনিতত্ত্বচৰ্চাৰ বাহক হৈ অশোকৰ দিনত বৰ্ণলিপিৰ সম্মানীয় আসনত সমাসীন হ'ল[১০৫]।

---

১০০ Chatterjee, S K —*Languages and Literatures of Modern India*, P 65

১০১ Pandey R —*Indian Palaeography*, P 50

১০২ Sircar, D C —*Inscriptions of Asoka*, P 25

১০৩ Taylor, I —*The Alphabet*, Vol II P 305

১০৪ *JARSB* (New Series), Vol XVI (1884), P 325

১০৫ Upasak, C S —*Op Cit*, P 21

(ক) অশোককালীন ব্ৰাহ্মীলিপি

খ্ৰী পূ তৃতীয় চতুৰ্থ শতাব্দীত বৌদ্ধধৰ্মৰ পৱিত্ৰ বাণীসমূহ লিপিবদ্ধ কৰিবলৈ ব্ৰাহ্মীলিপিৰ প্ৰথম প্ৰয়োগ হোৱা বুলিব পাৰি। আদিতে বৰ জনপ্ৰিয় নহ'লেও কালক্ৰমত এয়ে ভাৰতৰ একমাত্ৰ লিপিত পৰিণত হ'ল। 'দেৱতাসকলৰ প্ৰিয় প্ৰিয়দৰ্শী ৰজা' 'মাগধ' অশোকে এই লিপিত তেওঁৰ 'ধম্মলিপিসমূহ' খোদিত কৰাৰ পিছৰেপৰা ইয়াৰ মৰ্যাদা বাঢ়িল আৰু ৰাষ্ট্ৰীয় ঐক্য সাধনৰ সেতু স্বৰূপ হ'ল। অশোককালীন ব্ৰাহ্মীলিপিৰ নিদৰ্শনসমূহ গিৰিশিলাপৃষ্ঠ, শিলাফলক অথবা শিলাস্তম্ভত সংৰক্ষিত হৈছে। গিৰিশিলাপৃষ্ঠত খোদিত লিপিমালাৰ চৈধ্য শিলানুশাসনৰ নাম সৰ্বাগ্ৰে উল্লেখনীয়। ইয়াৰে উত্তৰ পশ্চিম ভাৰতৰ মানসেহৰা আৰু শ্বাহবাজগঢ়ীত খৰোষ্ঠী লিপিত খোদিত লিপিকেইখনৰ কথা ইতিমধ্যে আলোচিত হৈছে। উত্তৰ প্ৰদেশৰ দেৰাডুন জিলাৰ কালসী নামে ঠাইত চৈধ্যখনি শিলালেখ একেলগে খোদিত শিলটো উদ্ধাৰ হয়— ই. ১৮৬০ চনত[১০৬]। লিপিখোদিত শিলাৰ উত্তৰ দিশত এটি হাতীৰ মূৰ্তিৰ তলত গজতমে' কথা খোদিত কৰা দেখা যায়। তদুপৰি ষষ্ঠ সংখ্যক শিলালেখৰো তলত 'সেতো' অৰ্থাৎ 'শ্বেত' (হস্তী) শব্দ খোদিত হৈছে। পশ্চিম ভাৰতৰ কাঠিয়াবাড়ৰ জুনাগড় ৰাজ্যৰ গিৰনাৰ নামে ঠাইত প্ৰাপ্ত চৈধ্য শিলানুশাসনখনি ই. ১৮২২ত উদ্ধাৰকৰে ক টডে[১০৭]। এই শিলানুশাসনখনি খোদিত কৰা শিলটোৰ আনটো পিঠিত সুদৰ্শন নামক হ্ৰদ এটিৰ সন্দৰ্ভত পৰবৰ্তী যুগৰ আন দুখনি লিপি উৎকীৰ্ণ হোৱাটো মন কৰিবলগীয়া। ইয়াৰে প্ৰথমখনি খোদিত কৰোৱা হৈছিল—খ্ৰী দ্বিতীয় শতকত মহাক্ষত্ৰপ ৰুদ্ৰদামনৰদ্বাৰা আৰু দ্বিতীয়খনি খ্ৰীষ্টীয় পঞ্চম শতাব্দীত স্কন্দগুপ্তৰ ৰাজত্বকালত সৌৰাষ্ট্ৰ দেশৰ শাসনকৰ্তা চন্দ্ৰপালিতৰদ্বাৰা। বোম্বাইৰ থানা জিলাৰ সোপাৰা নামে ঠাইত উদ্ধাৰ হোৱা অশোকৰ চৈধ্য অনুশাসনৰ মাত্ৰ এখনহে সুৰক্ষিত অৱস্থাত ৰৈছেগৈ বাকী খিনি নষ্ট হ'ল[১০৮]। উৰিষ্যাৰ ভুবনেশ্বৰৰ নিকটৱৰ্তী ধৌলীৰ শিলানুশাসনত ১১, ১২ আৰু ১৩ সংখ্যক লিপি খোদিত হোৱা নাই। ই. ১৮৩৭ চনত লিপিখনি পোহৰলৈ আহে[১০৯]। উক্ত জিলাৰে গন্‌জাম জিলাৰ জৌগড়ত উদ্ধাৰ হোৱা লিপিখনতো একাদশ—ত্ৰয়োদশ সংখ্যক লিপি খোদিত হোৱা নাই[১১০]।

১০৬ Hultzsch—*CII*, Vol I, Int P XI

১০৭ Hultzsch—*Ibid*, P X

১০৮ Hultzsch—*Ibid*, P XV,

১০৯ Cunninghum, A—*In A*, P 15

১১০ Cunninghum A—*Ibid*, P 17

মাদ্ৰাজৰ কাৰনুল জিলাৰ য়েৰৰগুৰিত ই. ১৯২৯ চনত উদ্ধাৰ হোৱা শিলানুশাসনখনি লেখন ৰীতিৰ ফালৰপৰা বিচিত্ৰ[১১১]। ধৌলী আৰু জৌগড়ত একাদশ ত্ৰয়োদশ সংখ্যক তিনিখন লিপি বেলেগকৈ খোদিত কৰা হৈছিল[১১২]।

লঘু শিলানুশাসন উত্তৰ ভাৰতৰ সাসাৰাম [১১৩](বিহাৰৰ শাহাবাদ), ৰূপনাথ[১১৪] (মধ্যপ্ৰদেশৰ জব্বলপুৰ) আৰু বৈৰাট[১১৫]ত (ৰাজস্থানৰ জয়পুৰত) উদ্ধাৰ হৈছে। এই ধৰণৰ শিলানুশাসন দক্ষিণ ভাৰতৰ মাসকী[১১৬] (মহীশূৰৰ ৰাইচুৰ জিলা), পালকী গুণ্ডু। গৱীমঠ (হায়দ্ৰাবাদ ৰাজ্যত), এৰ্ৰাগুৰি[১১৭] (অন্ধ্ৰ), ব্ৰহ্মগিৰি (মহীশূৰৰ চিতল দুৰ্গ জিলাত), শিদ্দাপুৰ[১১৮] (মহীশূৰ), আৰু জাটি গ ৰামেশ্বৰত[১১৯] পোৱাটো উল্লেখযোগ্য। ব্ৰহ্মগিৰিৰ লঘুশিলানুশাসনৰ লিপিকৰ চপড়ে তেওঁৰ নামটো খৰোষ্ঠী লিপিত খোদিত কৰা লক্ষণীয়। দক্ষিণ ভাৰতৰ কৃষ্ণানদীৰ মোহনাত অৱস্থিত ভট্টিপ্ৰোলুত উদ্ধাৰ হোৱা সৰু সৰু লিপিমালাতো এইৰীতি দেখা যায়।

বিহাৰৰ গয়াজিলাৰ বৰাবৰ পাহাৰত অশোকৰ তিনিখনি গুহালেখ উদ্ধাৰ হৈছে[১২০]। জয়পুৰৰ ভাবৰু অনুশাসনত[১২১] 'মাগধ পদৰীৰ প্ৰয়োগ চকুতলগা। লুম্বিনী (নেপালৰ বস্তিজিলা)[১২২] নিগালীসাগৰ (বস্তিজিলা নেপাল)[১২৩] এলাহাবাদ[১২৪], সাৰনাথ[১২৫] আৰু সাচীৰ[১২৬] সংঘভেদ স্তম্ভানুশাসনসমূহ স্তম্ভত খোদিত হ লেও আন সাতখনি স্তম্ভানুশা-

১১১ Sircar, D C —*Select Inscriptions*, P 52
১১২ Cunninghum, A —*Op Cit*, P 19
১১৩ Cunninghum, A —*Op Cit*, P 20
১১৪ Cunninghum, A —*Ibid*, P 21—22
১১৫ Hultzsch—*CII*, Vol, I, P XXV
১১৬ Hultzsch—*Ibid*, P 176
১১৭ Hultzsch—*Ibid* P XXVII
১১৮ Hultzsch—*Ibid*, P XXVI
১১৯ Hultzsch—*Ibid*, P XXVII
১২০ *JRASB* (1847) Vol XVI, part I
১২১ Cunninghum, A —*Ibid*
১২২ Mukharjee, P C —*Antiquities in the Tarai Nepal*, P 34
১২৩ Mukharjee, P C —*Ibid* P 34
১২৪ Cunninghum, A —*Ibid*, P 39
১২৫ Cunninghum, A —*Ibid*, P 42
১২৬ *EA, Vol* VIII, P 166

সনহে প্ৰখ্যাত। এই সপ্তস্তম্ভানুশাসন উদ্ধাৰ হোৱা স্থানসমূহ হ'ল বিহাৰৰ চম্পাৰণ জিলাৰ ৰামপুৰ্বা[১২৭], অৰৰাজ লউৰিয়া[১২৮], নন্দনগড়[১২৯], এলাহাবাদ দিল্লী মীৰাট[১৩০] আৰু তোপৰা জিলা[১৩১]।

গিৰিশিলানুশাসনসমূহতকৈ শিলাস্তম্ভ অথবা শিলাফলকৰ আখৰবোৰ অধিক উন্নত, সুগঠী আৰু কলাত্মক। পৰ্বতৰ শিলৰ গাত অনুশাসনসমূহ খোদিত কৰাৰ পূৰ্বে শিলৰ পিঠিখন কাটি মিহি কৰি লৈ পিছত তাৰ ওপৰত লিপি খোদিত কৰা হৈছিল। শিক্ষিত লিপিকৰে শৈলপৃষ্ঠত প্ৰথম সাঁচটো কৰি দিয়াৰ পিছত খোদকাৰে খোদানেৰে লিপিসমূহ খোদিত কৰিছিল। ক্ষুদকাৰজন শিক্ষিত অথবা অশিক্ষিতো হ'ব পাৰে। স্তম্ভলিপিৰ খোদকাৰসকল নিপুত হাতৰ বেতনভোগী লোক আছিল। তেওঁলোকে লিপি খোদিত কৰা কালত লিপিৰ দুই এডাল ৰেখা ইফাল সিফাল কৰাৰ প্ৰমাণ পোৱা যায়[১৩২]। অশোকৰ ভিন্ন শাসনৰ 'য়' লিপিৰ ভূমিসংলগ্ন হাকোটা ডালৰ দিশ পৰিৱৰ্তন অথবা ঘূৰীয়া হাকোটাৰ খোদন তাৰ উৎকৃষ্ট উদাহৰণ। কেতিয়াবা কেতিয়াবা একেখনি ধৰ্মলিপি একাধিক খোদকাৰৰদ্বাৰা খোদিত হৈছিল। এটা অক্ষৰৰ বেলেগ বেলেগ আকৃতিয়ে তাৰ প্ৰমাণ। গিৰ্ণাৰ শিলানুশাসনৰ 'অ' ৰ নটা, 'ৰ' ৰ চাৰিটা আৰু 'ঞ'ৰ ছটা ভিন্নৰূপৰ কথা এইখিনিতে আঙুলিয়াব পাৰি। একেদৰে দিল্লী তোপৰা স্তম্ভলিপিৰ প্ৰথম চতুৰ্থ শাসনৰ অক্ষৰে সপ্তম শাসনৰ আখৰক কোনোপধ্যেই সমতালৈ আনিব নোৱাৰি[১৩৩]।

লিপি খোদাই কৰাৰ পূৰ্বে স্তম্ভবোৰ যথাস্থানত পুতি লোৱা হৈছিল। কোনো কোনো পণ্ডিতৰ মতে 'অশোকস্তম্ভসমূহ' প্ৰাক্-অশোক যুগৰ। অশোকে ধৰ্মলিপি খোদিত কৰাৰ পিছত সিবোৰ 'অশোকস্তম্ভ' ৰূপে পৰিচিত হয়। এই যুক্তি দৰ্শোৱাসকলে তেওঁলোকৰ যুক্তি প্ৰতিপন্ন কৰিবলৈ সপ্তম স্তম্ভানুশাসনৰ অন্তিম শাৰীলৈ আঙুলিয়ায়। তাত আছে 'য'ত শিলাস্তম্ভ বা শিলাফলক আছে তাতেই এই ধৰ্মলিপি কৰদহ হ'ব।

---

১২৭ *ASI (AR)* 1907 8, P 181
১২৮ Cunninghum, A —*Inscriptions of Asoka* P 40
১২৯ Cunninghum, A —*Ibid*, P 41
১৩০ Cunninghum, A —*Ibid*, P 37
১৩১ Cunninghum, A —*Ibid*, P 37
১৩২ Dani, A H —*Indian Palaeography*, P 12
১৩৩ Upasak C S —*Op Cit* P 26

তেহে ই চিৰস্থিতিক হ'ব। অশোককালীন ব্ৰাহ্মী পোন আৰু কৌণিক। কেইটামান অক্ষৰত বৃত্ত আৰু অৰ্ধবৃত্তৰ স্থিতি মনকৰিবলগীয়া। আখৰবোৰ সমউচ্চৰ। আনকি সংযুক্তাক্ষৰ খোদাই কৰা কালতো সম উচ্চতাৰ হেৰফেৰ নহয়। শাৰীবোৰ বাওঁফালৰ পৰা সোঁফালকৈ লিখা। দণ্ডৰদ্বাৰা বিৰাম বুজোৱা ৰীতি তেতিয়াৰ দিনতো আছিল। এখন শাসনৰ পাঠ শেষ হোৱাৰ লগে লগে শাৰীটো উকা ৰাখি নতুন শাৰীৰে নতুন ফলি আৰম্ভ কৰা ৰীতি চমকপ্ৰদ। লিখাত ভুল হ'লে তাক অনুভূমিক ৰেখা এডালেৰে কাটি তাৰ ওপৰত সৰু অক্ষৰেৰে শুদ্ধ ৰূপটো খোদিত হৈছিল। শিলানুশাসনৰ লিপিত কৌণিক ৰূপ সৰহ স্তম্ভলিপিত পকাই লিখাৰ পদ্ধতিয়ে স্থান বিশেষে ভূমুকি মাৰিছে। হ'লেও স্তম্ভলিপিৰ অক্ষৰ প্ৰণালীবদ্ধভাবে খোদিত পৰিষ্কাৰ-পৰিচ্ছন্ন, গভীৰ আৰু কলাসম্মত। মৌৰ্যযুগীয় কলাৰ স্বাক্ষৰ অকল স্তম্ভশিখৰতে সীমিত নহয়, স্তম্ভলিপিতো তাৰ প্ৰকাশ বিদ্যমান।[১৩৪]

অশোক কালীন লিপিসমূহ অধ্যয়ন কৰিলে সিবোৰত দুটি ৰূপ দেখা যায়। প্ৰথমটো, মৌলিক আৰু দ্বিতীয়টো সাধিত[১৩৫]। মৌলিক অক্ষৰসমূহ হ'ল—স্বৰবৰ্ণ অ, ই, উ ব্যঞ্জনবৰ্ণ ক, গ, ঘ, চ, জ, ঝ, ট, ড, ত, দ, ন, প, ব, ম, য়, ৰ, ল, ব, শ, স আৰু হ। অক্ষৰৰ সংখ্যা—২৪। সাধিত স্বৰবৰ্ণ হ'ল—আ, ঈ, ঊ, ঐ, ও, ঔ আৰু ং। এই শ্ৰেণীৰ ব্যঞ্জনবৰ্ণকেইটা হ'ল—খ, ঙ, চ, ঞ, ঠ, ঢ ণ, থ, ধ, ফ, ভ, ঢ় আৰু ষ। অক্ষৰৰ মুঠ সংখ্যা—২১। অশোকৰ শিলালেখত স্বৰবৰ্ণৰ অ, আ ই, এ, উ, ও আৰু অং—এই সাতোটাৰ প্ৰয়োগ আদিস্থানত দেখা যায়। মধ্যবৰ্তীস্থানত আ ই, ঈ, উ, ঊ, এ, ঐ, ও আৰু অনুস্বাৰৰ ব্যৱহাৰ হৈছে।

পুৰালিপিতত্ত্ববিদ্ বুহলৰে অশোকৰ দিনতে ব্ৰাহ্মীলিপিয়ে উত্তৰ আৰু দক্ষিণ এই দুই শৈলীত বিভাজিত হোৱাবুলি মন্তব্য ৰাখিছে।[১৩৬] স্থানীয় লিপিকৰৰ বাবে এই ভিন্নতাই গা কৰি উঠাৰ সপক্ষে পণ্ডিত ওঝাই যুক্তি দৰ্শায়[১৩৭]। ড° ৰাজবালী পাণ্ডেয়ো বিশেষ বিচাৰ বিশ্লেষণ নকৰাকৈ উত্তৰ আৰু দক্ষিণ শৈলীৰ অস্তিত্ব স্বীকাৰ কৰাটো মনকৰিবলগীয়া[১৩৮]। অৱশ্যে এটা কথা থিক যে সম্ৰাট অশোকৰ কালত ব্ৰাহ্মীৰ ৰূপ

১৩৪ Coomaraswamy, A K—*History of Indian and Indonesian Art* P 16 and Smith, V—*Asoka* P 107

১৩৫ Upasak, C S—*Op Cit* P 20

১৩৬ Buhler G—*IP* Pp 6 7

১৩৭ ওঝা—প্ৰাচীন ভাৰতীয় লিপিমালা, পৃ ৪৯

১৩৮ Pandey, R—*Indian Palaeography*, P 29

দুটা—এটা ৰাজকীয়[১৩৯] যাৰ নিদৰ্শন সম্রাটৰ ধৰ্মলিপিসমূহত সুৰক্ষিত হৈছে আৰু আনটো স্থানীয়[১৪০] বা ব্যক্তিগত, যিটো ৰূপ পিপ্ৰৱা পাত্ৰ লেখত দেখা যায়।

খ্ৰীষ্টজন্মৰ তিনি শতাব্দী পূৰ্বৰ আন নিদৰ্শনৰ ভিতৰত অশোকৰ পৌত্ৰ ৰজা দশৰথৰ নাগাৰ্জুনী পাহাৰৰ গুহা লেখ[১৪১], মহাস্থান অনুশাসন [১৪২], সোগড় ধাতৱ অনুশাসন [১৪৩], পিপ্ৰবা পাত্ৰলেখ [১৪৪] আৰু ৰামগড় গিৰিলেখৰ [১৪৫] নামোল্লেখ কৰিব পাৰি। নাগাৰ্জুনী গুহা'লেখৰ লিপি বৈশিষ্ট্য বৰ্ণাবলৈ গৈ ড° উপাসকে লিখিছে, the verticals of the letters are striking reduced and a thickening tendency is also noticed in some of the letters '[১৪৬], জ ৰ এচলীকৰণ মধ্যস্থানস্থ ও ৰ ঋজু দিগ বলয় ৰেখাৰ অন্তিম তৰ গত এটি আৰু স ৰ ঠাইত শ ৰ প্ৰয়োগ এই লিপিৰ আন মন কৰিবলগীয়া বৈশিষ্ট্য[১৪৭]।

মহাস্থান অনুশাসনৰ লিপি অশোকৰ অভিলেখমালাৰ লিপিৰে অভিন্ন। ইয়াত চৰকাৰী অভিলেখৰ কথা উল্লিখিত হৈছে। সোগড় ধাতৱ অনুশাসনখনিৰ লিপি স াচত ঢালোতে একাধিক অক্ষৰৰ গঢ মিল হোৱাটো মন কৰিবলগীয়া। ১৮৯৮ খ্ৰীষ্টাব্দত উদ্ধাৰ হোৱা পিপ্ৰবা (Piprawa) পাত্ৰ লিপিৰ আখৰবোৰ জোঙা ষ্টাইলাচেৰে আঁচুৰি আচুৰি লিখা। বালি শিলৰ ওপৰত ষ্টাইলাচেৰে আচুৰি আখৰ লিখা কামটো বৰ সহজ নহয়। সেইবাবে একাধিক অক্ষৰত অৰ্দ্ধকাৰী আৰু ওপৰঞ্চি ৰেখা দেখিবলৈ পোৱা যায় [১৪৮]। ৰামগড গিৰি গুহালিপি প্ৰকৃতিত বেচৰকাৰী যদিও মহাস্থান লিপিৰ সৈতে ইয়াৰ সাদৃশ্য ভালেখিনি। বিৰতি চিহ্ন ৰূপে দুয়োখন লিপিতে দণ্ডৰ প্ৰয়োগ, স ৰ ঠাইত শ ৰ ব্যৱহাৰ এইখিনিতে উল্লেখযোগ্য। পুৰালিপিতত্ত্বৰ ফালৰপৰা উপৰি উক্ত আটাই কেইখন লিপিয়ে খ্ৰীষ্টজন্মৰ অন্তিম লহৰত খোদিত কৰা। এই সময়ৰ পুৰালিপিৰ

১৩৯ Dani, A H —*In P* P 50

১৪০ Upasak, C S —*Ibid*, P 193

১৪১ *Mem A S I* No I

১৪২ Barua, B M —*IHQ*, X, PP 55—66

১৪৩ Barua, B M —*Ibid*, PP 54—56

১৪৪ Bloch, T —The Peppe Inscription, *J R A S*, *1899*, PP 425—26 , Thomas, F W —*JRAS*, *1906*, PP 452—53

১৪৫ Cunninghum, A —*Inscriptions of Asoka*, P 33

১৪৬ Upasak, G S —*OP Cit*, P 173

১৪৭ Verma, T P —*The Palaeography of Brahmi Script*, P 11

১৪৮ Sircar, D C —*Select Inscriptions*, P 83

বৈশিষ্ট্য বৰ্ণাবলৈ গৈ ড° ঠাকুৰপ্ৰসাদ বৰ্মাই কয়, During this period, Brahmi freed itself from the stereo typed formula of Asoka's imperial mode of expression and tended towards popularity, [১৪৯], এই লিপি কেইখনৰ ডুখনমানৰ আখৰ প্ৰগতিৰ ফালে আগবাঢ়িছিল আৰু তড়িৎ গতিত লিখাৰ ফলশ্ৰুতি ৰূপে দেখা দিয়া অক্ষৰৰ পাক পৰিস্ফুট হৈছিল যদিও অধিকাংশ লেখাই কৌণিক আৰু প্ৰাচীন পন্থাৰ নিদৰ্শনহে উদঙাই দেখুৱাইছে। পিপ্ৰবা পাত্ৰ লিপিৰ লেখাই দ্বিতীয় বিধৰ দৃষ্টান্ত দাঙি ধৰে যদিও দশৰথৰ নাগাৰ্জুনী গুহালিপিৰ অক্ষৰে গতিশীলতাৰ দিশত পোহৰ পেলায়। সোগড় ধাতৱ লিপিৰ বৈশিষ্ট্য স্বকীয়া—কাৰণ সেইখনৰ লিপি খোদিত নহয়—স াচত ঢালাহে।

(খ) ব্ৰাহ্মীলিপিৰ পৰীক্ষা-নিৰীক্ষা আৰু প্ৰগতিৰ কাল . শুংগ-শক আৰু ক্ষত্ৰপকালীন ব্ৰাহ্মী

খ্ৰী পূ দুশ শতাব্দীৰেপৰা খ্ৰীষ্টজন্মৰ কাললৈকে ভাৰতীয় ব্ৰাহ্মীলিপিয়ে ভালেখিনি পৰীক্ষা নিৰীক্ষাৰ মাজেদি বিকাশৰ ফালে আগবাঢ়ে। এই কালছোৱাতে ভাৰত ভূমিত বৈদেশিক আক্ৰমণ চলে আৰু গ্ৰীকসকলে এই দেশৰ উত্তৰ পশ্চিম কোণত শাসন কাৰ্য চলাবলৈ লয়। লগে লগে যবন লেখন কলাই ভাৰতীয় পুৰালিপিত প্ৰভাব পেলায়। মুদ্ৰালিপিত এই প্ৰভাব দেখা যায়। এনে মুদ্ৰা তক্ষশিলাত আৰম্ভ কৰি মধ্যপ্ৰদেশৰ এৰণলৈকে উদ্ধাৰ হৈছে। গ্ৰীকৰ আহিত ভাৰতবাসীয়ে লিপিৰ ক্ষেত্ৰত বিভিন্ন পৰীক্ষা নিৰীক্ষা চলোৱা খ্ৰী পূ দ্বিতীয় শতাব্দীটোক ড° ঠাকুৰপ্ৰসাদ বৰ্মাই 'পৰীক্ষা নিৰীক্ষাৰ যুগ' (Age of Experiments) আখ্যা দিছে [১৫০]। খ্ৰী পূ দ্বিতীয় শতাব্দীত আৰম্ভ হোৱা লিপিৰ পৰীক্ষাৰ ধাৰাটি খ্ৰীষ্টজন্মৰ প্ৰথম শতাব্দী পূৰ্বলৈকে অব্যাহত ৰ ল। মুদ্ৰাৰ উপৰি সাঁচী আৰু ভৰহুতৰ বেদিকাৰ বিভিন্ন স্থানত ৰাজকীয় লিপিকৰৰ উপৰি ভিক্ষু আৰু উপাসকৰো হস্তাক্ষৰে শোভা বৰ্ধন কৰে। ভাৰতীয় পুৰালিপিৰ এই কাল ছোৱাক কোনো কোনোৱে 'ব্যাপ্তিৰ কাল (The Period of Diffusion) আখ্যা দিছে[১৫১]। ইয়াৰ পিছত খ্ৰীষ্টীয় প্ৰথম শতাব্দীৰ একাধিক দশকলৈকে শক আৰু ক্ষত্ৰপ নৃপতিমণ্ডলীৰ পৃষ্ঠপোষকতাত তীক্ষ্ণ লেখনিৰ প্ৰয়োগে

১৪৯ Verma, T P—*OP Cit*, P 17
১৫০ Verma, T P—*OP Cit*, PP, 42-56
১৫১ Verma, T P—*Ibid* PP 57-81

ভাৰতীয় ব্ৰাহ্মীলিপিৰ চেহেৰা ভালেখিনি সলাবলৈ সমৰ্থ হয়। গতিকে খ্ৰী পূ দ্বিতীয় শতাব্দীৰপৰা খ্ৰীষ্টীয় প্ৰথম শতাব্দীৰ প্ৰথম ভৰংগলৈকে ভাৰতীয় লিপিৰ বিকাশৰ ধাৰাটিৰ এটি পৰিচয় তলত আগবঢ়োৱা হ'ল।

মহাবীৰ আলেকজেণ্ডাৰৰ আক্ৰমণৰ পিছৰেপৰা উত্তৰ পশ্চিম ভাৰত যৱনসকলৰ হস্তগত হ'ল। বহুকেইজন যৱন অথবা ভাৰত যৱন ৰজাই উপৰ্যুক্ত অঞ্চলত শাসন কাৰ্য চলাবলৈ লয়। ভাৰত যৱন নৃপতিসকলৰ ভিতৰত মিনেণ্ডৰ বৰ শক্তিশালী নৃপতি আছিল। তেওঁ ৰাজ্যৰ পৰিধি গান্ধাৰ কিংবা পঞ্জাৱতে সীমাৱদ্ধ নাৰাখি গংগা উপত্যকালৈকে সম্প্ৰসাৰিত কৰিছিল। তেওঁৰ অধীনত কৰতলীয়া নৃপতি থকাটোও তাৎপৰ্যপূৰ্ণ। মুদ্ৰাৰপৰা জনা যায় যে উত্তৰ পশ্চিম ভাৰত ভূমিত কমেও একুৰি দুজন ভাৰত যৱন নৃপতিয়ে শাসনকাৰ্য সম্পাদন কৰিছিল[১৫২]। এই নৃপতিসকলে ভাৰত ভূমিত উন্নত মুদ্ৰাৰ প্ৰচলন কৰে। তেওঁলোকে ইতিপূৰ্বে ভাৰতত প্ৰচলিত মুদ্ৰাত ছাপ দিয়া পদ্ধতি (techniques of punching) বিস্মৃতিৰ গৰ্ভলৈ ঠেলি দি উন্নত ধৰণৰ ছাপ দিয়া বা সাঁচত ঢলা পদ্ধতিৰ (techniques of incuse—stamping, diestriking আৰু casting) প্ৰৱৰ্তন ঘটায়[১৫৩]। ভাৰতৰ প্ৰাচীনতম মুদ্ৰা অযোধ্যা [১৫৪] এৰণ [১৫৫] কৌশাম্বী[১৫৬], মথুৰা[১৫৭] প্ৰভৃতি স্থানত উদ্ধাৰ হৈছে। ভাৰত যৱন নৃপতিমণ্ডলীয়ে চলোৱা উন্নত মানৰ সাঁচত ঢলা মুদ্ৰা তক্ষশিলা[১৫৮] আৰু পাঞ্চাল অঞ্চলত[১৫৯] পোৱা গৈছে। ভাৰত যৱন নৃপতিমণ্ডলীৰ মুদ্ৰাৰ এপিঠিত নৃপতিজনাৰ শিৰভাগ খোদিত কৰা দেখা যায়। আনটো পিঠিত থাকে ৰজাৰ নামটো। নৃপতিৰ নাম খোদিত কৰা কালটোত বিভিন্ন গ্ৰীক দেব দেৱী,

---

১৫২ Gupta, P L—*Coins*, P 20

১৫৩ The Indo-Bractrian rulers issued coins by die-striking technique which was earlier unknown in India and followed the Greek pattern—P L Gupta, P 21

১৫৪ Allan—*Catalogue of the Coins in Ancient India*, P LXXXIX

১৫৫ Allan—*Ibid*, P XCI

১৫৬ Allan—*Ibid*, P XCVI

১৫৭ Rapson, E J—*Indian Coins*, P 14

১৫৮ Rapson, E J—*Ibid*, P 14

১৫৯ Rapson, E J—*Ibid*, P 14

অশ্বাৰোহী, হাতী প্ৰভৃতিৰ প্ৰতিকৃতিও দেখা যায়। এই মুদ্ৰাবোৰত গ্ৰীক খৰোষ্ঠী অথবা গ্ৰীক ব্ৰাহ্মী লিপি খোদন কৰাটো আন এটি মন কৰিবলগীয়া বিষয়। অৱশ্যে মুদ্ৰা পৃষ্ঠত লিখা লিপিৰ সংখ্যা বৰ কম। সেই কালৰপৰা খ্ৰী পূ দ্বিতীয় শতাব্দীৰ অন্তিম ভৰংগত বিদিশাৰ নৃপতি ভাগভদ্ৰৰ ওচৰলৈ দূতৰূপে প্ৰেৰিত যবন নৃপতি অন্তলিকিতৰ সভাসদ হেলিওদোৰে (Heliodorus) বেসনগৰত খোদিত কৰোৱা বহুশ্ৰুত গৰুড় স্তম্ভলিপিৰ গুৰুত্ব ভালেখিনি[160]। ভাগভদ্ৰৰ কথা প্ৰসংগত শুংগ বংশৰ পৰিচয় দিয়া প্ৰয়োজন। মৌৰ্যবংশৰ শক্তি কমি আহিলত এই বংশৰ শেষ নৃপতি বৃহদ্ৰথক হত্যা কৰি তেওঁৰ ব্ৰাহ্মণ সেনাপতি পুষ্যমিত্ৰক মগধৰ সিংহাসনত বহুৱায়। পুষ্যমিত্ৰৰ বংশই ইতিহাসত শুংগবংশ ৰূপে পৰিচিত। মৌৰ্য সাম্ৰাজ্যৰ মধ্যাংশ মাত্ৰ লৈ শুংগবংশী নৃপতিৰ ৰাজ্য গঢ়ি উঠে। কালক্ৰমত বিদিশা অযোধ্যা আৰু জালন্ধৰো এই ৰাজ্যৰ অন্তভু ক্ত হয়। এই বংশৰ বসুমিত্ৰই বহ্লীক দেশস্থ গ্ৰীকসকলৰ আক্ৰমণ প্ৰতিহত কৰে। ব্ৰাহ্মীলিপিৰ বিকাশত শুংগবংশী নৃপতিসকলৰ মুদ্ৰা আৰু অভিলেখৰ লিপি অধ্যয়ন কৰা প্ৰয়োজন।

ভাৰতীয় ব্ৰহ্মীলিপিৰ বিকাশৰ ইতিহাসত আৰু দুটা বংশৰ অবদান অস্বীকাৰ কৰিব নোৱাৰি। এই বংশ দুটাৰ প্ৰথমটো হ'ল—শক। এওঁলোক মূলত বহিৰ্ভাৰতীয় লোক। তেওঁলোকে উপনিবেশ পতা স্থানৰ নাম 'শকস্থান অথবা 'সীস্থান'। পৰৱৰ্তী কালত তেওঁলোকে নিম্ন সিন্ধুত শকদ্বীপ স্থাপন কৰিবলৈ সমৰ্থ হয়। ইয়াৰেপৰা শকসকল মথুৰা আৰু উজ্জয়িনীলৈ আগুবায়। সম্ভবত পাৰদৰাজ দ্বিতীয় মিথ্ৰাদাতৰ মৃত্যুৰ পিছত উত্তৰ-পশ্চিম ভাৰতত মোঅ আৰু সীস্থানত ভনোনে 'ৰাজাধিৰাজ উপাধি লৈ স্বাধীন ৰজা হয়। দুয়ো নৃপতিয়ে গ্ৰীকসকলৰ অনুকৰণত মুদ্ৰাংকন কৰিবলৈ লয়। তক্ষশিলাত প্ৰাপ্ত আনুমানিক ৭২ খ্ৰী পূ ত উৎকীৰ্ণিত এখনি তাম্ৰপট্টত মোৱক 'মহাৰাজ মহান মোগ' ৰূপে অভিহিত কৰা দেখা যায়। মোৱৰ উত্তৰাধিকাৰী অয়ে পূৰ্ব পঞ্জাবৰ গ্ৰীক সাম্ৰাজ্যৰ অংশ আপোন ৰাজ্যৰ অন্তভূক্ত কৰিবলৈ সমৰ্থ হয়। অয়ৰ পুত্ৰ অইলিস তেওঁৰ পুত্ৰ দ্বিতীয় অইলিস। এওঁলোকে দ্বিভাষিক মুদ্ৰাৰ প্ৰয়োগ কৰে। এই শকসকলৰে এটা ভাগ ক্ষত্ৰপ ৰূপে পৰিচিত হৈছিল। প্ৰাচীন পাৰসীয় 'ক্ষথ্ৰপাবন শব্দই সংস্কৃতত 'ক্ষত্ৰপ' আৰু প্ৰাকৃতত 'খতপ অথবা 'ছত্ৰপ ৰূপ পায়। বিভিন্ন শিলা আৰু মুদ্ৰা লেখৰপৰা ক্ষত্ৰপ আৰু মহাক্ষত্ৰপসকলৰ সন্দৰ্ভত ভালেখিনি কথা জানিব পৰা গৈছে। শিলালেখে প্ৰমাণ দিয়ে যে মোঅ নৃপতিৰ অধীনত চক্ষু দেশীয় ক্ষত্ৰপ, ক্ষহৰাত

---

১৬০ Sircar D, C—*Select Inscriptions*, P 90

লিঅক কুসুলুক আৰু তেওঁৰ পুত্ৰ পতিক থাকিব লগাত পৰিছিল। লিঅকৰ মুদ্ৰা পোৱা গৈছে। মথুৰাৰ স্তম্ভলেখত মহাক্ষত্ৰপ পতিক কুসুলুক, ক্ষত্ৰপ মেৱকি মিইক আৰু সম সাময়িক ভালেকেইজন ক্ষত্ৰপৰ নাম খোদিত হোৱাটো স্মৰণীয়। বিভিন্ন শিলালেখ আৰু মুদ্ৰাত মথুৰাৰ মহাক্ষত্ৰপ ৰাজবুল আৰু তেওঁৰ পুত্ৰ সোদাচৰ নামোল্লেখ হৈছে। হগান, হগামাস, শিবদত্ত আৰু শিবঘোষৰ মুদ্ৰা মথুৰাত উদ্ধাৰ হোৱাটোও উল্লেখযোগ্য। খ্ৰী পূ প্ৰথম শতাব্দীত মুদ্ৰাপৃষ্ঠত অংকিত পুৰালিপি অধ্যয়নৰ বাবে ড° ঠাকুৰপ্ৰসাদ বৰ্মাই বিভিন্ন মুদ্ৰাক শ্ৰেণীবদ্ধ কৰিছে এনেদৰে[১৬১]—(ক) 'অৰ্জুনায়নানাম জয়' খোদিত অৰ্জুনায়নৰ মুদ্ৰা (খ) কনৌজত প্ৰাপ্ত মুদ্ৰা, (গ) আদি কৌশাম্বী মুদ্ৰা, (ঘ) মথুৰাৰ স্থানীয় মুদ্ৰা, (ঙ) প্ৰথমাবস্থাৰ অযোধ্যাৰ মুদ্ৰা, (চ) শিব্ৰি জনপদৰ মুদ্ৰা আৰু (ছ) 'মালবানাম্ জয়' তথা 'সেনাপতি বশ্বঘোষ' খোদিত মালবাৰ মুদ্ৰা।

উপৰ্যুক্ত মুদ্ৰাসমূহৰ উপৰি সাঁচীৰ এক, দুই আৰু তিনি নম্বৰ স্তূপৰ বেদিকা স্তম্ভত উৎকীৰ্ণ লিপিমালাৰ লিপিৰে অশোককালীন ব্ৰাহ্মীক মিলাই চালে দেখা যায় যে এই ছোৱাৰ লিপি 'Considerably advanced and it was gaining the capacity to write the Sanskrit language al o[১৬২]।

খ্ৰী পূ প্ৰথম শতাব্দীৰ অন্তিম পৰ্বৰপৰা খ্ৰীষ্টজন্মৰ প্ৰথম কেইদশক মানলৈ শক ক্ষত্ৰপসকলৰ অভিনৱ তীক্ষ্ম লেখনিৰ প্ৰয়োগে মুদ্ৰাৰ উপৰি শৈললেখত উৎকীৰ্ণিত লিপিৰ ৰূপ ভালেখিনি সলাবলৈ সমৰ্থ হয়[১৬৩]। এই কালছোৱাত ভালেকেইটা

---

১৬১ Verma, T P—*OP Cit*, P 63

১৬২ Verma, T P—*Ibid*, P, 80

১৬৩ এই সম্পৰ্কত ড° বৰ্মাৰ মন্তব্য চাবলগীয়া—The new technique received wide acceptance and was known in various degree of Perfection throughout the sub continent within a half century Another contribution of this 'new pen style' was that hence onwards the growth of the script and the changes in it were more rapid The first century A D is the most important period of the history of the Brahmi script simply because the changes introduced at the begining of this century proved to be a turning point, paving the way for accelerated changes and consequently developing into regional scripts—P 83

অক্ষৰৰ শিৰাংশৰ অংকনত বিশেষ মনযোগ দিয়া চকুত পৰে। সাঁচীস্তূপৰ বিভিন্ন লেখমালাৰ উপৰি মথুৰা অনুশাসন (খোদনকাল ২৯৯ বৰ্ষ)[১৬৪], ধ্রুৱমিত্রৰ মথুৰা শাসন[১৬৫], মথুৰাত প্ৰাপ্ত শৈল পাত্ৰলেখ[১৬৬], পভোস গুহা লেখ [১৬৭], ভৰহুত তোৰণ লেখ [১৬৮], ধনদেৱৰ অযোধ্যা অনুশাসন[১৬৯] বোধগয়া বেদিকা অনুশাসন[১৭০], আৰু খাৰবেলৰ হাতীগুম্ফা অনুশাসনৰ[১৭১] লিপিয়ে অশোককালীন ব্ৰাহ্মীৰ বিকাশৰ ইতিহাসত পোহৰ পেলায়। ইংৰাজী ১৯৬৫ চনত হাৰিয়ানাৰ অম্বলা জিলাৰ সুধ নামে ঠাইত এটা অদ্ভুত মাটিৰ খিলোনা উদ্ধাৰ হৈছে। সেই খিলোনাত এটি বালকে কোলাত ফলি জাতীয় এটি বস্তু লৈ থকা দেখা যায়। সেই ফলিখনত বাৰটা ব্ৰাহ্মী স্বৰলিপি চাৰি শাৰীত সজোৱা। বৰ্ণকেইটা হ'ল—অ, আ, ই,ঈ, উ, ঊ, এ, ঐ, ও, ঔ অ আৰু অ। বৰ্তমানে এই খিলোনাটি দিল্লীৰ ৰাষ্ট্ৰীয় সংগ্ৰহালয়ত সুৰক্ষিত। ইংৰাজী ১৯৭ ৭১ চনত মহাৰাষ্ট্ৰৰ ভণ্ডাৰা জিলাৰ পবনী নামে ঠাইত পোৱা বৌদ্ধস্তূপ আৰু একে জিলাৰে পওলা জংগলত প্ৰাপ্ত আন এটি বৌদ্ধস্তূপত পোৱা শিলা লেখৰ লিপিকো আলোচিত কালছোৱাত সামৰিব পাৰি। পশ্চিম মহাৰাষ্ট্ৰৰ ভাজা, কানহেৰী, নাশিক, জন্নৰ প্ৰভৃতি স্থানত পৰ্বত কাটি নিৰ্মাণ কৰা গুহা এতিয়াও বিদ্যমান। তাৰে ভাজা গুহাত প্ৰাপ্ত কাঠৰ এচলা পাটত কিছু লিপি খোদিত কৰা দেখা যায়। ইয়াৰ উপৰি দক্ষিণ ভাৰতৰ কৃষ্ণা নদীৰ মোহনাৰ অমৰাৱতী, বিজয়পুৰী প্ৰভৃতি ঠাইত উদ্ধাৰ হোৱা বৌদ্ধস্তূপতো সৰু সৰু লেখ পোৱা গৈছে। ইংৰাজী ১৯৭১ চনত উদ্ধাৰ হোৱা কেমনপল্লী স্তূপৰ স্তম্ভলেখ আৰু কৃষ্ণা জিলাৰ ভট্টিপ্ৰোলু স্তূপত উদ্ধাৰ হোৱা শিলালেখ আৰু পাত্ৰলেখৰ লিপিকো শুংগ শক ক্ষত্ৰপ যুগৰ ব্ৰাহ্মীলিপিৰ অন্তৰ্ভুক্ত কৰা হৈছে[১৭২]।

---

১৬৪ *E I*, vol II P 199

১৬৫ *E I*, vol X, P 107

১৬৬ *E I*, vol XIX, P 67

১৬৭ *E I*, vol II, P 242

১৬৮ *Mem of the Archaeological Survey of India* No 1

১৬৯ Sircar, D C—*Select Inscriptions*, Pl XI

১৭০ Cunninghum, A—*Mahabodhi*, Pl X

১৭১ Sircar D C—*OP Cit*, Book II, P 213, Pl XXXVII

১৭২ মুলে, গুণাকৰ— প্ৰগুক্ত গ্ৰন্থ, পৃ ৪৭ ৫০

এই কালছোৱাৰ ব্ৰাহ্মীলিপিত সাধাৰণতে অশোকৰ 'ধৰ্মলিপি'মালাত ব্যৱহৃত আখৰ কেইটাই ব্যৱহাৰ হৈছে যদিও যুক্তাক্ষৰৰ প্ৰয়োগ অলপ অধিক দেখা যায়। অশোকৰ দিনত সংখ্যাসূচক ৪, ৬, ৫ আৰু ২০০—এই প্ৰতীক চিহ্ন কেইটাৰহে প্ৰয়োগ হৈছিল[১৭৩]। শুংগ শক-ক্ষত্ৰপকালীন ব্ৰাহ্মীলিপিত ১, ২, ৯, ১ , ৭০, ৯০ আৰু ২০০ প্ৰতীক চিহ্নৰ প্ৰয়োগ মন কৰিবলগীয়া। সামৰণিত ড° বৰ্মাৰ ভাষাৰেই ক'ব পাৰি—Combined with the natural instinct for ornamentation and the necesity of the flow in the writing, it gave way to various developments which took place in the coming centuries and shaped the Brahmi script into many regional varieties This marks a turning point in the history of Brahmi script [১৭৪]

(গ) কুশাণকালীন ব্ৰাহ্মী

এটা কালত যাযাবৰী জীৱন যাপন কৰা ইউ চি জাতিয়ে কালক্ৰমত পাঁচ ভাগে বিভক্ত হৈ পাঁচখনি স্বাধীন ৰাজ্য প্ৰতিষ্ঠা কৰে। এই পাঁচোটি শাখাৰে এটি কুশাণ নামে পৰিচিত। আকৌ এটা কালত কুষাণৰাজ কোজুল কদফিচেচ আন চাৰিটা শাখাৰ ওপৰত প্ৰভুত্ব চলাই পুৰ্নবাৰ অখণ্ড ইউ-চি অথবা কুশাণ সাম্ৰাজ্য প্ৰতিষ্ঠা কৰে। ভাৰতৰ উত্তৰ পশ্চিম ভূভাগত ৰাজত্ব কৰি থকা যবন আৰু পহ্লৱ (পাৰ্থিয়ান) সকলক কদ্ফিচেচে পৰাভূত কৰি ভাৰত আক্ৰমণ কৰিবলৈ সাজু হয়। অবশ্যে তেওঁৰ সপোন বাস্তবলৈ ৰূপায়িত কৰে পুত্ৰ বিম কদ্ফিচেচে। বাৰাণসীলৈ কুষাণ সাম্ৰাজ্যৰ সীমা বৃদ্ধি পায়। প্ৰথম আৰু দ্বিতীয় কদ্ফিচেচৰ পিছত কুষাণবংশীয় কনিষ্ক ৰাজপাটত বহে। তেওঁৰ পিছৰ ৰজাসকল হ'ল যথাক্ৰমে বসিষ্ক, হুবিষ্ক আৰু বাসুদেৱ। পিছত পাৰস্যৰ চাছানীয়সকলৰ আক্ৰমণৰ ফলশ্ৰুতিৰূপে কুশাণ বংশই সাময়িকভাবে উত্তৰ ভাৰতৰ ৰাজ সি হাসন এৰিব লগাত পৰে। এই বংশৰ সৰ্বশ্ৰেষ্ঠ নৃপতি কনিষ্কৰ সাম্ৰাজ্য কাশ্মীৰৰপৰা বিহাৰ পৰ্যন্ত প্ৰায় সমগ্ৰ উত্তৰ ভাৰত আৰু বহি ভাৰতত মধ্য এচিয়াৰ প্ৰায় গোবি মৰুভূমিলৈ বিস্তৃত আছিল। পুৰুষপুৰ (অধুনা পেছোৱাৰ) আছিল তেওঁৰ ৰাজ্যৰ ৰাজধানী। উত্তৰ ভাৰতত কুষাণ ৰাজত্ব চলা কালত মালোৱা, সৌৰাষ্ট্ৰ আৰু উত্তৰ মহাৰাষ্ট্ৰত-শক ক্ষত্ৰপসকলে ৰাজপাট থাইছিল। মহাৰাষ্ট্ৰ আৰু অন্ধ্ৰত আছিল সাতবাহন সকলৰ শাসনতন্ত্ৰ। খ্ৰীষ্টজন্মৰ তৃতীয় শতাব্দীত কৃষ্ণা নদীৰ সমীপৱৰ্তী প্ৰদেশত ইক্ষাকু

১৭৩ Upasak, C S—*HPMB*, P 122

১৭৪ Verma, T P—*The Palaeography of Brahmi script*, P 107

বংশৰ শাসন চলিছিল। তেওঁলোকৰ ৰাজধানী আছিল বিজয়পুৰীত। এই বংশৰ ৰজাসকলে খোদিত কৰোৱা ভালেখিনি লেখ অমৰাৱতী জগ্গয্যপেট আৰু নাগাৰ্জুনকোণ্ডাত উদ্ধাৰ হৈছে। তদুপৰি খ্ৰীষ্টীয় তৃতীয় শতাব্দীৰ আশে পাশে কাঞ্চীপুৰম প্ৰদেশত পল্লবসকলে ৰাজত্ব কৰিছিল। এওঁলোকৰ শিলালেখ পোৱা যায়। এওঁলোকৰ প্ৰথম কালছোৱাৰ অভিলেখৰ ভাষা প্ৰাকৃত আছিল যদিও শেষলৈ সংস্কৃতে প্ৰাকৃতৰ স্থান অধিকাৰ কৰে।

অশোকৰ ধৰ্মলিপিসমূহৰ ভাষা আছিল প্ৰাকৃত। শুংগবংশী নৃপতিমণ্ডলীৰ লেখসমূহৰ ভাষাও প্ৰাকৃতেই আছিল। কুশাণ সাতবাহন, ইক্ষ্বাকু নাইবা পল্লববংশী নৃপতিসকলৰ কিছু সংখ্যক লেখত প্ৰাকৃত ভাষা প্ৰয়োগ হ'লেও সংস্কৃত ভাষা প্ৰয়োগত তেওঁলোকে উৎসাহ দেখুৱাটো এটা মন কৰিবলগীয়া বৈশিষ্ট্য। খ্ৰীষ্টজন্মৰ প্ৰথম শতাব্দীৰ বুলি সাব্যস্ত কৰা ধনদেৱৰ আযোধ্যা লেখত শুদ্ধ সংস্কৃত ভাষাৰ প্ৰয়োগ দেখা যায়। এই শিলালেখত শুংগবংশৰ প্ৰতিষ্ঠাপক পুষ্যমিত্ৰৰ নামটোও পোৱা গৈছে। উজ্জয়িনীৰ মহাক্ষত্ৰপ ৰুদ্ৰদামনৰ গিৰ্ণাৰ লেখত (খ্ৰী ১৫) সংস্কৃত ভাষাৰ মনোৰম প্ৰকাশ মন কৰিবলগীয়া। এই প্ৰশস্তি গৌড়ীশৈলীত লিখা আৰু ইয়াৰ ভাষাই বাণভট্টৰ শৈলীলৈ মনত পেলায়।

অশোক আৰু তেওঁৰ পৰবৰ্তীকালৰ (শুংগ শক ক্ষত্ৰপ প্ৰভৃতিৰ কালত) ব্ৰাহ্মীলিপিৰ অনুভূমিক কিবা লম্ব ৰেখাবোৰ আছিল ঋজু কিন্তু কুশাণ কালীন ব্ৰাহ্মীৰ ৰেখাবোৰ বেঁকা আৰু বৰ্তুল হৈ অহা দেখা যায়। আনকথাত, ভাৰতীয় লিপিযে কলাত্মক ৰূপৰ ফালে আগবাঢে। অশোককালীন ব্ৰাহ্মীৰ সৈতে আলোচিত কালৰ ব্ৰাহ্মী লিপিৰ চকুতপৰা পাৰ্থক্য কেইটা হ'ল—[১৭৫]

ক অশোককালীন ব্ৰাহ্মীত শিৰোৰেখা নাছিল। কুষাণকালীন ব্ৰাহ্মীত জয়জয়তে ক্ষুদ্ৰ শিৰোৰেখাই ভুমুকি মাৰে। দুই এটা অক্ষৰৰ শীৰ্ষস্থান ত্ৰিকোণাত্মক ৰূপ পৰিগ্ৰহ কৰাটোও মন কৰিবলগীয়া[১৭৬]।

---

১৭৫ মূলে, গুণাকৰ—ভাৰতীয় লিপিয়োঁ কী কহানী, পৃ ৫৮-৫৯

১৭৬ ড° দানীয়ে কুশাণকালীন শিৰোৰেখাসমূহক বেলেগ বেলেগ ভাগত ভগাইছে এনেদৰে—ক ৰেখা শিৰোৰেখা, মোটা শিৰোৰেখা, বিন্ধাযুক্ত শিৰোৰেখা, গোটা চতুৰ্ভুজী শিৰোৰেখা, ফোপোলা চতুৰ্ভুজী শিৰোৰেখা, গোটা ত্ৰিকোণাকাৰ শিৰোৰেখা আৰু ফোপোলা ত্ৰিকোণাকাৰ শিৰোৰেখা। —*In P* P 81

খ অশোককালীন ব্ৰাহ্মীত ব্যঞ্জনযুক্ত স্বৰমাত্ৰা (স্বৰধ্বনিৰ দ্বিতীয় ৰূপ) বোৰ আছিল পোন। আলোচিত কালত উক্ত মাত্ৰাসমূহ সো। বা বাওঁফালে বক্ৰ ৰূপ লোৱা দেখা যায়। ব্যঞ্জনযুক্ত আ কাৰ ক ৰ শিৰোৰেখাৰ সোঁফালে হালি পৰিল, ই আৰু দীৰ্ঘ ঈ কাৰ কিঞ্চিৎ গোলাকাৰ ৰূপত দেখা গ'ল আৰু এ কাৰে অধিক বক্ৰতাৰ ফালে আগবাঢ়িল[১৭৭]। ইক্ষাকুবংশী নৃপতিমণ্ডলীৰ লেখবোৰত এই মাত্ৰা কেইটা অধিক দীঘল আৰু কলাত্মক।

গ তড়িৎ গতিত ঢৌ খেলাই লিখাৰ ফলত কেবাটাও অক্ষৰে পূৰ্বৰ ৰূপ ভালেখিনি সলনি কৰে[১৭৮]। ন, ণ স ল আৰু স্থ অক্ষৰৰ বক্ৰ ৰূপে তাৰ সাক্ষী। জগ্গয়েপেট আৰু নাগাৰ্জুনকোণ্ডাৰ লিপিত সুলেখন কলাৰ সুন্দৰ নিদৰ্শন পোৱা যায়।

ঘ এই কালছোৱাত একাধিক নতুন ব্ৰাহ্মী অক্ষৰে আত্মপ্ৰকাশৰ সুযোগ পায়। 'সিদ্ধম্' শব্দ লিখিবলৈ হলন্ত ম চিহ্নৰ প্ৰয়োগ হ'ল। আদিস্থানৰ ঋ ঙ আৰু জ্ঞ যুক্তাক্ষৰ পোৱা গ'ল আৰু দুই এখন অনুশাসনত বৈদিক ল' বৰ্ণটোৰো প্ৰয়োগ ঘটিল[১৭৯]।

ব্ৰাহ্মীলিপিৰ বিকাশত কুশাণ কালটো একাধিক ফালৰপৰা তাৎপৰ্যপূৰ্ণ। শক ক্ষত্ৰপ সকলে ব্যৱহাৰ কৰিবলৈ লোৱা নতুন লেখনিৰ প্ৰয়োগ আলোচিত যুগতো অব্যাহত থাকিল। উত্তৰ ভাৰতৰ মথুৰা, সাঁচী কৌশাম্বী, সহেথ মহেথ প্ৰভৃতি স্থানক কেন্দ্ৰকৰি আঞ্চলিক শৈলীয়ে গা কৰি উঠাৰ সুযোগ ললে। এই কালত খোদিত সৰহ সংখ্যক অভিলেখতে শকাব্দৰ উল্লিখন তাৎপৰ্যপূৰ্ণ। খৰকৈ লেখনি সঞ্চালন কৰাৰ ফলশ্ৰুতিৰূপে ঘাইকৈ কৌশাম্বী অঞ্চলৰ লিপিমালাত ন ম ল স প্ৰভৃতি অক্ষৰত অধিক বক্ৰতাই গা কৰি উঠে[১৮০]। একোখন ফলিত ব্যৱহৃত একে জাতীয় বৰ্ণমালাৰ সাদৃশ্য আৰু সমতা সংৰক্ষণ এই কালৰ লিপিৰ আন মন কৰিবলগীয়া বৈশিষ্ট্য। ড বুহলৰে উত্তৰ ভাৰতীয় কুশাণলিপিৰ পৰিৱৰ্তনসমূহ এনেদৰে নিৰ্দেশ কৰিছে—[১৮১]

(ক) অ আৰু আ ৰ লম্বৰেখাৰ দৈৰ্ঘ বাঢ়িল, (খ) আদি ই বুজাবলৈ বহুৱা তিনিটা বিন্দুৰ দুটা অনুভূমিক আছিল যদিও এই কালত তৃতীয়টো বিন্দু বাওফালে বহুৱাৰ ব্যৱস্থা

১৭৭ ড দানীয়ে মধ্যৱৰ্তীস্থানৰ এ, ঐ, ও আৰু ঔ ৰ ক্ষুদ্ৰ ৰেখা কেইডাল নিম্নমুখী হোৱাৰ বৈশিষ্ট্য বৰ্ণাইছে তেওঁৰ গ্ৰন্থৰ ৮১ পৃষ্ঠাত।

১৭৮ Dani, A H—*In P*, P 82

১৭৯ Dani, A H—*Ibid*, P 83

১৮০ Dani, A H—*Ibid*, P 77

১৮১ Buhler, G—*I P*, P 59

হ'ল, (গ) ঘ ৰ ৰূপৰ ভালেখিনি সলনি হ'ল (ঘ) ত ৰ তলত এটা ফাঁচৰ উদয় হ'ল, (ঙ) দ ৰ অন্তিমভাগ সোঁফাললৈ ভাঁজ ল'লে আৰু সোঁফালৰ অংশৰ দৈৰ্ঘ বাঢ়িল, (চ) ধ ৰ অবয়ব অধিক চেপন হয় আৰু অনুভূমিৰ ফালে ই কৌণিক ৰূপ লয়, (জ) ন ৰ অনুভূমিক ৰেখাডালে বক্ৰতা ৰূপ লয়, (ঝ) ৰ ৰো ভালেখিনি ৰূপান্তৰিত হয়, (ঞ) শ ৰ বাওঁফালৰ নিম্নমুখী ৰেখাডালৰ পৰিবৰ্তন ঘটিল, (ট) ষ ৰ মাজৰ ৰেখা ডালে অনুভূমিক কল্পিত ৰেখাৰ সমান্তৰালকৈ দণ্ডক ছেদ কৰিবলৈ ল'লে আৰু (ঠ) স ৰো দণ্ডৰ বাওঁফালৰ অংশটোৰ ভালেখিনি পৰিবৰ্তন সাধিত হ ল।

উত্তৰ ভাৰতীয় কুশাণকালীন ব্ৰাহ্মীলিপিক দুটা ভাগত শ্ৰেণীভুক্ত কৰা হৈছে— **পশ্চিম** আৰু **পূৰ্বী শৈলী**। মথুৰাৰ চৌপাশত প্ৰাপ্ত বিভিন্ন শিলালেখৰ উপৰি সাঁচী অঞ্চলত উদ্ধাৰ হোৱা লিপিমালাৰ শৈলী মথুৰা শৈলীৰ অন্তৰ্ভুক্ত[১৮২] ড° ঠাকুৰ প্ৰসাদ বৰ্মাই ইয়াক আকৌ দুটা ভাগত ভাগ কৰিছে—চৰকাৰী (official) আৰু বেচৰকাৰী (private)[১৮৩]। চৰকাৰী শাসনমালাত কুষাণ নৃপতিমণ্ডলীৰ নামবোৰ পোৱা যায় কিন্তু বেচৰকাৰী শাসনমালাত কোনো ৰজা মহাৰজাৰ নাম পোৱা নাযায়। ৰাজ পৃষ্ঠপোষকতাত খোদিত চৰকাৰী লিপিমালাৰ অক্ষৰসমূহ সৰ্বদা সুন্দৰ হোৱা স্বাভাৱিক। আনহাতে বেচৰকাৰী লিপিমালাত লিপিৰ বৈচিত্ৰ্য মন কৰিবলগীয়া বৈশিষ্ট্য। 'পশ্চিমা শৈলী ৰ অন্তৰ্ভুক্ত লিপিসমূহ হ'ল—ক চৰকাৰী (১) কনিষ্কৰ নামা কিত মথুৰা শাসন, (৫ম বৰ্ষ)[১৮৪] সপ্তম বৰ্ষ[১৮৫], অষ্টম বৰ্ষ[১৮৬], নবম বৰ্ষ[১৮৭] কনিষ্কৰ দুৰ শাসন,—১৬ বৰ্ষ[১৮৮] আৰু কনিষ্কা কাৰ্জন যাদুঘৰ অনুশাসন[১৮৯], (২) হুবিষ্কৰ মথুৰা শাসন ২৮ বৰ্ষ[১৯০], উনত্ৰিশং বৰ্ষ[১৯১], উনচত্বাৰিংশৎ বৰ্ষ[১৯২] চতু চত্বাৰিংশৎ বৰ্ষ[১৯৩]

---

১৮২ Dani A H—*In* *P* P 85

১৮৩ Verma, T P—*Op, Cit* P 113

১৮৪ *EI*, Vol I, P 381

১৮৫ *EI*, Vol I, P 391

১৮৬ *EI*, Vol Xvii, P 10

১৮৭ *IA*, Vol XXXIII P 37

১৮৮ *EI*, Vol XXXV, PP 190 91

১৮৯ *EI*, Vol XXVIII, P 44

১৯ Sircar D C—*Select Inscriptions*, PP 151 52

১৯১ *EI*, Vol I, P 385

১৯২ *EI*, Vol XIX P 66

১৯৩ *EI* Vol I P 387

লক্ষ্নৌ যাদুঘৰ অনুশাসন[১৯৪], হুবিষ্কৰ অনুশাসন, পঞ্চাশ বৰ্ষ[১৯৫], এক পঞ্চাশৎ বৰ্ষ[১৯৬], অষ্টপঞ্চাশৎ বৰ্ষ[১৯৭], ষষ্ঠি বৰ্ষ[১৯৮], আৰু (৩) বাসুদেৱৰ অনুশাসন, চতু ষষ্ঠি বৰ্ষ, চতুঃ সপ্ততি বৰ্ষ [১৯৯], আৰু অশীতি বৰ্ষ[২০০] আৰু ত্ৰ্যাশীতি বৰ্ষ[২০১] ৰ অনুশাসন।

খ বেচৰকাৰী: (১) চতুৰ্থ বৰ্ষৰপৰা দ্বাবি শ বৰ্ষলৈকে খোদিত লিপিমালা[২০২] আৰু (২) পঞ্চবিংশ বৰ্ষৰপৰা অষ্টনবতি বৰ্ষলৈকে খোদিত লিপিমালা।[২০৩]

কুশাণ লিপিৰ পূৰ্বীশৈলীৰ ভিতৰত কনিষ্কৰ শক বৰ্ষ দ্বিতীয়ৰপৰা ঊনবিংশ বৰ্ষলৈকে সাৰনাথ[২০৪], কোসম[২০৫] আৰু শ্ৰাৱস্তীত [২০৬] প্ৰাপ্ত লিপিকেইখনৰ উপৰি কনিষ্কৰ মথুৰাত প্ৰাপ্ত চতুৰ্থ[২০৭] আৰু চতুৰ্দশ বৰ্ষত[২০৮] খোদিত লিপি দুখন, হুবিষ্কৰ ত্ৰয়ত্ৰিশৎ বৰ্ষত খোদিত মথুৰা শাসন[২০৯], ভীমসেনৰ জিঞ্জ অনুশাসন[২১০], ভদ্ৰমঘৰ কোসম অনুশাসন[২১১], এলাহাবাদ যাদুঘৰ অনুশাসন[২১২], শিৱমঘৰ কোসম অনুশাসন[২১৩] প্ৰভৃতি উল্লেখযোগ্য।

---

১৯৪ *EI*, Vol X, P 9
১৯৫ *IA*, Vol VI, P 219
১৯৬ *EI*, Vol X, P 113
১৯৭ *EI*, Vol X, P 114
১৯৮ *EI*, Vol XXX, PP 183 84
১৯৯ *EI*, Vol IX, P 242
২০ *EI*, Vol I, P 392
২০১ *JRAS*, Vol V, P 184
২০২ *EI*, Vol I to Vol XXXIII
২০৩ *EI*, Vol I to Vol VI
২ ৪ *EI*, Vol VIII, PP 176-79
২০৫ *EI*, Vol II, P 212
২০৬ *EI*, Vol VIII, P 181 & Vol X, P 291
২০৭ *EI*, Vol XXXIV, P 10
২০৮ *EI*, Vol XIX, P 97
২ ৯ *EI*, Vol VIII, P 182
২১০ *EI*, Vol III, P 306
২১১ *EI*, Vol XXIV, P 256
২১২ *EI*, Vol XXIII, P 247 48
২১৩ *EI*, Vol XVIII, P 159

কুশাণকালীন ব্ৰাহ্মীৰ পশ্চিমা আৰু পূৰ্বীশৈলীৰ পাৰ্থক্যৰ ভিতৰত 'শ' অক্ষৰটিৰ কথা জয়জয়তে আউগুস্ত ৰুডলফ ফ্ৰিডৰিখ হৰ্নলে (A R F Hoernle=1841—1918) ঘোষণা কৰিছিল[২১৪]। বুহলৰে পাৰ্থক্যৰ তালিকা খনিত ল আৰু হ এই অক্ষৰ দুটিও সংযোগ কৰে[২১৫]। পূৰ্বীশৈলীত ল ৰ বাওঁফালৰ অ শটো তড়িৎগতিত তললৈ মূৰ কৰি নামি যায়। ঘ ৰ অনুভূমিক ক্ষুদ্ৰৰেখাডাল বৰ্তুলাকাৰ আৰু এটা ফাঁচৰদৰে হৈ দণ্ডডালত এটলীয়াকৈ লাগি ৰ'ল। অৱাশনত হ ব অনুভূমিক ৰেখাডাল সংকুচিত হ'ল আৰু শিৰোৰেখাত থকা হাকোটাডাল তৎক্ষণাত বাওঁফাললৈ মূৰ কৰিলে। ৰাখালদাস বন্দ্যোপাধ্যায়ে পাৰ্থক্যৰ চতুৰ্থ আৰু পঞ্চম স্থানত ক্ৰমে স আৰু য—এই আখৰ দুটা যোগদিব বিচৰিছিল[২১৬]।

কুশাণ যুগত উত্তৰ ভাৰতৰ যিবোৰ ঠাইত লিপি খোদন কৰ্ম পৰ্যাপ্ত পৰিমাণে হৈছিল, সিবোৰ ঠাইত তড়িৎ লেখনৰ ফলত বক্ৰতাই অধিক গা কৰি উঠাৰ সুযোগ পাইছিল। আনহাতে কমকৈ লিপি খোদিত কৰা স্থানসমূহত ইতিপূৰ্বে চলি অহা গঢতেই লিপিবোৰ উৎকীৰ্ণ কৰা হৈছিল। এই যুগত ৰাজনীতি আৰু ধৰ্মনীতিৰ ফালৰপৰা মথুৰাৰ গৌৰব আছিল তুংগশীৰ্ষত। সেইবাবে ব্ৰাহ্মী লিপিৰ বিকাশৰ ইতিহাসত মথুৰাৰ এখনি স্বকীয়া আসন আছে। পূৰ্বীশৈলীৰ আটাইখিনি বৈশিষ্ট্যই মথুৰাত প্ৰাপ্ত বিভিন্ন লিপিমালত বিদ্যমান। খুবসম্ভব মথুৰাৰ লিপিমালা উৎকীৰ্ণ কৰিবলৈ পূৰ্বদেশৰপৰা লিপিকৰ নিয়া হৈছিল। অথচ একেসময়তে খোদিত কৰা সাৰনাথ সহেথ-মহেথ আৰু কোসমৰ লিপিমালাৰ লিপিকৰ পশ্চিমাঞ্চলৰ হোৱা গুণে তাত বিকাশৰ ধাৰাটি ধৰা নপৰে। মথুৰাৰ বিকশিত ব্ৰাহ্মীলিপিয়ে মঘ শাসনকৰ্তাসকলৰ ৰাজত্ব কালত কৌশাম্বীকো প্ৰভাৱান্বিত কৰা দেখা যায়[২ ৭]।

সংখ্যা দ্যোতক প্ৰতীকৰ বহুল প্ৰয়াগ—এই যুগৰ পুৰালিপিৰ এটি মন কৰিব লগীয়া বৈশিষ্ট্য। কুশাণকালীন উত্তৰ ভাৰতীয় ব্ৰাহ্মীত ১, ২, ৩, ৪, ৫, ৬, ৭, ৮, ৯ ১ , ২০, ৩ , ৪ , ৫ , ৬০, ৭ , ৮ , ৯ , ১ আৰু ২ ০ৰ প্ৰয়োগ দেখা যায়[২১৮]।

---

২১৪ *J A S B* 1891 P 81

২১৫ *Buhler*, G—*OP Cit*, P 47

২১৬ Banerjee, R D—*The Origin of Bengali script*, P 26, 39

২১৭ Verma, T P—*The Palaeograply of Brahmi script*, P 117

২১৮ Verma, T P—*OP Cit* PP 130—33

বাৰাণসীত প্ৰাপ্ত এক বুদ্ধমূৰ্ত্তিত খোদিত লিপিত সং, হে আৰু দি অক্ষৰ উৎকীৰ্ণ হৈছে। পুৰালিপিতত্ত্ববিদ্‌সকলৰ মতে এই তিনিটা অক্ষৰ যথাক্ৰমে 'সম্বৎ', 'হেমন্ত' আৰু 'দিবস' শব্দৰ সংক্ষিপ্ত ৰূপ। একেখনি লিপিতে ২২ সংখ্যাটো লিখা হৈছে ২০+২ ৰূপত। ইয়ে প্ৰমাণ কৰে যে কুশাণ কালত দশমিক স্থানমান অংক পদ্ধতি উদ্ধাৰ হোৱা নাছিল।

যি সময়ত উত্তৰ ভাৰতৰ দুই ভিন্ন ভূ ভাগত কুশাণলিপিৰ পশ্চিমা আৰু পূৰ্বী শৈলীয়ে স্বকীয় ৰূপত বিকাশ প্ৰাপ্ত হৈছিল ঠিক সেই সময়তে পশ্চিম আৰু দক্ষিণ ভাৰততো ব্ৰাহ্মীলিপিয়ে বিকাশৰ পথেৰে বাট বুলিছিল। দক্ষিণ পশ্চিম ভাৰতৰ লিপিমালাই উত্তৰ ভাৰততকৈ অধিক কলাত্মক ৰূপ পৰিগ্ৰহণ কৰাৰ কথা ইতিমধ্যে উল্লিখিত হৈছে। নাসিকত প্ৰাপ্ত ক্ষত্ৰপ নৃপতি নহপালৰ জামাতা উষৱদাতৰ এক ক্ষুদ্ৰলেখত খোদিত সিদ্ধম্ শব্দৰ হলন্ত ম্ ৰ প্ৰয়োগ চকুতলগা। নাসিকত প্ৰাপ্ত উষবদাতৰ ৰাজমাতা গৌতমী বলসিৰিৰ প্ৰশস্তি লিপিৰ অক্ষৰে এহাতে উত্তৰ ভাৰতীয় লিপিৰ সৈতে আৰু আনহাতে দক্ষিণ ভাৰতৰ ইক্ষাকু আৰু পল্লৱ লেখমালাৰ লিপিৰে সম্বন্ধগাছি সুদৃঢ় কৰে। ইক্ষাকুবংশী নৃপতিমণ্ডলীৰ ৰাজত্ব কালত বৌদ্ধ উপাসিকা ৰাজকুমাৰীৰদ্বাৰা নিৰ্মিত বিজয়পুৰীৰ এক মহাচৈত্যত উদ্ধাৰ হোৱা লিপি বিশেষৰ অ, উ, ই আৰু ৰ অক্ষৰৰ কলাত্মক বিকাশ চাবলগীয়া। পল্লৱৰাজ শিবস্কন্ধ বৰ্মনৰ 'হীৰহড়াগল্লী' দানপত্ৰই ব্ৰাহ্মীলিপিৰ দক্ষিণী শৈলীৰ সুন্দৰ চানেকি প্ৰদৰ্শন কৰে। এই লিপিৰ অক্ষৰ সাতবাহন নৃপতিমণ্ডলীৰ শিলালিপিৰ অক্ষৰতকৈ অধিক আতৰত বুলিব নোৱাৰি। অৱশ্যে খ্ৰীষ্টজন্মৰ দুই তিনি শতাব্দী পিছত পল্লৱলিপিয়ে তড়িৎ গতিত ৰূপান্তৰৰ ফালে আগবাঢ়ে আৰু ভাৰতবৰ্ষৰ উপৰি শ্ৰীলংকা আৰু দক্ষিণ পূৰ্ব এচিয়াৰ বিভিন্ন দেশৰ লিপিৰ ওপৰত প্ৰভাব পেলাবলৈ সমৰ্থ হয়[২১৯]।

(ঘ) গুপ্তকালীন ব্ৰাহ্মীলিপি আৰু ইয়াৰ ভিন্ন শৈলী

গুপ্তযুগ ভাৰতৰ ইতিহাসত এটি স্বৰ্ণোজ্জ্বল যুগ। এই যুগ প্ৰধানত সংস্কৃত ভাষা আৰু ব্ৰাহ্মণ্য ধৰ্মৰ পুনৰুত্থানৰ যুগ। দেৱভাষাই এই যুগৰ আটাইবোৰ অভিলেখক পৰশি যাবলৈ সমৰ্থ হয়। খ্ৰীষ্টীয় চতুৰ্থ শতাব্দীত গুপ্তবংশ প্ৰতিষ্ঠা হোৱাৰ লগে লগে সমগ্ৰ উত্তৰ ভাৰতৰ উপৰি দক্ষিণাত্যৰ কোনো কোনো অঞ্চলত এই বংশৰ শাসন তন্ত্ৰ

২১৯ মূলে, গুণাকৰ—প্ৰাগুক্ত গ্ৰন্থ, পৃ ৬৩

চলে আৰু বিদেশী আধিপত্যৰ পতন হয়। এই নতুন ৰাজবংশৰ প্ৰতিষ্ঠাতা মহাৰাজ শ্ৰীগুপ্ত আৰু তেওঁৰ পুত্ৰ মহাৰাজ ঘটোৎকচৰ সবিশেষ পোৱা নাযায়। খুব সম্ভৱ তেওঁলোকৰ ৰাজ্যৰ আয়তন অতি স কীৰ্ণ আছিল। ঘটোৎকচৰ পুত্ৰ চন্দ্ৰগুপ্তই ৰাজ্যৰ আয়তন বঢ়াই 'মহাৰাজাধিৰাজ' উপাধি গ্ৰহণ কৰে। তেওঁৰ ৰাজ্যাৰম্ভ চিৰস্মৰণীয় কৰিবলৈ এটি নতুন অব্দৰ প্ৰচলন কৰাটো মন কৰিবলগীয়া। এই অব্দ গুপ্তাব্দ ৰূপে পৰিচিত। চন্দ্ৰগুপ্তৰ পুত্ৰ সমুদ্ৰগুপ্তই আৰ্যৱৰ্তৰ উপৰি দাক্ষিণাত্যতো বহুবাৰ অভিযান চলাই এই ৰাজ্যক সাম্ৰাজ্যলৈ ৰূপান্তৰিত কৰে। গুপ্তসম্ৰাট দ্বিতীয় চন্দ্ৰগুপ্তই গুজৰাটৰ শকৰাজ্য নিজৰ অধীনলৈ আনি ভাৰতত বিদেশী শাসনৰ বিলুপ্তি ঘটায়। কুমাৰগুপ্তৰ দিনত মধ্য এচিয়াৰ হূণসকলে পুৰ্ণবাৰ ভাৰত ভূমিত আক্ৰমণ চলায় যদিও যুৱৰাজ স্কন্দগুপ্তৰ শক্তিৰ ওচৰত তেওঁলোক সেও হ'বলৈ বাধ্য হয়। পুৰুগুপ্ত, বুধগুপ্ত, নৰসিংহগুপ্ত, কুমাৰগুপ্ত আৰু বিষ্ণুগুপ্তই ভাৰতবৰ্ষত ষষ্ঠ শতাব্দীৰ মধ্যম তৰংগলৈকে ৰাজ্যপাট থাই ভাৰতবৰ্ষৰ ৰাজনৈতিক আৰু সা স্কৃতিক ইতিহাসত এক অভূতপূৰ্ব অভিলেখৰ সৃষ্টিকৰিবলৈ সমৰ্থ হয়[২২০]।

গুপ্ত সম্ৰাটসকলৰ ৰাজত্ব কালত ব্ৰাহ্মীলিপিৰ ভালেখিনি বিকাশ সাধিত হয়। একাধিক শৈলীয়ে আত্মপ্ৰকাশৰ সুযোগ লয়। গুপ্ত শাসকসকলৰ অভিলেখসমূহতে একাধিক শৈলীয়ে ভুমুকি মৰাটো মন কৰিবলগীয়া। গুপ্তসকলৰ সমসাময়িক মহা বিদৰ্ভৰ ৱাকাটক শাসকসকলৰ ভালেখিনি তাম্ৰলেখ উদ্ধাৰ হৈছে। বলভী শাসকসকলৰো লেখা পোৱা গৈছে। এই সময়তে দক্ষিণ ভাৰতত পল্লৱসকলৰ পৃষ্ঠপোষকতাত ব্ৰাহ্মীলিপিৰ দক্ষিণী শৈলীয়ে স্বতন্ত্ৰ ৰূপত বিকশিত হয়। ইতিহাসলৈ চকু দিলে দেখা যায় যে খ্ৰীষ্টীয় ২২৫ ৰ পিছত কৃষ্ণা নদীৰ মোহনাৰ ওচৰ পাঁজৰৰপৰা সাতবাহন অধিকাৰ বিলুপ্ত হয়। এই সময়ৰেপৰা বিজয়পুৰীত ইক্ষাকু আৰু কাঞ্চীত পল্লৱবংশৰ প্ৰতিপত্তি বাঢে। খ্ৰীষ্টীয় চতুৰ্থ শতাব্দীৰ দ্বিতীয় পাদত পল্লৱৰাজ সিংহবৰ্মাই ইক্ষাকু ৰাজ্য ধ্বংস কৰে। এই সময়ত উত্তৰ পূবৰ কৃষ্ণা আৰু গুণ্টুৰ জিলা আৰু উত্তৰ পশ্চিমত থকা বনবাসী অঞ্চললৈ পল্লৱ অধিকাৰ সম্প্ৰসাৰিত হয়। তাতে কদম্বসকলে পল্লৱসকলৰ মিত্ৰৰূপে এখনি কৰতীয়া ৰাজ্য পাতে। পল্লৱৰাজ শিৱস্কন্দবৰ্মা শক্তিশালী নৃপতি আছিল। তেওঁ অশ্বমেধ যজ্ঞ সম্পাদন কৰিছিল। খ্ৰীষ্টীয় পঞ্চম শতাব্দীত

২২০ সবিশেষৰ বাবে R C Majumdar সম্পাদিত *The History and Culture of Indian People, vol III* চাওক।

নেল্লোৰ—গুণ্টুৰ অঞ্চলত এখনি স্বতন্ত্র পল্লব ৰাষ্ট্র গঠিত হয় কিন্তু ষষ্ঠ শতাব্দীৰ শেষৰ কালে কাঞ্চীৰাজ সিংহবিষ্ণু আৰু তেওঁৰ পুত্র প্রথম মহেন্দ্রবর্মাই উত্তৰে গুণ্টুৰ জিলাৰেপৰা কাবেৰী নদীলৈকে বিস্তৃত ৰাজ্য শাসন কৰিবলৈ সমর্থ হয়। এই কালত চোল, পাণ্ড্য আৰু কেৰেল দেশীয় নৃপতিসকল পল্লৱৰাজৰ মিত্ৰৰজা আছিল। মহেন্দ্রবর্মাক পৰাজিত কৰি বাদামিৰ চালুক্যবংশী সম্রাট দ্বিতীয় পুলকেশীয়ে কিছুকাল পল্লব শাসন কৰিছিল যদিও প্রথম নৰসিংহ বর্মাই হৃত ৰাজ্য উদ্ধাৰ কৰাৰ উপৰি বাদামি সমেত চালুক্য সাম্রাজ্যৰ দক্ষিণাংশ আপোন ৰাজ্যৰ অন্তর্ভুক্ত কৰি লয়। পল্লব-চালুক্যৰ বিৰোধ দীর্ঘদিন চলাৰ ফলত দুয়ো ৰাজশক্তিৰে বাহুবল টুটি অহাৰ সুযোগলৈ ৰাষ্ট্রকূট বংশীয় দন্তিদুর্গই চালুক্যৰাজ দ্বিতীয় কীর্তিবর্মাক পৰাভূত কৰি দাক্ষিণাত্যত ৰাষ্ট্রকূট প্রভুত্ব প্রতিষ্ঠা কৰিবলৈ সমর্থ হয়[২২১]। ব্রাহ্মীলিপিৰ দক্ষিণী শৈলীৰ বিকাশত পল্লৱসকলৰ অৱদান ভালেখিনি বুলি ইতিমধ্যে উল্লিখিত হৈছে। সাতবাহন, ইক্ষ্বাকু আৰু ৰাষ্ট্রকূট নৃপতি মণ্ডলীৰ পৃষ্ঠপোষকতাও শূন্যৰ প্রতিবেশী নহয়।

সাধাৰণতে খ্রীষ্টজন্মৰ ৩৫০ বর্ষৰেপৰা ৫৫ খ্রীষ্টাব্দলৈকে উত্তৰ ভাৰতৰ বিস্তীর্ণ ভূভাগত প্রচলিত লিপিক থূলমূলভাৱে 'গুপ্ত লিপি আখ্যা দিয়া হৈছে। খুব সম্ভৱ জন কেথফুল ফ্লীটে (J F Fleet 1840—1917) *Corpus Inscriptionum Indicarum*'ৰ তৃতীয় গ্রন্থখনি প্রকাশ কৰাৰ পিছৰেপৰা উক্ত আখ্যাটো জনপ্রিয় হৈ উঠে। কোনো কোনো পুৰালিপিতত্ত্ববিদে খ্রীষ্টীয় চতুর্থ শতাব্দীৰ লিপিমালাক 'আদিগুপ্ত লিপি' আৰু পৰৱৰ্তী কালৰ লিপিমালাক 'পৰৱৰ্তীকালীন গুপ্তলিপি'ৰ চিনাক্ত কৰা দেখা যায়। পৰৱৰ্তী গুপ্তলিপিৰপৰা ভাৰতবর্ষৰ প্রাক্ আঞ্চলিক লিপিমালাৰ বিকাশ সম্ভৱ হৈছে। ড° হৰ্নলে চাহাবে আদি স্তৰৰ গুপ্ত সম্রাটসকলৰ লিপিবোৰক উত্তৰ ভাৰতীয় আৰু দক্ষিণ ভাৰতীয় শৈলীত বিভক্ত কৰে[২২২]। পিছে আমি ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে খ্রীষ্টজন্মৰ প্রথম শতাব্দীৰেপৰা ব্রাহ্মীলিপিৰ উত্তৰ আৰু দক্ষিণ ভাৰতীয় শৈলীয়ে গা কৰি উঠাৰ সুযোগ লয়। ড হৰ্নলেৰ দৃষ্টিত উত্তৰ আৰু দক্ষিণ ভাৰতীয় ব্রাহ্মলিপিৰ ভিন্নতা অনা আখৰটো হ'ল 'ম'। দক্ষিণী শৈলীত এই অক্ষৰটোৰ ভূমি সংলগ্ন বক্রতা প্রায় নাইকীয়া হৈ পৰে আৰু মাজৰ কটাকটি কৰা অংশটোৰপৰা ৰেখাডালৰ দুইমূৰ

২২১ সবিশেষৰ বাবে R Gopalan ৰ *History of the Pallavas of kanchi* বা R C Majumdar সম্পাদিত *The History and Culture of the Indian People*, Vol III & IV চাওক।

২২২ *JASB*, 1891, P 79 and Introduction, PP XXVI of *The Bower Manuscript*

সে ৰকালে অগ্ৰসৰ হয়। উত্তৰ ভাৰতত আনহাতে পোন ৰেখাদ্বয়ৰ বাঁওফালে ডুডাল ক্ষুদ্ৰ হেলনীয়া ৰেখাসংযুক্ত ম ৰ অৱস্থিতি মন কৰিবলগীয়া। উত্তৰ ভাৰতীয় আদি গুপ্তকালীন ব্ৰাহ্মীলিপিৰো আকৌ দুটা শৈলী—পূৰ্বী আৰু পশ্চিমা। এই শৈলী কুশাণ যুগৰেপৰা চলি অহা। এই শৈলীদ্বয় 'শ লিপিত ধৰা পৰে[২২৩]। খ্ৰীষ্টীয় চতুৰ্থ পঞ্চম শতাব্দীত উত্তৰ ভাৰতীয় ব্ৰাহ্মীলিপিক ড বুহলৰে তিনিটা শৈলীত অন্তভুক্ত কৰিছে এনেদৰে [২৪]—(ক) **পূৰ্বী শৈলী** —ইয়াৰ নিদৰ্শন পোৱা যায় সমুদ্ৰগুপ্তৰ এলাহাবাদ স্তম্ভলেখ[২২৫] আৰু স্কন্দগুপ্তৰ কহাম শৈললেখত[২২৬], (খ) **পশ্চিমা শৈলী** (বক্ৰ বৃত্তাকাৰ হস্ত—Cursive round hand) —ইয়াৰ নমুনা স্কন্দগুপ্তৰ ইন্দোৰ তাম্ৰলেখ[২২৭], দ্বিতীয় চন্দ্ৰগুপ্ত মথুৰা লেখ[২২৮] আৰু স্কন্দগুপ্তৰ ভিতাৰি স্তম্ভলেখত[২২৯] সংৰক্ষিত হৈছে আৰু (গ) **পশ্চিমা শৈলী** (কৌণিক স্মাৰক শৈলী angular monumental) —এই বিধ লিপিৰ নমুনা প্ৰথম কুমাৰগুপ্তৰ বিলসদ অভি লেখ[২৩০] আৰু চন্দ্ৰৰ মেহৰৌলী স্তম্ভলেখত[২৩১] দেখা যায়। উত্তৰ ভাৰতীয় গুপ্ত লিপিৰ শৈলী ভিন্নতা অনা আখৰ কেইটা হ'ল শ, ল আৰু হ। পুৰালিপিতত্ত্ববিদ্ ৰাখালদাস বন্দ্যোপাধ্যায়ে আদি গুপ্ত লিপিক চাৰিটা ভাগত ভগাইছিল[২৩২]। সেই ভাগকেইটা হ'ল পূৰ্বী, পশ্চিমা, দক্ষিণা আৰু মধ্য এচীয় শৈলী। গুপ্তসম্ৰাটসকলে প্ৰথম অৱস্থাত সমগ উত্তৰ ভাৰতত পূৰ্বী আৰু পশ্চিমা শৈলীত অভিলেখমালা খোদিত কৰিছিল। বন্দ্যোপাধ্যায়ৰ দৃষ্টিত পূৰ্বী আৰু পশ্চিমা শৈলীৰ পাৰ্থক্য অনা আখৰ কেইটা হ ল—ল, শ, হ ৰ উপৰি ম আৰু স। পূৰ্বীশৈলীৰ স অক্ষৰটোৰ বাওঁ অংশত এটি ফাঁচ দেখা যায় যদিও পশ্চিমা শৈলীত উক্ত অক্ষৰটোৰ ৰূপ পুৰাতন ৰীতিৰ। গুপ্তলিপিৰ পূৰ্বী শৈলীৰ প্ৰয়োগ পশ্চিমে এলাহাবাদলৈ বিস্তৃত আছিল। পিছে পূৰ্বী লিপিয়ে পশ্চিমা শৈলীক কোনোদিনেই

২২৩ Chakravarty, S N—Davelopment of the Bengali Alphabet in *JRAS* 1938, P 354

২২৪ Buhler G —*Indian Palaeography*, P 65

২২৫ Fleet J F —*CII*, Vol III, P 1

২২৬ Fleet J F —*Ibid*

২২৭ Fleet J F —*Ibid* P 70

২২৮ Fleet J F —*Ibid* P III A

২২৯ Fleet J F —*Ibid*

২৩০ Fleet J F —*Ibid* P 43

২৩১ Sircar D C —*Select Inscriptions*, PP 24—25

২৩২ Banerjee, R D—*Origin of the Bengali Script*, PP 24 25

সম্পূৰ্ণৰূপে স্থানাচ্যুত কৰিব পৰা নাছিল। বৰঞ্চ অনুক্ৰমে পশ্চিমা লিপিয়েহে পূৰ্বীলিপিক গ্ৰাস কৰিবলৈ আগবাঢি আহে, আৰু ড° হৰ্নলেৰ দৃষ্টিত ষষ্ঠ শতাব্দীৰ প্ৰথম তৰংগত পশ্চিমা শৈলীয় পূৰ্বীশৈলীক প্ৰায় স্থানচ্যুত কৰিবলৈ সমৰ্থ হয়[২৩৩]। খ্ৰীষ্টীয় ৫৮৮ চনত খোদিত বোধগয়াৰ অনুশাসনৰ লিপি ইয়াৰ উৎকৃষ্ট উদাহৰণ। আলোচিত অভিলেখখনিত পূৰ্বীশৈলীৰ চিন মোকাম অকণো পাবলৈকে নাই। ৰাখালদাস বন্দ্যোপাধ্যায়ে দেখুৱাইছে যে খ্ৰীষ্টীয় পঞ্চম শতাব্দীৰ চতুৰ্থ দশকৰেপৰা পূৰ্বীশৈলীৰ স্থানচ্যুতি আৰম্ভ হয় আৰু এই বিতাৰণ কাৰ্যত অধিক উৎসাহ দেখুৱাছিল সম্ৰাট স্কন্দগুপ্তই। তেওঁৰ অধিকাংশ শিলালেখত গুপ্তলিপিৰ পশ্চিমাশৈলীৰ প্ৰভুত্ব মন কৰিবলগীয়া[২৩৪]। খ্ৰীষ্টীয় ৪৭৭ ত উৎকীৰ্ণিত লক্ষ্মণৰ পালি শাসনত[২৩৫] পূৰ্বীশৈলীৰ লেশমানো ছাপ নাই। ৪৫৮ খ্ৰীষ্টাব্দৰ ভীমবৰ্মনদেবৰ কোমল মূৰ্তিলিপি[২৩৬] ত ফ্লীট চাহাবেই লক্ষ্য কৰিছে যে তাৰ শ, স, হ আৰু ল লিপি পশ্চিমাশৈলীৰহে। অৱশ্যে পূৰ্বভাৰতত পশ্চিমাশৈলীৰ ৰাজত্ব অধিক কাল নচলিল। পূৰ্বীশৈলীৰ লিপিয়ে হৃতসম্মান ঘূৰাই আনিবলৈ সমৰ্থ হয়।

ড° আহমদ হাসান দানীয়ে আদি স্তৰৰ গুপ্তলিপিক প্ৰাৰম্ভতে উত্তৰ ভাৰতীয় আৰু দক্ষিণ ভাৰতীয় এই দুভাগত ভাগ কৰি কয় যে সাতবাহন আৰু ক্ষত্ৰপ নৃপতিমণ্ডলীৰ পৃষ্ঠপোষকতাত ব্ৰাহ্মীলিপিৰ দক্ষিণী শৈলীৰ ৰীতিমতে বিকাশ সাধিত হয়[২৩৭]। উত্তৰ ভাৰতীয় লিপিমালাক আঞ্চলিক ভিত্তিত পূৰ্বী, পূৰ্বী মালৱা আৰু মথুৰা এই তিনিটা স্বকীয়া শৈলীত ভগাই আলোচনা আগবঢ়াইছে। সমুদ্ৰগুপ্তৰ এলাহাবাদ স্তম্ভলেখ, দ্বিতীয় চন্দ্ৰগুপ্তৰ উদয়গিৰি গুহা লেখ[২৩৮], ভিটা মৃন্ময় মোহৰ লেখ[২৩৯], আৰু চন্দ্ৰবৰ্মনৰ সুসুনিয়া শৈললেখে[২৪০] আদিগুপ্ত লিপিৰ পূৰ্বীশৈলী, সমুদ্ৰগুপ্তৰ এৰণ স্তম্ভলেখ[২৪১], উদয়গিৰি গুহালেখ, আৰু দ্বিতীয় চন্দ্ৰগুপ্তৰ সাঁচী শৈললেখে[২৪২] পূৰ্বী

---

২৩৩ *JASB*, 1891, P 82

২৩৪ Banarges, R-D—*Op Cit*, PP 30-31

২৩৫ *EI*, Vol II, P 363

২৩৬ Fleet, J F —*Op Cit* P 266

২৩৭ Dani, A-H —*Op Cit* PP 100-103

২৩৮ Fleet, J F —*Op Cit*, P 6

২৩৯ *Annual Report of ASI*, 1911-12, P XVII, 20

২৪০ *EI*, XIII, P 133

২৪১ Fleet, J F —*Ibid*, Pl II

২৪২ Fleet, J F —*Ibid*, Pl IIIB

মালৱা শৈলীৰ আৰু দ্বিতীয় চন্দ্ৰগুপ্তৰ মথুৰা শৈললেখে[২৪৩] মথুৰা শৈলীৰ প্ৰতিনিধিত্ব কৰে। সুসুনিয়া শৈলশাসনৰ লিপি মালৱ শৈলীৰ সুন্দৰ নিদৰ্শন। ইয়াৰ উৎকীৰ্ণ কৌশল অতি উন্নত। ইয়াত থকা লিপিৰ বক্ৰতা অংশ নি সন্দেহে কৌশাম্বী শৈলীৰপৰা ধাৰ কৰা। ইয়াত ফাঁচযুক্ত ন, মুক্ত মুখাকৃতিৰ বাম অংশত ফাঁচযুক্ত ণ, পুচ্ছযুক্ত ম, হাকোটাযুক্ত হ আৰু ফাঁচযুক্ত স ৰ প্ৰয়োগ মন কৰিবলগীয়া। য় হাকোটাযুক্ত, কৌশাম্বীৰ লগত বেচ অমিল আৰু 'ৰ ৰ লম্ব ঋজু। ত, গ আৰু শ ৰ সোঁফালৰ অংশতকৈ বাওঁফালৰ অংশ অধিক প্ৰশস্ত। শিৰোৰেখা গোটা ত্ৰিকোণযুক্ত। মধ্যৱৰ্তী স্বৰসমূহৰ বিকাশ ঘটিলেও মাজে সময়ে কুশাণ আ আৰু এ ৰ প্ৰয়োগ দেখা যায়। ণ ৰ হাকোটাডাল আখৰটোৰ দক্ষিণফালে সংযুক্ত হ'ল আৰু শ ফাঁচযুক্ত স ৰপৰা আঁতৰি গ'ল। অৱশ্যে এইটো ৰূপ এলাহাবাদ স্তম্ভলিপিতো বিদ্যমান[২৪৪]।

খ্ৰীষ্টজন্মৰ প্ৰথম শতাব্দীমানলৈ কৌশাম্বী শৈলীয়ে গংগা উপত্যকাৰ বিস্তীৰ্ণ ভূভাগত প্ৰভাৱ পেলাইছিল। ৰাজ পৃষ্ঠপোষকতা আছিল ইয়াৰ ঘাই কাৰণ। অৱশ্যে কৌশাম্বী শৈলীৰ জয়জয় ময়ময় কালতো ব্যক্তিগত শৈলীত লিপি খোদন কৰা ৰীতিটো অব্যাহত থকাৰ কথা 'কুশাণকালীন ব্ৰাহ্মী' শিৰোনামৰ ছেদটিত উল্লেখ কৰি অহা হৈছে। খ্ৰীষ্টীয় চতুৰ্থ শতাব্দীত কৌশাম্বী শৈলীৰ প্ৰাধান্য টুটি আহে (অৱশ্যে পঞ্চম শতাব্দীত এই প্ৰভাৱ পুনৰ বৃদ্ধি পোৱাৰ কথা ইতিমধ্যে উল্লিখিত নোহোৱা নহয়)। আদি স্তৰৰ গুপ্তলিপিৰ মথুৰা বা পশ্চিমা শৈলীত দেখা যায় যে প্ৰায়বোৰ অক্ষৰে শিৰোৰেখা পৰিস্ফুট হৈছে। অৱশ্যে দুই এক অক্ষৰৰ ক্ষেত্ৰত ফোঁপোলা শিৰোৰেখা দেখা যায়। মধ্যৱৰ্তী দুই এটা স্বৰে পূৰ্বীলিপিৰ নহ'লে বা প্ৰাচীন কুশাণলিপিৰ ৰূপত থকা চকুত পৰে। মধ্যৱৰ্তী ই ৰ হাকোটা দীৰ্ঘলীয়া আৰু ঈ ৰ সোঁবাহু বাওঁ বাহুতকৈ অধিক বিস্তৃত। মধ্যৱৰ্তী উ সৰ্বদা বেঁকা। সাধাৰণতে এ, ঐ, ও আৰু ঔ বে কুশাণকালীন ব্ৰাহ্মীতকৈ অধিক আগবাঢ়িবপৰা নাই। ক ৰ অনুভূমিক বক্ৰতা, খ ৰ ভূমিত স্পষ্ট ত্ৰিকোণ, গ, ত ভ আৰু স ৰ দক্ষিণ বাহুৰ দীৰ্ঘতা উত্তৰ ভাৰতীয় মথুৰা শৈলীৰ মন কৰিবলগীয়া বৈশিষ্ট্য। গ ৰ শিৰোৰেখা হয় গোলাকাৰ নহয় চেপা খোৱা। খ, গ আৰু শ ৰ বাওঁ অংগত শিৰেচিহ্ন বিদ্যমান। ফাঁচযুক্ত আৰু মুখ মেলা ন ৰ দুয়োটা ৰূপেই পোৱা যায়। দ বৰ্তুল-পশ্চাৎ প্ৰকৃতিৰ। য ৰ বাওঁ বাহুত ফাঁচ আছে। ৰ পোন দণ্ডযুক্ত আৰু ল, হ ত হাকোটা অথবা স ত এটি ফাঁচ বিদ্যমান[২৪৫]।

২৪৩ Fleet, J F—*Ibid*, Pl III A
২৪৪ Dani, A H—*Op Cit*, P 101
২৪৫ Dani, A H—*Ibid*, P 102

পূৰ্বী মালৱা শৈলী কলাত্মক। ইয়াত গোটা চতুষ্কোণ শিৰোৰেখা মন কৰিবলগীয়া বৈশিষ্ট্য। দ্বিতীয় চন্দ্ৰগুপ্তৰ উদয়গিৰি গুহাশাসন আৰু সাঁচী শাসনৰ লিপিলৈ লক্ষ্য কৰিলে এই পাৰ্থক্যটো ওলাই পৰে। প্ৰথমখনি চতুষ্কোণী শিৰোৰেখাযুক্ত আৰু শেষৰ খনি স্পষ্ট ত্ৰিকোণশীৰ্ষ। এই শৈলীৰ আখৰবোৰৰ দণ্ড দীঘলীয়া। একমাত্ৰ ফাঁচযুক্ত ন ত বাদে আনবোৰ লিপিত বক্ৰতা পাবলৈ নাই। মুখ মেলা ন ৰ ব্যৱহাৰো ইয়াত পোৱা নাযায়। ম ৰ ভূমিভাগ কণীটোৰ দৰে। ভ হ'ল দক্ষিণী কোঁপোলা আকৃতিৰ। মথুৰা শৈলীত পোৱা বাওঁবাহুৰ ফাঁচটো। পূৰ্বী মালৱা শৈলীৰ য় তো দেখিবলৈ পোৱা যায়। চতুষ্কোণী শিৰোৰেখাৰ প্ৰয়োগ শিলালেখত সবাতোকৈ বেছি। তুলনা-মূলক ভাবে তাম্ৰলেখৰ শিৰোৰেখাবাৰত চতুষ্কোণ খুব স্পষ্ট নহয়। মধ্যভাৰতৰ উপৰি কদম্ব কদম্বসকলৰ লেখমালাত চতুষ্কোণ শিৰোৰেখা প্ৰচুৰ পৰিমাণে পোৱাটো মন কৰিবলগীয়া[২৪৬]। খ্ৰীষ্টীয় চতুৰ্থ পঞ্চম শতাব্দীত ব্ৰাহ্মীলিপিৰ দক্ষিণী শৈলীও সন্তোষজনক ভাৱে বিকশিত হয়। খ্ৰীষ্টীয় পঞ্চম শতাব্দীৰ পিছৰেপৰা ব্ৰাহ্মীলিপিৰ বিকাশৰ ধাৰাটি দ্ৰুততৰ হয়। লাহে লাহে প্ৰত্ন-আঞ্চলিক লিপিমালায়ো আত্মপ্ৰকাশৰ সুযোগ লয়। কলমৰদ্বাৰা তালপাত অথবা ভূৰ্জপত্ৰৰ ওপৰত লিখা ব্যৱস্থা সংগানিভাৱে চলিত হোৱাৰ লগে লগে আখৰৰ গঢ় সলনি হ'বলৈ ধৰে। এই পৰিৱৰ্তনৰ ধাৰাটি স্বকীয়া অধ্যায়ত আলোচনা কৰা হ'ব। মুঠতে আদিস্তৰৰ গুপ্তলিপিৰ বৈশিষ্ট্য হ'ল—They differ form the earlier inscriptions in the formation of the head mark, in the evolution of the uniforn medial vowel marks and in the development of a few letters[২৪৭]

(ঙ) পৰৱৰ্তী স্তৰৰ গুপ্তলিপি আৰু প্ৰত্ন-আঞ্চলিক লিপিৰ উৎপত্তি

নদীৰ স্ৰোতধাৰাৰ দৰে ভাৰতীয় ব্ৰাহ্মীলিপি এসময়ৰ অগ্ৰগতিৰ লগে লগে বিকাশৰ ফালে আগবাঢ়িছিল। খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীৰেপৰা এই বিকাশৰ ধাৰাটি অধিক প্ৰোজ্জ্বল হৈ উঠে। এই কালৰেপৰা উত্তৰ ভাৰতীয় ব্ৰাহ্মীলিপিমালা হৈ উঠে অধিক কলাত্মক।

---

২৪৬ Sircar, D C—*Select Inscriptions* P 268 foot notes

২৪৭ Dani, A H—*Ibid*, P 104, আদিস্তৰৰ গুপ্তলিপিত 'ওম' চিহ্নৰ উপৰি বৈদিক 'ল' (যেনে, সমুদ্ৰগুপ্ত স্তম্ভলেখৰ 'কোৱাদক') আৰু হলন্ত চিহ্নৰ আধুনিকীকৰণ দেখা যায়।

দণ্ডৰেখাৰ নিম্নাংশ বাওঁফালে গতি কৰাৰ লগতে স্বৰৰ মাত্ৰাসমূহ অধিক দীঘলীয়া আৰু একা বেঁকা তথা কলাত্মক হৈ উঠিল। সৌন্দৰ্যৰ প্ৰতি লিপিকৰসকলৰ এনে আগ্ৰহেই প্ৰত্ন-আঞ্চলিক লিপিমালাৰ আত্ম প্ৰকাশত সাহায্য দান কৰা বুলি কোৱা হয়। ড দানীয়ে প্ৰত্ন-আঞ্চলিক লিপিৰ উদ্ভৱৰ ক্ষেত্ৰত তিনিটা প্ৰধান কাৰণ দৰ্শাইছে[২৪৮]—ক লেখন কলা কৌশলৰ উন্নতি। নতুন লেখন সামগ্ৰী অথবা পুৰাতন লেখন সামগ্ৰীকে নতুন ৰূপত প্ৰয়োগ, খ অলংকৃত অক্ষৰৰ প্ৰতি তীব্ৰ হেপাহ আৰু গ খৰকৈ সৰলীকৃত ৰূপত লেখাৰ প্ৰতি ধাউতি। তৃতীয় কাৰণটিয়ে বেঁকা শৈলীৰ সৃষ্টিত সাহায্য আগবঢ়ায়।

পৰবৰ্তী কালৰ উত্তৰ ভাৰতীয় গুপ্তলিপিত কলমৰ প্ৰয়োগ অধিক দেখা যায়। কলমৰ প্ৰয়োগে আখৰ সমূহৰ তিনিটা পৰিবৰ্তন আনে ক প্ৰতিটো আখৰত নিৰ্দিষ্ট শিৰোৰেখাৰ সৃষ্টি। কলমেৰে লিখাৰ ফলত শিৰোৰেখাত একোটিকৈ স্পষ্ট ত্ৰিকোণৰ সৃষ্টি হোৱাটো মন কৰিবলগীয়া। ইয়াক পুৰণি পুৰালিপিতত্ত্ববিদসকলে গোঁজমুখী অথবা নখমূৰীয়া অক্ষৰ আখ্যা দিছিল। খ উত্তৰ ভাৰতীয় লিপিত পঞ্চম শতাব্দীৰ পিছৰেপৰা দণ্ডৰ ভূমিত কলমৰ বল্যাণত একেটিকৈ 'পাদচিহ্ন অথবা 'কলংক'ৰ সৃষ্টি হয় আৰু অক্ষৰৰ নতুন ৰূপাংকনত এক গুৰুত্বপূৰ্ণ ভূমিকা লয়। কোনো কোনো ক্ষেত্ৰত এই পাদচিহ্নই পুচ্ছলৈ মোট সলায়। দ, ৰ, ভ আৰু স অক্ষৰেই তাৰ সাক্ষী। আলোচিত পুচ্ছাংশ আকৌ ত্ৰিকোণলৈ বিকশিত হৈ পিছত মুখখনি উন্মুক্ত ৰখাও দেখা যায় আৰু গ খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীৰ পিছৰে পৰা খৰকৈ লিখাৰ ফলত কলমৰ পাকে আখৰৰ ৰেখাসমূহ বণ আৰু ক্ষীণ কৰাৰ লগতে মধ্যৱৰ্তী স্বৰৰ মাত্ৰাসমূহ অধিক অলংকৃত কৰাটো উল্লেখযোগ্য। এনে প্ৰযত্নৰ ফলশ্ৰুতি ৰূপেই উত্তৰ ভাৰতত কুটিল লিপিয়ে আত্ম প্ৰকাশ লাভ কৰে[২৪৯] দাক্ষিণাত্যত কলমৰ পৰিৱৰ্তে শলাকা ব্যৱহাৰ হৈছিল আৰু লেখাৰ সামগ্ৰী আছিল তালপাত। ফলত আখৰবোৰ অধিক বৰ্তুল আৰু তৰংগ বিশিষ্ট হৈছিল। এই শৈলী পিছত তাম আৰু শিলতো চলিল। চালুক্য নৃপতি কীৰ্তি বৰ্মনৰ পট্টদকল স্তম্ভলেখত উত্তৰ ভাৰতীয় আৰু দক্ষিণ ভাৰতীয় শৈলীৰ মধুৰ সংমিশ্ৰণ মন কৰিবলগীয়া[২৫০]।

অলংকৰণৰ প্ৰতি লিপিকৰসকলৰ থকা দুৰ্বলতাই মধ্যৱৰ্তী স্বৰমালাৰ আমূল

---

১৪৮ Dani, A H —*Op Cit* P 113
২৪৯ Dani, A H —*Ibid*, P 113
২৫০ *EI*, III, PP 4 6

পৰিবৰ্তন অনা বুলিব পাৰি। কলম আৰু শলাকাৰ প্ৰয়োগে মধ্যৱৰ্তী স্বৰ চিহ্নমালাৰ সৌন্দৰ্য বৰ্ধনত ভালেখিনি সহায় কৰিছিল। খ্ৰীষ্টীয় পঞ্চম শতাব্দীত খোদিত বিলসদ অনুশাসন আৰু মেহৰৌলী স্তম্ভলেখৰ উপৰি ষষ্ঠ শতাব্দীত খোদিত যশোবৰ্মন আৰু মহানমনৰ লিপি ইয়াৰ সুন্দৰ নিদৰ্শন। খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীৰ অন্তিম ভাগ অথবা সপ্তম শতাব্দীৰ প্ৰথম তৰংগত উত্তৰ ভাৰতীয় ব্ৰাহ্মীলিপিৰ অক্ষৰৰ লম্বৰ দক্ষিণ অংশটি (right vertical limbs) আ শিকভাৱে ভিতৰলৈ ঘোৰ খায়। ফ্লীট চাহাবে ইয়াকে কুটিলাক্ষৰ নাম দিছে[২৫১]। লম্বৰ নিম্নাংশ ঘোৰ খোৱাৰ ফলত ভূমিৰৈসেতে সি একোটি সূক্ষ্মকোণৰ সৃষ্টি কৰা দেখা যায়। ড° বুহলৰে ইয়াকে 'সূক্ষ্মকাণী লিপি' (acute angled script) বুলিছে। অৱশ্যে তেওঁ কুটিল পদ্ধতিৰ লিপি পঞ্চম শতাব্দীৰেপৰা থকাৰ প্ৰমাণ ডাঙি ধৰিছে[২৫২]। আনহাতে ড° দানীয় অক্ষৰত কুটিল চংটি খ্ৰীষ্টীয় পঞ্চম শতাব্দীৰো পূৰ্বৰেপৰা প্ৰচলিত থকা বুলি মন্তব্য ৰথাটো তাৎপৰ্যপূৰ্ণ[২৫৩]। দক্ষিণ ভাৰতত কেইটামান অক্ষৰত বিশেষকৈ ল ৰ উচ্চ অংশ আৰু অ, ক, ত আৰু ৰ ৰ নিম্নঅংশত বক্ৰতা প্ৰকট হৈ পৰিল। খ্ৰীষ্টীয় চতুৰ্থ শতাব্দীৰ পল্লৱ কদম্ব প্ৰভৃতি শাসকসকলে উৎকীৰ্ণ কৰোৱা লিপিবোৰত লম্বৰ দীৰ্ঘতা লক্ষণীয়। খ্ৰী সপ্তম শতাব্দীৰে-পৰা অ আৰু ল ৰ বৃত্তৰ ভিতৰত, ক আৰু ৰ অক্ষৰৰ ধিৰেখাৰ মাজত চকু ত পৰা বক্ৰতাই গা কৰি উঠিল। মধ্যবৰ্তী স্বৰচিহ্নসমূহো বিকাশৰ ফালে আগবঢ়া দেখা যায়। মধ্যবৰ্তী ই কাৰ আৰু ঋ কাৰৰ বিকাশ তু গণীৰ্যত।

থৰকৈ লিখাৰ কলত আৰু সৌন্দৰ্যবোধৰ প্ৰতি থকা তীব্ৰ হেপাহে উত্তৰ ভাৰতীয় লিপিক সৰলতাৰ সমতললৈ আগবাঢ়াই দিয়ে। তাম্ৰপট্ট অথবা হস্তলিখিত পুথিৰ পাতত জয়জয়তে সৰলতাৰ শৈলীয়ে দেখা দিয়া বোলাটো শুদ্ধ নহয়। দৃষ্টান্ত ৰূপে হৰ্ষবৰ্ধনৰ বনস্কেৰা শৈলশাসনৰ লিপিয়ে আল কাৰিক শৈলীৰ নিদৰ্শন দাঙি ধৰিলেও একেজনা নৃপতিৰে মধুবন শাসনে সৰল শৈলীৰ চানেকি প্ৰদৰ্শন কৰে[২৫৪]।

ড° সুনীতিকুমাৰ চট্টোপাধ্যায়ে উল্লেখ কৰিছে যে থানেশ্বৰৰ নৃপতি হৰ্ষবৰ্ধনৰ ৰাজত্ব কাললৈকে সমগ্ৰ উত্তৰ ভাৰতত অবিভক্ত ব্ৰাহ্মীলিপিৰ অন্তিম ৰূপটোৰ প্ৰচলন আছিল।

---

২৫১ বিদেশী পণ্ডিতসকলৰ ভিতৰত জেমচ প্ৰিন্সেপই (J Prinsep = 1799—1880) জয়জয়তে কুটিল লিপিৰ চিনাক্তকৰণ কৰে (*JASB*, VI, P 778)

২৫২ Buhler, G —*I P*, P 68

২৫৩ Dani, A H —*Op Cit*, P 115

২৫৪ Dani, A H —*Ibid* P 118

সেই ৰূপটোৰ নাম আছিল 'সিদ্ধ মাতৃকা'। সেই লিপি এতিয়াও চীনদেশ, কোৰিয়া আৰু জাপানত সংস্কৃত অথবা বীজমন্ত্ৰ লেখনৰ ক্ষেত্ৰত ব্যৱহাৰ হয়[২৫৫]। হৰ্ষবৰ্ধনৰ মৃত্যুৰ পিছত এই লিপিৰ তিনিটা আঞ্চলিক ৰূপে এণ্ডামুৰি দিয়ে। সেয়া হ'ল ক শাৰদা বা উত্তৰ-পশ্চিমা, খ শ্ৰীহৰ্ষ বা দক্ষিণ পশ্চিমা আৰু উত্তৰ মধ্যদেশ আৰু গ কুটিল বা পূৰ্বী।

আলবেৰুণীয়ে (খ্ৰী ১০৩) তেওঁৰ গ্ৰন্থত উল্লেখ কৰিছে যে কাশ্মীৰ, বাৰাণসী আৰু মধ্যদেশত (কনৌজৰ ওচৰে পাঁজৰে) 'সিদ্ধ মাতৃকা' লিপিৰ আৰু মালৱাত নাগৰ লিপিৰ ব্যৱহাৰ আছিল[২৫৬]। আলবেৰুণীৰ উপৰি উক্ত মন্তব্যই এটা কথা স্পষ্ট কৰে যে খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীৰেপৰা প্ৰায় দশম শতাব্দীলৈকে উত্তৰ ভাৰতত প্ৰচলিত লিপিৰ নাম আছিল '**সিদ্ধ মাতৃকা**'। ইয়াৰ আন নাম আছিল '**সিদ্ধম্ লিপি**'। কিয়নো এই লিপিৰ (বাৰাক্ষৰী বৰ্ণমালা) আৰম্ভণিত আছিল 'ও নম সিদ্ধম্' শব্দ। এই লিপিৰ কলাত্মক ৰূপ চাবলগীয়া। জাপানত হোয়ুজী বিহাৰ নামেৰে এটি প্ৰাচীন বৌদ্ধ মন্দিৰ আজিও বিদ্যমান। এই মন্দিৰত 'উষ্ণীৰ বিজয় ধাৰিণী' নামেৰে তালপাতত লিখা হস্তলিখিত পুথি এখনি সুৰক্ষিত হৈছে। এই পুথিখনি জয়জয়তে ভাৰতবৰ্ষত লিখা হৈছিল। পিছত খ্ৰী ৫২০ ত মহাস্থবিৰ বোধিধৰ্মই ইয়াক ভাৰত ভূমিৰপৰা নি চীন দেশত ৰাখেগৈ আৰু শেষত ৬ ৯ খ্ৰীষ্টাব্দত হস্তলিখিত পুথিখনি গৈ জাপান পায় গৈ। এই অপূৰুপীয়া পুথিখনিৰ সৰ্বশেষত সম্পূৰ্ণ বৰ্ণমালাৰ তালিকা এখনি দিয়াটো মন কৰিবলগীয়া। এই আখৰ নি সন্দেহে খ্ৰীঃ ষষ্ঠ শতাব্দীৰ। পণ্ডিতসকলে ইয়াক উত্তৰ ভাৰতীয় 'সিদ্ধ মাতৃকা লিপি'ৰ প্ৰথম নিদৰ্শন ৰূপে চিহ্নিত কৰিছে। ইয়াত হ্ৰস্ব আৰু দীৰ্ঘৰূপৰ উপৰি ঋ আৰু ল, ৰ প্ৰতীক চিহ্নৰ অৱস্থিতি তাৎপৰ্যপূৰ্ণ[২৫৭]। খ্ৰীষ্টীয় ৬৩৫ ত খোদিত নেপালৰ নৃপতি অংশুবৰ্মনৰ অভিলেখ আৰু আদিত্যসেনৰ অপসড শাসনত সিদ্ধ মাতৃকাৰ বিকাশ দেখিবলৈপোৱা যায়। এই লিপিৰ বিকাশত থানেশ্বৰৰ নৃপতি হৰ্ষবৰ্ধনৰ নাম বিশেষভাৱে উল্লেখযোগ্য। তেওঁৰ বংসখেড়া তাম্ৰপত্ৰলেখৰ অন্তত নৃপতিজনাই নিজে খোদিত কৰিছিল এনেদৰে 'স্বহস্তো মম মহাৰাজাধিৰাজ শ্ৰীহৰ্ষস্য'। অনুমান কৰিব পাৰি যে নৃপতিজনাই আটাইবোৰ ৰাজাজ্ঞা সূচক অভিলেখতেই স্বাক্ষৰ কৰি দিছিল। সুলেখন কলাৰ চৰম বিকাশসম্ভৱ হৈছে উক্ত লিপিত। কাঞ্চীপুৰমৰ কৈলাসনাথ

২৫৫ *The Cultural Heritage of India*, Vol I, P 71

২৫৬ Sachau—Alberuny's India, I, P 173

২৫৭ Maxmuller, & Nanjo, B—The Ancient palm leaves (Horiuzi Palm leaf MS) in *Anecdota Oxoniensia* Vol I, 1884, P 14

মন্দিৰত উৎকীৰ্ণ বিৰূদ প্ৰশস্ত এক লেখতো শ্ৰীহৰ্ষৰ স্বহস্তলিপিৰ অনুৰূপ অক্ষৰ দেখিবলৈ পোৱা যায়।

'উষ্ণীষ বিজয় ধাৰিণী'ৰ আখৰবোৰ ৰুলমেৰে লিখাৰ ফলত লম্ব ৰেখাই সামান্য ভাৱে ভিতৰলৈ ঘোৰ খাই কল্পিত কিংবা দৃষ্টিগোচৰ হোৱা ভূমি ৰেখাৰে একোটি সূক্ষ্ম-কোণৰ সৃষ্টি কৰে। এই বৈশিষ্ট্যলৈ লক্ষ্যৰাখি ড° বুহ্লৰে 'সিদ্ধ মাতৃকালিপি'ক **সূক্ষ্মকোণী লিপি** আখ্যা দিছিল[২৫৮]। অলংকৰণৰ প্ৰতি চকু দিয়াৰ ফলশ্ৰুতি ৰূপে এই লিপিৰ শিৰোৰেখাত এটি নিম্নমুখী ত্ৰিকোণে গা কৰি উঠে। এই বৈশিষ্ট্যলৈ লক্ষ্য ৰাখি দুই এজন পুৰালিপিতত্ত্ববিদে ইয়াক '**গোঁজমুখী**' অথবা '**নখমুখী**' লিপিৰূপে চিনাক্ত কৰিছিল[২৫৯]। এই 'গোঁজ মুখী' কি বা 'নখ মুখী' লিপিৰ ত্ৰিকোণৰ অন্তিম বিন্দুটো তলৰ ফালে থকাটোৱে সাধাৰণ নিয়ম যদিও বেণ্ডেল চাহাবে এই নিম্নমুখী কোণটো নেপালত প্ৰাপ্ত কোনো কোনো হস্তলিখিত পুথিত ওপৰ মুৰকৈ থকাও দেখিবলৈ পাইছে[২৬০]। সেই জাতীয় আখৰক তেওঁ '**জোং মুখী**' অথবা '**কাঁড় মুখী**' লিপি বুলিব বিচাৰিছিল যদিও জেমচ প্ৰন্সেপে তাক '**কুটিলাক্ষৰ**' ৰূপে স্বীকৃতি দিছিল[২৬১] আৰু ফ্লীট চাহাবে সেই নামটি জনপ্ৰিয় কৰিবলৈ যত্ন কৰিছিল[২৬২]। 'কুটিলাক্ষৰ' শব্দটিৰ প্ৰথম প্ৰয়োগ পোৱা যায় 'দেৱল প্ৰশস্তি'ত[২৬৩]। সাহিত্যৰ ভিতৰত 'বিক্ৰমাংক চৰিত'ত (১৮।৪২) উক্ত শব্দটি পোৱা গৈছে[২৬৪]। এইখিনিতে প্ৰশ্ন উঠে, কুটিলাক্ষৰৰ স্বৰূপ কি ? ড বুহ্লৰৰ ভাষাত, 'Their chief characteristic is that the

---

২৫৮ Buhler G—*I P*, P 68

২৫৯ Tod—*Annals of Rajasthan* I, P 700

২৬০ Bendall—Cat of Cambridge Buddhist MS from Nepal, XLI, in *Anecdota Oxoniensia*, VIII, P 711

২৬১ *JASB* VI, P 778

২৬২ Fleet—*CII*, III, P 274

২৬৩ *EI*, I, P 76 ফলিত আছে—'কুটিলান্যক্ষৰাণি বিদুষা.'। ড° বুহ্লৰে ইয়াৰ অনুবাদ দিছে এনেদৰে—by him who knows crooked letters, ie, letters difficult to read

২৬৪ 'বিক্ৰমাংক চৰিত্ৰ'ৰ 'কুটিলাক্ষৰ' শব্দ থকা বাক্যটিৰ ইংৰাজী অনুবাদ ড° বুহ্লৰে এনেদৰে দিছে—Suramati did not allow herself to be cheated kayasthah kutila lipibhih by writing using crooked alphabet

letters slope from the right to left, and show acute angles at the lower or at the right ends, as well as that the tops or the verticals or slanting lines invariably bear small wedges, and their ends either show the same ornaments or protuberances on the right'[২৬৫] পণ্ডিত ওঝাই এই লিপিৰ সংজ্ঞা দিবলৈ গৈ কৈছে—'কুটিল লিপিৰ লম্ব ৰেখাৰ নিম্নাংশ বাওঁফালে ঘোৰ খাইছিল আৰু স্বৰ মাত্ৰাসমূহ অধিক বেঁকা বেঁকি আৰু দীঘল হোৱা হেতু ইয়াৰ নাম কুটিল[২৬৬]। অ, আ, ঘ, প, ম, য, ষ আৰু স ৰ শিৰোৰেখা দ্বিধা বিভক্ত হোৱাৰ উপৰি প্ৰতিটো অংশই নিজাকৈ ত্ৰিকোণাকাৰ ৰেখা শিৰ পাতি লোৱা দেখা যায়[২৬৭]। ড° ভোলানাথ তিৱাৰীয়ে কয় 'স্বৰো কী মাত্ৰাওঁ কী আকৃতি কুটিল য়া টেৰী হোনে কে কাৰণ ইসে কুটিল লিপি কহা গয়া হৈ[২৬৮]।' আলবেৰুণীয়ে উল্লেখ কৰা 'সিদ্ধ মাতৃকা'ৰ আন নাম যে কুটিল, তাক হোৰ্য়ুজী তালপত্ৰ লিপিৰ সন্দৰ্ভত Ziogon এ আগবঢোৱা মন্তব্যই স্পষ্ট কৰে। ড ঠাকুৰপ্ৰসাদ বৰ্মাই উপযুক্ত মন্তব্যৰ আলোকতে সিদ্ধ মাতৃকা আৰু কুটিলক অভিন্ন বুলি দেখুৱাবলৈ সাহস পাইছে[২৬৯]। ড° বুহলৰ আৰু কীলহৰ্ন চাহাবে লিপিৰ ক্ষেত্ৰত 'কুটিল নামকৰণ সমৰ্থি পচন্দ নকৰিলেও ড আহমদ হাসান দানীয়ে যুক্তি দৰ্শাই কয় যে, 'Fleet's term, though derived from a late inscription, if understood to imply the style of writing which shows ornamental forms with their right limbs slightly bent, may be retained, as it conveys a chronological sense[২৭০]

উপৰ্যুক্ত আলোচনাৰ আধাৰত ক'ব পাৰি যে কোনো লিপিৰ সোঁফালৰ লম্ব ভিতৰফালে ঘোৰ খালে, অলংকৰণৰ বাবে শিৰোৰেখাত নিম্নমুখী ত্ৰিকোণৰ সৃষ্টি হ'লে আৰু স্বৰমাত্ৰাসমূহে এক বেঁকা ৰূপ ল'লেই সি কুটিল লিপি আখ্যা পাবৰ যোগ্য।

---

২৬৫ Buhler G—*Op Cit*, P 51

২৬৬ কুটিল লিপি মেঁ অক্ষৰো কী খড়ী ৰেখাএঁ নীচে তৰফ বাঁই ঔৰ মুড়ী হুই হোতী হৈ ঔৰ স্বৰো কী মাত্ৰা এ অধিক টেড়ী মেড়ী তথা লম্বী হোতী হৈঁ ইসীসে উসকা নাম কুটিল পড়া।—প্ৰাচীন ভাৰতীয় লিপিমালা, পৃঃ ৬২ ৩

২৬৭ ওঝা জি এইচ—প্ৰাগুক্ত গ্ৰন্থ, পৃ ৬২

২৬৮ তিৱাৰী ভোলানাথ—ভাষা বিজ্ঞান, পৃ ৪১০

২৬৯ Verma, T P—*DSAK*, P 40

২৭০ Dani A H—*Op Cit* P 116

সেয়েহ'লে ইয়াক কোনো এটা নিৰ্দিষ্ট সময়ৰেখাৰ অন্তভুৰ্ক্ত লিপি বুলিব নোৱাৰি। সেইবাবে সাধাৰণভাৱে খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীৰেপৰা নৱম শতাব্দীলৈকে উত্তৰ ভাৰতীয় পূৰ্বীলিপিক কোনো কোনোৱে **'কুটিল লিপি'** ৰূপে চিনাক্ত কৰিলেও উক্ত সময়ৰেখাৰ ভালেখিনি পিছতো এই লিপিৰ ৰূপ পোৱা যায়। গতিকে ত্ৰিকোণ শীৰ্ষ, চতুষ্কোণ শীৰ্ষ অথবা পেটিকা শীষ শৈলীৰ দৰে কুটিলকো এটা শৈলী বুলিলে অধিক ৰজিতা থায়। চতুষ্কোণ কিংবা পেটিকা শীৰ্ষ শৈলীৰ লিপি মধ্য ভাৰতত বহুলভাৱে ব্যৱহাৰ হোৱাৰ দৰে কুটিল শৈলীৰ লিপি উত্তৰ পূৰ্ব ভাৰতত অধিক ৰূপত প্ৰয়োগ হোৱা দেখা যায়। এটা কালত কুটিলৰ নিদৰ্শন পশ্চিমে উত্তৰ প্ৰদেশৰপৰা পূ ব পুৰণি কামৰূপলৈ আৰু উত্তৰে নেপালৰপৰা দক্ষিণে উৰিষ্যালৈকে পোৱা গৈছিল। পিছলৈ **নাগৰী লিপিয়ে** উত্তৰ প্ৰদেশ, বিহাৰ আৰু নেপালত প্ৰভাৱ বিস্তাৰ কৰাৰ ফলশ্ৰুতিৰূপে কুটিলশৈলীৰ লিপিয়ে মৈথিলী আৰু নেবাৰী ভাষাক সাৱটি ৰব লগাত পৰিল।

উত্তৰ পূৰ্ব ভাৰত ভূমিৰ বিভিন্ন স্থানত প্ৰাপ্ত যিবোৰ শৈললেখ, তাম্ৰশাসন, মুদ্ৰা আৰু হস্তলিখিত পুথিত কুটিল শৈলীৰ পয়োভৰ দেখা যায়, সিবোৰ হ'ল[২৭১]—**ক** মন্দসোৰত প্ৰাপ্ত যশোবৰ্মনৰ তিনিখন শাসন (তাৰে এখন ৫৩২ খ্ৰীষ্টাব্দৰ), **খ** বোধগয়াৰ মহানামনৰ শাসন দুখন (৫৮৮ খ্ৰী), **গ** মৌখাৰী নৃপতি মণ্ডলীৰ মুদ্ৰা আৰু অভিলেখ মালা (ষষ্ঠ খ্ৰীষ্টাব্দ), **ঘ** ইতিপূৰ্বে উল্লিখিত নেপালৰাজ অংশুবৰ্মনৰ শাসনমালা (সপ্তম খ্ৰীষ্টাব্দ), মেৱাৰৰ শীলাদিত্য আৰু অপৰাজিতৰ লেখমালা (খ্ৰী ৬৭২), **ঙ** ইতিপূৰ্বে উল্লিখিত খ্ৰীষ্টীয় সপ্তম শতাব্দীৰ গুপ্তবংশী নৃপতি আদিত্যসেন আৰু তেওঁৰ নাতি দ্বিতীয় জিবিত গুপ্তৰ অভিলেখ মালা, **চ** ধৰ্মপালৰ খালিমপুৰ আৰু বোধগয়া মূৰ্তি অভিলেখ, **ছ** দেৱপালৰ শাসনমালা, **জ** নাৰায়ণপালৰ বাদল আৰু ভাগলপুৰ লেখ **ঝ** মহেন্দ্ৰপালৰ দীঘা, দুভৌলী আৰু ৰামগয়া শাসন, **ঞ** দ্বিতীয় গোপাল, প্ৰথম মহীপাল, নয়াপাল, ৰামপাল আৰু **ট** বিজয় সেনৰ দেওপাৰা লিপিৰ নাম উল্লেখযোগ্য। ভালেখিনি তালপাত আৰু ভূৰ্জপত্ৰত লিখা পুথিতো কুটিল শৈলীৰ ব্যৱহাৰ মন কৰিবলগীয়া। এনে হস্তলিখিত পুথিৰ ভিতৰত—**ক** প্ৰাকৃত আৰু সংস্কৃত মিহলি ভাষাত ৰচিত আৰু কাশ্মীৰৰ গিলগিট নামে ঠাইত ই. ১৯৩১ চনত প্ৰাপ্ত মহাযান বৌদ্ধ সম্প্ৰদায়ৰ 'গিলগিট পাণ্ডুলিপি', **খ** জাপানৰ হোৰ্য়ুজীত সংৰক্ষিত 'প্ৰজ্ঞাপাৰমিতা' আৰু 'উষ্ণীষ বিজয় ধাৰিণী', **গ** বোৱাৰ পাণ্ডুলিপি (খ্ৰী ৪০০—৫ ০), **ঘ** কেম্ব্ৰিজ বিশ্ববিদ্যালয় সংৰক্ষিত হস্তলিখিত

---

২৭১ Neog, M—Development of Eastern Indian Script in *Prof S K Bhuyan Commemoration volume*, PP 192-93

পুথি, ন. ১০৪৯, ঙ বখশালী হস্তলিখিত পুথি (খ্রী ৮০০), চ ডেকান কলেজ হস্তলিখিত পুথি, ১৮৭৫/৬, পুথি নং ১৯২, ছ কেম্ব্ৰিজ বিশ্ববিদ্যালয় হস্তলিখিত গ্ৰন্থ, ন. ১৬৯৯, ১/২ (খ্রী ১১৯৮), জ কেম্ব্ৰিজ বিশ্ববিদ্যালয় হস্তলিখিত পুথি, ন. ১৬৯১ (খ্রী ১১৭৯), ঝ ব্ৰিটিছ মিউজিয়ম সংৰক্ষিত হস্তলিখিত পুথি, ন. ১৪৩৯ (খ্রী ১২৮৬), ঞ কেম্ব্ৰিজ বিশ্ববিদ্যালয় সংৰক্ষিত হস্তলিখিত পুথি, ন. ৮৬৬ (খ্রী ১০০৮) আৰু ট ডেকান কলেজ সংৰক্ষিত হস্তলিখিত গ্ৰন্থ, ন. ১৮৮০/১ (খ্রী ১০৮১)-ৰ নাম উল্লেখযোগ্য[২৭২]।

খ্ৰীষ্টীয় চতুৰ্থ শতাব্দীৰ পিছৰেপৰা খ্ৰীষ্টীয় সপ্তম অষ্টম শতাব্দীৰ ভিতৰত সৌন্দৰ্যৰ প্ৰতি থকা লিপিকৰসকলৰ ঐকান্তিক দুৰ্বলতা আৰু কাৰিকৰী বিদ্যাৰ দ্ৰুত উন্নয়নে সমগ্ৰ ভাৰতভূমিৰ ব্ৰাহ্মীলিপিৰ যি দৃষ্টিযোগ্য পৰিবৰ্তন সাধি প্ৰত্ন-আঞ্চলিক লিপিমালাৰ উদ্ভৱ আৰু বিকাশত এক উল্লেখযোগ্য ভূমিকা লৈছিল, তাক ড আহমদ হাসান দানীয়ে শ্ৰেণী বিভাজন কৰি দেখুৱাইছে এনেদৰে[২৭৩] (ক) উত্তৰ ভাৰতীয় লিপি (খ) গুজৰাট, ৰাজস্থান আৰু মধ্যভাৰতীয় লিপি (গ) দক্ষিণী শৈলী (শীৰ্ষকোণী শিৰোৰেখাযুক্ত মালোৱাৰপৰা দাক্ষিণাত্যলৈ সম্প্ৰসাৰিত) আৰু (ঘ) দক্ষিণ ভাৰতীয় লিপি। ভৌগোলিক দিশৰপৰা উপৰ্যুক্ত চাৰিটা ভাগক এনেদৰে শ্ৰেণীভুক্ত কৰিব পাৰি—

ক ১ মধ্য গংগা উপত্যকাৰ লিপি—বিহাৰ, উত্তৰ প্ৰদেশ, উৰিষ্যা আৰু বিন্ধ্যৰ কাষলৈ সম্প্ৰসাৰিত। গুপ্তসকলৰ প্ৰত্যক্ষ প্ৰভাৱেৰে ই পৰিপুষ্ট, ক ২ পূৰ্ব্ব ভাৰতৰ লিপি—অসম, বংগদেশ আৰু নেপাল অঞ্চলৰ লিপি, ক ৩ মথুৰা আৰু পশ্চিম ভাৰতৰ লিপি। এই অঞ্চলটো ক্ষত্ৰপ আৰু কুশাণসকলৰ লীলাভূমি। প্ৰথম কুমাৰগুপ্তৰ মথুৰা শাসন আৰু স্কন্দগুপ্তৰ ভিতৰি স্তম্ভলেখৰ অক্ষৰ এই ধাৰা লিপিৰ সুন্দৰ নিদৰ্শন। হৰ্ষ শিলাদিত্যৰ ৰাজত্ব কালত এই ধাৰাটি ৰাজস্থানী ধাৰাৰে সানমিহলি হৈ পৰে। উজনি যমুনাৰ লক্ষ্মণদল শাসনৰ লিপিলৈ[২৭৪] লক্ষ্য কৰিলেই ইয়াৰ যথাৰ্থতা বিচাৰি পোৱা যায়। পূৰ্ব ভাৰতত প্ৰচলিত আলংকাৰিক শৈলীয়ে এই অঞ্চলৰ লিপিকো বিধৌত কৰা দেখা যায়। অৱশ্যে উত্তৰ-পশ্চিম ভাৰতত শাৰদাৰ জৰিয়তে মথুৰা

---

২৭২ খ, গ, ঘ, ঙ, চ, ছ, জ, ঝ, ঞ আৰু ট শীৰ্ষক হস্তলিখিত পুথিমালাৰ লিপিৰ নিদৰ্শনৰ বাবে ড বুহলৰৰ *Indian palaeography*-ৰ ষষ্ঠ নম্বৰ চিত্ৰফলক দ্ৰষ্টব্য। পিকিঙৰ নিকটৱৰ্তী ও-তা চুচ (wn-Ta-Sus) মন্দিৰত থকা ধাৰণী মন্ত্ৰ' আৰু শ্যামদেশৰ আংকোৰ ৱাট মন্দিৰত সুৰক্ষিত 'গোবিন্দ লীলামৃত' গ্ৰন্থৰ লিপিৰো শৈলী পূৰ্ব্ব কুটিল।

২৭৩ Dani A H—*Op cit* PP 109-214

২৭৪ *EI*, Vol I, PP 10-15

শৈলীয়ে কিছু প্ৰভাৱ পেলাবলৈ সমৰ্থ হোৱাটো মন কৰিবলগীয়া। খ ৪ ৰাজস্থানী শৈলী—ইয়াক মালৱাৰেৰে সংযুক্ত বুলিব পাৰি। উত্তৰ ভাৰতীয় আৰু দক্ষিণ ভাৰতীয় লিপি শৈলীৰ মণিকাঞ্চন সংযোগ সাধিত হৈছে আলোচিত অঞ্চলৰ লিপিত। এই অঞ্চলটি হ'ল নাগৰীৰ গৃহভূমি। ইয়াৰপৰা দক্ষিণৰ ৰাষ্ট্ৰকূটসকলে নাগৰীলিপি গ্ৰহণ কৰে[২১৫]। খ ৫ কথিয়বৰী শৈলী—ক্ষত্ৰপসকলৰ অভিলেখসমূহত ইয়াৰ নিদৰ্শন সুৰক্ষিত হৈছে। গ ৬ দক্ষিণী শৈলী—জয়স্তম্ভতে সমুদ্ৰগুপ্তৰ ভাকাটক আৰু এৰণ শিলালেখৰ উপৰি দ্বিতীয় চন্দ্ৰগুপ্তৰ উদয়গিৰি গুহালেখত এই লিপিৰ নিদৰ্শন দেখা গ'লেও পিছলৈ কদম্ব, গুৰ্জাৰ আৰু পশ্চিম চালুক্য নৃপতিসকলৰ আভিলেখসমূহত ইয়াৰ প্ৰয়োগ মনকৰিবলগীয়া। ঘ ৭ মহীশুৰ আৰু মহাৰাষ্ট্ৰৰ লিপি—সাতবাহনৰ উপৰি চালুক্য আৰু ৰাষ্ট্ৰকূটসকলৰ লিপিত ইয়াৰ প্ৰয়োগ দেখা যায়। ঘ ৮ অন্ধ্ৰ অঞ্চলৰ লিপি—আৰু ঘ ৯ দক্ষিণ ভাৰতৰ লিপি। তলত প্ৰতিবিধ আঞ্চলিক লিপিৰে পুনৰ নীতি দীৰ্ঘ আলোচনা আগবঢ়োৱা হ'ল—

মধ্য গংগা উপত্যকাৰ লিপি—সমুদ্ৰগুপ্তৰ এলাহাবাদ স্তম্ভলিপি[২১৬] আৰু কুমাৰগুপ্তৰ কৰমদণ্ড অনুশাসন কিংবা স্কন্দগুপ্তৰ ভিতাৰি স্তম্ভ লেখৰ লিপি পৰীক্ষা কৰিলে দুটা ভিন্ন শৈলীৰে ভেটা ভেটি হ'ব পাৰি। পিছৰ ফলি দুখনৰ অক্ষৰত মথুৰা শৈলীৰ প্ৰভাৱ মচিব নোৱাৰা। ইয়াৰ শিৰোৰেখা হয় গোটা নহয় ফোঁপোলা। অ আৰু আ ৰ পৰিবৰ্তন ভালেখিনি। অ ৰ বাওঁ অংশ ত্ৰিকোণাকাৰ হৈ ওপৰৰ ফালে উঠি গ'ল আৰু তলৰ হাকোটাডাল বাওঁফালে মেল খালে অথচ এলাহাবাদ স্তম্ভলেখত হাকোটাডাল সোঁফালে মেল খোৱা আছিল। আ ৰ সোঁ অংশত থকা দণ্ডৰ শিৰত সংলগ্ন ৰেখাডালে হাকোটা ৰূপ লয়। উত্তৰ ভাৰতীয় হাকোটা আ ৰ বিকাশৰ এয়া প্ৰথম প্ৰকাশ। খ্ৰী পঞ্চম শতাব্দীৰ আদি স্তৰত আ—ৰ এই ৰূপটোৱে মালৱা আৰু ৰাজস্থানতো প্ৰভাৱ বিস্তাৰ কৰে। এলাহাবাদ স্তম্ভলেখৰ আ আছিল বক্ৰ প্ৰকৃতিৰ। এই অঞ্চলত প্ৰচলিত ত্ৰিকোণাকাৰ ত্ৰিবিন্দুযুক্ত ই মথুৰা অঞ্চলতো চলিছিল। উ তো মথুৰাৰ প্ৰভাৱ স্পষ্ট। ইয়াৰ অনুভূমিক ৰেখাডাল হেলনীয়া হোৱাটো কুশাণ যুগতে দেখা যায়। মধ্যৱৰ্তী আ, ই প্ৰভৃতিৰ মাত্ৰাডাল হেলনীয়া, অৱশ্যে 'হা'ৰ আ কাৰত স্থানীয় শৈলী বৰ্তমান। ও ৰ দুইমূৰে থকা ৰেখা দুডাল ঘোৰ খোৱা আৰু হেলনীয়া ৰূপত দেখা যায়। মধ্যৱৰ্তী ঐ ৰো দুয়োমূৰ হেলনীয়া হৈ বাওঁফালে গতি কৰাটো মন কৰিবলগীয়া।

---

২১৫ Dani, A H—*Ibid*, P 111

২১৬ Fleet—*CII*, III, P 1

মধ্যৱৰ্তী ই কাৰ হ'ল বাওঁহাতলৈ আগবঢ়া এডাল বক্ৰৰেখা। ঈ পুৰাতন ধাৰাৰ। মধ্যৱৰ্তী উ ৰ অনুভূমিক ৰেখাতো বক্ৰতা বিদ্যমান। অৱশ্যে যু, পু, মু আদিৰ উ কাৰ পুৰণি শৈলীৰ। এলাহাবাদ স্তম্ভলেখৰ অ, ত, ভ আৰু স ৰ সোঁবাহু বাওঁবাহুতকৈ দীঘলীয়া। ক ৰ মধ্যৱৰ্তী ৰেখাডাল ঘোৰ খোৱা। খ আৰু গ ৰ শিৰৰেখা ঋজু। ঘ ৰ বাওঁফালৰ দণ্ড ঈষৎ বক্ৰ। চ হ'ল চৰাইৰ ঠোঁটাকৃতিৰ। ছ ৰ বাওঁফালৰ ফাঁচটো সোঁফালতকৈ সৰু। জ ৰ বাওঁবাহুৱে অলপ ভাঁজ লৈছে। ণ খোলামুখী শৈলীৰ। এইটো ৰূপ এলাহাবাদ স্তম্ভলেখতো বিদ্যমান। বৃত্তাকাৰ ঠ ৰ প্ৰয়োগ এই অঞ্চলত পোৱা নাযায়। কণী এটাৰ মাজত এডাল ক্ষুদ্ৰ ৰেখাৰে এই অক্ষৰটি সূচিত হৈছিল। দ ৰ বক্ৰতা সোঁফালে উন্মীলিত। ধ ৰ ওপৰ অ শত শিৰোৰেখাই দেখা দিয়াত নিম্নাংশ অনুক্ৰমে সৰু হৈ আহিছে। ন হ'ল ফাঁচ প্ৰকৃতিৰ। এলাহাবাদ স্তম্ভলেখতো অনুৰূপ ন ৰ প্ৰয়োগ আছে। প ত আংশিক বক্ৰতা আৰু ভ ত কৌণিক ৰূপ প্ৰকট। য ৰ বাওঁ অংশত ফাঁচ আৰু ত্ৰিৰেখাযুক্ত। কৌশাম্বী শৈলীৰে এই অঞ্চলৰ পাৰ্থক্য দেখা যায় 'ম' ত।

মগধ মৌখাৰীসকলৰ লেখ মালাত শিৰোৰেখা ক্ষীণ ৰেখাযুক্ত কিন্তু কনৌজ-মৌখাৰী সকলৰ লেখমালাৰ শিৰোৰেখাত গোটা ত্ৰিভুজ বিদ্যমান। ভালেকেইটা অক্ষৰৰ অন্তিমত পাদচিহ্নৰ আবিৰ্ভাব আন এটি মন কৰিবলগীয়া বৈশিষ্ট্য। মধ্যৱৰ্তী প্ৰায়বোৰ স্বৰচিহ্নতে আল কাৰিক প্ৰাধান্য আছে। ই কুষাণ আৰু স্থানীয় শৈলীৰ প্ৰভাৱত গঢ় লোৱা। আ, ই আৰু এ ৰ ভালেখিনি পৰিবৰ্তন সাধিত হয়। মন কৰিবলগীয়া কথা হ'ল, মহানামনৰ বোধগয়া লিপিত কুটিল শৈলীৰ পয়োভৰ নাই কিন্তু হৰ্ষবৰ্ধনৰ অভিলেখত এই শৈলীৰ প্ৰভুত্ব ধৰা পৰে। খ্ৰীষ্টীয় সপ্তম শতাব্দীত আদিত্যসেন প্ৰদত্ত অপসড শাসনতো কুটিল শৈলী বিকাশ নথকা নহয়। খ্ৰীষ্টীয় অষ্টম শতাব্দীৰ যশোবৰ্মনৰ নালন্দা শৈললেখে প্ৰত্ন-নাগৰীৰ আগলি বতৰা দিয়ে। ইয়াৰ চ, জ, দ, ধ, প, ল, ৱ, শ, স প্ৰভৃতি অক্ষৰত পুচ্ছচিহ্ন প্ৰকট হৈ পৰে। একমাত্ৰ আ আৰু ও কেতিয়াবা কেতিয়াবা পুৰণি শৈলীতো দেখা যায়। তাত কুশাণ আৰু পূৰ্বী শৈলীৰ স মিশ্ৰণ মনোৰম। ক, খ, গ, চ, জ, দ, ন, প, ল ৱ আদিৰ শিৰোৰেখাত স্পষ্ট ত্ৰিকোণ আৰু দক্ষিণ অংশৰ বক্ৰতাই নাগৰী ৰূপটি প্ৰকট কৰে। হ'লেও আলোচিত অঞ্চলৰ লিপিৰ লৈতে পৰৱৰ্তী কালৰ নাগৰী লিপিৰ কিছু পৰ্থক্য নথকা নহয়। ড দানীৰ ভাষাৰেই, The main difference between this style of writing and Nagari is that the inscriptions keeps up the taste for ornament, while Nagari prefers straight line, and this style is first in central India[২১১]

২১১ Dani, A. H —*Op Cit* P 228

পূৰ্ব ভাৰতৰ লিপি—পূৰ্ব ভাৰতীয় লিপি বুলিলে সাধাৰণতে পুৰণি কামৰূপ, বংগদেশ আৰু নেপালৰ লিপিক সামৰি লয়। খ্ৰীষ্টীয় সপ্তম শতাব্দীৰেপৰা মধ্য গংগা উপত্যকাৰ লিপিয়ে পূৰ্বীলিপিক বিশেষকৈ বংগদেশৰ লিপিত প্ৰচণ্ড প্ৰভাৱ পেলাবলৈ সমৰ্থ হয়। ভালে কেইটা অক্ষৰে দণ্ডৰ নিম্নাংশ ভিতৰৰ ফালে ঘোৰ খুৱাই কুটিল শৈলীক আকোঁৱালি লোৱাটো মন কৰিবলগীয়া। খ্ৰীষ্টীয় চতুৰ্থ শতাব্দীৰেপৰা শ আৰু স ৰ যাদৃশ্যিক প্ৰয়োগ চলাৰ ফলশ্ৰুতি ৰূপে খ্ৰীষ্টীয় পঞ্চম শতাব্দীৰেপৰা শ ৰ প্ৰয়োগ নোহোৱা হৈ আহিল আৰু স ৰ প্ৰয়োগ বাঢ়িল। ৱ আৰু ব ৰ পাৰ্থক্য নাইকীয়া হ'ল আৰু ৱ ই ব ৰ স্থানত বৰপীৰা পাৰি ৰহিল। ক আৰু খ ৰ সংযুক্তিৰে ক্ষ বুজাবলৈ ললে। খ ৰ ত্ৰিভূজৰ মুখ মেল খোৱা পদ্ধতি অথবা গ আৰু শ ৰ শিৰোৰেখাৰ ক্ষীণ ৰূপাংকনে গ গা উপত্যকাৰ প্ৰভাৱ সূচায়[২৭৮]।

পশ্চিমবংগত প্ৰাপ্ত পূৰ্ব ভাৰতীয় লিপিৰ ভিতৰত বাঁকুড়া জিলাৰ অন্তৰ্গত সুসুনিয়া নামক গিৰি গুহা গাত্ৰত খোদিত লিপিখনিৰ নাম সৰ্বাগ্ৰে উল্লেখনীয়[২৭৯]। এই শাসনৰ পৰা জনা যায় যে মহাৰাজ সিংহবৰ্মাৰ পুত্ৰ মহাৰাজ চন্দ্ৰবৰ্মা 'পুষ্কৰণ' ৰাজ্যৰ অধীশ্বৰ আছিল। একাধিক পণ্ডিতৰ অনুমান মতে, এলাহাবাদ স্তম্ভলেখত উল্লিখিত চন্দ্ৰবৰ্মা আৰু সুসুনিয়া লেখৰ পুষ্কৰণ অধিপতি মহাৰাজ শ্ৰীচন্দ্ৰবৰ্মা অভিন্ন। ড দানীয়ে এই লিপিক fugitive লিপি ৰূপে চিনাক্ত কৰিছে[২৮০]। উক্ত শব্দটোৱে তিনিটা কথা নিৰ্দেশ কৰে—(ক) শাৰীৰ ৰূপাঙ্কনৰ ক্ষেত্ৰত লিপিকৰৰ শিথিলকৰণ। ইয়াৰ ফলত প্ৰতিটো শাৰীৰ প্ৰতিটো আখৰেই হয়গৈ অসমান, গাম্ভীৰ্যহীন, (খ) অক্ষৰৰ কৌণিক ৰূপাংকনৰ ঠাইত বক্ৰ ৰূপাংকনৰ প্ৰতি হেপাহ। প আৰু ম আক্ষৰ তাৰ সাক্ষী আৰু (গ) অসমান আকাৰৰ অক্ষৰৰ দল গঠন শাৰীৰ যাদৃশ্যিক গতি। অক্ষৰক কলাসন্মত ৰূপ দিবৰ প্ৰযত্ন ইয়াত দেখা নাযায়। লিপিখনিৰ অক্ষৰমালাৰ এই ধৰণৰ বিকৃতিৰ বাবে দোষ খোদকাৰৰ নহয়, লিপিকৰৰ হে।

লিপিখনৰ আ, ই, ঈ, আৰু এ মধ্য গংগা উপত্যকাৰ লিপিৰে অভিন্ন। মধ্যৱৰ্তী স্থানৰ ও কাৰত যেনে—কো, গো, নো আদিৰ ও কাৰ পশ্চিমী শৈলীৰে নিমিলে। খ, গ আৰু স ৰ বাম অংশত থকা পদচিহ্নৰ বিপৰীতে ইয়াত দেখা যায় ৰেখাৰ অস্তিত্ব। গ,

---

২৭৮ Dani, A H,—*Ibid* P 229

২৭৯, ৰুদ্ধি পাঠ—পুষ্কৰণাধিপতের্মহাৰাজ শ্ৰীসিংহবৰ্মন· পুত্ৰস্য / মহাৰাজ শ্ৰীচন্দ্ৰবৰ্মণ কৃতি / চক্ৰস্বামিন দোসগ্ৰণাতি সৃষ্ট (দাসাগ্ৰেণাতি সৃষ্ট·)।

২৮০ Dani, A. H —*Op Cit* P 131

ত, ভ আৰু ষ ৰ সৌ অংশ বাওঁ অংশতকৈ দীঘলীয়া। ক ৰ মধ্যৱৰ্তী বক্ৰৰেখা বিদ্যমান। গ ই পোনভূমি ৰেখা লগত লৈছে। চ ই জোঙা অথবা ঘোৰ খোৱা জোলোঙা বোকোচাত লোৱা চকুত পৰে। জ ৰ তলৰ বাহুৰ আগটো আংশিক ভাৱে ঘোৰ খোৱা। ঞ ত্ৰিদন্ত বিশিষ্ট। ট ৰ শিৰোৰেখা বহু পৰিমাণে ঋজু হৈছে আৰু ড ৰ পিছফাল ভালেখিনি ঘোৰ খোৱাটো মন কৰিবলগীয়া। ণ মেলা মুখৰ যদিও বাওঁফালে এটি ফাঁচ বিদ্যমান। থ কণী আকৃতিৰ। তাৰে মাজত আছে এডাল ক্ষুদ্ৰ ৰেখা। প আৰু ফ ৰ বাওঁফালটো ভালেখিনি ঘোৰ খোৱা হ'ল। ব ৰ বাওঁবাহু তললৈ নামিল। ভ কৌণিক ৰূপলৈ আগবাঢ়িল। স ৰ এডাল পুচ্ছ দেখা যায়।

ড° এচ এন, চক্ৰবৰ্তীয়ে উল্লেখ কৰিছে যে খ্ৰীষ্টীয় সপ্তম শতাব্দীত উত্তৰ-ভাৰতীয় পূৰ্বী লিপিমালাৰ দুটা শাখা স্পষ্ট ৰূপত দেখা যায়—পূৰ্বী আৰু পশ্চিমা[২৮১]। পশ্চিমা অথবা সিদ্ধ মাতৃকা লিপিৰ সুন্দৰ নিদৰ্শন হ'ল—মহানামনৰ বোধগয়া অনুশাসন (খ্ৰী ৫৮৮)। ইয়াৰেপৰা কালক্ৰমত প্ৰত্ন-নাগৰী লিপিৰ বিকাশ সম্ভৱ হয় আৰু পূৰ্বী শাখাৰ সুন্দৰ নিদৰ্শন হ'ল—সমাচাৰদেৱৰ ফৰিদপুৰ শাসন। ইয়াৰেপৰা ৭ ৯ খ্ৰীষ্টাব্দৰ ভিতৰত পূৰ্বী লিপিয়ে আত্ম প্ৰকাশৰ সুযোগ লয়। পিছে খ্ৰীষ্টীয় দশম শতাব্দীত গুৰ্জৰ-প্ৰতিহাৰী সকলৰ কল্যাণত বংগদেশৰ লিপিত কিছু পৰিমাণে নাগৰী প্ৰভাৱে গা কৰি উঠাৰ সুযোগ পায়। বিনায়ক পালৰ ৯৮৮ বিক্ৰমাব্দত প্ৰদান কৰা তাম্ৰলেখৰ অক্ষৰে তাৰ সুন্দৰ সাক্ষী। অৱশ্যে প্ৰথম মহীপালৰ দিনৰেপৰা প্ৰত্ন-বঙলা লিপিত নাগৰী প্ৰভাৱ নাইকীয়া হৈ আহে আৰু খ্ৰীষ্টীয় দশম শতাব্দীৰ অন্তিম তৰংগত প্ৰত্ন বঙলা লিপিৰ বিকাশ সুন্দৰ ৰূপত দেখা যায়। কম্বোজৰ নৃপতি নয়পালদেৱৰ ইৰ্দা শাসন [২৮২] আৰু প্ৰথম মহীপালৰ বাণগড় লিপিত [২৮৩] জয়জয়তে প্ৰত্ন বঙলা লিপিৰ নিটোল ৰূপটি ধৰা পৰে। পৰৱৰ্তী অনুশাসন বোৰত এই বিকাশৰ ধাৰাটি অধিক গতিশীল। বিশেষকৈ অ উ, ক, খ, গ, চ, ধ, ৰ আৰু হ ৰ বিকাশৰ ধাৰাটি মনোৰম। জ ই আধুনিক বঙলা ৰূপ গ্ৰহণ কৰে। দ্বাদশ শতাব্দীৰ বিজয়সেনৰ দেওপাৰা লিপিত প্ৰত্ন বঙলা লিপিয়ে আৰু এখোজ আগবাঢ়ি যায়[২৮৪]। পুৰালিপিতত্ত্ববিদ্ ৰাখালদাস বন্দ্যোপাধ্যায়ৰ দৃষ্টিত এই লিপিতেই প্ৰায় একুৰি দুটা লিপিয়ে আধুনিক বঙলাৰ ৰূপ পৰিগ্ৰহ কৰে। খ্ৰী

২৮১ Chakravarti S N—Development of Bengali Alphabet, in *JRAS*, Vol IV, P 365

২৮২ *EI*, Vol XXII, P 150

২৮৩ *EI*, Vol XIV, P 324

২৮৪ Chakravarti, S N—*Op cit*, P 365

দ্বাদশ শতাব্দীৰ লক্ষ্মণসেনৰ অনুলিয়া শাসন[২৮৫], বিশ্বৰূপসেনৰ কলিকতা সাহিত্য পৰিষদ সংগৃহীত শাসন[২৮৬] আৰু সুন্দৰবন শাসনে[২৮৭] বঙলা লিপিৰ পূৰ্ণতা আনে। বঙলা লিপিৰ বিকাশৰ ইতিহাসৰ ৰূপৰেখা অংকনত নিম্ন লিখিত হস্তলিখিত পুথি কেইখনৰো গুৰুত্ব অস্বীকাৰ কৰা টান। সেই পুথিসমূহ হল[২৮৮]—ক প্ৰথম মহীপালৰ ৰাজত্ব কালৰ পঞ্চম বৰ্ষত লিখিত আৰু বৰ্তমানে কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত সংৰক্ষিত 'অষ্ট সাহস্ৰিকা প্ৰজ্ঞাপাৰমিতা,' খ একেজনা নৃপতিৰ ৰাজত্ব কালৰ ষষ্ঠ বৰ্ষত প্ৰতিলিপি প্ৰস্তুত কৰা আৰু বৰ্তমানে ৰয়েল এচিয়াটিক চোছাইটি অব বেংগলে সুৰক্ষা দিয়া উপযুক্ত গ্ৰন্থৰ দ্বিতীয় প্ৰতিলিপি, গ নাৰায়ণপালৰ ৰাজত্ব কালত প্ৰস্তুত কৰা আৰু বৰ্তমানে কেম্ব্ৰিজ বিশ্ববিদ্যালয়ে সুৰক্ষা দিয়া 'পঞ্চ ৰসিকা'ৰ প্ৰতিলিপি, ঘ ৰয়েল এচিয়াটিক চোছাইটি অব বেংগলে সংগ্ৰহ আৰু সংৰক্ষণ কৰা খ্ৰীষ্টীয় দশম একাদশ শতাব্দীৰ শিল্প কৰ্ম ৰূপে সাব্যস্ত কৰা দুখনি খণ্ডিত হস্তলিখিত গ্ৰন্থ (নং ৯৯৯৫) ঙ 'লঘুকাল চক্ৰটিকা'ৰ প্ৰতিলিপি, চ ৰোয়েল এচিয়াটিক চোছাইটি অব বেংগলৰদ্বাৰা সংগৃহীত 'কালচক্ৰাৱতাৰ'ৰ হস্তলিখিত প্ৰতিলিপি (শ্ৰী ১১২৫) ছ কেম্ব্ৰিজ বিশ্ববিদ্যালয় সংগ্ৰহত থকা আৰু দ্বাদশ শতাব্দীৰ মধ্যম তৰংগৰ নৃপতি ৰূপে সাব্যস্ত কৰা গোবিন্দ-পালদেৱৰ ৰাজত্ব কালৰ যথাক্ৰমে ৩৭, ৩৮ আৰু ৩৯ তম বৰ্ষত প্ৰতিলিপি প্ৰস্তুত কৰা গুহ্যাৱলী বৃত্তি, পঞ্চাকাৰ আৰু যোগ ৰত্ন মালা, জ হৰিবৰ্মাদেৱৰ ৰাজত্ব কালত যশোৱে প্ৰস্তুত কৰা বৌদ্ধ গ্ৰহ, 'ক্ষণভংগসিদ্ধ'ৰ প্ৰতিলিপি, ঝ খ্ৰীষ্টীয় একাদশ শতাব্দীৰ 'বজ্ৰাৱলী', ঞ খ্ৰীষ্টীয় ১১৯৮ত প্ৰতিলিপি প্ৰস্তুত কৰা 'হেবজ্ৰতন্ত্ৰ টীকা, আৰু ট দোহাকোষ, দোহাকোষপঞ্জি আৰু চৰ্যাগীতিকোষৰ হস্তলিখিত প্ৰতিতিপি[২৮৯]।

পূৰ্ব ভাৰতীয় লিপিৰ দ্বিতীয়টো ধাৰাৰ বিকাশৰ থলী হ'ল নেপাল। ইয়াৰ

---

২৮৫ *Inscriptions of Bengal* Vol III, P 81

২৮৬ *Ibid*, P 140

২৮৭ *IHQ*, Vol X, P 321

২৮৮ Sastri, H P—*A Descriptive Catalogue of Buddhist Manuscripts*, Vol 1 আৰু Bendall—*Catalogue of the Buddhist Manuscripts* দ্ৰষ্টব্য।

২৮৯ *JRAS*, Vol IV, PP 366-67 আৰু হৰপ্ৰসাদ ৰচনাৱলী, প্ৰথম সম্ভাৰ, পৃ ৩০০—৩০৭। উপযুক্ত হস্তলিখিত পুথিমালাৰ লিপিয়ে পূৰ্ব ভাৰতৰ বঙলা লিপিৰ উপৰি পুৰণি অসম আৰু নেপালৰ লিপিৰ বিকাশতো সাহায্য আগবঢ়াইছে।

আদি স্তৰৰ শিলালেখসমূহ কৌশাম্বী শৈলীত লিখা হৈছিল যদিও সিবোৰত স্থানীয় প্ৰভাৱো শূন্যৰ প্ৰতিবেশী নহয়। প্ৰত্ন-বঙলা লিপিৰ সৈতেও পাৰ্থক্য ধৰা পৰে। বহল মুখৰ লেখনিৰ প্ৰয়োগ প্ৰত্ন-নেপালী লিপিৰ চকুত পৰা বৈশিষ্ট্য। তাৰ শিৰোৰেখাসমূহ গোটা আৰু ত্ৰিকোণাকাৰ। অথচ বংগৰ তাম্ৰলেখমালাৰ শিৰত ৰেখাহে অলংকৃত। পৰৱৰ্তী কালীন বঙলা লিপিতহে ত্ৰিকোণাকাৰ শিৰোৰেখা দেখিবলৈ পোৱা যায়। নেপালৰ লিপিমালাত গুপ্তযুগৰেপৰা খ্ৰীষ্টীয় অষ্টম-নবম শতাব্দীলৈকে দণ্ডৰ নিম্নাংশত পদচিহ্ন বৰ্তমান, কিন্তু ব গদেশৰ লিপিত সি বিৰল। খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীৰ পিছৰেপৰা নেপালত পশ্চিমা প্ৰভাব বাঢ়ি আহে—সপ্তম শতাব্দীৰ শেষৰ কালে এই প্ৰভাৱ গাঢ় হয়। অলংকৰণৰ ক্ষেত্ৰত মধ্য গ গা উপত্যকাৰ প্ৰভাব মন কৰিবলগীয়া। খ্ৰীষ্টীয় সপ্তম শতাব্দীত মধ্য গ গা উপত্যকাৰ প্ৰচলিত কুটিল শৈলীৰ প্ৰভাবে নেপালৰ লিপিকো বিধৌত কৰাটো আন এটা উল্লেখযোগ্য কথা। খ্ৰীষ্টীয় নৱম শতাব্দীলৈকে নেপালৰ লিপিয়ে বিকাশৰ পথেদি আগবাঢে। এই বিকাশৰ ধাৰাৰ সৈতে অসম বা বংগদেশৰ লিপি বিকাশৰ ধাৰাৰ ভালেখিনি সাদৃশ্য থাকিলেও ড দানীৰ ভাষাত, Nepal maintains its individuality[২৯০] খ্ৰীষ্টীয় নৱম শতাব্দীৰেপৰা দ্বাদশ শতাব্দীৰ ভিতৰত নেপালত পূৰ্ব্বীলিপিৰ বিকাশৰ ধাৰত বংগদেশৰ লিপি সম্পৰ্কে আলোচনাত উল্লেখ কৰা হস্তলিখিত পুথিসমূহকো সামৰি লোৱা প্ৰয়োজন। কিয়নো কুটিল শৈলীৰ সেই হস্তলিখিত পুথিসমূহৰ অধিকাংশৰে সংৰক্ষণ থলী আছিল নেপালহে, বংগদেশ নহয়। খ্ৰীষ্টীয় চতুৰ্থ শতাব্দীৰেপৰা অবিচ্ছিন্নভাবে শিলালেখ, তাম্ৰলেখ, মুদ্ৰা প্ৰভৃতি উদ্ধাৰ হোৱা পুৰণি কামৰূপ হ'ল উত্তৰ ভাৰতীয় ব্ৰাহ্মীলিপিৰ পূৰ্ব্বী শাখা বিকাশৰ তৃতীয় কিন্তু উল্লেখযোগ্য উৰ্বৰ ভূমি। ড° আহমদ হাসান দানী চাহাবে Assam had on separate script of its own The late inscriptions found there followed the style of Bergal '[২৯১] মন্তব্যটি যে সম্পূৰ্ণৰূপে ঠেকহীন তাক স্বকীয়া অধ্যায়ত বহলাই আলোচনা কৰা হ'ব।

মথুৰা আৰু উত্তৰ পশ্চিম ভাৰতৰ লিপি—ড° বুহলৰে এই অঞ্চলৰ লিপিক পশ্চিমা শৈলীৰ লিপিৰূপে চিনাক্ত কৰিছে[২৯২]। শিল, তাম্ৰপট্ট, লৌহস্তম্ভ, তালপাত

---

২৯০ Dani, A H—*Op Cit*, P 140

২৯১ Dani, A H—*OP. Cit*, P 110

২৯২ Buhler, G—*Indian Palaeogaphy*, P 80

আৰু ভূৰ্জপত্ৰত এই অঞ্চলৰ লিপিৰ নিদৰ্শনবোৰ সংৰক্ষিত হৈছে[২৯৩]। অৱশ্যে প্ৰতিবিধ সামগ্ৰীত লিখাৰ শৈলী একে নহয়। শৈল পৃষ্ঠত লিপিকৰে লিপিৰ কথাখিনি লেখনিৰে লিখি দিয়াৰ পিছত শিলাকুটিয়ে সিবোৰ চেনীৰে খোৰ্দন কৰে। তাম্ৰপট্টত এই পদ্ধতিৰে লিখা টান। ধাতুৰ কাম জনা লোকসকলেহে এই কামত আগ ভাগ ল'বলৈ সমৰ্থ। লৌহস্তম্ভত লিখাৰ ক্ষেত্ৰতো এইকথা প্ৰযোজ্য। তালপাত আৰু ভূৰ্জপত্ৰত বহল অথবা জোঙা মুখৰ কলমৰ সহায়ত চিয়াঁহিৰে লিখা হৈছিল। লিপিৰ প্ৰকৃত পৰিচয় ভূৰ্জপাত বা তালপাতৰ বুকুত সুৰক্ষিত হোৱা বুলিব পাৰি। মূল প্ৰতিলিপিৰ অক্ষৰক তাম্ৰপট্টত যথাযথভাৱে খোদিত কৰিবলৈ খোদকাৰে যত্নৰ ত্ৰুটি নকৰিলেও লেখন সামগ্ৰীৰ (কলম) দোষত দুই এটা অক্ষৰৰ দুই এটি অংশ ইকাল সিকাল হোৱাটো লক্ষ্য কৰিবলগীয়া। কালানুক্ৰমিকভাৱে এই অঞ্চলৰ নিদৰ্শনসমূহক এনেদৰে শ্ৰেণীভুক্ত কৰিব পাৰি—(১) গুপ্তকালীন মথুৰালিপি—দ্বিতীয় চন্দ্ৰগুপ্ত আৰু কুমাৰগুপ্তৰ (গুপ্ত বৰ্ষ ১১৩) শৈললেখত ইয়াৰ নিদৰ্শন পোৱা যায়। ত্ৰিকোণাকাৰ ক্ষুদ্ৰ শিৰোৰেখাৰ অৱস্থিতি আৰু পাদচিহ্নৰ অৰ্বতমানে ইয়াৰ আখৰক মধ্য গংগা উপত্যকাৰ আখৰৰ সৈতে পাৰ্থক্যৰ পৰিসীমা স্পষ্ট কৰিছে। (২) চন্দ্ৰৰ মেহৰৌলী লৌহ স্তম্ভলেখ—আখৰবোৰ অতি উৎকৃষ্ট। শিৰোৰেখা আৰু লম্ব হ ল পাতল ৰেখাযুক্ত। (৩) পঞ্জাব শৈলী—তুসাম শৈলশাসনত ইয়াৰ সুন্দৰ নিদৰ্শন পোৱা যায়। (৪) কাংগ্ৰা শৈলী—খ্ৰী° সপ্তম শতাব্দীৰ পূৰ্ব ভাগত উৎকীৰ্ণ কৰা সমুদ্ৰসেনৰ নিৰমন্দ শৈললেখত ইয়াৰ নিদৰ্শন স ৰক্ষিত হৈছে। স্বৰচিহ্ন আৰু আন দুই এটি অক্ষৰত কুটিল প্ৰভাৱ স্পষ্ট। ফাঁচ যুক্ত ক, টেমুনা সংযুক্ত থ, আৰু ধ, দুটি বক্ৰৰেখা আৰু পুচ্ছযুক্ত দ, সূক্ষ্মকোণী ম, ত্ৰিকোণাকাৰ তথা পাদচিহ্নযুক্ত য আৰু ৰ অক্ষৰৰ লগতে বৃত্তাকাৰ য ৰ অৱস্থিতি এই অঞ্চলৰ লিপিৰ মন কৰিবলগীয়া বৈশিষ্ট্য[২৯৪]। (৫) চম্বশৈলী—ফোঁপোলা ত্ৰিকোণকাৰ আৰু গোটা ত্ৰিকোণাকাৰ—এই দুয়োবিধ শিৰোৰেখা এই শৈলীত বৰ্তমান। পনলিনল শাসনৰ অক্ষৰেই ইয়াৰ সাক্ষী। খ্ৰীষ্টীয় সপ্তম শতাব্দীত এই লিপিৰ ওপৰত পতিত কুটিল শৈলীৰ প্ৰভাৱ অস্বীকাৰ কৰা টান। (৬) হস্তলিখিত গ্ৰন্থশৈলী—তালপাতত গোটা মুখৰ কলমেৰে লিখা 'কল্পনা মণ্ডিতিকা'ৰ শিৰোৰেখা পাতল। ইয়াৰ প্ৰতিটো অক্ষৰৰ প্ৰতিডাল ৰেখাই পাতল আৰু মিহি। অ, ই, ক, গ, ৰ, ষ আৰু মধ্যৱৰ্তী উ ৰ দণ্ডৰেখাৰ নিম্নাংশত কলমৰ আঁচ স্পষ্ট। অক্ষৰত মথুৰা কনিষ্ক লিপিৰ সাদৃশ্য ধৰা পৰে। কৌশাম্বীৰ প্ৰভাৱ মাথো মুখ মেলা ম

২৯৩ ড° দানীৰ গ্ৰন্থৰপৰা কথাখিনি যুগুতোৱা হৈছে।
২৯৪ Dani, A H—*Op cit*, P 146

ত্তহে দেখা যায়। (৭) বোৱাৰ পাণ্ডুলিপি—ভূৰ্জপত্ৰত লিখা বোৱাৰ পাণ্ডুলিপিত ভোটা আৰু জোঙা উভয়বিধ কলমৰ লিখা অক্ষৰ বৰ্তমান। লিপিকৰে অলংকৰণৰ প্ৰতি মনোযোগ নিদিয়া নহয়। প্ৰতিটো অক্ষৰত শিৰোৰেখা আৰু পাদচিহ্ন দেখা যায়। ক আৰু ৰ অক্ষৰৰ দণ্ড সংলগ্ন পুচ্ছ মনোৰম। প, ক, শ আৰু ম ৰ তলত সূক্ষ্মকোণ স্পষ্ট। ড° দানীয়ে আলোচিত পাণ্ডুলিপিৰ অক্ষৰত ৰাজস্থানী অথবা মালোৱা আৰু মথুৰা শৈলীৰ মণিকাঞ্চন সংযোগ ঘটা বুলি অভিমত দিছে[২৯৫] (৮) হোৰ্যুজী পাণ্ডুলিপি—জাপানৰ হোৰ্যুজী মন্দিৰত সংৰক্ষিত 'উষ্ণীষ বিজয় ধাৰিণী'ৰ সন্দৰ্ভত ইতিমধ্যে আলোচনা কৰি অহা হৈছে। ড° বুহলৰে ইয়াত পাঁচটা গুণৰ স মিশ্ৰণ দেখিবলৈ পাইছে—প্ৰতিটো অক্ষৰকে সুকীয়া সুকীয়াকৈ লিখা পদ্ধতি, ত্ৰিকোণী শিৰোৰেখা, মধ্যম দৈৰ্ঘৰ শিৰোৰেখা—(যাক নাগৰীৰ পূৰ্বাভাস বুলিব পাৰি) অক্ষৰৰ সৰলতা আৰু কুটিল শৈলীৰ স্পষ্টতা। দণ্ডৰেখা কিছু ভিতৰলৈ ঘোৰ খাই কল্পিত ভূমিৰ সৈতে প্ৰায়বোৰ অক্ষৰেই একোটিকৈ সূক্ষ্মকোণৰ সৃষ্টি কৰাৰ লগতে ভূমিভাগত একোটিকৈ পুচ্ছৰো সৃষ্টি কৰিছে। ভোটা লেখনিৰ প্ৰয়োগে ইয়াৰ বাবে দায়ী[২৯৬]।

ৰাজস্থান আৰু মধ্য ভাৰতৰ লিপি—উত্তৰ ভাৰতীয় আৰু দক্ষিণ ভাৰতীয় লিপিৰ মণিকাঞ্চন স যোগ সাধিত হৈছে ৰাজস্থান আৰু মধ্য ভাৰতীয় লিপিত। মধ্য ভাৰতীয় লিপিৰ সন্দৰ্ভত ড° বুহলৰৰ মন্তব্য হ'ল—'Its simplest form closely agrees with the western variety but in its more developed form the so called box headed alphabet shows greater differences, and which from the end of the 4th century is common is Northern Haidrabad[২৯৭], এই অঞ্চলৰ লিপিমালাৰ বিকাশৰ ক্ৰমবিকাশ মালৱা আৰু ৰাজস্থানৰ শাসন, পৰিব্ৰাজক আৰু উচ্চকল্পসকলৰ শাসন, ৰাষ্ট্ৰকূটসকলৰ শাসন, উদয়গিৰি গুহা শাসন (বৰ্ষ ১ ৬ গুপ্তাব্দ), নৰবৰ্মনৰ বিহাৰকোত্ৰ শাসন, গোবিন্দ গুপ্তৰ মন্দশোৰ শাসন (বিক্ৰমাব্দ ৫২৪), কুমাৰগুপ্ত আৰু বন্ধুবৰ্মনৰ মন্দশোৰ শাসন (বিক্ৰমাব্দ ৪৯৩), বুধগুপ্তৰ এৰণ স্তম্ভলেখ (গুপ্তাব্দ ১৬৫) আৰু মিহিৰকুলৰ গোৱালিয়ৰ শাসন (৬ষ্ঠ খ্ৰীষ্টাব্দ) ৰ লিপিয়ে স্পষ্টকৈ দেখুৱায়। ৰাষ্ট্ৰকূটসকলৰ শাসনমালাত প্ৰত্ন-নাগৰী লিপিৰ বীজ বিৰাজমান, পিছে এওঁলোকেই দাক্ষিণাত্যত প্ৰত্ন নাগৰী লিপি প্ৰচলন কৰা মন্তব্যটো সৰ্বজনমান্য নহয়।

২৯৫ Dani, A. H—*Ibid*, P 151
২৯৬ Dani, A H—*Ibid*, P 154
২৯৭ Buhler, G—*I P*, P 80

গুজৰাট আৰু কাঠিয়াবাদ অঞ্চলত সমন্বৰ অগ্ৰগতিৰ লগে লগে গুপ্তকালীন ব্ৰাহ্মীলিপিৰ কি ধৰণে বিকাশ সম্ভৱ হৈছিল তাৰ নিদৰ্শন স্কন্দগুপ্তৰ জুনগড় শৈললেখ[২৯৮] দ্ৰোণসিংহৰ ভমোদ মোহোত তাম্ৰলেখ[২৯৯], প্ৰথম শিলাদিত্যৰ পলিতন তাম্ৰলেখ (গুপ্তাব্দ ২৮৬), আৰু চতুৰ্থ শিলাদিত্যৰ ভগনগৰ তাম্ৰলেখত[৩০০] দেখিবলৈ পোৱা যায়।

অন্ধ্ৰ আৰু ইয়াৰ ওচৰা-পাঁজৰ অঞ্চলৰ লিপি—এই অঞ্চলৰ লিপি বিকাশৰ ধাৰাটি বৃহৎফলায়ন, শালংকায়ন, বিষ্ণুকুণ্ডিন, গংগ, পূৰ্ব্বী চালুক্য আৰু গংগসকলৰ লিপিমালাত পৰিস্ফুট হৈছে।

মহীশুৰ আৰু মহাৰাষ্ট্ৰ অঞ্চলৰ লিপি—এই অঞ্চলৰ লিপি বিকাশৰ ধাৰাটি কদম্ব, পশ্চিম চালুক্য আৰু ৰাষ্ট্ৰকুটসকলৰ শাসনমালাই স্পষ্টৰূপত দেখুৱায়।

পূৰ্বমালৱা আৰু দাক্ষিণাত্যৰ লিপি—পূৰ্বমালৱা অঞ্চলৰ লিপি বিকাশৰ প্ৰথম নিদৰ্শনৰূপে সমুদ্ৰগুপ্তৰ এৰণ স্তম্ভলেখ আৰু দ্বিতীয় চন্দ্ৰগুপ্তৰ উদয়গিৰি গুহা লেখৰ নাম লোৱা হয়। এই সন্দৰ্ভত প্ৰথম কুমাৰগুপ্তৰ বিলসড লিপিৰ গুৰুত্বও উলাই কৰিব নোৱাৰি। এই লিপিৰ ৰেখাসমূহ পাতল আৰু ক্ষীণ। পাদচিহ্ন স্পষ্ট আৰু মধ্যৱৰ্ত্তী স্বৰৰ ঘোৰখোৱা বৈশিষ্ট্যই পঞ্চম শতাব্দীৰেপৰা যে এই অঞ্চলৰ লিপিয়ে দ্ৰুত পৰিৱৰ্তনৰ ফালে আগবাঢ়িছিল, সেইটো স্পষ্ট কৰে। নৰবৰ্মনৰ মন্দশোৰ শাসনৰ (বিক্ৰমাব্দ ৪৬১) লিপিয়ে দক্ষিণী শৈলীৰ প্ৰগতি প্ৰদৰ্শন কৰা বুলিব পাৰি। খ্ৰীষ্টীয় পঞ্চম শতাব্দীৰ পিছত এই অঞ্চলৰ লিপিত বৰ্গক্ষেত্ৰকাৰ শিৰোৰেখাৰ অৱৰ্তমান এটা মন কৰিবলগীয়া বৈশিষ্ট্য। ব্ৰাহ্মলিপিৰ দক্ষিণী শৈলীৰ বিকাশত বাকাটকসকলৰ অৱদান অস্বীকাৰ কৰা টান। বিন্ধ্যশক্তি শাসনৰ লিপিলৈ চকু দিলেই কথাষাৰৰ সত্যতা বিচাৰি পোৱা যাব[৩০১]। ইয়াৰ শিৰোৰেখা ফোঁপোলা অথচ আখৰবোৰ কৌণিক গঢ়ৰ। ফোঁপোলা চতুষ্কোণী শিৰোৰেখা কালান্তৰৰ লগে লগে ফোঁপোলা ত্ৰিকোণী শিৰোৰেখাৰ ৰূপ লয়। এয়া নিসন্দেহে উত্তৰ ভাৰতীয় লিপিৰ প্ৰভাৱ। প্ৰভাৱতীগুপ্তৰ পুনে শাসনতো এই বৈশিষ্ট্যটো বৰ্তমান। অৱশ্যে আলোচিত অঞ্চলটিত ত্ৰিকোণ শীৰ্ষৰেখাৰ লগতে গোটা চতুষ্কোণী শিৰোৰেখাৰো অৱস্থিতি নথকা নহয়। সাতবাহনসকলৰ লেখমালাত

২৯৮ Fleet—*CCI*, III, PP 558-61
২৯৯ *EI*, XVI, P 18 19
৩০০ *IA*, V, PP 209 12
৩০১ Fleet, *CCI*, III, ~o 85

ত্ৰিকোণাকাৰ আৰু বৰ্তুল-শীৰ্ষৰেখা দেখিবলৈ পোৱা যায়। অ, ক, খ, গ, ঘ, ট, ড, ত প, ব, য, ৰ, ল, ঝ, স আৰু হ ত ত্ৰিকোণ শীৰ্ষৰেখাৰ আৰু বাকীবোৰত ঘূৰণীয়া শিৰোৰেখা দেখিবলৈ পোৱা যায়।

মহানদী মোহনাৰ লিপি—চত্তিশগড়ৰ জংগলেৰে পৰিপূৰ্ণ স্থানসমূহত সৰ্বপূৰ্ব নৃপতিসকলৰ যিবোৰ শিলালিপি উদ্ধাৰ হৈছে, সিবোৰ চতুষ্কোণ শীৰ্ষ দক্ষিণী শৈলীৰ প্ৰতিভূ। এই শৈলী গুৰ্জৰ, চালুক্য, কদম্ব, মধাৰ, পল্লৱ আৰু গংগক নৃপতিসকলৰ শিলালেখৰ লিপিৰদ্বাৰা পৰিপুষ্টি লাভ কৰে। অন্তিম তৰংগত মহানদী মোহনাত চলা লিপিৰ দুটা শৈলী স্পষ্ট হয়—প্ৰথমটি চত্তিশগড় অঞ্চলৰ ফোঁপোলা চতুষ্কোণী শীৰ্ষৰেখাযুক্ত কিন্তু কৌণিক ৰূপৰ আৰু দ্বিতীয়টি, বহল গোটা আয়তক্ষেত্ৰ শীৰ্ষৰেখাযুক্ত আৰু গোলাকাৰ ৰূপৰ। অদ্ভুত এই দুয়োটি ৰূপৰে সহাৱস্থান মন কৰিবলগীয়া। অৱশ্যে পল্লৱসকলৰ ছত্ৰছায়াত কৌণিক ৰূপৰ অক্ষৰ বিকাশ প্ৰাপ্ত হয়[৩০২]।

কৃষ্ণা উপত্যকাৰ লিপি—কৃষ্ণা উপত্যকাৰ বাহিৰে কৃষ্ণ নদীৰ দক্ষিণ অঞ্চলত লিপি বিকাশৰ প্ৰৱাহটি পল্লৱ আৰু ইক্ষাকু নৃপতিসকলৰ শাসনমালাত দেখা যায়। পল্লৱৰজা সিংহবৰ্মনৰ অভিলেখমালাত শিৰোৰেখা থকাৰ উপৰি দক্ষিণ ফালৰ লম্বৰ নিম্নাংশ দীঘলীয়া হৈ ঘোৰ খাইছে। উৰুবপল্লী আৰু বিলবতী তাম্ৰলেখত ফোঁপোলা অথবা গোটা চতুষ্কোণী শিৰোৰেখা, কৌণিকৰ প্ৰাধান্য আৰু দীঘলীয়া লম্বৰ তলত সুন্দৰ বক্ৰতা মন কৰিবলগীয়া। গুণ্টাৰ অঞ্চলত মধাম (Madharas) ৰজাসকলে প্ৰদান কৰা অভিলেখসমূহত চতুষ্কোণী শিৰোৰেখা বৰ্তমান। কৃষ্ণা উপত্যকাৰ লিপি বিকাশৰ ধাৰাটি বুজিবলৈ দেৱৰাজৰ সিৰোড (গোৱা) শাসন (দ্বাদশবৰ্ষ)[৩০৩], শিৱস্কন্দ বৰ্মাৰ মায়িদবোলু তাম্ৰলেখ[৩০৪] আৰু হিৰহদগল্লী তাম্ৰশাসন[৩০৫], বিজয় বিষ্ণু গোপ বৰ্মাৰ চোৰ শাসন[৩০৬], নন্দীবৰ্মাৰ উদয়নদিৰাম তাম্ৰলেখ[৩০৭], আৰু ত্ৰিচিনপল্লী গুহা শাসনৰ[৩০৮], অক্ষৰসমূহ অধ্যয়ন কৰা প্ৰয়োজন। ৰাষ্ট্ৰকূট শাসকসকলৰ লিপিয়ে প্ৰত্ন-নাগৰী লিপিৰ ধাৰাটি দক্ষিণতো জনপ্ৰিয় কৰি তোলে[৩০৯]।

৩০২ Dani, A H —*OP Cit*, P 179
৩০৩ *EI*, XXIV, P 145
৩০৪ *EI*, VI, P 86
৩০৫ *EI*, I PP 5-7
৩০৬ *EI*, XXIV, P 141
৩০৭ *IA*, VIII, P 168
৩০৮ South Indian Inscriptions, Vol. I, no, 34
৩০৯ Dani, A H —*OP Cit*, P 274

(চ) ভাৰতৰ প্ৰাদেশিক লিপিমালা

খ্ৰীষ্টজন্মৰ তিনি শতিকা পূৰ্বৰেপৰা খ্ৰীষ্টীয় দশম শতাব্দীলৈকে ভাৰত ভূমিত ব্ৰাহ্মী লিপিয়ে কেনে বিচিত্ৰ ৰূপান্তৰৰ মাজেদি আগবাঢ়িছিল তাৰ এটি আভাস ইতিমধ্যে পোৱা হ'ল। লেখন সামগ্ৰীৰ বিবিধতা লিপিকৰৰ সৌন্দৰ্যৰ প্ৰতি তীব্ৰ হেপাহ আৰু দ্ৰুত লেখনৰ ফলশ্ৰুতি ৰূপে ভাৰতীয় ব্ৰাহ্মীলিপিৰ বিকাশ সম্ভৱ হৈছিল। খ্ৰীষ্টীয় দশম শতাব্দীৰেপৰা ভাৰতত বিভিন্ন প্ৰাদেশিক লিপিয়ে স্পষ্টৰূপত মূৰ ডাঙি উঠা দেখা যায়। এই কালৰ লিপিয়ে এহাতে ব্ৰাহ্মী লিপিৰসৈতে আৰু আনফালে প্ৰাদেশিক লিপিমালাৰ অধুনা ৰূপেৰে লগুণগাঁঠি বন্ধাটো তাৎপৰ্যপূৰ্ণ। তলত ক্ৰেইবিধমান উল্লেখযোগ্য লিপিৰ আভাস দিয়া হ'ল—

শাৰদা লিপি—শাৰদা কাশ্মীৰৰ পুৰণি লিপি। কাশ্মীৰৰ অধিষ্ঠাত্ৰীদেৱী শাৰদাৰ নামানুযায়ী এই ভূখণ্ডক 'শাৰদাদেশ' অথবা 'শাৰদা মণ্ডল' ৰূপে জনা গৈছিল। শাৰদা মণ্ডলত বিকশিত লিপিয়েই শাৰদা। খ্ৰীষ্টীয় দশম শতাব্দীত সিদ্ধ মাতৃকা লিপিৰপৰা এই লিপিয়ে জন্ম লাভ কৰে। আলবেৰুণীয়ে তেওঁৰ গ্ৰন্থত উল্লেখ কৰিছে যে কাশ্মীৰ আৰু বাৰাণসীত সিদ্ধ মাতৃকাৰ প্ৰচলন আছিল[৩১০]। কাশ্মীৰ আৰু বাৰাণসীৰ সংস্কৃত ভাষাৰ পণ্ডিতসকলে তেওঁলোকৰ গ্ৰন্থত একে ধৰণৰ লিপি ব্যৱহাৰ কৰাটো তাৎপৰ্যপূৰ্ণ। কাশ্মীৰত ভূমিস্থ হ'লেও ইয়াৰ প্ৰয়োগ উত্তৰ পশ্চিম পঞ্জাৱলৈ সম্প্ৰসাৰিত হোৱাৰ প্ৰমাণ পোৱা যায়। এই লিপিত লিখা পুৰাতন লিপি কাংগ্ৰা আৰু চম্বা জিলাত উদ্ধাৰ হৈছে। এই লিপিমালা উদ্ধাৰ আৰু সম্পাদন কৰি উলিয়াইছে পুৰালিপিতত্ত্ববিদ্ ফোজল চাহাবে[৩১১]। খ্ৰীষ্টীয় নৱম শতাব্দীৰ মেৰুবৰ্মনৰ লেখত কুটিল শৈলীৰ প্ৰভাৱ স্পষ্ট[৩১২]। ৰাজানক ভোগটক লেখৰ ক্ষেত্ৰতো এইকথা প্ৰযোজ্য[৩১৩]। এই কালৰ পৰা খ্ৰীষ্টীয় দশম শতাব্দীৰ বুলি সাব্যস্ত কৰা সৰাহাঁত প্ৰাপ্ত শিলালেখেই শাৰদাৰ প্ৰথম চানেকি। এই লিপিত শ আৰু স, ৱ আৰু ব তথা এ আৰু ম ৰ পাৰ্থক্য ধৰা নপৰে। এটা সময়ত এই লিপিত ভালেখিনি প্ৰাচীন গ্ৰন্থ ৰচিত হৈছিল। অথৰ্ববেদৰ পাণ্ডুলিপিৰ নাম এইখিনিতে

---

৩১০ Sachau—*Alberuni's India*, I, P 175

৩১১ ফোজল সম্পাদিত গ্ৰন্থৰ নাম *Antiquties of the Chamba State* (1911)

৩১২ ওঝা—প্ৰাচীন ভাৰতীয় লিপিমালা, পৃ ৭৩

৩১৩ *Antiqudties of Chamba State*, P 152

উল্লেখযোগ্য[৩১৪]। কালক্ৰমত এই লিপিৰপৰা **টাকৰী লিপিৰ** বিকাশ ঘটে। পঞ্জাৱ জম্মু আৰু পাহাৰী প্ৰদেশত এই লিপিৰ প্ৰচাৰ বহুল পৰিমাণে হৈছিল। ই একপ্ৰকাৰ **মহাজনী লিপি**-য'ত স্বৰমাত্ৰাৰ প্ৰতি বিশেষ মনযোগ দিয়া দেখা নাযায়। ইয়াৰ আন নাম **টক্কী**। টক্ক লোকসকলে ব্যৱহাৰ কৰা গুণে ইয়াৰ নাম টক্কী। ইয়াৰপৰা **সিৰমৌৰী** লিপি বিকশিত হয়। ইয়াত দেৱ-নাগৰীৰ হেচা প্ৰবল।

অধুনা প্ৰচলিত লণ্ডা, গুৰমুখী, ডোগ্ৰী, চমেৱালী, কোছী প্ৰভৃতি লিপিয়ে পুৰণি শাৰদাৰপৰা বিকশিত হোৱা বুলি পুৰাতত্ত্ববিদ্‌সকলে অভিমত দিছে। পঞ্জাৱ তথা সিন্ধুদেশৰ মহাজনসকলে ব্যবহাৰ কৰা লিপিৰ নাম **লণ্ডা**। সিন্ধী আৰু লহন্দা ভাষা এই লিপিৰে লিখা হয়। মহাজনীৰ দৰে এয়া অপূৰ্ণ লিপি। এই লিপিৰপৰা **মুলতানী** লিপিৰ বিকাশ সম্ভৱ হয়। শিখসকলে তেওঁলোকৰ ধৰ্মগ্ৰন্থসমূহত ব্যৱহাৰ কৰা **গুৰুমুখী লিপিও** লণ্ডাৰপৰাই বিকশিত হৈছে। ষোড়শ শতাব্দীত দ্বিতীয় ধৰ্মগুৰু অংগদে এই লিপিৰ পূৰ্ণৰূপ দান কৰে। পঞ্জাৱৰ ডোগ্ৰী ভাষা লিখা হয় **ডোগ্ৰী লিপিত**। চম্বপ্ৰদেশৰ চামেলি ভাষাৰ লিপিয়ে **চমেৱালী**। দেৱ নাগৰীৰ দৰে ইয়াক পূৰ্ণলিপি বুলিব পাৰি। মণ্ডা আৰু সুকেত ৰাজ্যত **মণ্ডেৱালী লিপিৰ** চলতি আছে। পাহাৰী প্ৰদেশ জৌনসাৰৰ জৌনসাৰী বুলি লিখিবলৈ ব্যৱহাৰ হয় **জৌনসাৰী লিপিৰ**। চিমলাৰ পশ্চিমাংশৰ পাহাৰী লোকসকল মাজত প্ৰচলিত লিপিক **কোছী** বোলা হয়। কুলু উপত্যকাত প্ৰচলিত লিপিয়ে **কলুই** আৰু কাশ্মীৰৰ দক্ষিণ পূৰ্ব ভূভাগৰ কষ্টৱাৰ অঞ্চলৰ লিপিৰ নাম **কষ্টৱাৰী**। শাৰদা এই আটাইকেইটা লিপিৰে জননী।

নাগৰী লিপি—গুজৰাট, ৰাজস্থান আৰু উত্তৰ প্ৰদেশ হৰ্ষলিপি বিকাশৰ থলী। প্ৰাচীন নাগৰীলিপিৰ জন্ম হৰ্ষলিপিৰপৰা[৩১৫]। এই লিপিক নাগৰী কোৱাৰ কাৰণ হ'ল—ক গুজৰাটৰ নাগৰ ব্ৰাহ্মণসকলে জয়জয়তে ব্যৱহাৰ কৰা গুণে ইয়াক নাগৰী বোলা হৈছিল, খ মুখ্যত নগৰত প্ৰচলিত গুণে এই লিপি নাগৰী ৰূপে পৰিচিত (নগৰ+ইকা) গ কাৰো মতে 'ললিত বিস্তৰ'ত উল্লিখিত 'নাগলিপি'য়ে কালক্ৰমত 'নাগৰী' নাম

---

৩১৪ হাৰ্বাৰ্ড অৰিয়েন্টেল চিৰিজে প্ৰকাশ কৰা 'অথৰ্ববেদ' ত শাৰদা লিপিৰ নমুনা দেখা যায়। এই লিপিক ড° বুহলৰেও তেওঁৰ গ্ৰন্থত (ফলক নং ৬) স্থান দিছে।

৩১৫ নাগৰী লিপি বিকাশৰ বহুল আলোচনা আৰ, শৰ্মাশাস্ত্ৰীৰ *The Origin of the Devanagari Alphabet* আৰু ড° ভোলানাথ তিৱাৰীৰ 'হিন্দী-ভাষা' শীৰ্ষক গ্ৰন্থৰ 'লিপি' অধ্যায়ত পাব।

পায়[৩১৬], ঘ তান্ত্রিক চিহ্ন দেৱনাগৰ লগত থকা সমতাৰ কাৰণে ইয়াৰ নাম জয়জয়তে 'দেৱ নাগৰী' হৈ পিছলৈ নাগৰী হ'ল ঙ 'পাদতাড়িতকম্' নামৰ এক নাটকত পোৱা যায় যে পাটলিপুত্র 'নগৰ' নামেৰে প্ৰসিদ্ধ আছিল আৰু দ্বিতীয় চন্দ্ৰগুপ্ত বা বিক্ৰমাদিত্যৰ ব্যক্তিগত নাম আছিল 'দেৱ'। গুপ্ত সাম্ৰাজ্যৰ ৰাজধানী পাটলিপুত্ৰ আছিল আৰু তাত প্ৰচলিত লিপি দেৱ নাগৰী ৰূপে (দেৱ নগৰৰ লিপি) জনাজাত হয়, চ মধ্যযুগত উত্তৰ ভাৰতীয় স্থাপত্য শৈলীক 'নাগৰ' ৰূপে জনা গৈছিল। এই শৈলী আছিল চতুষ্কোণী। একে সময়তে ভাৰতবৰ্ষত প্ৰচলিত আন দুটা শৈলীৰ নাম আছিল—দ্ৰাৱিড় (সপ্ত আৰু অষ্টভূজী) আৰু বেসৰ (বৃত্তাকাৰ)। নাগৰী লিপিত চতুষ্কোণী অক্ষৰ থকা গুণে (প, ম, ব প্ৰভৃতিত) ইয়াক নাগৰী বিশেষণ দিয়া হ'ল, ছ দেৱভাষা সংস্কৃত এই লিপিত লিখা গু ণ ইয়াৰ নাম দেৱ নাগৰী, জ ড° আহমদ হাসান দানীৰ মতে, বৰ্ণনাগ কৃপানিকা শব্দৰপৰা নাগৰীৰ আত্মপ্ৰকাশ[৩১৭]। কৃপাণ অৰ্থাৎ বিশেষ ধৰণৰ চুৰিকা নাগৰ ওপৰত ৰখা চিত্ৰ খোদিত অভিলেখ ইতিমধ্যে উদ্ধাৰ হৈছে[৩১৮]।

মধ্যযুগীয় উত্তৰ ভাৰতত বহুলভাৱে প্ৰচলিত নাগৰীলিপিৰ আদি স্তৰৰ নিদৰ্শনসমূহ পিছে উদ্ধাৰ হৈছে পশ্চিম ভাৰত আৰু দাক্ষিণাত্যতহে। খ্ৰীষ্টীয় চতুৰ্দশ পঞ্চদশ শতাব্দীত বিজয়নগৰৰ শাসকমণ্ডলীয়ে তেওঁলোকৰ অভিলেখত ব্যৱহাৰ কৰা নাগৰীক 'নন্দিনাগৰী' আখ্যা দিছিল[৩১৯]। জনশ্ৰুতি আছে যে বিজয় নগৰৰ শাসকসকলে জয়জয়তে আলোচিত লিপিত বেদৰ প্ৰতিলিপি প্ৰস্তুত কৰিছিল। পণ্ডিতসকলৰ মতে বাকাটক আৰু ৰাষ্ট্ৰকূটসকলৰ শাসনকালত মহাৰাষ্ট্ৰৰ প্ৰসিদ্ধ নন্দিনাগৰীৰ লিপি হোৱা গুণে এই লিপিৰ নামো নন্দিনাগৰী হয়গৈ[৩২০]। পিছে উত্তৰ ভাৰতৰ নাগৰীৰ সৈতে নন্দিনাগৰীৰ পাৰ্থক্যৰ পৰিধি প্ৰশস্ত নহয়। মাথো কেইটামান আখৰতহে আকৃতিগত পাৰ্থক্য ধৰা পৰে। উত্তৰ ভাৰততো নাগৰীৰ প্ৰচলন দীৰ্ঘদিনীয়া। খ্ৰীষ্টীয় একদশ শতাব্দীত ভাৰতবৰ্ষলৈ অহা পৰিব্ৰাজক আল্‌বেৰুণীয়ে তেওঁৰ ভ্ৰমণবৃত্তত সিদ্ধ মাতৃকা গৌড়ী, (গৌড়দেশৰ লিপি), লাৰী (কাথিয়াৱাৰৰ লিপি), দিৰোৱাৰী (দ্ৰাৱিড়ী), মালৱাৰী, সৈন্ধৱ, কৰ্নাট, অন্ধ্ৰী, অৰ্ধনাগৰী আৰু নাগৰী এই দহবিধ তৎকালীন লিপিৰ নামোল্লেখ

৩১৬ বহুতে নাগলিপিৰসৈতে নাগৰীৰ কোনো ধৰণৰ ৰক্তসম্পৰ্ক নথকা বুলি ভাবে।

৩১৭, Da.i A H—*Op Cit*, P 112

৩১৮ *EI*, Vol XXXI, P 28

৩১৯ Agrawala, V S—The Devanagari Script in *Indian Systems of Writing*, P 29

৩২০ মুলে, গুণাকৰ—ভাৰতীয় লিপিয়োঁ কী কহানী, পৃ ১০

কৰিছে[৩২১]। খ্ৰীষ্টীয় ১৬২২ ত এগৰাকী ইটালীৰ ভ্ৰমণকাৰী পিয়েত্ৰো দেল্লা ভাল্লোৱে তেওঁৰ এখনি চিঠিত দেৱ নাগৰীৰ উল্লিখন আৰু খ্ৰীষ্টীয় ১৬৬৪ ত বাভাৰীয়াৰ ধৰ্মযাজক হাইনৰিখ ৰোটে নাগৰীলিপিৰ বৰ্ণমালা প্ৰস্তুত কৰাটো মন কৰিবলগীয়া।

দক্ষিণ ভাৰতত নাগৰীলিপিৰ প্ৰাচীনতম নিদৰ্শন দেখিবলৈ পোৱা যায় ৰাষ্ট্ৰকূট ৰজা দন্তিদুৰ্গৰ সামাগড় দানপত্ৰত (খ্ৰীঃ ৭৫৪)। দন্তিদুৰ্গৰ পিছত ৰাষ্ট্ৰকূটৰ সিংহাসনত বহা প্ৰথম কৃষ্ণৰ দিনত নিৰ্মিত ইলোৰাৰ কৈলাশ মন্দিৰত যি অভিলেখ স্থাপন কৰিছে, তাৰ লিপি মূলতঃ নাগৰী। নৱম শতাব্দীৰ প্ৰখ্যাত ৰাষ্ট্ৰকূট নৃপতি অমোঘবৰ্ষৰ ৰাজধানী মান্যখেটত ভালেখিনি নাগৰী লিপিত খোদিত অভিলেখ উদ্ধাৰ হৈছে[৩২২]। খ্ৰীষ্টীয় অষ্টম শতাব্দীত পশ্চিম মহাৰাষ্ট্ৰৰ কোংকণত শিলাহাৰী ৰাজ্য প্ৰতিষ্ঠা কৰে। খ্ৰীষ্টীয় একাদশ শতাব্দীত এওঁলোকৰ এটা ঠালে কোলহাপুৰ-সাতাৰাত নিজাকৈ ৰাজ্য পাতি লয়। এওঁলোকৰ নাগৰী লিপিত খোদিত কৰা বহুসংখ্যক দানপত্ৰ উদ্ধাৰ হোৱাটো উল্লেখযোগ্য[৩২৩]। প্ৰাচীন মাৰাঠী ভাষাৰ কিন্তু নাগৰী লিপিত লিখা প্ৰাচীনতম প্ৰত্নলেখখনি হ'ল—শিলাহাৰ শাসক প্ৰথম কেশীদেৱৰ (খ্ৰী ১০১২) কৰ্ণাটকৰ শ্ৰৱণ বেলগোল জৈনসকলৰ পুতস্থান। ইয়াতে গোমটেশ্বৰৰ মূৰ্তি বিদ্যমান। ইয়াত মাৰাঠী ভাষাৰ কিন্তু নাগৰী লিপিত খোদিত লিপি উদ্ধাৰ হৈছে। তাত পৰিচয় প্ৰসংগত কোৱা হৈছে— শ্ৰীগংগৰাজে সুত্তালে কৰবিয়লে।' দেৱগিৰিৰ যাদৱসকলে নাগৰী লিপিত লিখা শিলালেখ আৰু দানপত্ৰৰ সংখ্যাও নগণ্য নহয়[৩২৪]। উৰিষ্যাত গংগবংশৰ শাসকসকলে তেওঁলোকৰ দানপত্ৰত নাগৰী লিপি প্ৰয়োগ কৰিছিল। তৃতীয় বজ্ৰহস্তৰ গঞ্জাম দান পত্ৰ (খ্ৰী ১০৬৮) ইয়াৰ সুন্দৰ নিদৰ্শন। দাক্ষিণাত্যৰ পাণ্ড্য জিলাৰ নৃপতি বৰগুণে দ্বিতীয় পলিয়ম তাম্ৰলেখত নাগৰী লিপিত সংস্কৃত ভাষা প্ৰয়োগ কৰাটো মন কৰিবলগীয়া। এনেদৰে দেখা যায় যে খ্ৰীষ্টীয় নৱম শতাব্দীৰেপৰা একাদশ শতাব্দীলৈকে শ্ৰীলংকা, কেৰেলা আৰু চোড় নৃপতিসকলে তেওঁলোকৰ মুদ্ৰাতো আনকি নাগৰী লিপিৰ প্ৰয়োগ ঘটাইছিল—দানপত্ৰ আৰু শিলালেখৰতো কথাই নাই।

পশ্চিম ভাৰতত বিশেষকৈ গুজৰাটৰ গুৰ্জৰবংশী নৃপতি তৃতীয় জয়ভট্টৰ খ্ৰী. ৭০৬ ত প্ৰদান কৰা লিপি বিশেষৰ 'স্বহস্তো মম জয় ভটস' অংশত আদি নাগৰীৰ ৰূপটো দেখিবলৈ

---

৩২১ Sachau—*Alberuni's India*, I, P 175

৩২২ *AI* Vol III, PP 205 10

৩২৩ EI Vol III, P 271, Vol V, P 277

৩২৪ *AI* Vol I, P 341, Vol III, P 216-20

পোৱা যায়। খ্ৰীষ্টীয় নৱম শতাব্দীত আদি নাগৰীয় যে আৰ্যবৰ্তত জয়যাত্ৰা আৰম্ভ কৰিছিল, তাৰ সুন্দৰ নিদৰ্শন পোৱা যায় কনৌজৰ প্ৰতীহাৰবংশী মহেন্দ্ৰপালৰ খ্ৰীষ্টীয় ৭৯৭ত প্ৰদান কৰা এখনি অভিলেখত৩২৫। এই বংশৰে আন নৃপতিৰ দানপত্ৰ মেৱাৰ প্ৰভৃতি স্থানত উদ্ধাৰ হৈছে। গুহিলবংশী শাসকৰ নাগৰী লিপিত খোদিত দানপত্ৰ আজমেৰ নাডোল, জানৌৰ, চন্দ্ৰৱলী প্ৰভৃতি স্থানত পোৱা গৈছে৩২৬। খ্ৰী° দশম দ্বাদশ শতাব্দীৰ চৌহান, পৰমাৰ, কলচুৰি, চান্দেল্ল, গড়ৱাল আদি ৰাজবংশৰ বিবোৰ অভিলেখ উদ্ধাৰ হৈছে সেইবোৰে নাগৰী লিপিৰ বিকাশৰ ধাৰাত স্পষ্ট পোহৰ পেলায়৩২৭। খ্ৰীষ্টীয় দশম শতাব্দীৰ উত্তৰ ভাৰতীয় অভিলেখবোৰত অ, আ, ঘ, প, ফ, ষ, য আৰু ম ত শিৰ দ্বি বিভক্ত কিন্তু একাদশ খ্ৰীষ্টাব্দৰ অভিলেখমালাত শিৰোৰেখা একেডাল ৰেখাৰ ৰূপত মূৰ্তিমান হোৱাটো মন কৰিবলগীয়া। অবশ্যে অঞ্চল ভেদে নাগৰীৰ কিছু পাৰ্থক্য নথকা নহয়। জৈনসকলৰ ই, উ, ছ, ড, ঠ, ভ, ল আৰু ক্ষ অথবা দক্ষিণৰ অ, ভ, ণ, ক্ষ প্ৰভৃতি আজিও নাগৰীৰপৰা ভিন্ন।

খ্ৰীষ্টীয় অষ্টম শতাব্দীলৈকে নাগৰী লিপিৰ বৈশিষ্ট্য বৰ্ণাবলৈ গৈ জ বুহলাৰে লিখিছে—'Their chief characteristic is that the letters slope from the right to the left and show acute angles at the lower or at the right ends as well as that the tops of the verticals or slanting lines invariably bear small wedges and their ends either show the same ornaments or protuberance on the right'৩২৮ সময়ৰ অগ্ৰগতিৰ লগে লগে নাগৰী লিপি বিকাশৰ পথত আগবঢ়াটো স্বাভাৱিক। পিছে এই পৰিবৰ্তনৰ ধাৰাৰ লগতে এই লিপিৰ আন কিছুমান বৈশিষ্ট্যও মন কৰিবলগীয়া। দৃষ্টান্ত স্বৰূপে—ক এটা সময়ত নাগৰী লিপিয়ে ফাৰ্চী লিপিৰ প্ৰভাৱ স্বীকাৰ কৰি লয়। ফাৰ্চী লিপি মূলত বিন্দু প্ৰধান। বিন্দুৰ কাৰণে অনেক বৰ্ণচিহ্ন বেলেগ বেলেগ হৈ পৰাটো এই লিপিৰ এটা সাধাৰণ কথা। ফাৰ্চীৰ প্ৰভাৱ পুষ্ট দেৱ নাগৰী বা নাগৰী লিপিৰো বিন্দু যুক্ত আৰু বিন্দুহীন ড, ঢ, ক, খ, জ আৰু ধ্বনি বৈসম্য সহজে চকুত পৰে। খ নাগৰী লিপিৰ মাৰাঠী প্ৰভাৱো কিছু নথকা নহয়। অ, ল, ই, উ আদিৰ মাৰাঠী ৰূপ এই লিপিত প্ৰয়োগ হোৱা দেখা যায়,

---

৩২৫ *EI*, Vol XV, P 112
৩২৬ *EI*, Vol XVI, P 347 51
৩২৭ ওঝা—প্ৰাচীন ভাৰতীয় লিপি মালা পৃ ২৫
৩২৮ Buhler, G —*I P*, P 68

গ কোনো কোনো লোকে নাগৰী লিপি শিৰোৰেখা নিদিয়াকৈ লিখে। এইটো নি সন্দেহে গুজৰাটী প্ৰভাৱ আৰু ঘ আধুনা নাগৰীত বিৰাম চিহ্নৰ বহুলতা আৰু অনুনাসিকতাৰ স্থানত অনুস্বাৰৰ বহুল প্ৰয়োগৰ কথা উল্লেখ কৰিব পাৰি[৩২৯]।

পুৰণি নাগৰীৰপৰা কালক্ৰমত কেবাটাও প্ৰাদেশিক লিপিৰ বিকাশ হয়। (ক) **গুজৰাটী** লিপিৰ নাম এই ক্ষেত্ৰত জয়জয়তে উল্লেখ কৰিব পাৰি। এই লিপিত শিৰোৰেখাৰ অভাৱ লক্ষণীয়। গুজৰাটত দেৱ নাগৰী আৰু (খ) **সৰ্‌ৰাফী** (ইয়াৰ আন নাম বনিয়াই বা বোড়িয়া) লিপিৰো ব্যৱহাৰ আছে। দ্বিতীয়বিধ লিপি সম্পূৰ্ণ নহয়। হিন্দী ক্ষেত্ৰ বিশেষকৈ ৰাজস্থান, উত্তৰ প্ৰদেশ, বিহাৰ আৰু মধ্যপ্ৰদেশত মহাজনসকলে ব্যৱহাৰ কৰা (গ) **মহাজনী** লিপিৰো জন্ম হয়—নাগৰীৰপৰা। এই লিপিত শিৰোৰেখা নাই আৰু কেইটামান অক্ষৰত নাগৰীৰেসৈতে এই লিপিৰ পাৰ্থক্য ধৰা পৰে। মাৰাঠী ভাষা নাগৰী লিপিৰে লিখা হয় যদিও মহাৰাষ্ট্ৰত আন এক প্ৰকাৰ লিপিৰ প্ৰচলনো নথকা নহয়। নাগৰীৰপৰা বিকশিত হোৱা এই লিপি (ঘ) **মোড়ীলিপি** ৰূপে পৰিচিত। খৰকৈ লিখাৰ ফলত এই লিপিয়ে পাকৰ সংখ্যা বঢ়াই লৈ মোড়ী নাম লৈছে। শিৱাজী আৰু পেশোৱাসকলৰ শাসন কালত এই বহুপাকযুক্ত লিপিৰ অধিক প্ৰচলন দেখা যায়। কোনো কোনোৱে কয় যে এই লিপিৰ জন্মদাতা হ'ল যাদৱ ৰাজমন্ত্ৰী হেমাদ্ৰী বা হেমাড়পন্ত। আন কাৰো মতে এই লিপিক শিৱাজীৰ শাসনকালত বালাজী আৱজীহে জয়জয়তে পোহৰলৈ আনে। মাৰাঠাৰ ইতিহাস সম্পৰ্কীয় পুৰণি নথি পত্ৰ অধ্যয়ন কৰিবলৈ এই লিপিৰ জ্ঞান অতি প্ৰয়োজন। কায়স্থ সম্প্ৰদায়ে বিশেষ ৰূপ দিয়া বিহাৰৰ (ঙ) **কৈথী লিপিৰো** জননী হ'ল—নাগৰী। সময়ত কৈথীৰপৰাই নাগৰীৰে অধিক সাদৃশ্য ৰখা ভোজপুৰী কৈথী, তিৰহুতত প্ৰচলিত তিৰহুতী কৈথী আৰু মগহী বোলী লিখাৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা মগহী কৈথীৰ বিকাশ হৈছে।

দক্ষিণ ভাৰতীয় লিপিমালা—ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে খৃষ্ট জন্মৰ ৩৫০ বছৰৰ পিছৰেপৰা ব্ৰাহ্মীলিপি উত্তৰ ভাৰতীয় আৰু দক্ষিণ ভাৰতীয়—এই দুটা স্পষ্ট শৈলীত বিভাজিত হয়। লগতে এইটোও উনুকিয়াই অহা হৈছে যে দক্ষিণ ভাৰতীয় লিপিসমূহক ভৌগোলিক দিশৰপৰা পশ্চিমা, মধ্যা আৰু দক্ষিণা—এই কেইটা উপ বিভাগৰ অন্তৰ্ভুক্ত কৰিব পাৰি। পশ্চিমা আৰু মধ্যা-দক্ষিণী শৈলীত স্থানীয় ৰূপৰ উপৰি উত্তৰ আৰু দক্ষিণ ভাৰতীয় লিপিৰ প্ৰভাৱৰ প্ৰৱল হেচা সহজতে অনুভূত হয়। এই দুই অঞ্চলৰ লিপি বিকাশৰ সময়ৰেখা খ্ৰীষ্টীয় পঞ্চম শতাব্দীৰপৰা নৱম শতাব্দীলৈ

৩২৯ তিৱাৰী, ভোলানাথ—ভাষা বিজ্ঞান, পৃ ৫০০

ব্যাপ্ত। ব্ৰাহ্মীলিপিৰ দক্ষিণী শৈলীৰপৰা বিকশিত লিপিমালাৰ চমু পৰিচয় তলত উল্লেখ কৰা হ'ল[৩৩০]।

তেলেগু আৰু কন্নড লিপি—সময়ৰ অগ্ৰগতিৰ লগে লগে ব্ৰাহ্মীলিপিৰ দক্ষিণী শৈলী কেবাটাও বিভাগত (কৰো কাৰো মতে দুই শাখা) বিভক্ত হয়। তাৰে এটা শাখাৰপৰা জন্ম হয় কন্নড আৰু তেলেগু লিপিৰ। একে সময়তে উদ্ভৱ হোৱা গুণে প্ৰথম স্তৰত দুয়োবিধ লিপিৰ পাৰ্থক্য আছিল তেনেই কম। দক্ষিণৰ চালুক্য বংশী নৃপতিসকলৰ অভিলেখত আলোচিত লিপিদ্বয়ৰ প্ৰাৰম্ভিক কালৰ নিদৰ্শন পোৱা যায়। পল্লৱবংশী যুৱৰাজ শিৱস্কন্ধ বৰ্মনৰ দানপত্ৰ, কদম্বৱংশী নৃপতি মৃগেশবৰ্মাৰ দানপত্ৰ[৩৩১], পশ্চিমী চালুক্য বংশী মংগলেশৰ অভিলেখ[৩৩২], পূৰ্বী চালুক্য ৰজা মংগী যুৱৰাজ সৰ্বলিকা শ্ৰয়ৰ দানপত্ৰ[৩৩৩], চালুক্য ৰাজ্য দ্বিতীয় কীৰ্তিবৰ্মনৰ দানপত্ৰ[৩৩৪], ৰাষ্ট্ৰকূটৰ তৃতীয় গোবিন্দৰ দানপত্ৰ[৩৩৫] আৰু দ্বিতীয় তিৰুবেন্দ্ৰম মন্দিৰ গাত্ৰলিপি[৩৩৬] প্ৰভৃতিয়ে কন্নডলিপিৰ বিকাশৰ ধাৰাটি স্পষ্ট কৰে। কন্নড ভাষাৰ প্ৰাচীনতম পাণ্ডুলিপি 'কবিৰাজমাৰ্গ' খ্ৰীষ্টীয় ৮৭৭-ত লিখা।

তেলেগু লিপিৰ প্ৰথম স্তৰৰ নিদৰ্শনসমূহ ৰজা মংগী যুৱৰাজৰ অভিলেখ (চন্দ্ৰলুৰ লিপি)[৩৩৭], দ্বিতীয় বিষ্ণু বৰ্ধনৰ তাম্ৰলিপি (পগনাবৰম্ লিপি)[৩৩৮], ৰজা প্ৰতাপৰুদ্ৰৰ (প্ৰথম) ভূমিদান লিপি (অবলুৰ লিপি), কাকতিয়া ৰজা গণপতিৰ শিলালেখ

৩৩০ প্ৰখ্যাত পুৰালিপিতত্ত্ববিদ ড° বুৰ্নেল চাহাবৰ মতে, দক্ষিণ ভাৰতৰ লিপিমালা ছেমীয় লিপিৰ পৰা উদ্ভৱ হোৱা (*Elements of South Indian Palaeography*, P 9), অধ্যাপক মেক্স মূলাৰেও কয়, It is possible that the Earlist Tamil alphabet may have been directly derived from the some Sematic source which supplies both the dextrosum and sinistrosum alphabets of India,' (*The Vedas*, P 122)

৩৩১ *IA*, Vol VII, P 35

৩৩২ *IA*, Vol X, P 158

৩৩৩ *EI*, Vol VII, P 238

৩৩৪ *EI*, Vol V, P 204

৩৩৫ *IA*, Vol XII, P 14

৩৩৬ *EI*, Vol VII, P 102

৩৩৭ *EI*, Vol IV, P 196

৩৩৮ *IA*, Vol VII, P 224

(চেবৰুস প্ৰাপ্ত)[৩৩৯] প্ৰভৃতিত সুৰক্ষিত হৈছে। খ্ৰীষ্টীয় ত্ৰয়োদশ শতাব্দীৰেপৰা তেলেগু আৰু কন্নড লিপিয়ে স্বতন্ত্ৰ আসনত সমাসীন হয়। এই শতাব্দীৰ তেলেগু কবি মঞ্চনে তেওঁ প্ৰয়োগ কৰা লিপিক **'আন্ধ্ৰলিপি'** ৰূপে চিনাক্ত কৰিছিল। ত্ৰয়োদশ শতাব্দীৰ পিছৰেপৰা কন্নড লিপিৰ স্বৰমাত্ৰাসমূহ দীৰ্ঘ হ'বলৈ ধৰে আৰু অক্ষৰসমূহ অধিক গোলাকাৰ হয়। তথাপি কন্নড লিপি পঢ়িব জনা সকলে তেলেগু লিপি পঢ়িবলৈ অধিক অসুবিধা নাপায়।

পল্লৱ-গ্ৰন্থলিপি—ব্ৰাহ্মীলিপিৰ দক্ষিণী শৈলীৰ দ্বিতীয়টো শাখাৰপৰা গ্ৰন্থলিপিৰ বিকাশ হয়। কাৰো মতে, পল্লৱ লিপিৰপৰা গ্ৰন্থলিপিৰ বিকাশ হোৱা গুণে আৰম্ভিক পল্লৱ লেখৰ লিপিমালা **'পল্লৱ গ্ৰন্থ'** লিপি ৰূপে পৰিচিত। এইখিনিতে এটা কথা উল্লেখ কৰা প্ৰয়োজনৰ যে খ্ৰীষ্টীয় পঞ্চম শতাব্দীত পল্লৱসকলৰ ছত্ৰছায়াত ব্ৰাহ্মীলিপিৰ দক্ষিণী শৈলীয়ে আশানুৰূপভাৱে বিকশিত হোৱাৰ সুযোগ পায়। এই লিপি ভাৰত ভূমিৰ উপৰি দক্ষিণ-পূৰ্ব এচিয়াৰ বহুসংখ্যক অভিলেখতো ব্যৱহাৰ হোৱাৰ প্ৰমাণ পোৱা গৈছে। পল্লৱ গ্ৰন্থ লিপিৰ প্ৰাচীনতম নিদৰ্শন খ্ৰীষ্টীয় সপ্তম শতাব্দীৰেপৰা উদ্ধাৰ হৈছে। নৰসিংহ বৰ্মনৰ সময়ৰ মামল্লপুৰমত প্ৰাপ্ত লঘুলেখ, কাঞ্চীপুৰমত প্ৰপ্ত কৈলাশনাথ মন্দিৰৰ শিলালেখ প্ৰভৃতিৰ কথা এইখিনিতে উল্লেখযোগ্য। দাক্ষিণাত্যত থাইকৈ সংস্কৃত গ্ৰন্থমালাৰ প্ৰতিলিপি প্ৰস্তুত কৰা কালত এই লিপিৰ ব্যৱহাৰ মন কৰিবলগীয়া। কালক্ৰমত এই লিপিৰপৰা দুটা লিপিৰ জন্ম হয়—ক কেৰেলাত প্ৰচলিত **মলয়ালম** আৰু দক্ষিণ কৰ্ণাটকত প্ৰচলিত **তুলু লিপি**। শ্ৰীলংকাৰ **সিংহলী লিপিৰ** জন্মও হৈছে গ্ৰন্থলিপিৰ পৰা।

কলিংগ নগৰীত (অধুনা গঞ্জাম জিলা) গংগবংশী নৃপতিমণ্ডলীয়ে প্ৰদান কৰা ভালেখিনি দানপত্ৰ উদ্ধাৰ হৈছে। এই দানপত্ৰবোৰত ব্যৱহাৰ হোৱা লিপি—ব্ৰাহ্মীৰ দক্ষিণী শৈলীৰ প্ৰকাৰভেদ মাত্ৰ। খ্ৰীষ্টীয় সপ্তম শতাব্দীৰেপৰা একাদশ শতাব্দীলৈকে কলিংগ নগৰ আৰু মাদ্ৰাজৰ চিকাৰোল অঞ্চলত প্ৰচলিত লিপিক পুৰালিপিতত্ত্ববিদ্‌সকলে **কলিংগ লিপি** আখ্যা দিছে। এই লিপিত বৰ্গক্ষেত্ৰকাৰ শীৰ্ষৰেখা বিৰাজমান। পূৰ্বী গংগবংশী ৰজা দেৱেন্দ্ৰ বৰ্মাৰ শিলালেখৰ লিপি ইয়াৰ সুন্দৰ নিদৰ্শন। খ্ৰীষ্টীয় একাদশ শতাব্দীৰ পিছত নাগৰী লিপিয়ে কলিংগ লিপিৰ আসন লাভ কৰে।

অসমৰ আহোমসকলে ব্যৱহাৰ কৰা লিপি ব্ৰাহ্মীৰ দক্ষিণী শৈলীৰে প্ৰকাৰ ভেদ

---

৩৩৯ *EI*, Vol V, P 146

বুলিব পাৰি। **'টাইলিপি'** নামেৰে অধিক পৰিচিত এই লিপিটো আহোমসকলৰ উপৰি খামতি, নৰা, টুৰুং প্ৰভৃতিৰ মাজতো প্ৰচলিত[৩৪০]। **খামতি লিপি** আহোম লিপিতকৈ অধিক সুন্দৰ আৰু মিহি। **টুৰুং লিপিত** মান লিপিৰ প্ৰভাৱ পৰিছে[৩৪১]। মধ্যযুগত 'টাইলিপি'ক **'অসমাক্ষৰ'** ৰূপে জনা গৈছিল। মধ্যযুগীয় অসমৰ দানপত্ৰসমূহৰ এটাফালে অসমীয়া আৰু সংস্কৃত ভাষাৰ কথাখিনি অসমীয়া লিপিত আৰু আনটো ফালে অসমীয়া কথাখিনি টাই ভাষালৈ অনুবাদ কৰি তাক টাই লিপিত লিখা প্ৰায়ে চকুত পৰে। অৱশ্যে সম্পূৰ্ণ টাই লিপিত লিখা লিপিৰ সংখ্যাও নগণ্য নহয়। সদিয়াৰ সৰ্পস্তম্ভ লিপি টাই লিপিৰ প্ৰাচীন নিদৰ্শন।

তামিল লিপি—দ্ৰাৱিড় ভাষা পৰিয়ালৰ অন্যতম তামিল ভাষাৰ লিপি ব্ৰাহ্মীলিপিৰ দক্ষিণী শৈলীৰপৰা বিকশিত হয়। তামিল ভাষাৰ ঐতিহ্য আছে। খ্ৰীষ্টজন্মৰ প্ৰাৰম্ভৰেপৰা এই ভাষাৰ নিদৰ্শন পোৱাটো উল্লেখযোগ্য। তামিল লিপিৰ ইতিহাসো বেচ পুৰণি। দাক্ষিণাত্যৰ গুহা বিশেষত তামিল লিপিৰ যি নমুনা উদ্ধাৰ হৈছে, তাত উত্তৰ ভাৰতীয় ব্ৰাহ্মীত ব্যৱহাৰ নোহোৱা একাধিক চিহ্ন দেখিবলৈ পোৱা যায়। তামিল ভাষাৰ ধ্বনিয়ে সেই বিৰল চিহ্নমালাৰ উৎপত্তিত সাহায্য আগবঢ়াইছিল অৱশ্যে খ্ৰীষ্টীয় দ্বিতীয় তৃতীয় শতাব্দীমানৰেপৰা সপ্তম শতাব্দীলৈ তামিল ভাষাৰ কোনো লিপি আজিলৈ উদ্ধাৰ হোৱা নাই। যিবোৰ শিলালিপি অথবা দানপত্ৰ উদ্ধাৰ হৈছে, তাৰ ভাষা হয় সংস্কৃত, নইলে বা প্ৰাকৃত। খ্ৰীষ্টীয় সপ্তম শতাব্দীত প্ৰচলিত পল্লৱগ্ৰন্থলিপিৰ পৰিচয় ইতিমধ্যে দি অহা হৈছে।

বৰ্তমানৰ তামিল লিপিত স্বৰাক্ষৰৰ সংখ্যা ১২। ইয়াত এ আৰু ও ৰ বাবে উচ্চাৰণ ভেদৰ কাৰণে দুটাকৈ আখৰ আছে। ইয়াত ব্যঞ্জনলিপিৰ সংখ্যা হ'ল ১৮। সেই ওঠৰটা আখৰৰ ১৪টা হ'ল—ক, ঙ, চ, ঞ, ট, ণ, ত, ন, প, ম, য, ৰ ল আৰু ৱ। এই চৌধ্যটা লিপিৰ উপৰি ৪টা বিশিষ্ট ব্যঞ্জনাক্ষৰ আছে—সেই কেইটা হ'ল গ, জ, ড আৰু

---

৩৪০ বৰ্তমানৰ আহোম ভাষাত স্বৰলিপি ১৯টা—অ, আ, ই, ঈ, উ,ঊ, এ, এ, অ, উঁ, আই, আও, এউ, আম, ইউ আৰু অই। ব্যঞ্জনলিপি ২৪টা—কা খা, ঙা, না, টা, টপা, ফা, বা, মা, জা, চা, থা, ৰা, লা, ছা, ঞা, হা, ডা, ঢা, গা, ঝা, ভা, ঝা, কলাই আৰু লেঙ। ছং, ছাম, ছি, বা, ৰক, চিট, পেট, কুড়ি আৰু চিটা হ'ল সংখ্যাবাচক প্ৰতীক।—Gopalchandra Baruah : Prefece to the *Ahom—Assamese—English Dictionary*

৩৪১ গগৈ, লীলা—টাই সংস্কৃতিৰ ৰূপৰেখা, পৃঃ ১৪২-৪৩

দ ৰ ধ্বনিসূচক চিহ্ন। শ্ৰী, ক্ষ, হ, স আৰু ৰ ধ্বনিৰ বাবে গ্ৰন্থলিপিৰপৰা অক্ষৰ ধাৰকৰাটো মন কৰিবলগীয়া।

সুদূৰ দক্ষিণত বিশেষকৈ পাণ্ড্য প্ৰদেশত তামিল ভাষা লিখিবলৈকে **বট্ টেলুত্তু** লিপিৰ বিকাৰ হয়। এই লিপিৰ মূল ব্ৰাহ্মীলিপিৰ দক্ষিণী শৈলী। তালপাতত লিখা গুণে ইয়াৰ ৰূপ আছিল বৃত্তাকাৰ। যিটো লিপি তালপত্ৰত লিখিবলৈ সুবিধাজনক, সেই লিপি শৈলপৃষ্ঠত খোদিত কৰিবলৈ কোনো পধ্যেই সুবিধাজনক নহয়। সেইবাবে চোল নৃপতি এজনাই এই লিপি বাদ দি পেনি অক্ষৰৰ **কোল-এ লুত্তু লিপি** চলায়। অৱশ্যে গ্ৰন্থ লেখনৰ ক্ষেত্ৰত বট টেলুত্তু লিপিৰ প্ৰয়োগ অষ্টাদশ শতাব্দীলৈ চলে। দাক্ষিণাত্যত পল্লৱ আৰু চোল বংশী নৃপতিসকলে তামিলৰ বিকাশত যথেষ্ট অৰিহণা আগবঢ়ায়। খ্ৰীষ্টীয় পঞ্চদশ শতাব্দীত তামিল লিপিয়ে অধুনা ৰূপ পৰিগ্ৰহ কৰে আৰু মুদ্ৰণ যন্ত্ৰৰ আৱিষ্কাৰে সেই লিপিক স্থায়ী ৰূপ দিবলৈ সমৰ্থ হয়।

পূৰ্ব ভাৰতীয় লিপিমালা—পূৰ্ব ভাৰতীয় লিপিমালাৰ ভিতৰত অসমীয়া, বঙলা, উড়িয়া, মৈথিলী, মণিপুৰী আৰু কৈথীলিপি প্ৰখ্যাত। অসমীয়া লিপিৰ উৎপত্তি আৰু বিকাশৰ সম্পৰ্কে আগলৈ বহলাই আলোচনা কৰা হ'ব। **বঙলা লিপিৰ** বিকাশৰ সন্দৰ্ভত ইতিমধ্যে কিছু কথা উনুকিয়াই অহা হৈছে। খ্ৰীষ্টীয় নৱম শতাব্দীৰেপৰা খ্ৰীষ্টীয় দ্বাদশ শতাব্দীলৈকে বঙলা লিপিৰ বিকাশৰ ৰূপৰেখা অংকন কৰিব পাৰি এনেদৰে *(নৱম শতাব্দী) ক দেৱপালৰ মুঙ্গেৰ শাসন (ৰাজত্বৰ ৩২ বৰ্ষ)[৩৪২], খ দেৱপালৰ ৰাজত্ব কালৰ ঘোষৰাৱা শাসন[৩৪৩], গ নাৰায়ণপালৰ ৰাজত্ব কালৰ বাদল স্তম্ভলেখ[৩৪৪], ঘ বিষ্ণুপাদ মন্দিৰ গাত্ৰলিপি[৩৪৫], ঙ মহেন্দ্ৰপালৰ দীঘা—দুভৌলী শাসন (বিক্ৰমাব্দ ৯৫৫)[৩৪৬] আৰু চ° একেজনা নৃপতিৰে ৰামগয়া অনুশাসন[৩৪৭], *(দশম শতাব্দী) ক দ্বিতীয় গোপালৰ ৰাজত্বৰ প্ৰথম বৰ্ষত প্ৰদান কৰা নালন্দা মূৰ্তি লিপি[৩৪৮], খ

৩৪২ *IA*, XXI, P 254
৩৪৩ *IA*, Vol XVII, P 309
৩৪৪ *EI*, Vol II, P 161
৩৪৫ *Annual Report of the Archaeological Survey of India*, III, Pl XXXV
৩৪৬ *IA*, Vol XV, P 112
৩৪৭ *Annual Report af the Archaeological Survey of India*, III, PI XXXVII
৩৪৮ *JASB* (NS) Vol IV, P 105

দ্বিতীয় গোপালৰ বোধগয়া মূৰ্তিলিপি[৩৪৯], আৰু প্ৰথম মহীপালৰ বাণগড় শাসন[৩৫০], *(একাদশ শতাব্দী) ক প্ৰথম মহীপালৰ সাৰনাথ মূৰ্তিলিপি (১০৮৩ বিক্ৰমাব্দ)[৩৫১], খ নাৰায়ণপালৰ ৰাজত্বৰ পঞ্চদশ বৰ্ষত প্ৰদান কৰা কৃষ্ণ-দ্বাৰকা মন্দিৰ গাত্ৰলিপি[৩৫২], গ ৰামপালৰ ৰাজত্বৰ দ্বিতীয় বৰ্ষত প্ৰদান কৰা তেত্ৰাৱান মূৰ্তিলিপি[৩৫৩] আৰু ঘ বিজয়সেনৰ দেওপাৰা লিপি[৩৫৪] আৰু *(দ্বাদশ শতাব্দী) ক তৃতীয় গোপালৰ দিনৰ মান্দা অনুশাসন[৩৫৫], খ° বৈদ্যদেৱৰ কমৌলী শাসন[৩৫৬], গ লক্ষ্মণ সেনৰ তৰ্পণদীঘি শাসন[৩৫৭], আৰু পাঞ্চকাৰ, যোগৰত্নমালা আৰু গুহ্যাৱলী বৃত্তি[৩৫৮] প্ৰভৃতিৰ লিপি।

খ্ৰীষ্টীয় দশম শতাব্দীৰ মহীপালৰ বাণগড় লিপিত **বঙলা লিপিৰ** পূৰ্বাভাস স্পষ্ট ৰূপত ধৰা দিয়ে আৰু প্ৰায় এক শতাব্দীৰ মানৰ ভিতৰতে বঙলা লিপিৰ পূৰ্ণৰূপ সম্পূৰ্ণ হয়। পণ্ডিত ওঝাই ক'বলৈ বিচাৰে যে নাৰায়ণপালৰ আগলৈকে বঙলা লিপিৰ ওপৰত নাগৰী প্ৰভাৱ কোনো পধ্যেই অস্বীকাৰ কৰিব নোৱাৰি, কিন্তু উক্ত নৃপতিজনাৰ লিপিতে এ, খ প্ৰভৃতি অক্ষৰে নাগৰী প্ৰভাৱৰপৰা মুক্ত হৈ বঙলা ৰূপ ধাৰণ কৰাটো মন কৰিবলগীয়া। পালবংশী বিজয়পালৰ দেওপাৰা লেখৰ এ, খ, ত, ম, ৰ, ল আৰু আৰু স বঙলা গঢৰ। বঙলা লিপিৰ পৰিপূৰ্ণতাৰ ইতিহাসত কামৰূপত প্ৰাপ্ত বৈদ্যদেৱ [৩৫৯], আৰু বল্লভদেৱৰ[৩৬০], দানপত্ৰ দ্বয়ৰ গুৰুত্ব ভালেখিনি। প্ৰথমখনি দানপত্ৰত ই/ঈ, ব/ৰ আৰু উ/ঋৰ মাত্ৰাৰ পাৰ্থক্য চকুত নপৰে দ্বিতীয়খনি দানপত্ৰৰ ন/ল আৰু

৩৪৯ *Ibid*, Ne III,
৩৫০ *JASB* (1892), P 82
৩৫১ Annual Report, ASI (1903 4), P 222
৩৫২ *JASB*, 1900, Pl 1
৩৫৩ *JASB* (NS) Vol IV, P 109
৩৫৪ *EI*, Vol II, P 307
৩৫৫ Proc *ASB* (1881) P 172
৩৫৬ *EI*, Vol II, P 350
৩৫৭ *EI*, Vol XIII, P 8
৩৫৮ Bendall's Cat Skt. Mss in the Uni. Lib Cambridge PP 188 90
৩৫৯ *EI* Vol II, P 350
৩৬০ *EI*, Vol V, P. 182

পাগ্য়ৰ ৰূপো একে[৩৬১]। এনেদৰে দেখা যায় যে খ্ৰীষ্টীয় একাদশ শতাব্দীৰ ভিতৰত উত্তৰ-পূৰ্ব ভাৰতৰ পশ্চিম ভূভাগত নাগৰী লিপি আৰু পূৰ্বাঞ্চলত অসমীয়া বঙলা লিপিৰ অধিপত্য সংস্থাপিত হয়। বাৰাণসীৰপৰা পশ্চিম ভাৰত নাগৰী লিপিৰ আৰু গয়াৰপৰা পূৰ্বাঞ্চল অসমীয়া বঙলা লিপিৰ বিকাশৰ থলী। গুৰ্জৰ প্ৰতিহাৰসকলৰ আধিপাত্যৰ কালত নাগৰী লিপিয়ে পূৰ্বাঞ্চলৰ লিপিক কিছু প্ৰভাৱান্বিত কৰিবলৈ সমৰ্থ হ'লেও খ্ৰীষ্টীয় একাদশ শতাব্দীৰ পিছত এই লিপিয়ে পুনৰ্বাৰ গয়াৰ আগলৈ অগ্ৰসৰ হোৱাৰ সুযোগ নাপালে[৩৬২]।

ড° অসিতকুমাৰ বন্দ্যোপাধ্যায়ে উল্লেখ কৰিছে যে সেন যুগত বঙলা অক্ষৰে পৰিপূৰ্ণতাৰ ফালে আগবাঢ়িলেও ঋ, চ, ছ, ট, ণ, ভ, শ আৰু হ অক্ষৰে পূৰ্ণৰূপত থিয় হ'ব পৰা নাছিল—মুছলমান যুগতহে সিবোৰ সম্পূৰ্ণ হয়। ঢাকাত প্ৰাপ্ত দ্বাদশ শতাব্দীৰ এটি মূৰ্তিলিপি (খ্ৰী ১১৪১) ইয়াৰ প্ৰত্যক্ষ প্ৰমাণ[৩৬৩]। আনকথাত খ্ৰীষ্টীয় দ্বাদশ শতাব্দীত **বঙলা-লিপিয়ে** প্ৰায় পূৰ্ণ বিকশিত ৰূপত আত্মপ্ৰকাশৰ সুযোগ লয়। ৰাখালদাস বন্দ্যোপাধ্যায়ৰ ভাষাত 'In the 11th century, we find that, there is very little similarity between the alphabet used in Benaras and that used in Gaya The progress of the changes has been very rapid and we find the complete proto Bengali alphabet in the 11th century A D In the 12th Century, we find further changes, which make the formation of the modern Bengali alphabet almost complete The final development of certain letters such as, i, ca and na are not noticable untill after the Muhammadan conqhest[৩৬৪]। দ্বাদশ শতাব্দীৰ পিছৰে পৰা বঙলা লিপিৰ পৰিৱৰ্তনৰ ধাৰাটি অনুক্ৰমে নিস্তেজ হৈ আছে। খ্ৰীষ্টীয় পোন্ধৰ-ষোল্ল শতিকাত এই লিপিৰ যিৰূপ পৰিৱৰ্তন হৈছিল তাক হুথন হস্তলিখিত পুথিৰ লিপিয়ে চাক্ষুস কৰায়। এই

৩৬১ ওঝা—প্ৰাচীন ভাৰতীয় লিপিমালা পৃ ৭৭

৩৬২ বন্দ্যোপাধ্যায়, অসিত কুমাৰ—বাংলা সাহিত্যেৰ ইতিবৃত্ত (প্ৰথম খণ্ড), পৃ ১২৩

৩৬৩ বন্দ্যোপাধ্যায়, অসিত কুমাৰ—প্ৰগুক্ত গ্ৰন্থ, পৃ ১২৪

৩৬৪ Banarjee, R D—The Origin of the Bengali script, P 3

পুথি দুখনি হ'ল—শান্তিদেৱৰ 'বোধি চৰ্যাৱতাৰ'[৩৬৫] আৰু চণ্ডীদাসৰ 'কৃষ্ণকীৰ্তন'[৩৬৬]। পূৰ্ণ বিকশিত বাংলা লিপিৰ খ্ৰীষ্টীয় সপ্তদশ অষ্টাদশ শতাব্দীত বিশেষ পৰিবৰ্তন হোৱা চকুত নপৰে। ইয়াৰ পিছত মুদ্ৰাযন্ত্ৰৰ আৱিষ্কাৰৰ লগে লগে এই লিপিৰ ৰূপ দীৰ্ঘম্যাদী ৰূপত নিৰ্ধাৰিত হয়।

উত্তৰ পূৰ্ব ভাৰতত শিল, ধাতু, তালপাত, ভূৰ্জপত্ৰ আৰু কাগজত বঙলা লিপিৰ বহুল প্ৰয়োগ চলি থকা কালতে বিদেশৰ বিভিন্ন স্থানত এই লিপিৰ ছপা হৰফ নিৰ্বাচনৰো প্ৰস্তুতি পৰ্বৰ শুভাৰম্ভ হয়। জয়জয়তে বহল ধাতব ফলকত (Plate) হৰফ নিৰ্মাণৰ প্ৰযত্ন চলে। এনে প্ৰযত্নৰ ভিতৰত প্ৰথমে উল্লেখ কৰিব পাৰি ইংৰাজী ১৬৬৭ চনত আমষ্টাৰ ডামৰপৰা প্ৰকাশিত, আতানাচিউচ কিৰ্খেৰ (Athansu Kircheri) ৰচিত চায়না মনুমেন্টিজ (China Monumenties)-ৰ অন্তৰ্গত বাংলালিপিৰ নিদৰ্শনী (Alphabetum Bengalicum)। অৱশ্যে সেই নমুনা সমান আৰু সুন্দৰ নহয়—ওপৰে ওপৰে চালে তাক বঙলা লিপি যেনেই নালাগে[৩৬৭]। ছপা বঙলা হৰফ থকা দ্বিতীয়টি নিদৰ্শন হ'ল—ইংৰাজী ১৬৯২ চনত পেৰিছৰপৰা প্ৰকাশিত আৰু কেইজনমান জেচুইত যাজকৰদ্বাৰা বিৰচিত 'ভাৰতীয় ভূগোল, জলবায়ু আৰু জ্যোতিৰ্বিদ্যা' বিষয়ক লেটিন ভাষাৰ গ্ৰন্থখনি। ইয়াৰ ৭৪ পৃষ্ঠাত মুদ্ৰিত হৈছে 'বংগদেশৰ জনসাধাৰণৰ লিপি'ৰ নমুনা[৩৬৮]। বঙলা ছপা হৰফ সমৃদ্ধ তৃতীয়খনি গ্ৰন্থ ছপা হৈছিল লাইপজিগ (Leipzig)-ৰ পৰা ইংৰাজী ১৭২৫ ত। ইংৰাজী ১৭৪৩ চনত প্ৰকাশিত ডেভিদ মিলৰ (Davidius Millius) লেটিন গ্ৰন্থ Dissertio Selecta গ্ৰন্থৰ ব্যাকৰণৰ আলোচনা অংশত বঙলা আৰু দেৱনাগৰী অক্ষৰৰ নমুনা সংৰক্ষিত হৈছে[৩৬৯]। ইংৰাজী ১৭৪৮ চনত

---

৩৬৫ ১৪৯১ বিক্ৰমাব্দ অথবা ১৪৩৬-৩৭ খ্ৰীষ্টাব্দত অনুলিপি প্ৰস্তুত কৰা এই গ্ৰন্থখনি মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে নেপালৰপৰা সংগ্ৰহ কৰি আনি 'ৰয়েল এচিয়াটিক চোচাইটি অব বেংগল'ৰ গ্ৰন্থাগাৰত জমা ৰাখিছিল (নং জি ৮০৬৭)

৩৬৬ ৰাখালদাস বন্দ্যোপাধ্যায়ৰ মতে 'কৃষ্ণকীৰ্তন'ত তিনি প্ৰকাৰ হস্তাক্ষৰ আছে—প্ৰাচীন হস্তাক্ষৰ, প্ৰাচীন হস্তাক্ষৰৰ অনুকৰণ আৰু অপেক্ষাকৃত আধুনিক হস্তাক্ষৰ। তেওঁৰ মতে পুথিৰ আখৰ চতুৰ্দশ শতাব্দীৰ, ডঃ ৰাধাগোবিন্দ বসাকৰ মতে পঞ্চদশ শতাব্দীৰ আৰু ডঃ সুকুমাৰ সেনৰ মতে খ্ৰী ১৬-১৮ শতাব্দীৰ।

৩৬৭ শ্ৰীপান্থ—যখন ছাপাখানা এলো, চিত্ৰফলক নং ৩১।

৩৬৮ দাস, সজনীকান্ত—বাংলা গদ্য সাহিত্যেৰ ইতিহাস দ্ৰষ্টব্য।

৩৬৯ সিদ্দিক খান, মুহম্মদ—বাংলা মুদ্ৰণ ও প্ৰকাশনেৰ গোড়াৰ কথা দ্ৰষ্টব্য।

লাইপজিগৰপৰা প্ৰকাশিত জে এফ ফ্ৰিটৰ (J F Fritz) গ্ৰন্থ Orientalisch and Occidentali cher গ্ৰন্থতো উপৰি উক্ত মিলৰ গ্ৰন্থত প্ৰকাশিত ফলকত খোদিত বঙলা লিপিৰ ব্লকটি মুদ্ৰিত কৰা দেখা যায়। সেই ব্লকত ই ৰ তলৰ এচলীয়া বেখাডাল তাৰ ওপৰত থকা কমা ডালৰপৰা বিচ্ছিন্ন। উ আৰু ঊ ৰ ওপৰৰ চৈতান ডুডাল নাই, ঋ আৰু দীৰ্ঘ ঋৰ ৰূপো ভিন্ন[৩৭০]। ইংৰাজী ১৭৭৩ ত ওলন্দাজ উইলিয়ম বে লটচৰ (William Bolts) তত্বাবধানত জোচেফ জ্যাকচনে লণ্ডনৰপৰা প্ৰকাশ কৰি উলিয়ায় 'আধুনিক সংস্কৃত ওৰফে বঙলা হৰফৰ নমুনা'[৩৭১]। হুগলিত বঙলা হৰফ প্ৰস্তুত হোৱাৰ দুইছৰমানৰ পূৰ্বে লণ্ডনৰপৰা ই˙ ১৭৭৬ ত প্ৰকাশ কৰি উলিয়ায় এন বি হলহেড চাহাবে A Code of Gentoo Laws এই পুথিৰ ই আৰু ঈ, উ/ঊ ঋ/ঋ., ব আৰু ৰ ৰ পাৰ্থক্য ধৰা নপৰে। ব ৰ তলত বিন্দুৰদ্বাৰা ৰ সূচনা কৰাটোও মন কৰিব লগীয়া[৩৭২]। ইংৰাজী ১৭৭৭ চনত লণ্ডনৰপৰা প্ৰকাশ পোৱা ফ্ৰান্সিস গ্লেডউইন (Francis Gladwin) অনূদিত 'আইন ই আকবৰী' গ্ৰন্থৰ পৰিশিষ্টত বিজ্ঞপ্তিৰূপে ছপোৱা চাৰি পৃষ্ঠা জোৰা বঙলা লিপিৰ নমুনাৰ কথাও এইখিনিতে উল্লেখযোগ্য[৩৭৩]। সন্দেহ নাই, ওপৰত বঙলা লিপিৰ যি মুদ্ৰিত নমুনাৰ কথা উল্লিখিত হ'ল, সেই নমুনা এখনিৰ লগত আন খনি নিমিলে। কাৰণ সকলো লিপিকৰৰ হস্তাক্ষৰ একে নহয়—গতিকে মুদ্ৰিত ফলকত লিপিৰ ভিন্ন চেহেৰা পৰিস্ফুট হোৱাটো স্বাভাৱিক। গতিকে ছপা হৰফৰ যি নৈৰ্ব্যক্তিক সমতা (uniformity) আৰু মান্যতা (Standardisation), সি জয়জয়তে আত্ম প্ৰকাশ কৰে—১৭৭৮ খ্ৰীষ্টাব্দত হুগলিৰ ছপাখানাৰপৰা প্ৰকাশিত A Grammar of the Bengali Language শীৰ্ষক গ্ৰন্থৰ লিপিত[৩৭৪]। চাৰ্লচ উইলকিনচ চাহাবে এই গ্ৰন্থ ছপাবলৈ যি বঙলা হৰফ প্ৰস্তুত কৰিছিল, তাত তেওঁৰ

---

৩৭০ দাস, সজনীকান্ত—প্ৰাগুক্ত গ্ৰন্থ দ্ৰষ্টব্য।

৩৭১ Steinberg S H—*Five hundred years of Printing* আৰু নগেন্দ্ৰনাথ বসু সংকলিত 'বিশ্বকোষ' (পঞ্চদশ ভাগ) দ্ৰষ্টব্য।

৩৭২ শ্ৰীপান্থ—প্ৰাগুক্ত গ্ৰন্থ, চিত্ৰফলক নং ৪।

৩৭৩ গুপ্ত, ৰাধাপ্ৰসাদ—বইয়ের কাহিনী (নতুন লেখা, বলাকা গ্ৰন্থমালা, ১ম সংখ্যা, ১৩৬১) দ্ৰষ্টব্য।

৩৭৪ Priolkar, A K—*The Printing Press in India*, আৰু Sen, S—*Early Printers and Publishers of Calcutta* Bengal Past and Present, June, 1968, Part I, Serial no 163 দ্ৰষ্টব্য।

হাতৰ কামৰ যথেষ্ট নিপুণতা প্ৰকাশ পাইছিল[৩১৫]। সেই ব্যাকৰণত জয়জয়তে চকুত পৰা বৈশিষ্ট্যটো হ'ল-দু প্ৰকাৰ 'ৰ' ৰ প্ৰয়োগ প্ৰথম প্ৰকাৰ—পেটকটা আৰু দ্বিতীয় প্ৰকাৰ 'ৰ'ৰ তলত বিন্দু দি খুজোৱা ৱ। ল ৰো ৰূপ দুটা—ল আৰু ন। নৰ দ্বাৰা ল বুজোৱা পদ্ধতি 'চৰ্যাগীতি', 'শ্ৰীকৃষ্ণ কীৰ্তন' প্ৰভৃতিতো বিদ্যমান। উ ত ওপৰৰ চৈতনডাল নাই, তাৰ বিপৰীতে আছে অৰ্ধচন্দ্ৰাকাৰ চিহ্ন। অনুস্বাৰ বুজোৱা হৈছে আন এটা অক্ষৰৰ শিৰোৰেখাৰ সোঁফালে এটা বিন্দুৰ সহায়ত। ক্ত, ত্ত, ন্ত, ন্দ, জ্ঞ প্ৰভৃতি যুক্তাক্ষৰসমূহ আধুনিক বঙলাৰপৰা ভালেখিনি আঁতৰত।

ইংৰাজী ১৮০০ চনৰ পূৰ্বে কলিকতাৰ বিভিন্ন প্ৰেছৰপৰা কেবাখনো বঙলা হৰফৰ গ্ৰন্থ পোহৰলৈ আহে[৩১৬]। সিবোৰৰ ভিতৰত ১৭৮৫ খ্ৰীষ্টাব্দত প্ৰকাশিত জনাথন ডানকান অনূদিত 'ৰেগুলেশ্বনচ ফৰ দ্য এদমিনিষ্ট্ৰেশ্বন অব দ্য জাষ্টিচ ইন দ্য কোৰ্ট অব্ দেওৱানি আদালত', ১৭৯০ খ্ৰীষ্টাব্দত প্ৰকাশিত এইচ পি ফষ্টাৰ অনূদিত 'কৰ্ণৱালিচ কোড', আৰু এ° আপজন বিৰচিত 'ইংৰাজি-বাঙ্গালি বোকেবিলৰি', ১৭৯১ আৰু ১৭৯২ খ্ৰীষ্টাব্দত 'দ্য অনাৰেবোল কোম্পানীজ প্ৰেছ ৰপৰা প্ৰকাশিত এন বি এডমনষ্টোনৰ আইন পুস্তকৰ অনুবাদ, ১৭৯২ খ্ৰীষ্টাব্দত বঙলা হৰফত সংস্কৃত গ্ৰন্থ 'দ্য চিজনচ' (সম্পাদনা—উইলিয়ম জোনচ), ১৭৯৭ খ্ৰীষ্টাব্দত প্ৰকাশিত জন মিলাৰ কৃত 'শিক্ষ্যাগুৰু' আৰু ১৭৯৯ খ্ৰীষ্টাব্দত প্ৰকাশিত ফষ্টাৰ প্ৰণীত 'ভোকেবুলাৰি' (ইংৰাজী আৰু বঙলা) উল্লেখযোগ্য। কলিকতাৰপৰা প্ৰকাশিত ইংৰাজী সংবাদপত্ৰ 'Calcutta Gazette' (প্ৰথম প্ৰকাশ, ১৭৮৪)-ৰ প্ৰধান বৈশিষ্ট্য আছিল বঙলা হৰফত বঙলা বিজ্ঞাপনৰ প্ৰকাশ। ইতিমধ্যে উল্লিখিত আটাইকেইখন গ্ৰন্থতে 'ৰ'বোৰ পেটকটা। আনহাতে উনবিংশ শতাব্দীৰ প্ৰথমৰে পৰা বঙলা ছপা গ্ৰন্থবোৰত ব ৰ তলত বিন্দু দি

---

৩১৫ হলহেডে তেওঁৰ ব্যাকৰণৰ পাতনিত উইলকিনচ ক প্ৰশংসা কৰি লিখিছিল In a country so remote from all connexion with European artists, he has been obliged to charge himself with all the various occupations of the Metallurgist, the Engraver, the Founder and the Printer To the merit of invention he was compelled to add the application of personal labour

৩১৬ সবিশেষৰ বাবে মুহম্মদ সিদ্দিকখানৰ 'বাংলা মুদ্রণ ও প্রকাশনের গোড়ার কথা' আৰু চিত্তৰঞ্জন বন্দ্যোপাধ্যায়ৰ 'বাংলা ছাপার হরফ' (যুগান্তৰ, শাৰদীয় সংখ্যা, ১৩৭৭) দ্ৰষ্টব্য।

(য়) ৰ যুক্তোৱা দেখা যায়। শ্ৰীৰামপুৰৰ ছপাশালৰপৰা প্ৰকাশিত কাশীৰাম দাস বিৰচিত 'মহাভাৰতে' (প্ৰথম প্ৰকাশ ১৮০১ খ্ৰীষ্টাব্দ) তাৰ প্ৰমাণ[৩৭৭]। ১৮০০ খ্ৰীষ্টাব্দৰে পৰা শ্ৰীৰামপুৰৰ ছপাশাল কৰ্মচঞ্চল হৈ উঠে আৰু বঙলা পুথিৰ মুদ্ৰণ সংখ্যা বাঢ়ি যায়। সময়ৰ অগ্ৰগতিৰ লগে লগে ছপাশালৰ উন্নতি হোৱাৰ ফলত বঙলা লিপিৰ সৌন্দৰ্যৰ কিছু হেৰফেৰ ঘটিলেও মৌলিক ৰূপৰ বিশেষ পৰিৱৰ্তন ঘটা নাই[৩৭৮]।

বঙলা অথবা অসমীয়া লিপিৰ মূলৰেপৰা আধুনিক **উৰীয়া লিপিৰো** বিকাশ সম্ভৱ হয়[৩৭৯]। অৱশ্যে পিছলৈ দক্ষিণ ভাৰতীয় তামিল, তেলেগু প্ৰভৃতি লিপিৰ প্ৰভাৱ পৰাত ই এক জটিলৰূপ ধাৰণ কৰে। উৰীয়া লিপিৰ শৈলী দুটা—ব্ৰাহ্মণী আৰু কৰণী। ব্ৰাহ্মণীলিপি তালপত্ৰত লিখা হৈছিল। তালপাতৰ ওপৰত 'খুন্তি' নামৰ লোৰ সূক্ষ্ম লেখনীৰে লিখা সেই আখৰবোৰ 'সিদ্ধ মাতৃকা'ৰ ৰূপত লিখিবলৈ গ'লে

---

৩৭৭ মধ্যযুগীয় বঙলা শিলালেখসমূহতো পেটকটা 'ৰ' ৰ প্ৰাধান্য মনকৰিব লগীয়া। দৃষ্টান্ত স্বৰূপে, বিজয়সেনৰ 'দেওপাৰা শাসন', হুগলিৰ বুৰোশিৱতলাৰ শিৱমন্দিৰ লিপি (খ্ৰী ১৬২৫), বীৰভূম জিলাৰ কবিলাস পুৰৰ ধৰ্মঠাকুৰ লিপি (খ্ৰী ১৬৪৩), কোচবেহাৰ দীনহাতা গোসাইমাৰীৰ গোসানীদেৱী মন্দিৰলিপি (খ্ৰী ১৬৬৫), নদীয়া শান্তিপুৰৰ শ্যামচাঁদ মন্দিৰলিপি (খ্ৰী ১৭২৬), বাঁকুৰা চাতনাৰ পুৰণি বসালী মন্দিৰলিপি (খ্ৰী ১৭৩৩), বাঁকুৰা বিষ্ণুপুৰৰ ৰাধাশ্যাম মন্দিৰ লিপি (খ্ৰী ১৭৫৮), বৰ্ধমান-খণ্ডঘোষৰ শিৱমন্দিৰ লিপি (খ্ৰী ১৭৬১), বৰ্ধমান খণ্ডঘোষৰ শিৱ মন্দিৰলিপি (খ্ৰী ১৭৯৫) প্ৰভৃতিৰ 'ৰ' বোৰ পেটকটা। গতিকে পেটকটা 'ৰ প্ৰাচ্য লিপিৰ এটা সাধাৰণ লক্ষণ আৰু উত্তৰ পূৰ্ব ভাৰতত বৰ্তি থকা বিভিন্ন লিপিত 'ৰ' লিপিৰ আলোচিত বৈশিষ্ট্যটো বৰ্তমান।

৩৭৮ বঙলা লিপিৰ ছপা হৰফৰ অল্প বিস্তৰ পৰিৱৰ্তনসমূহ জানিবলৈ বিচৰাসকলে *The Carey Exhibition of Early Printing and Fine Printing* (National Library, 1955), ব্ৰজেন্দ্ৰনাথ বন্দ্যোপাধ্যায়ৰ 'বাংলা সাময়িক পত্ৰ' (১ম, ২য় খণ্ড), সবিতা চট্টোপাধ্যায়ৰ 'বাংলা সাহিত্যে ইউৰোপীয় লেখক', Katharine Smith ৰ *Early Indian Imprints* (1962-1964), সুকুমাৰ সেনৰ বটতলাৰ বেসাতি (বিশ্বভাৰতী পত্ৰিকা ১৩৫৫) আৰু দুশ বছৰেৰ বাংলা মুদ্ৰণ (আনন্দ পাবলিশাৰ্স) শীৰ্ষক গ্ৰন্থ পঢ়ি চাব পাৰে।

৩৭৯ Tripathy, K B—*The Evolution of Oriya Language and script* দ্ৰষ্টব্য।

তালপাত ফাটি যোৱাৰ সম্ভাৱনা থকা গুণে সিবোৰ গোলাকৃতিত লিখিবলৈ লৈছিল[৩৮০]। বৃত্তাকাৰে লিখাৰ ফলত কোণসমূহৰ অস্তিত্ব নাইকীয়া হ'ল আৰু বাহ্যিক দৃষ্টিত অসমীয়া বঙলা লিপিৰ্বসতে উক্ত লিপিৰ বৈসাদৃশ্য বাঢ়ি গ'ল।

মিথিলাৰ (বিহাৰ) উচ্চবৰ্ণৰ হিন্দুসকলে সংস্কৃত ভাষাৰ গ্ৰন্থ লিখিবলৈ যি লিপি ব্যৱহাৰ কৰিছিল তাৰ মূল প্ৰাচ্য অথবা পূৰ্ব্বী ভাৰতীয় লিপি। থলুৱা ভাবে তাক তিৰহুত বা **মৈথিলী লিপি** ৰূপে জনা যায়। ললিত বিস্তৰ'ত এই লিপিক 'বৈদেহী লিপি' ৰূপে চিনাক্ত কৰা হৈছিল। এই লিপিক 'গণলিপি' আখ্যা দিব নোৱাৰি। ড° সুনীতিকুমাৰ চট্টোপাধ্যায়ৰ ভাষাত, 'A Maithili boy of the upper classes is taught the Maithili alphabet and Maithili Brahmans and Others usually employ this alphabet in writing[৩৮১]' মিথিলাৰ ওঝা ব্ৰাহ্মণসকলে সংৰক্ষণ কৰা এই লিপিৰ প্ৰাচীন নমুনা ৰূপে নেপালৰ ৰাজ দৰবাৰ গ্ৰন্থাগাৰত সুৰক্ষিত 'বৌদ্ধগাণ ও দোহা'[৩৮২] অথবা ৰাহুল সংস্কৃতায়নে সন্ধেদ দিয়া তিব্বতৰ কোনো এটি বৌদ্ধ বিহাৰত সুৰক্ষা দিয়া 'কুক্কুল্ল সৱন'লৈ নিৰ্দেশ কৰা হয়[৩৮৩]। ১৪৪৭ খ্ৰীষ্টাব্দত অনুলিপি প্ৰস্তুত কৰা মহাভাৰতৰ 'কৰ্ণ পৰ্ব', নৃপতি নৰসিংহ দেৱৰ কন্দাহ অনুশাসন (খ্ৰী ১৪৩৫) প্ৰভৃতিৰ লিপি তিৰহুত লিপিৰ আন নিদৰ্শন। এই লিপিৰ অ, আ, ই উ, ঊ, ঢ, ণ, ফ, ল আৰু শ ৰ ৰূপ প্ৰাচীন, অসমীয়া অথবা বঙলা দ্বাদশ ত্ৰয়োদশ শতাব্দীৰ লিপিৰে সিবোৰে সগুণ গাঁথি বান্ধে। বাকীবোৰ অক্ষৰৰ গঢ় অধুনা অসমীয়া লিপিৰে অভিন্ন। অৱশ্যে 'হ'ৰ ৰূপ দেৱনাগৰীৰ। ৰ অসমীয়াৰ দৰে পেট কটা। পুৰণি অসমৰ তাম্ৰলেখসমূহত থকাৰদৰে মৈথিলী লিপিৰো আৰম্ভণীতে আঙীৰ প্ৰয়োগ আন এটা মন কৰিবলগীয়া বৈশিষ্ট্য[৩৮৪]। এই লিপিত তান্ত্ৰিক যন্ত্ৰ যাইকৈ ত্ৰিকোণ, বিন্দু, বৃত্ত, চতুষ্কোণ প্ৰভৃতি আত্ম লুক্কায়িত হৈ থকা গুণে ওঝা ব্ৰাহ্মণসকলে আজিও ইয়াক পৱিত্ৰ জ্ঞান কৰে। পিছে বৰ্তমানে নাগৰী লিপিয়ে ঐতিহ্যময় মৈথিলী লিপিক নি চিহ্ন কৰি পেলাইছে। বিহাৰত কাম চলাবলৈ **কৈথী লিপিৰো** প্ৰচলন আছে। কায়স্থসকলে এই লিপিৰ বিকাশত সাহায্যদান কৰা গুণে এই লিপিৰ নাম কৈথী।

---

৩৮০ সেন, দীনেশচন্দ্ৰ—বংগ ভাষা ও সাহিত্য, পৃ ৮

৩৮১ Introduction, *Varna Ratnakara*

৩৮২ Misra, J K —*A History of Maithili Literature*, P 66

৩৮৩ *Journal of Bihar and Orissa Research society* Vol XXIII, P 31

৩৮৪ *Misra, J K—Op Cit* P 70

নাগৰী লিপিৰপৰা উদ্ভূত এই লিপিত গুজৰাটী লিপিৰদৰে শিৰোৰেখা পাবলৈ নাই। ক, ঘ, ঠ, ড, প্ৰভৃতি অক্ষৰত অসমীয়া বঙলা লিপিৰ সাদৃশ্য মন কৰিবলগীয়া।

মণিপুৰত আদিতে নিজস্ব লিপি আছিল[৩৮৫] কিন্তু বৰ্তমানে অসমীয়া বঙলা লিপিয়ে তাক নি শেষ কৰি পেলাইছে। বাংলা দেশ আজি বিদেশ কিন্তু তাৰ স্বাৰস্বত সাধনাৰ লিপি হ'ল পূৰ্ব ভাৰতীয় **অসমীয়া বঙলা লিপি**। ছিকিম আজি ভাৰতবৰ্ষৰ অন্তৰ্ভুক্ত। এই ৰাজ্যৰ লিপিৰ নাম **লেপছা**। ইয়াত ২৮ টা বৰ্ণ আছে আৰু ইংৰাজী ১৬৮৬ চনত এই লিপি নৃপতি চকদোৰ নাগে জয়জয়তে ব্যৱহাৰৰ উপযোগী কৰি লয়[৩৮৬]।

নেপাল ভাৰতবৰ্ষৰ ভিতৰুৱা নহ'লেও চুবুৰীয়া দেশ। ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ সৈতে এই দেশৰ সম্পৰ্ক তেজ-মঙহৰ। খ্ৰীষ্টীয় নৱম শতাব্দীলৈকে উত্তৰ ভাৰতীয় ব্ৰাহ্মীলিপিৰ পূৰ্ব্বীশাখা অথবা কুটিল শৈলীয়ে ইয়াত কেনে ধৰণে মূৰ্তিমান হৈছিল, তাক ইতিমধ্যে আলোচনা কৰি অহা হৈছে। ইয়াৰ পৰৱৰ্তীয়া অঞ্চলত প্ৰচলিত লিপিৰ নাম **কিৰাত লিপি**। কাৰোমতে, সেই লিপি উদ্ভৱৰ কাল খ্ৰীষ্টীয় অষ্টম শতাব্দী। পূৰ্ব ভাৰতীয় কুটিলশৈলীৰপৰা বিকাশপ্ৰাপ্ত হোৱা **ৰঞ্জনা লিপিৰ** উদ্ভৱকাল খ্ৰীষ্টীয় দশম শতাব্দী। খ্ৰীষ্টীয় চতুৰ্দশ শতাব্দীত প্ৰচলিত '**ভুজিংমোল**' লিপিত মৈথিলী লিপিৰ প্ৰভাৱ মচিব নোৱাৰা। নেপালৰ বহুল প্ৰচলিত নেওৱাৰী বা **নেৱাৰী লিপি** উত্তৰ ভাৰতীয় গুপ্তকালীন ব্ৰাহ্মীলিপিৰ পূৰ্বী শৈলীৰ বিকশিত ৰূপৰপৰা উদ্ভৱ হৈছে। কুটিলশৈলীৰ প্ৰভাৱৰ ৰূপৰেখা এই লিপিতো বিদ্যমান। ত্ৰিকোণ শীৰ্ষৰেখা আৰু 'নেপালী হাকোটা'ৰ সংযোজনাই এই লিপিক স্বকীয় সত্তা প্ৰদান কৰিছে। এই লিপিৰ ওপৰত নাগৰী প্ৰভাৱো কম নহয়। দৃষ্টান্ত স্বৰূপে আধুনিক **নেৱাৰী লিপিৰ** উ, ঊ, খ, ট, ত, থ, দ, ম, য় আৰু স নাগৰীৰে অভিন্ন। অৱশ্যে সংখ্যাসূচক চিহ্নৰ একমাত্ৰ ৩ টোত বিনে আন চিহ্ন কেইটা নাগৰীৰ সৈতে নিমিলে। নেৱাৰী লিপিৰ সৈতে অসমীয়া-বঙলা লিপিৰো সম্পৰ্ক নিবিড়। তিনিওটা লিপিৰ অ, আ, ক, গ, ঘ, জ, ণ, ন, ম, ল, শ আৰু ষ লৈ লক্ষ্য কৰিলেই উপৰ্যুক্ত মন্তব্যৰ সত্যতা বিচাৰি পোৱা যাব। প্ৰসংগত মনত ৰখা উচিত যে নেওৱাৰী ভাষাক ভাষাতাত্ত্বিকসকলে ভাৰতীয় আৰ্যভাষা গোষ্ঠীৰ অন্তৰ্ভুক্ত কৰা নাই, অথচ চৰ্যাগীতিকোষ, পঞ্চাকাৰ প্ৰভৃতি পুথিৰ অক্ষৰ নেৱাৰী লিপিৰ অতি ওচৰ চপা।

---

৩৮৫ মেইথেই লিপিৰূপে তাক জনা গৈছিল।

৩৮৬ ওঝা, ঈশ্বৰচন্দ্ৰ—লেখন কলা কা ইতিহাস, প্ৰথমখণ্ড, পৃ ২১৫

(ছ) বিদেশত ভাৰতীয় লিপি

লিপি এনে এবিধ কলা, যাক ভাষা, ধৰ্ম, দেশ আৰু কালৰ নাগপাশেৰে আবদ্ধ কৰি ৰাখিব নোৱাৰি। দৃষ্টান্ত স্বৰূপে, প্ৰাচীন সুমেৰীয় ভাষা ছেমীয় ভাষা পৰিয়ালৰ নহয় অথচ সেই সুমেৰীয় ভাষা লিখাত ব্যৱহাৰ কৰা বাণমুখ লিপিক ছেমীয় ভাষা পৰিয়ালৰ অন্যতম অক্কাডীয় ভাষা লিখাৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হৈছিল। পৰৱৰ্তী কালত আকৌ সেই অক্কাডীয় লিপিক কিছু পৰিৱৰ্তনেৰে ভাৰত-ইউৰোপীয় ভাষা পৰিয়ালৰ হিত্তী, মিতান্নী প্ৰভৃতি ভাষাই নিজস্ব লিপিৰূপে আঁকোৱালি লোৱাটো তাৎপৰ্যপূৰ্ণ। পশ্চিম এচিয়াৰ ফিনিচীয় লিপি জয়জয়তে ছেমীয় ভাষা পৰিয়ালৰ বিভিন্ন ভাষা লিখাত ব্যৱহাৰ হৈছিল যদিও সেই লিপিৰ আধাৰতে নিৰ্মাণ কৰা হয়—গ্ৰীক, পহলবী, আবেস্তা প্ৰভৃতি ভাষাৰ লিপিমালা। ভাৰতীয় লিপিৰ ক্ষেত্ৰ'তো এই কথা প্ৰযোজ্য। ভাৰতীয় ব্ৰাহ্মীলিপিৰ জন্ম হৈছিল—প্ৰাকৃত আৰু দেৱভাষা সংস্কৃত ভাষাক লৈখিক ৰূপ দিয়াৰ কাৰণে, কিন্তু পৰৱৰ্তী কালত এই লিপি আন ভাষা পৰিয়ালৰ ভাষা লিখাৰ ক্ষেত্ৰ'তো প্ৰয়োগ হ'ল। তলত এই সম্পৰ্কে কিছু আলোচনা আগবঢ়োৱা হ'ল।

ভাৰতীয় লিপিয়ে সবাতোকৈ বেছি প্ৰভাৱ বিস্তাৰ কৰা দেশখন হ'ল—**শ্ৰীলংকা**। অশোকৰ সমসাময়িক লেখ ইয়াত উদ্ধাৰ হোৱাটো মন কৰিবলগীয়া। ইতিহাসৰ প্ৰতিজন ছাত্ৰই জানে যে অশোকৰ পুত্ৰ মহেন্দ্ৰ আৰু দুহিতা সংঘমিত্ৰাই বৌদ্ধধৰ্ম প্ৰচাৰৰ কাৰণে খ্ৰী পূ প্ৰায় ২৫০ ত গৈ সিংহল পায়গৈ। বৌদ্ধধৰ্মৰ লগে লগে ব্ৰাহ্মীলিপি আৰু প্ৰাকৃত ভাষায়ো গৈ তাম্ৰপৰ্ণীত বৰপীৰা পাৰি বহে। **সিংহলী লিপিৰ** ওপৰত দক্ষিণ-পশ্চিমৰ সাতবাহন আৰু ক্ষত্ৰপলিপি, এককৰাবে দক্ষিণৰ গুহা শাসনৰ লিপি, পূৰ্ব উপকূলৰ ইক্ষ্বাকু আমোলৰ লিপি, কদম্বলিপি আৰু পল্লৱ গ্ৰন্থলেখৰ প্ৰবল হেঁচা পৰিছে আৰু খ্ৰীষ্টীয় সপ্তম অষ্টম শতাব্দীত তৎকালীন সিংহলী ভাষাৰ ধ্বনিগুচ্ছ স্পষ্ট ৰূপত প্ৰকাশ কৰিব পৰাকৈ এক স্থানীয় সংৰক্ষণশীল লিপিৰ (a local conservative writing) উদ্ভৱ হয়। সিংহলৰ গুহা বিশেষত পোৱা অল্পসংখ্যক শিলালেখৰ লিপি অদ্ভুত। সিবোৰ সোঁহাতৰপৰা বাওঁহাতলৈ লিখা। সেই শিলালেখৰ অক্ষৰসমূহ ওলোটা। কোনো কোনো পুৰালিপিতত্ত্ববিদে ভাবিছিল যে হয় ভাৰতীয় ব্ৰাহ্মীলিপি সম্ৰাট অশোকৰ আবিৰ্ভাৱৰ পূৰ্বে (খ্ৰী পূ ২৭৮—খ্ৰী পূ ২৩২) শ্ৰীলংকা পায় নহয় দক্ষিণৰ কিবা লিপিয়ে সিংহলী ব্ৰাহ্মীক প্ৰভাৱান্বিত কৰে। এনে সন্দেহৰ কাৰণ হ'ল—ব্ৰাহ্মীলিপি সাধাৰণতে লিখা হয় বাওঁফালৰপৰা সোঁফাললৈ, কিন্তু আলোচিত গুহালেখৰ লিখাৰ দিশ হ'ল সম্পূৰ্ণ বিপৰীত। পিছে এই সন্দেহ ঠেকহীন। কিয়নো ইতিমধ্যে আলোচনা

কৰি অহা হৈছে যে 'মেৰ ৰগুড়ী' শিলালেখৰ[৩৮৭] লেখন পদ্ধতি 'শাংগলবৰ্ষণৰং' ধৰণৰ। গতিকে সিংহলী লিপিৰ সোঁহাতৰপৰা বাওঁহাতলৈ লিখা পদ্ধতিটো বাহিৰা লিপিৰ প্ৰভাৱত হোৱা বুলিব নোৱাৰি। তদুপৰি আলোচিত লিপিৰ বয়সো খ্ৰীষ্টীয় প্ৰথম অথবা দ্বিতীয় শতাব্দীৰ পূৰ্ববৰ্তী নহয় বুলি আজিৰ পুৰালিপিতত্ত্ববিদ্‌সকলে মন্তব্য আগবঢ়াইছে। শ্ৰীলংকাত ভিন্নকালীন ভালেখিনি শিলালেখ উদ্ধাৰ হৈছে আৰু সিবোৰ 'এপিগ্ৰাফিয়া জেলেনিকা' (Epigraphia Zeylanica)-ৰ জৰিয়তে প্ৰকাশ পোৱাত অধ্যয়নৰ সুযোগ ওলাইছে। লেখন কলা কৌশলৰ দ্ৰুত প্ৰসাৰে ভাৰতীয় লিপিৰ বিকাশত উল্লেখযোগ্য ভূমিকা লৈছিল, কিন্তু শ্ৰীলংকাত লেখন কলা কৌশলৰ কোনো পৰীক্ষা নিৰীক্ষা নচলাৰ ফলত ইয়াৰ লিপিয়ে ভাৰতবৰ্ষৰদৰে দ্ৰুত পৰিৱৰ্তনৰ পথত আগবাঢ়িব পৰা নাছিল। সেইবাবে লিপিবিশাৰদসকলে শ্ৰীলংকাত 'conservative writing এ প্ৰভুত্ব বিস্তাৰ কৰা বুলি মন্তব্য দিবলৈ সাহস পাইছে। ইতিমধ্যে পৰণবিতন (Paranavitana) নামৰ পণ্ডিত এজনে 'Evolution of the Sinhalese script between the 4th c and ninth centuries'[৩৮৮] শিৰোনামৰ গৱেষণামূলক প্ৰবন্ধৰ জৰিয়তে আৰু টি ৱিমলানন্দ (T Vimalananda) নামৰ আন এজন গৱেষক পি এইচ ডি উপাধিৰবাবে প্ৰস্তুত কৰা 'Epigraphy and Palaeography of Cylone down to I century A D'[৩৮৯] শীৰ্ষক শোধগ্ৰন্থৰ দ্বাৰা সিংহলীলিপিৰ সবিশেষ ভাঙি ধৰিছে। পণ্ডিত দুজনাই সিংহলৰ লিপিক চাৰিটা যুগত বিভক্ত কৰা দেখা যায়—অশোকৰ দিনৰপৰা ৪৯০ খ্ৰীষ্টাব্দলৈ, ৪৯০ খ্ৰীষ্টাব্দৰপৰা ৭০৭ খ্ৰীষ্টাব্দলৈ, ৭০৭ খ্ৰীষ্টাব্দৰপৰা ১০৭৩ খ্ৰীষ্টাব্দলৈ আৰু তাৰ পিছৰেপৰা অধুনা কাললৈ। ইয়াৰ সুন্দৰ গঢ়ৰ প্ৰাচীন লিপি হ'ল—ভেসগিৰি গুহালেখ[৩৯০]। কালানুক্ৰমিকভাবে আন অনুশাসনসমূহৰ ভিতৰত, খ° ৰিতিগল গুহালেখ[৩৯১], গ° ন অৰম্বড্ডহিন গুহালেখ[৩৯২], ঘ° পলুক্কিসৱ গিৰি

৩৮৭ Sircar, D C (ed) *Select inscriptions*, P 233
৩৮৮ *Epigraphia Zeylanica*, IV, P 150
৩৮৯ এই গ্ৰন্থখনি লণ্ডনৰপৰা ইং ১৯৫১ চনত প্ৰকাশ পায়।
৩৯০ *Epigraphia Zeylanica*, I, P 18 24
৩৯১ Do P 144-6
৩৯২ Do P 147

লেখ[৩১৩], ঙ° পেৰুময়ম্ কুলম গিৰি লেখ[৩১৪], মহাসেনৰ পুত্ৰ শ্ৰীমেঘবৰ্ণৰ তোনিগল গুহালেখ[৩১৫], চ° দল যুগলনৰ নিলগম গিৰি শাসন[৩১৬] প্ৰভৃতি উল্লেখযোগ্য। ভেসগিৰি গুহালেখৰ আখৰ সুন্দৰ—পাকৈত হাতৰ স্পৰ্শ তাত বিদ্যমান। এই লিপিৰ অক্ষৰ পিছে ইতিমধ্যে উল্লেখ কৰি অহা গুহাবিশেষত প্ৰাপ্ত অগটী অক্ষৰৰ বিকশিত ৰূপ নহয়—ইয়াৰ লিপি সাতবাহন আৰু আদি পশ্চিম ক্ষত্ৰপৰ লিপিৰপৰা ধাৰ কৰা। দ্বীপটিৰ প্ৰাচীন লিপিমালাই ভাৰতবৰ্ষৰ নানাঘাট, অমৰাৱতী, নাগাৰ্জুন কোণ্ডা আদিৰ লিপিৰ প্ৰভাৱৰ কথা সূচায়। দ্বিতীয় স্তৰৰ লিপিত পৰৱৰ্তী সাতবাহনসকলৰ লিপিৰ প্ৰভাৱ স্পষ্ট। খ্ৰীষ্টীয় তৃতীয় শতাব্দীৰ সিংহলী লিপিত ইক্ষাকু লিপিৰ graphic style বিদ্যমান। পিছে ইবোৰৰ মাজতো সিংহলী লিপিয়ে conservative style of writing বা সুৰক্ষা নিদিয়া নহয়[৩১৭]। অৱশেষত পল্লৱ গ্ৰন্থলিপিৰ প্ৰভাৱেৰে আধুনিক সিংহলী লিপিৰ বিকাশ সম্ভৱ হৈছে।

দক্ষিণ-পূৰ্ব এচিয়াৰ বহুবোৰ দেশৰ ভাষা হ'ল মনখেমৰ ভাষা পৰিয়ালৰ। অথচ বৰ্মা, শ্যামজাভা, কম্বোডিয়া, সুমাত্ৰা, বৰ্ণিও প্ৰভৃতি দেশৰ লিপিমালা ভাৰতীয় ব্ৰাহ্মী লিপিৰপৰা বিকশিত হোৱা[৩১৮]। ইতিহাসত পোৱা যায় যে সম্ৰাট অশোকে সুবৰ্ণ-দ্বীপলৈ ধৰ্মদূত প্ৰেৰণ কৰিছিল। খ্ৰীষ্টজন্মৰ প্ৰাৰম্ভৰেপৰা ভাৰতীয় নাবিকসকলে সমুদ্ৰযাত্ৰা কৰি দক্ষিণ পূৰ্ব এচিয়াৰ বিভিন্ন দেশ পাইছিলগৈ। কালক্ৰমত দক্ষিণ পূৰ্ব এচিয়াৰ বিভিন্ন স্থানত ভাৰতীয় উপনিবেশ গঢ়ি উঠে। এনে উপনিবেশৰ ভিতৰত **চম্পা** (দক্ষিণ ভিয়েটনাম) প্ৰাচীনতম। চীনা ইতিহাসত পোৱা যায় যে ভাৰতীয় ৰাজকুমাৰ এজনাই ইংৰাজী ১৯২ চনত চম্পা ৰাজ্য স্থাপনা কৰে। উক্ত ৰাজ্যত প্ৰাপ্ত অভিলেখে চীনা ইতিহাসৰ তথ্যক প্ৰতিষ্ঠা কৰাত সুযোগ দিয়ে। ইয়াৰ প্ৰাচীনতম শিলালেখ বো কাম্ব নামে ঠাইত উদ্ধাৰ হৈছে। লিপিৰ ভাষা সংস্কৃত আৰু অক্ষৰসমূহ

---

৩১৩ *Epigraphia Zeylanica* P 211

৩১৪ Do Vol I, P 69

৩১৫ Do Vol III, P 177

৩১৬ Do Vol III, P 294

৩১৭ Dani A H —*In P* PP 215 23

৩১৮ এচিয়াৰ বিভিন্ন দেশত ভাৰতীয় লিপিয়ে পেলোৱা প্ৰভাৱৰ কথাখিনি মূলত A H Dani ৰ *Indian Palaeography*, ডি এইচ ওঝাৰ 'ভাৰতীয় প্ৰাচীন লিপিমালা', গুণাকৰ মূলেৰ 'ভাৰতীয় লিপিয়োঁ কী কহানী, আৰু ঈশ্বৰচন্দ্ৰ ৰাহীৰ 'লেখন কলা কা ইতিহাস' গ্ৰন্থৰ আলমত যুগুতোৱা হৈছে।

তৃতীয় চতুৰ্থ খ্ৰীষ্টাব্দৰ ব্ৰাহ্মী। এই শিলালেখত 'শ্ৰীমাৰ ৰাজকুল' আৰু 'শ্ৰীমাৰ' শব্দ পোৱা যায়। এই লেখৰ পৰৱৰ্তী ভালেখিনি সংস্কৃতত লিখা শিলালেখ উক্ত দেশত উদ্ধাৰ হৈছে। দক্ষিণ ভাৰতীয় পল্লৱ লিপিৰে সাদৃশ্য থকা এই লিপিসমূহত শকাব্দৰ উল্লিখন তাৎপৰ্যপূৰ্ণ। ইয়াত ব্ৰাহ্মীলিপিত চাম ভাষাত লিখা লিপি এখনো পোৱা গৈছে। সেই লিপিৰ অক্ষৰ খ্ৰীষ্টীয় পঞ্চম শতাব্দীৰ মালৱা-গুজৰাট লিপিৰে অভিন্ন। আধুনিক চম্পা লিপিৰ জন্মদাতা হ'ল দেৱান কৃষ্ণোচন্দ্ৰ।

চম্পাৰ পশ্চিম দিশত অৱস্থিত ভূখণ্ডক চীনালোকে 'ফুনান' কেলে। চীনা ঐতিহ্য অনুযায়ী খ্ৰীষ্টজন্মৰ প্ৰথমাৰ্ধত কৌণ্ডিন্য নামৰ এজন লোকে উক্ত ঠাইত এটি ৰাজবংশৰ স্থাপনা কৰে। ইয়াৰ পিছত সেই বংশৰ কেবাজনো ৰজাই ৰাজপাট খায়। খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীত এই ৰাজ্য কম্বোজ ৰাজ্যৰ অধীনলৈ আছে।

দক্ষিণ পূৰ্ব এচিয়াৰ ইন্দোচীনত অবস্থিত আৰু বৰ্তমানে কম্বোডিয়া নামে পৰিচিত দেশ খনিৰ প্ৰাচীন নাম আছিল কম্বুজ অথবা কম্বোজ। ইয়াত খ্ৰীষ্টীয় প্ৰথম শতাব্দীৰ আগে পিছে ভাৰতীয় ঔপনিৱেশিকসকলে সৰু সৰু ৰাজ্য স্থাপন কৰি ভাৰতীয় সংস্কৃতিৰ বিস্তৃতি ঘটায়। ইয়াৰ পৰাক্ৰমী ৰজা যশোৱৰ্মা, ইন্দ্ৰবৰ্মা, জয়বৰ্মা আদিয়ে বেলেগ বেলেগ দেশ জয় কৰি উত্তৰে চীন আৰু ব্ৰাহ্মদেশৰ সীমান্ত আৰু পশ্চিমে বঙ্গোপসাগৰলৈকে কম্বোজ ৰাজ্যৰ পৰিধি বিস্তাৰ কৰাটো তাৎপৰ্যপূৰ্ণ[৩৯৯]। এই দেশত শৈৱ ধৰ্মই প্ৰাধান্য লাভ কৰিছিল যদিও বৈষ্ণৱ, তান্ত্ৰিক আৰু বৌদ্ধ ধৰ্মৰ প্ৰভাবো কম নাছিল। দক্ষিণ কম্বোজত বহুসংখ্যক অক্ষৰ উৎকীৰ্ণ প্ৰস্তৰ মোহৰ (inscribed stone seal) উদ্ধাৰ হৈছে। অক্ষৰসমূহৰ কোনোটোৰ ৰেখা শীৰ্ষ, আন কোনোটোৰ ফোঁপোলা শীৰ্ষ ৰেখা আৰু আন দুই এটাৰ গোটা শিৰোৰেখা দেখিবলৈ পোৱা যায়। কিছুসংখ্যক প্ৰস্তৰ মোহৰত বিষ্ণুমিত্ৰস্য, 'শ্ৰীমগস্য,' 'অপ্ৰমাদ, 'জিত ভগবতা' প্ৰভৃতি বাক্যাংশ উৎকীৰ্ণ হোৱা দেখিবলৈ পোৱা যায়। অক্ষৰসমূহৰ ত্ৰিকোণী শিৰোৰেখা থকাৰ উপৰি ৱ, ম আৰু শ আলংকাৰিক। ই বোৰে খ্ৰীষ্টীয় চতুৰ্থ শতাব্দীৰ উত্তৰ ভাৰতীয় লিপিৰ প্ৰভাব সূচায়। এই প্ৰস্তৰ মোহৰসমূহ ভাৰতীয় বেপাৰীয়ে উক্ত স্থানলৈ যোৱাটো সম্ভৱ। খ্ৰীষ্টীয় অষ্টম শতাব্দীৰপৰা দশম শতাব্দীৰ ভিতৰত উৎকীৰ্ণিত যিবোৰ শিলালেখ পোৱা গৈছে, সিবোৰত অন্ধ্ৰ, পল্লৱ আৰু তামিল লিপিৰ প্ৰভাৱ দেখা যায়[৪০০]। তামিল আৰু

---

৩৯৯ Chatterjee, B R—*Indian Cultural Influence in Combodia* আৰু Majumdar, R C—*Hindu Colonies in the Far East* দ্ৰষ্টব্য।

৪০০ Majumdar R C—*Inscriptions of Kombuj* ৰ Introduction দ্ৰষ্টব্য।

কম্বোজৰ 'ক' একে, ইয়াৰ গ আৰু য় তেলেগু লিপিৰ দৰে। চতুষ্কোণ শীর্ষ অথবা অর্ধবৃত্তাকাৰ শীর্ষ প্ৰতিটো অক্ষৰতে লক্ষণীয় বিষয়। ইয়াৰ অধুনা 'খেমৰ বৰ্ণমালা' ব্ৰাহ্মী বৰ্ণমালাৰ আধাৰত নিৰ্মিত।

বৰ্ণিও দ্বীপতো সংস্কৃত ভাষাত লিখা ভালেখিনি ব্ৰাহ্মীলিপিত খোদিত শিলালেখ উদ্ধাৰ হৈছে। যজ্ঞ উপলক্ষে যি স্তম্ভত পশু বান্ধিলৈ হত্যা কৰা হয়, তাক যূপস্তম্ভ কোৱা হয়। এই যূপস্তম্ভতো লিপি খোদনৰ নীতি প্ৰচলিত হৈ আহিছে। পূৰ্ব্ব বোৰ্ণিওত ৰজা মূলবৰ্মাৰ সাত আঠটা যূপলেখ উদ্ধাৰ হোৱাটো তাৎপৰ্যপূর্ণ। ইয়াৰ মধ্যবৰ্তী স্বৰচিহ্নসমূহ আলংকাৰিক আৰু ভাৰতীয় পল্লৱলিপিৰ সৈতে ইয়াৰ সম্পর্ক নিগুঢ়।

মালয়দ্বীপৰ পুৰণি নাম সুৱৰ্ণদ্বীপ। খ্ৰীষ্টজন্মৰ আগে পিছে ইয়াতো ভাৰতীয় লোকে গৈ উপনিৱেশ স্থাপন কৰিছিল। খ্ৰীষ্টীয় পঞ্চম শতাব্দীৰ বুলি সাব্যস্ত কৰা ভালেখিনি শিলালেখ আৰু অক্ষৰ উৎকীৰ্ণ প্ৰস্তৰ মোহৰ উদ্ধাৰ হৈছে। এই প্ৰস্তৰ মোহৰৰ লিপিবোৰ খ্ৰীষ্টীয় চতুৰ্থ পঞ্চম শতাব্দীৰ মাদ্ৰাজ লিপিৰে অভিন্ন। অনুমান কৰাত অসুবিধা নহয় যে সিবোৰ ভাৰতীয় বেপাৰীসকলে পশ্চিম উপকূলৰপৰা সংগ্ৰহ কৰি মালয় দ্বীপলৈ লৈ গৈছিল। মালয়ৰ লিপিত দুটা শৈলী দেখা যায়—প্ৰথম বিধৰ অক্ষৰবোৰ অগঢ়ী। বুদ্ধৰ বাণী লিখাত সিবোৰ ব্যৱহাৰ হৈছিল আৰু দ্বিতীয় বিধ হ'ল—সুগঢ়ী। অভিলেখসমূহত দ্বিতীয় বিধ শৈলীৰ প্ৰয়োগ হৈছে। ভদ্ৰবৰ্মাৰ শৈল লেখ ইয়াৰ সুন্দৰ নিদৰ্শন। ইয়াত প্ৰাপ্ত মহানাৱিক বুদ্ধগুপ্তৰ লেখত কোৱা হৈছে যে তেওঁ মূলত ভাৰতবৰ্ষৰ ৰক্ত মাতৃকা (ৰঙামাটি, ধুবুৰি জিলা) দেশৰ লোক আছিল। এই লিপিৰ অক্ষৰমালা পল্লৱ লিপিৰ প্ৰভাৱ মচিব নোৱাৰা।

মালয় দ্বীপপুঞ্জৰ অন্যান্য দ্বীপৰ লেখীয়াকৈ যৱদ্বীপ অথবা জাভাতো হিন্দু সভ্যতা আৰু সংস্কৃতি গাঢ়ি উঠে[৪০১]। গ্ৰীক লেখক টলেমিৰ লেখাত 'যৱদ্বীপ' নামটিৰ উল্লিখন তাৎপৰ্যপূৰ্ণ। এই দ্বীপৰে দেৱবৰ্মন নামৰ নৃপতি এজনে ১৩২ খ্ৰীষ্টাব্দত চীনদেশলৈ এজন দূত পঠিয়াইছিল বুলি চীনা ইতিহাসত পোৱা যায়। বিশুদ্ধ সংস্কৃত ভাষাত ৰচিত পঞ্চম অথবা ষষ্ঠ খ্ৰীষ্টাব্দৰ কেই খিনিমান শিলালেখত ৰজা পূৰ্ণবৰ্মনৰ নাম পোৱা যায়। তেওঁৰ পিতা আৰু পিতামহক যথাক্ৰমে ৰাজাধিৰাজ আৰু ৰাজৰ্ষি বিশেষণ দিয়া হৈছে। খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীৰপৰা পঞ্চদশ শতাব্দীলৈকে বহু হিন্দু নৃপতিৰ নাম আৰু

---

৪০১ সবিশেষৰ বাবে হিমাংশুভূষণ সৰকাৰৰ 'দ্বীপময় ভাৰতেৰ প্ৰাচীন সাহিত্য' পঢ়ক।

পৰিচয় প্ৰাচীন শিলালিপি আৰু তাম্ৰলেখ সমূহৰপৰা জনা যায়। ৭৩২ খ্ৰীষ্টাব্দলৈকে উদ্ধাৰ হোৱা অনুশাসন সমূহৰ লিপি হ'ল—পল্লৱ গ্ৰন্থ। ৭৬০ খ্ৰীষ্টাব্দত উৎকীৰ্ণ দিনজ লিপিত জয়জয়তে প্ৰাচীন যৱদ্বীপীয় লিপিৰ নিদৰ্শন পোৱা যায়। ই পল্লৱ-গ্ৰন্থলিপিৰ বিকশিত বিৱৰ্তিত ৰূপ। কোনো কোনোৱে ইয়াক 'কৱি লিপি' ৰূপে চিনাক্ত কৰিছে। প্ৰাচীন যৱ দ্বীপত এই দুবিধ লিপিৰ উপৰি (পল্লৱ গ্ৰন্থ আৰু কৱিলিপি'[৪০২]) আৰু এবিধ লিপিৰ প্ৰচলন আছিল। ড° বঁসে ইয়াক প্ৰাক্ নাগৰী লিপিৰূপে চিনাক্ত কৰিছিল। এই লিপি দিনজ শৈললেখৰ সমসাময়িক কলচন (খ্ৰী ৭৭৮), কেলুৰক (খ্ৰী ৭৮২) প্ৰভৃতি লিপিত ব্যৱহৃত হৈছে। অৱশ্যে যৱ দ্বীপত এই লিপি জিৰণীয়া মৌ। পৰৱৰ্তীকালীন অভিলেখমালাত এই লিপিৰ পৰিৱৰ্তে সৰ্বত্ৰ কৱি লিপিৰ প্ৰয়োগ মন কৰিবলগীয়া। এই লিপিৰপৰা আধুনিক জাভা লিপি, সুন্দনীজ, মাদুৰীজ আৰু বালিদ্বীপৰ লিপি বিকশিত হৈছে[৪০৩]। দক্ষিণ সুমাত্ৰাৰ ৰেজ গ আৰু লম্পোংগ লিপিৰ সৈতেও কৱি লিপিৰ সাদৃশ্য ভালেখিনি।

পুৰণি **সুমাত্ৰা** আৰু **বালিদ্বীপতো** ভাৰতীয় উপনিবেশ স্থাপিত হোৱাৰ ফলশ্ৰুতি ৰূপে উক্ত দুয়োটা দ্বীপতে লিপিয়ে আত্মপ্ৰকাশ লাভৰ সুযোগ পায়। সুমাত্ৰাত সৰ্বপ্ৰাচীন লিপিখন ৬০৫ শকাব্দত (খ্ৰী ৬৮৩) উৎকীৰ্ণ হৈছিল। লিপিৰ ভাষা সংস্কৃত আৰু প্ৰাচীন মালয় অথবা কিউয়েন লুয়েন মিশ্ৰিত। অনুৰূপ ভাষাত ৰচিত শিলালেখ পালেম্বাঙ্গ আৰু বংকদ্বীপৰ কোটাকাপুৰ অঞ্চলত পোৱা গৈছে। বালিদ্বীপৰ তাৰিখ সম্বলিত আৰু প্ৰাচীন বালি ভাষাত ৰচিত শিলালেখখনি উৎকীৰ্ণ হৈছিল ৮৯৬ খ্ৰীষ্টাব্দত। এই আটাইখিনি শিলালেখৰে লিপি হ'ল—দক্ষিণ ভাৰতীয় পল্লৱ লিপি।

প্ৰাচীন **শ্যামদেশ** বা থাইলেণ্ডত প্ৰথম অথবা দ্বিতীয় খ্ৰীষ্টাব্দৰ ভিতৰত ভাৰতীয় লোক গৈ উপনিবেশ স্থাপন কৰাৰ ফলশ্ৰুতিৰূপে তাত ভাৰতীয় ব্ৰাহ্মীলিপিয়ে খোপনি পোতাৰ সুযোগ পায়। দক্ষিণ ভাৰতীয় লিপিক খ্ৰীষ্টীয় দশম শতাব্দীত কিছু পৰিৱৰ্তন কৰে—খ্ৰীষ্টীয় দশম শতাব্দীত ৰজা ৰুওগে। সেই লিপি বোৰোমান লিপি

---

৪০২ এই লিপিক স্থানীয়ভাৱে 'অক্ষৰ বুদ' ৰূপেত জনা যায়। ড° গণ্ডাৰ মতে অক্ষৰ-বুদ শব্দৰ অৰ্থ হ'ল অক্ষৰ বুদ্ধ অথবা বৌদ্ধ লিপি (*Sanskrit in Indonesia* দ্ৰষ্টব্য)

৪০৩ সৰকাৰ, হিমাংশুভূষণ—দ্বীপময় ভাৰতেৰ প্ৰাচীন সাহিত্য, পৃ ২৩

ৰূপে জনা যায়। খ্ৰীষ্টীয় ত্ৰয়োদশ শতাব্দীত ৰজা ৰাম খোম হেগে ৰোৰোমান লিপিৰপৰা আধুনিক থাইলিপি প্ৰস্তুত কৰি উলিয়ায়[৪০৪]।

বৌদ্ধধৰ্মৰ সম্প্ৰসাৰণৰ লগে লগে দক্ষিণ ভাৰতীয় ব্ৰাহ্মী লিপি গৈ **ব্ৰহ্মদেশ** পায়গৈ। খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীৰ মৌনগ্‌মু স্বৰ্ণপাত্ৰ শাসন আৰু কোগাণ গুহাশাসনৰ লিপি ইয়াৰ উৎকৃষ্ট উদাহৰণ। পূৰ্ব ভাৰতীয় কুটিলশৈলীৰ লিপিয়েও ব্ৰহ্মদেশত কিছু প্ৰভাব পেলাবলৈ সমৰ্থ হয়। আৰাকান আৰু Hmawga ত (প্ৰোমেৰ নিকটৱৰ্তী) প্ৰাপ্ত লিপিৰ অক্ষৰে তাৰ সাক্ষী। ব্ৰাহ্মীলিপিৰপৰা বিকশিত পেগুঅন লিপি মৌন জাতিৰ ভাষাৰ ধ্বনি অনুযায়ী প্ৰস্তুত কৰা। তজ্জাত ব্ৰনপা অথবা বাৰ্মীলিপিৰো মূল ভাৰতীয় লিপি[৪০৫]।

মধ্য এচিয়াত খৰোষ্ঠী আৰু ব্ৰাহ্মী উভয় লিপিৰে বহুল প্ৰয়োগ হৈছিল। দেখা যায় যে মধ্য এচিয়া প্ৰধানকৈ পূৰ্বী মধ্য এচিয়া অনেক ভাষা আৰু লিপিৰ সংগম স্থলী। উক্ত অঞ্চলত ব্যৱহৃত খৰোষ্ঠী লিপিৰ সম্পৰ্কে ইতিমধ্যে আলোচনা কৰি অহা হৈছে। খ্ৰীষ্টীয় চতুৰ্থ পঞ্চম শতাব্দীত গুপ্তকালীন ব্ৰাহ্মী লিপি গৈ মধ্য এচিয়া পায়গৈ। মধ্য এচিয়াত তিনিটা শৈলীৰ গুপ্তলিপিৰ প্ৰচলন দেখা যায়—ক পোন লম্বৰ লিপি, খ° বেকা লম্বৰ লিপি আৰু গ বক্ৰলিপি। ইয়াৰে দ্বিতীয় আৰু তৃতীয় শৈলীটো প্ৰয়োগ হৈছিল পূৰ্বী মধ্য এচিয়াৰ স্থানীয় ভাষাসমূহ লিখাৰ ক্ষেত্ৰত[৪০৬]। পোন লম্বৰ খৃষ্টীয় পঞ্চম ষষ্ঠ শতাব্দীত ভাৰত ভূমিত লিখা গুপ্তশৈলীৰ (সিদ্ধ মাতৃকা) ভালেখিনি হস্তলিখিত পুথি মধ্য এচিয়াৰ বিভিন্ন স্থানত উদ্ধাৰ হৈছে। 'বোৱাৰ পাণ্ডুলিপি'ৰ কথা এইখিনিতে স্মৰণ-যোগ্য। ভাৰতীয় লিপিত লিখা চিকিৎসা সম্পৰ্কীয় 'নাৱনীতকম্' গ্ৰন্থৰ পাণ্ডুলিপিৰ উপৰি মহাকবি অশ্বঘোষৰ 'সৰিপুত্ৰ প্ৰকৰণ'ৰ প্ৰাপ্তি স্থানো মধ্য এচিয়া[৪০৭]। দ্বিতীয় আৰু তৃতীয় প্ৰকাৰ শৈলীৰ সুন্দৰ নমুনা পোৱা যায় তুৰ্কিস্থানত প্ৰাপ্ত তোখাৰীয় ভাষাৰ অভিলেখমালাত। তোখাৰীয় ভাষাৰ ধ্বনিগুণ অনুযায়ী গুপ্তলিপিৰ কিছু পৰিৱৰ্তন সাধিব লগাত পৰিছিল।

---

৪০৪ ৰাহী, ঈশ্বৰচন্দ্ৰ—লেখন কলা কা ইতিহাস, পৃ ৫১৯

৪০৫ চট্টোপাধ্যায়, সুনীতিকুমাৰ—বাংগালা ভাষাতত্ত্বৰ ভূমিকা, পৃ ১১৬

৪০৬ মূলে, গুণাকৰ—ভাৰতীয় লিপিয়োঁ কী কহানী, পৃ ১১২

৪০৭ Koeniglich Preussische Turfan Expeditionen • Kleinene Sanskrit Texte, Heft I and Bruchstuecke buddhistischer Dramen herausgeben Von Heinrich Lueders, দ্ৰষ্টব্য।

তিব্বত ভাৰতৰ নিকটৱৰ্তী দেশ যদিও খ্ৰীষ্টীয় সপ্তম শতাব্দীৰ পূৰ্বে ভাৰতীয় লিপিয়ে গৈ উক্ত দেশত প্ৰভাৱ পেলাবপৰা নাছিল। ৰজা স্ৰোঙ-চন গম্পোৰ ৰাজত্ব কালত ৰাজমন্ত্ৰী থোন নিবাসী সম্ভোটাই ইতিমধ্যে নেপালত অথবা চীনা তুৰ্কীস্থানত প্ৰচলিত উত্তৰ ভাৰতীয় ব্ৰাহ্মীলিপিৰ আধাৰত তিব্বতী ভাষাৰ বাবে তিব্বতী লিপিৰ সৃষ্টি কৰে। তিব্বতী ভাষাত ঘ, ঝ, ঢ, ভ, ধ আৰু ষ ধ্বনি নথকাত ভাৰতীয় লিপিত থকা উক্ত অক্ষৰ কেইটা বাদ পৰে, আনফালে চ, ছ, জ প্ৰভৃতি বিশিষ্ট ধ্বনিৰ বাবে নতুনকৈ অক্ষৰ চিহ্ন প্ৰস্তুত কৰিব লগা হয়। তিব্বতী লিপিৰ শৈলী দুটা—সাহিত্যিক 'উ চান' (শিৰোৰেখা যুক্ত) আৰু 'উ ভেদ' (শিৰোৰেখা বিহীন)। বৌদ্ধধৰ্মৰ পুস্তকৰাজিৰ প্ৰতিলিপি প্ৰস্তুত কৰণত সাধাৰণতে 'উ চান' লিপি প্ৰয়োগ হৈছিল[৪০৮]। দৈনন্দিন জীৱনত ব্যৱহৃত লিপিয়ে 'উ-ভেদ'। তিব্বতী লিপিত চাৰিটা স্বৰাক্ষৰ (ই, উ, এ আৰু ও) আৰু ত্ৰিশটা ব্যঞ্জন লিপি আছে। ৰাজমন্ত্ৰী সম্ভোটাই ভোট দেশৰ বাবে আন এবিধ লিপি আৰু সেই ভাষাৰ প্ৰথম ব্যাকৰণখনি প্ৰস্তুত কৰা বুলি এটা জনশ্ৰুতি আছে। ভুটীয়া লিপিও মূলত পূৰ্বভাৰতীয় ব্ৰাহ্মীৰে বিকশিত ৰূপ মাথোন। **কোৰিয়া, জাপান** প্ৰভৃতি দেশৰ নিজস্ব লিপি আছে যদিও সংস্কৃত ভাষাত নৈমিত্তিক লিপি খোদনৰ ক্ষেত্ৰত অথবা 'বীজমন্ত্ৰ লেখনৰ ক্ষেত্ৰত উত্তৰ ভাৰতীয় সিদ্ধ মাতৃকা লিপিৰ অদ্যাপি প্ৰয়োগ হয়। এনেদৰেই দেখা যায় যে ব্ৰাহ্মী লিপি অকল ভাৰতবৰ্ষৰ লিপিমালাৰে জননী নহয়, ই এচিয়া মহাদেশৰে বহুবাৰ লিপিৰেই প্ৰকৃত জননী।

---

৪০৮ 'উ চান' লিপিত প্ৰস্তুত কৰা 'কঞ্জুৰ' মহাগ্ৰন্থত ১১১৪ খন আৰু 'তঞ্জুৰ' মহাগ্ৰন্থত মুঠ ৩৫৫৯ খনি বৌদ্ধধৰ্মৰ ভিন্ন বিষয়ক গ্ৰন্থৰ অনুবাদ সংকলিত হোৱাটো এটা বিস্ময়।

চাৰি

অসমীয়া লিপিৰ উৎপত্তি আৰু বিকাশ

ভাৰতবৰ্ষৰ পূৰ্ব প্ৰান্তৰত অৱস্থিত অসমৰ পুৰণি নাম প্ৰাগজ্যোতিষ আৰু কামৰূপ। মহাকাব্য দুখনিত আৰম্ভ কৰি বিভিন্ন পুৰাণ, উপপুৰাণ, তন্ত্ৰ আৰু ৰসকাব্যৰ যোগেদি উপৰ্যুক্ত দুয়োটি নাম উল্লিখিত হৈ অহাটো তাৎপৰ্যপূৰ্ণ। 'ৰামায়ণ'ত সুগ্ৰীৱে সীতাৰ অন্বেষণৰ বাবে সকলো দিশলৈ বানৰ চৰিয়া প্ৰেৰণ কৰা কালত তেওঁ প্ৰাগজ্যোতিষৰ বিশাল গুহা আৰু মনোৰম সমভূমিৰ কথা উল্লেখ কৰিছিল[১]। 'মহাভাৰত'ত ৰাজসূয় যজ্ঞৰ বাবে অৰ্জুনৰ দিগ বিজয়, কুৰুক্ষেত্ৰ সমৰ আৰু পাণ্ডৱৰ অশ্বমেধ যজ্ঞৰ সন্দৰ্ভত প্ৰাগজ্যোতিষৰ বহুল বৰ্ণনা পোৱা যায়[২]। মহাকবি কালিদাসে 'ৰঘুবংশ'ত ৰঘুৰ দিগ বিজয় সন্দৰ্ভত প্ৰাগজ্যোতিষ কামৰূপৰ উল্লেখ কৰিবলৈ পাহৰা নাই[৩]। 'মাৰ্কণ্ডেয় পুৰাণ'ত 'প্ৰাগজ্যোতিষ সলৌহিত্যা'ৰ উল্লেখ আছে[৪]। 'ভাগৱত পুৰাণ'ত প্ৰাগজ্যোতিষৰ দুৰ্গমতাৰ লক্ষণসমূহৰ বৰ্ণনা মন কৰিবলগীয়া[৫]। বিষ্ণুপুৰাণ[৬], গৰুড়-পুৰাণ[৭], হৰিবংশ[৮], ঐতৰেয় ব্ৰাহ্মণ[৯] শা কলায়ণৰ গৃহ্যসূত্ৰ, কৌটিল্যৰ অৰ্থশাস্ত্ৰ[১০], দণ্ডীৰ 'দশকুমাৰচৰিত্ৰ', বাণভট্টৰ 'হৰ্ষচৰিত্ৰ', বিশাখদত্তৰ 'মুদ্ৰাৰাক্ষস', বাক্‌পতিৰ 'গৌড়বহো', ৰাজশেখৰৰ 'কাব্য মীমাংসা' প্ৰভৃতিত প্ৰাগজ্যোতিষ কামৰূপৰ নামোল্লেখ হৈছে। খ্ৰীষ্টীয় নৱম দশম শতাব্দীত ৰচিত 'কালিকা পুৰাণ'ত কামৰূপ ৰাজ্যৰ পশ্চিম সীমা কৰতোৱা নদী ৰূপে চিহ্নিত কৰাটো একাধিক কাৰণত তাৎপৰ্যপূৰ্ণ[১১]। পৰৱৰ্তী কালত ৰচনা

---

১ কিষ্কিন্ধ্যা ৪২/৩০ ৩২

২ সভাপৰ্ব ২৬, ৩০, ৫১ অধ্যায়, দ্ৰোণপৰ্ব ২৫/২৭/২৮ অ°, অশ্বমেধ ৭৫/৭৬ অ

৩ ৰঘুবংশ ৪/৮১ ৮৪, ৭/১৭

৪ মাৰ্কণ্ডেয় পুৰাণ ৫৮/১৩

৫ ভাগৱত পুৰাণ ১০/৫৯/২ ৩

৬ বিষ্ণুপুৰাণ ১, ৪, ৫ আৰু ২৯ অধ্যায়

৭ গৰুড় পুৰাণ ৮১ অধ্যায়

৮ হৰিবংশ ৬৩-৬৪ অধ্যায়

৯ ঐতৰেয় ব্ৰাহ্মণ ১, ৩, ৭

১০ অৰ্থশাস্ত্ৰ, একাদশ অধ্যায়

১১ কালিকা পুৰাণ ৭৮/৭

কৰা 'হৰগৌৰী সংবাদ' আৰু 'যোগিনী তন্ত্ৰ'য়ো উপযুক্ত কামৰূপৰ সীমাকেই মানি লৈছে[১২]।

অভিলেখৰ ভিতৰত গুপ্ত সম্ৰাট সমুদ্ৰগুপ্তৰ এলাহাবাদ স্তম্ভলিপিতেই জয়জয়তে 'কামৰূপ' নামটি পোৱা যায়। তাত উক্ত দেশখনিৰ প্ৰত্যন্ত ভূমিৰূপে দেখুৱা হৈছে[১৩]। উক্ত স্তম্ভলেখতে নগাওঁ জিলাৰ কপিলী উপত্যকাৰ প্ৰখ্যাত ৰাজ্য দবাকৰ উল্লিখনো তাৎপৰ্যপূৰ্ণ। গঞ্জাম তাম্ৰলেখত[১৪] গৌড়ৰাজ শশাংকক 'মহাৰাজাধিৰাজ' বিশেষণ দিয়া হৈছে। উক্ত নৃপতিজনে পাটনা আৰু গয়াৰ বৌদ্ধ মন্দিৰবোৰ ধ্বংস কৰিবলৈ মগধ আক্ৰমণ প্ৰস্তুতি চলাইছিল যদিও থানেশ্বৰ হৰ্ষ আৰু কামৰূপেশ্বৰ ভাস্কৰবৰ্মাৰ যুগ্ম প্ৰচেষ্টাৰে খ্ৰীষ্টীয় ৬২৫ত গৌড়েশ্বৰক পতন ঘটাই ভাস্কৰে গৌড় আৰু কৰ্ণসুৱৰ্ণ আপোন ৰাজ্যৰ অন্তৰ্ভুক্ত কৰি লয়[১৫]। নেপালৰ লিচ্ছবীবংশীয় নৃপতি দ্বিতীয় জয়দেৱ পৰা কামৰ খিখনি শৈললেখ উদ্ধাৰ হৈছে[১৬] তাত পোৱা যায় যে জয়দেৱে 'ভগদত্ত বংশজা ৰাজ্যমতীক বিয়া কৰায়। ৰাজ্যমতীৰ পিতৃ হৰ্ষদেৱৰ ক্ষেত্ৰত প্ৰয়োগ কৰা বিশেষণটি হ'ল—'গৌড়োড্ৰাদি কলিঙ্গকোশলপতি' (গৌড় ওড্ৰ কলিঙ্গ কোশলপতি)। ইয়াৰপৰা অনুমান কৰাত অসুবিধা নহয় যে কুমাৰ ভাস্কৰবৰ্মাৰ এক শতাব্দী পিছতো গৌড় কামৰূপ ৰাজ্যৰ তলতীয়া আছিল, ওড্ৰ, কলিঙ্গ আৰু কোশলপতিয়েও কামৰূপেশ্বৰৰ বশ্যতা স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল। আদিত্যসেনৰ আপচাদ ফলিত[১৭] বহু কথাৰ লগত এই কথাও উল্লেখ আছে যে দামোদৰগুপ্তৰ প্ৰবল প্ৰতাপী পুত্ৰ মহাসেনগুপ্তৰ বিজয়গীতি লৌহিত্য তীৰত পুষ্পিত বিকশিত তাম্বুল তৰুৰ ছাঁত নিদ্ৰাগে সাৰ পোৱা সিদ্ধ বিদ্যাধৰসকলৰ দ্বাৰা গীত হৈছে। ৰাষ্ট্ৰকূট নৃপতি দন্তিদুৰ্গৰ সমগড় শিলালেখত পশ্চিম চালুক্য নৃপতি কীৰ্তিবৰ্মাৰ সৈতে কামৰূপেশ্বৰ শ্ৰীহৰ্ষৰ হোৱা সংগ্ৰামৰ কথা পোৱা যায়[১৮]। গৌড় নৃপতি নাৰায়ণপালৰ ভাগলপুৰ শাসনত উল্লিখিত হৈছে

১২ হৰগৌৰী সংবাদ ৬।৩, যোগিনী তন্ত্ৰ ১/১১/১৭-১৮
১৩ সমতট দবাক কামৰূপ নেপাল কৰ্তৃপুৰাদি প্ৰত্যন্ত নৃপতিভি
Fleet, *CCI* P 6
১৪ *EI*, Vol VI P 143
১৫ Barua, K L—*Early History of Kamrupa* PP 67-68
১৬ Indraji & Buhler—*IA* Vol IX, PP 163-94
১৭ Fleet—*CII*, III, P 203
১৮ *IA*, 1882, P 114।

যে গৌড়ৰ দেৱপালৰ সৈতে কামৰূপেশ্বৰৰ কূটনৈতিক সম্পৰ্ক সম্পাদিত হৈছিল[১৯]। আনহাতে কামৰূপৰ গোপালবৰ্মাদেৱৰ গছতল শাসনে প্ৰমাণ কৰে যে কামৰূপেশ্বৰ ৰত্নপালে গৌড়ৰ নৃপতি ৰাজ্যপালক পৰাভূত কৰি উত্তৰবংগৰ অংশ বিশেষ কামৰূপ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰি লৈছিল[২০]। ৰত্নপালদেৱৰ বৰগাওঁ শাসনত শক, গুৰ্জৰ, গৌড়ৰাজ, কেৰলৰাজ, বাহিক আৰু তায়িকসকলৰ উপৰি দাক্ষিণাত্যৰ নৃপতিসমূহৰ নামোল্লেখ একাধিক কালৰ পৰা তাৎপৰ্যপূৰ্ণ[২১]।

কহলনৰ ৰাজতৰংগিণীত উল্লেখ আছে যে কাশ্মীৰ নৃপতি মেঘবাহনে যুৱা কালত পিতৃ গোপাদিত্যৰ নিৰ্দেশক্ৰমে কামৰূপৰ ৰাজনন্দিনী অমৃতপ্ৰভাৰ স্বয়ম্বৰ সভাত উপস্থিত আছিল আৰু কামৰূপ কন্যাৰ বৰমাল্য কাশ্মীৰ ৰাজকুমাৰৰ কণ্ঠত অৰ্পিত হৈছিল[২২]।

ওপৰৰ দীঘলীয়া দৃষ্টান্তসমূহে এটা কথা স্পষ্টকৰে যে মহাকাব্যৰ যুগৰে পৰা বৰ্তমানলৈকে বিভিন্ন জনগোষ্ঠীৰে পৰিবেষ্টিত সীমা যুৰলীৰ দেশ অসমে ভাৰত সংস্কৃতিৰ মূল স্ৰোতধাৰাৰ পৰা কোনোদিনেই বিচ্ছিন্ন হৈ পৰা নাই। বাস্তৱ অসমীয়া সংস্কৃতি বিশাল ভাৰতীয় সংস্কৃতিৰ অংগীভূত। অসমীয়া সংস্কৃতিৰ জোলোঙাইদি ভাৰতীয় সংস্কৃতিৰ বৈচিত্ৰ্য উপলব্ধি কৰিব পাৰি। অসমীয়া ভাষাৰ বুনিয়াদ গঢ়ি উঠিছে পুৰণি ভাৰতীয় আৰ্যভাষাৰ গইনালৈ—অসমীয়া স্থাপত্য ভাস্কৰ্য মূৰ্তিকলা আচাৰ ব্যৱহাৰ প্ৰভৃতিতো ভাৰতীয় ঘাইকৈ উত্তৰ ভাৰতীয় স্থাপত্য, ভাস্কৰ্য, মূৰ্তিকলা, সংস্কাৰ আদিৰ প্ৰত্যক্ষ প্ৰভাৱ কোনোপধ্যেই অস্বীকাৰ কৰিব নোৱাৰি। অৱশ্যে সন্দেহ নাই ভাৰতীয় সংস্কৃতিৰ বিচিত্ৰ ধাৰাৰে অসমীয়া সংস্কৃতি পৰিপুষ্ট হ'লেও ই সৰ্বদা নিজস্ব পৰিচয় প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হৈছে। অসমীয়া লিপিৰ উৎপত্তি আৰু বিকাশৰ ক্ষেত্ৰতো এই কথা স্মৰণ কৰিবলগীয়া।

অসমীয়া লিপিৰ উৎসমূহ ঃ

পুৰণি অসমৰ বিভিন্ন স্থানত উদ্ধাৰ হোৱা অভিলেখ, মোহৰ আৰু মুদ্ৰাৰ উপৰি ভূৰ্জপত্ৰ, সাঁচিপাত, তুলাপাত, তালপাত, দাৰুফলক, কাপোৰ, ধাতু আৰু মাটিৰ পাত্ৰ, ইটা প্ৰভৃতিত উৎকীৰ্ণ লিপিসমূহৰ সহায়ত অসমীয়া লিপিৰ উৎপত্তি আৰু ক্ৰম-

---

১৯ *IA* Vol XV, P 304

২০ Sarma, M M—*IAA*, P 210, verse 15

২১ কা শা পৃ ৯৬

২২ ৰাজতৰংগিণী—দ্বিতীয় আৰু তৃতীয় তৰংগ (Stien অনূদিত)

বিকাশৰ ৰূপৰেখা অংকন কৰিব পাৰি। অভিলেখসমূহ গিৰি শৈলৰ উপৰি তাম্ৰপট্ট, শৈল আৰু ধাতুৰ মূৰ্তি, শৈলফলক আদিত উৎকীৰ্ণ। পৰৱৰ্তী কালৰ অসমীয়া লিপিৰ নিদৰ্শন কামান, বৰটোপ, ৰূপৰ জাপি, শৰাই, কাঁহী প্ৰভৃতিতো পোৱা গৈছে। কুমাৰ ভাস্কৰবৰ্মাই হংসবেগৰ হাতত হৰ্ষ শিলাদিত্যলৈ দিয়া বিভিন্ন উপঢৌকনৰ ভিতৰত 'অগৰু বল্কল কল্পিত সঞ্চয়ানি চ সুভাষিত ভাঞ্জিত৲ পুস্তকানি পৰিণত পাটল পটোলত্বি৲ত্বি'[২৩] দিয়াৰ উল্লেখ আছে। আজিলৈ পিছে সাঁচিপাতত লিখা খ্ৰীষ্টীয় সপ্তম শতাব্দীৰ সেই হস্তলিখিত পুথিসমূহ উদ্ধাৰ হোৱা নাই। কালানুক্ৰমিকভাৱে পুৰণি অসমীয়া লিপিৰ নিদৰ্শনসমূহ উল্লেখ কৰিব পাৰি এনেদৰে

(১) নগাজৰী খনিকৰ গাওঁ প্ৰস্তৰ খণ্ড লিপি ঃ

ইংৰাজী ১৯৭২ চনত গোলাঘাটৰ সৰু পথাৰ অঞ্চলৰ খনিকৰ গাওঁ নিবাসী স্বৰ্গীয় লুডুৰাম শইকীয়াৰ ঘৰত ড° মোহিনীকুমাৰ শইকীয়াই এই লিপিখনি উদ্ধাৰ কৰিছিল। ড প্ৰতাপ চন্দ্ৰ চৌধুৰীয়ে ইংৰাজী ১৯৭২ চনৰ ৩ জুলাইৰ দেওবৰীয়া দৈনিক অসম'ত প্ৰকাশিত এটি নাতিদীৰ্ঘ প্ৰবন্ধৰ জৰিয়তে পোন প্ৰথমে প্ৰস্তৰ লিপিখনিৰ বিষয়ে অসমবাসীক অবগত কৰায়। ড চৌধুৰীয়ে লিপিখনিৰ আখৰবোৰ ভাস্কৰবৰ্মাৰ তাম্ৰ শাসনৰ আখৰতকৈ কিছু পৰিমাণে পুৰণি যেন অনুমান কৰি সেইখনিৰ বয়স খ্ৰীষ্টীয় ষষ্ঠ শতিকাৰ শেষ ভাগ অথবা সপ্তম শতাব্দীৰ প্ৰথম ভাগ বুলি মন্তব্য দি কয় ফলিখনৰ কিছুমান আখৰ যেনে ক খ জ দ, প ব, ভ ম ৰ আৰু হ অতি পুৰণি ধৰণৰ। আনকি গুপ্ত আৰু প্ৰাক্‌গুপ্ত প্ৰথম দ্বিতীয় শতাব্দীৰ কুশাণ কলিংগ (খাৰবেলৰ হাথিগুম্ফ শিলালিপি) লিপিৰ লগত এইবোৰৰ কিছু মিল দেখা যায়। ড চৌধুৰীয়ে কামৰূপ অনুসন্ধান সমিতিৰ পত্ৰিকাতে ফলিখনিৰ সন্দৰ্ভত প্ৰবন্ধ প্ৰকাশ কৰে[২৪]। ড দীনেশচন্দ্ৰ সৰকাৰে কলিকাতাৰ 'জাৰ্নেল অব এনশিয়েণ্ট ইণ্ডিয়ান হিষ্ট্ৰি'ত ফলিখনিৰ বিষয়ে ইংৰাজী ভাষাত আলোচনা আগবঢ়ায়[২৫]। পিছত ড মুকুন্দ মাধৱ শৰ্মাই প্ৰস্তৰখণ্ড লিপিখনিৰ বিষয়ে একাধিক নিবন্ধ প্ৰকাশ কৰে[২৬]। নগাজৰী খনিকৰ গাওঁ প্ৰস্তৰ লিপিৰ ওপৰ আৰু তলফালৰ উপৰি সোঁ ফালটোও ভাগি গৈছে। সেই প্ৰস্তৰ খণ্ডত খোদিত লিপিখনিও অসম্পূৰ্ণ। বৰ্তমান অৱস্থাৰ

---

২৩ বাণৰ 'হৰ্ষচৰিত', সপ্তম অধ্যায়।

২৪ *JARS*, Vol XX, PP 3-5

২৫ *Journal of Ancient Indian History*, Vol VII, 1973-74 P 245

২৬ অধ্যয়ন পৰিচয়, পৃ ১৬০-৬৫, *IAA*, PP 303-5

লিপিখনিত পাঁচটা শাৰী দেখা যায়। তাৰে প্ৰথম শাৰীৰ ওপৰৰ আধা ভাগি গৈছে। পঞ্চম শাৰীৰ বাওঁফালৰপৰা দহোটামান আখৰৰ বাহিৰে বাকীখিনি পাৰলৈ নাইকিয়া। ড চৌধুৰীৰ মতে চৈধ্যটা অক্ষৰযুক্ত তৃতীয় শাৰীটো অক্ষত অৱস্থাত আছে। ড সৰকাৰৰ অনুমান অনুসৰি এখনি বৃহৎলিপিৰ বাওঁফালৰ তলৰ অংশটিহে বৰ্তমানৰ প্ৰস্তৰ লিপিখনিত সংৰক্ষিত হৈছেহি। ড শৰ্মায়ো অনুমান কৰে যে ফলিখনিৰ এটি শাৰীও সম্পূৰ্ণ নহয় আৰু পঞ্চম শাৰীৰ পিছতো কমপক্ষে এটা শাৰী উৎকীৰ্ণ হৈছিল। ড সৰকাৰৰ দৃষ্টিত লিপিখনিৰ অক্ষৰবোৰ পঞ্চম শতাব্দীৰ[২৭]। ভাৰত চৰকাৰৰ মুখ্য অভিলেখবিদ্‌জনাই ইংৰাজী ১৯৭২ চনৰ ২৭ জুলাই তাৰিখে দেৰবাজ ৰায় মহাবিদ্যালয়ৰ অধ্যাপক এজনলৈ লিখা চিঠিতো লিপিৰ কাল পঞ্চম শতাব্দীৰূপে সাব্যস্ত কৰিছে। ড মুকুন্দ মাধৱ শৰ্মাই লিপিখনিৰ বৈশিষ্ট্য আৰু সময় সন্দৰ্ভত এষাৰ বৰ গুৰুত্বপূৰ্ণ কথা কৈছে—'উমাচল শিলালিপি আৰু বৰগংগা শিলালিপিৰ সৈতে এই লিপিৰ যথেষ্ট সাদৃশ্য আছে। তথাপি ৱ আৰু ৰ আখৰৰ পাৰ্থক্য ৰখালৈ চাই ইয়াক সংস্কৃত ভাষাত লিখিত এতিয়ালৈকে আবিষ্কৃত অসমৰ প্ৰাচীনতম লিপি বুলি ভাবিবৰ অৱকাশ আছে[২৮]। নগাজৰী খনিকৰ গাওঁ প্ৰস্তৰ লিপিৰ সৈতে সমুদ্ৰগুপ্তৰ এলাহাবাদ স্তম্ভলেখৰ চ, ম, মা, মু বা, হা প্ৰভৃতি অক্ষৰ হুবহু মিলি যায়। বাকী আখৰসমূহো এলাহাবাদ প্ৰশস্তি লিপিৰপৰা অধিক আঁতৰত নহয়[২৯]। বুৰঞ্জীবিদ্‌সকলৰ মতে সমুদ্ৰগুপ্ত ৩২ খ্ৰীষ্টাব্দৰ পিছত ৰাজপাটত বহি খ্ৰীষ্টীয় ৩৮ ত মৃত্যুবৰণ কৰে[৩০]। গতিকে সমুদ্ৰগুপ্তৰ এলাহাবাদ প্ৰশস্তিৰ সম সাময়িক নগাজৰী খনিকৰ গাওঁ প্ৰস্তৰখণ্ড লিপিক চতুৰ্থ শতাব্দীৰ অন্তিম তৰংগত থাপিব পাৰি[৩১]।

(২) সুৰেন্দ্ৰবৰ্মাৰ উমাচল শৈললিপি (খ্ৰী পঞ্চম শতাব্দী)

ইংৰাজী ১৯৫৫ চনৰ জুন মাহত স্বামী শিৱানন্দই জয়জয়তে এই ফলিখনিৰ

---

২৭ is written in characters of about the fifth century A D

২৮ অধ্যয়ন পৰিচয়, পৃ ১৬৫, *IAA* P 305

২৯ হাজৰিকা, বিশেশ্বৰ—অসমীয়া ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশ, পৃ ৪৭

৩০ Majumdar, R C etc —*Advanced History of India*, P 138

৩১ ড মুকুন্দ মাধৱ শৰ্মাই প্ৰস্তৰ লিপিখনিৰ খণ্ডিত পাঠ দিছে এনেদৰে —১) ন ন চৰা ২) মহত্তৰো ব্ৰহ্মদত্তঃ ৰাজিশ্চেহাস্তি ৩) পূৰ্ব্বেণ দিক্ৰমুকুখণ্ড সীমা পশ্চিমতো ৪) ন্যগ্ৰোধ পাদপশ্চায়ম্ কীৰ্ত্যৰ্থং ৫) উক্তক যাৱৎকীৰ্ত্তিৰ্ভৱতু ।

কথা এজন এন দাসক জনায়। দাসে ফলিৰ সবিশেষ প্ৰত্নতাত্ত্বিক ৰাজমোহন নাথক দিয়েগৈ। নাথ ডাঙৰীয়াই শিলালিপিৰ ইম্প্ৰেচন আৰু আলোক চিত্ৰ ড দীনেশচন্দ্ৰ সৰকাৰৰ ওচৰলৈ প্ৰেৰণ কৰে। পিছত ড সৰকাৰে অসমৰ শ্ৰীপ্ৰেমধৰ চৌধুৰীৰ লৈতে লগলাগি 'এপিগ্ৰাফিয়া ইণ্ডিকা'ত এটি সাৰুৱা প্ৰবন্ধ লিখি বিদ্বৎমণ্ডলীক সবিশেষ জনাবলৈ সমৰ্থ হয়[৩২]। এই শিলালিপিৰ পাঠ আৰু ব্যাখ্যা 'ইণ্ডিয়ান মিউজিয়ম বুলেটিন'ৰ[৩৩] উপৰি ড মুকুন্দ মাধৱ শৰ্মা[৩৪] আৰু ড° ডিম্বেশ্বৰ শৰ্মাৰ[৩৫] 'কামৰূপ শাসনাৱলী' শীৰ্ষক ইংৰাজী আৰু অসমীয়া গ্ৰন্থদ্বয়বো অন্তৰ্ভুক্ত হয়। মাত্ৰ চাৰিটা শাৰীত সম্পূৰ্ণ হোৱা ফলিখনৰ পাঠ এনেধৰণৰ— ১) মহাৰাজাধিৰাজ শ্ৰী ২) সুৰেন্দ্ৰ বৰ্ম্মণা কৃতম ৩) ভগৱত ৱলভদ্ৰ ৪) স্বামিনায় ইদং গুহং।' পৰৱৰ্তী কালৰ ভৌমবংশীয় শাসনমালাত উল্লিখিত মহেন্দ্ৰবৰ্মাক সুৰেন্দ্ৰবৰ্মাৰে অভিন্ন বুলি ধৰি লোৱা হৈছে। ভৌমবংশৰ মহেন্দ্ৰবৰ্মাৰ ৰাজত্বকাল খ্ৰী ৪৫ — ৪৮ । গতিকে নীলাচল পাহাৰৰ উত্তৰ পূৰ্ব কোণত অৱস্থিত উমাচলৰ ভগৱান বলভদ্ৰৰ পূজা সেৱাৰ অৰ্থে নিৰ্মিত গুহামন্দিৰৰ শৈললেখখনি উপৰিউক্ত সময় ৰেখাৰ ভিতৰত উৎকীৰ্ণ কৰা। লিপিখনিৰ মুঠ অক্ষৰ সংখ্যা ৩৩। ইয়াৰে পুনৰুক্ত আখৰ বাদ দিলে ভিন্ন অক্ষৰৰ সংখ্যা হয়গৈ ২৩। লিপিৰ একক অক্ষৰ ১৭টা, যুক্তাক্ষৰ ৫টা আৰু হলন্ত এটা। ১৭টা অক্ষৰৰ ভিতৰত ই, ক, জ, ত, ন, ভ, ম, ৰ আৰু ৱ- এই নটা অক্ষৰ গুপ্তলিপিৰে অভিন্ন—বাকী অক্ষৰ কেইটাৰ ৰূপ প্ৰাক্ গুপ্ত যুগৰ[৩৬]।

(৩) ভূতিবৰ্মাৰ দিনৰ বৰগংগা শিলালিপি (ষষ্ঠ শতাব্দী)

কাৰ্বি আংলং জিলাৰ মাজেদি প্ৰবাহিত বৰগংগা নৈখনে মহামায়া মন্দিৰৰ প্ৰায় তিনি কিলোমিটাৰ দক্ষিণ পশ্চিমত এটি কুঁডৰ সৃষ্টি কৰিছে। কুঁড়ৰ বাওঁফালে অৱস্থিত এটি টিলাৰ ওপৰত এটি ডাঙৰ মন্দিৰৰ ধ্বংসাৱশেষ বৰ্তমান। এই মন্দিৰৰ প্ৰৱেশ পথত বাওঁফালে থকা শিলটোৰ ভিতৰফালে প্ৰায় ৬

---

৩২ *EI* Vol XXXI, part II, April, 1955

৩৩ Sircar, D C —*Indian Museum Bulletin*, 1969

৩৪ *IAA*, PP 1-3

৩৫ Sarma, D —*KS* PP 1-2

৩৬ হেমন্তকুমাৰ শৰ্মা সম্পাদিত 'অসম গৌৰৱ'ত সন্নিবিষ্ট বিশ্বেশ্বৰ হাজৰিকাৰ অসমীয়া লিপি আৰু ভাষাৰ ক্ৰমবিকাশ প্ৰবন্ধ, পৃ ২৪৭

চেণ্টিমিটাৰ ঠাই দকৈ কাটি চাৰি শাৰীৰ শিলালিপি এখনি খোদিত কৰা হৈছে। এই ফলিখনৰ কথা জয়জয়তে সদৰি কৰে—প্ৰত্নতাত্ত্বিক ৰাজমোহন নাথ ডাঙৰীয়াই[৩৭]। ইয়াৰ পিছত ফলিখনৰ সবিশেষ সৰ্বভাৰতীয় প্ৰেক্ষাপটত ডাঙি ধৰে এন কে ভট্টশালীদেৱে[৩৮]। অৱশেষত সুখ্যাত অভিলেখবিদ্ ড দীনেশচন্দ্ৰ সৰকাৰে ফলিখনিৰ নতুন পাঠ এটি পুৰাতত্ত্বপ্ৰেমীসকললৈ আগবঢ়ায়[৩৯]। উক্ত পাঠ ড মুকুন্দ মাধৱ শৰ্মা আৰু ড ডিম্বেশ্বৰ শৰ্মা সম্পাদিত কামৰূপ শাসনাৱলী সন্দৰ্ভৰ গ্ৰন্থদ্বয়ৰ অন্তৰ্ভুক্ত হৈছে[৪০]। এই শিলালেখখনি ভৌমবংশী ভূতিবৰ্মাই নিজে লিখোৱা নহয়, উক্ত নৃপতিজনাৰ মন্ত্ৰীৰ আদেশ ক্ৰমেহে উৎকীৰ্ণ কৰা হৈছে। ভূতিবৰ্মাৰ ৰাজত্বকাল খ্ৰী ৫১৮—৪২ ৰ ভিতৰত[৪১]। ভট্টশালী ডাঙৰীয়াই আলোচিত লিপিখনিত স ২ +৩০+৪ অৰ্থাৎ ২৩৪ (খ্ৰী ৫৫৪) লিখা বুলি জনাইছিল যদিও ড দীনেশচন্দ্ৰ সৰকাৰে সেই পাঠ সলাই নতুন পাঠ প্ৰদান কৰে। সেই পাঠ হ'ল—১ স্বস্তি শ্ৰীপৰমদৈৱত পৰম ভট্টাৰক মহাৰা (জা) ২ খিৰাজাশ্বমেধযাজিন ( ) শ্ৰীভূতিবৰ্ম্মস্য পাদন (াং) ৩ আয়ুক্তামং ৱিজয়ামাত্য অৱগুণস্য ৪ ইদং আ৷শ্ৰম '। লিপিৰ অক্ষৰ উমাচল লিপিৰে অভিন্ন। মাথো 'য়' অক্ষৰৰ ভিন্নতা বৰ্তমান।

(৪) **ভাস্কৰবৰ্মাৰ ডুবি তাম্ৰশাসন** (খ্ৰী সপ্তম শতাব্দী)

ইংৰাজী ১৯৫ চনৰ কোনোবা এটি দিনত বৰ্তমানৰ বৰপেটা জিলাৰ পাঠশালাৰ নিকটৱৰ্তী ডুবি পৰিহৰেশ্বৰ দেৱালয়ৰ মাটি খান্দোতে এজন শ্ৰমিকে এই মহা মূল্যবান তাম্ৰশাসনখনি উদ্ধাৰ কৰিছিল। অসম ৰাজ্যিক সংগ্ৰহালয়ে সুৰক্ষা দিয়া এই ফলিখনত মুঠতে ছখনি তাম্ৰফলক আছিল যদিও উদ্ধাৰৰ কালতে অন্তিম ফলকখনি নষ্ট হয়। হস্তী অংকিত আঙুঠিৰে বন্ধা তাম্ৰশাসন খনিৰ প্ৰথম ফলকখনিৰ ভিতৰৰ ফালে আৰু বাকী কেইখনি ফলকত দুয়ো-

---

৩৭ *JARS*, Vol V, 1937-38, P 14-57

৩৮ *EI*, Vol, XXVII PP 18 23, *JARS*, Vol VIII, no 4, *IHQ* 1945, PP 19 28, ভাৰতবৰ্ষ ১৩৪৮, পৃ ৯

৩৯ *JARS*, Vol X, 1943, no 3 & 4, *EI*, Vol XXX, part II, 1953, *IHQ*, Vol XXI, P 143, *Indian Museum Bulletin* 1969, *Select Inscriptions*, Vol I, P 384, ভাৰতবৰ্ষ, চৈত্ৰ, ১৩৪৮ সাল।

৪০ *IAA*, PP 4 9, *KS*, PP 3 5

৪১ *EI*, Vol XXX P 2

কালে লিখা। মুঠ শাৰীৰ সংখ্যা ১১৭। ইয়াত ৭৬টা শ্লোক আছে, অৱশিষ্ট অংশ গদ্যত লিখা। ৰজা ভূতিবৰ্মাই প্ৰদান কৰা চনদখনি মচ খাই যোৱাৰ ফলত কুমাৰ ভাস্কৰবৰ্মাই এই তাম্ৰশাসনখনি একে উদ্দেশ্যেৰে ইতিপূৰ্বে প্ৰদান কৰা ব্ৰাহ্মণসকললৈ প্ৰদান কৰিছিল[৪২]। ফলিখনিত ৰ লিপিৰ পৰৱৰ্তী শ আৰু ষ খিছ হৈছে। য ব পৰৱৰ্তী দুই এটা ব্যঞ্জনতো এই ৰীতি বিদ্যমান। ৱ/ৰ আৰু শ/স ৰ পাৰ্থক্য হীনতা শাসনখনিৰ মন কৰিবলগীয়া বৈশিষ্ট্য[৪৩]। তাম্ৰ-শাসনখনিৰ প্ৰথম পাঠ উদ্ধাৰ কৰিছিল শ্ৰীপ্ৰেমধৰ চৌধুৰীয়ে[৪৪]। ড দীনেশচন্দ্ৰ সৰকাৰে ইয়াৰ অধিক উন্নত পাঠ প্ৰকাশ কৰিছে[৪৫]। প্ৰাগজ্যোতিষৰপৰা প্ৰদান কৰা এই শাসনখনি সপ্তম শতাব্দীৰ আদিছোৱাৰ সম্পদ।

(৫) ভাস্কৰবৰ্মাৰ নালন্দাত প্ৰাপ্ত মৃন্ময় মোহৰ লেখ (খ্ৰী সপ্তম শতাব্দী)

ইংৰাজী ১৯১৭ ১৮ চনত নালন্দাৰ ধ্বংসাৱশেষত কুমাৰ ভাস্কৰবৰ্মাৰ কেইটা-মান মৃন্ময় মোহৰ ড স্পুনাৰে উদ্ধাৰ কৰিছিল। ইংৰাজী ১৯২৭ ২৮ চনতো এই জাতীয় একাধিক মৃন্ময় মোহৰ উক্তস্থানৰ খননকৰ্মত উদ্ধাৰ হোৱাটো মন কৰিবলগীয়া। মৃন্ময় মোহৰৰ পাঠসমূহ কাশীনাথ দীক্ষিত[৪৬], ৰাখালদাস বন্দ্যো-পাধ্যায়[৪৭], কনকলাল বৰুৱা[৪৮] আৰু ড মুকুন্দ মাধৱ শৰ্মাই[৪৯] বিভিন্ন গৱেষণা পত্ৰিকা, গ্ৰন্থ আৰু সংকলনৰ যোগেদি প্ৰকাশ কৰে।

(৬) ভাস্কৰবৰ্মাৰ নিধনপুৰ তাম্ৰশাসন (খ্ৰী সপ্তম শতাব্দী)

বৰ্তমান বাংলাদেশৰ শ্ৰীহট্ট জিলাৰ নিধনপুৰ গাঁৱত ইংৰাজী ১৯১২ চনত

---

৪২ ডুবি তাম্ৰশাসন, শ্লোক ৭৬

৪৩ Sarma, M M —*IAA*, P 28

৪৪ *JARS* Vol XI, nos 3 4, PP 33 38 & Vol XII, nos 1 2, PP 16 33

৪৫ *EI* Vol XXX no 47 , *Indian Museum Bulletin*, 1969 , *KS* PP 7 18 and *IAA*, PP 10-38

৪৬ *ARASI*, 1917 18, P 45,

৪৭ *Journal of Bihar and Orissa Research Society*, Vol V PP 302 3

৪৮ Barua, K L —*EHK* PP 64-65, *JARS*, Vol III, no 2, & Vol IV, no 4

৪৯ Sarma, M M —*IAA*, PP 34 37

মাটি খান্দোতে প্ৰায় ৬০ চে মি তলত এজন খেতিয়কে সাতখনি তাম্ৰফলকযুক্ত আলোচিত শাসনখনি পোৱাৰ পিছত তেওঁ নিজে তিনিখনি ফলক ৰাখি বাকী চাৰিখনি আন এজনৰ ওচৰত বিক্ৰী কৰে। খেতিয়কজনৰ ওচৰত থকা ফলক তিনিখনি জয়ন্ত্ৰতে পদ্মনাথ বিদ্যাবিনোদে হস্তগত কৰি তাৰ পাঠ 'ৰংপুৰ সাহিত্য পৰিষদ পত্ৰিকা'ৰ যোগেদি পোহৰলৈ আনে[৫০]। বিদ্যাবিনোদৰ হস্তগত ফলক তিনিখনি হ'ল—১, ২ আৰু ৭ নং। সৌভাগ্যক্ৰমে চাৰি বছৰৰ পিছত ৬ নম্বৰ ফলকখনিও বিদ্যাবিনোদে পাই তাৰ পাঠ আৰু আলোচনা 'নবযুগ' আৰু 'প্ৰতিভা'ৰ যোগেদি প্ৰকাশ কৰে[৫১]। প্ৰায় তিনিমাহৰ পিছত ৩ নং ফলকখনি পোৱা হয় আৰু তাৰ পাঠ 'প্ৰতিভা'ৰ[৫২] যোগেদি প্ৰকাশ কৰাৰ পিছত ৩ নং আৰু ৬ নং ফলক দুখনি পাঠ 'এপিগ্ৰাফিয়া ইণ্ডিকা'ত প্ৰকাশ কৰাত ভাৰতীয় পুৰাতত্ত্বপ্ৰেমীসকলে ফলিখনিৰ সবিশেষ জানিবলৈ সমৰ্থ হয়[৫৩]। অৱশেষত বিদ্যাবিনোদে ৪ নং ফলকখনিও উদ্ধাৰ কৰে আৰু তেতিয়ালৈ উদ্ধাৰ হোৱা শাসনখনিৰ পাঠ আৰু তাৰ বঙলা অনুবাদ 'কামৰূপ শাসনাৱলী'ত[৫৪] সন্নিবিষ্ট কৰে। ফলিৰ চতুৰ্থ আৰু ষষ্ঠ সংখ্যক ফলক দুখনি অসম ৰাজ্যিক সংগ্ৰহালয়ত আৰু বাকী কেইখনি ফলক শ্ৰীহট্ট নিবাসী স্বৰ্গীয় বাবু পৱিত্ৰ নাথ দাসৰ হাতত ৰক্ষিত হৈছে। এই ফলিৰ পাঠ আৰু আলোচনা ৰাজবলী পাণ্ডে[৫৫], কমলাকান্ত গুপ্ত[৫৬], মুকুন্দ মাধৱ শৰ্মা[৫৭], আৰু ডিম্বেশ্বৰ শৰ্মাই[৫৮] আগবঢ়াইছে। বৰ্তমানলৈ উদ্ধাৰ হোৱা শাসনখনিত ১৪ টা শাৰী দেখা যায়। কুমাৰ ভাস্কৰবৰ্মাই শাসন খনি প্ৰদান কৰিছিল—স্কন্ধবাৰ কৰ্ণসুবৰ্ণবপৰা। একেজন নৃপতিয়ে প্ৰদান কৰা ডুবি আৰু নিধনপুৰ শাসনৰ অক্ষৰৰ কিছু পাৰ্থক্য চকুত পৰে। অৱশ্যে দুয়ো খনি শাসনতে ব/ৱ ৰ পাৰ্থক্য সংৰক্ষিত হোৱা নাই। নিধনপুৰ শাসনত ষ/স ৰ

---

৫০ ৰংপুৰ সাহিত্য পৰিষদ পত্ৰিকা, ১৩১৯ সাল, ৪ৰ্থ সংখ্যা

৫১ নবযুগ, জৈষ্ঠ সংখ্যা, ১৩২৮ সাল, প্ৰতিভা, দ্বিতীয় সংখ্যা, ১৩২৯ সাল।

৫২ প্ৰতিভা, দ্বিতীয় সংখ্যা, ১৩৩০ সাল

৫৩ *EI*, Vol XIX, nos 19

৫৪ কাশা, পৃ ১৪৩

৫৫ Panday, R —*Historical and Literary Inscriptions* PP 235 40

৫৬ Gupta, K —*Copper plates of Sylhet*, Vol I (1967)

৫৭ Sarma, M M —*IAA*, PP 38-81

৫৮ Sarma, D —*KS*, PP 19 32

পাৰ্থক্য বহুসময়ত ধৰা নপৰে আৰু ইয়াৰ 'ৰ' প্ৰায় আধুনিক ৰূপলৈ আগবাঢ়িছে। উক্ত শাসনখনিৰ 'ভ বোধ প্ৰায় 'স'ৰ দৰেই, একমাত্ৰ তাত সৌহাতৰ প্ৰান্তীয় ৰেখাডাল নাই। এই শাসনখনিৰ হ অক্ষৰত দেৱনাগৰীৰ ছাঁচ অনুভূত হয়। ভুৰিৰ 'ন পুৰণি ধৰণৰ কিন্তু নিধাপুৰৰ 'ন' আধুনিক ৰূপৰ, মাথো ই কিছু পৰিমাণে ত্ৰিকোণ শীৰ্ষ। ভুৰিৰ 'য় গুপ্ত শৈলীৰ, আনহাতে নিধনপুৰত এই অক্ষৰটো নাগৰী 'য' ৰ দৰে।

(৭) **শংকৰ নাৰায়ণ মূৰ্তিলিপি** (খ্ৰী অষ্টম শতাব্দী)

বগীধোলা টি ট্ৰেডিং কোম্পানীৰ মেনেজিং ডাইৰেক্টৰ এচ এন বয়ৰ বদান্যতাত আৰু এডভোকেট ভি দত্ত আৰু চি ডি চৌধুৰীৰ সাহায্যত অসম ৰাজ্যিক সংগ্ৰহালয়ে গোলাঘাটৰ দেওপানীৰপৰা শংকৰ নাৰায়ণৰ শৈল প্ৰতিমাখনি সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। প্ৰতিমাখনিৰ বাওঁফালৰ অন্তিম স্থানত তিনি শাৰী লিপি উৎকীৰ্ণ হোৱাটো মন কৰিবলগীয়া বৈশিষ্ট্য। লিপিখনত ভুলৰ মাত্ৰা অধিক। ইয়াত উল্লিখিত মহাৰাজাধিৰাজ শ্ৰীজীৱৰক ড প্ৰতাপচন্দ্ৰ চৌধুৰীয়ে দ্বিতীয় বলবৰ্মাৰ পিছৰজন ব্যক্তিৰূপে চিনাক্ত কৰিছে[৫৯]। আনহাতে প্ৰত্নতত্ত্ব বিভাগৰ প্ৰাক্তন সঞ্চালক শ্ৰীপ্ৰেমধৰ চৌধুৰীয়ে ক'বলৈ বিচাৰে যে জীৱৰ ম্লেচ্ছবংশী স্বাধীন নৃপতি আছিল আৰু তেওঁ কাচমাৰী পথাৰ, দেওপানী, ডিমাপুৰ আদি অঞ্চলক তেওঁৰ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰিছিল[৬০]। শ্ৰীচৌধুৰীয়ে লিপিখনি নৱম শতাব্দীৰ ৰূপে চিনাক্ত কৰিছে যদিও ড মুকুন্দমাধৱ শৰ্মাই ইয়াক খ্ৰীষ্টীয় অষ্টম শতাব্দীৰ বুলি মন্তব্য ৰাখিছে[৬১]। মূৰ্তিলিপিৰ পাঠ জয় জয়তে আৰ্কিঅ' লজিকেল চাৰ্ভে অব ইণ্ডিয়া'ৰ সঞ্চালক কাশীনাথ দীক্ষিতে 'এপিগ্ৰাফিয়া ইণ্ডিকা'ৰ যোগেদি প্ৰকাশ কৰে। পিছত প্ৰেমধৰ চৌধুৰী[৬২], ড প্ৰতাপচন্দ্ৰ চৌধুৰী[৬৩] আৰু ড মুকুন্দ মাধৱ শৰ্মাই[৬৪] ইয়াৰ আলোচনা আগবঢ়ায়।

---

৫৯ Choudhury, P C —*Journal of Indian History*, Vol XLVIII, P 97

৬০ Chaudhury, P D —*KS*, P 60

৬১ Sarma, M M —*IAA*, P 311

৬২ Sarma, D —*KS*, P 62

৬৩ Choudhury, P C —*Journal of Indian History*, Vol XLVIII, P 97

৬৪ Sarma, M M —*IAA*, PP 310 11

(৮) **হৰিহৰ মূৰ্তিলিপি** (খ্ৰী অষ্টম শতাব্দী)

এই মূৰ্তিলিপিখনো দেওপানীৰপৰা উদ্ধাৰ কৰি আনি অসম ৰাজ্যিক সংগ্ৰহালয়ত সুৰক্ষা দিয়া হৈছে। ফলিখনিত প্ৰথম পাঠ উদ্ধাৰ কৰিছিল শ্ৰীপ্ৰেমধৰ চৌধুৰীয়ে[৬৫]। পিছত ড প্ৰতাপচন্দ্ৰ চৌধুৰীয়ে ইয়াৰ অধিক উন্নত পাঠ আগবঢ়াবলৈ সমৰ্থ হয়। ড মুকুন্দমাধৱ শৰ্মাই ড চৌধুৰীৰ পাঠকে গ্ৰহণ কৰিছে[৬৬]। তিনিশাৰীত সম্পূৰ্ণ হোৱা ফলিখনি মূৰ্তিটোৰ পিছফালে খোদিত হৈছে।

(৯) **দেওপানী বিষ্ণুমূৰ্তিলিপি** (খ্ৰী অষ্টম শতাব্দী)

ইংৰাজী ১৯৫ চনত টি ব্লখে দেওপানীত এটি বিষ্ণু মূৰ্তি উদ্ধাৰ কৰিছিল। পিছলৈ কাশীনাথ দীক্ষিতে সেইটি কামৰূপ অনুসন্ধান সমিতিৰ সংগ্ৰহালয়লৈ অনাৰ ব্যৱস্থা কৰে। বিষ্ণুমূৰ্তিটোৰ পিছফালে চাৰিশাৰীৰ লেখা আছে। অৱশ্যে তাৰে কিছু অংশ নষ্ট হল। মূৰ্তিলিপিৰ পাঠ জয়জয়তে প্ৰকাশ কৰে কাশীনাথ দীক্ষিত ডাঙৰীয়াই[৬৭]। দ্বিতীয়বাৰৰ বাবে ফলিখনিৰ পাঠ প্ৰস্তুত কৰে ড প্ৰতাপচন্দ্ৰ চৌধুৰীয়ে[৬৮]। পৰৱৰ্তীকালত সেই পাঠেই কিছু উন্নত ৰূপত ড শৰ্মাৰ্য়ৰ সম্পাদিত গ্ৰন্থত স্থান পায়[৬৯]।

(১০) **মহাৰাজাধিৰাজ শ্ৰীজীৱৰৰ ৰাজকীয় আঙুঠি লিপি** (খ্ৰী অষ্টম শতাব্দী)

অলপতে অসম ৰাজ্যিক সংগ্ৰহালয়ৰ কৰ্তৃপক্ষই পুৰণি গুডামৰ কৰণি বামুন গাঁৱৰপৰা তাম্ৰলিপি গ্ৰথিত ৰাজকীয় মোহৰ যুক্ত আৰু লিপি খোদিত শ্ৰীজীৱৰৰ-দ্বাৰা প্ৰদান কৰা তাম্ৰলিপিৰ আঙুঠিটো ভগ্নাৱস্থাত উদ্ধাৰ কৰে। অৱশ্যে তাৰ সবিশেষ প্ৰকাশ পাবলৈ এতিয়াও বাকী।

(১১) **শ্ৰীকুমাৰদেৱৰ ঘণ্টালিপি** (খ্ৰী অষ্টম শতাব্দী)

বৰ্তমান শতাব্দীৰ ষাঠিৰ দশকৰ প্ৰাৰম্ভতে কাহিলীপাৰাৰ নিকটৱৰ্তী নৱকান্তৰ গাৱঁৰ (ওদাল বাৰী) সূৰ্যকান্ত ৰাভা আৰু বেনথং ৰাভাই কিছু সংখ্যক ঐতিহাসিক গুৰুত্ব সম্বলিত মূৰ্তি, শিৱলিংগ আৰু এটি তামৰ ঘণ্টা উদ্ধাৰ কৰিছিল। তাম্ৰঘণ্টাটোত তিনিশাৰীৰ লেখ উৎকীৰ্ণ হোৱাটো মন কৰিবলগীয়া। শ্ৰীকুমাৰদেৱৰ ৰাজত্বকাল

---

৬৫ Sarma, D —*KS*, P 64

৬৬ Sarma, *M M —IAA* —P 312

৬৭ *EI* Vol XVIII, PP, 329 30

৬৮ *Vishveshvaranand Indological Journal* Vol XII

৬৯ *IAA*, P 306 ; *KS* 62

খ্ৰীঃ ৭ • ৭২৫ ৰূপে সাব্যস্ত কৰা হৈছে[৭০]। ঘণ্টালিপিৰ পাঠ জয়জয়তে ড প্ৰতাপচন্দ্ৰ চৌধুৰীয়ে উদ্ধাৰ কৰে[৭১] আৰু পিছত ড ডিম্বেশ্বৰ শৰ্মাই তাক গ্ৰহণ কৰে[৭২]।

(১২) হৰ্জৰবৰ্মাদেৱৰ শৈললিপি (খ্ৰী নৱম শতাব্দী)

তেজপুৰৰ পশ্চিম প্ৰান্তৰত অৱস্থিত ভৈৰৱপদ দেৱালয়ৰ নিকটবৰ্তী ধেনুখনা পাহাৰৰ এটা প্ৰকাণ্ড শিলত খোদিত নশাৰীত সম্পূৰ্ণ হোৱা আৰু ৫১ গুপ্তাব্দ খোদিত থকা ফলিখনিৰ কথা জয়জয়তে সদৰি কৰে চাৰ এডোৱাৰ্ড গেইট (Sir Edward Gait) ডাঙৰীয়াই। লিপিৰ অন্তিম প্ৰান্তত উৎকীৰ্ণ হোৱা গুপ্ত '৫১০' প্ৰথমে পঢ়ে ড ব্লকে[৭৩]। ইংৰাজী ১৯ ৫ চনত সুবিখ্যাত পুৰালিপিতত্ত্ববিদ্ ড° কীলহৰ্ণ চাহাবে ফলিখনিৰ প্ৰথমৰ ২/৩ শাৰীৰ পাঠোদ্ধাৰ কৰি তাকে জাৰ্মানীৰ এখনি গৱেষণা পত্ৰিকাত টোকা ৰূপত প্ৰকাশ কৰিবলৈ সক্ষম হয়। ইং ১৯১৭ চনত মহামহোপাধ্যায় ড হৰপ্ৰসাদ শাস্ত্ৰী ডাঙৰীয়াই লিপিৰ সম্পূৰ্ণ পাঠ তাৰ ইংৰাজী অনুবাদসহ 'বিহাৰ আৰু উৰিষ্যা বিচাৰ্চ' চোছাইটিৰ জাৰ্ণেলত প্ৰকাশ কৰি অসমবাসীৰ কৃতজ্ঞতাৰ ভাগী হৈছে[৭৪]। ইংৰাজী ১৯২২ চনত প্ৰাচ্যবিদ্যা মহাৰ্ণৱ নগেন্দ্ৰনাথ বসুৱে '*Social Historyof Assam* ৰ প্ৰথম খণ্ডত উক্ত ফলিখনিৰ আলোকচিত্ৰ সহিত মূলপাঠ প্ৰকাশ কৰে[৭৫]। পিছত পদ্মনাথ বিদ্যাবিনোদেও শিলালিপিখনিৰ উন্নত পাঠ প্ৰকাশ কৰিবলৈ সমৰ্থ হয়[৭৬]। ড মুকুন্দ মাধৱ শৰ্মা[৭৭] আৰু ড ডিম্বেশ্বৰ শৰ্মা[৭৮] সম্পাদিত 'কামৰূপ শাসনাৱলী'ত বিদ্যাবিনোদৰ পাঠেই সংগৃহীত হৈছে।

---

৭০ Choudhury, P C—*The History of Civilization of the people of Assam*, P 197

৭১ *JARS*, vol XVI, 1962, P 57

৭২ Sarma, D—*KS*, P 35, ঘণ্টালিপিৰ পাঠ—'শ্ৰীকুমাৰদেৱ ৰাজ্যেৰ স যাত্মনা দেৱা মুৰৰাজ/হস্তান্তক দধ্যকাভূতচ্য পূজা ইয়ং তেন/দেৱত কাৰ্য্যাদি-কাস্থৈষা ঘণ্টকা দত্ত।

৭৩ কা শা, পৃ ১৮৫

৭৪ *Journal of the Bihar and Orissa Research Society*, 1917, PP 501 14

৭৫ Basu, N N—*Social History of Assam* Vol I, P 159

৭৬ প্ৰতিভা ১৭ বৰ্ষ, ৩ ৪ সংখ্যা, কা শা পৃ ১৮৫ ৯২

৭৭ *IAA*, PP 82 88

৭৮ *KS*, PP 40-42

(১৩) হৰ্জ্জৰবৰ্মাদেৱৰ হায়ুংথল তাম্ৰশাসন (খ্ৰী নৱম শতাব্দী)

বৰ্তমান কাৰ্বি আংলং জিলাৰ হায়ুংথল নামে ঠাইত এজন কাৰ্বি লোকে পূজা-সেৱা কৰিবলৈ এডোখৰ ঠাই চিকণ কৰা কালত ইটাৰ গাঁথনিৰ ভিতৰত এডাল শিকলিৰে বন্ধা তিনিখনি তাম্ৰপট্ট পায়। তাৰে মাত্ৰ এখনি নিজৰ কাৰণে ৰাখি এখনি জনৈক বঙালী নে হিন্দুস্থানী কুলীক আৰু আনখনি লংকাৰ এজন বৰ্মনলৈ আগবঢ়ায়। উক্ত বৰ্মনপৰা মণিচৰণ বৰ্মনে তাম্ৰফলকখনি হস্তগত কৰি তাৰ সবিশেষৰ বাবে শিলচৰৰ জগন্নাথ দেব ওচৰলৈ পঠিয়াই দিয়ে আৰু তাৰ পিছত সেই ফলকখনিকে ১৩৩২ ভাস্কৰাব্দত পদ্মনাথ বিদ্যাবিনোদে আপোন হাতলৈ আনি তাৰ পাঠোদ্ধাৰ কৰিবলৈ সমৰ্থ হয়। প্ৰাপ্ত তাম্ৰফলকখনি মূলফলিৰ মাধ্যম ফলক আছিল। দুয়ো পিঠিত লিখা প্ৰতিটো পিঠিৰ শাৰীৰ সংখ্যা ১৪। ফলিৰ পাঠোদ্ধাৰ কৰে—পদ্মনাথ বিদ্যাবিনোদে[৭৯] আৰু সেই পাঠ পৰৱৰ্তী ড শৰ্মাদ্বয়ৰ সম্পাদিত গ্ৰন্থ দুখনিৰ[৮০] অন্তৰ্ভুক্ত হয়। ফলিত ৰ / ৱ ৰ পাৰ্থক্য সকলো ক্ষেত্ৰতে সংৰক্ষিত হোৱা নাই। তেজপুৰ শৈললেখৰ সৈতে হায়ুংথল তাম্ৰশাসনৰ অক্ষৰৰ কিছু পাৰ্থক্য ধৰা পৰে। শৈললিপিৰ অক্ষৰসমূহ ৰক্ৰতা সৰ্বস্ব—কৌণিকৰূপ ৰৰকৈ সংৰক্ষিত হোৱা নাই, আনহাতে তাম্ৰশাসনৰ অক্ষৰত কৌণিক ৰূপৰ প্ৰাধান্য সহজে চকুত পৰে[৮১]।

(১৪) হৰ্জ্জৰবৰ্মাদেৱৰ কুকুৰাবাহী সত্ৰ শাসন (খ্ৰী নৱম শতাব্দী):

আজিৰপৰা কিছু বছৰ আগেয়ে কুকুৰাবাহী সত্ৰৰ শ্ৰীনাৰুধন গোস্বামীয়ে নামঘৰ পুনৰ্নিৰ্মাণ কৰা কালত ৰাজ মোহৰি ছাব লগোৱা আঙুঠিৰে গথা দুখনি তামৰ ফলক পায় আৰু সেই সম্পদফেৰা ভালেখিনি দিনৰ পিছত 'কামৰূপ অনুসন্ধান সমিতি'ৰ সম্পাদক ড ধৰ্মেশ্বৰ চুতীয়াৰ হাতত পৰেহি। ড চুতীয়াই শাসনখনিৰ পাঠোদ্ধাৰ কৰি তাক অসম সাহিত্য সভা পত্ৰিকা[৮২] আৰু কামৰূপ অনুসন্ধান সমিতিৰ পত্ৰিকাৰ যোগেদি প্ৰকাশ কৰে। শাসনখনিৰ প্ৰথম আৰু চতুৰ্থ ফাল দুটা উকা, দ্বিতীয় আৰু তৃতীয় ফাল দুটিত লেখা শাৰীৰ সংখ্যা হ'ল

---

৭৯ Bhattacharya, P N—*JARS*, Vol I, P 109, কা শা, ৪৪ ৫৩

৮০ *IAA*, PP 89 94, *KS*, 36 39, আলোচিত ফলিখনিৰ ইংৰাজী অনুবাদ এটি কনকলাল বৰুৱাৰ *Early History of Kamarupa* বো অন্তৰ্ভুক্ত হৈছে (পৰিশিষ্ট খ)

৮১ Sarma, M M—*IAA* P 90

৮২ অ সা স প, ত্ৰিংশবছৰ, চতুৰ্থ সংখ্যা, পৃ ১ ১৪

৩৪। ইয়াৰে প্ৰথম ফলকত ১৬ শাৰী আৰু দ্বিতীয় ফলকত ১৮ শাৰী লেখা আছে। ৰাজমোহৰি ছাবৰ পাঠ হ'ল—'প্ৰাগজ্যোতিসাধি / পতি শ্ৰীহৰ্জ্জৰৰ ' শাসনখনিত ব / ৰ ৰ উপৰি শ, ষ আৰু স নাইবা জ / য ৰ পাৰ্থক্য সংৰক্ষিত হোৱা নাই। পোন প্ৰথমবাৰৰ বাবে এই শাসনতে অৱগ্ৰহ (লুপ্ত অ) চিহ্নৰ ব্যৱহাৰ মন কৰিবলগীয়া। অনুস্বাৰ দুটা পদ্ধতিত দিয়া দেখা যায়—ক সংশ্লিষ্ট বৰ্ণৰ শিৰোৰেখাৰ কাষত বিন্দুযুক্ত কৰি আৰু খ আধুনিক ং চিহ্নৰ সহায়ত। এ অক্ষৰটি মধ্যযুগীয় সাঁচিপাত—তুলাপতীয়া পুথিৰ ৰূপ লোৱাটো আন এটি মন কৰিবলগীয়া বৈশিষ্ট্য। ৰেফৰ পৰৱৰ্তী অক্ষৰসমূহ সৰ্বদা দ্বিত্ব হৈছেছি[৮৩]।

(১৮) হৰ্জৰৱৰ্মাদেৰৰ ধুলাপাদুং মুদ্ৰা লিপি (খ্ৰী নৱম শতাব্দী) ঃ

ইংৰাজী ১৯৭৭ চনত শোণিতপুৰ জিলাৰ ধুলাপাদুং চাহ বাগিছাত কিছু-সংখ্যক ধাতুৰ মুদ্ৰা উদ্ধাৰ হৈছিল। উক্ত বছৰৰ ২৮ ৩ নৱেম্বৰত শিলঙত অনুষ্ঠিত 'ভাৰতীয় মুদ্ৰাপৰিষদ'ৰ পয়ষষ্ঠিতম অধিবেশনত Coinage and Economy of N E States of India'শীৰ্ষক আলোচনাৰ সত্ৰত প্ৰদান কৰা ড দীনেশচন্দ্ৰ সৰকাৰৰ Money in Pre Ahom Assam and its Neighbourhood নামৰ প্ৰবন্ধত উক্ত মুদ্ৰাবোৰ হৰ্জৰৱৰ্মা আৰু বনমালৱৰ্মা দেৱৰ মুদ্ৰাৰূপে চিহ্নিত কৰা হৈছিল, কাৰণ সিবোৰৰ ওপৰত হ আৰু ৱ লিপি উৎকীৰ্ণ হৈছে। যিহেতু খ্ৰীষ্টীয় নৱম শতাব্দীত ৱ / ব ৰ কোনো পাৰ্থক্য নাছিল, সেইবাবে কোনোবাই কিছুসংখ্যক মুদ্ৰা বলৱৰ্মাদেৱৰ মুদ্ৰাৰূপেও চিনাক্ত কৰিব পাৰে[৮৪]।

(১৬) বনমালৱৰ্মাদেৱৰ তেজপুৰ তাম্ৰশাসন (খ্ৰী নৱম শতাব্দী) ঃ

ব্ৰিটিশ শাসিত অসমৰ শাসনকৰ্তা জেনেৰেল জেনকিন্‌চ চাহাবে তেজপুৰৰ নিকটৱৰ্তী কোনোবা স্থানত ৰাজ মোহৰি ছাপ লগোৱা আঙুঠিৰে গঁথা তিনিখনি তাম্ৰফলকযুক্ত শাসন এখনি পাই তাৰ চয় নিচয় জানিবলৈ কলিকতাৰ এচিয়াটিক চোছাইটিৰ কাৰ্যালয়লৈ পঠিয়াই দিয়ে আৰু ইংৰাজী ১৮৪০ চনত এচিয়াটিক চোছাইটিৰ পত্ৰিকাত উক্ত শাসনৰ প্ৰথম পাঠ প্ৰকাশ পায়[৮৫]। পণ্ডিত কমলাকান্ত আৰু সাৰদা

---

৮৩ অ সা স প, ত্ৰিংশবছৰ, চতুৰ্থ সংখ্যা, পৃ ৩

৮৪ দাস, নাৰায়ণ—ধুলাপাদুং বাগিছাৰ মুদ্ৰা সম্বন্ধত (মহাজাতি, ২৩ জুলাই ১৯৭৮) আৰু ধুলাপাদুং বাগিছাৰ মুদ্ৰা (মহাজাতি, ২৭ নৱেম্বৰ, ১৯৭৮ আৰু আমাৰ প্ৰতিনিধি, ১৯৭৯) দ্ৰষ্টব্য।

৮৫ *JASB*, Vol IX, 1840, P 766

প্ৰসাদে উক্ত পাঠৰ মূল আৰু ইংৰাজী অনুবাদ প্ৰস্তুত কৰিছিল। পিছত পদ্মনাথ ভট্টাচাৰ্য বিদ্যাবিনোদে ইয়াৰ এটি উন্নত পাঠ প্ৰকাশ কৰে[৮৬]। সেই পাঠেই ড শৰ্মাদ্বয়ৰ সম্পাদিত গ্ৰন্থ দুখনিৰ অন্তৰ্ভুক্ত হৈছে[৮৭]।

(১৭) **বনমালবৰ্মাদেৱৰ পৰ্বতীয়া তাম্ৰশাসন** (খ্ৰী নৱম শতাব্দী)

তেজপুৰ চহৰৰ নিকটৱৰ্তী পৰ্বতীয়াত এজন খেতিয়কে মাটি খান্দোতে তিনিখনি তাম্ৰফলকযুক্ত ৰাজকীয় মোহৰযুক্ত আঙুঠিৰে গ্ৰথিত বনমালবৰ্মাদেৱৰ তাম্ৰশাসনখনি পায়। পিছত বিশ্বদেৱ শৰ্মাৰ সৌজন্যত ফলিখনি আছি আৰ্ল কলেজৰ অধ্যক্ষ এচ কে দত্তৰ ওচৰ পায় আৰু অৱশেষত অসম ৰাজ্যিক সংগ্ৰহালয়ে শাসনখনিৰ সুৰক্ষাৰ দায়িত্ব বহন কৰে। ফলিখনিৰ আঙুঠিটোত উৎকীৰ্ণ হৈছে তিনিশাৰীৰ লেখা—'স্বস্তি শ্ৰীমান প্ৰাগজ্যোতিষাধি পাষয়ো মহাৰাজাধিৰাজ শ্ৰীৱনমা / লৱৰ্মদেৱ।' প্ৰথম আৰু দ্বিতীয় ফলিদুখনৰ বাহিৰৰ ফাল দুটা উকা আৰু মাধ্যম ফলকখনি দুয়োফালে লিখা। প্ৰথম ফলকত ১৫ শাৰী, ২য় ক ১৬, খ ১৫ শাৰী আৰু তৃতীয় ফলকত ১৩ শাৰী, মুঠ ৫৯ শাৰীত শাসনখনি সম্পূৰ্ণ। শাসনখনিত ব / ৱ ৰ পাৰ্থক্য সংৰক্ষিত হোৱা নাই। ইয়াৰ আ, থ, জ গ সৰ উপৰি মধ্যৱৰ্তী এ আৰু ও কাৰ সম্পূৰ্ণৰূপে অসমীয়া ৰূপ পৰিগ্ৰহ কৰিছে। এই শাসনখনিৰ পাঠ জয়ন্তয়তে উদ্ধাৰ কৰে শ্ৰীপ্ৰেমধৰ চৌধুৰী আৰু ড দীনেশচন্দ্ৰ সৰকাৰে[৮৮]। পিছত সেই পাঠকে ড মুকুন্দ মাধৱ শৰ্মা[৮৯] আৰু ড ডিম্বেশ্বৰ শৰ্মাই[৯০] তেওঁলোকেৰ সম্পাদিত গ্ৰন্থৰ অন্তৰ্ভুক্ত কৰে।

(১৮) **বনমালদেৱৰ দীঘলী গাওঁ তাম্ৰশাসন** (খ্ৰী নৱম শতাব্দী)

ঐতিহাসিক গুৰুত্ব সম্বলিত এই ফলিখনিৰ উদ্ধাৰকৰ্তা হ'ল—কলিয়াবৰৰ শ্ৰীনোমল চন্দ্ৰ বৰা। নগাওঁ কলিয়াবৰৰ দীঘলীত প্ৰাপ্ত এই শাসনখনিৰ পঠোদ্ধাৰ কৰি তাৰ ইংৰাজী অনুবাদসহ প্ৰকাশ কৰি গৌৰৱৰ ভাগী হয় কামৰূপ অনুসন্ধান সমিতিৰ সম্পাদক ড ধৰ্মেশ্বৰ চুতীয়া[৯১]। তিনিখনি তাম্ৰফলকত প্ৰাপ্ত এই শাসন-

---

৮৬ কা শা পৃ ৫৪ ৭ ৰংপুৰ সাহিত্য পৰিষদ পত্ৰিকা, প্ৰথমবৰ্ষ ১৩২১ ভাস্কৰৰ।

৮৭ *IAA*, PP 95 113 , KS, PP 43-49

৮৮ *EI*, Vol XXIX, no 20, PP 145 59

৮৯ Sarma, M M —*IAA* PP 11 26

৯০ Sarma, D —*KS*, PP 44-49

৯১ *JARS*, Vol XXIX, PP 317 32

খনিৰ প্ৰথম আৰু অন্তিম ফাল দুটি উকা। ইয়াৰ প্ৰথম ফলকত ১৭ শাৰী, মধ্যৰ ফলকৰ দুয়ো পিঠিত ১৭ শাৰীকৈ মুঠ ৩৪ শাৰী আৰু তৃতীয় ফলকত ১২ টা শাৰী অৰ্থাৎ মুঠ ৬৩ টা শাৰী দেখা যায়। শাসনখনিৰ অক্ষৰ একেজনা নৃপতিৰ পৰ্'তীয়া শাসনেৰে অভিন্ন। হৰ্জ্জৰবৰ্মাৰ দিনত আখৰতকৈ উক্তলিপিৰ অক্ষৰসমূহ অধিক কৌণিক।

(১৯) কাকীৰ সূৰ্য প্ৰতিমা লিপি (খ্ৰী নৱম শতাব্দী)

ইংৰাজী ১২ ৩ ৬৫ তাৰিখে হোজাইৰ গড় কাম্পানী বিভাগৰ এচ ডি অ'ৰ সৌজন্যত অসম ৰাজ্যিক সংগ্ৰহালয়ে এটি সৰু সূৰ্যমূৰ্তি লাভ কৰে। মূৰ্তিটো নগাঁৱৰ কাকীত উদ্ধাৰ হোৱা। ইয়াৰ পিছফালে এশাৰী গদ্যত লিখা লিপি আছে। এই লিপিৰ পঠোদ্ধাৰ কৰে শ্ৰীপ্ৰেমধৰ চৌধুৰীদেৱে[৯২]। মূৰ্তিলিপি বনমালবৰ্মাদেৱৰ দিনত উৎকীৰ্ণিত।

(২০) নৰকাসুৰ দেৱীমূৰ্তি লিপি (খ্ৰী নৱম শতাব্দী)

অসম ৰাজ্যিক সংগ্ৰহালয়ৰ নৰকাসুৰ সংগ্ৰহ'ত কণী আকৃতিৰ ধাতৰ ফলক এটিত সমপাদস্থানক ভংগীৰ চতুৰ্ভুজা চক্ৰ, ত্ৰিশূল গদা আৰু বহনৰ নাসিকা সংলগ্ন বজ্ৰ হস্তা দেৱী মূৰ্তিটোৰ জটা মুকুট, শংখ কুণ্ডল হাৰ, কেয়ূৰ আৰু বলয় বিদ্যমান। দেৱী মহিষ বাহনা। কোনো কোনোৱে প্ৰতিমাখনি যমীৰ ৰূপে নিৰ্দেশ কৰে যদিও ভিতৰৰ লিখাৰপৰা স্পষ্ট ভাৱে ক'ব পাৰি যে সেইখনি যক্ষিণীৰহে। যক্ষিণীৰ সোঁফালে দুশাৰী আৰু বাওঁফালে তিনি শাৰীৰ লিপি দেখা যায়—সেই লেখা হৰপ্যকেশ্বৰ বনমালদেৱ ৰ্বৰ্মাদেৱৰ দিনৰ[৯৩]। এই মূৰ্তিলিপিৰ পাঠ উদ্ধাৰ কৰিছে ড ধৰ্মেশ্বৰ চুতীয়াই[৯৪]।

---

৯২ Sarma, D —*KS*, PP 56 57 মূৰ্তিলিপিৰ পাঠ—'ওঁ স্বস্তি শ্ৰীবনমালদেৱ ৰাজ্যে বশিষ্ঠস্য পৌত্ৰ ভট্টৱৰি আদিত্য প্ৰস্মেতিহ'।

৯৩ মূৰ্তিটোৰ সোঁহাতৰ দুশাৰী লেখাৰ পাঠ—'সিদ্ধম্ শ্ৰীহড় প্যকেশ্বৰ জয়/ ধৰ্ম দাস্তক-প্ৰতিমা য়ক্ষিণী দেৱ্যা/' আৰু বাওঁহাতৰ তিনিশাৰী লেখাৰ পাঠ —'প্ৰাগজ্যোতিষাধি পান্বয় মহা/ৰাজাধিৰাজ-শ্ৰী/ৰনমাল ৰ্বৰ্মাদেৱ (ন)'

৯৪ সবিশেষৰ বাবে *Epigraphical Society of Inida*-ৰ চতুৰ্দশ অধিবেশনত প্ৰদান কৰা ড চুতীয়াৰ An Unidentified image inscription from the time of Maharajadhiraja Sri Vanamala Varmadeva প্ৰবন্ধ পঢ়ক।

(২১) তৃতীয় বলবৰ্মাৰ উত্তৰ বৰবিল শৈল শাসন (খ্ৰী নৱম শতাব্দীৰ অন্তিম আৰু দশম শতাব্দীৰ প্ৰথম চৰণ)

কাৰ্বি আংলং জিলাৰ হাওৰাঘাট অঞ্চলৰ উত্তৰ বৰবিলত এজন খেতিয়কে মাটি খান্দোঁতে পোৱা তিনিখনি তাম্ৰপট্ট সম্বলিত তৃতীয় বলবৰ্মদেৱৰ শাসনখনি ইং ১৯৫৩ চনত প্ৰকাশচন্দ্ৰ আচাৰ্যৰ হাতলৈ অহাৰ পিছত চৰকাৰী বিষয়া এম এম চক্ৰৱৰ্তীয়ে সেইখনি হস্তগত কৰি লৈ জিলাৰ উপায়ুক্ত শ্ৰীগণেশ চন্দ্ৰ ফুকনৰ হাতত অৰ্পণ কৰে আৰু অৱশেষত সি আহি অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগ পায়হি। তিনিখনি তাম্ৰফলক গ্ৰথিত ৰাজকীয় মোহৰ সম্বলিত আঙুঠিটোত আছে তিনিশাৰীৰ লেখা— স্বস্তি শ্ৰীমান্ প্ৰাগজ্যোতিষাধিপা (ম)/ য়ো মহাৰাজধিৰাজ শ্ৰী ব/লৱৰ্মদেৱ/' প্ৰথম আৰু তৃতীয় ফলকৰ ভিতৰ ভাগত আৰু দ্বিতীয় ফলকৰ দুয়োপিঠিত লিখা দেখা যায়। শাৰীৰ সংখ্যা হ'ল ১৪, ১৪, ১৪ আৰু ১২। এই শাসনতো ব/ৱ ৰ কোনো পাৰ্থক্য নাই, 'ত' সম্পূৰ্ণৰূপে অসমীয়া ৰূপত অৱতীৰ্ণ হৈছে লুপ্ত 'অ ৰ প্ৰয়োগ ঘটিছে আৰু অনুস্বাৰেও আধুনিক ৰূপ পৰিগ্ৰহ কৰিছে। শাসনখনিৰ পাঠ জয়জয়তে উদ্ধাৰ কৰে ড প্ৰতাপ চন্দ্ৰ চৌধুৰীয়ে[৯৫]। পিছত ড দীনেশচন্দ্ৰ সৰকাৰেও তাৰ আন এটি পাঠ প্ৰকাশ কৰে[৯৬]। ইয়াৰ মাজতে প্ৰত্নতাত্বিক ৰাজমোহন নাথ ডাঙৰীয়াই শাসনখনিৰ কেইটামান গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত পোহৰ পেলাই এটি প্ৰবন্ধ লিখি উলিয়ায়[৯৭]। ড° শৰ্মাদ্বয়ৰ সম্পাদিত গ্ৰন্থ দুখনিত শাসনখনিৰ পাঠ সংকলিত হৈছে[৯৮]।

(২২) তৃতীয় বলবৰ্মাদেৱৰ নগাওঁ শাসন (উপযুক্ত কালৰ)

নগাওঁ জিলাৰ পুৰণি গুদামৰ সুতাৰ গাঁৱৰ খেতিয়ক এজনে কলংনৈৰ পাৰৰ খেতি মাটি চাহ কৰোঁতে তিনিখনি ফলকযুক্ত ধাতৱ অংগুৰীয়ক গ্ৰথিত শাসন খনি পায়। পিছত সেইখনি এজন পুলিচ ইন্‌স্পেক্টৰে হস্তগত কৰি মহামহো-পাধ্যায় ধীৰেশ্বৰ ভট্টাচাৰ্য কবিৰত্নৰ হাতত দিয়েগৈ। ভট্টাচাৰ্য্যই সেইখনিৰ প্ৰথম পাঠটি প্ৰকাশ কৰে 'আসাম'ৰ জৰ্ণিয়তে[৯৯]। চাৰ এডোৱাৰ্ড গেইট চাহাবে শাসনখনি

---

৯৫ অ সা স প, পঞ্চদশ বৰ্ষ, তৃতীয় সংখ্যা পৃ ১৮৭ ৯৪

৯৬ *EI* Vol, XXXII, no 33

৯৭ অ সা স প, ষোড়শ বৰ্ষ, দ্বিতীয় সংখ্যা, পৃ ৮৪-৮৮

৯৮ *IAA* PP 127 41 , KS, PP 65-70

৯৯ ভট্টাচাৰ্য, ধীৰেশ্বৰ—আসাম

ইং১৮৯৫ চনত এচিয়াটিক চোছাইটিলৈ প্ৰেৰণ কৰাত সুখ্যাত পুৰালিপিতত্ত্ববিদ ড হৰ্ণলি চাহাবে সম্পূৰ্ণ শাসনৰ পাঠ আৰু তাৰ ইংৰাজী অনুবাদ চোছাইটিৰ জাৰ্নেলত প্ৰকাশ কৰে[১০০]। পিছত সেই পাঠেই অলপ ইফাল সিফালকৈ বিদ্যাবিনোদৰ 'কামৰূপ শাসনাৱলী'[১০১] ড শৰ্মাৰ ইনস্ক্ৰিপচনছ অব এনশ্চিয়েণ্ট আসাম' আৰু ড শৰ্মাৰ 'কামৰূপ শাসনাৱলী'ৰ অন্তৰ্ভুক্ত হয়। উক্ত শাসনখনিৰ অক্ষৰ উত্তৰ বৰবিল শাসনেৰ অভিন্ন। এই লিপিৰ'ঞ্চ' অক্ষৰটো সম্পূৰ্ণ আধুনিক। মুঠ ৪৯টা শাৰীত সম্পূৰ্ণ হোৱা শাসনখনিৰ প্ৰত্যিটো ফলকৰ শাৰীৰ সংখ্যা এনেধৰণৰ - ১ = ১২, ২ক = ১২, ২খ = ১২ আৰু ৩ = ,৩

(২৩) **তৃতীয় বলৱৰ্মদেৱৰ উলুবাৰী শাসন** (উপযুক্ত কালৰ)

ইংৰাজী ১৯৭৭ চনৰ আদি ছোৱাত শোণিতপুৰ জিলাৰ নাহৰবাৰী মৌজাৰ অন্তৰ্গত উলুবাৰী গাঁৱত তিনিজন ল ৰাই বলৱৰ্মাৰ আলোচিত শাসনখনি পায়। পিছত সেইখনি তৎকালীন দৰং জিলাৰ ভূমি বন্দোৱস্তী বিষয়া শ্ৰীচিদানন্দ বৰুৱাদেৱে হাত কৰি শ্ৰীকণকচন্দ্ৰ শৰ্মাৰ সৈতে তাৰ পাঠ উদ্ধাৰ কৰি ইংৰাজী অনুবাদেৰে 'দ্য অসম ট্ৰিবুন'ত (৯ মে ১৯৭৭) আৰু অসমীয়া অনুবাদেৰে 'দৈনিক অসম'ত প্ৰকাশ কৰে। 'দৈনিক অসম'ৰ প্ৰবন্ধটো অসম বাণী'তো (১৭ জুন, ১৯৭৭) প্ৰকাশ পায়। পিছত ড মুকুন্দ মাধৱ শৰ্মাই শাসনখনিৰ পাঠ আৰু ইংৰাজী অনুবাদ 'বুলেটিন অব দ্য অসম ষ্টেট মিউজিয়ম ত (১৯৭৮) প্ৰকাশ কৰাৰ পিছত সেই একেটি নিবন্ধকে ইনস্ক্ৰিপ্ চনছ অব এনশ্চিয়েণ্ট আসাম ৰ অন্তৰ্ভুক্ত কৰে[১০২]। শাসনখনিৰ তৃতীয়টি পাঠ উদ্ধাৰ কৰে ড প্ৰতাপ চন্দ্ৰ চৌধুৰী আৰু ড ধৰ্মেশ্বৰ চুতীয়াই। তিনিখনি ফলকযুক্ত শাসনখনিৰ প্ৰথম আৰু তৃতীয় ফলকৰ বাহিৰৰ ফাল দুটা উকা। প্ৰতিখনি ফলকত শাৰীৰ সংখ্যা এনেধৰণৰ ১ = ১৪, ২ক = ১৩, ২খ = ১৩ আৰু ৩ = ১৩।

(২৪) **ৰত্নপালৰ বৰগাওঁ শাসন**ঃ (খ্ৰী একাদশ শতাব্দী)

বৰ্তমান শোণিতপুৰ জিলাৰ বৰগাওঁ মৌজাৰ নাহোৰ হাবি গাঁৱৰ খেতিয়ক এজনে জয়জয়তে পোৱা ৰত্নপালদেৱৰ ৰাজত্বৰ পঞ্চবিংশতিতম্ বৰ্ষত প্ৰদান কৰা এই মূল্যবান শাসনখনি চাৰ এডোৱাৰ্ড গেইট চাহাবে ইংৰাজী ১৮৯৭ চনৰ এপ্ৰিল মাহত এচিয়াটিক চোছাইটি কাৰ্যালয়লৈ প্ৰেৰণ কৰাৰ ফলশ্ৰুতি ৰূপে ড হৰ্ণলি

---

১০০ *JRAS*, Vol LXVI, PP 285-97

১০১ কা শা, পৃ ৮৮ ১০৯, *IAA*, PP 142 151, *KS* 71-77

১০২ Sarma, M M—*IAA*, PP 313 317,

চাহাবে উক্ত শাসনৰ মূলপাঠ আৰু তাৰ ইংৰাজী অনুবাদ চোছাইটিৰ জার্নেলত প্রকাশ কৰে[১০৩]। ইয়াৰ পিছত পদ্মনাথ ভট্টাচার্যই ১৩২২ ভাস্কৰাব্দত 'ৰংপুৰ সাহিত্য পৰিষদ পত্রিকা'ৰ প্রথম সংখ্যাত সেইখনি বঙলা অনুবাদসহ প্রকাশ কৰে। সেই প্রবন্ধই পৰবর্তীকালত 'কামৰূপ শাসনাৱলী'ৰ[১০৪] অন্তর্ভুক্ত হয়। ড মুকুন্দ মাধৱ শর্মা[১০৫] আৰু ড ডিম্বেশ্বৰ শর্মাই[১০৬] তেওঁলোকৰ সম্পাদিত গ্রন্থদ্বয়ত ফলিৰ পাঠ আৰু অনুবাদ সন্নিবিষ্ট কৰিছে। তিনিখনি ফলকযুক্ত শাসনখনিৰ বাহিৰৰ ফাল দুটা উকা। প্রথম ফলকত ১৭, দ্বিতীয় ফলকত ২ শাৰীকৈ ৪ শাৰী আৰু তৃতীয় ফলকত ১৫, সর্বমুঠ ৭২ টা শাৰী উৎকীর্ণ হৈছে। শাসনখনি দীর্ঘদিন জুৰি শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি মৌজাৰ ঘগ্রা বৰপেটা গাঁৱৰ তুনিৰাম বৰাৰ ঘৰত সংৰক্ষিত হৈ আছিল। এই সংবাদটো জয়ন্তয়তে ৰাইজৰ ওচৰত সদৰি কৰিছিল তৎকালীন লোকনায়ক অমিয়কুমাৰ দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ৰুক্মণাকান্ত দত্তদেৱে[১০৭]।

(২৫) **ৰত্নপালদেৱৰ গুৱাকুছি শাসন**: (খ্রী একাদশ শতাব্দী)

ৰত্নপালৰ দ্বিতীয় শাসনখনি কামৰূপ জিলাৰ গুৱাকুছি গাঁৱত উদ্ধাৰ হৈছিল যদিও উদ্ধাৰ কর্তাৰ নাম আজি স্মৃতিৰ অন্তৰালত। এডোৱার্ড গেইট চাহাবে এই শাসনখনি ইংৰাজী ১৮৯৬ চনত এচিয়াটিক চোছাইটিলৈ প্রেৰণ কৰাৰ পিছত ড হর্ণলি চাহাবে তাৰ মূলপাঠ আৰু অনুবাদ প্রকাশ কৰে[১০৮]। শাসনখনিৰ প্রথম ফলি হেৰাইছে। দ্বিতীয় ফলকৰ প্রথম ফালটো উন্মুক্ত হৈ থকাত আখৰবোৰ ভালেখিনি ক্ষয় হোৱা দেখা যায়। ফলিখন বর্তমানে উগ্রতাৰাৰ বৰদেউৰী শ্রীশশীকান্ত শর্মাৰ ঘৰত সংৰক্ষিত হৈছে। এই শাসনৰ পাঠ পদ্মনাথ বিদ্যাবিনোদ[১০৯], ড মুকুন্দ মাধৱ শর্মা[১১০] আৰু ড ডিম্বেশ্বৰ শর্মাৰ[১১১] সম্পাদিত গ্রন্থত পোৱা যায়।

---

১০৩ *JASB*, Vol LXVII PP 99

১০৪ ভট্টাচার্য, পদ্মনাথ—কা শা, পৃ ৮৮ ১ ৯ আৰু ৰংপুৰ সাহিত্য পৰিষদ পত্রিকা ১৩২২ ভাস্কৰাব্দ সংখ্যা ১

১০৫ Sarma, M M —*IAA*, PP 152 172

১০৬ Sarma, D —*KS*, PP 78 87

১০৭ দৈনিক অসম, ৬ জুলাই, ১৯৭৭

১০৮ *JASB*, Vol LXVII, PP 113 32

১০৯ ভট্টাচার্য, পদ্মনাথ—কা শা, পৃ ১১৬ ২৯

১১০ Sarma, M M —*IAA*, PP 173 178

১১১ Sarma, D —*KS*, PP 89 90

(২৬) **ৰত্নপালৰ চৰাতবাৰী শাসন ঃ** (খ্ৰী একাদশ শতাব্দী)

চৰাতবাৰী শাসনখনি ৰত্নপালে তেওঁৰ ৰাজত্বৰ দ্বাদশ বৰ্ষত প্ৰদান কৰা। তিনিখনি ফলকযুক্ত আৰু ৰাজকীয় মোহৰ সম্বলিত শাসনখনিৰ প্ৰথম ফলকৰ আখৰবোৰ বৰ বেয়াকৈ ক্ষয় গৈছে—বাকী দুখনি ফলকৰো ভালেকেইটা শাৰীৰ কিছু অংশ পাঠৰ অযোগ্য হৈ পৰিছে। অসম ৰাজ্যিক সংগ্ৰহালয়ে সুৰক্ষা দিয়া এই শাসনখনিৰ মুঠ শাৰীৰ সংখ্যা ৭২। প্ৰতিফলকৰ শাৰীৰ সংখ্যা এনেধৰণৰ ক = ২৫, খ ১ = ১৫, খ ২ = ১৫ আৰু গ = ১৪। ফলিখনিৰ সন্দৰ্ভত *Journal of Indian History* ত (Vol LV, 1977) ড প্ৰতাপ চন্দ্ৰ চৌধুৰীয়ে এটি প্ৰবন্ধৰ যোগেদি কিছু সংবাদ পৰিবেশন কৰিছিল যদিও ইয়াৰ মূল পাঠ উদ্ধাৰ কৰি শলাগৰ ভাগী হয় ড মুকুন্দ মাধৱ শৰ্মা ডাঙৰীয়া। ড শৰ্মাৰ *Inscriptions of Ancient Assam* ৰ ভূমিকাৰ ২১ পৃষ্ঠাৰপৰা ২৪ পৃষ্ঠাৰ ভিতৰত শাসনখনিৰ প্ৰয়োজনীয় পাঠাংশ পোৱা যায়।

(২৭) **ইন্দ্ৰপালৰ গুৱাহাটী শাসন** (খ্ৰী একাদশ শতাব্দী) ঃ

পাতিদৰঙৰ বৰপানাৰা গাঁৱত এখনি বাকৰনি ঠাই চাফ চিকণ কৰোতে তজুৰাম নামৰ এজন খেতিয়কে এই শাসনখনি উদ্ধাৰ কৰিছিল। প্ৰথম উদ্ধাৰৰ প্ৰায় ডেৰকুৰি বছৰ পিছত চাৰ এডোৱাৰ্ড গেইট চাহাবে সেইখনি বহুকষ্টেৰে হস্তগত কৰি ইংৰাজী ১৮৯৩ চনৰ চেপ্তেম্বৰ মাহত ড হৰ্ণলি চাহাবৰ ওচৰলৈ পঠিয়াই দিয়াৰ পিছত ১৮৯৭ খ্ৰীষ্টাব্দত পুৰালিপিতত্ত্ববিদজনাই এচিয়াটিক চোছাইটিৰ জাৰ্নেলত শাসনৰ পাঠ আৰু তাৰ অনুবাদ প্ৰকাশ কৰে যদিও তাত ভালেখিনি ভুল বৈ যায়[১১২]। একেজনা নৃপতিৰ দ্বিতীয়খনি শাসন উদ্ধাৰ হোৱাত প্ৰথমখনিৰ ভ্ৰম সংশোধন সম্ভৱ হয়। সংশোধিত পাঠ প্ৰকাশ কৰে পদ্মনাথ বিদ্যাবিনোদ ডাঙৰীয়াই[১১৩]। সেই পৰিমাৰ্জিত পাঠ ড শৰ্মাদ্বয়ৰ সম্পাদিত কামৰূপ শাসনাৱলী দুখনিত সন্নিবিষ্ট হৈছে[১১৪]। শাসনখনিৰ সন্দৰ্ভত এটি তথ্যবহুল আলোচনা কালিৰাম মেধিয়ে প্ৰকাশ কৰিছিল[১১৫]।

---

১১২ *JASB*, Vol LXVI, no I, PP 113 32

১১৩ ৰংপুৰ সাহিত্য পৰিষদ পত্ৰিকা, নং ২ আৰু ৪ (১৩১৯ ভাস্কৰাব্দ) আৰু কা শা, পৃ ১১৬ ২৯

১১৪ *IAA*, PP 179 192 , KS, PP 91 98

১১৫ কালিৰাম মেধি—ইন্দ্ৰপাল ৰজাৰ গুৱাহাটী তামৰ ফলি, অসম বান্ধৱ, ২য়, পৃ ২১৮

(২৮) ইন্দ্ৰপালৰ গুৱাকুছি শাসন (খ্ৰী একাদশ শতাব্দী) **:**

এই শাসনখনি ইংৰাজী ১৯২৫ চনৰ এপ্ৰিল মাহত বৰ্তমান নলবাৰী জিলাৰ অন্তৰ্গত গুৱাকুছি গাঁৱৰ এজন মুছলমান খেতিয়কে মাটি খান্দোতে উদ্ধাৰ কৰিছিল। শাসনখনি কিছুদিনৰ পিছত পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ হস্তগত হয়[১১৬] আৰু পিছত পদ্মনাথ বিদ্যাবিনোদে পণ্ডিত গোস্বামীৰপৰা সেইখনিৰ প্ৰতিলিপি সংগ্ৰহ কৰি ৰংপুৰ সাহিত্য পৰিষদৰ পত্ৰিকাত এটি প্ৰবন্ধ লিখে। সেই প্ৰবন্ধটিয়ে পিছত পৰিমাৰ্জিত ৰূপত 'কামৰূপ শাসনাৱলী'ৰ অন্তৰ্ভুক্ত হয়[১১৭]। ড মুকুন্দ মাধৱ শৰ্মাৰ 'ইন্‌স্ক্ৰিপচনছ অব এনশ্চিয়েণ্ট আসাম'[১১৮] আৰু ড ডিম্বেশ্বৰ শৰ্মাৰ 'কামৰূপ শাসনাৱলী'[১১৯]তও অন্তৰ্ভুক্ত হৈছে। শাসনখনিৰ মুল শাৰীৰ সংখ্যা ৭৫। প্ৰতিখনি ফলকত শাৰীৰ সংখ্যা এই ধৰণৰ ক = ১৮, খ ১ = ১৯, খ ২ = ১৯ আৰু গ = ১৯ শাৰী। শাসনখনিৰ তৃতীয় ফলকৰ প্ৰথম পৃষ্ঠাৰ অন্তিম স্থানত আছে এটা শাৰীত এটি গৰুড (পদতলত আছে এডাল সাপ), পদ্ম চক্ৰ আৰু শংখৰ বৈথিক চিত্ৰ। এই শাসনখনিৰ অক্ষৰ সন্দৰ্ভত পদ্মনাথ বিদ্যাবিনোদৰ মন্তব্য তাৎপৰ্যপূৰ্ণ— 'ইহাৰ প্ৰথম ফলকে উৎকীৰ্ণ অক্ষৰেৰ সংগে অপৰ দুই ফলকেৰ অক্ষৰ তুলনা কৰিয়া দেখিলে স্পষ্টই প্ৰতীত হইবে যে প্ৰথম ফলকেৰ লিপিভংগি স্বতন্ত্ৰ, ইহাতে উৎকীৰ্ণ অক্ষৰগুলিৰ মাত্ৰা স্থলে শূন্যগৰ্ভ অধোমুখ ত্ৰিকোণাকৃতি কিঞ্চিৎ লক্ষিত হয়—অক্ষৰ গুলিও অপেক্ষাকৃত লম্বকাৰ এবং ৰেখা কতকটা সৰু—কিন্তু অধিকতৰ স্পষ্ট[১২০]।

(২৯) ইন্দ্ৰপালদেৱৰ এৰাদীঘলপানী শাসন (খ্ৰী একাদশ শতাব্দী) **:**

এই শাসনখনি কাৰ্বি আংলং জিলাৰ হাওৰাঘাটৰ নিকটৱৰ্তী এৰাদীঘল পানীত পোৱা গেছে। শাসনখনি উদ্ধাৰ হোৱাৰ সংবাদ জয়ন্তয়তে সদৰি কৰে অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে[১২১]। তিনিখনি ফলকযুক্ত শাসনখনিৰ

---

১১৬ গোস্বামী, হেমচন্দ্ৰ মহাৰাজ ইন্দ্ৰপালৰ তামৰ ফলি মিলন, ৪ৰ্থ বৰ্ষ, পৃ ৫৮

১১৭ ভট্টাচাৰ্য, পদ্মনাথ—কা শা, পৃ ১৩০ ৪৫

১১৮ Sarma, M M —*IAA*, PP 193 206

১১৯ Sarma, D —*KS*, PP 99 103

১২০ ভট্টাচাৰ্য, পদ্মনাথ—কা শা, পৃ ১৪৫

১২১ এপ্ৰিলৰ ৭, ৮, তাৰিখে (১৯৮৮) শাসনখনিৰ উদ্ধাৰৰ সংবাদ 'দৈনিক অসম', আজিৰ অসম', 'নতুন দৈনিক', *The Assam Tribune'* আদিত প্ৰকাশ পায়। পিছে শাসনখনি বনমালদেৱৰ বুলি চিনাক্ত কৰিলেও সেইখনি ইন্দ্ৰপালদেৱৰহে।

প্ৰথম আৰু তৃতীয়খনি ফলকৰ বাহিৰৰ ফালছুটা উকা। আন ফলককেইখনিৰ শাৰীৰ সংখ্যা এনেধৰণৰ ক=২, খ ১=১৮, খ ২=১৮ আৰু গ=৯। শেষৰ ফলকত গুৱাকুছি শাসনৰদৰে সৰ্প সংলগ্ন গৰুড়, পদ্ম চক্ৰ আৰু শংখৰ ছবি থকাটো মন কৰিবলগীয়া। শাসনখনিৰ পাঠ এতিয়াও পোহৰলৈ অহা নাই।

(৩০) **গোপালবৰ্মদেৱৰ গছতল শাসন** (খ্ৰী ১৮):

দুখনি ফলকযুক্ত এই শাসনখনি পোৱা গৈছিল—নগাওঁ ডবকাৰ নিকটৱৰ্তী গছতলত ইং ১৯৬৬ চনত। শাসনখনিৰ তৃতীয় ফলকখনিৰ উপৰি ৰাজকীয় মোহৰযুক্ত আঙুঠিটো আজিলৈ উদ্ধাৰ হোৱা নাই। ফলকখনিৰ মূলপাঠ জয়ন্তীত প্ৰকাশ কৰে ড প্ৰতাপচন্দ্ৰ চৌধুৰীয়ে[১২২]। পিছত ইয়াক অনুবাদ সহ সম্পাদন কৰি উলিয়ায় ড মুকুন্দ মাধৱ শৰ্মা[১২৩] আৰু ড ডিম্বেশ্বৰ শৰ্মাই[১২৪]। শাসনৰ অ, আ, এ কাৰ আৰু ৰ অক্ষৰে সম্পূৰ্ণৰূপে আধুনিক অসমীয়া ৰূপ লৈছেহি।

(৩১) **ধৰ্ম পালৰ খনামুখ শাসন** (খ্ৰী দ্বাদশ শতাব্দী):

নগাওঁ জিলাৰ বৰভগীয়া মৌজাৰ খনামুখ গাঁৱৰ বধু সুতে মাটি খান্দোতে পোৱা এই শাসনখনিৰো ফলকৰ সংখ্যা ৩। ৰাজকীয় মোহৰযুক্ত আঙুঠিটোত উদ্‌গত তিনি শাৰীৰ লেখাত আছে—'স্বস্তি প্ৰাগজ্যোতিষাধিপতি ম/হা ৰাজা ধিৰাজ শ্ৰীধৰ্ম /পালবৰ্মদেৱ/' শাসনখনিত মুঠ ৫৮ শাৰী আছে। প্ৰতিটো ফলকৰ শাৰী সংখ্যা হ'ল—ক=১৬, খ ১=১৫, খ ২=১৫ আৰু গ=১২। ইয়াৰো 'ৰ' আধুনিক অসমীয়া ৰ'ৰ দৰে, ব/ৱ ৰ পাৰ্থক্য নথকাটো স্বাভাৱিক, ক্ষ আৰু এ ৰ ৰূপো বৰ্তমানৰ অসমীয়াৰে অভিন্ন। শাসনখনিৰ পাঠ জয়ন্তীত প্ৰকাশ কৰিছিল শ্ৰী প্ৰেমধৰ চৌধুৰী ভাণ্ডাৰীয়াই[১২৫]। ড এন কে ভট্টশালী আৰু ড° ৰাধাগোবিন্দ বসাকে চৌধুৰীৰ পাঠত থকা কিছু ভুলৰ শুধৰণি দিছিল[১২৬]। কলিকতাৰ পি বেনাৰ্জীয়ে সমস্ত শাসনখনিকৈ নতুনকৈ সম্পাদনা কৰি ইংৰাজী অনুবাদৰে সৈতে 'এপিগ্ৰাফিয়া

---

১২২ *JARS*, Vol XVIII, (1968) PP 55 60

১২৩ Sarma, M M —*IAA* PP 207 24

১২৪ Sarma, D —*KS* PP 109 17

১২৫ *JARS* Vol VII, no 4, PP 113

১২৬ *JARS*, Vol XI, PP 1 3

ইণ্ডিকা'ত প্ৰকাশ কৰে[১২৭]। পিছত ড° মুকুন্দ মাধৱ শৰ্মা[১২৮] আৰু ড ডিম্বেশ্বৰ শৰ্মাই[১২৯] শাসনখিনি পুন সম্পাদিত কৰে।

(৩২) ধৰ্মপালৰ শুভংকৰ পাটক শাসন (খ্ৰী দ্বাদশ শতাব্দী) ঃ

ভাৰত চৰকাৰৰ প্ৰত্নতত্ত্ব বিভাগৰ সহকাৰী সঞ্চালক কাশীনাথ দীক্ষিতে ইংৰাজী ১৯২৯ চনত পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ পুত্ৰ শৰৎচন্দ্ৰ গোস্বামীৰপৰা আলোচিত শাসনখনি পাইছিল। ধৰ্মপালৰ ৰাজত্বৰ তৃতীয় বৰ্ষত প্ৰদান কৰা এই শাসনখিনি ব্ৰাহ্মণক দান কৰা ভূমিৰ ওপৰত নিৰ্ভৰ কৰি 'শুভংকৰ পাটক' ৰখা হৈছে। ইয়াৰ পাঠ পদ্মনাথ বিদ্যাবিনোদ[১৩০], ড মুকুন্দ মাধৱ শৰ্মা[১৩১] আৰু ড ডিম্বেশ্বৰ শৰ্মাৰ[১৩২] সম্পাদিত গ্ৰন্থত পোৱা যায়। শাসনখনি বৰ্তমানে কলিকতাৰ 'ইণ্ডিয়ান মিউজিয়ম'ত সুৰক্ষিত (সংগৃহীত নম্বৰ ১৮৩১৪)।

(৩৩) ধৰ্মপালৰ পুষ্পভদ্ৰা শাসন (খ্ৰী দ্বাদশ শতাব্দী) ঃ

তিনিখনি ফলকযুক্ত ৰাজকীয় মোহৰ মৰা আঙুঠিৰে বন্ধা ধৰ্মপালৰ এই শাসনখনি পুষ্পভদ্ৰা নৈৰ (উত্তৰ গুৱাহাটী) বুকুত পোৱা গৈছিল। মুঠ ৫৬ শাৰীত সমাপ্ত হোৱা শাসনখনিৰ শাৰীৰ সংখ্যা হ'ল—ক=১৫, খ ১=১৬, খ ২=১৫ আৰু গ=১ । ধৰ্মপালৰ দিনত যে কামৰূপীয় লিপিৰ দুটা শৈলী বৰ্তমান আছিল তাৰ প্ৰমাণ পোৱা যায় তেওঁৰ শুভংকৰ পাটক' আৰু পুষ্পভদ্ৰা লিপি'ৰ অক্ষৰত, প, দ আৰু হ অক্ষৰলৈ লক্ষ্য কৰিলেই ইয়াৰ সত্যতা প্ৰতীয়মান হয়। এই শাসনৰ পাঠ পদ্মনাথ বিদ্যাবিনোদৰ[১৩৩] উপৰি দুই শৰ্মাৰ সম্পাদিত গ্ৰন্থদ্বয়ত[১৩৪] পোৱা যায়।

(৩৪) বৈদ্যদেৱৰ কমৌলী শাসন (খ্ৰী ১২ শতাব্দী) ঃ

বৈদ্যদেৱৰ ৰাজত্বৰ চতুৰ্থ বৰ্ষত প্ৰদান কৰা এই শাসনৰ গ্ৰহীতা হ'ল শ্ৰীধৰ আৰু প্ৰদান কৰা ভূমি কামৰূপ মণ্ডলৰ প্ৰাগজ্যোতিষ ভুক্তিৰ অন্তৰ্গত।

---

১২৭ *EI*, Vol XXX, Part V & VI

১২৮ Sarma, M M—*IAA* PP 225 240

১২৯ Sarma, D—*KS* PP 118 123

১৩০ ভট্টাচাৰ্য, পদ্মনাথ—কা শা, পৃ ১৪৬ ৬৭

১৩১ Sarma, M M—*IAA* PP 141 254

১৩২ Sarma, D—*KS* PP 125 131

১৩৩ ভট্টাচাৰ্য, পদ্মনাথ—কা শা, পৃ ১৬৮-১৮৪

১৩৪ *IAA*, PP 255 272 and *KS* PP 133-39

শাসনখনিত তিনিখনি ফলক আছে। প্ৰতিখন ফলকত থকা শাৰীৰ সংখ্যা হ'ল—ক=১৬, খ ১=১৬, খ ২= ৬, গ ১=১৬ আৰু গ ২=৯। সৰ্বমুঠ শাৰীৰ সংখ্যা ৭৩। বৰ্তমানে লক্ষ্ণৌৰ সংগ্ৰহালয়ত সুৰক্ষিত এই শাসনখনিৰ পাঠ আৰু তাৰ ইংৰাজী অনুবাদ 'এপিগ্ৰাফিয়া ইণ্ডিকা'[১৩৫], গৌড়লেখমালা[১৩৬], *Corpus of Bengal Inscriptions*[১৩৭] আৰু *Inscriptions of Ancient Assam*[১৩৮]ত পোৱা যায়। উক্ত শাসনখনিৰ ও গ, ন, ব আৰু য় সম্পূৰ্ণ অসমীয়া গঢ়ৰ। বিসৰ্গ আৰু অনুস্বৰো আধুনিক অসমীয়াৰপৰা অকণো ভিন্ন নহয়। এ খ, ঝ, ত, ধ, ল, ষ, গ্ৰ, ঞ্চ, ত্ৰ প্ৰভৃতি অক্ষৰৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। ড মুকুন্দ মাধৱ শৰ্মাই শাসনখনিৰ লিপিতাত্ত্বিক বৈশিষ্ট্য কেইটিমান উল্লেখ কৰিছে এনেদৰে[১৩৯] ক ইন্দ্ৰপালৰ গুৱাকুছি শাসনৰ দৰে আলোচিত শাসনখনিৰ অক্ষৰৰ মাত্ৰাসমূহ ত্ৰিকোণ শীৰ্ষৰ খ' খ, গ, ণ আৰু শ ৰ ওপৰত অধুনা অসমীয়া বঙলা লিপিৰ দৰে মাত্ৰা পোৱা নাযায়, গ লুপ্ত অ-ৰ একাধিক প্ৰয়োগ দেখা যায়, ঘ প আৰু য় বহু সময়ত একে দেখা যায়। চ আৰু ব বো পাৰ্থক্য দেখা নাযায় ভ শাসনখনিত দুবিধ 'ই ৰ ব্যৱহাৰ মন কৰিবলগীয়া চ শ স আৰু য ব পাৰ্থক্যৰ সীমাৰেখা বহু সময়ত মানি চলা হোৱা নাই। ৰ আৰু ব ৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য।

(৩৫) **বল্লভদেৱৰ অসম শাসন** (খ্ৰী দ্বাদশ শতাব্দী) :

তেজপুৰৰ কেনেবাখিনিত উদ্ধাৰ হোৱা এই শাসনখনি তৎকালীন তেজপুৰ চহৰৰ সহকাৰী কাৰ্যবাহী অভিযন্তা মি ডব্লিউ উইনক্লেৰে (W Winekler) এচিয়াটিক চোছাইটিৰ কাৰ্যালয়লৈ পঠিয়াই দিয়াৰ পিছত কেবাজনো আন্তৰ্জাতিক খ্যাতিসম্পন্ন পুৰালিপিতত্ত্ববিদে সেইখনিৰ পাঠোদ্ধাৰ আৰু সম্পাদনা কাৰ্য সমাধা কৰে[১৪০]। শাসনখনিত পাঁচখনি ফলক আছে যদিও প্ৰথম আৰু অন্তিম

---

১৩৫ Venis, A —*EI*, II PP 347 358

১৩৬ মৈত্ৰেয়, এ কে —গৌড়লেখমালা, পৃ ১২৭-৪৬

১৩৭ Maity S K & Mukharjee, R —*Corpus of Bengal Inscriptions*, PP 370 86

১৩৮ Sarma, M M —*IAA*, PP 273 90

১৩৯ Sarma M M —*Ibid* PP 274-75

১৪০ Hultzsch—*Zeistschrift der Deutschen Morgenlaendischen Gesselschaft* Vol XL, P 42, Kielhorn—*EI*,V, PP 181-88, Sarma,—M M —*IAA*, PP 291 301

ফলকৰ বাহিৰৰ ফালহুটা উকা। শাসনখনিৰ মুঠ শাৰীৰ সংখ্যা ৬৩। ইয়াৰ অক্ষৰসমূহৰ মাত্ৰাবোৰ ৰেখাযুক্ত—ত্ৰিকোণশীৰ্ষ নহয়। ইয়াৰ সংখ্যা দ্যোতক ১ আদিস্থানৰ এ, ও, গ ন, ম, ঞ, ত্ত, ত্ৰ, ন্ত, জ, ফ, ব, য আৰু ৰ অক্ষৰ প্ৰায় আধুনিক অসমীয়া লিপিৰদৰে।

(৩৬) **কানাই বৰশীবোৱা শিলৰ তুৰুষ্ক ক্ষয়ৰ ফলি** (খ্ৰী ত্ৰয়োদশ শতাব্দী):

সম্পূৰ্ণ অসমীয়া আখৰত লিখা এইখনি বৰ্তমানলৈকে আবিষ্কৃত প্ৰথম ফলি। ইংৰাজী ১৯১৮ চনত ফলিখনি উদ্ধাৰ হয়। এইখনিৰ বিষয়ে জয়জয়তে সোণাৰাম চৌধুৰীয়ে সদৰি কৰে। ফলিখনিৰ সন্দৰ্ভত অসম উপত্যকাৰ কমিছনাৰ কৰ্ণেল পি আৰ টি গৰ্ডনে কামৰূপ অনুসন্ধান সমিতিৰ ১৯১৯ খ্ৰীষ্টাব্দৰ বছৰেকীয়া অধিবেশনত A rock inscription' শিৰোনামত এটি আলোকসন্ধানী প্ৰবন্ধ পাঠ কৰে[১৪১]। পদ্মনাথ ভট্টাচাৰ্যই *Indian Historical Quarterly* ত এটি ইংৰাজী প্ৰবন্ধ প্ৰস্তুত কৰাৰ উপৰি 'কামৰূপ শাসনাৱলী'ৰ ভূমিকাত ফলিখনিৰ ভালেখিনি জ্ঞাতব্য কথা প্ৰকাশ কৰে[১৪২]। কনকলাল বৰুৱাই *Early History of Kamarupa*[১৪৩], সোণাৰাম চৌধুৰীয়ে 'ৰংমহল' নামে প্ৰবন্ধত[১৪৪], সৰ্বেশ্বৰ কটকীয়ে 'অসমৰ শিলৰ ফলি'[১৪৫] শীৰ্ষক নিবন্ধত আৰু ড মহেশ্বৰ নেওগে 'প্ৰাচ্য শাসনাৱলী'ত[১৪৬] আলোচিত ফলিৰ পাঠ আৰু তাৰ ঐতিহাসিক গুৰুত্বৰ বিষয়ে বহল আলোচনা আগবঢ়ায়।

(৩৭) **সমুদ্ৰ পালৰ আমবাৰী শিলালিপি** (খ্ৰী ত্ৰয়োদশ শতাব্দী):

বৰ্তমান শতাব্দীৰ ষাঠিৰ দশকতে গুৱাহাটীৰ আমবাৰীত টেক্সটাইল ইনষ্টিটিউটৰ ভেটি খান্দোতে এজন শ্ৰমিকে এচলা শিলত খোদিত এই লিপিখনি

---

১৪১ *The work of Kamarupa Anusandhan Samiti*, 1920, PP 33 35

১৪২ *IHQ*, 1927 আৰু কা শা, ভূমিকা 88

১৪৩ Barua, K L—*Early History of Kamarupa*, PP 211 13

১৪৪ আৱাহন, ২ / ৫ সংখ্যা, পৃ ৪৭৫

১৪৫ মিলন, ১ ২, ১৮৪৫ শক পৃ ১৫১

১৪৬ প্ৰা শা, ভূ পৃ ১৪, ১৫ আৰু ১, তিনি শাৰীত সম্পূৰ্ণ ফলিখনিৰ পাঠ—(১) শাক ১১২৭ (২) শাকে তুৰগ যুগ্মেশে মধুমাস ত্ৰয়োদশে। (৩) কামৰূপং সমাগত্য তুৰুষ্কা ক্ষয়মাযয়ু॥

পাইছিল। বৰ্তমানে এই শিলালিপিখনি অসম ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষিত। ড প্ৰতাপচন্দ্ৰ চৌধুৰীয়ে এই ফলিখনিৰ পাঠোদ্ধাৰ কৰি অসমীয়া আৰু ইংৰাজীতে একাধিক প্ৰবন্ধ প্ৰকাশ কৰাটো এইখিনিতে উল্লেখযোগ্য[১৪৭]। ফলিৰ আখৰসমূহত উত্তৰ ভাৰতীয় ব্ৰাহ্মী, দেৱনাগৰী আৰু পুৰণি অসমীয়া অক্ষৰৰ ত্ৰিবেণী সংগম সাধিত হৈছে। ফলিখনিত মুঠতে ছয় শাৰীৰ লেখা—'আদিত্য সম শ্ৰীসমুদ্ৰ পাল / ৰাজ্যে। প্ৰবল সৰাসিক / সত্ৰ সগুণকৃয়া সন্ন্যাসীন / বোলে দান পুঞ্জন সজ / যোগীহাটী / সক ঈশ বাণ চক্ৰ / মৃঢ ভণতি /' অন্তৰংগ প্ৰমাণৰপৰা গম পোৱা যায় যে শিলালিপিখনি ১১৫৪ শক অৰ্থাৎ ১২৩২ খ্ৰীষ্টাব্দৰ।

(৩৮) **গছতল স্তম্ভলিপিঃ** (খ্ৰী চতুৰ্দশ শতাব্দী)

আজিৰপৰা কেবা দশক পূৰ্বে ড বিৰিঞ্চি কুমাৰ বৰুৱাই ডবকাৰপৰা প্ৰায় চাৰি কিলোমিটাৰ পশ্চিমত অৱস্থিত গছতল নামে ঠাইত থকা শিৱমন্দিৰৰ ধ্বংসাৱশেষৰ পৰা ২৪ শাৰী লিপি খোদিত এটি অষ্টকোণী শৈলস্তম্ভ উদ্ধাৰ কৰি আনি অসম ৰাজ্যিক সংগ্ৰহালয়ত জমা দিছিল। স্তম্ভলিপিৰ পাঠ জয় জয়তে উদ্ধাৰ কৰিবলৈ বিচাৰিছিল—ড দীনেশচন্দ্ৰ সৰকাৰে। পিছে পুৰালিপিতত্ত্ববিদ্ জনা সফল নহ'ল। পিছত তত্ত্বভূষণ ৰাজমোহন নাথৰপৰা প্ৰাপ্ত স্তম্ভলিপিৰ প্ৰতিলিপিৰ আধাৰত কাশীনাথ দীক্ষিতে প্ৰথম তিনি শাৰীমান পাঠ পঢ়ি জনায় যে স্তম্ভলিপিখনিৰ ভাষা সংস্কৃত আৰু তাত বিশ্বসুন্দৰ দেৱৰ কথা কোৱা হৈছে[১৪৮]। ৰাজমোহন নাথে সমস্ত স্তম্ভলেখনিৰ পাঠোদ্ধাৰ কৰা বুলি দাবী কৰিছিল[১৪৯]। অৱশেষত ড প্ৰতাপচন্দ্ৰ চৌধুৰীয়ে শৈললেখখনিৰ পাঠোদ্ধাৰ প্ৰকাশ কৰিবলৈ সমৰ্থ হয়[১৫০]। সেই পাঠৰপৰা গম পোৱা গ'ল যে স্তম্ভলিপিৰ

---

১৪৭ চৌধুৰী, প্ৰতাপচন্দ্ৰ—আমবাৰীৰ শিলালিপি, অ সা স প, ২৮ বৰ্ষ, ১ম সংখ্যা পৃ ৮৫ ৮৭, *Journal of Indian History* Vol XLVIII, pt I

১৪৮ Bhattasali, N K—New Light on the History of Assam, in *IHQ*, Vol XXII, March 1946, PP 12-13

১৪৯ নাথ, ৰাজমোহন—অ সা স প, ত্ৰয়োদশ বৰ্ষ, প্ৰথমসংখ্যা, পৃ ২৭৩

১৫০ *Vishveshvaranand Indological Journal* Vol IX, (1971), PP 121 24

ভাষা সংস্কৃত নহয়—ব্ৰজবুলি মিশ্ৰিত অসমীয়াহে। স্তম্ভ-লেখখনিৰ পাঠ, আৰু তাৰ ইংৰাজী অনুবাদ ড ডিম্বেশ্বৰ শৰ্মাৰ *Kamarupa Sasanaali* ৰ অন্তৰ্ভুক্ত হৈছে[১৫১]।

(৩৯) **পুৰুষোত্তম দাসৰ বাউতকুছি তাম্ৰশাসন** (খ্ৰী চতুৰ্দশ শতাব্দী)

এই ফলিখনিৰ পাঠ জয়জয়তে প্ৰকাশ পাইছিল—'আসাম বান্ধৱত'[১৫২]। প্ৰাচ্য বিদ্যাৰ্ণৱ নগেন্দ্ৰনাথ বসুৱে তেওঁৰ *Social History of Assam* (Vol 1) ত উক্ত ফলিৰ পাঠ আৰু তাৰ আংশিক ইংৰাজী অনুবাদ সন্নিবিষ্ট কৰিছে[১৫৩]। বৰ্তমানে অসম বাজ্যিক সংগ্ৰহালয়ত সংৰক্ষিত উপৰিউক্ত শাসনৰ অন্তিম ফলকখনিৰ পাঠ ড মহেশ্বৰ নেওগৰ প্ৰাচ্য শাসনাৱলী'ৰ অন্তৰ্ভুক্ত হৈছে[১৫৪]।

(৪০) **সধয়াপুৰীশ্বৰ সত্যনাৰায়ণ প্ৰত্যক্ষ নাৰায়ণৰ ভূমিদানৰ তামৰ ফলি** (খ্ৰী চতুৰ্দশ শতাব্দী)

তামৰ ফলিখনি ঘিলামৰাৰ নিকটৱৰ্তী ধেনুখনাৰ এটা পুখুৰীত উদ্ধাৰ হৈছিল। ফলিখনৰ পাঠোদ্ধাৰৰ বাবে ডক্টৰ টি ব্লখ আৰু ৰাখালদাস বন্দ্যোপাধ্যায়ে যত্ন কৰিছিল যদিও সফল নহ'ল। পিছত গৌৰীদত্ত মিশ্ৰ বিদ্যাভূষণক সেইখন দিয়াত তেওঁ ইমান খিনিয়ে পঢ়িবলৈ পাৰিলে যে তাত স্বৰ্গনাৰায়ণ নৃপতিয়ে নাৰায়ণ বিপ্ৰক এশ ঘৰতকৈও সৰহ মানুহ থাই বৈ থাকিব পৰাকৈ ভূমিদান কৰিছিল। শেষত প্ৰত্নতত্বানুৰাগী পুৰুষ সৰ্বেশ্বৰ বৰুৱাই ঘাৰমৰা সত্ৰত সংৰক্ষিত ফলিখনি আনি দুজন সংস্কৃত পণ্ডিতৰ সহায়ত যথেষ্ট সন্তোষ জনকভাৱে পাঠোদ্ধাৰ কৰি তাক দুখনি সাময়িকীত অসমীয়া আৰু ইংৰাজী ভাষাত টীকা টিপ্পনী দি প্ৰকাশ কৰিছিল[১৫৫]। সৰ্বেশ্বৰ বৰুৱাদেৱৰ পাঠেই পিছত 'প্ৰাচ্য শাসনাৱলী'ৰ অন্তৰ্ভুক্ত হয়[১৫৬]।

---

১৫১ Sarma, D —*KS*, PP 144 46

১৫২ আসাম বান্ধৱ, ষষ্ঠবৰ্ষ, পঞ্চম সংখ্যা ১৩২২

১৫৩ Vasu, N N —*Social History of Ass ım* Vol I, PP 22-49

১৫৪ নেওগ, মহেশ্বৰ—প্ৰা শা, ভূমিকা, পৃ ১৩৮-৪১

১৫৫ বৰুৱা, সৰ্বেশ্বৰ—চতুৰ্দশ শতিকাৰ দুখন তামৰ ফালি: আৱাহন, ৬/৬, ১৮৫৬ শক আৰু Some ancient relics found ın North Lakhımpur ın *JARS* Vol II 2, 1935 দ্ৰষ্টব্য।

১৫৬ নেওগ, মহেশ্বৰ—প্ৰা শা, পৃ ৯৩ ৯৬

(৪১) স্বৰ্গদেৱ পূৰ্বীশ্বৰ লক্ষ্মীনাৰায়ণৰ ভূমিদানৰ তামৰ ফলি (খ্ৰী. চতুৰ্দশ শতাব্দী)

খিলামবাৰ ওচৰৰ ন ডাঙতী নামে ঠাইত মাটিত কোৰ মাৰোতে এজন বড়োলোকে উদ্ধাৰ কৰা এই তামৰ ফলিখনি শ্ৰীলৰাম বৰুৱাই দীৰ্ঘদিনধৰি সুৰক্ষা দিয়াৰ পিছত সৰ্বেশ্বৰ বৰুৱাদেৱে তাক হস্তগত কৰি সেইখনিৰ মূল পাঠ আৰু আনুসংগিক বক্তব্য 'আৱাহন' আৰু *'Journal of the Assam Research Society'* ৰ যোগেদি সদৰি কৰে। বৰুৱাদেৱৰ পাঠেই 'কামৰূপ শাসনাৱলী'ৰ অন্তৰ্ভুক্ত হৈছে[১৫৭]। দুপিঠিত লিখা তামৰ ফলিখনিৰ মুঠ শাৰীৰ সংখ্যা হ'ল ২০।

(৪২) বৰমূৰ্তিয়া বিল তাম্ৰপত্ৰ (খ্ৰী চতুৰ্দশ শতাব্দী)

এই ফলিখনি খিলামৰা অঞ্চলৰ কুলধৰ শইকীয়াৰপৰা প্ৰত্নতত্ত্বপ্ৰেমী সৰ্বেশ্বৰ বৰুৱাদেৱে পাই থূলমূলভাৱে পাঠোদ্ধাৰ কৰি মণিদীপ'ত তাৰ পৰিচয় ডাঙি ধৰিছিল[১৫৮]। পিছত ড মহেশ্বৰ নেওগে ফলিৰ প্ৰায় সম্পূৰ্ণ পাঠ উদ্ধাৰ কৰি অসমীয়া অনুবাদ আৰু ফলিখনিৰ ঐতিহাসিক গুৰুত্ব সম্পৰ্কে ভালেখিনি তথ্য পূৰ্ণ সংবাদেৰে 'প্ৰকাশত' প্ৰকাশ কৰে[১৫৯]। ফলিখনি দুই পিঠিত লিখা। প্ৰথম পিঠিত ১৪ শাৰী আৰু দ্বিতীয় পিঠিত ১৫ শাৰীৰ লেখা বিদ্যমান। ফলিখনিৰ আখৰে ধেনুখনা ফলি, খিলামৰা ফলি সদিয়া চেপাখোৱা ফলি আৰু পায়া তাম্ৰেশ্বৰী মন্দিৰৰ ফলিৰ লগত তাৰ সাদৃশ্য প্ৰদৰ্শন কৰে। বিশেষকৈ ই আৰু লুপ্ত অ ৰ ৰূপ পৰৱৰ্তী চেপাখোৱা লিপিৰে অভিন্ন। ব ৱ আৰু ৰ কাম একমাত্ৰ 'ব' আখৰৰদ্বাৰা চলোৱাটো ইয়াৰ আন এটি মন কৰিবলগীয়া বৈশিষ্ট্য। শ, স আৰু ষ ৰ সাদৃশ্যিক প্ৰয়োগ ফলিখনত দেখা যায়।

(৪৩) মহামাণিক্য প্ৰদত্ত লংকা শৈললেখ (খ্ৰী চতুৰ্দশ শতাব্দী)

নগাওঁ লংকাৰপৰা অসম ৰাজ্যিক সংগ্ৰহালয়ে সংগ্ৰহ কৰা এই শৈললেখনিত বাৰটা শাৰী আছে। লিপিখনিৰ তলত অংকিত হৈছে মাইকী গাহৰী এজনীৰ ওপৰত থিয়হৈ থকা এটা গাধৰ বৈখিক চিত্ৰ। লিপিখনিৰ অক্ষৰসমূহ গছতল

১৫৭ নেওগ, মহেশ্বৰ—প্ৰা শা পৃ ৯৬ ৯৮

১৫৮ বৰুৱা, সৰ্বেশ্বৰ—চতুৰ্দশ শতিকাৰ চুটীয়া ৰাজত্ব, মণিদীপ, ৫/৩ সংখ্যা, পৃ ২১১

১৫৯ নেওগ, মহেশ্বৰ—বৰমূৰ্তিয়া বিল তাম্ৰপত্ৰ, ৩১৪ শক' প্ৰকাশ, জুলাই, ১৯৭৬, পৃ ৮৫ ৯৩

স্তম্ভলেখবদবে। অধিকাংশ অক্ষৰেই আধুনিক ৰূপ পৰিগ্ৰহ কৰিছে যদিও কোনো কোনো অক্ষৰত দেৱনাগৰী আৰু খ্ৰীষ্টীয় নৱম-দশম শতাব্দীত উত্তৰ ভাৰতত প্ৰচলিত অন্য আঞ্চলিক পূৰ্বী লিপিৰ স্পষ্ট প্ৰভাৱ পৰিলক্ষিত হয়। ফলিখনিৰ পঠোদ্ধাৰ কৰি এটা ইংৰাজী প্ৰবন্ধৰ যোগেদি প্ৰত্নতত্ত্বপ্ৰেমীসকলৰ দৃষ্টি আকৰ্ষিত কৰে ড প্ৰতাপচন্দ্ৰ চৌধুৰীয়ে[১৬০]।

(৪৪) সদিয়া চেপাখোৱা তাম্ৰলিপি (খ্ৰী পঞ্চদশ শতাব্দী)

হাল বাওঁতে মাটিৰ তলত উদ্ধাৰ হোৱা এই ফলিখন দীৰ্ঘদিনজুৰি সদিয়া চেপাখোৱা মৌজাৰ মৌজাদাৰ নীলকণ্ঠ গোঁসাইদেৱৰ হাতত আছিল। পিছত ড লীলা গগৈৰ যোগেদি ড মহেশ্বৰ নেওগে তাম্ৰফলিখনি সংগ্ৰহ কৰি তাৰ মূল পাঠ আৰু অসমীয়া অনুবাদ 'সংজ্ঞা'ত[১৬১] প্ৰকাশ কৰে। দুয়ো পিঠিত লিখা ফলিখনিৰ প্ৰথম পিঠিত ১২ শাৰী আৰু দ্বিতীয় পিঠিত ২৩টা শাৰী দেখা যায়। তাম্ৰফলিৰ 'চ' ৰ অৰ্ধবৃত্তটো লম্বৰ বাওঁফালে ভূমি সংলগ্ন ৰূপত আছে। ম আৰু স ৰ অভিন্নৰূপ মন কৰিবলগীয়া। ব, ৱ আৰু ৰ প্ৰকাশক লিপি হ'ল ব। ত ৰ যুক্তৰূপত দেৱ নাগৰীৰ প্ৰভাৱ স্পষ্ট। ই আৰু ঈ ৰ শিৰোৰেখাৰ ওপৰত থকা উৰ্ধমুখী চৈতনডাল দেখা পোৱা নাযায়। শ, স আৰু ষ ৰ যাদৃশ্চিক প্ৰয়োগৰ উপৰি ড দ ৰ পাৰ্থক্যহীনতা আ⁻ চকুত পৰা বৈশিষ্ট্য।

(৪৫) পায়া তাম্ৰেশ্বৰী (দিক্কৰবাসিনী) মন্দিৰ শাসন (খ্ৰী পঞ্চদশ শতাব্দী)

এই শিলালেখখনি ইংৰাজী ১৯৫৮ চনত অৰুণাচল প্ৰদেশৰ লোহিত জিলাৰ পায়াৰ নিকটৱৰ্তী তাম্ৰেশ্বৰী মন্দিৰৰ দেৱালত (প্ৰাকাৰ) পোৱা গৈছিল। শিলালেখখনিৰ ভাষা সংস্কৃত আৰু সি পাঁচ শাৰীত সম্পূৰ্ণ হৈছে। ফলিখনিৰ কথা জয়জয়তে ভাৰতীয় অভিলেখ বিভাগৰ বাৰ্ষিক প্ৰতিবেদনত প্ৰকাশ পোৱাৰ[১৬২] প্ৰায় দহবছৰ পিছত ড দীনেশচন্দ্ৰ সৰকাৰে সেইখনিৰ পাঠোদ্ধাৰ কৰিএটি প্ৰবন্ধৰ

---

১৬০ Choudhury, P C—Historical Significance of the stone inscription from Lanka (Nowgong, Assam) in *JARS* Vol XXIII, PP 57-63

১৬১ সংজ্ঞা, দ্বিতীয় বছৰ, দ্বিতীয় সংখ্যা, পৃ ৯১ ১০১

১৬২ *Annual Report on Indian Epigraphy*, 1957, P 56

তলে তাক প্ৰকাশ কৰে[১৬৩]। ড সৰকাৰৰ পাঠ[১৬৪] ড নেওগে তেওঁৰ 'বৰমূৰ্ত্তিয়া বিল তাম্ৰপত্ৰ' শীৰ্ষক প্ৰবন্ধত উল্লেখ কৰা দেখা যায়[১৬৫]।

(৪৬ কামৰূপেশ্বৰ মাধৱদেৱৰ নীলাচল তাম্ৰশাসন (খ্ৰী পঞ্চদশ শতাব্দী)

তাম্ৰফলিখনিৰ পাঠ জয়ন্তয়তে প্ৰকাশ কৰে ড মহেশ্বৰ নেওগে[১৬৬]। পিছত ড দীনেশচন্দ্ৰ সৰকাৰেও আন এটি উন্নত পাঠ পোহৰলৈ আনে[১৬৭]। ড নেওগৰ 'প্ৰাচ্য শাসনাৱলী'ৰ অন্তৰ্গত উক্ত ফলিৰ পাঠটি[১৬৮] ড সৰকাৰৰ পাঠৰ আধাৰত উন্নীত কৰা। ফলিৰ 'চ'ৰ অৰ্ধবৃত্তটো লম্বৰ বাওঁহাতে অৱস্থিত, ঠ টো ডিম্বাকাৰ এটি বস্তু। ব, ৱ আৰু ৰ বুজাবলৈ 'ৱ'ৰ ব্যৱহাৰ চকুত লগা। খ লিপিত কৈথী বা মৈথিলী ৰূপ দেখা যায়। ড আৰু 'ক্ষ'ই লিপি পৰিবৰ্তনৰ পুৰণি অৱস্থা সূচনা কৰা যেন লাগে।

(৪৭) নীলাচল কামাখ্যা মন্দিৰৰ শিলৰ ফলি (খ্ৰী ষোড়শ শতাব্দী):

কামাখ্যা দেৱীৰ মূল মন্দিৰলৈ সোমোৱা অন্তৰালৰ বেৰত দুখনি শিলালিপি আছে। ফলি দুখনৰ তাৰিখ ১৪৮৭ শক। খাঁ চৌধুৰী আমানত উল্লা আহমদৰ 'কোচবেহাৰেৰ ইতিহাস'[১৬৯], পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ 'কামৰূপত কোচৰজাৰ

---

১৬৩ Paya Tamreswari (Dikkaravasini) Temple inscription of Muktadharmanarayana, Saka 1364 (1442 A D) in *Journal of Ancient Indian History* Vol I, part I & II, PP 17 21 and *Some Epigraphical Records of the Medieval period from Eastern India*, 1979, PP 1 5

১৬৪ শিলালেখৰ পাঠ—(শিৱ) চৰণ প্ৰসাদাত (দাৎ) বৃদ্ধ ৰাজ তন/য় শ্ৰী শ্ৰীযুত মুক্তা ধৰ্ম নাৰায়ণেন/ শ্ৰী শ্ৰীমতী (ত্যা) দিগ (ক) ৰ বাসিন্যা ইষ্টকা/দি বিৰচিত প্ৰাকাৰ নিৰ (ৱ) দ্ধ কৃ/ত ॥ আগ্ৰহায়ণি (নি) কে শক (কে) ১৩৬৪।'

১৬৫ প্ৰকাশ, ১৯৭৬, জুলাই পৃ ৮৫ ৯৩

১৬৬ The Nilachal grant of an unknown Kamarupa king in *Journal of the University of Gauhati*, Vol XVI-XVII

১৬৭ *Journal of the Ancient Indian History*, Vol II, PP 66 83

১৬৮ প্ৰা শা, পৃ ৯৮ ১০৩

১৬৯ খাঁ চৌধুৰী—কোচবেহাৰেৰ ইতিহাস, প্ৰথমখণ্ড, পৃ ১২৬-২৭

কীৰ্ত্তিচিন'[১৭০], ধৰণীকান্ত দেৱশৰ্মাৰ 'কামাখ্যা তীৰ্থ'[১৭১] আৰু 'প্ৰাচ্য শাসনাৱলী'ত[১৭২] উক্ত ফলিৰ পাঠ সংকলিত হৈছে।

(৪৮) মহাৰাজ নৰনাৰায়ণৰ মুদ্ৰাৰ লিপি (খ্ৰী ষোড়শ শতাব্দী) **ঃ**

ষোড়শ শতিকাৰ অসমীয়া লিপিৰ নিদৰ্শনৰূপে নাৰায়ণী ৰূপৰ মোহৰসমূহবো নামোল্লেখ কৰিব পাৰি। মুদ্ৰাসমূহৰ সমুখ ভাগত আছে—'শ্ৰীশ্ৰীমন্নৰ নাৰায়ণ ভূপালস্য শাকে ১৪৭৭। পিঠি ফালত পোৱা যায়—'শ্ৰীশ্ৰীশিৱচৰণ কমলমধুকৰস্য[১৭৩]।

(৪৯) হয়গ্ৰীৱ মাধৱৰ মন্দিৰৰ শিলৰ ফলি (খ্ৰী ষোড়শ শতাব্দী) **ঃ**

হয়গ্ৰীৱ মাধৱৰ মন্দিৰ প্ৰাকৃতিক দুৰ্যোগত ধ্বংস হোৱাৰ পিছত ৰঘুদেৱে উক্ত মন্দিৰটো পুনৰ্নিৰ্মাণ কৰি শিলৰ ফলি কৰাই দিছিল। মাধৱ মন্দিৰৰ দুঠাইত ফলি দুখন থাকি দিয়া দেখা যায়। প্ৰথমখনি আছে জংঘাশীৰ্ষত। এই খনিৰ পাঠ খাঁ চৌধুৰী আমানতউল্লা আহমেদ[১৭৪], সোণাৰাম চৌধুৰী[১৭৫], আৰু ড মহেশ্বৰ নেওগে[১৭৬] তেওঁলোকৰ গ্ৰন্থ আৰু প্ৰবন্ধত উল্লেখ কৰে। দ্বিতীয়খনি অৰ্দ্ধভগ্ন ৰূপত দেখা যায়—মাধৱ মন্দিৰৰ দ্বাৰশাখাৰ শীৰ্ষত। ড ধৰ্মেশ্বৰ চুতীয়াই ফলিখিনিৰ পাঠোদ্ধাৰ কৰে—অসম্পূৰ্ণভাৱে[১৭৭]।

(৫০) চামধৰা গড়ৰ ৰণজয়ৰ আৰু ভণ্ডাৰী গোসাইৰ গড় নিৰ্মাণৰ শিলৰ ফলি (খ্ৰী সপ্তদশ শতিকা) **ঃ**

চামধৰা গডৰ ৰণজয়ৰ শিলৰ ফলি দুখন। শৈলস্তম্ভ এটাৰ বহল ফালটোত এখন আৰু ঠেক ফালটোতে আনখন ফলি উৎকীৰ্ণ হৈছে। তৃতীয়খনি ফলি তোমোৰাগুৰিৰ

---

১৭০ চেতনা, ৫ম বৰ্ষ, সপ্তম সংখ্যা পৃ ৩৬৫

১৭১ দেৱশৰ্মা, ধৰণীকান্ত—কামাখ্যা তীৰ্থ, পৃ ২

১৭২ প্ৰা শা, পৃ ২

১৭৩ Bothan, A M—*Catalogue of the Provincial Coin Cabinet* দ্ৰষ্টব্য।

১৭৪ খাঁ চৌধুৰী—কোচবেহাৰেৰ ইতিহাস, প্ৰথম খণ্ড, পৃ ১২২ ২২

১৭৫ চেতনা, ৪ৰ্থ বৰ্ষ, ৮ম সংখ্যা, পৃ ২১৯

১৭৬ প্ৰা শা, পৃ ৩

১৭৭ A Fragmentary Stone Epigraph From the Temple of Hayagriva-Madhava at Hajo, in Souvenir, Seminar on *Legends and Archaeology of the North East*, 1985, PP 21 22

এটা প্ৰকাণ্ড গ্ৰেনাইট শিলত খোদিত আছিল। কলীয়া ভোমোৰা দলং নিৰ্মাণৰ সময়ত উক্ত ফলিখনি কাটি আন ঠাইত সংস্থাপন কৰা হৈছে। এই লিপিখনৰ শাৰীৰ সংখ্যা—৬। প্ৰথম ফলি দুখনিৰ পাঠ জয়জয়তে পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে প্ৰকাশ কৰিছিল[১৭৮]। সেই পাঠেই 'প্ৰাচ্য শাসনাৱলী'ত সোমাইছে। ফলি দুখনৰ সমীক্ষামূলক পাঠ গ্ৰন্থকাৰে প্ৰকাশ কৰে[১৭৯]। তৃতীয়খনি ফলিৰ পাঠো গ্ৰন্থকাৰেই ড আনন্দ মোহন মুখোপাধ্যায়, সৰ্বশ্ৰী সতীশচন্দ্ৰ ভট্টাচাৰ্য আৰু পুৰ্ণেশ্বৰ নাথৰ সহযোগত উদ্ধাৰ কৰি প্ৰকাশ কৰিছিল[১৮০]।

(৫১) কমতাপুৰৰ কামতেশ্বৰী গোসানীৰ মন্দিৰৰ শিলৰ ফলি (খ্ৰী সপ্তদশ শতাব্দী) ঃ

ইং ১৬৬৫ খ্ৰীষ্টাব্দত মহাৰাজ প্ৰাণ নাৰায়ণে কমতাপুৰৰ (গোসানীমাৰী) কামতেশ্বৰী মন্দিৰ নিৰ্মাণ কৰিছিল। উক্ত মন্দিৰৰ দ্বাৰলিপি 'কোচবেহাৰেৰ ইতিহাস'[১৮১] আৰু 'প্ৰাচ্য শাসনাৱলীৰ[১৮২] অন্তৰ্ভুক্ত হৈছে।

(৫২) মোগলৰ বৰটোপত গদাধৰসিংহ স্বৰ্গদেৱৰ লেখা (খ্ৰী সপ্তদশ শতাব্দী)

এই বৰটোপটো ডিব্ৰুগড় জিলাৰ উপায়ুক্তৰ আবাস গৃহৰ সমুখত আছিল। বৰটোপটোত ফাৰ্চী আৰু অসমীয়া লিপি পোৱা যায়[১৮৩]। অসমীয়া পাঠ প্ৰাচ্য শাসনাৱলী ৰ অন্তৰ্ভুক্ত হৈছে[১৮৪]।

(৫৩) ৰুদ্ৰসিংহৰ লেপেটকটা আৰু জয়সাগৰৰ সদাশিৱ মন্দিৰৰ তাম্ৰৰ ফলি (খ্ৰী অষ্টাদশ শতাব্দী) ঃ

প্ৰথমখনি ফলি ডিব্ৰুগড়ৰ লেপেটকটা বাগিছাত কোৰ মাৰোঁতে উদ্ধাৰ হয় আৰু

---

১৭৮ শৰ্মা, বেণুধৰ—(সম্পা) হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী, পৃ ২৭২

১৭৯ দাস, নাৰায়ণ—শোণিতপুৰীয়া সংস্কৃতিৰ ৰূপৰেখা, পৃ ১১

১৮ ফলিৰ পাঠ—স্বস্তি শ্ৰীশ্ৰী সকলম/জলালয় স্বৰ্গনাৰায়/ন দেৱ। আগে জৱনক নিপা / ত কৰি পাচে পৰ্ব্বত কাটি গড় / শ্ৰীভণ্ডাৰি গোসাই কৰি / লেন্ত ॥ শক ॥ ১৫৩৮

১৮১ কোচবেহাৰেৰ ইতিহাস, পৃ ১৬৬, পাদটীকা।

১৮২ প্ৰা শা পৃ ৫

১৮৩ The work of the *Kamarupa Anusandhan Samaii*, 1920 P 91

১৮৪ বৰটোপৰ পাঠ—শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণদেৱ সৌমাৰেশ্বৰ গদাধৰ সিংহেন জৱনং জিত্বা গুৱাকহট্যামিদমস্ত্ৰম্ প্ৰাপ্তম শাকে ১৬০৪ ॥ প্ৰা শা, পৃ ১০৯

দ্বিতীয়খনি তামৰ ফলি শিৱসাগৰ কলেজৰ সংগ্ৰহালয়ত সংৰক্ষিত হৈছে। ফলিৰ পাঠ প্ৰকাশ কৰে ড মহেশ্বৰ নেওগে[১৮৫]।

(৫৪) **সুন্দৰীদিয়া সত্ৰৰ তামৰ ফলি** (খ্ৰী অষ্টাদশ শতাব্দী) ঃ

এইখনি ফলি স্বৰ্গদেৱ শিৱসিংহই ১৬৬ শকত প্ৰদান কৰা। ফলিৰ পাঠ হৰিনাৰায়ণ দত্ত বৰুৱা[১৮৬], ডিম্বেশ্বৰ নেওগ[১৮৭], ড মহেশ্বৰ নেওগ[১৮৮] আৰু বৰ্তমান গ্ৰন্থকাৰে[১৮৯] প্ৰকাশ কৰে।

(৫৫) **পৰীক্ষিত নাৰায়ণৰ ৰবটোপৰ লেখা** (খ্ৰী অষ্টাদশ শতাব্দী) ঃ

কামৰূপৰ কোচ ৰজা পৰীক্ষিত নাৰায়ণৰ ৰবটোপটি বৰ্তমানে অসম ৰাজ্যিক সংগ্ৰহালয়ত সুৰক্ষিত। ইয়াৰ গাত লিখা আছে—'শ্ৰীশ্ৰীপৰীক্ষিত নাৰায়ণ কাৰিত মিদং ২ শক ৬৩২'[১৯০]।

(৫৬) **পাইকক্ৰয় আৰু হয়গ্ৰীৱ মাধৱলৈ দানৰ তামৰ ফলি**[১৯১] (খ্ৰী উনবিংশ শতাব্দী) ঃ

(৫৭) **বতাকুছীয়া দুৱৰীয়া নিযোগৰ তামৰ ফলি**[১৯২] (খ্ৰী উনবিংশ শতাব্দী)

(৫৮) **পশ্চিমপাৰ পৰগণাৰ ব্ৰহ্মাণ্ডৰ তামৰ ফলি**[১৯৩] (খ্ৰী উনবিংশ শতাব্দী)

খ কলমৰ শৈলীত অসমীয়া লিপিৰ উৎস ঃ

পূৰ্বভাৰতীয় লিপি বিকাশৰ ক্ষেত্ৰত ইতিমধ্যে উল্লেখ কৰি অহা হস্তলিখিত গ্ৰন্থসমূহ অসমীয়া লিপি বিকাশৰ ক্ষেত্ৰতো সমানেই গুৰুত্বপূৰ্ণ। দ্বিৰুক্তিৰ ভয়ত সিবোৰ ইয়াত উল্লেখ কৰা ন'হল। দ্বাদশ শতাব্দীৰ 'চৰ্যাচৰ্যবিনিশ্চয়' আৰু পঞ্চদশ

---

১৮৫ অ সা স প, ৩৯ বছৰ প্ৰথম সংখ্যা আৰু প্ৰা শা, পৃ ৯ আৰু ১০৪

১৮৬ দত্তবৰুৱা, হৰিনাৰায়ণ—প্ৰাচীন কামৰূপীয় কায়স্থ সমাজৰ ইতিবৃত্ত, পৃ ২৮৩

১৮৭ বাঁহী, ১৯ বৰ্ষ পৃ ১১৫

১৮৮ প্ৰা শা, পৃ ২৬

১৮৯ প্ৰকাশ, ১৯৮০, মাৰ্চ সংখ্যা।

১৯০ প্ৰা শা, পৃ ১

১৯১ প্ৰা শা, পৃ ১৩৯

১৯২ প্ৰা শা, পৃ ১৪৭-৪৮

১৯৩ প্ৰা শা, পৃ ১৫০ ৫১

শতাব্দীৰ 'কৃষ্ণ-কীৰ্তন'ৰ হস্তলিখিত লিপিৰ কথা বাদ দিলে আমাৰ হাতলৈ আছে খ্ৰীষ্টীয় চতুৰ্দশ শতাব্দীত অনুলিপি প্ৰস্তুত কৰা 'শ্ৰীমদ্ভাগৱত গীতা'ৰ 'সুবোধিনী টীকা'ৰ সাঁচিপতীয়া হস্তলিখিত পুথিখনি। বিষ্ণুদত্ত দ্বিজে প্ৰতিলিপি প্ৰস্তুত কৰা এই পুথিখনি ১২৭১ শকত নকল কৰা। পুথিখনৰ অ, আ উ ক, গ, ঘ, ণ ভ, থ, দ, ন ব, ম, য়, ল, শ, ষ আৰু বহুকেইটা যুক্তাক্ষৰত দেৱনাগৰীৰ হেঁচা লক্ষ্য কৰিবলগীয়া[১৯৪]। নগাওঁ বালিসত্ৰত সংৰক্ষিত 'চিত্ৰ ভাগৱত'ৰ দশমস্কন্ধৰ তুলাপতীয়া পুথিখনি খ্ৰীষ্টীয় সপ্তদশ শতাব্দীৰ সম্পদ[১৯৫]। অষ্টাদশ আৰু ঊনবিংশ শতাব্দীত লিখা বাৰে বহুণীয়া হস্তলিখিত অসমীয়া পুথিৰ অভাৱ নাই।

গ অসমীয়া লিপি চৰ্চাৰ ইতিহাস

অসমীয়া লিপি চৰ্চাৰ ইতিহাস বৰ দীঘলীয়া নহয়। পুৰণি অসমত ৰাজত্ব-কৰা পুষ্যবৰ্মা শালস্তম্ভ আৰু ব্ৰহ্মপালবংশী নৃপতিসকলৰদ্বাৰা প্ৰদত্ত শৈললেখ আৰু তাম্ৰ শাসনসমূহৰ পাঠোদ্ধাৰৰ লগে লগেই অসমীয়া লিপি চৰ্চাৰ শুভাৰম্ভ হোৱা বুলিব পাৰি। ড বুহলৰৰ '*Indian Palaeography*' গ্ৰন্থত নব্য ভাৰতীয় লিপিমালাৰ বিকাশৰ ক্ষেত্ৰত বঙলা লিপিৰ বিষয়ে কৰা আলোচনা অসমীয়া লিপিৰ ক্ষেত্ৰতো প্ৰযোজ্য। পণ্ডিত গৌৰীশংকৰ হিৰচন্দ ওঝাৰ 'প্ৰাচীন ভাৰতীয় লিপিমালা'তো ওঝাই ড বুহলৰ প্ৰদৰ্শিত পথেৰে আগবাঢ়ি পূৰ্ব ভাৰতীয় লিপিমালাৰ বিকাশৰ সমস্ত ধাৰাক 'বঙলা লিপি' বিকাশৰ ধাৰাৰূপে চিনাক্ত কৰিছে। সেইবাবেই পণ্ডিত ওঝাই বঙলা লিপিৰ দৃষ্টান্তৰূপে অসম, বংগদেশ, বিহাৰ, মিথিলা, নেপাল আৰু উৰিষ্যাত প্ৰাপ্ত শৈলশাসন আৰু দান-পত্ৰমালাক দ্বিধাহীনভাৱে দেখুৱাবলৈ সাহস পাইছে[১৯৬]। সাম্প্ৰতিক কালৰ সুখ্যাত পুৰালিপিতত্ত্ববিদ ড আহমদ হাসান দানীয়ে তেওঁৰ '*Indian Palaeography*' গ্ৰন্থত 'Assam had no separate script of its own The late inscriptions found there followed the style of Bengal'[১৯৭] বুলি দিয়া মন্তব্য ড° বুহলৰ কিংবা পণ্ডিত ওঝাই কৰা একপাক্ষিক বিচাৰৰ

---

১৯৪ Choudhury, P C—*A Catalogue of Sanskrit Manuscripts at the DHAS* introduction, P VI

১৯৫ দত্তবৰুৱা, হৰিনাৰায়ণ—(সম্পা) চিত্ৰ ভাগৱত, পাতনি, পৃ ৮

১৯৬ ওঝা—প্ৰাচীন ভাৰতীয় লিপিমালা, পৃ ৭৭

১৯৭ Dani, A H—*In P*, P 110

পুনৰাবৃত্তিমাত্ৰ। ড দানীয়ে পূৰ্বভাৰতীয় বঙলা আৰু নেপালী লিপিৰ বিকাশৰ ধাৰা স্বকীয়া শিৰোনামত আলোচনা কৰি অসমীয়া লিপিৰ সন্দৰ্ভত উপৰ্যুক্ত মন্তব্য দিয়াটো দুৰ্ভাগ্যৰ কথা। ৰাখালদাস বন্দ্যোপাধ্যায়ে বঙলা লিপিৰ উৎপত্তি আৰু বিকাশৰ ৰূপৰেখা অংকন কৰিবলৈকে বংগদেশৰ উপৰি বিহাৰ আৰু অসমত উদ্ধাৰ হোৱা শিলালেখ আৰু তাম্ৰশাসনৰো সহায় ল'ব লগাত পৰিছে[১৯৮]। পিছে আজিৰ অসম আৰু বংগদেশত যে একে সময়তে পূৰ্বী লিপিৰ বিকাশসম্ভৱ হৈছিল, সেই সত্যটিকহে বন্দ্যোপাধ্যায়ে মুখ খুলি ক'ব পৰা নাই। পদ্মনাথ ভট্টাচাৰ্যই 'কামৰূপ শাসনাৱলী' সম্পাদনা কৰোঁতে প্ৰতিখন শাসনৰ পুৰালিপিতাত্ত্বিক বৈশিষ্ট্যসমূহ উল্লুকিয়াই গৈছে। পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ *Descriptive Catalogue of Assamese Manuscripts* (১৯৩০)ত প্ৰতি খনি সাঁচিপাত তুলাপতীয়া পুথিৰ লিপিয়ে কোনটো শৈলীৰ প্ৰতিনিধিত্ব কৰে, তাৰ উল্লেখ কৰি যোৱাটো মন কৰিবলগীয়া। উক্ত গ্ৰন্থৰ ইংৰাজী পাতনি লেখক ড সূৰ্যকুমাৰ ভূঞায়ো মধ্যযুগীয় অসমীয়া লিপিৰ ভিন্ন শৈলীৰ বৈশিষ্ট্য বৰ্ণনা কৰিছে[১৯৯]। অসমীয়া লিপিৰ উৎপত্তি আৰু বিকাশৰ সন্দৰ্ভত জয় জয়তে প্ৰথম প্ৰণালীবদ্ধ আলোচনা আগবঢ়ায়—স্বৰ্গীয় সৰ্বেশ্বৰ কটকী ডাঙৰীয়াই। 'অসমীয়া প্ৰাচীন লিপি' স্বৰ্গীয় কটকী ডাঙৰীয়াৰ প্ৰথম অসমীয়া পুৰালিপি-তত্ত্ববিষয়ক পুথি। ইয়াত অসমীয়া আৰু ইংৰাজী ভাষাত লিখা দুটা খণ্ড আছে। ইংৰাজী অংশটো ইংৰাজী ১৯৩৫ চনত মহীশূৰত বহা প্ৰাচ্যবিদ্যা মহাসন্মেলনত পাঠ কৰা হৈছিল। নখনি চিত্ৰ ফলকৰ সহায়ত প্ৰত্নতাত্ত্বিক কটকীয়ে অসমীয়া লিপিৰ বিকাশৰ ইতিহাস থূলমূলভাৱে ভাঙি ধৰাত সফল হৈছিল। গ্ৰন্থখনিত এঘাৰখনি প্ৰাক্ আহোম যুগীয় শিলালেখ আৰু তাম্ৰলিপিৰ দৃষ্টান্তৰে পূৰণি অসমীয়া লিপি বিকাশৰ ধাৰাটি প্ৰোজ্জ্বল কৰিবলৈ বিচৰা প্ৰচেষ্টা শলাগৰ যোগ্য[২০০]। ইয়াৰ পূৰ্বে সোণাৰাম চৌধুৰী ডাঙৰীয়াই অসম সাহিত্য সভাৰ

---

১৯৮ Banerji, R D—*The Origin of the Bengali Script, 1919* দ্ৰষ্টব্য।

১৯৯ ড ভূঞাৰ পাতনিখনৰ শিৰোনাম হ'ল—A Note on Assamese Manuscripts উক্ত প্ৰবন্ধটো পিছত *Studies in the Literature of Assam (1956)*-ৰ অন্তৰ্ভুক্ত হয়।

২০০ প্ৰত্নতাত্ত্বিক কটকীৰ *Ancient Assamese Script* বা 'অসমীয়া প্ৰাচীন লিপি'ৰ প্ৰকাশ কাল-ইং ১৯৩৬ চন।

পঞ্চম বুৰঞ্জী অধিৱেশনৰ সভাপতি ৰূপে প্ৰদত্ত ভাষণতো অসমীয়া লিপিৰ উৎপত্তিৰ সন্দৰ্ভত নাতিদীৰ্ঘ আলোচনা আগবঢ়াইছিল[২০১]। ইংৰাজী ১৯৫৭ চনত প্ৰকাশিত সমালোচক ডিম্বেশ্বৰ নেওগৰ 'অসমীয়া সাহিত্যৰ বুৰঞ্জী'ত 'অসমীয়া লিপিৰ সংক্ষিপ্ত কাহিনী' সুন্দৰভাৱে বৰ্ণিত হৈছে[২০২]। নেওগৰ *New Light on History of Asamiya Literature (1962)* আৰু 'নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী'ত (১৯৬৪) অসমীয়া লিপিৰ কিছুকথা আলোচিত হ'লেও সমালোচকজনাৰ ইংৰাজী ১৯৬৪ চনত প্ৰকাশিত *New Light on Development of Asamiya Script* গ্ৰন্থতহে অসমীয়া লিপিৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে তেওঁৰ দীৰ্ঘম্যাদী গৱেষণাৰ সুফল প্ৰকাশ পায়। ড প্ৰতাপচন্দ্ৰ চৌধুৰীয়ে ইংৰাজী ১৯১৯ চনত প্ৰকাশ কৰা '*The History of Civilisation of the People of Assam*' শীৰ্ষক গৱেষণা গ্ৰন্থত অসমীয় লিপিৰ উৎপত্তিৰ সন্দৰ্ভত যি আলোচনা আগবঢ়াইছে, সি দেখতে চমু হ'লেও একাধিক কালৰপৰা তাৎপৰ্যপূৰ্ণ[২০৩]। ড° মহেশ্বৰ নেওগে 'অসমীয়া সাহিত্যৰ ৰূপৰেখা' (১৯৬২) অথবা 'মণিদীপৰ (১৯৬২) 'লিপি পৰিৱৰ্তন' শীৰ্ষক নিবন্ধৰ যোগেদি অসমীয়া লিপি বিকাশৰ কিছু কথা আলোচনা কৰিলেও এই বিষয়ত তেওঁৰ আলোক সন্ধানী লেখা হ'ল—Origin and Development of Eastern Indian Script', শীৰ্ষক নিবন্ধটিহে[২০৪]। ইংৰাজী ১৯৫৯ চনত প্ৰকাশিত ড সত্যেন্দ্ৰনাথ শৰ্মাৰ 'অসমীয়া সাহিত্যৰ ইতিবৃত্ত'ত অসমীয়া লিপিৰ চমু পৰিচয় পোৱা যায়। সেই আলোচনাই তেওঁৰ 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত'ত (১৯৮১) পৈণত ৰূপ পৰিগ্ৰহ কৰিছেহি[২০৫]। ড লীলা গগৈৰ ভাৰতীয় লিপি আৰু অসমীয়া লিপিৰ বুৰঞ্জী'ত[২০৬]

---

২০১ অসম সাহিত্য সভাৰ ভাষণাৱলী, তৃতীয় ভাগ, পৃ ৮১ ৮২

২০২ নেওগ, ডিম্বেশ্বৰ—অসমীয়া সাহিত্যৰ বুৰঞ্জী, পৃ ৬৬ ৭১

২০৩ Choudhury, P C—*The History of Civilisation of the people of Assam*, PP 363 64

২০৪ ড নেওগৰ এই লেখাটি ভাৰত চৰকাৰৰদ্বাৰা প্ৰকাশিত *Indian System of Writing*' আৰু *S K Bhuyan Commemoration* Vol (1966)-ৰ অন্তৰ্ভুক্ত হৈছে।

২০৫ শৰ্মা, সত্যেন্দ্ৰনাথ—অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত পৃ ৪৯৪-৫০৪

২০৬ শ্ৰীচন্দ্ৰপ্ৰসাদ শইকীয়া সম্পাদিত 'অসমীয়া'ৰ দ্বিতীয় বৰ্ষৰ প্ৰথম সংখ্যাত প্ৰকাশিত উপযুক্ত প্ৰবন্ধটি পিছত 'সাহিত্য-সংস্কৃতি-বুৰঞ্জী'ৰ অন্তৰ্ভুক্ত হয়।

মধ্যযুগীয় অসমীয়া লিপিৰ সবিশেষ একত্ৰিত হৈছে। ড গগৈৰ '*The Buranji's Historical Literature of Assam*' গ্ৰন্থৰ অন্তৰ্গত 'Writing Materials and Script' অধ্যায়তো মধ্যযুগীয় অসমীয়া লিপিৰ কিছু বৈশিষ্ট্য সন্নিবিষ্ট নোহোৱা নহয়[২০৭]। অধ্যাপক তিলক মজুমদাৰে সম্পাদনা কৰা 'সুৰভি সুবীয়া মাত'ত[২০৮] দণ্ডী দত্তৰ 'কাইথেলী লিপি আৰু ভাষা'ৰ উপৰি কৃষ্ণ বৰাৰ 'অসমীয়া লিপিৰ উদ্ভৱ আৰু বিকাশ' সম্পৰ্কীয় দুটা প্ৰবন্ধ সন্নিবিষ্ট হৈছে। খ্ৰীষ্টীয় পঞ্চম শতাব্দীত আৰম্ভ কৰি খ্ৰীষ্টীয় দ্বাদশ শতাব্দীৰ ভিতৰত পুৰণি অসমীয়া লিপি বিকাশৰ প্ৰথম প্ৰণালীবদ্ধ সমীক্ষাত্মক আলোচনাৰ পথ উন্মোচন কৰে প্ৰখ্যাত পুৰালিপিতত্ত্ববিদ্ অধ্যাপক ড ঠাকুৰ প্ৰসাদ বৰ্মাই। আনন্দৰাম বৰুৱা স্মাৰক বক্তৃতাৰূপে প্ৰদান কৰা আলোচিত আলোচনাখিনি 'অসম সাহিত্য সভা'ই গ্ৰন্থাকাৰে ইংৰাজী ১৯৭৬ চনত প্ৰকাশ কৰে। ড বৰ্মাৰ গ্ৰন্থখনিৰ নাম '*Development of Script in Ancient Kamarupa*'[২০৯]। খ্ৰীষ্টীয় ত্ৰয়োদশ শতাব্দীৰেপৰা উনবিংশ শতাব্দীলৈকে পুৰণি অসমীয়া লিপিৰ প্ৰথম বিজ্ঞান ভিত্তিক সমীক্ষাত্মক আলোচনা আগবঢ়ায়—ড মহেন্দ্ৰ বৰাই। বাগ্মীবৰ নীলমণি ফুকন বক্তৃতাৰূপে প্ৰদত্ত আলোচিত আলোচনাখিনি অসম সাহিত্য সভাই চকুত লগাকৈ ছপাই উলিয়ায় ইংৰাজী ১৯৮১ চনত। '*The E olution of Assamese Script*' শীৰ্ষক ড বৰাৰ প্ৰথম অধ্যায় তিনিটতে পূৰ্বভাৰতীয় লিপিৰ প্ৰেক্ষাপটত অসমীয়া লিপিৰ উৎপত্তি আৰু বিকাশৰ ধাৰা আলোক-সন্ধানী ৰূপত প্ৰকাশ পোৱাটো মন কৰিবলগীয়া। অন্তিম অধ্যায়টোত বিবৃত হৈছে—মধ্যযুগীয় অসমীয়া লিপিৰ সবিশেষৰ ইতিহাস। গ্ৰন্থখনিৰ শেষত সংযোজিত ওঠৰ পৃষ্ঠা জোৰা অসমীয়া লিপিৰ ক্ৰমবিকাশৰ চিত্ৰই গ্ৰন্থখনিৰ মহত্ব সন্দেহাতীতভাৱে বৃদ্ধি কৰিছে। শ্ৰীবিভূতি পাচনিৰ অসমীয়া লিপিৰ উৎপত্তি' (সাপ্তাহিক নীলাচল, ১৭ জানুৱাৰী '৭২), অধ্যাপক বিশ্বেশ্বৰ হাজৰিকাৰ 'অসমীয়া লিপি আৰু ভাষাৰ ক্ৰমবিকাশ[২১০] অধ্যাপক নবীনচন্দ্ৰ গোস্বামীৰ 'অসমীয়া লিপিৰ

---

২০৭ Gogoi, L —*Historical Literature of Assam*, PP 318 31

২০৮ প্ৰকাশ কাল ইং ১৯৭৩

২০৯ খ্ৰীষ্টীয় পঞ্চম শতাব্দীত আৰম্ভ কৰি দ্বাদশ শতাব্দীলৈকে পুৰণি প্ৰচলিত কামৰূপীয় লিপিৰ বিকাশৰ ধাৰাটি ড বৰ্মাই ২৪ খনি সৰণীৰ জৰিয়তে প্ৰত্যয় নিয়াৰ পৰাকৈ ভাঙি ধৰাত সফল হৈছে।

২১০ প্ৰবন্ধটো 'অসম গৌৰৱ'ৰ (১৯৭৮) অন্তৰ্ভুক্ত।

চমু ইতিহাস'[২১১], বৰ্তমান গ্ৰন্থাকাৰৰ 'লিপিৰ উদ্ভৱ ভাৰতীয় আৰু অসমীয়া লিপিৰ গুৰিকথা'[২১২], 'অসমীয়া লিপি বিকাশৰ ভিন্ন স্তৰ'[২১৩], 'অসমীয়া স্বৰলিপি বিকাশৰ ধাৰা'[২১৪], 'অসমীয়া ব্যঞ্জনলিপিৰ ক্ৰমবিকাশ'[২১৫], আৰু ড° উপেন্দ্ৰ নাথ গোস্বামীৰ 'অসমীয়া লিপিৰ গুৰিকথা'[২১৬] অসমীয়া লিপি অধ্যয়নৰ উল্লেখযোগ্য নিবন্ধ। ড মুকুন্দ মাধৱ শৰ্মাই তেওঁৰ *Inscriptions of Ancient Assam* সম্পাদন কৰোতে প্ৰতিখনি শাসনৰে লিপিতাত্ত্বিক বৈশিষ্ট্য বৰ্ণাবলৈ পাহৰা নাই। ড° ডিম্বেশ্বৰ শৰ্মাই তেওঁৰ *Kamarupa Sasanavali* ৰ 'The Growth and Development of Assamese Script ছেদত পুৰালেখৰ ভিত্তিত অসমীয়া পুৰণিলিপিৰ উৎপত্তি আৰু বিকাশৰ ধাৰাটি প্ৰত্যয় নিয়াৰ পৰাকৈ সচিত্ৰকৈ উপস্থাপন কৰিছে[২১৭]। 'প্ৰকাশ'ত প্ৰকাশিত ড উপেন্দ্ৰনাথ গোস্বামীৰ 'অসমীয়া লিপিৰ গুৰিকথা' কিছু বহল ৰূপত ইংৰাজী ১৯৮৭ চনত 'অসম প্ৰকাশন পৰিষদে' প্ৰকাশ কৰিছে। 'খ্ৰীষ্টীয় পঞ্চম-শতিকাৰপৰা আৰম্ভ কৰি উনৈশ শতিকালৈকে নিৰৱচ্ছিন্নভাৱে অসমত পোৱা শিলালেখ আৰু তামৰ ফলিত অসমীয়া লিপিয়ে ক্ৰমান্বয়ে বিকাশ লাভ কৰি আধুনিক ৰূপ পাইছে। সেই ধাৰণাকে প্ৰমাণসহ লেখি উলিওৱাৰ ফলত এই পুথিখনৰ সৃষ্টি হৈছে'[২১৮]। অসমীয়া লিপিৰসৈতে সহযোগী বঙলা, মৈথিলী প্ৰভৃতি লিপিৰ ক্ৰমবিকাশৰ অংগাংগী সম্বন্ধ আৰু তাৰ ৰূপভেদৰ প্ৰামাণিকতা যুক্তিনিষ্ঠভাৱে ভাঙি ধৰা ড গোস্বামীয়ে নগাজৰী খনিকৰ গাওঁ প্ৰস্তৰ লিপিত আৰম্ভ কৰি ধৰ্ম পুস্তক'লৈকে আখৰসমূহৰ নিদৰ্শন ভাঙি ধৰাত সাধাৰণ পাঠকেও আনকি প্ৰাচীন অসমীয়া লিপিৰ বিকাশৰ ধাৰাটি সুন্দৰভাৱে উপলব্ধি কৰিব পাৰিব। ড ৰামচৰণ ঠাকুৰীয়াৰ পাঠ সমীক্ষা প্ৰসংগত' (১৯৮১) মূলত' পাঠ সমীক্ষাৰ গ্ৰন্থ যদিও তাত অসমীয়া লিপিৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ

---

২১১ প্ৰবন্ধটো 'অধ্যয়ন পৰিচয়'ৰ (১৯৭৮) অন্তৰ্ভুক্ত।

২১২ দৰং কলেজ আলোচনী, ৰূপালী জয়ন্তী সংখ্যা, ১৯৭১ ৭২

২১৩ অগ্ৰদূত, ১০মে, ১৯৮

২১৪ অ সা স প, ষট ত্ৰিংশ বৰ্ষ, চতুৰ্থ সংখ্যা।

২১৫ অসম কলেজ শিক্ষক সংস্থাৰ আলোচনী, ১৯৮৭

২১৬ প্ৰকাশ, পঞ্চম বৰ্ষ দ্বাদশসংখ্যা।

২১৭ Sarma, D —(ed) *Kamarupa Sasanavali*, Introduction PP 179-198 including fourteen plates

২১৮ গোস্বামী, উপেন্দ্ৰনাথ—অসমীয়া লিপি, আগকথা।

বাৰাটি কথা আৰু ছবিৰ প্ৰমাণেৰে ভাঙি ধৰিছে[219]। অধ্যাপক বিশ্বেশ্বৰ হাজৰিকাৰ 'অসমীয়া ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশ (১৯৮৮)ত অসমীয়া ভাষাৰ বিকাশৰ এটি নতুন সূত্ৰ উত্থাপিত হৈছে যদিও উক্ত গ্ৰন্থৰ আৰম্ভণিতে চতুৰ্থ শতাব্দীৰেপৰা অষ্টাদশ শতাব্দীলৈকে অসমীয়া আখৰৰ ক্ৰমবিকাশৰ আলোক চিত্ৰ আৰু তাৰ পাঠ সন্নিবিষ্ট কৰাৰ ফলত গ্ৰন্থখনিয়ে এফালৰপৰা অসমীয়া পুৰালিপিতত্ত্বৰ গ্ৰন্থলৈ মোট সলোৱা বুলিব পাৰি। থূলমূলভাৱে এয়ে অসমীয়া লিপি অধ্যয়নৰ চমু ইতিহাস।

ঘ অসমীয়া লিপিৰ উৎপত্তি ঃ ভিন্নমত ঃ

অসমীয়া লিপিৰ উদ্ভৱৰ ক্ষেত্ৰত দুটা মত পোৱা যায়। প্ৰথম মতানুযায়ী পূৰ্বী কুটিলৰ কালক্ৰমত অসমীয়া লিপিৰ বিকাশ ঘটে। বহুকেইজন অনা অসমীয়া আৰু অসমীয়া পণ্ডিত এই মতৰ প্ৰবক্তা। কুটিল সম্পৰ্কে ইতিমধ্যে বহলাই আলোচনা কৰি অহা হৈছে। অনা অসমীয়া পণ্ডিতসকলে অৱশ্যে অসমীয়া লিপিৰ কথা সুকীয়াকৈ আলোচনা কৰা নাই, কিন্তু বঙলা লিপিৰ বিকাশৰ ক্ষেত্ৰত আগবঢ়োৱা আলোচনাই অসমীয়া লিপিৰ উদ্ভৱৰ ক্ষেত্ৰতো বিশেষভাৱে প্ৰযোজ্য। আনহাতে ড বুহলৰে কুটিল লিপিৰ পৰিবৰ্তে 'সূক্ষ্মকোণী লিপি' নামকৰণৰ হকে অভিমত আগবঢ়াইছিল। এই 'সূক্ষ্মকোণী লিপি'কেই আলবেৰুণীয়ে 'সিদ্ধমাতৃকা' লিপিৰূপে অভিহিত কৰাটো স্মৰণযোগ্য[220]। সৰ্বেশ্বৰ কটকীয়ে 'প্ৰাচীন অসমীয়া লিপি'ত লিখিছিল—'গুপ্তযুগৰ পূব ভাৰতীয় লিপিৰ পৰিবৰ্তন আৰু সংমিশ্ৰণ ঘটি কুটিল লিপিৰপৰা কামৰূপ লিপি বা পুৰণি অসমীয়া লিপিৰ উৎপত্তি হৈছে[221]। প্ৰত্নতাত্ত্বিক জনাৰ সিদ্ধান্তক পৰৱৰ্তী কেবাজনো অসমীয়া পণ্ডিতে স্বাগত জনোৱা দেখা যায়। দৃষ্টান্ত স্বৰূপে, ইংৰাজী ১৯৫৭ চনত প্ৰকাশিত সাহিত্যৰ বুৰঞ্জীত সমালোচক ডিম্বেশ্বৰ নেওগে লিখিছিল—'অসমীয়া লিপিৰ মূল কুটিল লিপি। বৌদ্ধ আৰু পালৰজাসকলৰ কালত উৰিষ্যাৰপৰা নেপাললৈ আৰু কাশ্মীৰৰ সীমাৰপৰা অসমলৈ চলিছিল[222]। ড° মহেশ্বৰ

২১৯ ঠাকুৰীয়া, ৰামচৰণ—পাঠ সমীক্ষা প্ৰসংগত, পৃ ২২-৪০

২২০ সিদ্ধমাতৃকা লিপিকেই ফ্লীট চাহাবে কুটিল আখ্যা দিছিল অৰ্থাৎ সিদ্ধমাতৃকা আৰু কুটিল অভিন্ন। Ziogon-এ হৰিয়ুজী হস্তলিখিত পাণ্ডুলিপিৰ অক্ষৰৰ ক্ষেত্ৰত দিয়া মন্তব্যই ইয়াৰ প্ৰমাণ। সবিশেষৰ বাবে ড° দানীৰ প্ৰাগুক্ত গ্ৰন্থৰ ১১২-১৩ পৃষ্ঠা চাওক।

২১১ কটকী, সৰ্বেশ্বৰ—প্ৰাচীন অসমীয়া লিপি, পৃ ১৮-১৯

২২২ নেওগ, ডিম্বেশ্বৰ—অসমীয়া সাহিত্যৰ বুৰঞ্জী, পৃ. ৭১

নেওগ[২২৩] আৰু ড° সত্যেন্দ্ৰনাথ শৰ্মায়ো[২২৪] উক্ত মতৰ অনুকূলে মন্তব্য আগবঢ়াইছে। ড ঠাকুৰ প্ৰসাদ বৰ্মাই পুৰণি কামৰূপীয় লিপিৰ উৎপত্তিৰ পথ খেদি ক'বলৈ বিচাৰে যে the Assamese scripts can seek their parentage to the Brahmi script which later on developed in North India into proto regional script, popularly called by the palaeographers Kutila or 'acute angaled' or Siddhamatrika script[২২৫] ড প্ৰতাপচন্দ্ৰ চৌধুৰীয়ে ক'বলৈ বিচাৰে যে পুৰণি কামৰূপৰ ভাষাই সময়ৰ সোঁতত ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক পৰিৱৰ্তন ঘটাই ছিৰেন্ চাঙৰ দৃষ্টিতে differs a little from that of Mid India'ৰ[২২৬] ৰূপত ধৰা দিয়াৰ দৰে এই দেশৰ লিপিও স্বকীয়ভাৱে বিকশিত হ'বলৈ ধৰে[২২৭]। অৱশ্যে পুৰণি কামৰূপীয় লিপিত ড চৌধুৰীয়ে দেৱনাগৰী লিপিৰ হেঁচা লক্ষ্য কৰাটো উল্লেখযোগ্য। ড ঠাকুৰপ্ৰসাদ বৰ্মায়ো পুৰণি কামৰূপীয় লিপিৰ বিকাশত নগৰী লিপিৰ প্ৰভাৱ স্বীকাৰ কৰিও ক'বলৈ বাধ্য হৈছে যে অসমৰ পুৰণি লিপিয়ে 'has maintained its individuality, may be in case of only a few letters or in the mode of attaching medium sign'[২২৮]

দ্বিতীয় মতানুযায়ী অসমীয়া লিপিৰ জননী কুটিল নহয় প্ৰাক্ গুপ্ত যুগতেই অসমত প্ৰৱেশ কৰা ব্ৰাহ্মী লিপিহে। সমালোচক ভিৰেশ্বৰ নেওগেই সম্ভৱত এই মতৰ প্ৰধান প্ৰবক্তা। ইংৰাজী ১৯৬৪ চনত প্ৰকাশিত তেওঁৰ অসমীয়া লিপি সম্পৰ্কীয় গ্ৰন্থত এই মতটো দাঙি ধৰে[২২৯]। নেওগৰ এনে মন্তব্যৰ হেতু-

২২৩ নেওগ, মহেশ্বৰ—অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃ ৪২৭

২২৪ শৰ্মা সত্যেন্দ্ৰনাথ—অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ ৪৯৭

২২৫, Verma, T P —*DSAK*, P 31

২২৬ Watters,—*Yuan Chwang*, II, P 185

২২৭ Choudhury, P C —*History of Civilization of the people of Assam*, P 364

২২৮ Verma, T P —*Ibid*, P 31

২২৯ Like the old orthodox but erroneous theory ascribing the parenthood of Kamarupa speech to Magadhi, this similarly old and pet theory of Kamarupa script being derived though Gupta and Kutila script is born of imagination but not borne by facts'—*New Light of Development of Asamiya Script*, P 101

পুৰণি কামৰূপীয় লিপি, কুটিল আৰু গুপ্তলিপিৰ জন্মৰ ব্যৱধানৰ ওপৰত সংস্থাপিত। গুপ্তলিপি আৰু কুটিলশৈলীৰ লিপি বিকাশৰ কাল যথাক্ৰমে খ্ৰীষ্টীয় চতুৰ্থ আৰু ষষ্ঠ শতাব্দীৰূপে নিৰ্দেশিত হৈছে। সন্দেহাতীতভাৱে সংস্থাপিত খ্ৰীষ্টীয় পঞ্চম শতাব্দীৰ উমাচল লিপিত থকা ১৭টা একক ব্যঞ্জন আৰু পাঁচটা যুক্ত ব্যঞ্জনৰ ভিতৰত ত দ, ধ ন, ভ, ম, য, ৰ, ল, ৱ, স বা ক্ষা, ণা, গু আৰু কৃ আখৰ গুপ্তলিপিৰে হুবহু মিলি যায়। নগাজৰী-খনিকৰগাওঁ প্ৰস্তৰ লিপিৰ অক্ষৰসমূহেও প্ৰাক্ গুপ্ত আৰু গুপ্তলিপিৰে স্থমিল্তি প্ৰদৰ্শন কৰে। গতিকে ষষ্ঠ শতাব্দীৰ কুটিলশৈলীৰপৰা অসমীয়া লিপিৰ জন্মৰ ৰূপৰেখা অংকনৰ কোনো আৱশ্যক নাই। উক্ত শিলালিপি দুখনৰ সৈতে ভাস্কৰবৰ্মাৰ তাম্ৰশাসন দুখনিৰ অক্ষৰৰ তুলনা কৰিলে তাম্ৰশাসন দুখনিৰ অক্ষৰৰ ক্ৰমোন্নত ৰূপটি সহজতে ধৰা পৰে। সেই কাৰণেই সম্ভৱত নিধনপুৰ শাসনখনিৰ অস্তিমত নৃপতিজনাই কৈফিয়ৎ দিব লগাত পৰিছিল—'শাসনখন পুৰি যোৱাৰ পিছত ইয়াৰ নতুনকৈ লিখা হোৱাত যিহেতু আখৰবিলাকে ভিন্নৰূপ লৈছে, সেইবাবে এই সমস্ত কূট বা জাল নহয়[২৩০]।' সময়ৰেখাৰ ফালৰপৰা কুটিল আৰু কুমাৰ ভাস্কৰবৰ্মাৰ তাম্ৰশাসন দুখনি সমসাময়িক। গতিকে কুটিলৰপৰা পুৰণি অসমৰ লিপি বিকশিত হোৱাৰ সুবিধাই বা ক'ত? অধ্যাপক বিশ্বেশ্বৰ হাজৰিকাই 'অসমীয়া লিপি আৰু ভাষাৰ ক্ৰমবিকাশ[২৩১] শীৰ্ষক নিবন্ধত উল্লেখ কৰিছে যে কুমাৰ ভাস্কৰবৰ্মাৰ ভুবি শাসনৰ ই, ক, গ, জ, ণ, ত, দ, ধ, ন, প, ভ, ম, ৰ, ৱ, ল আৰু স সমসাময়িক সিদ্ধমাতৃকা বা কুটিলৰ সৈতে নিমিলে বাবে কুটিলৰপৰা অসমীয়া লিপিৰ উদ্ভৱ হোৱা নাই। ড উপেন্দ্ৰনাথ গোস্বামীও উক্ত মতৰ সমৰ্থক। তেওঁ স্পষ্ট ভাষাত কৈছে, 'এই লিপিৰ মূল ব্ৰাহ্মী আৰু তাৰ পৰৱৰ্তী গুপ্ত লিপি। ইয়াক কুটিল লিপিৰ লগত সাঙোৰাৰ যুক্তি বিশেষ নাই উমাচলৰ শিলালিপি আৰু নগাজৰী খনিকৰ গাওঁৰ লিপিত পোৱা আখৰবোৰক গুপ্তলিপিৰ আখৰবোৰৰ সৈতে বিজাই চালে এই শিলালিপি দুখনৰ প্ৰায়বোৰ আখৰেই গুপ্ত-লিপিত পোৱা আখৰবোৰৰ সৈতে একেটা ৰূপত পোৱা যায়[২৩২]।'

'কুটিল' সম্পৰ্কে ইতিপূৰ্বে বহলাই আলোচনা কৰি অহা হৈছে। ই ব্ৰাহ্মীৰ

---

২৩০ নিধনপুৰ শাসন, শ্লোক ২৮

২৩১ শৰ্মা, হেমন্তকুমাৰ—(সম্পা) অসম গৌৰৱ, পৃ ২৪৭

২৩২ গোস্বামী, উপেন্দ্ৰনাথ—অসমীয়া লিপি, পৃ ২০-২১

দৰে স্বতন্ত্ৰবীয়া লিপি নহয়, কুশাণকালীন ব্ৰাহ্মী অথবা গুপ্তকালীন ব্ৰাহ্মীৰ লেখিয়াকৈ ইয়াক এটা নিৰ্দিষ্ট ঐতিহাসিক সীমাৰেখাৰে বন্ধন কৰিবলৈ গ'লেও বহু সময়ত উন্নটি থাব লগাত পৰে। ই লিপিৰ এটা বিশিষ্ট শৈলী মাত্ৰ—যাৰ প্ৰচলন 'কুটিল লিপিৰ কাল' ৰূপে একাধিক পুৰালিপিতত্ত্ববিদে নিৰ্দেশ কৰা সময় সীমাৰ পিছতো দেখিবলৈ পোৱা যায়। গতিকে পুৰণি অসমীয়া লিপি কুটিলৰপৰা বিকাশ হোৱা মন্তব্য যেনেকৈ গ্ৰহণীয় নহয়—তেনেকৈ পূৰ্ব ভাৰতীয় লিপিমালাৰ সৈতে কুটিলশৈলীৰ কোনো প্ৰকাৰৰ সম্পৰ্ক নাই বোলা মন্তব্যকো পূৰ্ণ সত্যৰ আসনত বহুৱাব নোৱাৰি। তদুপৰি অসমীয়া লিপি ব্ৰাহ্মীৰপৰা পোনছাটেই ওলাল বোলা মতটিও সমৰ্থনযোগ্য নহয়। কিয়নো সকলোবোৰ ভাৰতীয় লিপিয়েই ব্ৰাহ্মীৰপৰা বিকশিত হোৱা। গুপ্তযুগৰ পূৰ্ববৰ্তী কোনো ভাৰতীয় ঐতিহাসিক অভিলেখত অসম অথবা কামৰূপৰ নাম পোৱা নাযায়। ব্ৰাহ্মীৰপৰা বিকশিত গুপ্ত অথবা গুপ্তোত্তৰ যুগত প্ৰচলিত লিপিমালাৰ প্ৰভাৱমুক্ত হৈ পুৰণি অসমৰ লিপি স্বকীয়ভাৱে বিকশিত হোৱা যুক্তি গ্ৰহণযোগ্য হ ব নোৱাৰে। 'ব্ৰাহ্মী লিপিৰ লেখমালা দুই এখন অসমত আৱিষ্কৃত হ'ল বুলিয়েই যে আধুনিক অসমীয়া লিপিটো পোনপটীয়াকৈ ব্ৰাহ্মীৰপৰা ওলাব তাৰ কি মানে আছে? সেইটোৱেই যদি যুক্তি হয়, তেন্তে অন্যান্য ভাৰতীয় লিপিৰ ক্ষেত্ৰত ই বেছিহে প্ৰযোজ্য হ'ব, কাৰণ সেইবোৰ প্ৰান্তত ব্ৰাহ্মী লিপিত খোদিত অপৰ্যাপ্ত শাসন আৱিষ্কৃত হৈছে[২৩৩]।' দৰাচলতে গুপ্তলিপিৰ পূৰ্বীশৈলীয়ে বিভিন্ন ৰূপান্তৰৰ মাজেদি সৰকি আহি দ্বাদশ শতাব্দীৰ কানাই বৰশীবোৱা তুকস্কক্ষয়ৰ শিলৰ ফলিত অসমীয়া লিপিৰূপে আত্মপ্ৰকাশ কৰেছি। ড এচ এন চক্ৰৱৰ্তীয়ে পূৰ্বভাৰতীয় বঙলালিপিৰ বিকাশৰ ক্ষেত্ৰত উল্লেখ কৰিছিল যে খ্ৰীষ্টীয় দশম শতাব্দীত বিকাশমান পূৰ্বভাৰতীয় লিপিৰ ওপৰত নাগৰীলিপিৰ প্ৰভাৱ পতিত হয় যদিও প্ৰথম মহীপালৰ ৰাজত্বৰপৰা আলোচিত লিপিৰ প্ৰভাৱ টুটি আহে[২৩৪]। দুই এজন পণ্ডিতে অসমীয়া লিপিৰ বিকাশত নাগৰীয়ে কোনো ধৰণৰ প্ৰভাৱ পেলাব নোৱাৰা বুলিলেও[২৩৫] পিছে সেই মন্তব্যটি অবিসম্বাদী বুলিব নোৱাৰি।

২৩৩ প্ৰাক্তন অধ্যক্ষ সদানন্দ চলিহাদেৱে 'বিশ্বলিপিৰ ভূমিকা'ৰ সমালোচনা-ৰূপে ইং ২৭ ৯ ৭৩ তাৰিখে লিখা আলোকসন্ধানী পত্ৰৰপৰা উদ্ধৃত।

২৩৪ Chakravarty, S N —Development of the Bengali Alphabet in *JRASB* (Letters) Vol IV, P 365

২৩৫ Bora, M —*EAS*, P 32

গুপ্তকালীন ব্ৰাহ্মীলিপিৰ উত্তৰ ভাৰতীয় পূৰ্বী শাখাৰপৰা কালক্ৰমত বিকশিত হোৱা অসমীয়া লিপিত আন আন প্ৰভাৱতকৈ কুটিল শৈলীৰ প্ৰভাৱেই অধিক স্পষ্ট। সেইবাবেই ড মহেন্দ্ৰ বৰাই ক'বলৈ বাধ্য হৈছে। 'Assamese Script is a direct descendant of the Bramhi, branching itself off from the so called Gupta alphabet or the Northern Indian Script, which progressed on its way by acquiring for itself certain basic traits of the Kutila Style of writing in course of its journey through the long corridor of history '[২৩৬]

ঙ অসমীয়া লিপিৰ যুগ বিভাজন

পুৰণি অসমীয়া লিপিৰ প্ৰায় পোন্ধৰ যোল শ বছৰীয়া দীঘলীয়া ইতিহাসক মোটামুটিভাৱে তিনিটা ভাগত ভগাব পাৰি—

ক খ্ৰীষ্টীয় চতুৰ্থ-পঞ্চম শতাব্দীৰপৰা ত্ৰয়োদশ শতাব্দীলৈকে প্ৰাচীন কামৰূপীয় লিপি

খ খ্ৰীষ্টীয় ত্ৰয়োদশ শতাব্দীৰপৰা উনবিংশ শতাব্দীলৈকে পুৰণি অসমীয়া লিপি আৰু

গ উনবিংশ খ্ৰীষ্টাব্দৰ মধ্যম ভৱংগৰেপৰা বৰ্তমানলৈকে আধুনিক অসমীয়া লিপি।

পুৰণি লিপিৰ অধ্যয়নকাৰীয়ে প্ৰতিটো যুগৰ আখৰৰ দুটা বৈশিষ্ট্য মন কৰাটো বাঞ্ছনীয়—প্ৰথমটো লিপিৰ বৈশিষ্ট্য আৰু দ্বিতীয়টো লিপিকৰৰ বৈশিষ্ট্য। এটা ৰূপ বা গঢ়ৰ (form) আৰু আনটো ৰীতি বা শৈলীৰ (style)। এজন লিপিকৰৰ হস্তলিপিৰ ৰীতি একাধিক হ'লেও 'ৰূপ' পিছে হ'ব একেটাই। সময়ৰ অগ্ৰগতিৰ লগে লগে আখৰৰ শৈলীৰ পৰিৱৰ্তন যিমানখিনি হয়, ৰূপ বা গঢ়ৰ তিমানখিনি নহ'বও পাৰে। পিছে লিপিৰ ৰূপৰপৰা ৰীতিৰ ভিন্নতা বিচাৰি উলিওৱা এক কষ্টকৰ কাম। সময় আগবঢ়াৰ লগে লগে লিপিয়ে সাধাৰণতে বক্ৰ বা বক্ৰকাৰ ৰূপ এৰি কৌণিক ৰূপলৈ অগ্ৰসৰ হোৱা বুলি কোৱা হয় যদিও কৌণিক ৰূপ বিকাশৰ লগে লগে বক্ৰৰূপৰ সহাৰস্থানো বিৰল নহয়। সময়ৰ ভিন্নতা স্বত্বেও উমাচল আৰু বৰগংগা লিপিৰ গঢ় আৰু শৈলী একে। আনহাতে কুমাৰ ভাস্কৰবৰ্মাৰ ডুবি আৰু নিধনপুৰ তাম্ৰশাসনৰ লেখন ৰীতি ভিন্ন। ইন্দ্ৰপালৰ গুৱাহাটী শাসনখনিত দুটা শৈলীৰ অৱস্থিতি মন কৰিবলগীয়া[২৩৭]।

২৩৬. Bora, M —*Ibid*, P 32

২৩৭ ভট্টাচাৰ্য, পদ্মনাথ—কামৰূপ শাসনাৱলী, পৃ ১৪৫

প্ৰাচীন কামৰূপীয় লিপিসমূহৰ বিকাশলৈ লক্ষ্য কৰিলে সিবোৰৰ একাধিক স্তৰ সহজতে চকুত পৰে। সেই বিভিন্ন স্তৰসমূহ ৰাজবংশৰ নামেৰে ভৌম বৰ্মালিপি (খ্ৰী ৪০০-৬৫০), শালস্তম্ভ লিপি (খ্ৰী ৬৫০ ৯৯), পাললিপি (খ্ৰী ৯৯০ ১১৩৮) আদিকৈ আখ্যা দিব পাৰি যদিও তেনে বিভাজন বিজ্ঞান সন্মত নহয়। অধ্যাপক বিশ্বেশ্বৰ হাজৰিকাই ত্ৰয়োদশ শতাব্দীৰ পূৰ্ববৰ্তী অসমীয়া লিপিক প্ৰাচীন কামৰূপী লিপি, (খ্ৰী ৪৫০ ৬৫০), নব্য কামৰূপী লিপি (খ্ৰী ৮১৫ ১ ৪০) আৰু প্ৰাক্ অসমীয়া লিপি (খ্ৰী ১ ৪ ১১২)—এই তিনিটা স্তৰত বিভক্ত কৰিছে[২৩৮]।

খ্ৰীষ্টীয় চতুৰ্থ শতাব্দীৰ মধ্যম তৰংগৰেপৰা সপ্তম খ্ৰীষ্টাব্দত থানেশ্বৰ হৰ্ষ শিলাদিত্যৰ লগত কুমাৰ ভাস্কৰবৰ্মাৰ মিত্ৰতা স্থাপনৰ পূৰ্বলৈকে পুৰণি কামৰূপত গুপ্ত লিপিৰ পূৰ্বী শৈলীৰ চলতি আছিল। পুৰণি কামৰূপীয় লিপি বিকাশৰ এই প্ৰাৰম্ভণ কালছোৱাক 'অৱস্থানান্তৰৰ কাল' (Period of Transition) আখ্যা দিব পাৰি। এই কালছোৱাৰ আখৰৰ প্ৰতিনিধিত্ব কৰে—নগাজৰী খনিকৰ গাওঁ প্ৰস্তৰখণ্ড লিপি, উমাচল লিপি, বৰগংগা লিপি, ভাস্কৰ বৰ্মাৰ ডুবি তাম্ৰশাসন আৰু নালন্দাত প্ৰাপ্ত মৃন্ময় মোহৰ লিপিয়ে। এই কালছোৱাৰ পুৰণি কামৰূপীয় লিপিৰ সৈতে প্ৰথম কুমাৰ গুপ্তৰ বেইগ্ৰাম তাম্ৰলেখ[২৩৯] আৰু চন্দ্ৰবৰ্মাৰ শুশুনীয়া শৈললেখৰ লিপিৰ সাদৃশ্য মন কৰিবলগীয়া।

কুমাৰ ভাস্কৰবৰ্মাই সুৱৰ্ণকুড্যৰপৰা প্ৰদান কৰা 'নিধনপুৰ' শাসনৰ লিপিয়ে এটি ভিন্নশৈলীৰ স্তোতনা কৰে। এই শাসনত ব/ৱ ৰ উপৰি য আৰু স বো পাৰ্থক্য সৰ্বত্ৰ সংৰক্ষিত হোৱা নাই। স আৰু হ ত কুটিলশৈলীৰ প্ৰভাৱ স্পষ্ট। স্বৰৰ শিৰোৰেখাৰ দক্ষিণ অংশ চকুত পৰাকৈ অৱনত হৈছে। ইয়াৰ কাৰণ দৰ্শাই ড বৰ্মাই কয়—'Nidhanpur grant belongs to a latter date having many elements from the so called western style of writing The grant can be said to have been written in Kutila alphabets[২৪০] ভাস্কৰবৰ্মাৰ মৃত্যুৰ লগে লগে এটা বংশৰ পতন হ'ল—নতুন ৰাজবংশ ক্ষমতালৈ আহিল। লিপিৰ ক্ষেত্ৰত নতুন পৰীক্ষা নিৰীক্ষাৰ সূত্ৰপাত হ'ল। দুই-এটি অক্ষৰত পৰিল নাগৰী লিপিৰ তীব্ৰ ঢৌ। পৰীক্ষা নিৰীক্ষাৰ

---

২৩৮ শৰ্মা, হেমন্তকুমাৰ—প্ৰাগুক্ত গ্ৰন্থ, পৃ ২৪৮ ৯

২৩৯ *EI* Vol. XXI, P 81

২৪০ Verma, T P —*DSAK*, P 40

প্ৰথম তৃতীয় বলবৰ্মাৰ ৰাজত্ব কাললৈকে চলিল। পুৰণি কামৰূপীয় লিপিৰ এই কালছোৱাক **পৰীক্ষা নিৰীক্ষাৰ কাল** ঃ (Period of Experiments) ৰূপে অভিহিত কৰিব পাৰি। এই কালছোৱাৰ লিপিৰ ভিতৰত ভাস্কৰবৰ্মাৰ নিধনপুৰ লিপি, শংকৰ-নাৰায়ণ মূৰ্তিলিপি হৰিহৰ মূৰ্তিলিপি, দেওপানী বিষ্ণুমূৰ্তি লিপি, শ্ৰীকুমাৰদেৱৰ ঘণ্টালিপি, হৰ্জৰবৰ্মাদেৱৰ ঔগুৰি শৈললিপি, হায়ুংথল তাম্ৰশাসন আৰু কুকুৰাখাহী সত্ৰশাসন, বলবৰ্মাদেৱৰ তেজপুৰ, পৰ্বতীয়া আৰু দীঘলী গাওঁ তাম্ৰশাসন, কাকীৰ সূৰ্য প্ৰতিমা লিপি, নৰকাসুৰ দেৱীমূৰ্তি লিপি, তৃতীয় বলবৰ্মাৰ উত্তৰ বৰবিল, নগাওঁ আৰু উলুবাৰী তাম্ৰশাসনৰ উপৰি উৰ্বশীলিপিৰ নামোল্লেখ কৰিব পাৰি।

খ্ৰীষ্টীয় একাদশ দ্বাদশ শতাব্দীৰ ভিতৰত পুৰণি কামৰূপীয় লিপিয়ে দ্ৰুত বিকাশৰ ফালে আগবাঢে। প্ৰায়খিনি অক্ষৰে এই কালছোৱাৰ ভিতৰতে চূড়ান্ত ৰূপ লোৱাটো তাৎপৰ্যপূৰ্ণ। অসমীয়া লিপি বিকাশৰ এই কালছোৱাই **"দ্ৰুত বিকাশৰ কাল'** (Period of Accelerated Development) এই সময়ৰ লিপিৰ নমুনাৰূপে ৰত্নপালৰ বৰগাওঁ, গুৱালকুছি আৰু চৰাতবাৰী শাসন, ইন্দ্ৰপালৰ গুৱাহাটী গুৱাকুছি আৰু এবা দীঘল পানী লিপি, গোপাল বৰ্মদেৱৰ গছতল শাসন, ধৰ্মপালৰ থনামুখ শুভংকৰ পাটক আৰু পুষ্পভদ্ৰা শাসনলৈ আঙুলিয়াব পাৰি। বংগদেশৰ বিজয়সেনৰ দেওপাৰা লিপি[২৪১], ড বুহলৰে তেওঁৰ *Indian Palaeography* পুথিত উদ্ধৃতি দিয়া 'কেম্বিজ পাণ্ডু-লিপি' (পুথি নং ১৬৯৯), মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে 'বাংলাৰ পুৰাণ অক্ষৰ'[২৪২] শীৰ্ষক বিশ্লেষণধৰ্মী প্ৰবন্ধত খ্ৰীষ্টীয় একাদশ দ্বাদশ শতাব্দীৰ হস্তলিপি ৰূপে প্ৰদৰ্শিত 'বজ্ৰাবলী নাম মণ্ডলোপায়িকা', 'কালচক্ৰাবতাৰ', হেবজ্ৰ তন্ত্ৰটিকা' আৰু ৰাখালদাস বন্দ্যোপাধ্যায় ভাণ্ডৰীয়াই বঙলা লিপিৰ পূৰ্ণ বিকশিত ৰূপৰ চানেকিৰূপে দেখুৱা 'পঞ্চকাৰ' 'যোগৰত্নমালা' আৰু 'গুহ্যাবলী বৃত্তি' প্ৰভৃতিৰ আখৰসমূহ আলোচিত কালৰ অসমীয়া আখৰেৰে সুন্দৰকৈ মিলি যায়। খ্ৰীষ্টীয় ত্ৰয়োদশ শতাব্দীৰ প্ৰথমাৰ্ধত খোদিত উত্তৰ গুৱাহাটীৰ কানাই বৰশীবোৱা তুৰুস্ক ক্ষয়ৰ শিলৰ ফলিৰ অক্ষৰে পুৰাণি কামৰূপীয় লিপি বিকাশৰ অন্তিম স্তৰটো উজলাই তোলাৰ লগে লগে দ্বিতীয় স্তৰৰ অৰ্থাৎ পুৰণি অসমীয়া লিপি উদ্ভাৱৰ

---

২৪১ *EI*, Vol I, P 305

২৪২ চট্টোপাধ্যায়, সুনীতি কুমাৰ—(সম্পা.) হৰপ্ৰসাদ ৰচনাৱলী, প্ৰথম সম্ভাৰ, পৃ ২৯৪ ৩৩৭

শুভ জাননী দিয়ে। সমগ্ৰ উত্তৰ ভাৰতীয় ভাষা গুচ্ছৰ প্ৰথম সাহিত্য সম্ভাৰৰূপে নিৰ্দেশকৰা 'চৰ্যাগীতিকোষ' আৰু হৰপ্ৰসাদ শাস্ত্ৰীয়ে সংগ্ৰহ কৰা 'দোহাকোষ-পঞ্জি'ৰ আখৰসমূহো ত্ৰয়োদশ খ্ৰীষ্টাব্দৰ পুৰণি অসমীয়া লিপিৰ প্ৰতিনিধি। খ্ৰীষ্টীয় চতুৰ্থ শতাব্দীত আৰম্ভ হোৱা পুৰণি কামৰূপীয় লিপিৰ চলমান প্ৰৱাহটি ত্ৰয়োদশ খৃষ্টাব্দত সপূৰ্ণ হোৱা বুলিব পাৰি। গতিকে অসমীয়া লিপিৰ এই কালছোৱা **'পৰিপূৰ্ণতাৰ কাল'** (Period of Maturity)

মুহম্মদ ই বখতিয়াৰ খিলিজিয়ে সৈন্য সামন্তৰে তিব্বত জয়ৰ অদম্য আশাৰে অসমৰ সেউজ ভূমিত ভৰি দিয়াৰ লগে লগে পশ্চিমীয়া মোগল আক্ৰমণৰ সূত্ৰপাত হয়[২৪৩]। খ্ৰীষ্টীয় চতুৰ্দশ পঞ্চদশ শতাব্দীত পূৰ্ব প্ৰান্তৰৰ সদিয়াত চুটিয়া নৃপতিসকলে, উজনি অসমত ইন্দ্ৰবংশী আহোমসকলে আৰু নগাওঁ ভৱকাৰ বিস্তীৰ্ণ ভূ ভাগত বৰাহী নৃপতিসকলে[২৪৪] ৰাজ্যস্থাপন কৰি প্ৰজা পালনৰ ব্যৱস্থা কৰে। পশ্চিম অসমৰ কমতা ৰাজ্যৰো অভ্যুত্থান এই খিনিতে স্মৰণ যোগ্য। টাই আহোমসকলৰ নিজস্ব ভাষা সাহিত্য আৰু লিপি আছিল। মোগল সকলৰ ফাৰ্ছী[২৪৫] আৰু উত্তৰ ভাৰত তথা বংগদেশৰ বিভিন্ন অঞ্চলৰপৰা অহা ব্ৰাহ্মণ পণ্ডিতসকলে ব্যৱহাৰ কৰা দেৱ নাগৰী লিপিয়েও চতুৰ্দশ পঞ্চদশ খ্ৰীষ্টাব্দৰ অসমীয়া লেখন কলাত এটি সমন্বয়ৰ গুঞ্জন তোলে। দৃষ্টান্ত স্বৰূপে, নগাওঁ-গছতল স্তম্ভলেখ, আমবাৰী শিলালেখ, হোজাই লংকা লিপি, বাউতকুছি তাম্ৰলিপি, কামৰূপেশ্বৰ মহাদেৱৰ নীলাচল তাম্ৰশাসন, স্বৰ্ণাপুৰীশ্বৰ সত্য নাৰায়ণ আৰু লক্ষ্মী নাৰায়ণৰ ভূমিদানৰ তামৰ ফলি সদিয়া চেপাখোৱা তাম্ৰ পত্ৰ, বৰমূৰ্তিয়া বিল তাম্ৰপত্ৰ, যুক্তধৰ্মনাৰায়ণৰ পায়া তাম্ৰেশ্বৰী মন্দিৰ লিপি, বড়ুচণ্ডীদাসৰ কৃষ্ণ কীৰ্তন' প্ৰভৃতিৰ আখৰলৈ লক্ষ্য কৰিলেই এইকথা প্ৰতীয়মান হ'ব। বিভিন্ন ৰাজবংশ আৰু লিপিৰ সমন্বয়ত পৰিস্ফুট পুৰণি অসমীয়া লিপিৰ এই কালছোৱাক **সাংস্কৃতিক সমন্বয়ৰ কাল'** (Period of Cultural Compromisation) বুলিব পাৰি।

---

২৪৩ Barua, K L—*Early History of Kamarupa*, PP 211-13

২৪৪ Nath, R M—*The Background of Assamese Culture* আৰু কদলী ৰাজ্য দ্ৰষ্টব্য।

২৪৫ অসমত ফাৰ্ছী লিপিত খোদিত শিলালিপি পোৱা গৈছে মাত্ৰ তিনিখন। প্ৰথমখন কামাখ্যাত দ্বিতীয়খন হাজোৰ পোৱামক্কাত আৰু তৃতীয়খন গিয়াচুদ্দিন আওলিয়াৰ মিনত খোদিত কামৰূপৰ হাজো অঞ্চলত।

খ্রীষ্টীয় যোড়শ শতাব্দীৰেপৰা অষ্টাদশ শতাব্দীলৈকে পুৰণি অসমীয়া লিপিয়ে আহোম, কোচ, বৰাহী, দৰঙী প্ৰভৃতি সকলো নৃপতিসকলৰ উপৰি সত্ৰাধিকাৰ সমূহৰ পইনা লৈ বিধে বিধে সাঁচিপাত তুলাপতীয়া পুথিৰ যোগেদি বিকাশৰ সুযোগ পায়। বজ্ঞা আৰু তা-তাঙবীয়াসকলে প্ৰদান কৰা শিলালেখ আৰু তাম্ৰশাসনসমূহতো এই গুৰৰ লিপিৰ নিদৰ্শন সুৰক্ষিত হৈছে। এই কালছোৱাত অসমত দুবিধ লিপিৰ বহুল প্ৰচলন মন কৰিবলগীয়া। প্ৰথমবিধ পুৰণি অসমীয়া। ইয়াক হেমুৱান অথবা হিন্দু অক্ষৰ ৰূপেও জনা গৈছিল[২৪৬]। দ্বিতীয় বিধ টাই লিপি ৰূপে পৰিচিত। এই লিপি 'অসমাক্ষৰ' ৰূপেও পৰিচিত[২৪৭]।

চ পুৰণি অসমীয়া লিপিৰ শৈলী ভিন্নতা

পুৰণি অসমীয়া লিপি গড়গঞা, কাইথেলী আৰু বামুণীয়া—এইকেইটা প্ৰকাৰ ভেদৰ কথা মুখ বাগৰি আছি পণ্ডিত হেমচন্দ্ৰ গোস্বামী সম্পাদিত *Descriptive Catalogue of Assume›e Manuscripts*'ৰ যোগেদি সাহিত্যিক মৰ্যদা পাইছি। উক্ত গ্ৰন্থখনিৰ পাতনিত ড সূৰ্য্যকুমাৰ ভূঞাই লিখিছে—'There are several schools of Assamese scripts, viz, Gargaiyan, Bamuniya, Lahkari and Kaithali but their distinctions have not been closely studied, and they have a tendency now to merge into one another'[২৪৮] লহকৰী আৰু কাইথেলী একে প্ৰকাৰ লিপিৰে যে দুই নাম, তাক পণ্ডিত গোস্বামীয়ে স্পষ্টভাৱে উল্লেখ কৰিছে[২৪৯]। আহোম স্বৰ্গদেৱসকলৰ ৰাজধানী গড়গাঁৱক কেন্দ্ৰ কৰি মধ্য যুগীয় অসমীয়া সাহিত্য আৰু সংস্কৃতিয়ে আত্মপ্ৰকাশৰ সুযোগ লৈছিল। 'গড়-গঞা চিত্ৰশৈলী'ৰ[২৫০] দৰে 'গড়গঞা লিপি'ও সম্পূৰ্ণৰূপে ভৌগোলিক নামকৰণ।

---

২৪৬ বৰ্তমান গ্ৰন্থৰ আগকথাৰূপে লিখা ড নেওগৰ নিবন্ধ পঢ়ক।

২৪৭ 'প্ৰাচ্য শাসনাৱলী'ত বহুসংখ্যক অসমীয়া লিপিৰ তলত লিখা থাকে—'অস্যাৰ্থো অসমাক্ষৰে' (ফলি ১১০), এতদৰ্থকমা শামাক্ষৰে (ফলি ১৫১), এতদৰ্থক মাসামাক্ষৰমেতদপৰ পৃষ্ঠে' (ফলি ৮২), এইবোৰে অসমীয়া লিপিৰ বিপৰীত পৃষ্ঠাত থকা আহোম লিপিৰ কথা ইংগিত দিছে।

২৪৮ *Descriptive Catalogue of Assamese Manuscripts Prefece* P XVIII

২৪৯ The Puthi is written in Kaithali characters which is known also as Lahkari character —Ibid P 179

২৫০ দাস, নাৰায়ণ—পুৰণি অসমৰ চিত্ৰকলা, দ্ৰষ্টব্য।

আলোচিত অঞ্চলত পুৰণি পুথি-পাঁজি লিখা অথবা নকল কৰাৰ যিটি শৈলীয়ে গা কৰি উঠে সেয়ে গড়গঞা শৈলী। উপযুক্ত সূত্ৰটি মানি ল'লে গড়গাৰ ৰপৰা স্বৰ্গদেৱসকলে উপযুক্ত প্ৰশিক্ষণ প্ৰাপ্ত লেখকৰ হতুৱাই লিখোৱা দানপত্ৰসমূহৰ উপৰি ৰাজপৃষ্ঠপোষকতাত চিত্ৰিত হস্তীবিদ্যার্ণৱ, ধৰ্মপুৰাণ, ষষ্ঠস্কন্ধ ভাগৱত প্ৰভৃতিৰ আখৰসমূহেও 'গড়গঞা শৈলী আখ্যা পোৱা বাঞ্ছনীয়। স্বৰ্গদেৱসকলে পুথি-পাজি লিখাবলৈ আৰু নকল কৰাবলৈ 'লেখকৰ বৰুৱা' নামৰ এশ্ৰেণী বিষয়া নিয়োগ কৰিছিল। তেওঁলোকে লেখক'ৰ হতুৱাই পুথি নকল কৰি ৰাজ ভৰাললৈ পঠাই দিছিল[২৫১]। ৰাজ ভৰালত সঞ্চিত সমস্ত গ্ৰন্থৰ হিচাপ ৰাখিছিল 'গন্ধীয়া বৰুৱাই'[২৫২]। বেতনভোগী প্ৰশিক্ষণ প্ৰাপ্ত লোকসকলে লিখা পুথিৰ আখৰ সৰ্বসাধাৰণে নিজস্ব ব্যৱহাৰৰ বাবে লিখা পুথিতকৈ যে সুন্দৰ হ'ব—তাক দোহাৰিবৰ প্ৰয়োজন নাই। পিছে আজিকালি 'গড়গঞা শৈলী'ৰ অক্ষৰৰূপে ক্যোনো কোনোৱে অলংকাৰ বৰ্জিত গোট গোট আখৰত লিখা পুথি বুলিহে আঙুলিয়ায়। পিছে গোট গোট অক্ষৰত পুথি পাঁজি কামৰূপ বা কমতা ৰাজ্যত জানো লিখা হোৱা নাছিল? 'গড়গঞা শৈলী'ৰ বৈশিষ্ট্য সন্দৰ্ভত ড মহেশ্বৰ নেওগে লিখিছে যে ই বৰ সৰল আৰু নিৰলংকাৰ' (very much simple and unornamented'[২৫৩])। ড সত্যেন্দ্ৰনাথ স্পষ্টভাৱে কৈছে— 'আহোম ৰাজধানীক কেন্দ্ৰ কৰি উদ্ভনিত এই লিপিভংগীৰ প্ৰচলন হয় কাৰণেই ইয়াৰ নামকৰণ হয় গড়গঞা। বুৰঞ্জীবোৰত সাধাৰণতে এই ভংগী ব্যৱহাৰ হোৱা দেখা যায়, অৱশ্যে পদ পুথি আদিতো ইয়াৰ ব্যৱহাৰ কম নাছিল। ইয়াৰ অ, আ, ই, ঈ প্ৰায় আধুনিক গঢ়ৰ। তদুপৰি আখৰৰ কোণ আৰু বক্ৰৰেখা স্পষ্টৰূপে পৰিচিহ্নিত'[২৫৪]। ড লীলা গগৈৰ মন্তব্য হ'ল—'কেইটামান সংযুক্তাক্ষৰ ঠ, ন, ল আদি কেইটামান বৰ্ণৰ বাহিৰে বাকীবোৰ অসমীয়া বৰ্ণৰ গঢ় আধুনিক লিপিৰ আহিৰ লগত মিলে'[২৫৫]। ড মহেন্দ্ৰ বৰাৰ দৃষ্টিতো এই শৈলীৰ সৰলতা স্পষ্টতা আৰু সমতা লক্ষ্য কৰিবলগীয়া। কোণ আৰু বক্ৰতাসমূহো অধিক স্পষ্ট। তদুপৰি ইয়াত

২৫১ বৰবৰুৱা, হিতেশ্বৰ—আহোমৰ দিন, পৃ ৫৬৩
২৫২ বৰবৰুৱা, হিতেশ্বৰ—উক্ত গ্ৰন্থ, পৃ ৫৫৪
২৫৩ ভূমিকা, সৰ্বেশ্বৰ কটকীৰ 'অসমীয়া প্ৰাচীনলিপি' (দ্বিতীয় তাঙৰণ) পৃ. ৭
২৫৪ শৰ্মা, সত্যেন্দ্ৰনাথ—অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ ৫০২ ৩
২৫৫ গগৈ, লীলা—সাহিত্য সংস্কৃতি-বুৰঞ্জী, পৃ ৫৭

শব্দগোটৰ বিভাজন দেখা নাযায়[২৫৬]। পিছে গড়গাঁৱৰপৰা প্ৰদান কৰা ৰুদ্ৰসিংহৰ লেপেটকটাৰ তামৰ ফলি[২৫৭] অথবা বিশ্বনাথ মন্দিৰৰ তামৰ ফলিৰ লিপিয়ে[২৫৮] গড়গঞা শৈলীৰ প্ৰতিনিধিত্ব নকৰি 'হস্তি বিদ্যাৰ্ণব' অথবা 'ধৰ্মপুৰাণ'ৰ লিপিৰ সৈতেহে (কাইথেলী) লগুণ গাঁঠি বান্ধে। বুৰঞ্জীসমূহ আদিতে আহোম ভাষা আৰু টাই লিপিত লিখা হৈছিল। পৰৱৰ্তীকালত টাইলিপি আৰু আহোম ভাষাৰ ঠাই অসমীয়া ভাষা আৰু লিপিয়ে অধিকাৰ কৰে। পিছৰ কালত ৰচনা কৰা বহুতো বুৰঞ্জী আহোম ভাষাৰপৰা অনুবাদ কৰাৰ ফলত আহোম ভাষা আৰু লিপিৰ প্ৰভাৱ লেখক অথবা লিপিকৰৰ ওপৰত পৰাটো খাটাং। ড বৰাই উক্ত শৈলীত লিখা 'ণ লিপিত টাইলিপিৰ প্ৰভাৱ লক্ষ্য কৰিছে[২৫৯]। অকল এটা আখৰতে নহয় প্ৰাচীন হস্তলিখিত বুৰঞ্জীবোৰৰ ভালেখিনি অক্ষৰতেই টাইলিপিৰ বক্ৰতা দেখা যায়। টাইলিপিৰ প্ৰভাৱ আনকি অভিলেখত ব্যৱহাৰ হোৱা লিপিতো নথকা বুলিব নোৱাৰি। অসম ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষিত স্বৰ্গদেৱ গৌৰীনাথ সিংহৰ দিনৰ তামৰফলি এখনৰ কথা এইখিনিতে উল্লেখ কৰিব পাৰি। দূৰৰপৰা উপকৰা দৃষ্টিৰে চালে তাক টাইলিপিত লিখা যেন লাগে যদিও তাৰ লিপি পুৰণি অসমীয়া। উক্ত গঢ়ৰ লিপিকেই জয়ন্তয়তে 'গড়গঞা শৈলী' বোলা হৈছিল নেকি, তাক অনুসন্ধান কৰিবলগীয়া।

ৰাজ অনুগ্ৰহত লিখিত আৰু চিত্ৰিত 'হস্তীবিদ্যাৰ্ণৱ'ৰ লিপিক পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে **কাইথেলী লিপি** ৰূপে সাব্যস্ত কৰিছে[২৫৯]। কায়স্থসকলে এই লিপি সংৰক্ষণ কৰা গুণে ইয়াৰ নাম কাইথেলী। আনকথাত উক্ত নামটো গড়গঞা শৈলীৰদৰে ভৌগোলিক নহয়—সম্প্ৰদায়গত হে। বুৰঞ্জীবিদ্ বেণুধৰ শৰ্মাৰ দৃষ্টিত 'পাকৰ সংখ্যা অলপ বেছি হ'লেও এইবিধ আখৰ মুকুতা যেন ফটফটীয়া'[২৬০]। কাইথেলী অংকৰ যাদুকৰ দণ্ডীৰাম দত্তৰ দৃষ্টিত 'সমানি সমশীৰ্ষাণি, ঘনানি নিৰিড়ানি চ'। এই লিপিত লিখা শাৰীবোৰ ঠিক থাকিব। আখৰ সবান সমানভাৱে থাকিব। দীঘল

---

২৫৬ Bora, M —*EAS*, P 54

২৫৭ প্ৰাচ্য শাসনাৱলী, চিত্ৰফলক নং ৬, গ

২৫৮ প্ৰাচ্য শাসনাৱলী, চিত্ৰফলক নং ১৪, খ

২৫৯ Goswami, H C —(Ed) *Descriptive Catalogue of Assamese Manuscripts*, P 65

২৬০ শৰ্মা, বেণুধৰ—চুণাৰি, পৃ ৩৩

চুটি ক'ৰ নোৱাৰে আৰু শাৰীৰৰ ঘনো নহয়, পাতলো নহয়'[২৬১]। দত্তই কাইথেলী লিপিৰূপে চিনাক্ত কৰা 'ব্ৰহ্মবৈবৰ্ত পুৰাণ' কিংবা বকুল কায়স্থৰ গণিতৰ পুথি 'কিতাবত মঞ্জৰী'ৰ লিপিৰসৈতে 'হস্তীবিদ্যাৰ্ণৱ'ৰ আখৰৰ কোনো পাৰ্থক্য নাই। এইশৈলীৰ লিপিৰ সন্দৰ্ভত ড° সত্যেন্দ্ৰনাথ শৰ্মাৰ মন্তব্য এনেধৰণৰ 'কাইথেলী বা লহকৰী লিপি হিচাপ-পত্ৰ কৰোঁতে, আৰ্যাপুথি লিখোঁতে কায়স্থসকলে ব্যৱহাৰ কৰিছিল। 'কিতাবৎমঞ্জৰী', 'হস্তীবিদ্যাৰ্ণৱ', 'শুভংকৰী' আৰু আন কাইথেলী বিদ্যাৰ পুথি আদি কায়স্থ পণ্ডিতৰ গ্ৰন্থ এই লিপিত লিখিত হৈছিল। কাইথেলী আখৰ সাধাৰণতে কায়স্থসকলে হিচাপ পত্ৰ আৰু অন্যান্য বৈষয়িক গ্ৰন্থ লিখোঁতে ব্যৱহাৰ কৰিছিল। পিছলৈ অন্যান্য গ্ৰন্থ লিখোতেও তাৰ ব্যৱহাৰ হ'বলৈ ধৰে। এই লিপিভংগীত আখৰৰ ওপৰৰ টিকনিভাল (উ, ট, ঠ ইত্যাদিত) আৰু তলৰ ৰেখা বা ভঁৰভাল সোঁফালৰ লম্বভাৰ ভালত সংলগ্ন হৈ আলংকাৰিকভাৱে বহুখিনি বঢ়াই টানি দিয়া দেখা যায়। আখৰৰ কোণবোৰ স্পষ্ট'[২৬২]। সমগ্ৰ উত্তৰ পূৰ্ব ভাৰত ভূমিত কায়স্থসকলে পুথি-পাঁজি নকল কৰাৰ পৰম্পৰা দীৰ্ঘদিনীয়া। মিথিলাৰ কায়স্থসকলে নিজা ব্যৱহাৰৰ বাবে ব্যৱহাৰ কৰা লিপি 'কৈথী' ৰূপে জনাজাত[২৬৩]। শিৰোৰেখা বিহীন এই লিপিত দেৱনাগৰী লিপিৰ প্ৰভাৱ প্ৰবল[২৬৪]। পিছে মিথিলাৰ কৈথীলিপিৰ প্ৰভাৱত অসমীয়া কাইথেলী লিপিৰ বিকাশ হোৱা নাই। অৱশ্যে মধ্যযুগীয় নৃপতি মণ্ডলীয়ে কায়স্থ লোকসকলক মাটি বৃত্তি দান কৰি সুলেখন কলাৰ সদগতি সাধনা কৰাটো ঐতিহাসিক কথা। বৰুৱা আৰু ড: ভাণ্ডাৰীয়াৰ অনুগ্ৰহত উজনি নামনি সমগ্ৰ অসমতে কাইথেলী লিপিৰ অনুশীলন হোৱাটো সহজে অনুমেয়। নামনি অসমত কায়স্থ কুলোদ্ভৱ ভালেখিনি লোকৰ উপাধি 'লহকৰ'। গতিকে কায়স্থ 'লহকৰ' লেখাকৰ লিপি লাহকৰী। ড মহেন্দ্ৰ বৰাই এই কাইথেলী বা লহকৰী লিপি শৈলীৰ বৈশিষ্ট্য বৰ্ণাবলৈ গৈ কৈছে যে ই মূলত এবিধ অভিলেখিক শৈলী (essentially a documentary style)[২৬৫]। ইয়াক ৰাজ-বেতনভোগী লিপিকৰসকলে শিলালেখ অথবা তাম্ৰৰ ফলিত ব্যৱহাৰ কৰাৰ উপৰি নামনি অসমৰ হস্তলিখিত পুথিসমূহতো

---

২৬১ মজুমদাৰ, তিলকচন্দ্ৰ—(সম্পা) সুৰীয়া সুৰৰ মাত, পৃ ৪৫
২৬২ শৰ্মা, সত্যেন্দ্ৰনাথ—প্ৰাগুক্ত গ্ৰন্থ, পৃ ৫০২
২৬৩ মুলে, গুণাকৰ—ভাৰতীয় লিপিয়োঁ কী কহানী, পৃ ১৩১
২৬৪ মুলে, গুণাকৰ—একে গ্ৰন্থ, পৃ. ১৬৩ ৬৪
২৬৫ Bora, M —*EAS*, P 55

বহলভাৱে প্ৰয়োগ কৰা হৈছিল। বৈষ্ণৱী সত্ৰসমূহৰ ভালেখিনি পুথি-পাঁজি লিখা হৈছিল—আলোচিত শৈলীত। ড° বৰাই এই শৈলীৰ অ, আ, ই, ক, গ, ট, ণ, প আৰু হ অক্ষৰ কেইটিৰ বৈশিষ্ট্যৰ কথা উল্লেখ কৰিছে[২৬৬]। আদিস্থানৰ অ আৰু আ আখৰৰ লম্বৰ বাওঁফালে থকা বক্ৰতা অংশত মাথো এটা কাঁচ থাকে আৰু তাৰ ওপৰত শিৰোৰেখাৰ তলত থাকে এটি ক্ষুদ্ৰ বটিকা (blob) চিহ্ন। ই আৰু হ বহুসময়ত একে দেখিলেও ই ৰ চৈতানভালৰ অৱস্থিতি মন কৰিবলগীয়া। ক ৰ লম্বৰ তলত পুচ্ছ দেখা যায়। গ ৰ শিৰোভাগ অৰ্ধচক্ৰকাৰ নহয়—সৰলৰৈখিক খেপেৰা খোৱাহে। ট ৰো শিৰোৰেখাৰ ঊৰ্ধত চৈতানভাল লাগি থাকে। ণ বহুসময়ত ল ৰদৰে দেখা যায় (যি বক্ৰতা শীৰ্ষ)। প ৰ শিৰোভাগ কৌণিক ৰূপৰ। এই শৈলীৰ আন বৈশিষ্ট্য হ'ল—ক ইয়াৰ কোণবোৰ অতি স্পষ্ট আৰু কেতিয়াবা কেতিয়াবা ভূমিস্পৰ্শিত ৰেখাডালে ভূমিসংলগ্ন কোণ অতিক্ৰম কৰি এডাল পুচ্ছ ৰূপ লয়, খ এই শৈলীতো শব্দগোট নিৰ্দেশৰ কোনো প্ৰচেষ্টা চকুত নপৰে আৰু গ° এই শৈলীত আখৰ লিখাৰ পূৰ্বে শিৰোৰেখাডাল টানি লৈ পিছত আখৰবোৰ লিখা হয়, ফলত শিৰোৰেখা থাকিব নলগীয়া আখৰতো উক্ত ৰেখাই দেখা দিয়ে।

সংস্কৃত ভাষা সাহিত্যৰ চৰ্চা চলা টোলবোৰক কেন্দ্ৰকৰি পুথি পাঁজি নকল কৰাৰ যি ৰীতিয়ে মধ্যযুগীয় অসমত গা কৰি উঠিছিল, সেয়ে 'বামুণীয়া লিপি' শৈলীৰূপে পৰিচিত। 'কাইথেলী'ৰ দৰে 'বামুণীয়া' এটি জাতিগত নাম। সমগ্ৰ উত্তৰ ভাৰতত প্ৰচলিত স্মৃতি, দৰ্শন, সাহিত্য, ব্যাকৰণ, জ্যোতিষ প্ৰভৃতি গ্ৰন্থ নকল কৰোঁতে মূল-পুথিৰ দেৱনাগৰী হৰফে অসমীয়া ব্ৰাহ্মণ লিপিকৰসকলক প্ৰভাৱান্বিত কৰাৰ ফলত তেওঁলোকে নকল কৰা পুথিত নাগৰী প্ৰভাৱ পতিত হোৱাৰ সম্ভাৱনাই দেখা দিয়ে। ড সত্যেন্দ্ৰনাথ শৰ্মাই লিখিছে—'অ, আ সাধাৰণতে দেৱনাগৰী গঢ়ৰ, দ আখৰো দেৱনাগৰীৰ কাষ চপা, ঠ ৰ ওপৰৰ টিকনিভাল সাধাৰণতে নাথাকে বা ৰৰ চুটি আৰু ভূমিফালে টিকনি এডাল আগবাঢ়ি যায়। ক, গ, ট, প, হ আদিৰ আকাৰ যৎসামান্য পৃথক। কোণবোৰ কাইথেলীৰ দৰে তীক্ষ্ণ বা স্পষ্ট নহয়[২৬৭]। পৰৱৰ্তীকালত এই শৈলীয়ে বৈষ্ণৱ সত্ৰসমূহকো প্ৰভাৱান্বিত কৰা বুলি কোৱা হয়। অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগত সংৰক্ষিত শ্ৰীধৰ স্বামীকৃত শ্ৰীমদ্ভাগৱত গীতাৰ 'সুবোধিনী টীকা' বামুণীয়া শৈলীৰ নিদৰ্শন। ড° প্ৰতাপচন্দ্ৰ চৌধুৰীৰ ভাষাত

২৬৬ Bora, M—*Ibid* P 56

২৬৭ শৰ্মা, সত্যেন্দ্ৰনাথ—প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৪০২

ইয়াৰ অ, আ, উ, ক, গ, খ, ঙ, ত, থ, দ, ন, ব, ম, য়, ল, শ, ব আৰু প্ৰায়খিনি যুক্তাক্ষৰতে দেৱনাগৰীৰ প্ৰভাৱ মচিব নোৱাৰা[২৬৮]। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ গ্ৰন্থাগাৰত সংৰক্ষিত ইং ১৭৩৫ চনত প্ৰতিলিপি প্ৰস্তুত কৰা 'ভক্তি-ৰত্নাৱলী ব (হস্তলিখিত গ্ৰন্থ নং ১৭৬) আখৰক ড মহেন্দ্ৰ বৰাই বামুণীয়া শৈলীত লিখা পুথিৰূপে সাব্যস্ত কৰিছে[২৬৯]।

ওপৰত উল্লেখ কৰা মধ্যযুগীয় অসমীয়া লিপিৰ উপ বিভাগ কেইটা সময়ৰ সোঁতত সানমিহলি হৈ পৰা বুলি কোৱা হয় যদিও কেতিয়া কেনেকৈ সানমিহলি হ'ল—তাক কোনোৱে থাটাংকৈ ক'ব পৰা নাই। বহুবোৰ সংস্কৃতত লিখা হস্তলিখিত পুথিত দেৱনাগৰীৰ প্ৰভাৱ প্ৰায় শূন্যৰ প্ৰতিবেশী। আনহাতে অসমীয়া পদ পুথিবো বিভিন্ন স্থানত দেৱনাগৰীৰ হেঁচা অনুভূত নোহোৱাকৈ নাথাকে। গড়গঞা শৈলীত লিখা বুলি কোৱা সাঁচিপতীয়া বুৰঞ্জীৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। নামনি অসমত নকল কৰা বুৰঞ্জী পুথিৰ লিপিয়ে গড়গঞা শৈলীৰ পৰিবৰ্তে কাইথেলী শৈলীৰ সৈতেহে লগুণ গাঁঠি বান্ধিব। গতিকে মধ্যযুগৰ অধ স্তৰৰ অসমীয়া লিপিৰ বামুণীয়া, গড়গঞা আৰু কাইথেলী বা লহকৰী শৈলী বিভাজনক বিজ্ঞান ভিত্তিক বোলা টান। দৰাচলতে এই কালছোৱাৰ লিপিক দুটা শৈলীৰ অন্তৰ্ভুক্ত কৰি আলোচনা কৰিব পাৰি—প্ৰথমটো ৰাজকীয়। ৰজা আৰু ডাঙৰীয়াসকলৰ বেতনভোগী লেখাৰুসকলৰ দ্বাৰা লিখিত পুথিৰ আখৰবোৰ সুগঢ়ী, অলংকৃত—Sophisticated ৰজাপ্ৰদত্ত তাম্ৰ' ফলি আৰু শিলালেখৰ আখৰৰ ক্ষেত্ৰতো এনে মন্তব্য প্ৰযোজ্য। মোগল সুলেখন কলাৰ অনুকৰণ কৰিবলৈ গৈ ৰুদ্ৰসিংহ আৰু তেওঁ পৰৱৰ্তী নৃপতিসকলৰ পৃষ্ঠ পোষকতাত ৰচিত পুথি পাজিসমূহত লেখাৰুসকলে শিৰোৰেখাত বিভিন্ন ঢৌ তুলিছিল (সুবিধা নথকা বাবে তাম্ৰৰ ফলি আৰু শিলালেখৰ শিৰোৰেখাসমূহ পোন কৰিবলৈ বাধ্য হৈছিল), দীৰ্ঘ ঈকাৰৰ চৈতনডালিত এটি টুপী বান্ধিছিল, এ, শ্ৰী প্ৰভৃতি আখৰৰ বাওঁফালে অগ্ৰসৰ হোৱা হাঁকোটাডাল অধিক আগবঢ়াই দিয়া হৈছিল। গ, ন, শ, ম, ল প্ৰভৃতি অক্ষৰৰ দণ্ডৰ পাদদেশত শূন্যগৰ্ভ দীপ ৰচিছিল আৰু শিৰোৰেখাৰ ওপৰৰ বিভিন্ন স্থানত অৰ্ধচন্দ্ৰৰ সংযোজন ঘটাইছিল। দ্বিতীয় শৈলীটোক ব্যক্তিগত বুলিব পাৰি। ব্যক্তিগত ব্যৱহাৰৰ কাৰণে লিখা পুথিৰ

২৬৮ Choudhury, P C —*A Catalogue of Sanskrit Manuscripts at the DHAS*, Prefece, P VI

২৬৯ Bora M —*Op Cit* P VI P 65

আখৰবোৰত বহুসময়ত দ্ৰুত লেখনি চালনা আৰু অপক্ক লিখক-খনিকৰৰ হস্তলেপ বৰ্তমান। দ্ৰুত লেখনি চলনে একাধিক অক্ষৰত পাকৰ সংখ্যা বঢ়ায়। কোনো কোনো লেখকে পঢ়াৰ সুবিধাৰ বাবে অলংকাৰ বৰ্জন কৰি গোট গোটকৈ পুথিবোৰ নকল কৰে। পুৰণি অসমীয়া লিপিৰ এই দীঘলীয়া কালছোৱা এহাতে চূড়ান্ত বিকাশৰ (final Development) আৰু আনহাতে প্ৰোজ্জ্বলকৰণৰ (Period of Crystallization) কাল।

খ্ৰীষ্টীয় উনবিংশ শতাব্দীৰ প্ৰথমাৰ্ধবেপৰা ছপাপুথিত ব্যৱহাৰ কৰা লিপিক আধুনিক অসমীয়া লিপিৰূপে সাব্যস্ত কৰা হৈছে। বেপটিষ্ট মিচনেৰীসকলক আধুনিক অসমীয়া লিপিৰ জনক বুলিব পাৰি। অসমদেশ ইংৰাজৰ অধীনলৈ যোৱাৰ পিছত তুলাপতীয়া পুথিত 'লতা আখৰ' নামেৰে এবিধ লিপি ব্যৱহাৰ হৈছিল যদিও সি টিকিব নোৱাৰিলে[২৭০]। ইংৰাজী ১৮১৩ চনত শ্ৰীৰামপুৰৰ ডাটচ্ উপনিবেশত থকা বেপটিষ্ট মিচনেৰীসকলে নগাওঁ কলিয়াবৰৰ আত্মাৰাম শৰ্মাৰ হতুৱাই অনুবাদ কৰা বাইবেলখন (ধৰ্ম্ম পুস্তক) ছপাই উলিয়ায়[২৭১]। ইয়াৰ পূৰ্বে ড উইলিয়ম কেৰি সম্পাদিত আৰু অনূদিত বঙলা (খ্ৰী ১৮০১) আৰু সংস্কৃত (খ্ৰী ১৮০৮) বাইবেল প্ৰকাশ পাইছিল। পিছে অসমীয়া 'ধৰ্মপুস্তক'ৰ মুদ্ৰণত ব্যৱহৃত ছপাখানাৰ হৰফৰ ৰূপ কেনে আছিল? ড নন্দ তালুকদাৰে এটা প্ৰবন্ধত উল্লেখ কৰিছিল যে প্ৰথম ছপা গ্ৰন্থ 'ধৰ্ম্ম পুস্তক'ৰ আখৰৰ গঢ় তৎকালীন ছপা বঙলা গ্ৰন্থৰ হৰফতকৈ বেলেগ আছিল। অসমীয়া ছপা গ্ৰন্থখনিৰ আখৰৰ গঢ়া ভালেখিনি সাঁচিপতীয়া আখৰৰ গঢ়ৰ'[২৭২]। আনহাতে ড মহেশ্বৰ নেওগে লিখিছে—'ছপাখানাৰ হৰফ পুৰণি অসমীয়া লিপি নহয়, বৰং শ্ৰীৰামপুৰত মুদ্ৰণ কলাৰ সংপৰীক্ষাৰ এই কালছোৱাৰ কোনো ছপা বঙলা হৰফৰে ই প্ৰকাৰভেদ'[২৭৩]। ড লীলা গগৈৰো মন্তব্য ড নেওগৰ মন্তব্যৰ অনুৰূপ[২৭৪]। অৱশ্যে ড গগৈয়ে জনাইছে যে ইংৰাজী ১৮৮৩ চনত 'ধৰ্মপুস্তক'ৰ যি দ্বিতীয় তাঙৰণ

---

২৭০ শৰ্মা, বেণুধৰ—দুৰণি, পৃ ৩১

২৭১ 'ধৰ্ম্মপুস্তক'ৰ নাম পাতত আছে—' গ্ৰীক ভাষাৰপৰা তৰ্জ্জমা হ'ল। শ্ৰীৰামপুৰৎ ছাপ মাৰিলে। ইংৰাজী ১৮১৩ শক।

২৭২ তালুকদাৰ, নন্দ—অসমীয়া ছপা কিতাপ আৰু ছপা গ্ৰন্থ অসমবাণী, ৰূপালী জয়ন্তী আৰু বিহুসংখ্যা (১৯৮০) পৃ ৫৪।

২৭৩ নেওগ, মহেশ্বৰ—(সম্পা.) আৰুণোদই, পাতনি, পৃ ১২

২৭৪ গগৈ, লীলা—সময়ৰ সংস্কৃতি অসমীয়া অসমবাণী, ৰূপালী জয়ন্তী আৰু বিহুসংখ্যা, পৃ ৬৩।

প্ৰকাশ পাইছিল, তাত যুক্তাক্ষৰসমূহ প্ৰাচীন অসমীয়া লিপিৰ আৰ্হিত দিয়া হৈছিল। পিছে সেই আৰ্হি জনপ্ৰিয় নোহোৱাত পুনৰ্বাৰ বঙলা হৰফ অসমীয়া ছপা পুথি চলিবলৈ ধৰে। 'ধৰ্মপুস্তক'ৰ প্ৰথম আৰু দ্বিতীয় তাঙৰণৰ ছপা মিলাই চালে দেখা যায় যে দুয়োটা তাঙৰণৰ অক্ষৰৰ ৰূপ কিছু ভিন্ন, কিন্তু সেইবুলি এইটো নহয় যে দ্বিতীয় তাঙৰণৰ যুক্তাক্ষৰসমূহ প্ৰাচীন অসমীয়া সাঁচিপতীয়া পুথিৰ আৰ্হিত কটা হৈছিল। উনবিংশ শতাব্দীত লিখিত অসমীয়া আৰু বঙলা হস্তলিখিত পুথিৰ আখৰলৈ লক্ষ্য কৰিলে দেখা যায় যে দুয়োটা লিপিৰে শৈলীগত পাৰ্থক্য ভালেখিনি থাকিলেও ৰূপগত পাৰ্থক্য বৰ বেছি নহয়। অসমীয়া পেটকটা 'ৰ' যে বংগৰ অচিনাকি নহয়—তাক ইতিমধ্যে আলোচনা কৰি অহা হৈছে। মধ্যযুগীয় শিলালেখ-তাম্ৰলেখ আদিৰ উপৰি উনবিংশ শতাব্দীৰ চিঠি-পত্ৰলৈকে বঙলাত এই আখৰটো দেখা যায়। ১৮৪৮ খ্ৰীষ্টাব্দত ছপা কৰা গ্ৰেভছ্ চি হাটনৰ (Graves C Hutton) বাংলা ইংৰাজী অভিধানত 'ৱ' ৰ পৰিৱৰ্তে 'ৰ'হে ব্যৱহাৰ হৈছিল। ইয়াৰ প্ৰায় ৬২ বছৰৰ পূৰ্ববৰ্তী 'কলিকতা গেজেট'ৰ ছপা হৰফতো 'ৰ'ৰ অবাধ ৰাজত্ব[২৭৫]। বৰ্তমানৰ বঙলা 'ৱ' টো মধ্যযুগীয় অসমীয়া আৰু বঙলা হস্তলিখিত পুথিবোৰত ৱ ৰূপে ব্যৱহৃত হৈছিল। কোনো কোনো বঙালীয়ে ইংৰাজী ১৮১৩ চনলৈ 'ৱ'ৰ ঠাইত 'ৱ' ব্যৱহাৰ কৰাৰ নজিৰ পোৱা গৈছে[২৭৬]। ছপা বঙলা হৰফবোৰ যে হস্তলিখিত বঙলা পুথিৰ ভালেখিনি পৰিৱৰ্তিত ৰূপহে, তাকো অস্বীকাৰ কৰিব নোৱাৰি। উনবিংশ শতাব্দীত ছপা বঙলা হৰফৰ সঘন পৰিৱৰ্তন হৈছিল। গতিকে ইংৰাজী ১৮১৩ বা ১৮৩৩ চনত প্ৰকাশিত 'ধৰ্মপুস্তক'ৰ যুক্তাক্ষৰসমূহ অসমীয়া সাঁচিপাত তুলাপতীয়া পুথিৰপৰা আৰ্হি লৈ গৈ প্ৰস্তুত কৰা হৰফৰ প্ৰতিভূ নহয়—বঙলা ভাষা ছপাবলৈ নিৰ্মাণ কৰা হৰফহে। ইংৰাজী ১৮১৩ চনত ছপা 'ধৰ্মপুস্তক'ৰ ৰ আখৰৰ ৰূপ দুটা—ৰ আৰু ৱ। উক্ত গ্ৰন্থখনিৰ দ্বিতীয় তাঙৰণত 'ৱ' ৰ বহুল প্ৰয়োগ দেখা যায় (যেনে—তেনেকুৱা হল, হোৱা, দিৱা-ৰাত্ৰিৰ, দিৱস আদি[২৭৭])। ইংৰাজী ১৮৩৯ চনত শ্ৰীৰামপুৰ ছপাশালৰপৰা প্ৰকাশ পোৱা উইলিয়াম ৰবিনছনৰ *Grammar of the Assamese Language* তো 'ৱ'ৰ সংৰক্ষণ মন কৰিবলগীয়া। ইয়াৰ পিছত আমেৰিকান বেপ্টিষ্ট মিচনেৰীসকলে শিৱসাগৰত ছপাকল বহুৱাই 'অৰুণোদই' ছপা কৰিবলৈ জয়জয়তে শ্ৰীৰামপুৰৰ ছপা হৰফৰ আৰ্হিতে আখৰ কটাই আনে। সেই আখৰৰ মাজত 'ৱ' আখৰটোও আছিল আৰু

২৭৫ *The Calcutta Gazette*, Vol V, no 114, 6 May 1786

২৭৬ নেওগ, মহেশ্বৰ—(সম্পা) অৰুণোদই, পাতনি, পৃ ১২।

২৭৭ 'ধৰ্মপুস্তক'ৰ প্ৰথম পৃষ্ঠাৰপৰা।

তাক মিচনেৰীসকলে আৰম্ভণিৰেপৰা ব্যৱহাৰ কৰিছিল। 'অৰুণোদই'ৰ প্ৰথম বৰ্ষৰ প্ৰথম বৰ্ষৰ প্ৰথম সংখ্যাৰ নাম পাতে তাৰ সাক্ষী। অৱশ্যে উক্ত আখৰটোৰ বহুল প্ৰচাৰৰ বাবে ভাষাবিদ্ হেমচন্দ্ৰ বৰুৱাৰ প্ৰযত্ন শলাগিবলগীয়া[২৭৮]। হ'লেও উক্ত আখৰটো 'আৰুণোদই'ত ব্যৱহাৰ কৰিবলৈ 'আমেৰিকাৰপৰা পোনে পোনেই সীহত চলাই আনিলে'[২৭৯] বোলা উক্তি ঠেকহীন। ছপা আখৰৰ প্ৰচলনৰ পিছৰেপৰা অসমীয়া লিপিৰ ভিন্ন গঢ় মোটামুটিভাৱে এক হৈ পৰিল যদিও ৰীতিৰ কিছু সলনি নোহোৱাকৈ থকা নাই। 'অৰুণোদই'ৰ যুগৰেপৰা সাম্প্ৰতিক কাললৈ ছপা হৰফসমূহৰ ৰূপলৈ চকু দিলেই উক্ত মন্তব্যৰ সত্যতা বিচাৰি পোৱা যাব। ব্লকৰ লিপিত কমাৰ্চিয়েল আৰ্টে প্ৰভাৱ পেলোৱাত সিবোৰে সাধাৰণ ছপা হৰফতকৈ ভিন্নৰূপ লৈছেগৈ। মুদ্ৰযন্ত্ৰ, লাইনোটাইপ, মনোটাইপ আৰু অত্যাধুনিক ছপা যন্ত্ৰৰ সম্প্ৰসাৰণে অসমীয়া লিপিমালাৰ বাহিৰে সংযুক্ত লিপিৰ যি ৰূপৰ সলনি কৰিছে তাক আখৰী লোক মাত্ৰেই জানে।

উত্তৰ পূৰ্ব ভাৰতৰ অসমীয়া আৰু আন সহৱৰ্তী লিপিমালা :

উত্তৰ ভাৰতীয় গুপ্তকালীন ব্ৰাহ্মীলিপিৰ পূৰ্বীশৈলীৰপৰা কালক্ৰমত পূৰ্বভাৰতত অসমীয়া লিপিৰ বিকাশ সম্ভৱ হয়। এটা কালত এই লিপিতো কুটিল শৈলীৰ ছায়া ময়া ৰূপ এটি ধৰা পৰে। খ্ৰীষ্টীয় চতুৰ্থ পঞ্চম শতাব্দীত আৰম্ভ কৰি উনবিংশ শতাব্দীলৈকে নিৰবিচ্ছিন্নভাৱে পুৰণি অসমৰ বিভিন্ন স্থান৲ প্ৰাপ্ত বাবে বহুনীয়া শিলালেখ, তাম্ৰশাসন আৰু সাঁচিপাত-তুলাপতীয়া পুথিৰ আধাৰত আনৰ ওচৰত হাত নপতাকৈয়ে অসমীয়া লিপিৰ উৎপত্তি আৰু বিকাশৰ ইতিহাস প্ৰোজ্জল ৰূপত ভাঙি ধৰিব পাৰি। পিছে পুৰণি কামৰূপৰ লৈতে উত্তৰ ভাৰতৰ লেনদেনৰ ইতিহাস মহিমামণ্ডিত। প্ৰাচীন অসমৰ সভ্যতা আৰু সংস্কৃতিৰ প্ৰতিটো দিশতে ভাৰতীয় বাহিৰে উত্তৰ ভাৰতীয় সংস্কৃতি আৰু সভ্যতাৰ বিচিত্ৰৰূপে এভামুৰি নিদিয়াকৈ থকা নাই। পুৰণি কালত উত্তৰবংগ, ৰংপুৰ আৰু জলপাইগুৰি জিলাৰ[২৮০] মিথিলাবো এটা

---

২৭৮ 'পৰিশেষত মোৰ যত্ন সফল হয় তথাপি 'ৰ' আখৰটোৰ ব্যৱহাৰ চলোৱা অসম্ভৱ যেন বোধ হ'ল—পিছত পাত্ৰী ডক্টৰ কম্পৰ্ট চাহাবৰ সহায়তাৰ-দ্বাৰা এই বিষয়ৰ সকলো আপত্তিৰ খণ্ডন হ'ল আৰু 'ৱ'ৰ ব্যৱহাৰ চলিল।'—আত্মজীৱন চৰিত, হেমচন্দ্ৰ বৰুৱা।

২৭৯ শৰ্মা, বেহুধৰ—কুল চন্দন, পৃ ১২৯

২৮০ Kakati, B —(ed) *Aspects of Early Assamese Literature* P 2

অংশ কামৰূপ ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল[২৮১]। পৰৱৰ্তীকালতো শিক্ষা দীক্ষা ল'বলৈ পুৰণি কামৰূপৰ কোনো কোনো লোক ভিন্ন সময়ত মিথিলালৈ যোৱাৰ ঐতিহাসিক প্ৰমাণ পোৱা যায়। তদুপৰি একে মূলৰপৰা উদ্ভৱ হোৱা গুণে পূৰ্বভাৰতীয় আটাই-কেইটা লিপিৰ ভিতৰত কিছু সাদৃশ্য সংৰক্ষিত হোৱাটো স্বাভাৱিক। দৃষ্টান্তস্বৰূপে, ত্ৰিহুতা অথবা মৈথিলী লিপিৰ সৈতে অসমীয়া লিপিৰ সাদৃশ্যৰ কথা জয়জয়তে উল্লেখ কৰিব পাৰি। এ, ঐ, ও, ঔ, ক, খ, গ, ঘ, ঙ, চ, জ, ঞ, ট, ঠ, ড, ণ, ত, থ, দ, ধ, ন, প, ভ, ম, য, ব, ৰ আৰু স—এই আটাইবোৰ আখৰ দুয়োটা লিপিতে অভিন্ন। অ, আ, (মৈথিলীত এই দুটা আখৰৰ লম্বৰ বাওঁফালে দুটা ভূমিসংলগ্ন ত্ৰিকোণ লাগি থাকে), অ', চ, আৰু শ-আখৰ কেইটিবো বৈসাদৃশ্য অতি কম। শাঁচিপতীয়া পুথিত প্ৰাপ্ত ই আখৰৰ এটি গঢ় মৈথিলীত সংৰক্ষিত হৈছেগৈ, পুৰণি অসমীয়াৰ ণ আৰু ল ৰ পাৰ্থক্যহীন ৰূপটো মৈথিলীতো দেখা যায়। কৈথীলিপিত শিৰোৰেখা নাই যদিও উৎকলিপিৰ ক, ঘ, ঠ, ড, ন ৰ সৈতে অসমীয়া লিপিত সাদৃশ্য ধৰা পৰে। ৰ আৰু ৱ—এই দুই অক্ষৰত বিনে যে আধুনিক অসমীয়া আৰু বঙলা লিপিৰ কোনো পাৰ্থক্য নাই, তাক উল্লেখ কৰা নিষ্প্ৰয়োজন।

অসমীয়া স্বৰলিপি বিকাশৰ ধাৰা :

অসমীয়া স্বৰলিপিৰ বিৱৰ্তনৰ পৰিচয় দিবলৈ হ'লে মৌৰ্যযুগীয় ব্ৰাহ্মীলিপিৰ কাষ চপা প্ৰয়োজন। সম্ৰাট অশোকৰ বিভিন্ন অনুশাসনত অ, আ, ই, এ, উ, ও আৰু অং এই সাতোটা স্বৰবৰ্ণৰ প্ৰয়োগ ঘটিছে[২৮১]। মধ্যৱৰ্তী স্থানত অৱশ্যে ঈ, ঊ, ঐ আৰু ঔ বো প্ৰয়োগ দেখা যায়[২৮২]। ইয়াৰে অ, ই আৰু উৰ গঠন মৌলিক। ইয়াৰপৰা বাকীকেইটা স্বৰলিপিৰ বিকাশ ঘটিছে[২৮৩]। উনৈশ প্ৰকাৰ ৰূপভেদ থকা[২৮৪] মৌৰ্যকালীন অ ৰ মান্ত (standard) ৰূপটো কৌণিক। দণ্ডৰ বাওঁফালে কল্পিত শিৰ আৰু ভূমিৰেখাৰপৰা দুডাল সৰলৰেখা আহি দণ্ডৰ সোঁমাজত তিনিটা সূক্ষ্মকোণৰ সৃষ্টি কৰে (অপকৰণমহি—১২নং গি , শা ৭)। অ ৰ শিৰ বা মধ্যস্থানত এডাল চুটি ৰেখা টানি দিলেই সি আ ৰ ৰূপ লয় (আএপিতং ৩নং গি°, শা ১) 'আ' ৰ ৰূপভেদৰ সংখ্যা ২৮। 'ই বো চাৰিটা প্ৰকাৰ ভেদ আছে। ইয়াৰে মান্ত ৰূপটি হ'ল—কল্পিত

---

২৮১ ২৮২ Verma, T P—*PBS*, P 8

২৮৩ Upasak, C S—*HPMB* P 15

২৮৪ অশোকৰ অনুশাসনত ব্যৱহৃত আটাইখিনি কথা ড° উপাসকৰ উল্লিখিত গ্ৰন্থৰপৰা লোৱা।

ত্ৰিভুজৰ তিনিটা কোণত তিনিটা বিন্দু। বাওঁহাতে তলে ওপৰে দুটা আৰু সোঁহাতে সমদূৰত্বত আৰু সোঁমাজাত আনটো বিন্দু (ইদং—৪নং পি, শা ১১)। ই'ৰ দৰে 'উ' বো ৰূপ চাৰিটা। ইয়াৰে মাজৰূপত দণ্ড বা লম্বত ভূমিৰপৰা সোঁহাতে অনুভূমিক ৰেখা আগবাঢ়ি ইংৰাজী L ৰ সৃষ্টি কৰে (উট্টান মহি, ৬নং পি°, শা° ১১)। 'ই' ৰ বিন্দু তিনিটাত তিনিডাল সৰলৰেখাৰে সংযোগ কৰিলেই মাত্ৰ এ পাওঁ (এৰ ১নং পি, শাৰী ৬)। অৱশ্যে ইয়াৰো ভিন্ন আঠোটা ৰূপ আছে। এডাল উ ৰ দণ্ডৰ বাওঁফালে শিৰোৰেখা আগবঢ়ালেই সৃষ্টি হয় মাত্ৰ 'ওৰ (ওৰ ধনমহি ৬নং পি°, শা ৩) ইয়াৰ প্ৰকাৰ ভেদ চাৰিটা।

খ্ৰীষ্টীয় প্ৰথম শতিকাৰপৰা দুই শতাব্দী জুৰি অশোক কালীন ব্ৰাহ্মীৰ ভালেখিনি পৰিবৰ্তন হয়। স্বৰলিপিৰ ভিতৰত 'অ' ৰ পৰিবৰ্তন চকুতলগা। বাওঁফালৰ ৰেখা-দ্বয়তকৈ লম্বৰ দৈৰ্ঘ ভালেখিনি বৰ্ধিত হ'ল। ইয়াৰ নিম্নাংশই সোঁহাতৰপৰা বাওঁহাতলৈ চাল খালে। বাওঁহাতৰ উৰ্ধৰেখাই নিম্নৰেখাডালিৰ সৈতে লগলগা সময়ত ক্ষুদ্ৰ একোটি কোণৰ সৃষ্টি কৰি অনুভূমিক ৰেখাডালেৰে দণ্ডক স্পৰ্শ কৰা দেখা গ'ল। বক্ৰশৈলীত বক্ৰতা অংশই আৰু অধিক ঘোৰ খালে[২৮৫]।

গুপ্তকালীন পূৰ্বী ব্ৰাহ্মীৰ পৰিবৰ্তনো কোনোপধ্যেই উপেক্ষণীয় নহয়। কলম আৰু চিয়াহিৰ প্ৰয়োগে এই সময়ৰ লিপিৰ দ্ৰুত পৰিবৰ্তন সাধে। বাওঁহাতৰ উৰ্ধৰেখাৰ মূৰত শিৰোৰেখা দৃশ্যমান হ'ল। ই ৰ বিন্দু তিনিটাই ক্ষুদ্ৰৰেখালৈ মোট সলালে। উ ৰ দণ্ডৰেখাৰ শিৰত ক্ষুদ্ৰৰেখা আৰু ভূমিত হাঁকোটা লাগিল। সমুদ্ৰগুপ্তৰ প্ৰয়াগ প্ৰশস্তিৰ লিপিয়ে ওপৰৰ মন্তব্যৰ সাক্ষ্য দিয়ে। পূৰণি অসমৰ আদিস্তৰৰ লিপিতো পূৰ্বী গুপ্তলিপিৰ পৰিবৰ্তনৰ ধাৰাটি লক্ষ্য কৰে°।

খ্ৰী চতুৰ্থ পঞ্চম শতাব্দীৰ অসমৰ লিপি দুখনত ই আৰু উ—এই দুই অক্ষৰহে আদিস্থানত প্ৰয়োগ হৈছে। ই ৰ দণ্ডত ক্ষুদ্ৰ শিৰোৰেখা আৰু ভূমিত পুচ্ছৰেখা বৰ্তমান। দণ্ডৰ বাওঁহাতে আছে একেশাৰীতে দুটা শূন্যগৰ্ভ বিন্দু (ইয়ং উ, শা ৪)। মধ্যৱৰ্তী স্থানৰ আ-কাৰ হেলনীয়াকৈ আহি ব্যঞ্জনৰ শিৰোৰেখাত লগলাগে (মহাৰাজা ধিৰাজ—উ°, শা ১)। মধ্যৱৰ্তী ই কাৰৰ বক্ৰৰেখা ব্যঞ্জনৰ শিৰোৰেখাৰ সোঁফালে ওপৰত আৰম্ভ হৈ বাওঁহাতলৈ ঘোৰ খাই বৰ্তমানৰ ই-কাৰৰ চৈতনৰ ৰূপটি লয় (মহাৰাজাধিৰাজ—উ°, শা° ১০, ৰাজ্ঞি শ্চেহাত্তি—ন°, শা° ২)। মধ্যৱৰ্তী স্থানত ঈ-কাৰৰ চৈতনৰ অংশটি অধিক ঘোৰ খোৱা আৰু ই শিৰোৰেখাৰ ওপৰৰ মধ্যস্থানত

২৮৫ Dani, A H—*In P P* 86

সংযোজিত (কীৰ্ত্যতং—ন°, শা° ৪) প্ৰথম কুমাৰগুপ্তৰ বেইগ্ৰাম তাম্ৰশাসনবো দীৰ্ঘ ঈ-কাৰ অসমৰ দৰে।

হ্ৰস্ব উ ৰ শিৰোৰেখাৰপৰা অৱনত দণ্ডই বাওঁহাতলৈ মুখ কৰি এটি অৰ্ধবৃত্তৰ সৃষ্টি কৰে (উত্তুঙ্গ, ন°, শা° ৫)। মধ্যৱৰ্তী উ-কাৰৰ বেলিকা আকৌ দণ্ডৰ ভূমিৰপৰা প্ৰায় সমান্তৰালভাৱে আন এডাল সৰলৰেখা অগ্ৰসৰ হোৱা দেখা যায় (গুহৎ-উ°, শা ৪)। মধ্যস্থানত ঋ-কাৰৰ চিন হ'ল—দণ্ডৰ তলত সোঁহাতলৈ মেলখোৱা এটি ক্ষুদ্ৰ অৰ্ধবৃত্ত (কৃতম—উ, শা ২)। এ কাৰসমূহ ব্যঞ্জনৰ শিৰোৰেখাত দেৱনাগৰীৰ দৰে লগ লাগে। অৱশ্যে ইয়াৰ চৈতনৰ শিৰত টুপী নাই (মহেন্দ্ৰ—উ, শা ২)। এ-কাৰ আৰু আ কাৰৰ মিশ্ৰণেই ও-কাৰ (ন্যগ্ৰোধ—ন, শা ৪)।

খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীৰ লিপিৰূপে চিনাক্ত কৰা ভূতিবৰ্মাৰ আমোলৰ বৰগংগা লিপিত অ, আ আৰু হ্ৰস্ব ই আদিস্থানত দেখা যায়। অ ৰ দণ্ডৰেখাৰ নিম্নাংশ সোঁহাতলৈ অলপ ওলাই থোৱা। বাওঁহাতৰ বেঁকা ৰেখা ডুভালে ছপা অসমীয়া ২ ৰ ৰূপ লৈছেহি। ইয়াৰেই শিৰত এটি গোঁজ। ২ ৰ পেটৰপৰা সৰলৰেখা এডাল গৈ দণ্ডৰ লগত মিলি পৰিছে (অৱগুণস্য , শা ৩)। অনুৰূপ অ সমুদ্ৰগুপ্তৰ এলাহাবাদ প্ৰশস্তি লিপিত আছে[২৮৬]। অ ৰ তলত হিন্দী হ্ৰস্ব উ কাৰ দৰে ঘোৰ খোৱা ৰেখা এডাল বহালেই আ লিপিৰ আদিস্থানৰ ৰূপটি পোৱা যায় (আয়ুষ্কাম, শা ৩)। মধ্যস্থানৰ আ কাৰ (মহাৰাজা, শা° ১), ইকাৰ (যাজিন, শা ২) আৰু উ কাৰ (অৱগুণশ্চ—শা° ৩) উমাচল লিপিৰে অভিন্ন।

খ্ৰীষ্টীয় সপ্তম শতাব্দীত পুৰণি কামৰূপীয় লিপিৰ ভালেখিনি পৰিৱৰ্তন হয়। কাৰিকৰি ব্যৱস্থাৰ উন্নতি সাধন, অলংকৰণৰ প্ৰতি মনযোগ আৰু দ্ৰুত গতিত ঘোৰ খোৱাকৈ লিখাৰ হেঁপাহ—এই তিনিটা কাৰণে ভাৰতীয় লিপিৰ ভালেখিনি পৰিৱৰ্তন সাধন কৰাৰ কথা ড দানীয়ে উল্লেখ কৰা অভিমত অসমীয়া স্বৰলিপিৰ বিকাশৰ ক্ষেত্ৰতো প্ৰযোজ্য। কুমাৰ ভাস্কৰবৰ্মাৰ ডুবি আৰু নিধনপুৰ তাম্ৰশাসনদ্বয়ে আলোচিত শতাব্দীৰ স্বৰলিপিৰ দিশটি প্ৰোজ্জ্বল ৰূপত ভাঙি ধৰে। তদুপৰি এই শতকত অসমভূমিত চলা লিপিৰ দুই ভিন্ন ষ্টাইলো উপযুক্ত তাম্ৰশাসন দুখনিতে পোৱা যায়। ডুবিলিপিৰ শিৰোৰেখা বাওঁফালে অলপ মোটা আৰু সোঁফালৰ অন্তিম ভৰংগত অৱনত। কোনো কোনো আখৰত অৱনত অংশৰ তলতেই আন এডাল সৰু ৰেখা দি অ-কাৰ দ্যোতনা কৰাবো দৃষ্টান্ত আছে। নিধনপুৰ শাসনৰ শিৰোৰেখাত ক্ষুদ্ৰ

---

২৮৬ Fleet, J—*CII*, P 1

কোণ, দণ্ডৰ নিম্নাংশৰ সোঁহাতলৈ গতি আৰু একাধিক ব্যঞ্জনৰ লগত সংযুক্ত আ কাৰত কুশাণ যুগৰ মথুৰা শৈলীৰ প্ৰভাৱ পুষ্ট[২৮৭]।

অ—সোঁহাতে দণ্ড। ইয়াৰ অন্তিমাংশ বাওঁহাতে সোমাই পৰা। বাওঁহাতৰ অংশত ছপা অসমীয়া 'ৰ'ৰ বাওঁঅংশ। ইয়াৰ শিৰোদেশত ক্ষুদ্ৰ ৰেখা। সোঁমাজত বাওঁকালে এডাল ক্ষুদ্ৰ অনুভূমিক ৰেখা—এয়ে ডুবি শাসনৰ অ (অধীত্য,—১।১।৭)[২৮৮]। নিধনপুৰ শাসনৰ অ ৰ দণ্ড সোঁফালে ওলোৱা। শিৰোৰেখাত গোঁজ, বাওঁকালৰ বক্ৰৰেখাৰ মুখ দুখন ডুবিৰ দৰে সোঁহাতে ওলোৱা নহয়—বাওঁহাতেহে। মাজৰ ৰেখাডালো ওপৰৰপৰা তললৈ অৱনত (অৰিখন্তি, শা ১।১২)

আ—ডুবি শাসনত দেখা যায় যে অ ৰ তলত বাওঁহাতে মেলখোৱা হিন্দী হ্ৰস্ব উ কাৰৰ দৰে অৰ্ধবৃত্ত দি আ ৰ নিৰ্মাণ কৰা হৈছে। আনহাতে নিধনপুৰ শাসন ৰচয়িতাই অ ৰ দণ্ডৰ শিৰোদেশত সোঁফালে হাকোটা এডাল ওলোমাই দিছে (ডু—আত্মা, ২।২।৭ শা, নি—আসীদ্ ২।১।৬ শা)। ব্যঞ্জনৰ সৈতে সংযোজিত আ-কাৰৰ ৰূপ বেলেগ বেলেগ। ডুবি শাসনত ক, খ, গ, জ, ণ, দ, প, ল, শ আৰু স ৰ শিৰোৰেখাৰ ওপৰত অধুনা ছপা অসমীয়াৰ ৰেফৰ দৰে আ-কাৰৰ সংযোগ ঘটিছে। এয়া নি সন্দেহে পূৰ্বী কৌশাম্বী লিপিৰ অৱক্ষয়। ইয়াত ত, থ, ধ, ন, ভ, ম, য়, ৰ, স আৰু হ ৰ শিৰোৰেখাৰ সোঁহাতে একোটাকৈ ত্ৰিকোণ অথবা অৱনমিত ক্ষুদ্ৰ ৰেখাৰে আ কাৰ যুজোৱা দেখা যায়। নিধনপুৰ শাসনত সৰ্বদা শিৰোৰেখাৰ সোঁমূৰ অৱনত কৰি অথবা তলমুৱা ক্ষুদ্ৰ ত্ৰিকোণেৰে আ কাৰ যুজোৱা হৈছে।

ই—ডুবি আৰু নিধনপুৰ শাসন দুখনিত ই ৰো শৈলী দুটা। প্ৰথম খনত, ক্ষুদ্ৰ শিৰোৰেখাযুক্ত অৱনত দণ্ডই মাজতে সোঁফাললৈ মুখ কৰি এটি অৰ্ধবৃত্ত সাজিছে। তাৰ বাওঁফালে একে শাৰীৰ দুটি বিন্দু (ইজে—২।২।৬)। নিধনপুৰত শিৰোৰেখাত দুটি ত্ৰিকোণী বিন্দু, তাৰ তলত এডাল ক্ষুদ্ৰ বেকা ৰেখা (ইৰ—১।১।১১)। ব্যঞ্জনৰ সৈতে সংযুক্ত ই কাৰৰ ৰূপ হ'ল শিৰোৰেখাৰ ওপৰত তলমুৱা এটি অৰ্ধবৃত্ত। দুয়োখন শাসনতে এই ৰূপ অভিন্ন। ব্যঞ্জনৰ সৈতে দীৰ্ঘ ঈ কাৰৰো সংযোগ হোৱাটো মন কৰিব-

---

২৮৭ Verma, T P—*DSAK*, P 88

২৮৮ ইয়াৰে প্ৰথমৰ সংখ্যাই ফলক সংখ্যা', দ্বিতীয় সংখ্যাই ফলকৰ পৃষ্ঠাৰ কথা আৰু তৃতীয় সংখ্যাই শাৰীৰ সংখ্যা সূচনা কৰিছে। যেনে—১=প্ৰথম ফলক, দ্বিতীয় স্থানৰ ১=প্ৰথম পৃষ্ঠা আৰু তৃতীয় স্থানৰ ৭=সপ্তম শাৰী। ইয়াৰ পিছত ব্যৱহৃত তিনিটা সংখ্যাই একে কথাকে সূচাব।

লগীয়া। ব্যঞ্জনৰ শিৰোৰেখাৰ ওপৰত সোঁৱে-বাৱে বক্ৰৰূপ লোৱা দুডাল ৰেখাই হ'ল—ভুৰি শাসনৰ দীৰ্ঘ ঈ-কাৰৰ ৰূপ (বীতৰাগেন ৬।২।২)। নিধনপুৰ শাসনৰ দীৰ্ঘ ঈ কাৰৰ ৰূপ বেলেগ। ব্যঞ্জনৰ শিৰোৰেখাৰ ওপৰত ঘোৰ খোৱা এটা অৰ্দ্ধবৃত্তই ইয়াৰ দ্যোতক (বাজসনেয়ী—৫।২।২)

উ—শিৰোৰেখাৰ তলত অৰ্দ্ধদণ্ড, তলত ছপা ৩ ৰ দৰে এটি অৰ্দ্ধবৃত্ত—এয়ে উৰ আদিস্থানৰ ৰূপ। নিধনপুৰ তাম্ৰলেখত অৱশ্যে অৰ্দ্ধদণ্ড বাঁওফালে সোমাই যোৱা। ই দেৱখড়্গৰ আসৰফ্‌পুৰ তাম্ৰলিপিৰ উ ৰে অভিন্ন (উককগ—ভু ৫।১।১২, উত্তৰ—নি ৭।১।২)। মধ্যৱৰ্ত্তীস্থানত উ কাৰ ব্যৱহাৰৰ ৰূপটো বেলেগ। (ক) ক আৰু ৰ অক্ষৰৰ দণ্ডৰ তলত উ ৰ অৰ্দ্ধবৃত্তাকাৰ ৩ অংশটো লগলগাই, (খ) গ, ত, দ, ভ আৰু শ ৰ দণ্ডৰ ভূমিৰপৰা সোঁফালে শিৰোৰেখালৈ আন এডাল সৰলৰেখা টানি নাইবা (গ) ব্যঞ্জনৰ তলত হিন্দী উ কাৰৰ চিন দি উ কাৰ বুজোৱা দেখা যায়। মধ্যৱৰ্ত্তী স্থানত দীৰ্ঘ উ কাৰৰো প্ৰয়োগ হৈছে। হ্ৰস্ব উ-কাৰৰ উৰ্দ্ধমুখী ৰেখাৰ সোঁফালে হাকোটা লগাই নাইবা দণ্ডৰ তলত বাওঁফালে ইংৰাজী কমাৰ লেখীয়া ৰেখাৰ সংযোগেৰে দীৰ্ঘ উ কাৰ বুজোৱা দেখা যায়। মধ্যস্থানৰ ঋ কাৰে প্ৰায় আধুনিক ৰূপলৈ অগ্ৰসৰ হৈছে এই শতিকাতে। ব্যঞ্জনৰ দণ্ডৰেখাৰ তলত সংযোজিত ঋ কাৰ বহু সময়ত সোঁফালে মুখ কৰি থকা হাকোটা যেন দেখি।

এ—বাওঁফালৰ শিৰোৰেখাৰপৰা হেলনীয়া নিম্নমুখী ৰেখা এডাল আহি দণ্ডৰ ভূমি অংশত লগ লাগি এ ৰ ৰূপ দিয়াৰ নিদৰ্শন নিধনপুৰ শাসনত সংৰক্ষিত হৈছে (একোপি —২।২।১)। মধ্যস্থানৰ এ কাৰ ঠিক বৰ্ত্তমানৰ দেৱনাগৰী এ-কাৰৰ দৰে বাওঁহাতৰ ওপৰৰপৰা আহি সোঁফালে শিৰোৰেখাৰ ওপৰত লগ লাগে। শিৰোৰেখাৰ ওপৰত দুডাল এ কাৰ বহাই ঐ কাৰ, এ কাৰ আৰু আ কাৰ বহাই ও-কাৰ আৰু ঐ-কাৰৰ সৈতে আ-কাৰ (শিৰোৰেখাৰ ওপৰত নাইবা সোঁকাৰত, মূঠতে তিনিডাল ৰেখাৰ সমষ্টি) বহাই ঔ-কাৰ বুজোৱা দেখা যায়। আদিস্থানত ঐ, ও আৰু ঔৰ প্ৰয়োগ বিৰল[২৮৯]।

অষ্টম শতাব্দীৰ স্বৰলিপিৰ নিদৰ্শন দেওপানী বিষ্ণুলিপি, শংকৰ নাৰায়ণ স্মৃতিলিপি, দেওপানী হৰিহৰ প্ৰতিমা লিপি প্ৰভৃতিত সংৰক্ষিত হৈছে। ধৰ্মপালৰ খালিমপুৰ

২৮৯ নিধনপুৰ শাসনৰ আৰম্ভণি শব্দটি 'ওম'ৰ পৰিবৰ্তে 'আজ্ঞা'ৰ চিহ্নহে হোৱাটো সম্ভৱ। সবিশেষৰ বাবে কমলাকান্ত গুপ্তৰ Copperplates of Sylhet চাওক।

লিপিৰ অক্ষৰমালাত আলোচিত শভকৰ লিপিৰে অভিন্ন। অ ৰ ক্রমবর্দ্ধমান শিৰো-ৰেখাৰ ৰূপটি সহজে চকুত পৰে। দণ্ডৰ বাওঁফালৰ শিৰোৰেখাৰ নীচত্ প্ৰথম অৰ্দ্ধবৃত্তটিয়ে এডাল ক্ষুদ্ৰৰেখাৰ ৰূপ লৈছে। ইয়াৰ তলত বহল অৰ্দ্ধবৃত্তটি। অৰ্দ্ধবৃত্তৰ পেটৰপৰা আগবঢ়া এডাল অনুভূমিক ৰেখাই দণ্ডক স্পৰ্শ কৰি অ ৰ চূড়ান্ত ৰূপটি দৰ্শাইছে। অ ৰ সোঁফালে টনা লম্বৰেখাই স্থোতনা কৰে আ ৰ আদিস্থানৰ ৰূপটি। এই লম্বৰেখাটি শিৰোৰেখাৰপৰা ভূমিৰ তললৈ পৰিব্যাপ্ত (আদৌ—শং, শা ২)। আদিস্থানস্থ হ্ৰস্ব উ আৰু এ ৰ ৰূপ সপ্তম শতিকাৰ আখৰৰপৰা আতৰত নহয় (দেওপানী বিষ্ণু মূৰ্ত্তিলিপিৰ প্ৰথম শাৰীৰ উৰণে দ্ৰষ্টব্য)। মধ্যস্থানৰ ই কাৰ খালিমপুৰ লিপিতকৈ অসমৰ লিপিত অধিক বিকশিত। ই ব্যঞ্জনৰ বাওঁফালে ভূমিৰ পৰা শিৰোৰেখালৈ উঠি শিৰোৰেখাৰ ওপৰতো এটি তলমূৰা অৰ্ধবৃত্তৰ সৃষ্টি কৰা দেখা যায় (স্বস্তি—শা ১)। দীৰ্ঘ ঈ কাৰো আধুনিকতাৰ ফালে ধাৱমান (দত্তেতী, হ মৃ, শা ৩)। উ-কাৰ, দীৰ্ঘ উ কাৰ, ও-কাৰ আৰু ঐ-কাৰ সপ্তম শতাব্দীৰ ৰূপৰপৰা ভিন্ন নহয়।

মহাৰাজাধিৰাজ হৰ্জৰবৰ্মা আৰু বনমালবৰ্মাদেৱৰ শৈললেখ আৰু তাম্ৰ ফলি কেইখনিয়ে নৱম শতাব্দীৰ কামৰূপীয় স্বৰলিপিৰ ধাৰাটি প্ৰোজ্জ্বল কৰে। হৰ্জৰ বৰ্মাৰ হায়ুংথল লিপি আৰু বনমালবৰ্মাৰ পৰ্বতীয়া শাসনৰ আখৰে তৎকালীন অসমভূমিত প্ৰচলিত দুটি ভিন্ন শৈলীৰ নিদৰ্শন ডাঙি ধৰে[২৯০]। প্ৰথমখনি লিপিৰ আখৰৰ বক্ৰতাই দৰ্শকৰ দৃষ্টি পৰশি যায়। পৰ্বতীয়া লিপিত আকৌ কৌণিক ৰূপৰ সুষম প্ৰয়োগ মন কৰিবলগীয়া। নৱম শতাব্দীৰ লিপিবোৰৰ আদিস্থানত মাত্ৰ অ, ই, উ, এ আৰু ও স্বৰাক্ষৰহে অৱস্থিতি দেখা যায়। দণ্ডৰ বাওঁফালে ক্ষুদ্ৰ শিৰোৰেখাৰ তলত এডাল সৰু নিম্নাভিমুখী হেলনীয়া ৰেখা। ইয়াৰ তলত অৰ্ধবৃত্তটো। অৰ্ধবৃত্তৰ তুংগ শীৰ্ষৰপৰা আগবঢ়া ক্ষুদ্ৰ অনুভূমিক ৰেখা অৱনমিত হৈ দণ্ডক স্পৰ্শকৰা ৰূপটোৱে হ'ল—অ (অদিতে প ১।১।৫)। অ ৰ সোঁফালে দণ্ডৰ সমান্তৰালকৈ শিৰোৰেখাৰপৰা ভূমিলৈ বিস্তৃত ৰেখা টানি বংগদেশত প্ৰাপ্ত নাৰায়ণ পালৰ বাদাল স্তম্ভ লিপিত আ ৰ ৰূপটি গঢ়া হৈছে। ব্যঞ্জনৰ লগত সংযুক্ত আ-কাৰৰ ৰূপ বেলেগ বেলেগ। পৰ্বতীয়া শাসনৰ আ-কাৰে আধুনিক অসমীয়া বঙলা আ-কাৰৰ ৰূপ গ্ৰহণ কৰা বুলি ড° সৰকাৰ আৰু শ্ৰীচৌধুৰীয়ে আগবঢ়োৱা মন্তব্য তাৎপৰ্যপূৰ্ণ[২৯১]। অৱশ্যে জ, ট, ঠ আৰু হ ব্যঞ্জনৰ আকাৰৰ ৰূপ ভিন্ন। এই কেইটা আখৰৰ আ-কাৰে শিৰোৰেখাৰ

২৯০ *JASB*, 1894, P I

২৯১ *EI*, Vol XXIX, No 20, P 145

সোঁফালে এটি ক্ষুদ্র অর্ধবৃত্তৰ সৃষ্টি কৰি ৰেফৰ আকাৰত ঊৰ্ধ্বমুখী হয়। হায়ুংথল লিপিত ভ, দ আৰু প ব্যঞ্জনৰ আ-কাৰ হ'ল—দণ্ডৰ সমান্তৰাল ক্ষুদ্র নিম্নাভিমুখী ৰেখা।

ওপৰত দুটি শূন্য গৰ্ভ বিন্দু আৰু তাৰ তলত ছপা অসমীয়া ৩ সংখ্যা কিংবা প্রশ্নবোধক চিহ্নৰদৰে ঘোৰ খোৱা ৰেখা এডালেৰে আদিস্থানৰ ই বুজোৱা হয় (ইতি —প° ১।১।১৯)। ব্যঞ্জনৰ সৈতে সংযুক্ত ই কাৰ সাধাৰণতে ব্যঞ্জনৰ বাওঁফালে ভূমিৰ-পৰা শিৰোৰেখাৰ ওপৰলৈ ঘোৰ খুৱাই লিখা দেখা যায়। মধ্যবৰ্তীস্থানৰ দীৰ্ঘ ঈ কাৰ শিৰোৰেখাৰ ওপৰত এটি চৈতন তুলি ব্যঞ্জনৰ সোঁফালে ভূমিলৈ নামি আছে।

আদিস্থানৰ উ পূৰ্ববৰ্তী শতকৰ উ ৰে অভিন্ন। ব্যঞ্জনৰ লগত সংযুক্ত হ্রস্ব উ-কাৰ আৰু দীৰ্ঘ ঊ কাৰো সপ্তম শতিকাৰ ৰূপৰপৰা ভিন্ন নহয়। আদিস্থানৰ এ আৰু ব্যঞ্জনৰ সৈতে সংযুক্ত এ-কাৰ, ও-কাৰ আৰু ঐ-কাৰৰ ক্ষেত্ৰতো ওপৰৰ মন্তব্য প্রযোজ্য। আদিস্থানৰ ও আৰ্থৰটি বহু পৰিমাণে আধুনিক অসমীয়া ও ৰ ৰূপলৈ আগবঢ়াটো উল্লেখযোগ্য (ও—তেজপুৰ ঐ গুৰি শৈললেখ, শা° ১)

তৃতীয় বলবৰ্মাদেৱক (খ্রী ৮৮৫ ৯১) নৱম শতাব্দীৰ অন্তিম দ্বিদশক আৰু দশম শতাব্দীৰ প্ৰথম দশকৰ নৃপতিৰূপে সাব্যস্ত কৰা হৈছে যদিও ড ঠাকুৰপ্ৰসাদ বৰ্মাই আলোচনাৰ সুবিধাৰ বাবে উক্ত নৃপতিজনাৰ শাসনত্ৰয়ক খ্রীষ্টীয় দশম শতাব্দীৰ লিপি ৰূপে প্ৰদৰ্শন কৰিছে[২৯২]। আমিও শাসনত্ৰয়ৰ লিপিক দশম শতাব্দীৰ লিপিৰূপেই বৰ্ণনা কৰিম। এই শতিকাৰ অ ৰ শিৰোৰেখা আদও বিস্তৃত (আদিতে—উ ১।৬।৬)। সাধাৰণ অ ৰ উপৰি লুপ্ত অ ৰ প্রয়োগ বিশেষভাৱে লক্ষণীয়। এই আখৰটো দেখাত আধুনিক 'হ'ৰ দৰে (হম্ভো ভৱদ্—উ ১।১।১১)। আ ৰ আদিস্থানৰ ৰূপত নতুনত্ব নাই (আসীদ্—উ° ৩।১।৩)। ব্যঞ্জনৰ লগত সংযুক্ত আ কাৰৰ লৰ ক আৰু জ ত চুটি, কিন্তু বাকীবোৰ ব্যঞ্জনৰ ক্ষেত্ৰত সি আভূমি বিস্তৃত। হ্ৰস্ব ই বুজাবলৈ শিৰোৰেখাত দুটি শূন্যগৰ্ভ বিন্দু আৰু তাৰ তলত এডাল হাঁকোটা। হাঁকোটাৰ অন্তিম তৰংগ সোঁহাতে আগবঢ়া (ইতি—উ° ৩।১।১৩)। ব্যঞ্জনৰ লগত সংযুক্ত ই কাৰ নৱম শতাব্দীৰ ই কাৰেৰে অভিন্ন। আদিস্থানত দীৰ্ঘ ঈ পাবলৈ নাইকিয়া। মধ্যৱৰ্তীস্থানৰ ঈ কাৰ পূৰ্ববৰ্তী শতকৰ অনুৰূপ। আদিস্থানৰ হ্ৰস্ব উ ৰ শিৰোৰেখা আৰু ভূমি স্পৰ্শিত অৰ্ধবৃত্তৰ ক্ৰমবৰ্ধমান ৰূপটি লক্ষণীয় (উত্তৰেণ—ন ৩।১।১৩)। পূৰ্ববৰ্তী শতিকাৰ দৰে ব্যঞ্জনৰ দণ্ডৰ তলত পথালিকৈ বক্ৰৰেখা বহাই, হিন্দী হ্ৰস্ব উ-কাৰৰ

---

২৯২ Verma, T P—*DSAK* P 31

দৰে ব্যঞ্জনৰ তলত বামমুখী অৰ্ধবৃত্ত আঁকি (ত আখৰৰ নিম্নদেশত) নাইবা ব্যঞ্জনৰ দণ্ডৰ সোঁফালে উৰ্ধমুখী 'কমা'ৰ সংযোজনাৰে এই শতিকাতো মধ্যবৰ্তী স্থানৰ উ-কাৰৰ প্ৰয়োগ দেখা যায়। আদিস্থানৰ হ্ৰস্ব উ ৰ নিম্ন অৰ্ধবৃত্তৰ সোঁফালে পেটত এডাল ক্ষুদ্ৰ হাঁকোটা আঁকি দি দীৰ্ঘ উ ৰ দ্যোতনা কৰাৰ প্ৰযত্ন নতুন (উৰা—উ° ৩।১।৬)। ৰ ব্যঞ্জনৰ সৈতে সংযুক্ত দীৰ্ঘ উ-কাৰ সম্পূৰ্ণ আধুনিক। আনবোৰ ব্যঞ্জনৰ দণ্ডৰ নিম্নাংশত মূৰত টুপীপিন্ধা বাম হস্তাভিমুখী ৰেখাৰে দীৰ্ঘ উ কাৰ সংযোগ কৰা দেখা যায়। আদিস্থানত এ, ঐ আৰু ও বলবৰ্মাদেৱৰ লিপিৰত পোৱা নাযায়। ব্যঞ্জনৰ সৈতে সংযুক্ত এ কাৰ, ঐ-কাৰ আৰু ও-কাৰৰ ৰূপ পূৰ্ববৰ্তী শতিকাৰে অভিন্ন। আদিস্থানৰ ঔ আখৰটি নগাঁও শাসনত পোৱা গৈছে (ঔপৰিকৰিক—৩।১।২)। ইয়াৰ ৰূপ অধুনা ছপা ঔ ৰ ওচৰ চপা। ব্যঞ্জনৰ লগত সংযুক্ত ঔ কাৰো পূৰ্ববৰ্তী শতিকাৰ ৰূপতকৈ অধিক বিকশিত নহয় (যৌৱন—ন ২।১।৯)।

একাদশ শতাব্দীত অসমীয়া স্বৰলিপিয়ে যি বিকাশৰ পথেদি আগবাঢ়িছিল, তাৰ সুন্দৰ চানেকি ৰত্নপাল, ইন্দ্ৰপাল আৰু গোপালবৰ্মাদেৱৰ লিপিত সংৰক্ষিত হৈছে। ড মুকুন্দ মাধৱ শৰ্মাই গছতল লিপিৰ অ আৰু আ অক্ষৰে ছপা অসমীয়া অ আৰু আ ৰ ওচৰ চপা বুলি দিয়া মন্তব্য নিতান্তই সত্য[২৯৩]। দণ্ডৰ বাওঁফালে শিৰোৰেখাৰ তলত মাত্ৰ এটা অৰ্ধবৃত্তৰ অৱস্থিতি মন কৰিবলগীয়া। এই শতিকাৰ অন্যান্য আখৰদৰে অ বো দণ্ডৰ পুচ্ছাংশ সোঁফালে আগবঢ়া (অন্তামসীমা—ণ্ড ৩।১।১)। আ ৰ আদিস্থানৰ ৰূপ পূৰ্ববৰ্তী শতিকাৰ দৰে (আসীত—ণ্ড ২।২)। আ-কাৰৰ ক্ষেত্ৰতো কোনো পৰিৱৰ্তন দেখা নাযায়। এই শতিকাত হ্ৰস্ব ই ৰ দুটি ভিন্ন শৈলী দেখা যায়—প্ৰথমটি দশম শতিকাৰ দৰে শিৰোৰেখাত দুটি শূন্যগৰ্ভ বিন্দু আৰু তাৰ তলত এটি নিম্নমুখী অৰ্ধবৃত্ত (ইয়মপি—ণ্ড ১।১।৩) আৰু দ্বিতীয়টি ৰূপত আছে—ভূমিত দুটি শূন্যগৰ্ভ বিন্দু আৰু তাৰ ওপৰত এডাল চৌ খেলোৱা ৰেখা (ইয়মপি—ণ্ডৰা ১। ১।৪)। ব্যঞ্জনৰ লগত সংযুক্ত ই-কাৰ, দীৰ্ঘ ঈ কাৰ আৰু আদিস্থানৰ উ, ঊ তথা মধ্যবৰ্তীস্থানৰ উ-কাৰৰ কোনো পৰিৱৰ্তন পৰিলক্ষিত নহয়। ইবোৰ দশম শতাব্দীৰ ৰূপেৰে অভিন্ন। মাত্ৰ ধ, ভ আৰু ম ৰ সৈতে সংযুক্ত দীৰ্ঘ উ কাৰে দেৱনাগৰী ৰূপ লৈছেহি। আদিস্থানৰ এ ত নগৰী প্ৰভাৱ স্পষ্ট কৰা টান (এবং—ব° ১।১।১৫)। অৱশ্যে হাঁকোটা যুক্ত দণ্ডৰ ভূমিৰ বাওঁফালে আগবঢ়া বক্ৰৰেখা যুক্ত অধুনা এ ৰ ৰূপো বিৰল নহয় (এব —ণ্ড ১।১।৫)। শিৰোৰেখাৰ বাওঁফালে লগলাগি থকা এ-কাৰভালে কেতিয়াবা

---

২৯৩ Sarma, M M.—*IAI*, P 207

ভূমিৰ ফালে অৱনত হৈ আধুনিকতাৰ ফালে গতি কৰিছে। বংগদেশৰ তৃতীয় বিগ্ৰহ পালৰ আমগাছি তাম্ৰলেখতো[২৯৪] অনুৰূপ এ কাৰ দেখিবলৈ পোৱা যায়। এ-কাৰৰ ওপৰত চৈতন তুলি ঐ-কাৰ আৰু এ-কাৰৰ লগত আ-কাৰ যোগ দি ও-কাৰ বুজোৱা ৰীতি এই শতিকাতো অভিন্ন। ইন্দ্ৰপালদেৱৰ দ্বিতীয় শাসনৰ ঔ-কাৰ সম্পূৰ্ণ আধুনিক (২।১।১৭)। ব্যঞ্জনৰ দণ্ডৰ তলত সৌমুখী কৌণিক ৰেখা এডালৰ সংযোজনাৰে ঋ কাৰ বুজোৱা পদ্ধতি বৰ্তমানৰপৰা আতৰত নহয়।

খ্ৰী° দ্বাদশ শতাব্দীৰ কামৰূপীয় স্বৰলিপিৰ নমুনাৰূপে ধৰ্মপাল, বৈদ্যদেৱৰ কমৌলী তাম্ৰশাসন, বল্লভদেৱৰ অসম শাসন আৰু কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত সংৰক্ষিত হস্ত-লিখিত পুথিৰ অক্ষৰসমূহৰ নামোল্লেখ কৰিব পাৰি। এই শতিকাৰ আদিস্থানস্থ অ আৰু আ ৰ শৈলী তিনিটা। প্ৰথম শৈলীত, দণ্ডৰ ভূমিত পুচ্ছ। বাওঁহাতৰ ক্ষুদ্ৰ শিৰোৰেখাত এটি কুণ্ডলী আৰু তাৰ তলতহে স্পষ্ট অৰ্ধবৃত্তটি। ইয়াৰপৰা ঈষৎ হেলনীয়া ক্ষুদ্ৰ ৰেখা এডালে আহি দণ্ডক স্পৰ্শ কৰে (অগ্নিষ্টো—খ ২।২।৬)। বিজয় সেনৰ দেওপাৰা প্ৰশস্তিৰ[২৯৫] অ ৰ ৰূপো ইয়াৰ অনুৰূপ (অনুবদন—শা ১০)। দ্বিতীয় শৈলীত দেখা যায়—দণ্ডৰ ভূমিত বাওঁফালে এটি ক্ষুদ্ৰ দ্বীপ সাজি তাৰপৰা এডাল হেলনীয়া উৰ্ধমুখী সৰলৰেখাৰে বাওঁহাতৰ অৰ্ধবৃত্তক স্পৰ্শ কৰাই কল্পিত শিৰোৰেখাত এটি শূন্যগৰ্ভ ত্ৰিকোণেৰে অ ৰ সৃষ্টি কৰাটো (অন্ত—ক ১।১।৭)। তৃতীয় প্ৰকাৰ শৈলী বল্লভদেৱৰ দানপত্ৰত পোৱা গৈছে। পূৰ্ণ দৈৰ্ঘ্যৰ শিৰোৰেখা আৰু দণ্ডৰ বাওঁফালে ভূমি স্পৰ্শিত অৰ্ধবৃত্তৰপৰা এডাল অনুভূমিক ৰেখাই দণ্ড আৰু আনডাল উৰ্ধমুখী ৰেখাই শিৰোৰেখাৰ সমান্তৰালভাৱে অলপ বাওঁহাতলৈ আগুৱাই পুনৰ উৰ্ধমুখী হৈ শিৰোৰেখাৰে মিলি অ ৰ ৰূপ দিছে (অক্ষয়—৪।১।১)। কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ হস্তলিখিত পুথিৰ অ প্ৰথম শৈলীৰ অনুৰূপ। ইয়াৰ দণ্ডৰ ভূমিত বাওঁহাতে মাত্ৰ এটি ক্ষুদ্ৰ ত্ৰিভুজ লাগি থাকে[২৯৬]। অ ৰ দৰে আ ৰো শৈলী তিনিটা। কমৌলী শাসনৰ আ-কাৰ অধুনা আ-কাৰৰ দৰে শাখা যুক্ত (আসীদ ১।১।৮)। বাকীবোৰত শিৰোৰেখাৰপৰা আভূমি বিস্তৃত দণ্ড। অৱশ্যে ধৰ্মপালৰ লিপিত্ৰয়ৰ জ বৰ্ণৰ সৈতে সংযুক্ত আ কাৰৰ ৰূপটো ভালেখিনি চুটি।

আদিস্থানৰ হ্ৰস্ব ই ৰো শৈলী একাধিক। পূৰ্বৱৰ্তী শতাব্দীকেইটাৰদৰে এটা শৈলীত

২৯৪, *JRASB*, Vol IV, PP 369-72

২৯৫ *EI*, Vol I, P 307

২৯৬ Buhler, *IP*, Pl VI, X 9

আছে—ওপৰত দুটি বিন্দু আৰু তাৰ তলত ইংৰাজী O-ৰ দৰে সংলগ্ন দুটি অৰ্ধবৃত্ত (ইতি—খ ১।১।৭)। আনটো শৈলীত দেখা যায়—তলত দুটি বিন্দু। তাৰ ওপৰত বিন্দুদ্বয় স্পৰ্শিত প্ৰায় ইংৰাজী কেপিটেল M ৰ দৰে এডাল কুঁজ থকা বেঁকাৰেখাৰ অংকন (ইতি—ক ২।১।৬)। তৃতীয় শৈলীত পোৱা যায়– শিৰোৰেখাযুক্ত দণ্ডৰ বাওঁফালে শিৰোৰেখাৰপৰা ভূমিলৈ অৱনমিত ৰেখাৰ দুই হাতে দুটি বীণ আৰু তলত ইংৰাজী কমাৰ দৰে বক্ৰৰেখা (ইহ—বাৰ্ড ৪।১।২) অনুৰূপ শৈলীৰ ই বিজয়সেনৰ দেওপাৰা প্ৰশস্তিতো বিদ্যমান। কেম্ব্ৰিজ বিশ্ববিদ্যালয় হস্তলিখিত পুথিত ই ৰ ৰূপ আকৌ ভিন্ন। তাত দেখা যায়—লম্বমান দুডাল ৰেখাৰ বাওঁফালে এটি ত্ৰিভুজ। ত্ৰিভুজৰ ওপৰত বাওঁহাতৰপৰা সোঁহাতলৈ এটি সুন্দৰ চৈতন[২৯৭]। ব্যঞ্জনৰ লগত সংযুক্ত ই-কাৰ পূৰ্ববৰ্তী শতিকাবোৰৰ দৰেই। কমৌলী শাসন আৰু কেম্ব্ৰিজ বিশ্ব বিদ্যালয়ত ৰক্ষিত পুথিৰ ঈ ৰ ৰূপ হ্ৰস্ব ই ৰে অভিন্ন। হ্ৰস্ব উ আৰু দীৰ্ঘ ঊ ৰ ৰূপ পূৰ্ববৰ্তী শতিকাৰে অভিন্ন। কেম্ব্ৰিজ বিশ্ববিদ্যালয় সংৰক্ষিত হস্তলিখিত পুথিত এই দুই অক্ষৰৰ ৰূপ আধুনিক উ আৰু ঊ ৰ শিৰোৰেখাৰ নিম্নভাগেৰে অভিন্ন। উ অথবা ঊ কাৰতো কোনো নতুনত্ব নাই।

আদিস্থানৰ ঋ ৰ প্ৰথম উন্মেষ ঘটে ধৰ্মপালৰ খনামুখ শাসনত। ছপা হৰফৰ ঝ ৰ শিৰোৰেখাৰ বাওঁমূৰে এটি গোঁজ লগাই দিলেই ঋ আখৰটি পোৱা যাব। অৱশ্যে ত্ৰিভুজৰ ৰেখা দুডাল বাহিৰলৈ ওলাই যোৱা চকুত পৰে (ঋত্বিজ—খ ২।২।৮)। কমৌলী শাসনত ঋ ৰ শিৰোৰেখাৰ বাওঁফালে এটি ক্ষুদ্ৰ ত্ৰিভুজৰ উপৰি দণ্ড আৰু তাৰ সোঁফালৰ লম্বৰ মধ্যস্থানত এডাল ক্ষুদ্ৰ সংযোগী ৰেখা দৃশ্যমান (নৈ ঋত্য দিশো—৩।১।১০)। কেম্ব্ৰিজৰ হস্তলিখিত পুথিৰ ঋ ছপা ঋ ৰে অভিন্ন। আনকথাত সম্পূৰ্ণ আধুনিক। দীৰ্ঘ ৠ ৰ প্ৰয়োগ বিৰল। কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ সংৰক্ষিত পুথিত ঋ ৰ লম্বৰ তলত হাকোটা দি ৠ বুজোৱা হৈছে[২৯৮]। ইয়াৰ ৰূপ ছপা অসমীয়া বঙলা এ ৰ দৰে। এ কাৰ আৰু ঐ কাৰ পূৰ্ববৰ্তী শতিকাৰে অভিন্ন। আদিস্থানৰ ঐ ৰ ৰূপটো কেম্ব্ৰিজ বিশ্ববিদ্যালয় হস্তলিখিত পুথিতহে পোৱা যায়। ছপা ঐ ৰ সৈতে তাৰ পাৰ্থক্য নাই[২৯৯]। আদিস্থানৰ ও পূৰ্ববৰ্তী শতিকাৰ দৰেই আধুনিক (ও নমো—বং ১।১)। ও ৰ সোঁফালে দণ্ডৰ মূৰত চৈতন তুলি ঔ ৰ দ্যোতনা কৰিছে কেম্ব্ৰিজ বিশ্ববিদ্যালয়

২৯৭ Buhler, G.—*IP* Pl VI, X 3

২৯৮ Buhler, O—*Ibid* Pl VI X. 11

২৯৯ Buhler, G—Ibid, Pl VI, X 13

সংৰক্ষিত পুথিত। আধুনিক ছপা হৰফৰ হ ৰ বাওঁফালৰ অংশৰে এই শতিকাত লুপ্ত অ ৰ দিয়া ৰূপ বিভিন্ন লিপিত পোৱা যায় (সোহদ-ক ১।১।১৯)।

খ্রীষ্টীয় ত্রয়োদশ শতাব্দীত পূৰণি অসমীয়া স্বৰলিপিয়ে যি পূর্ণ বিকশিত ৰূপ ধাৰণ কৰিছিল, তাৰ নিদর্শন কানাই বৰশীবোৱা ভুকন্ধ ক্ষৰ শিলৰ ফলি আৰু আমবাৰী শিলালিপিত পোৱা যায়। ইয়াৰ লগতে 'চর্যাগীতি কোষ'ৰ লিপিকো অন্তর্ভুক্ত কৰিব পাৰি। 'চর্যাগীতি কোষ'ৰ অ স্বৰলিপিৰ দণ্ডৰ বাওঁফালটো প্রায় ছপা অসমীয়া হৰফৰ ম ৰ বাম অংশৰ দৰে (পুঁছিঅ—চর্যা ১।২)। অ ৰ সোঁফালে লম্ব এডাল দিলেই হ'ল আ (কা আ—চর্যা ১।২)। আ-কাৰৰ মূৰত বাওঁফালে শাখাৰেখাৰ অৱস্থিতি লক্ষণীয় (শাকে—কানাই, শা, ১)। হ্রস্ব ই ৰ ৰূপ কেম্ব্রিজ বিশ্ববিদ্যালয়ত সংৰক্ষিত পুথিৰ দৰেই শিৰোৰেখাৰ তলত চৈত্তন ভুলি তাৰ তলত ইংৰাজী S আখৰটো পাথালিকৈ পেলোৱা ৰূপ। অনুৰূপ ই 'হেবজ্রতন্ত্রটীকা'তো পোৱা গৈছে। হ্রস্ব ই ত অলংকৃত দীর্ঘ ঈ কাৰ সংযোগেৰে দীর্ঘ ঈ ৰ দ্যোতনা মনোৰম। হ্রস্ব উ, দীর্ঘ ঊ আৰু এ কেম্ব্রিজ বিশ্ববিদ্যালয়ৰ হস্তলিখিত পুথিতকৈ ভিন্ন নহয়। কানাই বৰশীবোৱা শিলৰ ফলিৰ ত ৰ লগত সংযুক্ত উ-কাৰ পূৰণি ধৰণৰ। বাকীবোৰৰ ৰূপ আধুনিক। দ্বাদশ শতাব্দীৰ ও ৰ সোঁফালে আ কাৰৰ সংযোজনাৰে 'চর্যাগীতি কোষ'ত ঔ লিপি লিখা হৈছে (ঔড়ি—চর্যা ৭।২)।

চতুর্দশ শতাব্দীৰ অসমীয়া স্বৰলিপিৰ নিদর্শন গছতল লিপি, পুৰুষোত্তম দাসৰ বাউতকুছি তাম্রশাসন, সত্যনাৰায়ণৰ ভূমিদানৰ তামৰ ফলি, লক্ষ্মীনাৰায়ণৰ ভূমি-দানৰ ফলি, বৰমুৰ্তিয়া বিল তাম্রপত্র, মহামাণিক্য প্রদত্ত লংকা শৈললেখ প্রভৃতিত পোৱা যায়। এই শতকত স্বৰলিপি কেইটাৰ বৰ বেছি বিকাশ চকুত নপৰে। সদিয়াৰ লিপিমালাত ব্যৱহৃত ই ৰ ৰূপত কিছু নতুনত্ব আছে। দণ্ডৰ ওপৰত বামাভিমুখী ক্ষুদ্র চৈত্তন আৰু দণ্ডৰ ভূমিৰ বাওঁফালে শূন্যগর্ভ ত্রিভুজ আৰু তাৰ ওপৰত 'প' বা 'গ'ৰ বামাংশৰ দৰে অর্ধবৃত্তাকাৰৰ ডুভাল ৰেখাই দণ্ডৰ মধ্যদেশ স্পর্শকৰি ই ৰ ৰূপ দিয়া দেখা যায় (ইতি—বৰমুৰ্তিয়া, শা ৩)। হ্রস্ব ই ৰ দণ্ডৰ সোঁহাতে হাঁকোটা লগাই দীর্ঘ ঈ ৰচনা কৰা দেখা যায় (ঈশানং—সত্যনাৰায়ণৰ ফলি ১।২)। বাকীকেইটা স্বৰলিপি অধুনা ছপা হৰফৰ পৰা অধিক আতৰত নহয়।

পঞ্চদশ শতাব্দীৰ স্বৰলিপিৰ নমুনাৰূপে 'কৃষ্ণ-কীর্তন'ৰ উপৰি সদিয়া চেপাখোৱা তাম্রলিপি, পায়া-তাম্রেশ্বৰী মন্দিৰ শাসন আৰু কামৰূপেশ্বৰ মাধৱদেৱৰ নীলাচল তাম্রশাসনৰ লিপি প্রদর্শন কৰিব পাৰি। 'কৃষ্ণ-কীর্তন'ৰ অ, আ, ই, ঈ, এ আৰু ও

—এ স্বৰলিপি কেইটাই বৰ্তমানৰ ছপা হৰফৰ ৰূপ লোৱাটো চাবলগীয়া। মাধৱৰ নীলাচল তাম্ৰলেখৰ অ, আ আৰু ই পুৰাতন ভংগীৰ। এই দুই লিপিৰ দণ্ডৰ বাওঁফালে ভূমি সংলগ্ন দুটি ক্ষুদ্ৰ ত্ৰিকোণৰ সৃষ্টি আন এটি মন কৰিবলগীয়া বৈশিষ্ট্য[৩০০]। উ আৰু উ ৰ শিৰোৰেখাৰ ওপৰৰ থকা চৈতন দুভাল এতিয়াও ওলাবলৈ বাকী। হ্ৰস্ব আৰু দীৰ্ঘ ঈ কাৰ সম্পূৰ্ণৰূপে আধুনিক। ক, ণ আৰু জ ৰ হ্ৰস্ব উ-কাৰৰ ৰূপ হ'ল শূঙহীন ত্ৰিকোণ। গ আৰু শ ৰ হ্ৰস্ব উ কাৰত দেৱনাগৰী প্ৰভাৱ স্পষ্ট। আনহাতে ঘু আৰু মু ৰ উ কাৰ সম্পূৰ্ণ আধুনিক। ৰ ৰ সৈতে সংযুক্ত হ্ৰস্ব উ-কাৰ আৰু দীৰ্ঘ উ কাৰৰ উপৰি এ কাৰ ছপা হৰফৰ আতৰত নহয়।

ষোড়শ শতাব্দীৰ অসমীয়া স্বৰলিপিৰ নমুনা ৰূপে নীলাচলৰ কামাখ্যা মন্দিৰৰ শিলৰ ফলি আৰু হয়গ্ৰীৱ মাধৱ মন্দিৰৰ শিলৰ ফলিৰ নামোল্লেখ কৰিব পাৰি। এই শতিকাত আটাইকেইটা স্বৰলিপিয়ে আধুনিকতাৰ ফালে দ্ৰুতগতিত আগবঢ়া দেখা যায়। হ্ৰস্ব ই ৰ এটা নতুন ৰূপ দেখা যায়—ছপা হৰফৰ ভ ত া সংযুক্ত (ভা) কৰিলে যিটো ৰূপ ল'ব সেয়ে এই শতিকাৰ ই ৰূপ। ইয়াৰ প্ৰত্নৰূপ কমৌলী শাসনত পোৱা গৈছে[৩০১]। ক্ষেত্ৰ বিশেষে অ আৰু আ লিপিৰ বাওঁ অংশত দেৱনাগৰী প্ৰভাৱ স্পষ্ট। হ্ৰস্ব উ আৰু দীৰ্ঘ উ ৰ শিৰোৰেখাৰ ওপৰত চৈতন এই শতাব্দীতো দেখা নাযায়। কেতিয়াবা কেতিয়াবা শিৰোৰেখাই ত্ৰিহুতী লিপিত থকাৰ দৰে বিন্দু সমেত বক্ৰৰেখাহে (᳘) দৃষ্টিলৈ আনে।

সপ্তদশ খ্ৰীষ্টাব্দৰ পুৰণি অসমীয়া স্বৰলিপিৰ নমুনা ৰূপে নিৰ্দেশ কৰিবলৈ চায়ধৰা গড়ৰ ৰণজয়ৰ আৰু ভণ্ডাৰী গোসাইৰ গড নিৰ্মাণৰ শিলৰ ফলি, কমতাপুৰৰ কামতেশ্বৰী গোসানীৰ মন্দিৰৰ ফলি আদিৰ উপৰি নগাঁও বালিসত্ৰত সংৰক্ষিত 'চিত্ৰ ভাগৱত'ৰ নামোল্লেখ কৰিব পাৰি[৩০২]। এই শতাব্দীত আটাইকেইটা স্বৰলিপিয়ে প্ৰায় ছপা হৰফৰ কায চাপিছে। অ আৰু আ ৰ দণ্ডৰ বাওঁ অংশটোত দেৱনাগৰী প্ৰভাৱ স্পষ্ট। 'চিত্ৰ ভাগৱত'ৰ লেখাত লেখনিৰ দ্ৰুততা সহজতে চকুত পৰে। ইয়াৰ

৩০০ অনুৰূপ দণ্ডৰ বাওঁফালে ভূমিসংলগ্ন ত্ৰিকোণৰ অৱস্থিতি ত্ৰিহুতী অ আৰু আ অক্ষৰতো দেখা যায়।

৩০১. ড মহেন্দ্ৰ বৰাই ই ৰ উক্ত শৈলীটো বামুণীয়া শৈলীৰ পূৰ্বৰূপ ৰূপে চিনাক্ত কৰিছে—'It is this ı which receives favour with the Bamuniya style, when ıt came ınto vogue afterwords— *EAS*, P 51

৩০২ Bora M—*EAS* P 58

ই য়ে সম্পূৰ্ণৰূপে আধুনিক ৰূপ লৈছে যদিও কোনো কোনো ঠাইত শিৰোৰেখা বিহীন ভাৱেই চৈতনভাল বহুৱা হৈছে। উ ৰ শিৰোৰেখাৰ নিম্নাংশ চৈতনহীন ছপা অসমীয়া উ ৰ লেখীয়া। এ, ও আৰু ঔ ৰ ছপা অসমীয়া ঔ ৰ পৰা আতৰত বুলিব নোৱাৰি। আ কাৰ, উ-কাৰ, এ-কাৰ, ঐ কাৰ, ও-কাৰ আৰু ঔ কাৰৰ ৰূপো ছপা হৰফেৰে একে।

'অষ্টাদশ শতাব্দীৰ স্বৰলিপিৰ নমুনা ৰুদ্ৰসিংহৰ লেপেটকটা আৰু জয়সাগৰৰ সদাশিৱ মন্দিৰৰ তামৰ ফলিত আৰম্ভ কৰি 'হস্তীবিদ্যার্ণৱ' লৈকে শেষ কৰি বহুসংখ্যক শিলালেখ, তামৰ ফলি, বৰটোপৰ লেখা আৰু সাঁচিপাত-তুলাপতীয়া পুথিত পোৱা যায়। কাইথেলী, বামুণীয়া আৰু গড়গঞা শৈলীৰ উদ্ভৱ এই সময়ৰে বুলি কোৱা হৈছে। ৰাজপৃষ্ঠপোষকতাত ৰচিত আৰু চিত্ৰিত 'হস্তীবিদ্যার্ণৱ'ৰ লিপিক কাইথেলী ৰূপে প্ৰদৰ্শিত হয়। ড মহেন্দ্ৰ বৰাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত সংৰক্ষিত 'ভক্তি ৰত্নাৱলী'ৰ আধৰক 'বামুণীয়া' শৈলীৰ[৩০৩] আৰু বুৰঞ্জীৰ আখৰক 'গড়গঞা শৈলী'ৰ নমুনাৰূপে প্ৰদৰ্শন কৰিছে। এই শতাব্দীত শিল বা তামৰ ফলি আৰু বৰতোপৰ গাত লেখা আ ৰ দণ্ডৰ বাওঁফালে শিৰোৰেখাৰ তলত দ্বি বক্ৰতা আৰু দ্বিতীয় বক্ৰতাৰ অস্তিমৰপৰা হেলনীয়া ৰেখা এডাল গৈ দণ্ডৰ ভূমিত কৌণিকভাৱে লগলগা দেখা যায়। আ ৰ ক্ষেত্ৰতো সি প্ৰযোজ্য। ষোড়শ শতাব্দীত প্ৰাপ্ত ই (ভী) আৰু আধুনিক ই, শিৰোৰেখা যুক্ত চৈতনহীন উ, আধুনিক ৰূপৰ এ, ঐ, ও আৰু ঔ দেখা যায়। 'হস্তীবিদ্যার্ণৱ'ৰ অ আৰু আ ৰ বাওঁ অংশ বহুসময়ত হু ৰ দৰে। বুৰঞ্জীৰ অ আৰু আ ৰ বাওঁ অংশত মাত্ৰ এটা অৰ্ধবৃত্তৰ সংযোজনাৰে প্ৰায় ছপা অসমীয়া অ ৰ ৰূপ লোৱা দেখা যায়। উ ৰ শিৰোৰেখাই বহু সময়ত বক্ৰৰূপ লোৱাত বিকশিত ৰূপলৈ আগবঢ়া বুলিব পাৰি। এ আৰু ঐ ছপাৰপৰা ভিন্ন নহয়, ঔ ৰ দুটা ৰূপ পোৱা গৈছে—প্ৰথমটো ছপাৰ দৰে আৰু দ্বিতীয়টোত দেখা যায় ঔ-ৰ তলৰ অৰ্ধবৃত্তত দীৰ্ঘ উ ত থকাৰ দৰে আন এটি অৰ্ধবৃত্তৰ সংযোজন। মধ্যবৰ্তী স্থানৰ আ-কাৰ, উ কাৰ, এ কাৰ, ঋ কাৰ, ঐ-কাৰ আৰু ঔ কাৰৰ ৰূপ ছপা হৰফৰ ওচৰ চপা।

ঊনবিংশ শতাব্দীত লিখা শিলালেখ, তাম্ৰলেখ অথবা সাঁচিপাত তুলাপতীয়া পুথিৰ সংখ্যা অগণন। পিছে এই শতাব্দীত ছপা হৰফ প্ৰৱৰ্তনৰ লগে লগে ভালেকেইটা অসমীয়া লিপিৰ চেহেৰা সলনি হয়। আলোচিত শতাব্দীলৈকে প্ৰবাহমান হস্তলিখিত পুথিৰ স্বৰ লিপিকেইটাৰ ৰূপবোৰ আছিল এনেধৰণৰ: অ ৰ দণ্ডৰ বাওঁফালে একে পাকে দুটা অৰ্ধবৃত্ত আঁকি একেডাল ৰেখাৰেই দণ্ডৰ ভূমিত এটি সূক্ষ্মকোণৰ সৃষ্টি কৰে।

৩০৩ Bora, M —*Ibid* P ৩১

একেপাকে আঁকা গুণে বাওঁহাতৰ অৰ্দ্ধবৃত্তৰ সংগম স্থানবোৰত একোটি কৈ কুণ্ডলীৰ সৃষ্টি হোৱাটো স্বাভাৱিক। কেতিয়াবা কেতিয়াবা দণ্ডৰ সোঁহাতে পুচ্ছ আগবাঢ়ি যায়। কোনো কোনো হস্তলিপিত দণ্ডৰ বাওঁফালে দুটা অৰ্দ্ধবৃত্তৰ সলনি এটা অৰ্দ্ধবৃত্তৰ অৱস্থিতিও পোৱা যায় যদিও অৰ্দ্ধবৃত্তৰ অন্তিমভাগ ঘোৰ খাই শিৰোৰেখালৈ নাহি হেলনীয়াকৈ নিম্নমুখীহৈ দণ্ডৰ ভূমিত লগ লাগে। তেতিয়া তাৰ ৰূপ ছপা ম ৰ দণ্ডৰ বাওঁ অংশৰদৰে হয়গৈ। অ ৰ সোঁফালে পূৰ্ণ দৈৰ্ঘৰ লম্ব আঁকিলেই সি আ ৰ ৰূপ ল'ব। হ্ৰস্ব আৰু দীৰ্ঘ ঈ ৰ ৰূপ দুটাকৈ প্ৰথমটো 'কৃষ্ণ কীৰ্ত্তন ৰ বিকশিত ৰূপ—ছপা হৰফৰ সৈতে তাৰ সাদৃশ্য আছে আৰু দ্বিতীয়টো ভ ত া কাৰ যুক্ত। ভ ৰ তলত দ্বিতীয় এটা অৰ্দ্ধবৃত্ত সংযোগ কৰিলেও সি হ'ব। দীৰ্ঘ ঈ য়ে বুজায়। ৰাজপৃষ্ঠপোষকতাত ৰচিত পুথিসমূহৰ দীৰ্ঘ ঈ কাৰৰ চৈতনভাল আলংকাৰিক। হ্ৰস্ব উ আৰু দীৰ্ঘ ঊ ৰ শিৰো ৰেখাই অৰ্দ্ধবৃত্ত লোৱাৰ ফলশ্ৰুতিৰূপে সি বহুসময়ত দেখাত চৈতনযুক্ত শিৰোৰেখাৰ দৰে হ ল। 'শোণিতপুৰ প্ৰাচ্য বিদ্যালয়'ত সংৰক্ষিত সাঁচিপতীয়া 'তীৰ্থ কৌমুদী'ত দুয়োটা উ ৰ চৈতনভালৰ বিকশিত ৰূপটো দেখা যায়। ছপা হৰফৰ ঝ ত া কাৰ সংযোগেৰে ঋ বুজোৱা দেখা যায়। ঋ কাৰ ছপাৰ ৰূপৰপৰা অধিক আতৰত নহয়। গ ৰ লগত সংযুক্ত উ কাৰ সৰ্বদা হিন্দীৰ দৰে। ঘু, ভু আৰু শুবো উ কাৰৰ ৰূপ একেটা (অৱশ্যে) ছপাৰূপৰ ঘু ও পোৱা যায়। য় ত উ কাৰ কেতিয়াবা ছপাৰ দৰে আৰু কেতিয়াবা ক ত লগ লগাৰ দৰে লগ লাগে। ন প আৰু স ৰ দণ্ডৰ তলত সংলগ্ন গোটা সূক্ষ্ম ত্ৰিভুজৰদ্বাৰা উ কাৰ দ্যোতিত হোৱাটো আন এটা মন কৰিবলগীয়া বৈশিষ্ট্য। এ কাৰ, ও কাৰ আৰু ঔ কাৰ আধুনিক ছপাৰূপেৰে অভিন্ন। ১৮১৩ খ্ৰীষ্টাব্দত ছপা হোৱা 'ধৰ্ম্মপুস্তক' ৰ অ, আ আৰু উ ৰ ৰূপ ভিন্ন আছিল—ইং ১৮৩৩ চনত প্ৰকাশিত দ্বিতীয় তাঙৰণত হে সি বৰ্তমানৰ ৰূপ পৰিগ্ৰহ কৰে।

অসমীয়া ব্যঞ্জন লিপি বিকাশৰ ধাৰা ঃ

গুপ্ত যুগত উত্তৰ ভাৰতীয় লিপিৰ যি স্থানীয় ভেদ পৰিস্ফুট হৈছিল, সি পিছলৈকেও অব্যাহত থাকে আৰু উত্তৰ পূৰ্বী লিপিৰপৰা মৈথিল, উৰিয়া, কৈথী, বঙলা আৰু অসমীয়া লিপি বিকাশপ্ৰাপ্ত হয়। অসমত উদ্ধাৰ হোৱা আৰু প্ৰাচীনতম লিপিৰূপে সাব্যস্ত কৰা নগাজৰী খনিকৰ গাওঁ প্ৰস্তৰখণ্ডৰ একাধিক অক্ষৰৰ গঢ় প্ৰাক্ গুপ্তশৈলীৰ আৰু তাত ৱ আৰু ৰ পাৰ্থক্য সুন্দৰকৈ সংৰক্ষিত হৈছে। খ্ৰীষ্টীয় পঞ্চম শতাব্দীৰ লিপিৰূপে স্বীকৃতি দিয়া এই লিপিৰ আখৰে গুপ্তলিপিৰ পূৰ্বী শৈলীৰ সৈতে হাত মিলায়। প্ৰথম কুমাৰগুপ্তৰ বেইগ্ৰাম তাম্ৰলিপিৰ আখৰৰ লগত উমাচল লিপিৰ

আথৰৰ সাদৃশ্য চকুত লগা। খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীৰ লিপিৰূপে সাব্যস্ত কৰা ভূতিবৰ্মাৰ সময়ৰ বৰগংগা শৈললিপিৰ অক্ষৰ বংগদেশৰ ধৰ্মাদিত্যৰ কোটালিপাৰা তাম্ৰলিপিৰ[৩০৪] আথৰৰ গঢ়েৰে অভিন্ন। এনেদৰে প্ৰতিটো শতাব্দীতে প্ৰাপ্ত অসমৰ লিপিৰ অক্ষৰৰ লগতে চুবুৰীয়া বংগদেশ, নেপাল, বিহাৰ আৰু উৰিষ্যাৰ শৈললেখ অথবা তাম্ৰফলিৰ আথৰৰ সাদৃশ্য দেখুৱাব পাৰি। তলত অসমীয়া ব্যঞ্জন লিপি কেইটাৰ বিকাশৰ ইতিহাস প্ৰদৰ্শিত হ'ল—

ক—মহাৰাজ অশোকৰ অনুশাসন সমূহত এঘাৰ বিধ 'ক' ৰ ভিন্নৰূপৰ কথা ড উপাসকে[৩০৫] উল্লেখ কৰিলেও তাৰ মাজৰ ৰূপটো হ'ল—দুডাল সৰল ৰেখাই সমকোণীকৈ কটাকটি কৰাটো (কেতল, গি ২/২) নাগাৰ্জুনী গুহালিপিত অনুভূমিক ৰেখাতকৈ উলম্ব ৰেখাৰ দৈৰ্ঘ ভালেখিনি অধিক দেখা যায়। কুশাণ যুগত উলম্ব ৰেখাৰ শিৰোদেশত ক্ষুদ্ৰ ত্ৰিকোণী গা কৰি উঠে। অৱশ্যে পূৰ্বীশৈলীত শিৰোৰেখা অস্পষ্ট। উলম্বৰেখাৰ ভূমিত বামমুখী হাঁকোটা এডালৰ সংযোজন এই যুগৰ অন্যতম বৈশিষ্ট্য (কু লি° শা ৯)[৩০৬]। গুপ্তলিপিৰ পূৰ্বীশৈলীত উলম্বৰেখাৰ শিৰোদেশত গোঁজৰ দৰে শিৰোৰেখা আৰু তাৰ তলত অংকিত অনুভূমিক ৰেখাৰ দুয়ো মূৰ ঈষৎ অৱনত (কৱিতা, এলা শা°৬)[৩০৭]। খ্ৰীষ্টীয় পঞ্চম শতাব্দীলৈকে ক ৰ পূৰ্ববৰ্তী ৰূপটোৱে অব্যাহত থাকে (ৰূপ কা নায়ী, বেইগ্ৰাম, শা ৬)[৩০৮]। নগাজৰী খনিকৰ গাওঁ প্ৰস্তৰলিপি উপযুক্ত গঢ়ৰ (কীৰ্ত্যৎং, শা ৪)। সুৰেন্দ্ৰৱৰ্মাৰ উমাচল লিপিৰ শিৰোৰেখাৰ গোঁজটি বেচ স্পষ্ট (কৃতম, শা ১)। খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীতো যে ক ৰ বিশেষ পৰিৱৰ্তন্ হোৱা নাছিল, তাক ধৰ্মাদিত্যৰ কোটালিপাৰা তাম্ৰশাসনে প্ৰমাণ কৰে। খ্ৰীষ্টীয় সপ্তম শতাব্দীত কামৰূপীয় লিপিৰ ৰূপৰ ভালেখিনি সলনি হয়। নিধনপুৰ তাম্ৰশাসনৰ লিপিত এই পৰিৱৰ্তনৰ ধাৰাটি ধৰা পৰে। ডুবি শাসনৰ ক প্ৰাচীনপন্থী। গোঁজযুক্ত শিৰোৰেখাৰ তলত দুয়োমূৰ ঈষৎ অৱনত অনুভূমিক ৰেখা। এই ৰেখাতকৈ দণ্ডৰেখা দুই এঠাইত কিঞ্চিৎ দীঘলীয়া যদিও বহু ঠাইতে ই সমান। নিধনপুৰৰ আথৰটি ভালেখিনি আধুনিকতাৰ ফালে আগবঢ়া। গোঁজযুক্ত মাত্ৰাৰূপৰ

৩০৪ *JRASB*, Vol IV

৩০৫ Upasak, C S—*HPMB*, PP 211-14

৩০৬ Inscriptions of Kaniska, yr 14, *EI*, Vol XXX, P 97

৩০৭ Fleet, J F—*CII*, Vol III, P 262

৩০৮ *Select Inscriptions*, P 355

নিম্নমুখী দণ্ডই ভূমিৰপৰা সূক্ষ্মকোণৰ সৃষ্টিৰে বাওঁফালে উৰ্ধগামী হৈ দ্রুতভাৱে সোঁহাতলৈ পাক্‌ঘুৰণি খাই ছেদিত দণ্ডৰ সোঁফালে নিম্নমুখী হাঁকোটা এডালৰ সৃষ্টিয়ে উক্ত শাসনৰ ক। ডুবি তাম্রলেখৰ 'নবক' (১/৪) আৰু নিধনপুৰ শাসনৰ 'দিবাকৰ' (৫/১/৯) শব্দ দুটাৰ কলৈ লক্ষ্য কৰিলেই ইয়াৰ ভিন্নতা বুজা যাব। অষ্টম শতাব্দীত লিপিটোৰ কোনো পৰিৱৰ্তন হোৱা নাই। নৱম শতাব্দীৰ হৰ্জৰবৰ্মাৰ তাম্রলেখত আখৰটোৱে সম্পূৰ্ণৰূপে অসমীয়া ৰূপ গ্ৰহণ কৰাটো তাৎপৰ্যপূৰ্ণ (কি, হা°, শা ১) দশম শতাব্দীয়েপৰা উক্ত লিপিটোৰ ৰূপত কিছু পৰিমাণে দেৱনাগৰী আৰু কুটিল শৈলীৰ ৰূপাংশই ধৰা দিলেও কানাই বৰশী বোৱা লিপিত সি পুনৰ্বাৰ অসমীয়া ৰূপলৈ প্ৰত্যাৱৰ্তন কৰে। চৰ্যাপদৰ ক ৰ দণ্ড কিছু হেলনীয়া। চতুৰ্দশ শতাব্দীৰ লিপিমালাত আখৰটোৰ বিশেষ পৰিৱৰ্তন চকুত নপৰে। পঞ্চদশ খ্ৰীষ্টাব্দৰ মাধৱ নৃপতিৰ নীলাচল তাম্রলেখ আৰু 'কৃষ্ণ কীৰ্তন'ৰ ক অভিন্ন। অষ্টাদশ শতাব্দীৰেপৰা লিপিটোৰ একাধিক ৰূপ দৃষ্টিগোচৰ হয়—ক° নিৰলংকৃত ক। পৰীক্ষিত নাৰায়ণৰ ৰৰটোপত ইয়াৰ নিদৰ্শন সংৰক্ষিত হৈছে, খ পুচ্ছবিশিষ্ট ক। আহোম নৃপতিসকলীৰদ্বাৰা প্ৰদত্ত তাম্রলেখ-শিলালেখ নাইবা ৰাজপৃষ্ঠ পোষকতাত ৰচিত গ্ৰন্থমালাত ইয়াৰ নিদৰ্শন পোৱা যায় আৰু গ বামুণীয়া আখৰৰূপে চিহ্নিত হেলনীয়া দণ্ড, বক্ৰকাৰ আৰু পুচ্ছবিশিষ্ট ক। এই আখৰটোৰ সৈতে ক, খ, ত, ৰ, ম প্ৰভৃতি ব্যঞ্জনৰ সংযুক্তি চকুত পৰে। আটাই কেইটা স্বৰৰ দ্বিতীয় ৰূপটো ক ৰ শিৰোৰেখাৰ তল-ওপৰ অথবা বাওঁফালে লগ লাগে। পুৰণি অসমীয়া ক ত হ্ৰস্ব উ কাৰ লগ লাগে বাওঁফালৰ ত্ৰিকোণৰ ওপৰত কিন্তু শিৰোৰেখাৰ তলত। সোঁফালৰ হাঁকোটাডাল ঘুৰাই দিলে যিটো ৰূপ ল'ব, সেয়ে কু। ক ৰ দণ্ডৰ তলত ৩ সংখ্যা এটি সংস্থাপন কৰিলে হ'ব কু। আধুনিক ত্ৰ ৰ দণ্ডৰ পিঠিত নিম্নমুখী দীৰ্ঘ ঊ কাৰৰ ৰূপটিয়ে বুজাইছিল কূ। পিছলৈ কু আৰু কূ প্ৰায় একে দেখা হৈ পৰে। কেতিয়াবা আকৌ আজিৰ ছপা দ্ব য়ো কু বুজোৱা দেখা যায়। কু আৰু ক্ৰ—ছপাৰ এই ৰূপ হস্তলিখিত পুথিতো ৰক্ষিত হৈছে।

খ—অশোকৰ 'ধৰ্মলিপি' মালাত মূঠতে দুই প্ৰকাৰ 'খ' ৰ অৱস্থিতি লক্ষণীয়[৩০৯]। শিৰোৰৰ ভিতৰত মাত্ৰ ৰূপটোত আছে—বাওঁমুখী হাঁকোটা এডালৰ তলত শূন্যহীন বৃত্ত এটা (লেখাপিতা, গি° ১।২)। অশোকৰ পিছত এই আখৰটো বিকশিত হৈ কুষাণ যুগত হাঁকোটাৰ বাওঁফালে এটি ত্ৰিভুজৰ ৰূপ লয় (তিথুনিয়ে—হুবিষ্কৰ মথুৰা শাসন, ৩৩ বৰ্ষ, শা° ২)[৩১০]। গুপ্ত লিপিৰ পূৰ্বী শৈলীত বাওঁমুখী হাঁকোটাডাল

৩০৯ Upasak, C S—*HPMB*, PP 215-17
৩১০ *EI*, Vol. III, P 182

ঘূৰটি অলপ মেল খোৱা (মুখ, এলা° শা ৫)। কুমাৰ গুপ্তৰ বেইগ্ৰাম লিপিত হাঁকোটা-ভাগে অৰ্ধবৃত্তাকাৰ ৰূপত ভূমিলৈ নামি অহা দেখা যায় (খিল, শা ৫)। কুমাৰ ভাস্কৰবৰ্মাৰ ডুবি শাসনত দণ্ড সংযুক্ত ত্ৰিভুজৰ কৰ্ণৰেখা শিৰোৰেখাৰপৰা আঁৰিত্ত হোৱাৰ উপৰি বাওঁফালৰ অংশটিত হাঁকোটাৰ পৰিবৰ্তে শিৰোৰেখাৰপৰা দণ্ডৰ সমান্তৰালকৈ অৱনত ক্ষুদ্ৰ সৰলৰেখা এডালহে দেখা যায়। সেই ৰেখাডালৰ মুখত আছে এডাল ক্ষুদ্ৰ অনুভূমিক ৰেখা (মুখো ২।১৪)। নিধনপুৰ লিপিৰ 'খ' ৰ দণ্ড সংলগ্ন ত্ৰিভুজৰ কৰ্ণৰ শিৰোভাগ দণ্ড শীৰ্ষৰ অলপ আতৰত সংস্থাপিত (কৰ্কদত্তাখ্য ৪।১।১৩)। হৰ্জৰ বৰ্মাৰ শাসনত ইয়াৰ ৰূপে প্ৰায় আধুনিক খ ৰ ৰূপ লয় (পৰিখীকৃত—কুক্কুৰাবাহী সত্ৰ শাসন ২।১।১০)। বলবৰ্মাদেৱৰ শাসনত খ ৰ বাওঁঅংশ অধুনা গ ৰ বাওঁ অংশৰ দৰে। দণ্ডৰ বাওঁফালে ভূমি সংলগ্ন ৰ এটি লাগি ৰয় (যস্যাস্থলিত—ন শা ২।১।১৮)। একাদশ শতাব্দীৰ লিপিত দেখা যায়—দণ্ডৰ বাওঁফালৰ বক্ৰ শিৰোৰেখাডাল হঠাতে তললৈ ঘূৰ খাই দণ্ডৰ সৌমাজত লগ লাগিছে। ফলশ্ৰুতিৰূপে দণ্ডৰ বাওঁফালে ভূমিসংলগ্ন ৰ ৰ অৱস্থিতি নাইকিয়া হৈ পৰিল (সংখ্যায়াং—ৰত্নপালৰ ৰ শা ১।১৬) দ্বাদশ শতাব্দীৰ লিপিত হৰ্জৰবৰ্মা আৰু ৰত্নপালৰ সময়ত প্ৰাপ্ত দুয়োটা ৰূপে বিদ্যমান। প্ৰাচীন কামৰূপীয় লিপিত আ, ই আৰু ঈ, উ আৰু দীৰ্ঘ উ, ঋ, এ, ঐ ও আৰু ঔ-কাৰ যোগ হোৱাৰ উপৰি য কাৰ যোগ হয়। চৰ্যাপদৰ খ ৰ ৰূপ সম্পূৰ্ণ আধুনিক। দণ্ডৰেখা অলপ হেলনীয়া। 'কৃষ্ণ কীৰ্তন'ৰ দণ্ডৰেখা হেলনীয়া নহয়। সপ্তদশ শতাব্দীৰ সত্ৰীয়া শৈলীৰ 'খ' ৰ ত্ৰিকোণ কিছু ঘোৰখোৱা যদিও (চিত্ৰ ভাগৱতৰ খ দ্ৰষ্টব্য) ৰাজকীয় শৈলীৰ খ ৰ কোণটো বেচ স্পষ্ট। দণ্ডৰ তলত ক্ষুদ্ৰ পুচ্ছও বিদ্যমান। সপ্তদশ, অষ্টাদশ অথবা উনবিংশ শতাব্দীৰ খ গতানুগতিক। মাধৌন 'হস্তীবিদ্যাৰ্ণৱ', 'ধৰ্মপুৰাণ' আৰু শঙ্খচূড বধ'ৰ খ ৰ প্ৰথম বৃত্তৰেখাডাল প্ৰয়োজনতকৈ অধিক দীঘল ৰূপত পোৱা যায়।

গ—সম্ৰাট অশোক কালীন লিপিমালাত 'গ' ৰ নটি ভিন্ন ৰূপৰ সন্ধান পালেও[৩১১] সিবোৰৰ মাজ ৰূপটি হ'ল—দুডাল সৰলৰেখাই কল্পিতভূমিৰপৰা কৌণিক ভাৱে শিৰো-ৰেখালৈ গৈ তাত লগ লাগি এটি 'কাকপাদ' অথবা ৰোমান ভি (V)'ৰ ওলোটা ৰূপৰ সৃষ্টি কৰাটো (মগো, গি° ২।২)। অশোকৰ পিছত শীৰ্ষকোণৰ ৰেখাদ্বয় অনুক্ৰমে বক্ৰতাৰ ফালে গতি কৰে। নাগাৰ্জুনী গুহালিপিত ইয়াৰ প্ৰথম শিহৰণ অনুভূত

৩১১ Upasak, C S—*HPMB*, P P 218-20

হয়। খ্ৰীষ্টীয় দ্বিতীয় শতকত কুশাণ নৃপতিসকলৰ ছত্ৰছায়াত এই লিপিৰ গঢ় বহু পৰিমাণে ইংৰাজী প্ৰশ্নবোধক চিহ্নৰ ৰূপত বয়গৈ (ভগৱতো, কু° খ, শা° ২)। গুপ্ত যুগত বাওঁফালে মেলখোৱা হাঁকোটাৰ মুখত ক্ষুদ্ৰ শিৰোৰেখাই স্থান পায় (নাগসেন, এলা ১৩)। খ্ৰীষ্টীয় চতুৰ্থ শতাব্দীৰ অন্তিম স্তৰংগত স্থাপনা কৰা নাগাৰ্জুনী খনিকৰ গাওঁ প্ৰস্তৰ খণ্ড লিপিৰো গ ৰ হাঁকোটত ক্ষুদ্ৰৰেখাৰ অৱস্থিতি মন কৰিবলগীয়া (ন্যগ্ৰোধ, শা ৩)। পঞ্চম শতাব্দীত দেখা যায় শিৰোৰেখাৰপৰা দণ্ড আৰু তাৰ সমান্তৰালকৈ এডাল ক্ষুদ্ৰ সৰলৰেখাৰ নিম্নগামী ৰূপ। দণ্ডৰ বাওঁহাতৰ চুটি সৰলৰেখাৰ মুখতো গোঁজযুক্ত ক্ষুদ্ৰৰেখা বিদ্যমান (ভাগৱত, উ, শা° ৩)। খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীলৈ উক্ত ৰূপটো বাহাল থাকে। মাথো শিৰোৰেখাৰ সমান্তৰাল ক্ষুদ্ৰ অনুভূমিক ৰেখাৰ দৈৰ্ঘ্য কিঞ্চিৎ বৃদ্ধি পায় (অৰগুণস্থ, ব, শা ৩)। খ্ৰীষ্টীয় সপ্তম শতাব্দীত লিপিটোৰ কোনো বিকাশ নহ'লেও (ভগদত্ত, ডু ১৬, ভাগ, নি ৪।১।১২) নৱম শতাব্দীৰ লিপিত ই সম্পূৰ্ণভাৱে অসমীয়া ৰূপ পৰিগ্ৰহ কৰে (ভগদত্তস্য, হা, শা ২।১।৩)। দশম, একাদশ আৰু দ্বাদশ শতাব্দীৰ পুৰণি কামৰূপীয় লিপিমালাত গ ৰ কোনো সলনি হোৱা নাই। কানাই বৰশী বোৱা শিলালিপিৰ গ ৰ ৰূপত কুটিল শৈলী ধৰা পৰে (তুৰগ শা ১)। চৰ্যাৰ 'গ' অধুনা ৰূপৰ কিন্তু গছতল লিপিৰ আখৰটিত দেৱনাগৰী প্ৰভাৱ স্পষ্ট (গয়ত, শা ৩)। সপ্তদশ শতাব্দীৰেপৰা গ ৰ ৰূপ দুটা দেখা যায়—এটা সম্পূৰ্ণ আধুনিক, দ্বিতীয়টো অপেক্ষাকৃত পুৰাতন। কাইথেলী আখৰত পুৰাতন গ ৰ ৰূপটো সংৰক্ষিত হৈছে। ইয়াৰ লগত আটাই কেইটা গৌণ স্বৰচিহ্ন সংযোগ হোৱাৰ উপৰি ধ, ন, ৰ প্ৰভৃতি বৰ্ণৰ সংযুক্তি দেখা যায়। পুৰণি অসমীয়া লিপিত গ ৰ তলত ৩ সংখ্যা এটাই গু বুজাই যদিও গু ৰূপো নথকা বুলিব নোৱাৰি।

ঘ—অশোকৰ অনুশাসনসমূহত ঘ ৰ তিনিটা ৰূপ ভেদ আছে[৩১২] যদিও তাৰ মাত্ৰ ৰূপটো হ'ল দণ্ডৰ ভূমিত সোঁফাললৈ এটি অৰ্ধবৃত্ত আৰু তাৰ সোঁমাজতে আন এডাল দণ্ডৰ সমান্তৰাল ক্ষুদ্ৰ উলম্ব ৰেখাৰ সংযোজন (মাধুৰতাম—গি ১৪।২)। কুশাণ যুগত অৰ্ধবৃত্তৰ বক্ৰতাই ঋজুপথ লোৱাত দণ্ডৰ সমান্তৰাল দুটি ৰেখাৰ উদ্ভৱ হয়হি। দণ্ডৰ সমীপৱৰ্তী দ্বিতীয়ডাল ৰেখাৰ দৈৰ্ঘ দণ্ডৰ সমান, তৃতীয় ডালৰ দৈৰ্ঘ কিছু কম। লগৰ যুৱত ক্ষুদ্ৰ বৃত্তাকাৰ অথবা পোন শিৰোৰেখাই ভুমুকি মাৰে (সংহিতা, কু খ, শা° ২)। গুপ্তযুগত এই আখৰটিৰ পৰিৱৰ্তন চকুত লগা। তৃতীয়

৩১২ Upasak, C S—*OP Cit*, P 220

ভাল উলম্বৰেখা বাঢ়ি গৈ কল্পিত শিৰোৰেখা স্পৰ্শ কৰেগৈ। প্ৰথম আৰু দ্বিতীয় দণ্ডৰ দৈৰ্ঘ আধালৈ হ্ৰাস পায়। মাজৰ লম্বভাল বাওঁকাললৈ অৱনত হয়—প্ৰথম দণ্ডই বৃত্ত গোঁজ তুলি লোৱাৰ লগে লগে ভূমিৰেখায়ো দুটি ঢৌ তোলে (ঘৰ্ম, এলা°, শা ১৫)। কুমাৰগুপ্তৰ বেইগ্ৰাম লিপিত আলোচিত ৰূপটি বৰ্তমান। সপ্তম খ্ৰীষ্টাব্দত ভূমিৰ ঢৌ অধিক বক্ৰতালৈ গতি কৰে। তদুপৰি প্ৰথম আৰু দ্বিতীয় উলম্বৰেখাৰ ওপৰতো দেখা যায় ক্ষুদ্ৰ শিৰোৰেখা (ঘোষস্বামী—ভু, ৫।২।১৫, মেৰভূতি—নি ৪।১।৪) নৱম শতাব্দীত প্ৰথম লম্বৰেখাই শীৰ্ষৰেখাৰে শিৰ শোভা কৰাৰ উপৰি বক্ৰৰূপ ধাৰণ কৰি কল্পিত ভূমি নোপাওঁতেই ফাঁচ আকৃতিৰে মাজৰ ক্ষুদ্ৰ ৰেখাত লগ লাগে। দ্বিতীয় ক্ষুদ্ৰ ৰেখা হেলনীয়াকৈ আহি তৃতীয় লম্বৰেখাৰ ভূমিত লগ লগাৰ ফলত আখৰটোৱে প্ৰায় অধুনা ৰূপ পৰিগ্ৰহ কৰা বুলিব পাৰি। একাদশ শতাব্দীৰ ঘ কিছু পৰিমাণে দেৱ নাগৰীৰদ্বাৰা প্ৰভাৱান্বিত (বম্ভপালৰ ব শা, ১৭৩)। 'চৰ্যাপদ'ৰ ঘ ৰ শিৰোৰেখা বক্ৰ, 'কৃষ্ণ কীৰ্তন'ৰ লিপিৰ বাওঁ অংশৰ ৰেখাত বক্ৰতা বিৰাজমান। সপ্তদশ শতাব্দীৰেপৰা ইয়াৰ ৰূপ দুটা দেখা যায়—এটা পুচ্ছ যুক্ত আৰু আনটো পুচ্ছহীন। ৰাজকীয় শৈলীত পুচ্ছ অধিক ৰূপত স্পষ্ট। দৃষ্টান্তস্বৰূপে, ৰুদ্ৰসিংহ আৰু শিৱসিংহৰ দিনৰ তাম্ৰফলিসমূহৰ উপৰি 'হস্তিবিদ্যাৰ্ণৱ'ৰ অক্ষৰলৈ চকু দিলেই সি প্ৰতীয়মান হ ব।

ঙ—ব্ৰাহ্মীত এই লিপিটো পোৱা নাযায়। অসমত জয়ন্তয়তে এই লিপিৰ প্ৰথম ৰূপটো আত্মপ্ৰকাশ কৰে—ভাস্কৰবৰ্মাৰ তাম্ৰশাসনদ্বয়ত। পিছে তাত শিৰোৰেখাৰ সোঁফালে বিন্দুটো নাই। নৱম শতাব্দীত ই দেৱনাগৰী ঙ ৰূপ পৰিগ্ৰহ কৰে যদিও বিন্দুটোৱে আত্মপ্ৰকাশ কৰা নাই। বম্ভপালৰ শাসনত দেখা যায়—ড ৰ শিৰোৰেখাৰ ওপৰত শূন্য গৰ্ভবিন্দু। ইন্দ্ৰপালৰ শাসনত শিৰোৰেখাৰ ওপৰৰ বিন্দুটো সোঁফালে আঁতৰি গৈছে। ত্ৰয়োদশ শতাব্দীৰ পিছত এই অক্ষৰটোৰ ৰূপ হ'ল—শিৰোৰেখাযুক্ত ড ৰ ওপৰত শূন্যগৰ্ভ এটি বৃত্ত।

চ—অশোক লিপিৰ মাত্ৰ ৰূপটিত আছে—দণ্ডৰেখাৰ বাওঁফালে ভূমি আৰু দণ্ড সংলগ্ন অৰ্ধবৃত্ত এটা (কিং চি, গি ১৪।২) পিছলৈ বৃত্তাংশই ত্ৰিকোণী ৰূপলৈ অগ্ৰসৰ হয় আৰু দণ্ডৰ শিৰত চুটি শিৰোৰেখাই স্থান পায়। এয়ে কুশাণ লিপিৰ চ[৩১৩]। গুপ্তযুগতো চ ৰ ৰূপ অভিন্ন। মাথো শিৰোৰেখা অধিক স্পষ্ট (চক্ৰবা এলা শা° ৮)। কুমাৰ ভাস্কৰবৰ্মাৰ ডুবি শাসনৰ 'চ' ৰ শীৰ্ষকোণৰ ৰেখাদ্বয়ৰ ওপৰত আছে—সম্প্ৰসাৰিত শিৰোৰেখা। দণ্ডৰ পুচ্ছভাগৰ বক্ৰতা লক্ষণীয় (চ ১।১৩)। নিধনপুৰ লিপিত দণ্ড

৩১৩ চন্দেত্ত ৰহেন্তু শাসন, *EI*, VIII, P 172

সংলগ্ন ত্রিভুজৰ কৌণিক ৰূপটো বেচ স্পষ্ট। শিৰোৰেখাৰ গোঁজটি লক্ষণীয় বিষয় (চতুৰ্থো, ৪।১।১) বনমাল বৰ্মাৰ শাসনত লিপিটোৰ ৰূপ 'ন'ৰ দৰে। বলবৰ্মাৰপৰা ধৰ্মপালৰ দিনলৈকে ইয়াৰ ৰূপ আধুনিক অসমীয়া 'ব' ৰ দৰে। চৰ্যাপদৰো ৰূপ একেই। ষোড়শ শতাব্দীৰেপৰা 'চ' ই অধুনা ৰূপ পায়।

ছ—বৃত্ত এটিক উলম্ব ৰেখাই সমানে দুভাগ কৰি উৰ্দ্ধমুখী হ'লেই অশোক লিপিৰ লিপিৰ দ্বিতীয় ছ ৰ ৰূপটো পোৱা যায় (পছা, গি ১।১২)। কুশাণ যুগত আখৰটিৰ ভালেখিনি পৰিবৰ্তন হয়। উলম্বৰেখাৰ শিৰত ক্ষুদ্ৰ শিৰোৰেখাৰ উপৰি নিম্নভাগতো দুয়োকাষে দুটি পূৰ্ণবৃত্তই গা কৰি উঠে (সবচ্ছৱে—অশ্বঘোষৰ সাৰনাথ লিপি[৩১৪])। পৰৱৰ্তী কালত এই লিপিৰ উল্লেখযোগ্য পৰিবৰ্তন দেখা নাযায়। ভাস্কৰবৰ্মাৰ নিধনপুৰ লিপিৰ 'ছ' লৈ লক্ষ্য কৰিলেই ইয়াৰ সত্যতা প্ৰতীয়মান হ'ব (ছান্দোগ্য ৪।১।২)। তৃতীয় বলবৰ্মাৰ শাসনত অক্ষৰটিৰ ৰূপ দুটা পোৱা গৈছে। এটা ৰূপ ইংৰাজী T ৰ দৰে। আনটো ৰূপত আছে—দণ্ডৰ দুয়োফালে দুডাল হাঁকোটা। ধৰ্মপালৰ দিনত এই লিপিৰ ৰূপ পুনৰ্বাৰ সপ্তম খ্ৰীষ্টাব্দলৈ ঘূৰি যায় (মুৰ্চ্ছা, থ ১।৫)। শিৰোৰেখাৰ তলত ভিতৰলৈ ঘোৰ খোৱা লম্বই পাক ঘূৰনি খাই দণ্ডৰ সৈতে লগ লাগি যি এটা ব-দ্বীপৰ সৃষ্টি কৰে, তাৰ সোঁফালে তলত আন এটি শৃঙ্গভ' ব দ্বীপৰ সৃষ্টিয়ে হ'ব—চৰ্যাৰ 'ছ'। মাধৱ নৃপতিৰ নীলাচল তামৰ ফলিৰ চ ৰ তলত হিন্দী ক টো সংস্থাপন কৰিলে যি ৰূপ হ'ব তাৰ দ্বাৰা ই নিৰ্দেশিত হৈছে। (তোচ্ছে—১ ১১)। 'কৃষ্ণ কীৰ্তন'ৰ 'ছ' আধুনিক অসমীয়াৰে অভিন্ন। গতিকে এই আখৰটোৰ অধুনা ৰূপ খ্ৰীষ্টীয় পঞ্চদশ শতাব্দীত হে সম্পূৰ্ণ হয়।

জ—সোঁফাল উন্মুক্ত দুটি অৰ্দ্ধবৃত্ত তল ওপৰকৈ সংস্থাপন কৰিলেই হ'ব অশোক কালীন জ (জীবাং, গি ১।৩)। কুশাণ কালত অৰ্দ্ধবৃত্তৰ বাওঁ অংশ ঋজুতালৈ গতি কৰাৰ ফলশ্ৰুতিৰূপে ই ৰোমান E-ৰ ৰূপ লয় (বিজয়—প্ৰহ্লাদপুৰ স্তম্ভলেখ[৩১৫] গুপ্তযুগত তৃতীয়ডাল অনুভূমিক ৰেখাৰ আগভাগ ঈষৎ অৱনত হয়গৈ (ৰাজ এলা°, শা° ১৯)। অসমৰ নগাজৰী-খনিকৰ গাওঁ প্ৰস্তৰ লিপি (ৰাজি, শা° ২) আৰু উমাচল লিপিৰ (মহাৰাজাধিৰাজ, শা ১) জ ৰ ৰূপ E ৰ দৰে যদিও প্ৰথমখনিত E ৰ প্ৰথম আৰু তৃতীয় ৰেখা কিঞ্চিৎ তললৈ ঘোৰ খোৱা আৰু উমাচলৰ দণ্ডৰেখাৰ মধ্যাংশ অলপ সোঁফালে সোমোৱা। কিন্তু বৰগংগা লিপিৰ দণ্ডডাল এলাহাবাদ কিংবা মেহ্ৰাৱ লিপিৰ দৰে সম্পূৰ্ণ সোন (খিৰাজা, শা° ২) ভাস্কৰবৰ্মাৰ দিনত লিপিটোৰ বিশেষ

---

৩১৪. *EI*, Vol, P 172

৩১৫ Fleet, J F—*CII*, Vol III, P 250

পৰিবৰ্ত্তন হোৱা নাই (জগতাং—ভু, ৪।১।১১), (বাজসনেয়ী—নি ৪।১।২)। হৰ্জ্জৰবৰ্মাৰ দিনলৈকে জ ৰ আলোচিত ৰূপটো চলি থাকে আৰু বনমালবৰ্মাৰ দিনত সি অসমীয়া ৰূপৰ সজ্জিত হয় (জীৱদেৱী প° ১।১২)। বলবৰ্মাদেৱৰ শাসনত জ ৰ শিৰোৰেখাৰ তলত এটা ত্ৰিকোণকাৰ গোঁজে ভুমুকি মাৰে (জ —হা°, ২।১।২৬) যদিও অনুক্ৰমে সি নাইকিয়া হৈ আছে। ৰত্নপাল অথবা ইন্দ্ৰপালৰ তাম্ৰলেখৰ জ আজিৰ জ ৰ পৰা আঁতৰত নহয়, চৰ্যাপদৰ 'জ' ত সোঁফালৰ ঠেংখন পাবলৈ নাইকিয়া। এই ৰূপটো চতুৰ্দশ (ভজে—ৰ তা ১।১) আৰু পঞ্চদশ শতাব্দীতো পোৱা যায় (মহাৰাজধিৰাজ—নী ১।২ আৰু কৃষ্ণকীৰ্ত্তন), ষোড়শ শতাব্দীৰেপৰা জ ই ছপা হৰফত বৰ্ত্তি আছিছে।

ঝ—কল্পিত শিৰোৰেখাত এটি চতুৰ্ভুজ স্থাপন কৰি বাওঁফালৰ বাহুটো ভূমিলৈ সম্প্ৰসাৰণ কৰিলে যিটো ৰূপ পোৱা যাব, সেয়ে হ'ব—অশোক লিপিৰ 'ঝ' (মঝমেন— গি° ১৪।২)। অসমত সপ্তম খ্ৰীষ্টাব্দত ঝ ৰ যিটো ৰূপ পোৱা গৈছে, সি জ ৰ সৈতে থকা সংযুক্তিহে। বংগদেশৰ দেৱখড়গৰ আচৰফপুৰ তাম্ৰলেখতো অনুৰূপ ঝ ৰ সংযুক্তি (জৰ সৈতে) বিৰাজমান। হৰ্জ্জৰবৰ্মাৰ হায়ুংথল তাম্ৰলেখৰ 'ঝ' টো দেৱ নাগৰী ঝ ৰ অনুৰূপ। চৰ্যাপদত ই সম্পূৰ্ণৰূপে আধুনিক ৰূপ পাইছেহি। 'কৃষ্ণ কীৰ্ত্তন' আৰু মাধৱৰ নীলাচল তাম্ৰলেখতো ইয়াৰ কোনো পৰিৱৰ্ত্তন ধৰা নপৰে। সপ্তদশ খ্ৰীষ্টাব্দৰেপৰা অক্ষৰটিৰ দুটা ৰূপ দৃশ্যমান—প্ৰথমটোৰ ত্ৰিকোণৰ ভূমিত পুচ্ছ বিৰাজমান। দ্বিতীয়টো চিৰাচৰিত।

ঞ—অশোক কালীন 'ঝ' টো ওভতাই স্থাপন কৰি দণ্ডৰ মূৰত ক্ষুদ্ৰ শিৰোৰেখা এডাল সংস্থাপন কৰিলে ঞ লিপিৰ ৰূপটো পোৱা যায় (বাক্ৰো, গি ১।৮)।। কুশাণ যুগত ইয়াৰ দণ্ড বাওঁহাতলৈ অৱনত হয়, মূৰত শিৰোৰেখা, ভূমিভাগৰ উপৰি পিঠিতো একোটাকৈ হাঁকোটাই মূৰ ডাঙি উঠে (কাঞ্চি, কু , খ, শা ১)। কুমাৰ ভাস্কৰবৰ্মাৰ ফলিত এবাৰ আৰু বনমালবৰ্মাৰ তামৰ শাসনত দ্বিতীয়বাৰৰ বাবে ঞ ৰ প্ৰয়োগ উল্লেখ যোগ্য। ভাস্কৰবৰ্মাৰ শাসনত আখৰটো মাত্ৰাহীন চেপেটা ল ৰ দৰে। বনমালবৰ্মাৰ শাসনৰ ল অধুনা লবে অভিন্ন। মাথো শিৰোৰেখা আধা। চৰ্যাপদৰ ঞ আধুনিক গঢ়ৰ। 'কৃষ্ণ-কীৰ্ত্তন'ৰ ৰূপো একেটাই। সপ্তদশ শতাব্দীৰেপৰা ইয়াৰ কোনো পৰিৱৰ্ত্তন ধৰা নপৰে। অলংকৰণৰ বাবে 'ঞ' অংশৰ তলৰ বক্ৰৰেখাডাল দীঘলীয়া কৰাটো সুকীয়া কথা।

ট—ড° উপাসকে অশোককালীন ট ৰ নটি ভিন্ন ৰূপ দেখিছে যদিও[৩১৬] তাৰ

৩১৬ Upasak—*Op Cit*, PP 233-35

মাত্ৰ ৰূপটো হ'ল—ৰোমান লিপিৰ কেপিটেল C টো (সংপটি পত্ৰী, পিং ৪।৯)। গুপ্ত যুগলৈকে এই ৰূপটো অব্যাহত থাকে। অসমৰ বৰগংগা লিপিত এটি অৰ্দ্ধবৃত্তৰ পৰিবৰ্তে দুটি অৰ্ধবলয়ৰ ৰূপ লোৱাটো মন কৰিবলগীয়া (ভট্টাৰক, শা° ১)। নিধনপুৰৰ ট গুপ্ত লিপিৰে অভিন্ন (কৌটিল্যো) দেৱনাগৰী লিপিৰ দণ্ডৰ বাওঁকালৰ অংশটোৱে নৱম শতাব্দীৰ পুৰণি কামৰূপীয় লিপিৰ ঘ (ভট্টাৰক, হা° ২।২।২২)। দশম শতাব্দীৰ লিপিত ওপৰৰ অৰ্ধবৃত্ত সংযুক্ত দণ্ডৰেখাৰ অৱস্থিতি মন কৰিবলগীয়া (কটক—হা ১।২।২) একাদশ শতাব্দীত উক্তৰূপৰ কোনো সলনি নহয় (ভট্টাৰকো—ৰত্নপালৰ ব শ, ২।২।১৪)। দেৱনাগৰী ঘ ৰ দণ্ডৰ বামঅংশই চৰ্যা পদতো ট বুজাইছে। মাথো ওপৰত এডাল চৈত্তন উঠিছে। বাউতকুচি তাম্ৰলেখৰ ট মাত্ৰাহীন ছপা হুব দৰে। মাত্ৰ তললৈ নামি যোৱা হেলনীয়া ৰেখা ভাল যোৰ খোৱা (কপাট, শা ৩)। আধুনিক অসমীয়া ট ৰ ৰূপটো জয়জয়তে দেখা যায় 'কৃষ্ণ কীৰ্তন'ত। সপ্তদশ শতিকাৰ ট ৰ ৰূপ দুটা—এটা আধুনিক ট আৰু আনটোৰ নিম্নাংশ সম্পূৰ্ণৰূপে দেৱনাগৰী। ট ৰ সৈতে ট, ৰ, য় বৰ্ণৰ সংযোগ দেখা যায়।

ঠ—ৰোমান লিপিৰ O ৰ দৰে পূৰ্ণ বৃত্ত এটাই অশোক লিপিৰ ঠ বৰ্ণ (অঠ ৰষা-কাল্‌সী, ১।১)। কুশাণ লিপিতো সেই ৰূপ অপৰিৱৰ্তিত হৈ ৰয় (কুঠ বিণিয়ে—কু [৩১৭])। এই খিনিতে এটা কথাৰ উল্লেখ প্ৰয়োজনীয় খ্ৰীষ্টীয় সপ্তম শতাব্দী-লৈকে এই লিপিৰ কোনো নিদৰ্শন পুৰণি শৈল কিংবা তাম্ৰলেখত পোৱা নাযায়। কুমাৰগুপ্তৰ বেইগ্ৰাম লিপিত ষ ৰ সৈতে ঠ লিপিৰ সংযুক্তি দেখা যায় (শ্ৰেষ্ঠ, শা ২৪)। বনমালবৰ্মাৰ শাসনত এই লিপিয়ে বৃত্তৰ ৰূপতে ধৰা দিয়ে। ইন্দ্ৰপালৰ শাসনত ই ইংৰাজী C ৰ আকাৰ লয়। চৰ্যাপদত আৰম্ভ কৰি মাধৱৰ নীলাচল লিপিলৈকে বৃত্ত এটাৰেই ঠ সূচিত হৈছে যদিও 'কৃষ্ণ কীৰ্তন'ত বৃত্তটোৱে কণীৰ আকাৰ লয় আৰু শিৰোদেশত ৰেখাক আশ্ৰয় দিয়ে। 'চিত্ৰ ভাগৱত' ৰ ঠ ৰ সোঁকালে ভুমিত পুচ্ছই ভুমুকি মাৰে যদিও শিৰোৰেখাৰ উৰ্ধৰ চৈত্তনডালে আত্মপ্ৰকাশ কৰা নাই। ঊনবিংশ শতাব্দীলৈকে ঠ ৰ ৰূপ একেটাই ৰৈ থাকে। ই নি সন্দেহে দেৱনাগৰী প্ৰভাৱৰ ফলশ্ৰুতি। আনহাতে ১৭৪৩ খ্ৰীষ্টাব্দত হলেওৰপৰা প্ৰকাশিত ডেভিদ মিলচ গ্ৰন্থত পৰিবেশিত বঙলা লিপিৰ নমুনাৰ ঠ ত চৈত্তনডাল দৃশ্যমান হয়[৩১৮]। ১৭৭৬ খ্ৰীষ্টাব্দত প্ৰকাশিত হলহেডৰ '*A Code of Language*' আৰু ১৭৭৮ খ্ৰীষ্টাব্দত

৩১৭ *EI*, Vol, XXVIII, P 395

৩১৮ শ্ৰীপান্থ—যখন ছাপাখানা এলো, চিত্ৰফলক ৩. খ

প্ৰকাশিত '*A Grammar of the Bengal Language*' ত ঠ ৰ অধুনা ছপা অসমীয়া ৰূপটো পোৱা গৈছে[৩১৯]। সেই ৰূপেই 'অকণোদই'তো গৃহীত হৈছিল।

ড—অনুভূমিক ৰেখাৰ তলে ওপৰে দুডালৰেখা যোগ হ'লেই সি অশোক লিপিৰ ড বৰ্ণ হয় গৈ (চোতা, গি° ১২)। কুশাণ লিপিত বৰ্ণটিৰ ৰূপৰ ভালেখিনি সলনি হয়। দ্ৰুত লেখনৰ ফলশ্ৰুতি ৰূপে লম্বৰেখাৰ তলত সোঁফালে মেলখোৱা এটি অৰ্ধবৃত্ত বা হাঁকোটা এডাল লাগি থাকে (এক্ৰুতলম্ভ—কু[৩২০]) গুপ্ত যুগত লম্বৰেখাডালৰ শিৰোভাগ সোঁফালে কিঞ্চিৎ অৱনত হোৱাৰ উপৰি তলৰ হাঁকোটাডালে হেলনীয়া সৰল ৰেখালৈ পৰিৱৰ্তিত হয় (ভবাক—এলা, শা ১২) ভাস্কৰবৰ্মাৰ ডুবি লিপিৰো ড ৰ ৰূপ একেটাই, মাথো শিৰোৰেখা অধিক স্পষ্ট (বলভ নং, ২।১।৯)। বনমালবৰ্মাৰ ফলিত এই আখৰটিৰ ৰূপ হ'ল—শিৰোৰেখাৰ-পৰা অৱনত দণ্ডই মাজতে এপাক ঘূৰি পোনে পোনে সোঁফালে আহি পুনৰ্বাৰ কল্পিত ভূমিলৈ নামি যোৱাটো। ই বহু পৰিমাণে দেখাত অসমীয়া দ ৰ দৰে (সুহুৰাসী দান্দিৱ—প° ১।১।৪)। দশম শতাব্দীৰেপৰা ইয়াৰ ৰূপৰ কিঞ্চিৎ সলনি হয় আৰু সেই ৰূপটো দেৱনাগৰী 'ৰ' ৰ দৰে (লৌহিত্যবাৰি—বলবৰ্মাৰ ন শ ১।১।২) চৰ্যাপদত 'ড'ৰ আকৃতি ছপা ড় ৰ দৰে। বাউতকুচি তাম্ৰলেখত ভূমি সংলগ্ন ৰেখাডাল তললৈ মেলখোৱা। 'কৃষ্ণ-কীৰ্তন'ৰ ৰূপটিও ছপা হৰফৰপৰা আতৰত নহয়, অষ্টাদশ শতাব্দীৰ বামুণীয়া লিপিৰ ড ৰ তলত বিন্দু দেখা যায়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত সংৰক্ষিত ড লৈ লক্ষ্য কৰিলেই ইয়াৰ সত্যতা পোৱা যাব[৩২১]।

ঢ—দণ্ডৰেখাৰ তলত সোঁফালে মেল খোৱা এডাল হাঁকোটা সংলগ্ন হ'লেই সি হ'ব অশোক লিপিৰ ঢ (বাটিভো, গি° ৪।১)। অৱশ্যে ড উপাসকে ইয়াৰ সাতোটি ৰূপ ভেদ লক্ষ্য নকৰাকৈ থকা নাই[৩২২]। কুশাণ অথবা গুপ্ত যুগীয় লিপিত এই বৰ্ণটিৰ কোনো উল্লেখযোগ্য পৰিৱৰ্তন ধৰা নপৰে। ভাস্কৰবৰ্মাৰ নিধনপুৰ লিপিৰো ৰূপ একেটাই—মাথো দণ্ডত সুক্ষ্ম শিৰোৰেখা আৰু স্ফীতোদৰ অধিক স্পষ্ট (চুপোৰ লক্ষীকান ২।৭)। খ্ৰীষ্টীয় দ্বাদশ শতিকালৈ আখৰটি দেখাত প্ৰায় দেৱ নাগৰী ঢ ৰ দৰে। চৰ্যাপদৰো ৰূপ তামৰ শাসনৰ আখৰৰ দৰেই। মাথো পুথিৰ লিপিৰ

---

৩১৯ শ্ৰীপান্থ—যখন ছাপাখানা এলো, চিত্ৰফলক নং ৪ আৰু ৮
৩২০ পূৰ্ববৰ্তী পাদটীকাৰে একে।
৩২১ Bora, M—*E A S* Table no VII A
৩২২ Upasak—*Op Cit*, PP 241-42

শিৰোৰেখা টো থেলা। 'কৃষ্ণ-কীৰ্ত্তন'ৰ চ ছপা হৰফেৰে অভিন্ন যদিও লবৰ মাজত এটি খাজ বিদ্যমান। অষ্টাদশ শতাব্দীত ইয়াৰ ৰূপ একাধিক। এটাৰূপ দেৱ নাগৰীৰ দৰে। আনটি ৰূপত আছে চ ৰ তলত বিন্দু এটা (ঢ) আৰু তৃতীয়টো ৰূপ হ'ল ছপা হৰফৰ দৰে।

ণ—অশোক লিপিৰ ণ ৰ ৰূপসজ্জা হ'ল—অনুভূমিক দুডাল ৰেখাৰ সোঁমাজত এডাল উলম্বৰেখাৰ স্থিতি (প্ৰাণো, গি ১৯)। লিপিটোৰ ক্ৰমবৰ্দ্ধ পৰিবৰ্ত্তন ঘটে গুপ্ত যুগত। এই কালত দেখা যায়, দণ্ডৰ অনুভূমিক ৰেখাই ঊৰ্ধমুখী হৈ এটি অৰ্ধবলয়ৰ সৃষ্টিৰে তাৰ ওপৰতো আন এটি ক্ষুদ্ৰ অৰ্ধবলয়ৰ ৰূপাংক। তদুপৰি দণ্ডৰ শিৰো-ৰেখাত সংযোজিত হয়—সেঁামুখ উন্মুক্ত হাঁকোটা এডাল (প্ৰণামৈ—এলা°, শা° ৯)। কুমাৰগুপ্তৰ বেইগ্ৰাম লিপিৰ ট ৰ বাওঁফালৰ অৰ্ধবলয় দুটিৰ সংযোগ স্থলীত এটি শূন্য গৰ্ভকুণ্ডলী বিদ্যমান। লেখনিৰ দ্ৰুত চালনাই ইয়াৰ বাবে দায়ী (ক্ষেত্ৰাণাং শা ১১)। নগাৰ্জুনী-খনিকৰ প্ৰস্তৰ লিপি (পূৰ্ব্বেণ, শা ৩) আৰু উমাচল লিপিৰ (বৰ্মণা, শা ২) ণ বহু পৰিমাণে দেৱনাগৰী ভ ৰ দৰে। দুয়োখনি লিপিতে উপযুক্ত শূন্যগৰ্ভ কুণ্ডলীটো বিদ্যমান। বৰ গংগা লিপিত শূন্যগৰ্ভ কুণ্ডলীটো পাৰলৈ নাইকিয়া (অৱগুণস্য শা ৩)। ভাস্কৰবৰ্মাৰ ডুবি শাসনত পূৰ্বোক্ত ৰূপটি বিৰাজমান (ৰিপুণাং ২।২৫) কিন্তু নিধনপুৰ লিপিত ণ বহু পৰিমাণে আধুনিকতাৰ ফালে আগবাঢ়ে (গোত্ৰেণ, ১।১।১১)। নৱম শতাব্দীৰ লিপিত ই শিৰোৰেখাহীন ল ৰ ৰূপ লয় (ৰূপগুণা —হা, শা ২৩) আৰু সেই ৰূপটো দ্বাদশ শতাব্দীলৈ ৰতি থাকে। চৰ্যাপদ, বাউতকছি তাম্ৰলেখ (ক্ষেত্ৰেণ, শা ১১), বৰমূৰ্তিয়া বিল তাম্ৰপট্ট (গুণৈ ১।১১), নীলাচলৰ মাধৱ নৃপতিৰ তাম্ৰশাসন, কৃষ্ণ-কীৰ্ত্তন আদিতো আলোচিত ৰূপটো পোৱা গৈছে। ণ ৰ আধুনিক ৰূপটো জয়ন্তয়তে পোৱা যায়—নীলাচল-কামাখ্যাৰ শিলৰ ফলিত (কৰ্ণ, শা ২)। ইয়াৰ পিছৰেপৰা ইয়াৰ দুটি ৰূপ শিলালেখ, তাম্ৰফলি আৰু হস্তলিখিত পুথিবোৰত পোৱা যায়। প্ৰথমটো, মাত্ৰাবিহীন ল আৰু দ্বিতীয়টো মাত্ৰা যুক্ত (ন) অথবা মাত্ৰাহীন ণ। ণ ৰ লগতে আ, ই, উ, ঊ, এ, ঐ ও আৰু ঔ-কাৰ যুক্ত হোৱাৰ উপৰি ঠ, ড, চ, ণ, দ, আদি বৰ্ণৰ সংযোগ ঘটে।

ত—দণ্ড এডাল তললৈ নামি মাজতে বি দুভাগ হৈ কল্পিত ভূমিলৈ গতি কৰিলেই হ'ব অশোক কালীন ত (সৰ্বত—পি° ২।১) কুশাণ কালত দণ্ডৰ মূৰত ক্ষুদ্ৰ শিৰোৰেখা লগ লাগে আৰু নিম্নাংশৰ বাহুদ্বয়ে এটি বক্ৰভাৱ সৃষ্টি কৰে (ত্তি—হু° ক, শা° ১)। গুপ্ত যুগত বাওঁপদত কৈ সোঁপদ অধিক দীৰ্ঘলীয়া হয় (হুচ—এলা°, শা° ২২)। চতুৰ্থ-

পঞ্চম শতাব্দীৰ অসমীয়া লিপিৰ শিৰোৰেখাত এটি স্পষ্ট গোঁজ আৰু তাৰ তলৰ অংশ গুপ্তলিপিৰে অভিন্ন (পশ্চিমতো—না° শা ৩, ভগবত উ°, শা ৩)। ষষ্ঠ শতাব্দীলৈ এই ৰূপৰ কোনো সলনি হোৱা নাই (দৈৱত—ব শা ১)। খ্ৰীষ্টীয় সপ্তম শতাব্দীত 'ত'ৰ ৰূপ ছুটা—ভুৱি লিপিত নিম্নস্থ নিম্নগামী ৰেখাদ্বয়ৰ বক্ৰ শিৰোভাগ শিৰোৰেখাৰে একীভূত হৈ পৰিছে। ফলস্বৰূপে, বাওঁফালৰ ক্ষুদ্ৰৰেখা অধিক গভীৰ (বিভূতয়ে ১। ১)। আনহাতে, নিধনপুৰ লিপিৰ ত ৰ শিৰোৰেখা গোঁজ আৰু তাৰ তলতহে শিৰোবক্ৰ সংযুক্ত ৰেখাদ্বয়। ইয়াৰ সোঁফালে ৰেখাডাল বাওঁফালৰ ৰেখাতকৈ ভালে-খিনি দীঘল (গোতমো—১।৪।৪)। একাদশ শতাব্দীলৈকে আলোচিত লিপিটোৰ কোনো ধৰণৰ পৰিৱৰ্তন চকুত নপৰে। খ্ৰীষ্টীয় দ্বাদশ শতাব্দীত ই দেৱনাগৰীৰদ্বাৰা প্ৰভাৱান্বিত হয় (স্থত —পু শা ২।২।১)। চৰ্যাপদৰ ত কিছু পৰিমাণে দন্ত্য দ ৰ দৰে, কেৱল ভূমি সংলগ্ন ভৰিখন বাওঁ হাতলৈ ঘোৰ খোৱা। চতুৰ্দশ শতাব্দীত আখৰটোৰ ৰূপ অধুনা ভ আৰু ত ৰ মধ্যৱৰ্তী অৱস্থা (হৰিতকী, ৰ তা ২।৩, তস্মাদ ১।১) পঞ্চদশ শতাব্দীতো আখৰটিৰ বিকশিত ৰূপটো ধৰা পৰে। ষোড়শ শতাব্দীৰে-পৰা ই সম্পূৰ্ণৰূপে আধুনিক ৰূপত অৱতীৰ্ণ হয়। ত ৰ সৈতে আটাইকেইটা স্বৰ-লিপিৰ দ্বিতীয় ৰূপটোৰ উপৰি ক, ত, প, ন, ৰ, ম, স বৰ্ণৰ সংযুক্তি হয়।

থ—কেন্দ্ৰবিন্দু সমেত এটি পূৰ্ণ বৃত্তই অশোক লিপিৰ মাত্ৰ 'থ' (পংথেসু, গি ২।১১)। কুশাণ কাললৈকে ইয়াৰ ৰূপ অপৰিৱৰ্তিত হৈ ৰয়। গুপ্ত যুগত কেন্দ্ৰবিন্দুই ব্যাসৰ ৰূপ পৰিগ্ৰহ কৰে (পৃথিৱী, এলা, শা ২৯)। পঞ্চমশতাব্দীত আলোচিত বৰ্ণটোৰ ৰূপৰ পৰিৱৰ্তন চকুত লগা। এই কালত বৃত্তৰ বাম অংশ সৰলীকৰণৰ ফালে আগবঢ়াত ভূমিৰ ফালে এটি কোণ দৃষ্টি গোচৰ হয় (অৰ্থম, বেইগ্ৰাম লিপি, শা° ১৫)। সপ্তম খ্ৰীষ্টাব্দৰ ভুৱি লিপিত ডিম্বাকৃতিৰ চক্ৰ ছুটি তল ওপৰকৈ সংলগ্ন হোৱা দেখা যায় (মোথ, ৩।২।১০)। আনহাতে নিধনপুৰ লিপিত বাওঁফালে সম্পূৰ্ণ উলম্বৰেখা। সেই ৰেখাৰ শীৰ্ষবিন্দুৰপৰা বাওঁফালে শিৰোৰেখাৰ ওপৰেৰে ঘোৰ খাই দণ্ডৰ ভূমিত সংলগ্ন হোৱা আন এডাল বক্ৰৰেখা। ভূমিৰ সৈতে এই বক্ৰৰেখাই সৃষ্টি কৰে এটি সূক্ষ্মকোণ। ডিম্বাকৃতিৰ চক্ৰটিৰ ভিতৰত দণ্ড স্পৰ্শিত শিৰোৰেখাত স্পষ্ট (ধৰ্ম্মা ১।১।৩)। খ্ৰীষ্টীয় নৱম শতিকাত থ ৰ ৰূপ ছুটা ধৰা পৰে—প্ৰথমটো পূৰ্ব্বৰ আকৃতিৰ অৰ্থাৎ ডিম্বাকৃতিৰ বৃত্তৰ ভিতৰত ব্যাসৰ অৱস্থিতি কিংবা শিৰোৰেখা বিহীন দেৱ নাগৰী থ ৰ আকৃতিৰ টৈমুনাটোৰ ভিতৰত অনুভূমিক সমান্তৰাল ৰেখাৰ সংস্থাপন আৰু আনটো অধুনা 'থ'। দ্বিতীয়টো বনমালবৰ্মাৰ তেজপুৰ শাসনত পোৱা যায়। গতিকে

সন্দেহাতীতভাৱে ক'ব পাৰি যে 'খ'ৰ অধুনা ৰূপৰ প্ৰথম প্ৰকাশ সম্ভৱ হৈছিল খ্ৰীষ্টীয় নৱম শতাব্দীত। একাদশ দ্বাদশ শতাব্দীৰ শাসনমালাত ইয়াৰ ৰূপ কেতিয়াবা ইংৰাজী ছপা সৰু হাতৰ a, কেতিয়াবা দেৱনাগৰী খ আৰু কেতিয়াবা অসমীয়া খ ৰূপত আত্ম-প্ৰকাশ কৰাটো উল্লেখযোগ্য। চৰ্যাপদত দেৱনাগৰী ৰূপটো বাহাল আছে কিন্তু চতুৰ্দশ শতাব্দীত তাৰ ৰূপ সম্পূৰ্ণ অসমীয়া (পথোত্তৰে—ৰ তা, ২।৪)। মাধৱ নৃপতিৰ তাম্ৰলেখৰ খ,ৰ ৰূপো অসমীয়া (তথাতো, ২।১।২৩) কিন্তু 'কৃষ্ণ-কীৰ্তন'ত সি দেৱ-নাগৰী ৰূপত বিকৃত। ষোড়শ শতাব্দীৰেপৰা খ ৰ ৰূপত তিনিটা পোৱা যায়—ক° কাইথেলী অথবা ৰাজকীয় পুচ্ছযুক্ত খ, বামুণীয়া দেৱনাগৰী খ আৰু আধুনিক ৰূপৰ খ।

দ—ড° উপাসকে দ ৰ বেলেগ বেলেগ বাৰটা ৰূপ পালেও[৩২৩] অশোকৰ লিপিৰ মাত্ৰ ৰূপটো হ'ল—বাওঁফাল উন্মুক্ত অৰ্ধবৃত্ত এটাৰ অন্তিম ছুয়ো মূৰে সংলগ্ন ছুডাল ক্ষুদ্ৰ ৰেখা (দোসং, গি ১।৬)। কুষাণ যুগত ইয়াৰ গঢ় ২ ৰ দৰে (দ সমে, কু খ শা ১)। শিৰোৰেখাৰপৰা অৱনমিত দণ্ডই মাজতে সোঁফাললৈ পোন ভাৱে ঘোৰ খোৱা ৰূপেই নগাৰ্জুনী-খনিকৰ গাওঁ প্ৰস্তৰলিপি (দ্বিক্ৰ, শা ৩) আৰু উদয়াচল লিপিৰ দ, (বলভদ্ৰ, শা ৩)। সপ্তম শতাব্দীত দ ৰ বক্ৰতাই কৌণিকতাৰ ফালে অগ্ৰসৰ হয়। তদুপৰি নিধনপুৰ লিপিৰ শিৰোৰেখাত এটা গোঁজো দৃশ্যমান (দয়ালুনা, ভূ ১।১।৩, দদি স্বামী, নি ৪।১।৮)। নৱম শতাব্দীত ইয়াৰ দ্বিতীয়ডাল ৰেখাৰ মূখত তৃতীয়ডাল থিয় ৰেখা যোগ হৈ দেৱনাগৰী দ ৰ পূৰ্বাভাষ ভাঙি ধৰে (শুভ্ৰমিদানীং—হা ২।১।১২)। দ্বাদশ শতাব্দীত লিপিটোৰ ৰূপ কুটিলশৈলীৰ। দ্বাদশ শতাব্দীলৈকে নগৰীৰূপ পৰিহাৰ কৰিবপৰা নাই। অথচ কানাই বৰশীবোৱা লিখিত শিৰোৰেখা ভিন্ন তাৰ ৰূপ সম্পূৰ্ণ অসমীয়া (ত্ৰয়োদশে, শা ১) চৰ্যাত শিৰো-ৰেখা স্পষ্ট। গছতল শিলালিপিত ইয়াৰ বাম অংশ বৃত্তাকাৰ, বৰমূৰ্তিয়া লিপিত আকৌ ভূমিসংলগ্ন ৰেখাডালহে ঘোৰ খোৱা (গদাধৰ ২।৮)। মাধৱৰ নীলাচল তাম্ৰলেখ অথবা 'কৃষ্ণ কীৰ্তন'ৰ আখৰটো আজিৰপৰা আঁতৰত নহয়। সপ্তাদশ শতাব্দীৰপৰা দ ৰ ৰূপ একাধিক চকুত পৰে। 'চিত্ৰ ভাগৱত'ৰ দ ৰ মাজৰ ৰেখাডাল দণ্ডৰ বাওঁফালে আগবঢ়া। এয়া প্ৰথম ৰূপ। 'হস্তীবিদ্যাৰ্ণৱ'ত দ্বিতীয় ৰূপটো ধৰা পৰে। ইয়াৰ সোঁফালৰ ভূমিসংলগ্ন ৰেখাডাল পুচ্ছ হৈ আগবাঢ়ি যোৱা। অষ্টাদশ শতাব্দীৰ বামুণীয়া আখৰত পেটটোত দেৱনাগৰী প্ৰভাৱ স্পষ্ট। ছপা দ ৰ ৰূপকলৈ

৩২৩ Upasak—*OP.Cit*, PP 251-54

পুৰণি অসমীয়াত দ ৰ চাৰিটা ৰূপভেদ পোৱা যায়। ইয়াৰ লগত দ, ধ, ভ, ৱ, ৰ, ষ আৰু আটাইকেইটা ৰবৰ দ্বিতীয় ৰূপটো লগ লাগে।

ধ—ৰোমান D লিপিয়ে অশোক লিপিৰ মাজৰ ধ (ধৰম লিপি, গি° ১।১)। কুশাণ আৰু গুপ্তযুগত অৰ্দ্ধবৃত্তটো সোঁফালৰপৰা বাওঁহাতলৈ পৰিবৰ্তিত হয় (প্ৰদান, এলা, শা° ৩০)। নগাজৰী-খনিকৰ গাওঁ প্ৰস্তৰলিপি (ভাগ্ৰোধ, শা ৩) আৰু উমাচল লিপিত (ৰাজাধিৰাজ, শা° ৩) দণ্ডৰপৰা ঘোৰ খাই ভূমিলৈ যোৱা বাওঁফালৰ ৰেখাডালে মাজতে এটা খাঁজৰ সৃষ্টি কৰাত সি 'ঘ' ৰ বাওঁফালৰ অংশৰ ৰূপ লৈছে। ভুবি শাসনলৈকে এইটো ৰূপ বৰ্ত্তি থাকে কিন্তু নিধনপুৰত সি গৈ মাত্ৰাহীন দেৱনাগৰী ধ ৰ ৰূপ লয় (ধ্ৰুতি সোম, ৪।১।৬)। কেতিয়াবা কেতিয়াবা শিৰোস্থান আৰু ভূমিত একোটাকৈ সূক্ষ্মকোণৰ সৃষ্টিৰে ভ বুহলৰ কথিত সূক্ষ্মকোণী অক্ষৰলৈকে লুটি বাগৰ সলায়। হৰ্জৰবৰ্ম্মাৰ শাসনত তাৰ ৰূপ কৌণিক 'ব' কিন্তু বনমালবৰ্ম্মাৰ শাসনত সি বৃত্তাকাৰ ব ৰ ৰূপ লৈছে। বলবৰ্ম্মাৰ শাসনৰ ধ ৰ ৰূপো অধিক কৌণিক (ৰাজাধিৰাজ —হাও° শা ২।২।৮), ৰত্নপালৰ শাসনত কৌণিক অংশ তললৈ ওলমিপৰা (ৰাজাধি-ৰাজ—ৰ শা ২।২।১৫)। অৱশ্যে ইন্দ্ৰপাল বা ধৰ্ম্মপালৰ দিনত সি আকৌ কৌণিক 'ব' ৰ ফালে আগবাঢ়ে। কানাই বৰশী বোৱা লিপিত ধ ৰ ওপৰত থকা উৰ্দ্ধকমা ডাল (') সংযোগ হৈছে। ধ ৰ এই ৰূপটো বৈদ্যদেৱৰ কমৌলী শাসনত জয়জয়তে ধৰা পৰে। চৰ্য্যাতো উক্ত ৰূপ বিৰাজমান। চতুৰ্দ্দশ পঞ্চদশ শতাব্দীৰ লিপিত আখৰটোৰ ৰূপ সম্পূৰ্ণ আধুনিক। সপ্তদশ অষ্টাদশ শতাব্দীৰ ৰাজকীয় কিংবা কাইথেলী আখৰত পুচ্ছ বিৰাজমান। 'হস্তিবিদ্যাৰ্ণৱ' ৰ ধ লৈ আঙুলিয়ালেই যথেষ্ট হ'ব। ইয়াৰ লৈতে ধ,ব আৰু য যুক্ত হয়।

ন—অনুভূমিক ৰেখাৰ সোঁমাজৰপৰা উত্থিত দণ্ডায়মান উলম্বৰেখাই অশোক লিপিৰ ন (দেৱামাং- গি° ১।১)। গুপ্তযুগত এই লিপিৰ পৰিবৰ্তন চমকপ্ৰদ। শিৰোৰেখাৰ-পৰা অৱনত দণ্ডই সম্পূৰ্ণ পাক ঘূৰণি দি সোঁফালে ভূমিলৈ নামি গৈ সৃষ্টি কৰা ন গুপ্ত লিপিৰ এটা মন কৰিবলগীয়া বৈশিষ্ট্য (মানস, এলা, শা ৫)। চতুৰ্থ-পঞ্চম শতাব্দীৰ পূৰ্বীলিপিত ঘূৰ্ণনৰ মধ্যৱৰ্ত্তী শূন্যগৰ্ভ অধিক সম্প্ৰসাৰিত (কুশল মহু—বেইগ্ৰাম, শা° ২, ভাগ্ৰোধ—না° শা° ৪, ঘামীনাৰ, উ° শা ৪)। খ্ৰীষ্টীয় সপ্তম শতাব্দীৰ ভুবি লিপিত আলোচিত ৰূপটি পালেও নিধনপুৰ লিপিৰ আখৰটোৰ ৰূপ বেলেগ। ই বহুপৰিমাণে আধুনিক অসমীয়া ন হৈছে। অৱশ্যে শিৰোৰেখাৰ তলৰ গোঁজ স্পষ্ট (নৰেন্দ্ৰ ৪।১।১৪) বলবৰ্ম্মাৰ শাসনত ন ৰ বাওঁফালৰ বিন্দুটো কেতিয়াবা কেতিয়াবা শূন্যগৰ্ভ হৈ পৰা

দেখা যায়। ৰত্নপালৰ দিনৰেপৰা ইয়াৰ ওপৰত দেৱনাগৰী প্রভাৱো লক্ষ্য কৰিব-লগীয়া। চর্যাৰ ন পিছে সম্পূর্ণৰূপে অসমীয়া। চতুর্দশ শতাব্দীৰ লিপিমালাতো উপৰুক্ত ৰূপৰ কোনো হেৰ ফেৰ হোৱা নাই। 'কৃষ্ণ-কীর্তন'ত ন ৰ ৰূপ দুটা এটা পুচ্ছগর্ভ আৰু আনটো আধুনিক ন। সপ্তদশ শতাব্দীৰেপৰা ইয়াৰ ৰূপ দুটা দেখা যায়—এটা পুচ্ছহীন আৰু আনটো পুচ্ছযুক্ত। এই আখৰটিৰ সৈতে ট, ঠ, ড, চ, ণ, ত, থ, দ, ধ, ন, ব, য প্রভৃতি ব্যঞ্জন যোগ হয়। স্বৰলিপিৰ দ্বিতীয় ৰূপৰতো কথাই নাই।

প—লম্বৰ তলৰ ভূমিৰেখাই এডাল হাঁকোটাৰ সৃষ্টি কৰিলেই সি অশোক কালীন প সূচায় (ধৰ্মলিপি, গি ১।১)। কুশাণ যুগত ভূমিৰেখাৰ দৈর্ঘ বৃদ্ধি পায় আৰু গুপ্তযুগত লম্বৰেখাৰ শিৰোদেশত ৰেখাই স্থান লোৱাৰ উপৰি দণ্ডৰ সোঁফালেও ভূমি ৰেখা সংলগ্ন এটি ত্রিমাকৃতিৰ বৃত্ত দৃষ্টিগোচৰ হয় (পঞ্চত্রাণং—এলা°)। চতুর্থ পঞ্চম শতাব্দীৰ পূর্বীলিপিৰ প লিপিয়ে কুশাণলিপিৰ সৈতেহে মিতিৰালি পাতে (পূর্ব্বে ন—না, শা ৩)। ক্ষুদ্র শিৰোৰেখাৰপৰা অৱনত ঈষৎ বাওঁফাললৈ সম্প্রসাৰিত দণ্ডই ভূমিত এটা সূক্ষ্মকোণৰ সৃষ্টিৰে সোঁফাললৈ অগ্রসৰ হৈ ওপৰলৈ মুখ কৰি ব্রেইগ্রাম লিপিৰ 'প' বর্ণৰ ৰূপ দিছে (পেক্ষয়াহু, শা ২১)। ষষ্ঠ শতাব্দীৰ অসমৰ লিপিত ইয়াৰ ৰূপৰ বিশেষ পৰিৱর্তন দেখা নাযায় (পৰম দৈৱত—ব, শা ১)। সপ্ত শতাব্দীতো এই ৰূপৰ কোনো পৰিৱর্তন হোৱা নাই (পাদাম্ব, নি° ৪।১।৪) বলবর্মাৰ দিনৰ শাসনমালাত প ৰ ৰূপ 'য়'ৰ দৰে হয়গৈ (পৰিৱর্ততে, হা ও ১।১।১) অৱশ্যে তাত পুচ্ছ বর্তমান। খ্রীষ্টীয় একাদশ শতাব্দীত, ধাইকৈ ইন্দ্রপালৰ শাসনত আলোচিত আখৰটোৰ দুটা ৰূপ স্পষ্ট—প্রথমটো দেৱনাগৰী প আৰু দ্বিতীয়টো অসমীয়া প। ধর্মপালৰ লিপিত আপাত দৃষ্টিত প আৰু য একাকাৰ হৈ পৰে যদিও চর্যাপদত লিপিটোৱে সম্পূর্ণৰূপে আধুনিক ৰূপ ল'বলৈ সমর্থ হয়। চতুর্দশ শতাব্দীৰপৰা সপ্তদশ শতাব্দীলৈ প ৰ শৈলী একেটাই। অষ্টাদশ শতাব্দীৰপৰা ইয়াৰ ৰূপ তিনিটা দেখা যায়—প্রথম, চিৰাচৰিত প, দ্বিতীয়, পুচ্ছ যুক্ত কাইথেলী প আৰু দেৱনাগৰীৰ প্রভাৱ পুষ্ট বামুনীয়া প। ইয়াৰ লগত স্বৰৰ উপৰি ত, স, য আৰু ৰ ব্যঞ্জন যুক্ত হয়।

ফ—অশোক লিপিত প আৰু ফ ৰ পার্থক্য নগণ্য। দণ্ডৰ বাওঁফালৰ হাঁকোটাডাল ভিতৰৰ ফালে 'ফ' লিপিত অধিক ঘোৰ খায় (ষাহা ফলং, কালসী, শা° ৩৫)। কুশাণ যুগত দণ্ডৰ সোঁফালে ভূমিৰেখা কিছুদূৰ অগ্রসৰ হৈ হাঁকোটাডাল ধৰি ৰাখে। গুপ্ত যুগত ইয়াৰ আলেখিনি পৰিৱর্তন চকুত পৰে। হাঁকোটা সম্বলিত দণ্ডৰেখাৰ সোঁফালে সংলগ্ন হয়—এটি ত্রিমাকৃতিৰ চক্র। আনহাতে দণ্ডৰ শিৰতো সংযোজিত হয় ক্ষুদ্র

শিৰোৰেখা এডাল। পঞ্চম শতাব্দীত আখৰটোৰ আৰু কিছু বিকশিত হয়। সোঁফালৰ ত্ৰিভূজাকৃতি চক্ৰটোৰে ৰূপ লয়—এটা শূন্যৰ (ফুট—বেইগ্ৰাম লি°, শা ৭)। ভাস্কৰবৰ্মাৰ নিধনপুৰ লিপিত কৌণিক ৰূপ অধিক স্পষ্ট (ফুট—১।১।২)। ৰত্নপালবৰ্মাৰ শাসনত অৰ্থাৎ অসমীয়া ফ ৰ প্ৰত্নৰূপ দেখিবলৈ পোৱা যায় (ফলম্—প° ২।২।২৮)। দ্বাদশ শতাব্দীত ফ ৰ দুটা ভিন্নৰূপ স্পষ্ট হয়—প্ৰথমটো, ধৰ্মপালৰ গুড়কৰ পাটক তাম্ৰশাসনত (প্ৰচুৰফেন বিমিশ্ৰিত—২।১।১) আৰু আনটো বৈদ্যদেৱৰ কমৌলী শাসনত। দ্বিতীয়টি ৰূপ আধুনিক অসমীয়াৰো অভিন্ন। চৰ্যাপদৰ ৰূপটোও কমৌলী শাসনৰ লিপিৰে অভিন্ন। 'কৃষ্ণ-কীৰ্তন'তো আখৰটোৰ কোনো ৰূপ ভিন্নতা চকুত নপৰে। খ্ৰীষ্টীয় অষ্টাদশ শতাব্দীৰপৰা ইয়াৰ পুচ্ছযুক্ত আৰু পুচ্ছ হীন এই দুই ৰূপ দেখা যায়। কোনো কোনো হস্তলিখিত পুথিৰ 'ফ' ত স্পষ্ট শিৰোৰেখা দেখা গ'লেও শিৰোৰেখা-শূন্য ৰূপো নথকা নহয়।

ব—অশোক লিপিৰ 'ব' এটা চতুৰ্ভুজী বৰ্গক্ষেত্ৰ (দেৱানং, পি ১।১) কুশাণ আৰু গুপ্ত যুগতো এই লিপি অপৰিৱৰ্তিত ৰূপত থাকে (বাহুবীৰ্য, এলা, শা° ২৩)। পঞ্চম শতাব্দীৰ বেইগ্ৰাম লিপি (বৰ্ষ, শা ৩), ষষ্ঠ শতাব্দীৰ ববগংগা লিপি (বিষয়, শা ৩) নাইবা সপ্তম শতাব্দীৰ ভুবি লিপিৰ 'ব' ৰ ৰূপে একেটাই (বজ্ৰধৰ—১।৬)। পিছলৈ ইয়াৰ ঠাই 'ৱ' ই অধিকাৰ কৰিছে।

ভ—অশোক লিপিত ভ আখৰটো ড ৰ বিকশিত ৰূপ। সমান্তৰাল দণ্ডৰেখা দুডাল সংস্থাপন কৰি তৃতীয় ডাল অনুভূমিক ৰেখাৰ দ্বাৰা সংলগ্ন কৰি তাৰ সোঁফালটো ওপৰ মুৱা কৰি দিলেই ভ ৰ ৰূপটি পোৱা যায় (আৰ ভিৎপা—পি ১।৩) কুশাণ যুগত অনুভূমিক ৰেখাৰদ্বাৰা সংলগ্ন নিম্নমুখী দণ্ডদ্বয়ৰ দৈৰ্ঘ সংকুচিত হোৱাৰ উপৰি ভিতৰলৈকেও অলপ ঘোৰ খায়হি। অনুভূমিক ৰেখাৰ সোমাজত আন এডাল দণ্ডৰেখাৰ আত্মপ্ৰকাশ ঘটে এই যুগতেই (ভাৰ্যা, কু লি খ, শা ২), গুপ্ত যুগত দণ্ডৰেখাৰ নিম্নৱৰ্তী অনুভূমিক লোপ পায়। কৌণিকভাৱে অংকিত ৰেখাদ্বয় দণ্ডপুচ্ছত লগ লাগে আৰু দণ্ডৰ শীৰ্ষস্থানত ক্ষুদ্ৰৰেখাই আসন পায় (ভৰ্তু, এ° শা° ৫) নগাৰ্জুনী-খনিকৰ গাওঁ প্ৰস্তৰ লিপিৰ ভ ৰ ৰূপো একেধৰণৰ (ৰাজিস্পেহাভি , শা° ২) উমাচল লিপিৰ শিৰোৰেখাৰ তলত থাকে দণ্ড আৰু তাৰ বাওঁফালে আছে আন এডাল দুটি টুপীযুক্ত হেলনীয়া ৰেখা (ভগৱত, শা° ৩)। ভাস্কৰবৰ্মাৰ ভুবি লিপিত বাওঁ ফালৰ টুপী-সংযুক্ত হ্ৰস্ব ৰেখাডাল পোন ভাৱে গৈ শিৰোৰেখাত লগ লাগে (ভগৱত, ১।৬)। কিন্তু নিধনপুৰ লিপিৰ ৰূপ সম্পূৰ্ণ বেলেগ। গোঁজযুক্ত শিৰোৰেখাৰ সমান্তৰালভাৱে আৰু এডাল ৰেখা সংস্থাপন কৰি দণ্ডৰেখা এডালেৰে সেই দুটা

সংস্থাপন কৰি ৰ-ওৰেখা এডালেৰে সেই ৰেখা তলৰ সোঁমূৰ চুটা স্পৰ্শ কৰাই ভূমিলৈ আগবঢ়াব লাগে। পিছত ৰ-ওৰপৰা সোঁকালে আন এডাল হেলনীয়া ৰেখা ভূমিলৈ আগবঢ়ালেই নিধনপুৰ লিপিৰ ভ টো পোৱা যায় (ভাৰস ৪।১।৭)। খ্ৰীষ্টীয় নৱম শতাব্দীৰেপৰা আলোচিত লিপিটোৱে বক্ৰতাৰ ফালে আগবাঢ়ে। বনমালবৰ্মা কিম্বা তৃতীয় বলবৰ্মাৰ শাসনৰ ভ কুটিলশৈলীৰ। ইন্দ্ৰপালৰ শাসনত লিপিটোৰ শিৰোখোৰ তলত গোঁজ বেচ স্পষ্ট। ধৰ্মপালৰ শাসনৰ ভ দেৱনাগৰী ভ ৰ ৰূপে। চৰ্যাপদত ধৰ্মপালৰ ভ ৰ ভৰিখন বাওঁকালে ঘোৰ খাইছে। চতুৰ্দশ শতাব্দীৰ লিপিত নিম্নাংশৰ অৰ্ধবৃত্তটোৰ পূৰ্ণ বিকাশ চকুত পৰে (ভজে—ৰ° ভা° ১।১)। পঞ্চদশ শতাব্দীৰ শিলৰ ফলিৰ ভ সম্পূৰ্ণ আধুনিক। 'কৃষ্ণ-কীৰ্তন'ৰ আখৰটিও তদনুৰূপ। ষোড়শ শতাব্দীৰ ইয়াৰ শিৰোৰেখাৰ তলত ক্ষুদ্ৰ লম্বৰেখা বিদ্যমান। সপ্তদশ শতাব্দীৰে পৰা ইয়াৰ ৰূপ দুটা দেখা যায়-প্ৰথমটো ছপাৰ গঢ়ৰ আৰু দ্বিতীয়টো আলংকাৰিক। শিৰোৰেখাৰপৰা ক্ষুদ্ৰ বৃত্তাকাৰ ৰেখা এডাল গৈ নিম্নস্থ অনুভূমিক কমাডালৰ সৈতে প্ৰান্তত লগ লাগে। 'হস্তী-বিদ্যাৰ্ণৱ'ত এই ভ ৰ প্ৰয়োগ প্ৰচুৰ। এই আখৰটোৰ লগত ভ, ৰ, ঘ প্ৰভৃতি ব্যঞ্জনৰ সংযুক্তি প্ৰায়ে চকুত পৰে।

ম—এটা পূৰ্ণ বৃত্তৰ ওপৰত এটা ঊৰ্ধমুখী অৰ্ধবৃত্ত সংস্থাপিত হ'লেই অশোক লিপিৰ ম আখৰটো পোৱা যায় (বিজিত মহি, পি ২।১)। কুশাণ যুগত তলৰ পূৰ্ণ বৃত্তটোৱে ত্ৰিভুজাকাৰ ৰূপ লয় (মহাৰাজ, কু° লি°, শা, ১)। গুপ্ত যুগত আখৰটোৱে কিছু পৰিমাণে দেৱনাগৰী ৰূপ পৰিগ্ৰহ কৰেহি। পাৰ্থক্যৰ ভিতৰত, শিৰোৰেখাৰ অৱস্থিতিহীনতা লক্ষণীয় (মানস, এলা, মহাৰাজাধিৰাজ, উ°, শা ১, পৰম—ৰ, শা° ১)। আখৰটোৰ বাম অংশত ক্ষুদ্ৰ গোঁজযুক্ত শিৰোৰেখা স্পষ্ট হৈ পৰে। ভাস্কৰবৰ্মাৰ ডুবি (ভূতিমতাং ১।১) আৰু নিধনপুৰ লিপিত (প্ৰমোদ ৪।২।৪) লিপিটোৰ বিশেষ পৰিবৰ্তন দেখা নাযায়। হৰ্জৰবৰ্মা আৰু বনমালবৰ্মাৰে দিনৰ শাসনত ম ই সম্পূৰ্ণৰূপে অসমীয়া ৰূপ গ্ৰহণ কৰাটো উল্লেখযোগ্য। কানাই বৰশী বোৱা শৈলশাসনত আৰম্ভ কৰি চৰ্যাপদ, কৃষ্ণ-কীৰ্তন আদিৰ কাললৈকে ইয়াৰ কোনো ধৰণৰ ৰূপগত পাৰ্থক্য ধৰা নপৰে। সপ্তদশ শতাব্দীৰেপৰা ইয়াৰ তিনিটা ৰূপ দেখা যায়—দেৱনাগৰী প্ৰভাৱান্বিত বামুণীয়া ম, পুচ্ছযুক্ত কাইথেলী ম আৰু নিৰলংকাৰ ছপা হৰফৰ দৰে ম। এই আখৰটোৰ লগত আটাইকেইটা ৰবলিপিৰ দ্বিতীয়টো ৰূপৰ উপৰি ৰ, ভ, ৰ প্ৰভৃতি ব্যঞ্জন লগ লাগে।

য—য-ওৰ ভূমিত গোঁ আৰু বামমুখী দুডাল হাঁকোটাৰ সংযোজনাই অশোক লিপিৰ য (গ্ৰিয়েন, পি° ১।১)। কুশাণ যুগত য-ওৰ শিৰত ক্ষুদ্ৰ ৰাখা দৃশ্যমান হোৱাৰ উপৰি

সোঁফালৰ হাঁকোটাভাল দণ্ডৰ সমান্তৰালকৈ কিছু উৰ্ধগামী হয় (পন্নতি, কু° লি° থ, শা ৩)। গুপ্তযুগত শিৰোৰেখা অধিক সম্প্ৰসাৰিত হোৱাৰ লগতে বাওঁফালৰ হাঁকোটাভালে অধিক ঘোৰ খায় আৰু সোঁফালৰ হাঁকোটাই কুশাণ লিপিৰ লেখীয়াকৈ শিৰোৰেখাৰ ফালে গতি কৰে (যশু, এলা শা ৫)। নগাৰ্জুনী খনিকৰ গাওঁ প্ৰস্তৰ লিপি (যাৱৎ, শা° ৫), উমাচল (স্বামীনায়, শা ৪), আৰু বৰগংগা লিপিৰ (বিৱয়, শা° ৩) য় ৰ ৰূপটো গুপ্তলিপিৰ পূৰ্বশৈলীৰে অভিন্ন। ভাস্কৰবৰ্মাৰ ভূবি লিপিত আখৰটোৰ ঠগ পুৰণি পদ্ধতিৰ (বিনয়ো, ১।১।৮)। নিধনপুৰ লিপিৰ য ই ত্ৰিশাখাৰ বিপৰীতে দ্বিশাখা যুক্ত হৈ বহু পৰিমাণে নাগৰী থ ৰ ৰূপ লয় (যজ্ঞস্ত ৪।১।৭)। পুৰালিপিতত্ত্ববিদসকলে পূৰ্ব ভাৰতত য ৰ বিকাশ বৈচিত্ৰপূৰ্ণ বুলি অভিমত দিছে[৩২৪]। নৱম শতাব্দীত য ই দেৱনাগৰী ৰূপ লয়। বলবৰ্মাৰ শাসনৰ য পুচ্ছ যুক্ত যদিও বত্নপালৰ চিনত ই সম্পূৰ্ণৰূপে অসমীয়া ৰূপ গ্ৰহণ কৰে। কানাই বৰশীবোৱা তুৰক্ক ক্ষয়ৰ শৈললেখত আখৰটোৰ গড় দেৱনাগৰী প ৰ দৰে (ক্ষয়, শা ২), কিন্তু চৰ্যাপদত লিপিটোৱে আধুনিক অসমীয়া ৰূপৰপৰা আতৰি যোৱা নাই। সপ্তদশ শতাব্দীৰেপৰা য তলত বিন্দুৰে ভুমুকি মৰাটো তাৎপৰ্যপূৰ্ণ। অৱশ্যে বিন্দুহীন য ৰূপৰো চলতি থাকিল। অষ্টাদশ শতাব্দীৰপৰা ইয়াৰ বিন্দুযুক্ত আৰু বিন্দুহীন এই দুই ৰূপৰ উপৰি নিৰলংকাৰ, পুচ্ছযুক্ত (কাইথেলী) আৰু দেৱনাগৰী প্ৰভাৱান্বিত (বামুণীয়া) য়া এই কেইটা ৰূপো দেখা যায়।

ৰ—কম্পিত দণ্ড এডালেই হ'ল অশোক লিপিৰ ৰ লিপি (বাক্ৰা, গি ১।২)। কুশাণ যুগত এহাতে দণ্ডৰ কম্পণ লোপ পায় আৰু আনহাতে শিৰোদেশত ক্ষুদ্ৰ অনুভূমিক ৰেখা আৰু ভূমিৰ বাওঁফাল উন্মুক্ত ক্ষুদ্ৰ হাঁকোটা এডাল বিবিক্তি উঠে। গুপ্তযুগত আকৌ দণ্ডৰ হাঁকোটা অদৃশ্য হয় (কুবেৰ এলা , শা° ২০) কুমাৰগুপ্তৰ বেইগ্ৰাম লিপি (তাৱক, শা ১১), নগাৰ্জুনী খনিকৰ গাওঁ প্ৰস্তৰলিপি (মহত্তৰো, শা ২), উমাচললিপি (মহাৰাজাধিৰাজ, শা° ১), অথবা বৰগংগা লিপিত (পৰম, শা ১) ইয়াৰ ৰূপসজ্জাৰ বিশেষ পৰিবৰ্তন চকুত নপৰে। ভূবি শাসনতো লিপিৰ ৰূপ একেটাই কিন্তু নিধনপুৰ লিপিত আখৰটোৰ গভীৰতা বেছি। তদুপৰি দণ্ডৰ শিৰদেশত এডাল ক্ষুদ্ৰতম ৰেখাৰ অৱস্থিতি লক্ষ্য কৰা যায় (ভৱন্তাজ, ৪।২।২)। হৰ্জৰবৰ্মাৰ শাসনত শিৰোৰেখা লোপ পায় আৰু ভূমিত বাওঁফালে এডাল হাঁকোটাই আত্মপ্ৰকাশ কৰেছি (কুমাৰো ২।১।৬)। বনমালবৰ্মাৰ শাসনত আখৰটোত দেৱ নাগৰী প্ৰভাৱ স্পষ্ট

৩২৪ Buhler G—*IP*, P 46

(নবক—প° ১।১।৪) এই প্ৰভাৱ ইন্দ্ৰপালদেৱৰ শাসনলৈ বৰ্তি থাকে যদিও উক্ত নৃপতিজনৰ শাসনত 'ৰ' ৰ শৈলী দুটা—প্ৰথমটো দেব নাগৰীৰ ৰূপাংশ মিশ্ৰিত আৰু আনটো ৰ ৰ লেখীয়া। দ্বিতীয় ৰূপটো ত্ৰয়োদশ চতুৰ্দশ শতাব্দীলৈ চলি থাকে। কানাইবৰশী বোৱা শিলালিপি অথবা চৰ্যাপদত ত্ৰিকোণৰ মধ্যৱৰ্তী কাড়ডাল স্পষ্ট হোৱা নাই। চতুৰ্দশ শতাব্দীৰ লিপিমালাৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। 'কৃষ্ণকীৰ্তন'ত মধ্যৱৰ্তী কাড়ডাল বেচ স্পষ্ট। যোড়শ শতাব্দীত পেট কটা ৰ বহুলভাৱে ব্যৱহাৰ হৈছে। সপ্তদশ শতাব্দীৰপৰা আখৰটোৰ ৰূপ দুটা দেখা যায়—প্ৰথমটো নিৰলংকাৰ ত্ৰিকোণী পেটকটা আৰু দ্বিতীয়টো পুচ্ছযুক্ত ৰ। ৰ আখৰৰ সৈতে যি ব্যঞ্জন যুক্ত হয়, সি দ্বিত্ব হোৱাটোৱে সাধাৰণ নিয়ম। এই আখৰৰ সৈতে ক, গ, ম, জ, ট, ত, থ, দ, ধ, ন, প, ম প্ৰভৃতি ব্যঞ্জন যোগ হয়।

ল—অশোকলিপিত ল আখৰটো বুজাবলৈ এডাল লম্বৰেখা টানি তাৰ তলত বাওঁফালে মুখ মেলা হাঁকোটা এডাল স্থাপন কৰিব লাগে (ধৰ্মলিপি, গি° ১।১)। কুশাণ কালত দণ্ডৰ উৰ্ধাংশ বাওঁফালে অৱনত হোৱাৰ উপৰি,বামাংশৰ অৰ্ধবৃত্তই অধুনা অসমীয়া ৯ সংখ্যাৰ তলৰ হাঁকোটাৰ ৰূপ ধাৰণ কৰে'(সংস্থিতা, কু°, থ, শা ২)। গুপ্তযুগত এই আখৰটোৰ বিকাশ চমকপ্ৰদ। শিৰোৰেখাৰপৰা অৱনত উলম্বৰেখাই হঠাতে বাওঁফাললৈ গতি কৰি তললৈ ঘোৰ খাই শেষত ভূমি স্পৰ্শ কৰেগৈ (কুলজ, এলা ,শা ৭)। খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীলৈকে আখৰটোৰ আৰু কিছুখিনি পৰিবৰ্তন দেখা দিয়ে। দণ্ডৰপৰা বাওঁহাতলৈ অগ্ৰসৰ হোৱা ৰেখাডাল হঠাতে বৈ [illegible]টোৱে ইয়াৰ পৰিবৰ্তন সূচায় (তল, বেইগ্ৰাম, শা ৯)। ভূবি শাসনত আলোচিত আখৰটোৰ কোনো বিকাশ ধৰা নপৰে (খিলং ১।১।৮); কিন্তু নিধনপুৰ লিপিত এই লিপিয়ে প্ৰায় আধুনিক ল ৰ ৰূপ লোৱাটো তাৎপৰ্যপূৰ্ণ (গোপালন ৪।২।৯)। অৱশ্যে আধুনিক অসমীয়া 'ন'ৰ ৰূপটোও এই কালত ল বুজোৱাত প্ৰয়োগ হৈছিল। নৱম শতাব্দীৰ পিছৰেপৰা এই লিপিয়ে এহাতে নাগৰী লিপিৰ সৈতে আৰু আন হাতে কুটিলশৈলীৰে মিলি জুলি পৰাটো উল্লেখযোগ্য। চৰ্যাপদৰ ল ৰ ৰূপটো 'ন'ৰ দৰে। চতুৰ্দশ শতাব্দীৰ লিপিমালাৰ ল আধুনিক গঢ়ৰ। অষ্টাদশ শতাব্দীৰেপৰা আখৰটোৰ ৰূপ দুটা—এটা সাধাৰণ ল আৰু আনটো পুচ্ছ যুক্ত।

ৱ—এটি ক্ষুদ্ৰ বৃত্তৰ ওপৰত এডাল উলম্বৰেখাৰ সংস্থাপনেই অশোক লিপিৰ ৱ (কতৰো, গি° ১।৫)। গুপ্ত যুগত বৃত্তই ত্ৰিভুজৰ ৰূপ লয় আৰু উৰ্ধকোণৰ ওপৰতো সংস্থাপিত হয়—এডাল ক্ষুদ্ৰ শিৰোৰেখাৰ (তাৱ, এলা°, শা° ৭)। চতুৰ্থ শতাব্দীত ত্ৰিভুজৰ সোঁ বাহুটো উলম্ব ৰেখাৰে বুটি ৰাগৰ সলায় (পূৰ্বেন—না° শা° ৩)। পঞ্চম

শতাব্দীৰপৰা উত্তৰ ভাৰতৰ লিপিমালাত ৰ আৰু ৱ ৰ সলনা সলনি ব্যৱহাৰ মন কৰিবলগীয়া[৩২৫]। ভুবি লিপিৰ ৱ তকৈ (বৰ্মা ৫।২।৭) নিধনপুৰ লিপিৰ ৱ অধিক বিকশিত (দৈৱ ৪।১।৭)। হৰ্জৰবৰ্মাৰ দিনত লিপিটোৱে সম্পূৰ্ণৰূপে অসমীয়া ৰূপত মূৰ্ত্তিমান হয় যদিও বনমালবৰ্মাৰ দিনৰপৰা ত্ৰয়োদশ শতাব্দীলৈকে ইয়াৰ মাত্ৰ ৰূপ হ'ল 'ৰ'। চৰ্যাৰ আখৰটোৱে ইয়াৰ সাক্ষী। 'কৃষ্ণ-কীৰ্ত্তন'ৰ ৱ ৰ ক্ষেত্ৰতো ই প্ৰযোজ্য। অৱশ্যে ষোড়শ শতাব্দীৰপৰা ৱ ৰ তলত ক্ষুদ্ৰ ৰেখা অথবা বিন্দুৰ ব্যৱহাৰ চকুত পৰা বৈশিষ্ট্য। মধ্যযুগত ইয়াৰ ভিন্ন ৰূপবোৰ এনেধৰণৰ—ক ৱ ৰ লেখীয়া, খ° নিৰলংকাৰ ৱ, গ° বঙলা ৱ ৰ দৰে ৱ আৰু ঘ° পুচ্ছযুক্ত ৱ।

শ—ঊৰ্দ্ধমুখী কাঁড় এডালৰ ৰূপটোৱে অশোক লিপিৰ 'শ' (লাজৰিশ বৰি, কালসী, ১৩।১৭), কুষাণ যুগত কাঁড়ৰ কোণযুক্ত ৰূপটিয়ে বক্ৰতা ৰূপ পৰিগ্ৰহ কৰে আৰু দ্ৰুত লেখনৰ ফলত ই গুপ্ত যুগৰ 'গ' ৰ ৰূপ লয়। অৱশ্যে গ ৰ হাঁকোটাডাল খালী কিন্তু তালব্য শ ৰ হাঁকোটাত থাকে এডাল অনুভূমিক ৰেখা। (শশি—এলা, শা ১৫)। নগাজৰী-খনিকৰ গাঁৱৰ প্ৰস্তৰ লিপিৰ শ গুপ্তলিপিৰে অভিন্ন (ব্ৰাজিন্চে হাডি, শা° ২)। ভাস্কৰবৰ্মাৰ ভুবি লিপিৰ হাঁকোটাডালৰ মুখত থাকে ক্ষুদ্ৰ ৰেখা এডালৰ সংযুক্তি। আনহাতে নিধনপুৰ তাম্ৰলেখত ৰেখাৰ পৰিবৰ্তে গোঁজ এটি লক্ষনীয় (শশি, ভু ১।১; অংশ—নি ৪।১।১)। বনমালবৰ্মাৰ শাসনত লম্বৰেখাৰ বাওঁফালে তলে ওপৰে দুটা শূন্যগৰ্ভ বিন্দুৰ অৱস্থানে শ বুজাবকৈ লয় (শক্ৰ, প ১।১।৩)। বলৱৰ্মাদেৱৰ শাসনত [illegible]ৰ ৰূপ দুটা—প্ৰথম, বনমালবৰ্মাৰ কালৰ দৰে আৰু দ্বিতীয়, লম্বৰ বাওঁফালে গ ৰ বাওঁ অংশটিৰ সংযোজিত ৰূপ। অনুক্ৰমে আখৰটোৰ শুঁড়ডাল চুটি হৈ আহিবলৈ ধৰে আৰু ধৰ্মপালৰ শাসনত দেখা যায় শুঁড়ৰ মুখত এটি বিন্দু। কানাই বৰশীবোৱা শিলালিপিৰ শুঁড়ডাল একে ৰেখাত তিনিটা চো খেলোৱা। আনহাতে চৰ্যাপদৰ শুঁড়ডাল দেখিবলৈ পূৰণ চিহ্নৰ দৰে। চতুৰ্দশ শতাব্দীত ইয়াক দেখিবলৈ কেতিয়াবা মাত্ৰাহীন ল ৰ দৰে আৰু কেতিয়াবা ইয়াৰ ঊৰ্দ্ধাংশ গু ৰ ঊৰ্দ্ধাংশৰ লেখীয়া। এই ৰূপটো ষোড়শ সপ্তদশ শতিকালৈ বৰ্ত্তি ৰয়; অৱশ্যে সপ্তদশ শতাব্দীত আধুনিক শ ই আত্ম প্ৰকাশ নকৰা নহয়। অষ্টাদশ শতাব্দীত পূৰণ চিহ্নৰ দৰে খাঁচযুক্ত নাইবা শুৰ ঊৰ্দ্ধাংশৰ দৰে শ দেখিবলৈ পোৱা যায়। ৰাজপৃষ্ঠপোষকতাত লিখা পুথি পাঁজিত অলংকৰণৰ বাবে শ হয় সৰ্বদা পুচ্ছযুক্ত। শ ৰ তলত আৰু দীৰ্ঘ ঈ কাৰ যুক্ত কৰি শ্ৰী, ৰ যুক্ত কৰি শৃ, ল যোগ কৰি শ্ল, দণ্ডৰ সোঁফালে ঊৰ্দ্ধমুখী হাঁকোটা লগাই শ্চ প্ৰভৃতি যুক্তাক্ষৰ নিৰ্মাণ কৰা হয়।

---

৩২৫. Sircar, D.C —*Select Inscriptions*, P 27

ষ—ৰোমান লিপিৰ দণ্ডৰ সোঁমাজত সৌমুখী অনুভূমিক ৰেখা এডালৰ সংযোজনাই অশোক লিপিৰ ষ (দেৱানং পিয়া—কালসী, ১৩/৩৫)। কুশাণ যুগত দণ্ডৰ শিৰত ক্ষুদ্ৰ শিৰোৰেখাই ভুমুকি মাৰে আৰু দ্বিতীয়ডাল হাঁকোটাৰ ৰূপৰ পৰিৱৰ্তন ঘটে (যই, কু লি, খ , শা ১), ষ, স আৰু হ—এই লিপিত্ৰয়ৰ গুপ্তলিপিৰ পূৰ্বীশৈলীত ঘটা বিকাশ চমকপ্ৰদ। শিৰোৰেখা সংলগ্ন নাতিদীৰ্ঘ দণ্ড এডালৰ সংযুক্তিয়ে গুপ্তলিপিৰ 'ষ' (হৰ্ষা—এলা , শা ৯)। ভুতিবৰ্মাৰ দিনৰ লিপিত আখৰটো সাইলাখ ম ৰ দৰে (বিষয়, শা ৩)। ডুবি লিপিৰ ৰূপো ঐকেটাই। মাথো নিধনপুৰ লিপিতহে লিপিটিয়ে আধুনিক অসমীয়া ষ ৰ পূৰ্বাভাষ সূচনা কৰে। দণ্ডৰ সমুখৰ ৰেখাডালৰ শিৰত স্পষ্ট গোঁজ বৰ্তমান (যমুৰনো, ডু ২।২১ , তোৰণাগ্ৰহ, নি ৪।১১)। বনমালবৰ্মাৰ দিনত ষ ই সম্পূৰ্ণৰূপে আধুনিক ৰূপ পৰিগ্ৰহ কৰে। বলবৰ্মাৰ দিনৰ শাসনসমূহত লিপিটোৰ দণ্ডত পুচ্ছ দেখা যায়। খ্ৰীষ্টীয় দ্বাদশ শতাব্দীত ইয়াৰ বামঅংশ কৌণিক ৰূপৰ বিপৰীতে বক্ৰতাই প্ৰাধান্য পায়। চৰ্যাপদৰ ষ সম্পূৰ্ণৰূপে আধুনিক। সেই অধুনাৰূপে অষ্টাদশ শতাব্দীত পুচ্ছযুক্ত আৰু পুচ্ছহীন—এই দুই ৰূপত বিভাজিত হয়।

স—অশোক লিপিৰ প বৰ্ণৰ বিকশিত ৰূপেই অশোক ব্ৰাহ্মীৰ স। দণ্ডৰ বাওঁফালে নিম্নমুখী হাঁকোটা এডাল লগ লগাই দিয়া প্ৰয়োজন (প্ৰিয় দাসিনো, গি° ১।৪)। কুশাণ কালতেই দেৱনাগৰী স ৰ পূৰ্বভাষ এটি ভাঙি ধৰি গুপ্ত যুগত অসমীয়া 'ম'ৰ ৰূপটো লয় (সমতট—এলা , শা ২২)। নগাজৰী খনিকৰ গাওঁ প্ৰস্তৰ লিপি, উমাচল আৰু বৰগংগা লিপিত ইয়াৰ ৰূপ দেৱনাগৰী ম ৰ অনুৰূপ। ভাস্কৰবৰ্মাৰ ডুবি লিপিত স ৰ বাওঁবাহুৰ শূন্যগৰ্ভ বৃত্তটি ভগ্ন। ক্ষুদ্ৰ শিৰোৰেখা প্ৰথম দণ্ডৰ ওপৰতহে দৃশ্যমান (সৌষ্ঠৱ ১।৮)। নিধনপুৰ লিপিৰ শিৰোৰেখাত থাকে এটি গোঁজ। শূন্যগৰ্ভ বৃত্তটিয়ে সমকোণী ত্ৰিভুজৰ ৰূপ লয় যদিও কল্পিত কৰ্ণৰেখা অদৃশ্যমান (সনাতন,৪।১।৪)। নৱম খ্ৰীষ্টাব্দৰ লিপিত দেখা যায়—বাওঁঅংশৰ ফাঁচটো শৈ সোঁমুখ খোলা আয়তক্ষেত্ৰৰ ৰূপ লয়হি (সাল—হা ১।১।৩)। এইৰূপটো ধৰ্মপালৰ শাসনলৈকে অব্যাহত থাকে। কানাই বৰশীবোৱা শিলালিপিত সোমুখ খোলা বাওঁহাতৰ আয়তক্ষেত্ৰটি বিৰাজমান। চতুৰ্দশ শতাব্দীৰ স ৰ খড়্গ দুটা (সত্যনাৰায়ণ—ৰ তা, ১।৪)। পঞ্চদশ শতাব্দীৰপৰা লিপিটোৱে সম্পূৰ্ণৰূপে অধুনাৰূপ পৰিগ্ৰহ কৰে। অষ্টাদশ শতাব্দীৰেপৰা স বো তিনিটা ৰূপ দেখা যায়—পুচ্ছযুক্ত (কাইথেলী), দেৱ নাগৰী প্ৰভাৱান্বিত (বামুণীয়া) আৰু নিৰলংকাৰ স।

হ—অশোক ব্ৰাহ্মীৰ প বৰ্ণৰ হাঁকোটাডালত এডাল ক্ষুদ্ৰ অনুভূমিক ৰেখা টানিলেই সেই লিপিৰ হ আখৰটি পোৱা যায়। কুশাণ যুগত দণ্ডৰেখা ডাল অলপ ঘোৰ খায়

আৰু ভূমিৰ হাঁকোটাভালে সৰলৰেখাৰ ৰূপলৈ অগ্ৰসৰ হয়। গুপ্ত যুগত ইয়াৰ আমূল পৰিবৰ্তন ঘটে। ক্ষুদ্ৰ শিৰোৰেখাৰপৰা অৱনত দণ্ডই সোঁহাতলৈ ভাঁজ লৈ শেষাংশত ভূমিৰ বাওঁহাতলৈ ঘোৰ খাই ঈষৎ ঊৰ্ধ্বগামী হয় (হৰ্ষপ্ৰস্ত, এপ্যা ৪।১।৪)। অসমত এই লিপিৰ বিকাশ বিস্ময়কৰ। শিৰোৰেখাৰপৰা অৱনমিত দণ্ডই মাজতে বাওঁহাতে ভাঁজ এটা লৈ কিছুদূৰ অগ্ৰসৰ হৈ উমাচল আৰু বৰগংগা লিপিৰ হ বৰ্ণৰ দ্যোতনা কৰা হৈছে (গুহং—ভু, শা ৪, মহাৰাজা—ৰ, শা ১)। ভাস্কৰবৰ্মাৰ ডুবি লিপিত এই ৰূপটোৰ উপৰি আন এটি ৰূপো দেখা যায়। সেই ৰূপটো হ'ল— শিৰোৰেখাৰপৰা অৱনত দণ্ডই মাজতে এটি ভাঁজ লৈ সোঁহাতে অৱনত হৈ ভূমিত এডাল বাওঁমুখী হাঁকোটাৰ সৃষ্টি (প্ৰহাৰ, ১/৬)। নিধনপুৰ লিপিৰ ৰূপটো আকৌ বেলেগ। গোঁজযুক্ত শিৰোৰেখাৰপৰা অৱনত দণ্ডই হাঁকোটাৰ দৰে চউ তুলি আকৌ নিম্নমুখী হৈ ভূমি পায়হি। আথৰটি দেখিবলৈ বহু পৰিমাণে দেৱনাগৰী দ ৰ দৰে (হৰ্ষ, ৪।১।৪) বনমালদেৱৰ শাসত দেৱনাগৰী দ ৰ ভূমিত আন এডাল নিম্নমুখী হাঁকোটা লাগি ধৰিছে। চৰ্যপদৰ 'হ' দেৱনাগৰী 'ক' ৰ দৰে। চতুৰ্দশ শতাব্দীৰ 'হ' ৰ ৰূপ সম্পূৰ্ণৰূপে অসমীয়া। অৱশ্যে শিৰোৰেখা আৰু অৰ্ধবৃত্তটোৰ মাজত এডাল ক্ষুদ্ৰ দণ্ডৰ অৱস্থিতি নোহোৱা নহয়। এই ৰূপটোৰ উপৰি গতানুগতিক ছপা হৰফৰ হ টো ঊনবিংশ শতাব্দীলৈ চলি থাকে। পুৰণি অসমীয়া হুৰ ৰূপ দুটা—এটা ছপা হু ৰ দৰে আৰু আনটোৰ উ কাৰ ভাল লগলাগে কু জটোৰ সোঁহাতে। হু আৰু হ্ৰ বহুসময়ত দেখাত একে। হ্ম বো ৰূপ দুটা এটা হ্ম আৰু আনটো 'হ্ম'।

ওপৰৰ দীঘলীয়া আলোচনাৰপৰা এইটো স্পষ্ট ৰূপে দেখা যায় যে অসমীয়া লিপি উত্তৰ ভাৰতৰ এটা ঐতিহ্যমণ্ডিত লিপি। ইয়াৰ মূল ব্ৰাহ্মীৰপৰা বিকাশ প্ৰাপ্ত হোৱা গুপ্ত লিপিৰ পূৰ্বীশৈলী। বিভিন্ন কালত এই লিপিয়ে বহু কথিত কুটিল শৈলী আৰু পশ্চিমা শৈলীৰ প্ৰভাৱ স্বীকাৰ কৰি লৈয়ো আপোন বৈশিষ্ট্য প্ৰদৰ্শনত কোনো দিনে পিছ হোহোকা নাই। ভাষা, সাহিত্য আৰু সংস্কৃতিৰ দৰে উক্ত লিপিয়েও সৰ্বভাৰতীয় ঐক্য আৰু সংহতিত অৰিহণা যোগায়। অধুনা প্ৰচলিত অসমীয়া লিপিৰ প্ৰথম শিহৰণ খ্ৰীষ্টীয় নৱম শতাব্দীত আৰম্ভ হৈ দ্বাদশ-ত্ৰয়োদশ খ্ৰীষ্টাব্দত সম্পূৰ্ণ হয়। 'আধুনিক অসমীয়া লিপি মিচনেৰী সকলৰ অৱদান', 'এই লিপিয়ে সাঁচিপাত তুলাপতীয়া পুথিৰ আখৰৰ ৰূপ নেওচি বঙলুৱা ৰূপ পৰিগ্ৰহ কৰিছে', 'পুৰণি অসমীয়া আৰু বঙলা লিপিৰ কোনো সাদৃশ্য ধৰা নপৰে' প্ৰভৃতি মন্তব্য যে ঠেকহীন তাক দোহাৰিবৰ আৱশ্যক নাই। প্ৰকৃতপক্ষে পুৰণি কামৰূপ-প্ৰাগজ্যোতিষৰ বিস্তীৰ্ণ ভূভাগত প্ৰচলিত পুৰণি কামৰূপীয় লিপিয়ে বিকাশৰ স্বাভাৱিক গতিৰে আগবাঢ়ি মধ্যযুগত পুৰণি অসমীয়া আৰু বৰ্তমানে আধুনিক অসমীয়া লিপিৰ নামকৰণেৰে বিশ্ব লিপিৰ সুভাত্ত নিজস্ব আসন লাভ কৰিবলৈ সমৰ্থ হৈছে।

পাঁচ

সংখ্যা আৰু বিৰাম চিহ্নৰ বিকাশ

অৰণ্যচাৰী আদিম মানৱে বনপশু পোহ পাল দি নিজৰ অধীনলৈ অনাৰ পিছৰে-পৰা তেওঁলোকৰ মগজুত গণনা পদ্ধতিৰ বীজ অংকুৰিত হ'বলৈ হ'ল। পশুবোৰ বননিত চৰোৱা কালত সিবোৰক গণনা কৰাটো প্ৰায় অপৰিহাৰ্য হৈ উঠিছিল। প্ৰথম অৱস্থাত গছৰপাত কিংবা শৈলখণ্ডৰ সহায়ত সেই গণনাৰ স্মৃতি সংৰক্ষিত হৈছিল। পিছে গছৰ সকলো পাত দীৰ্ঘস্থায়ী নহয়। গৰু, ভেৰা প্ৰভৃতিৰ সংখ্যা বৃদ্ধিয়ে শৈলখণ্ডৰ অংকটোও বৰ্দ্ধিত কৰিছিল। বৰ্দ্ধিত শৈলখণ্ড সংৰক্ষণ কৰা অথবা এঠাইৰপৰা আন ঠাইলৈ নিয়াটো সৰ্বদা সহজ সাধ্য নাছিল। কোনো কোনেৰে অৱশ্যে হাতৰ আঙুলিৰ সহায়ত গণনাৰ প্ৰস্তুতি পৰ্ব ৰচনা কৰিছিল। এটা আঙুলিয়ে এক, দুটা আঙুলিয়ে দুই এনেকৈ সংখ্যাবোৰ বঢ়াই গৈছিল। এই পদ্ধতিয়ে ডিজেট বা আঙুলি। মানুহৰ দুহাতত দহোটা আঙুলি থাকে। তাৰে এটাৰ দ্বাৰা বাকীবোৰ আঙুলি গণনা কৰাত ৯ লৈ সংখ্যাৰ উদ্ভৱ হ'ল। পিছে এই প্ৰক্ৰিয়া সম্পূৰ্ণ হ'বলৈ দীৰ্ঘ দিনৰ প্ৰয়োজন হৈছিল। পোনতে পাঁচ সংখ্যালৈহে মানুহে গণিব শিকিছিল। আমেৰিকা আৰু আফ্ৰিকাৰ আদিবাসী কিছুমানে প্ৰথমৰপৰা পঞ্চম সংখ্যালৈ গণিব জনাৰ কথা নৃতত্ত্ববিদ্‌সকলে দাবি কৰিছে। পাঁচতকৈ অধিক সংখ্যা নিৰ্দেশ কৰিব লগা হ'লে তেওঁলোকে গছৰ পাতবোৰলৈ আঙুলিয়ায়। সময় আগবঢ়াৰ লগে লগে মানুহৰ চিন্তা শক্তিৰো প্ৰসাৰ ঘটিল। ৰচিত গাঁঠি দি অথবা লাঠিত খাজ কাটিও গণনাৰ প্ৰাৰম্ভিক কাৰ্য কিছুদিন চলোৱা হ'ল যদিও পিছলৈ সংখ্যাৰ স্মৃতি সংৰক্ষণ কৰিবলৈ শিলৰ গাত ৰঙা মাটি কিংবা এডাৰেৰে দাগ দিয়া পদ্ধতিৰ প্ৰচলন হ'ল। কোনো কোনো সমীক্ষকৰ মতে শৈলপৃষ্ঠৰ সেই দাগবোৰেই আছিল সংখ্যাৰ প্ৰথম চাপ। সেই দাগবোৰ মানুহৰ হাতৰ আঙুলি অথবা শৈলখণ্ডৰ সাদৃশ্যত অংকিত হৈছিল। কালক্ৰমত সংখ্যাসূচক দাগবোৰ শৈলপৃষ্ঠত কঠিন পদাৰ্থৰ সহায়ত খোদন কৰা অনুমান কষ্টকল্পিত নহয়। মাটিৰ ফলকতো আঙুলিৰ আদৰ্শত সংখ্যা প্ৰতীক উৎকীৰ্ণ কৰাটো বাণমুখ লিপিত দেখা যায়। দৃষ্টান্তস্বৰূপে, পূত খোদিত লিপিত এডাল দণ্ডৰেখাই (আঙুলিৰ প্ৰতীক ৰূপ) এক, দুডাল দণ্ডৰেখাই দুই, তিনিডাল দণ্ডৰেখাই চাৰি সংখ্যা সূচায়। সুমেৰৰ এটা নিম্নমুখী গোঁজে দুই সংখ্যাৰ জোতনা কৰে। চীনা ভাষাত এডাল অনুভূমিক ৰেখাই এক, দুডাল অনুভূমিক ৰেখাই দুই

আৰু তিনিডাল অনুভূমিক ৰেখাই তিনি সংখ্যা বুজায়। ভাৰতীয় ব্ৰাহ্মী লিপিৰ ক্ষেত্ৰতো ই প্ৰযোজ্য। আনহাতে মায়া লিপিত এটা বিন্দুৱে (বিন্দুক শৈলখণ্ডৰ প্ৰতীক কোৱা হৈছে) এক আৰু দুটা বিন্দুৱে দুইক সূচায়। ৰোমান লিপিত এডাল দণ্ডই এক, দুডাল দণ্ডই দুই আৰু তিনিডাল দণ্ডৰাৰা তিনি বুজোৱা ৰীতি আজিও প্ৰচলিত[১]।

প্ৰয়োজনৰ তাগিদাত মানুহে সংখ্যাৰ পৰিসৰ বঢ়াবলৈ বাধ্য হ'ল। অধিক সংখ্যা মনত ৰাখিবলৈ উপায় উদ্ভাৱনৰ প্ৰচেষ্টা চলিল। সেই প্ৰচেষ্টাত জয়জয়তে সাফল্য লাভ কৰে ভাৰতবাসীয়ে। শূন্যৰ আৱিষ্কাৰ সংখ্যাৰ জগতত এটি বিস্ময়। ইয়াৰ সূতিকা গৃহ হ'ল ভাৰতবৰ্ষ। প্ৰাচীন হিন্দুসকলে গণনা কৰ্মত অভূতপূৰ্ব সাফল্য লাভ কৰিছিল। বৈদিক আৰু উত্তৰ বৈদিক সাহিত্যত ইয়াৰ স্বাক্ষৰ পোৱা যায়। বেদ, বেদাংগৰ অন্তৰ্ভুক্ত 'শুল্বসূত্ৰ' আৰু 'বেদাংগ জ্যোতিষ'ত ভাৰতীয় সংখ্যাজ্ঞানৰ ভালেখিনি কথা সংৰক্ষিত হৈছে[২]। যজুৰ্বেদ সংহিতাত এক (১), দশ (১০), শত (১০০), সহস্ৰ (১,০০০), অযুত (১০,০ ০), নিযুত (১ ,০০০), প্ৰযুত (১০,০০,০০০), অৰ্বুদ (১০,০০০,০০০), ন্যৰ্বুদ (১০ ,০০০,০ ০), সমুদ্ৰ (১, ০, ০, ০০) মধ্য (১০, ০,০০,০ , ০০), অন্ত (১০ , ০ ,০ , ০) আৰু পৰাৰ্ধ (১০ ,০ ০, ০ ,০০০)-এই বৃহৎ সংখ্যাবোৰৰ উল্লিখন তাৎপৰ্যপূৰ্ণ[৩]। অথচ গ্ৰীক গণিতত মুৰিঅ'ই অথবা ১০,০০০ তকৈ অধিক সংখ্যাৰ উল্লেখ নাই। অথৰ্ব বেদৰ কালতেই ভাৰতীয় মনীষাই শূন্যৰ ধাৰণা কৰিব পাৰিছিল[৪]। তেতিয়া শূন্যৰ নাম আছিল 'তুচ্ছ'। বেবৰ প্ৰমুখ্যে এদল পণ্ডিতে পিংগল নাগক খ্ৰী পূ দ্বিতীয় শতিকাৰ ব্যক্তিৰূপে স্বীকৃত দিছে। উক্ত ছান্দসিকজনাৰ 'ছন্দ-সূত্ৰ'ৰ দুটা সূত্ৰত (৮।২৯ ৩০) 'শূন্য'ৰ নামোল্লেখ মন কৰিবলগীয়া। সুবন্ধুৰ 'বাসৱদত্তা'[৫] আৰু শ্ৰীহৰ্ষৰ 'নৈষধ চৰিত' ত[৬] শূন্যক ক্ষুদ্ৰ বিন্দুৰূপে অভিহিত কৰিছে। সংখ্যা গণনা, যোগ, বিয়োগ, পূৰণ আৰু হৰণৰ উপৰি বৰ্গমূল

---

১ সবিশেষৰ বাবে D E Smith ৰ *History of Mathematics*, Vol I & 11, পঢ়ি চাব পাৰে।

২ অধিক জানিব বিচৰাসকলে B B Dutta আৰু A N Singh-ৰ *History of Hindu Mathematics* পঢ়ক।

৩. তৈত্তিৰীয় সংহিতা, ৪।৪০ ১১ ৪

৪ *IHQ*, III, 1927, P 375

৫ Hali's ed, P, 181

৬. ১ ২১

নিৰ্ণয়ৰ ধাৰণাও বৈদিক যুগৰে। উত্তৰ বৈদিক যুগত ইয়াৰ সম্প্ৰসাৰণ ঘটে। ৪৭৬ খ্ৰীষ্টাব্দত জন্মগ্ৰহণ কৰা বিজ্ঞানী আৰ্যভট্টৰ 'আৰ্যভটীয়'ত জ্যোতিৰ্বিদ্যা, পদাৰ্থ বিদ্যা আৰু সংখ্যা শাস্ত্ৰৰ ত্ৰিবেণী সংগম সাধিত হৈছে। সংখ্যা প্ৰকাশৰ ক্ষেত্ৰত তেওঁ এটি অভিনৱ পদ্ধতিৰ প্ৰৱৰ্তন কৰিছিল। ১ ৰপৰা ২৫লৈ সংখ্যাবোধক তেওঁ ক ৰপৰা ম লৈকে পঁচিশটা ব্যঞ্জনৰ সহায়ত ব্যক্ত কৰি য, ৰ, ল, ৱ, শ, ষ, স আৰু হ ক যথাক্ৰমে ৩০, ৪০, ৫০, ৬০, ৭০, ৮০, ৯০ আৰু ১০০ ৰ প্ৰতীকৰূপে সাব্যস্ত কৰিছিল। অ প্ৰতিটো ব্যঞ্জনত যুক্ত হোৱা গুণে তাৰ মান ১। ই ৰ মান ১০০, উ ৰ মান ১০,০০০, আৰু ঋ ৰ মান ১০০,০০০০। এই দৰে ঌ, এ, ঐ, ও আৰু ঔ ৰ মান ১০০ গুণকৈ বৰ্ধিত কৰি এক সুবৃহৎ সংখ্যা নিৰ্দেশ কৰাৰ পদ্ধতি বহুতৰ বাবে বিস্ময়। আৰ্যভট্টই আৰবী ভাষাত 'অৰ্জভৰ' আৰু গ্ৰীকত 'অৰ্দ্ধবেৰিয়চ'লৈ মোট সলাইছে।

আনুমানিক ৫৯৮ খ্ৰীষ্টাব্দত জন্মগ্ৰহণ কৰা গণিতজ্ঞ ব্ৰহ্মগুপ্তৰ 'ব্ৰহ্মস্ফুট সিদ্ধান্ত'ত শূন্যক গাণিতিক মৰ্যদা দিয়াটো তাৎপৰ্যপূৰ্ণ। সম্ৰাট হাৰুণ অল ৰচিদে ইং ৭৭১ ত 'সিন্দ হিন্দ' নামেৰে উপৰ্যুক্ত গ্ৰন্থৰ আৰবী সংস্কৰণ প্ৰকাশ কৰিছিল। ভাৰতীয় গণনা শাস্ত্ৰক গৌৰৱৰ তুৰীয় স্তৰলৈ উত্তৰণ কৰা আন আন আচাৰ্যসকলৰ ভিতৰত ৱৰাহমিহিৰ, মহাবীৰ, শ্ৰীধৰ, ভাস্কৰাচাৰ্য, মুঞ্জাল, দ্বিতীয় আৰ্যভট্ট, পৃথুদক, শ্ৰীপতি, শতানন্দ প্ৰভৃতিৰ নাম একে উশাহে ল'ব পাৰি। ভাৰতবৰ্ষৰপৰা গণনা আৰু সংখ্যা লিখা পদ্ধতিটো গৈ আৰব পায়গৈ। আৰবীয় পণ্ডিতসকলে প্ৰায়বোৰ ভাৰতীয় গণিত শাস্ত্ৰৰে আৰবী অনুবাদ কৰাটো মন কৰিবলগীয়া। চি ই বেলে (C E Bayley) লিখিছে—"It was not apparently till 773 A D, that the Arabs became acquainted with the Indian ciphers and with the Indian method of notation and arithmetic They obtained this knowledge from a book presented by the envoy of an Indian monarch to the Khalif Al Mansur Probably the Indian monarch was one of the Hindu kings of Kabul Atleast the modern Arabic numerals seem to be derived from the peculiar form of those then employed in that part of India At that date the complete Indian system (employing the zero) was used, it was with this that the Arabs first came in contact. This seems clear from the excessive eulogiums lavished by them upon the new system of numeration and calculation, as being infinitely

superior to the Greek system "[৭] আৰবৰপৰা অংকৰ গণনা পদ্ধতিটো গৈ আফ্ৰিকা, ইউৰোপ আৰু এচিয়াৰ বিস্তীৰ্ণ ভূভাগত বিয়পি পৰেগৈ[৮]। ভাৰতীয় সংখ্যা প্ৰতীকৰ উৎপত্তি আৰু বিকাশৰ ধাৰা শেষতৈ এৰি সন্থহতে আফ্ৰিকা, ইউৰোপ আৰু মধ্যপ্ৰাচ্যৰ বিভিন্ন পুৰালিপিত সংখ্যা প্ৰতীকসমূহৰ বিকাশৰ এটি আভাস দিয়া হ'ল[৯]।

সুমেৰ, বেবিলন, আসিৰীয়া প্ৰভৃতি দেশত বাণমুখ লিপিৰে সংখ্যাৰ প্ৰতীকসমূহ লিখিবলৈ লৈছিল। খ্ৰীষ্টজন্মৰ তিনিহাজাৰ বছৰৰ পূৰ্বৰেপৰা তাৰ অধিবাসীসকলে সংখ্যাসমূহ প্ৰতীকৰ সহায়ত লিখা পোৱা গৈছে। সাধাৰণতে নিম্নমুখী এটা গোঁজে ১, দুটাই ২, তিনিটাই ৩, নিম্নমুখী তিনিটা গোঁজৰ তলত বামমুখী এটা গোঁজে ৪, ওপৰত তিনিটা আৰু তাৰ তলত থকা দুটা গোঁজে ৫, দুশাৰীত তিনিটাকৈ নিম্নমুখী গোঁজে ৬, দুশাৰীত তিনিটা তিনিটা গোঁজৰ সোঁহাতে এটা নিম্নমুখী গোঁজ, দুটা নিম্ন মুখী গোঁজ আৰু তিনিটা নিম্নমুখী গোঁজে যথাক্ৰমে ৭, ৮ আৰু ৯ সংখ্যা সূচায়। এটা নিম্নমুখী গোঁজৰ সোঁহাতে বামমুখী গোঁজ এটা সংস্থাপন কৰিলে সি বুজাব ১০। এটা নিম্নমুখী গোঁজৰ সোঁহাতে আন এটা স্থাপন কৰিলে তাৰ মান হ'ব ১০০। ভাৰতবৰ্ষত যিদৰে দশমিক পদ্ধতি গঢ় লৈ উঠিছিল, ঠিক তেনেকৈ বেবিলনত গঢ লৈছিল ষষ্ঠিক পদ্ধতি (Sexagesimal system)। আনুমানিক খ্ৰী পূ ২০০ ৰপৰা সেই দেশত এই পদ্ধতি প্ৰচলিত হৈ আহিছে।

প্ৰাচীন মিছৰত প্ৰথম ৰাজবংশৰ আমোলত লিখা পেপাইৰাছত (খ্ৰী পূ ৩৪০০ অব্দ) সংখ্যা প্ৰতীক পোৱা গৈছে। 'পুত খোদিত লিপি'য়ে কালক্ৰমত 'পৱিত্ৰ' আৰু 'গণ' লিপিলৈ ৰূপান্তৰিত হয়[১০]। গতিকে পিছৰ দুবিধ লিপিত পূৰ্ববৰ্তী লিপিৰ চেহেৰা কিছু পৰিৱৰ্তন হোৱাটো স্বাভাবিক। সাধাৰণতে পুত খোদিত লিপিত এডাল দণ্ডৰেখাৰে ১, দুডালেৰে ২, তিনিডালেৰে ৩, চাৰিডালেৰে ৪, ওপৰত তিনি-

---

৭ Bayley, C E—On the Genealogy of Modern Numerals in *JRAS*, Vol XIV-XV

৮ সবিশেষৰ বাবে *IHQ*, Vol III ত প্ৰকাশিত সুকুমাৰ ৰঞ্জন দাসৰ The Origin and Development of Numerals (PP 356-375) পঢ়ক।

৯ বিদেশী সংখ্যা প্ৰতীকৰ আলোচনা খিনি *Encyclopaedia Britannica* (Vol. XVI. PP 610-14), বঙলা 'বিশ্বকোষ' (প্ৰথমখণ্ড 'অংক' নিবন্ধ) আৰু হিন্দী 'বিশ্বকোষ' (দ্বিতীয় খণ্ড) ৰ আধাৰত যুগুতোৱা।

১০ বৰ্তমান গ্ৰন্থৰ ১২-১৬ পৃষ্ঠা চাওক।

ডাল আৰু তাৰ তলত দুডাল দণ্ডেৰে ৫, দুশাৰীত তিনিডালকৈ দণ্ডৰেখাৰে ৬, চাৰি ডাল দণ্ডৰ তলৰ সংস্থাপিত তিনিডাল দণ্ডই ৭, চাৰিডালকৈ কা দুশাৰীৰ আঠডাল দণ্ডই ৮, তিনি শাৰীত তিনিডালকৈ অকা দণ্ডৰেখাই ৯, আৰু ওভোটাকৈ থোৱা U টোৱে ১০ সংখ্যা সূচায়। পবিত্ৰ লিপিত চাৰি সংখ্যা বুজাবলৈ অকা চতুৰ্থ সংখ্যক ৰেখাডাল আন তিনিডালতকৈ অপেক্ষাকৃতভাৱে দীঘল। পাঁচ সংখ্যা বুজাবলৈ চৰ্যাপদৰ 'শ' ৰ দৰে প্ৰতীক ব্যৱহাৰ হৈছিল। ৭, ৮ আৰু ৯ ৰ প্ৰতীকে জটিল ৰূপ লৈছিল আৰু ১০ ৰ ৰূপ আছিল ওভোটা V পণ্ডিতসকলৰ মতে, পবিত্ৰ লিপিত লিখা ৫, ৭, ৮ আৰু ৯ সংখ্যাৰ প্ৰতীকত ভাৰতীয় সংখ্যা প্ৰতীকৰ প্ৰভাৱ অস্বীকাৰ কৰা টান। পুতথোদিত লিপিত অংকিত এডাল দণ্ডৰ সোঁহাতে সংস্থাপিত এটা ও ভোটা U য়ে ১১, ওভোটা U ৰ বাওঁকালে সংস্থাপিত দুডাল দণ্ডই ১২, দুটা ওভোটা Uয়ে কুৰি, ওপৰত দুটা, তলত দুটা, মুঠ চাৰিটা ওভোটা U য়ে ৪০, আৰু ওপৰত চাৰিটা, তলত তিনিটা, মুঠ সাতোটা ওভোটা U-য়ে ৭ সংখ্যা বুজায়। এই লিপিত বাওঁহাতলৈ মুখ কৰা এটা উৰ্ধকমাই ১০০ আৰু দুটা উৰ্ধকমাই ২০০ সূচায়।

একাধিক পদ্ধতিত পুৰণি গ্ৰীচবাসীয়ে সংখ্যা প্ৰতীক ব্যৱহাৰ কৰিছিল। একৰপৰা চাৰিলৈ চাৰিডাল লম্বৰেখাৰ দ্বাৰা বুজোৱা হৈছিল। ছয় দ্যোতিত হৈছিল—তিনিডাল আৰু তিনিডাল ৰেখাৰ সংস্থাপনেৰে-এয়া এটা পদ্ধতি। আনটো পদ্ধতিত আছে—সংখ্যাটোত ব্যৱহৃত ধ্বনিগুচ্ছৰ প্ৰথম ধ্বনিৰ বৰ্ণেৰে সংখ্যা সূচনা কৰাটো। দৃষ্টান্ত স্বৰূপে, দুডাল দণ্ডৰেখাৰ গ্ৰীক বৰ্ণটো হ'ল পাই। পাঁচক কোৱা হয় পেণ্টে। গতিকে পাইৰ চিহ্নেৰে ৫ দ্যোতিত হ'ল। এটা সমবাহু ত্ৰিভুজৰ আকৃতিয়ে হ'ল গ্ৰীক বৰ্ণমালাৰ ডেল্টা। দহৰ প্ৰতিশব্দ ডেকাক বুজাবলৈ ডেল্টা অথবা তাৰ বিকশিত ৰূপ বৃত্ত ব্যৱহাৰ হ'ল। H বৰ্ণৰ গ্ৰীক নাম এটা। এশৰ গ্ৰীক প্ৰতিশব্দ হেকটোন। গতিকে সেই সংখ্যাটো বুজাবলৈ ব্যৱহাৰ হ'ল H ৰ। M অক্ষৰৰ গ্ৰীক নাম মু। দহ হাজাৰক কোৱা হয় মুৰিঅ'ই। গতিকে সেই সংখ্যাটো আত্যাক্ষৰ M ৰে বুজাবলৈ ল'লে। বহু সময়ত ইহঁতৰ সংমিশ্ৰিত ৰূপো ধৰা পৰে। দৃষ্টান্ত স্বৰূপে, ৫০ বুজাবলৈ ব্যৱহাৰ হ'ল পেণ্টে ডেকাৰ সংযুক্ত ৰূপ (৫×১০)। আথৰটোৰ ৰূপ—ঠিক লাইট পোষ্ট এটাত ওলমি থকা এটি ত্ৰিভুজ। ৫০০ বুজাবলৈ পেণ্টে হেকটোনৰ সংযুক্ত ৰূপ ব্যৱহাৰ হৈছিল। প্ৰতীক চিহ্নটো দেখাত—লাইট পোষ্ট এটাত ওলমি থকা H গ্ৰীচত এই পদ্ধতিটো খ্ৰী পূ তৃতীয় শতাব্দীত প্ৰচলিত আছিল। দ্বিতীয় খ্ৰীষ্টাব্দৰ বৈয়াকৰণ হেৰোডিয়ানাচে (Herodianus) ইয়াক লিপিবদ্ধ কৰাৰ পিছৰেপৰা সি

হোৰোডিনিক সংখ্যাৰূপে পৰিচিত হয়। খ্ৰী পূ তৃতীয় শতাব্দীৰপৰা খ্ৰীচত আন এটি সংখ্যাসূচক পদ্ধতিৰ উদ্ভৱ হয়। এই নতুন পদ্ধতিটোত একৰপৰা ন লৈকে বুজাবলৈ আলফাৰপৰা থেতালৈ এই আঠটা আখৰ (৬ সংখ্যাটো বুজাবলৈ F আখৰৰ দৰে ফিনিচীয় ভাউ অক্ষৰটো ব্যৱহাৰ হৈছিল), ১০ ৰ পৰা ৮০ বুজাবলৈ গ্ৰীক বৰ্ণমালাৰ আইওটাৰপৰা পাইলৈ আৰু ৯ বুজাবলৈ ইংৰাজী Q লিপিৰ দৰে ফিনীচীয় কোফ্ আৰু এশৰপৰা ৮০০ বুজাবলৈ গ্ৰীক বৰ্ণমালাৰ ৰো ৰপৰা ওমেগালৈ আঠোটা বৰ্ণ ব্যৱহাৰ কৰাৰ লগতে ৯০ বুজাবলৈ ফিনিচীয় Samphi বৰ্ণৰ প্ৰতীকটো ব্যৱহাৰ কৰিছিল। গ্ৰীক সংখ্যা সূচক প্ৰতীকে ইউৰোপৰ আন আন লিপিকো প্ৰভাৱান্বিত কৰিবলৈ সমৰ্থ হয়।

খ্ৰীষ্ট জন্মৰ দুশ বছৰ পূৰ্বলৈকে হিব্ৰুসকলেও বৰ্ণৰ দ্বাৰা সংখ্যা সূচনা কৰিছিল। দৃষ্টান্ত স্বৰূপে, আলেফ্, বেথ, গিমেল্, ডলেথ, হে, ভাউ (ৱাৱ), জাইন, চেইথ আৰু থেথ্—এই নটা বৰ্ণই সহায়ত একৰ পৰা ৯ সংখ্যা বুজাইছিল। ইয়াৰ পৰৱৰ্তী ন'টা বৰ্ণৰ দ্বাৰা অৰ্থাৎ য়োদ্, কফ, লমেদ্, মেম্, নান্, সামেচ, এইন্, ফে আৰু ৎ সদে—এই বৰ্ণমালাৰে ১, ২০, ৩, ৪০, ৫০, ৬০, ৭, ৮০ আৰু ৯০ বুজাই কোফ, ৰেছ্, খিন্ আৰু তৱ্ ৰ দ্বাৰা যথাক্ৰমে ১০০, ২০০, ৩০০ আৰু ৪০০ সংখ্যা সূচাইছিল। ইংৰাজী ডাঙৰ হাতৰ L টো ওপৰ মূৰ কৰি বাওঁফালে ঘূৰাই দিলে যিটো ৰূপ হ'ব, তাৰ দ্বাৰা ৫০০, চতুৰ্ভুজ এটাৰে ৬০০, ইংৰাজী সৰু হাতৰ I ৰ দ্বাৰা ৭ ০, ব্ৰাহ্মী গ ৰ দ্বাৰা ৮০০ আৰু ব্ৰাহ্মী গ টো সোঁফালে ঘূৰাই দিলে যিটো ৰূপ হ'ব তাৰ দ্বাৰা তেওঁলোকে ৯ ০ সংখ্যা দ্যোতনা কৰিছিল।

লম্বৰেখাৰে সংখ্যা বুজোৱা পদ্ধতিটো খ্ৰীষ্ট জন্মৰ প্ৰায় দু হাজাৰ বছৰ পূৰ্বৰেপৰা ৰোমানবাসীৰ মাজত প্ৰচলিত আছিল। তেওঁলোকে এডাল লম্বৰ দ্বাৰা ১, দুডাল লম্বৰ দ্বাৰা ২, তিনিডাল লম্বৰ দ্বাৰা ৩, চাৰিডাল লম্বৰেখাৰে ৪ বুজাইছিল। ৫ বুজাবলৈ ব্যৱহাৰ কৰা V ৰ দৰে প্ৰতীকটো মিছৰৰ পূত খোদিত লিপিৰপৰা আহৰণ কৰা। এই V ৰ সোঁফালে লম্বৰেখা এডাল দুডাল আৰু তিনিডাল অংকন কৰিলে সি যথাক্ৰমে ৬, ৭ আৰু ৮ সংখ্যা সূচাইছিল। পিছলৈ V ৰ বাওঁফালে এডাল লম্বৰেখা অংকনেৰে ৪ বুজোৱা হ'ল। V-প্ৰতীকটো তলে ওপৰে সংস্থাপন কৰিলে সি দেখাত ইংৰাজী x ৰ ৰূপ লয়। ৰোমানবাসীয়ে তাক ১০ ৰ প্ৰতীকৰূপে ব্যৱহাৰ কৰিবলৈ ল'লে। x ৰ বাওঁফালে লম্বৰেখা এডাল টানিলে সি ৯ বুজায়। এই x প্ৰতীকটোৱে কালক্ৰমত L ৰ ৰূপ লয় আৰু তাৰ দ্বাৰা তেওঁলোকে ৫০ সংখ্যাটো দ্যোতিত কৰিছিল। বৃত্তাকাৰ থেতা বৰ্ণ কালক্ৰমত C ৰূপত মূৰ্তিমান হৈ সি

কেণ্ডুম বা ১০০ ৰ প্ৰতীকৰূপে থিৰ দিলে। গ্ৰীক বৰ্ণমালাত ব্যৱহৃত ফাই এটা কালত M লৈ ৰূপান্তৰিত হৈ গিলে অৰ্থাৎ ১০০০ ৰ প্ৰতীক হয়গৈ। অৱশ্যে ৰোমান সকলে হাজাৰ বুজাবলৈ ইংৰাজী ডাঙৰ হাতৰ I কো ব্যৱহাৰ কৰিছিল। I ক চন্দ্ৰবন্ধনী এটাৰে আবদ্ধ কৰিলে ১,০০০ (I), দুটা চন্দ্ৰবন্ধনীৰে ((I)) আবদ্ধ কৰিলে ১০,০০০ আৰু তিনিটা চন্দ্ৰবন্ধনীৰে আবদ্ধ কৰিলে (((I))) একলাখ বুজাইছিল।

চীনাসকলে অনুভূমিক ৰেখা, লম্ব আৰু বিন্দুৰ সংমিশ্ৰণত সংখ্যা সূচায়। এডাল, দুডাল আৰু তিনিডাল অনুভূমিক কিংবা দণ্ডৰেখা হ'ল ১, ২ আৰু ৩ ৰ প্ৰতীক। × চিহ্নৰ দ্বাৰা ৪ বুজায়। যোগ চিহ্ন হ'ল ১০ ৰ প্ৰতীক। অনুভূমিক ৰেখাৰ ওপৰৰ সোঁমাজত এটা বিন্দু দিলে ৬, চুটি দীঘল দুডাল অনুভূমিক ৰেখাৰ ওপৰত এটা বিন্দুৰ সংস্থাপনে ৭, বিন্দু, চুটি অনুভূমিক ৰেখা, হ্ৰস্বতম অনুভূমিক ৰেখা আৰু তৃতীয় লম্বা অনুভূমিক ৰেখাৰ মিশ্ৰণত ৮ সংখ্যা সূচোৱা চীনালিপিৰ বৈশিষ্ট্য।

মায়া সভ্যতাত বিন্দুৰ সহায়ত সংখ্যা সূচোৱাৰ কথা ইতিমধ্যে উল্লিখিত হৈছে। অৱশ্যে বিন্দুৰ লগতে অনুভূমিক ৰেখাৰো ব্যৱহাৰ নোহোৱা নহয়। দৃষ্টান্ত স্বৰূপে, এটা শূন্যৰে ১, ২ টা শূন্যৰে ২, তিনিটা শূন্যৰে ৩, চাৰিটা শূন্যৰে ৪, এডাল অনুভূমিক ৰেখাৰে ৫, অনুভূমিক ৰেখাৰ ওপৰত এটা বিন্দুৰে ৬, দুটা বিন্দুৰে ৭, তিনিটা বিন্দুৰে ৮, চাৰিটা বিন্দুৰে ৯ আৰু দুডাল সমান্তৰাল অনুভূমিক ৰেখাৰে ১০ সংখ্যা বুজোৱা হৈছিল।

ভাৰতবৰ্ষত বিভিন্ন পদ্ধতিৰে সংখ্যা বুজোৱা পদ্ধতি দীৰ্ঘদিন জুৰি প্ৰচলিত হৈ আহিছে। তাৰে এটা পদ্ধতিক 'সংখ্যা সংকেত' পদ্ধতি বুলিব পাৰি[১১]। এই পদ্ধতিত সংখ্যাবোৰ নিৰ্দিষ্ট প্ৰতীকৰ সহায়ত প্ৰকাশ কৰাৰ বিপৰীতে কিছুমান শব্দৰ সহায়ত সেই সংখ্যাবোৰ সূচিত হয়। এই পদ্ধতিৰ নিদৰ্শনসমূহ বিভিন্ন পুৰণি গ্ৰন্থৰ উপৰি অভিলেখমালাত সংৰক্ষিত হৈছে। ড° ৰাজবলী পাণ্ডেই জয়জয়তে এই পদ্ধতিটো জ্যোতিষ শাস্ত্ৰত ব্যৱহাৰ হোৱা বুলি অভিমত আগবঢ়াইছে[১২]। ড° দীনেশচন্দ্ৰ সৰকাৰে উক্ত পদ্ধতিটোৰ উদ্ভৱৰ সন্দৰ্ভত বিশদভাৱে আলোচনা কৰি কয় যে[১৩] প্ৰাচীন জ্যোতিষ, অংকশাস্ত্ৰ প্ৰভৃতি অনেক গ্ৰন্থ পদ্যত ৰচনা কৰা হৈছিল।

---

১১ ইয়াক ইংৰাজীত Chronogram কোৱা হয়। 'সংখ্যা সংকেত' পৰিভাষাটো জয় জয়তে নিৰ্মাণ কৰে ড° মুকুন্দ মাধৱ শৰ্মাই (ইং ১৯৭০ চনৰ জানুৱাৰী সংখ্যা 'অসমীয়া'ত প্ৰকাশিত ড° শৰ্মাৰ 'শাকে ভুবগ-যুঁৱেশে' চাওক)।

১২ Pandey, R.—*Indian Palaeography*, P 217

১৩. Sircar, D. C.—*Indian Epigraphy*, PP 228-9

সিবোৰত একোটা সংখ্যাকে বাৰে বাৰে ব্যৱহাৰ কৰিব লগাত পৰিছিল। পিছে এটা শব্দকে বাৰে বাৰে ব্যৱহাৰ কৰিলে বাক্যৰ সৌন্দর্য হ্রাস পায় আৰু সকলো শব্দই সকলো ছন্দৰ লৈতে সমানে খাপ খাই নপৰা গুণে বেলেগ বেলেগ শব্দৰ প্রয়োগেৰে ছন্দ আৰু বাক্যৰ নিটোল ৰূপ প্রদানৰ প্রযত্ন চলিছিল। এনে প্রযত্নৰ ফলশ্রুতিৰূপে সংখ্যা সংকেতৰ উদ্ভৱ হয়। দৃষ্টান্ত স্বৰূপে, বৰাহমিহিৰে ৰচনা কৰা 'পঞ্চসিদ্ধান্তিকা' শীৰ্ষক গ্ৰন্থত ৪২৭ শকৰ উল্লেখ কৰিবলৈ গৈ লিখিছে—'সপ্তাশ্বি বেদ সংখ্যা শককালম্'। ইয়াৰে অশ্বি=৭, অশ্বিনীকুমাৰদ্বয়=২, বেদ=৪। এনে পদ্ধতিত শব্দটো সদায় সোঁফালৰপৰা বাওঁফাললৈ পঢ়িব লাগে—'অংকানাং বামতো গতি।' তেতিয়া শকটো হ'ব ৪২৭। এইখিনিতে এটি প্ৰশ্নৰ উদয় স্বাভাৱিক। বৰাহমিহিৰে এই সংখ্যা সংকেতৰ পদ্ধতিটো কেনেকৈ উদ্ভাৱন কৰিলে? ড মুকুন্দমাধৱ শৰ্মাই দৃঢ়ভাৱে ঘোষণা কৰিছে যে জ্যোতিষ পণ্ডিতজনাই পিংগল বা পিংগলনাগৰ 'ছন্দ সূত্ৰ'ৰপৰা এই পদ্ধতিটো আহৰণ কৰিছিল[১৪]। পিংগলৰ গ্ৰন্থৰ প্ৰথম অধ্যায়ৰে 'পঞ্চদান' সূত্ৰত কোৱা হৈছে—'অষ্টোৱসৱ ইতি' (১/১৫)। ইয়াৰে বসু শব্দই আঠ সংখ্যাটো নিৰ্দেশ কৰা বুলি টীকাকাৰ হলায়ুধে স্পষ্ট ভাৱে উল্লেখ কৰি গৈছে। গতিকে এই পদ্ধতিটোৰ উদ্ধাৱকৰ্তা হ'ল পিংগল। তেওঁৰ পিছৰ বহুতোৰ ছান্দসিক, গণিতিক আৰু জ্যোতিৰ্বিদে এই পদ্ধতিৰ সম্প্ৰসাৰণ ঘটায়। ভাৰত, নেপাল আৰু কম্বোজৰ আগণন শিলালেখ আৰু তাম্ৰফলকত সংখ্যা সংকেত পদ্ধতিৰ প্ৰয়োগ চকুত লগা। অসমৰ 'কানাই বৰশী বোৱা তুৰঙ্গ ক্ষয়ৰ শিলৰ ফলি'ত এই সংখ্যা সংকেতৰ প্ৰথম প্ৰয়োগ দেখা যায়। তাত আছে—'শাকে তুৰগ যুগ্মেশে মধু মাস ত্ৰয়োদশে' তুৰগ=৭, যুগ্ম=২, ঈশ=১১ অৰ্থাৎ ১১২৭ শকৰ চ'ত মাহৰ তেৰ দিন যোৱাৰ দিনা। এই পদ্ধতিটো অসমত ইংৰাজ আগমনৰ প্ৰাৰম্ভলৈকে প্ৰচলিত আছিল। ১৭৫০ শকত লিখা সিদ্ধান্তপত্ৰ এখনিৰ অন্তত আছে—'ব্যোম বানাদ্ৰি চন্দ্ৰ শাকে' অৰ্থাৎ ব্যোম=০, বাণ=৫, আদ্ৰি=৭ আৰু চন্দ্ৰ=১ বা ১৭৫০ শক[১৫]। ড° দীনেশচন্দ্ৰ সৰকাৰে তেওঁৰ *Indian Epigraphy* গ্ৰন্থত ত আৰম্ভ কৰি ২৭ লৈ আৰু তাৰ পিছত ৩৩, ৩৪, ৪০, ৪৮, ৪৯, ১০০ আৰু ১০ ০ এই সংখ্যা কেইটাৰ যিমান ধৰণ ধৰণৰ সাংকেতিক প্ৰয়োগ আছে, তাক বহলাই বৰ্ণনা দিছে[১৬]। মধ্যযুগীয় অসমৰ শিলালেখ আৰু

---

১৪ শৰ্মা, মুকুন্দ মাধৱ—শাকে তুৰগ যুগ্মেশে (অসমীয়া, ২ ৯) পৃ ৯৬৯

১৫ ঐ, পৃ ৮৯০

১৬ Sircar D C—*Indian Epigraphy*, PP 228 33

তাৰৰ কল্পিত প্ৰয়োগ হোৱা সংখ্যা সংকেতৰ বৰ্ণনা পোৱা যায় ড° মহেশ্বৰ নেওগৰ 'প্ৰাচ্য শাসনাৱলী'ত[১৭]। কাইথেলী অংকৰ বিশাৰদ দণ্ডীৰাম দত্তৰ 'ডাকৰ বচন'ৰ উপৰি 'কৌতুক আৰু কাইথেলী অংক'[১৮] নামৰ পুথি দুখনতো অসমত প্ৰচলিত সংখ্যা সংকেতৰ কিছু নিদৰ্শন পোৱা যায়। উপৰ্যুক্ত গ্ৰন্থমালাৰপৰা কেইটামান সংখ্যা সংকেতৰ আভাস দিয়া হ'ল—

০=অম্বৰ, আকাশ, গগন, নভ, বিয়ৎ, বিন্দু, ব্যোম, শূন্য আদি।

১=অব্জ, অৰ্ক, অৱনি, ইন্দু, ইলা, ক্ষমা, ক্ষিতি, কোণি, চন্দ্ৰ, ত্ৰিনয়ন, ধৰণী, নিশাকৰ, ভূমি, মহী, যামিনীপতি, বিভু, ৰূপক, হিমজ্যোতি, কলাকৰ আদি।

২=অক্ষি, অশ্বিনীকুমাৰ, কৰ, দস্ৰ' দ্বি, পক্ষ, পাখা, ভুজ, যম, যুগ্ম আদি।

৩=অগ্নি, ঐশাক্ষি, গুণ, ত্ৰিনয়ন নয়ন, ৰাম, বহ্নি, বীতিহোত্ৰ, হুতাশন আদি।

৪=অব্ধি, চক্ৰ, ব্ৰহ্মমুখ, যুগ, বৰ্ণ, বেদ, সেনা আদি।

৫=আত্মা, ইন্দ্ৰিয়, ইষু মাৰ্গণ, বাণ, বিশিখ, শৰ আদি।

৬=আলিপাদ, ঋতু, গুণ, তৰ্ক, ৰস, ৰিত, বেদাংগ আদি।

৭=অচল, অদ্ৰি,অশ্ব, ঋষি, গিৰি, গোত্ৰ, তুৰগ, তুৰংগ, তুৰংগম, নগ, পৰ্বত, মুনি, বাৰ, বাৰিধিনিধি, সমুদ্ৰ, সিন্ধু, স্বৰ হয় আদি।

৮=গজ, দন্তাবল, নাগ, নিধি, মংগল, মুনি, বজ্ৰ, বসু আদি।

৯=গ্ৰহ, দ্বাৰ, নৰক, নিধি, মুনি, বন্ধ, বিবৰ প্ৰভৃতি।

১ =কৰ্ম, দিক, লোকপাল ইত্যাদি।

১১=ঈশ, ৰুদ্ৰ, শিৱ প্ৰভৃতি।

ভাৰতীয় সংখ্যা সূচীত দ্বিতীয়টো পদ্ধতি হ'ল—অক্ষৰৰ প্ৰয়োগ। বৰ্ণমালাৰ সহায়ত সংখ্যা বুজোৱা পদ্ধতিটো জনজয়তে যে আৰ্যভট্টই উদ্ভৱ কৰিছিল, সেই কথা ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। পিছলৈ একক বৰ্ণৰ উপৰি সংযুক্ত ব্যঞ্জনৰ সহায়তো ভিন্ন সংখ্যা সূচনা কৰা ৰীতি প্ৰচলিত হয়। ভগৱান লাল ইন্দ্ৰজীয়ে জনজয়তে মন্তব্য দিছিল যে ভাৰতীয় সংখ্যা সূচক প্ৰতীকবোৰ হ'ল—সংযুক্তাক্ষৰৰ যৌগ। ড বুহলৰ, বুৰ্নেল প্ৰভৃতি পুৰালিপিতত্ত্ববিদসকলেও ইন্দ্ৰজীৰ মতত সুৰ মিলায়। পণ্ডিত গৌৰীশংকৰ হিৰাচন্দ ওঝাই তেওঁৰ গ্ৰন্থত সংখ্যা সূচক সংযুক্ত বৰ্ণমালাৰ আহল বহল আলোচনা আগবঢ়াইছে।[১৯] সাধাৰণতে ১ বুজাবলৈ এ, শ আৰু ট; ২ বুজাবলৈ

১৭ নেওগ মহেশ্বৰ—(সম্পা) প্ৰাচ্য শাসনাৱলী, ভূমিকা, পৃ. ১৩-১৪

১৮. দত্ত, দণ্ডীনাথ—কৌতুক আৰু কাইথেলী অংক, পৃ. ২৫৩-৫৬

১৯ ওঝা—ভাৰতীয় প্ৰাচীন লিপিমালা পৃ ১৫৭

ম্বি, ম্ভি আৰু ন, ৩ বুজাবলৈ ত্র, শ্রী আৰু ম ; ৪ বুজাবলৈ ষ্ক, ষ্ক আৰু পু, ৫ বুজাবলৈ তৃ, নৃ ; ৬ বুজাবলৈ ত্র, ফ্ক ক্র ; ৭ বুজাবলৈ গ্র, গ্রা, গ্রঁ আদি, ৮ বুজাবলৈ হ্র আৰু হ্র, ৯ বুজাবলৈ ঔ, র্ভ, উং আদি ; ১০ বুজাবলৈ নৃ, ডী আদি, ২০ বুজাবলৈ থ বা থা ; ৩০ বুজাবলৈ ল বা লা ; ৪০ বুজাবলৈ ম, সা বা র্স, ৫০ বুজাবলৈ হ্ন, ৬০ বুজাবলৈ চু, বু, ৭০ বুজাবলৈ পু ; ১০০ বুজাবলৈ অ, স্থ, ২০০ বুজাবলৈ স্থ বা স্থ আ, ৩০০ বুজাবলৈ স্থ আ, ৪০০ বুজাবলৈ স্থও আৰু ১০০০ লিখিবলৈ ৰো, চু আদি বৰ্ণমালাৰ প্ৰয়োগ চকুত পৰে। অৱশ্যে পিছলৈ বৰ্ণৰ পৰিৱৰ্তে যথাৰ্থ সংখ্যাসূচক প্ৰতীকৰ প্ৰয়োগ হবলৈ ধৰে। এইখিনিতে এটি প্ৰশ্নৰ উদয় স্বাভাৱিক—অক্ষৰ অথবা শব্দদ্বাৰা সংখ্যা সূচনা কৰা ভাৰতবাসীয়ে প্ৰকৃত সংখ্যা প্ৰতীক কেনেকৈ সৃষ্টি কৰিলে? বেণ্ডেল চাহাবে ভাবে যে মিছৰৰ পৱিত্ৰ লিপিৰ সংখ্যাৰ প্ৰতীকসমূহ ধাৰ কৰি পিছত ভাৰতবাসীয়ে সিবোৰক স্বকীয়া ৰূপ দিছিল[২০]। ই চি বেলে চাহাবেও উক্ত মন্তব্য মানি লয়। অৱশ্যে তেওঁ এইটোও উল্লেখিয়াৰ বিচাৰে যে ভাৰতীয় ভালেকেইটা সংখ্যা প্ৰতীকৰ লগতে ফিনিচীয় আৰু আৰামীয় সকলৰ সংখ্যা প্ৰতীকে সাদৃশ্য প্ৰদৰ্শন কৰে[২১]। গতিকে ভাৰতীয় সংখ্যা প্ৰতীকত ফিনিচীয় আৰু আৰামীয়সকলৰ প্ৰভাৱো শূন্যৰ দৰেহে বুলিব নোৱাৰি। বুৰ্নেল[২২], বুহলৰ প্ৰভৃতিয়েও ভাৰতীয় সংখ্যাসূচক প্ৰতীকত মিছৰীয় পৱিত্ৰ লিপিৰ প্ৰভাৱ অস্বীকাৰ কৰা নাই। আনহাতে ভাৰতীয় পণ্ডিত সুধাকৰ দ্বিবেদীয়ে ক'বলৈ বিচাৰে যে ভাৰতীয় সংখ্যা প্ৰতীকসমূহ, ইয়াৰ লোকে বিভিন্ন ফুলৰ অনুকৰণত সৃষ্টি কৰিবলৈ সমৰ্থ হৈছিল। যেনে ১=কুন্দ, ২=মুকুন্দ, ৩=নীল ৪=কচ্ছপ, ৫=মগৰ, ৬=খৰ্ব (সক পদ্ম), ৭=পদ্ম, ৮=মহাপদ্ম আৰু ৯=শংখ[২৩]। পিছে দ্বিবেদীৰ সূত্ৰৰ কোনো ঐতিহাসিক ভিত্তি পাবলৈ নাইকিয়া। ভাৰতীয় লিপিৰ দৰে ইয়াৰ সংখ্যা প্ৰতীকসমূহৰো উদ্ভৱ আৰু বিকাশৰ ইতিহাস আজিও কুহেলিকা

---

২০ Brahma numeral symbols are derived from the Egyptian Hieratic figures, and that the Hindus effected their transformation—Aksara, because they were already, accustomed to express numerals by words —Quoted by Buhler in *IP*, P 101

২১ *JRAS.* N S Vol XIV, P 335

২২ Burnell—*Elements of South Indian Palaeography*, P. 59

২৩ দ্বিবেদী, সুধাকৰ—গণিত কা ইতিহাস (হিন্দী)।

যুক্ত হৈ পৰা নাই। হৰপ্পা আৰু মহেঞ্জদৰোৰ লিপিমালাৰ পূৰ্ণ পাঠোদ্ধাৰে হয়তো এদিন স্পষ্টভাৱে জনাই দিব যে ইয়াৰ সংখ্যা সূচক প্ৰতীকমালাৰ উৎসভূমি বিদেশ নহয় —স্বদেশহে[২৪]।

সম্ৰাট অশোকৰ ধৰ্মলিপিসমূহত দুই প্ৰকাৰ লিপিৰ প্ৰয়োগ হৈছে। গতিকে সংখ্যা সূচক প্ৰতীকসমূহ সেই দুয়োটা লিপিতে পোৱা যায়। খৰোষ্ঠী লিপিত একৰপৰা চাৰি লৈকেহে সংখ্যা পোৱা গৈছে আৰু সিবোৰক বুজোৱা হৈছে লম্বৰেখাৰ সহায়ত। আনহাতে ব্ৰাহ্মী লিপিত ৪, ৬, ৫০ আৰু ২০০ এই সংখ্যা কেইটাৰ ব্যৱহাৰ মন কৰিব লগীয়া[২৫]। ৪ সংখ্যা বুজাবলৈ ক অক্ষৰ[২৬] ব্যৱহাৰ হৈছে। এই সংখ্যাটো কালসীৰ ত্ৰয়োদশ সংখ্যাক শিলানুশাসনৰ সপ্তম শাৰীত পোৱা যায়। ৰূপনাথ সসাৰাম, য়েৰ্ৰগুৰী, সিদ্ধপুৰ প্ৰভৃতি স্থানত প্ৰাপ্ত লঘু শিলালেখত ৬, ৫ আৰু ২০০ সংখ্যা কেইটিৰ প্ৰয়োগ উল্লেখযোগ্য। ৬ বুজাবলৈ জ, ৫০ বুজাবলৈ থ আৰু ২০০ বুজাবলৈ স্থ সংযুক্ত বৰ্ণৰ ব্যৱহাৰ হৈছে। 'স্থ'ৰ শিৰোৰেখাডাল দণ্ডৰ সোঁহাতলৈ বঢ়াই নিদিলে সি ১০০ বুজায়[২৭]।

মথুৰাৰ ক্ষত্ৰপ আৰু কুষাণ নৃপতিসকলৰ ছত্ৰছায়াত সংখ্যাৰ সংখ্যা বৃদ্ধি পায়। এই কালছোৱাৰ শিলালেখসমূহত ১ ৯ আৰু দহকৰ ভিতৰত ১০ ৯০ লৈকে সংখ্যাৰ প্ৰয়োগ তাৎপৰ্যপূৰ্ণ[২৮]। ১, ২ আৰু তিনি সংখ্যা বুজাবলৈ এডাল অনুভূমিক ৰেখা (–), দুডাল অনুভূমিক ৰেখা (=) আৰু তিনিডাল অনুভূমিক ৰেখাৰ (≡) ব্যৱহাৰ সৰ্বত্ৰ পোৱা যায়। ৪ বুজাবলৈ ক বা কি, ৫ বুজাবলৈ এ (গুপ্তযুগত ইয়াৰ ৰূপৰ কিছু পৰিবৰ্তনে দেখা দিয়ে। ইন্দ্ৰজীয়ে তাক ত্ৰি ৰূপে সাব্যস্ত কৰিছে[২৯]), ৬ বুজাবলৈ জ, ৭ বুজাবলৈ গ বা গ্ৰ, ৮ বুজাবলৈ হ, ৯ বুজাবলৈ ও, ১০ বুজাবলৈ ম (ইন্দ্ৰজীয়ে ইয়াক ল বুলিছিল) আৰু ২০, ৮০ আৰু ৯০ সূচনা কৰিবলৈ যথাক্ৰমে অনুভূমিক ৰেখা যুক্ত

২৪ Chakravarti, S N—Development of Bengali Alphabet, in *JRAS* N S Vol IV, P 391

২৫ Upasak—*HPMB*, P 122

২৬ ওঝা—ভাৰতীয় প্ৰাচীন লিপিমালা, পৃ ১০৪

২৭ Upasak—*HPMB*, P 124

২৮ Verma, T P—*The Palaeography of Brahmi Script in North India*, PP 132-33

২৯ *IA*, Vol VI, P 46

বৃত্ত লগযুক্ত বৃত্ত আৰু বৃত্তৰ ভিতৰত পূৰণ চিহ্ন ব্যৱহাৰ হৈছিল। ৩০ বুজাবলৈ ব্রাহ্মী ল, ৪০ বুজাবলৈ প্ন (বুহলৰে কেতিয়াবা কেতিয়াবা তাক ৭০ বুলিছিল[৩০]), ৬০ বুজাবলৈ ৰোমান তাঙৰ হাতৰ V, ৭০ বুজাবলৈ ক্রুচ চিহ্নৰদৰে চিহ্ন, ১০০ বুজাবলৈ সু আৰু ২০০ বুজাবলৈ সু-ৰ প্রয়োগ দেখা যায়। নানাঘাটৰ গুহাত (পুণেৰপৰা ৭৫ মাইল আঁতৰত) প্রাপ্ত খ্রী পূ দ্বিতীয় শতকৰ এখন শিলালেখত ১ ৯, ১০ ৯০, ১০০, ২০০,(৪০০, ৭০০ আৰু ১০০০ সংখ্যাসূচক প্রতীক পোৱা গৈছে। নাসিকৰ গুহালেখতো ১ ৯, ২০, ৪০, ৭০, ১০০, ২০ , ৩০ , ৪০০, ১ , ২ ০ , ৩ ০ , ৪০০০, ৮ ০ আৰু ৭ , ০ বুজোৱা সংখ্যাৰ প্রতীক খোদিত হোৱাতো স্মৰণযোগ্য[৩১]। এইখিনিতে এটা কথা উল্লেখযোগ্য যে পুৰণি কালত দশক আৰু শতক সংখ্যাসমূহৰ সংযোজনা আজি কালিৰ দৰে নাছিল। সেই দিনত ৯৩ লিখিবলৈ ৯ +৩, ৯৫০ লিখিবলৈ ৯ ০+৯০+৫ হে ব্যৱহাৰ হৈছিল। দৃষ্টান্ত স্বৰূপে, কলবান তাম্রলেখত ১৩৪ বুজাবলৈ ১ ০+২ +১ +৪ , কণিষ্কৰ মানিকীয়ালা লেখত ১৮ সংখ্যা বুজাবলৈ ১ +৪+৪ , কুমাৰগুপ্তৰ লেখত ১২৮ বুজাবলৈ ১০০+২ +৮[৩১], আৰু ১৮৮ বুজাবলৈ ১০ +৮ +৮[৩২] লিখাৰ্লৈ আঙুলিয়ালেই যথেষ্ট হ'ব।

পুৰণি অসমৰ লিপিৰ ভিতৰত একমাত্র হর্জৰবর্মাদেৱৰ তেজপুৰ শৈল শাসনত ৫১০ এই সংখ্যা কেইটা পোৱা যায়[৩৩]। পূর্ব ভাৰতীয় সংখ্যা চিহ্নসমূহৰ বিকাশৰ ৰূপৰেখা আঁকিবলৈ এচ এন চক্রৱর্তীয়ে ধর্মপালৰ খালিমপুৰ শাসন[৩৪], দেৱপালৰ মুংগেৰ শাসন[৩৫], নাৰায়ণ পালৰ ভাগলপুৰ শাসন[৩৬], মহীপালৰ সাৰনাথ শাসন[৩৭] প্রভৃতি উপৰি সেন আমোলৰ বিজয়সেন, লক্ষ্মণসেন, (তর্পণ দীঘি তাম্রলেখ), কেশৱ সেন (এদিলপুৰ তাম্রলেখ), বিশ্বৰূপসেন আদিৰ অভিলেখৰ সাহায্য ল'ব লগাত

৩০ *EI*, Vol II, P 204

৩১ সম্বৎ ১০০+২০+৮ মহাৰাজ শ্রীকুমাৰ গুপ্তস্য ৰাজ্যে জেষ্ঠ মাস দি ১০+৮ —Fleet, *CII*, Vol III, P 46

৩২ সং ১০০+৮০+৮ পৌষ দি ২০+৪ *IHQ*, V, 53

৩৩ Sarma, M M—*IAA*, P 82-88

৩৪. Chakravarti S N—*OP Cit*, P 390

৩৫ *EI*, Vol VIII দ্রষ্টব্য।

৩৬ *Mem of Asiatic Society of Bengal.* Vol V দ্রষ্টব্য।

৩৭ *Annual Report of the Arch Survey of India*—1903-4 দ্রষ্টব্য।

পৰিছে [৩৮], কানাই বৰশীবোৱা শিলালেখত ১১২৭ সংখ্যা কেইটা লোপোৱা নহয়। চৰ্যাপদত সংখ্যা প্ৰতীক কেইটা সম্পূৰ্ণ ৰূপত আছে। তাৰে ১ আৰু ২, ৯ আৰু ১০ ৰ ৰূপ সম্পূৰ্ণৰূপে আধুনিক। ৩ আৰু ৪ ত দেৱনাগৰী প্ৰভাৱ স্পষ্ট। ৫ সংখ্যাৰ তলত বৃত্তটো অসম্পূৰ্ণ হৈ থকাত প্ৰতীকটো দেখাত ইংৰাজী ৫ ৰ দৰে। ৬ৰো তলৰ অৰ্ধবৃত্তটো সম্পূৰ্ণ হোৱা নাই। প্ৰশ্নবোধক চিনটোৰে ৭, চ যে ৮ বুজোৱাটো আন এটি মন কৰিবলগীয়া কথা। 'কৃষ্ণ কীৰ্ত্তন'ত ১, ২, ৬ আৰু ৭ ৰ ৰূপ আধুনিক অসমীয়াৰে অভিন্ন। ও ৰ দ্বাৰা ৩, ইংৰাজী সৰু হাতৰ এ টো ওলোটাই দিয়া ৰূপেৰে ৮, হেলনীয়া শিৰোৰেখা যুক্ত ৰ দ্বাৰা ৫ আৰু ৯ ৰ সোঁকালে উ কাৰ যুক্ত পুচ্ছ এডালেৰে ৯ সংখ্যাৰ দ্যোতনা মন কৰিবলগীয়া। ষোড়শ শতাব্দীৰেপৰা পুৰণি অসমত প্ৰাপ্ত শিলালেখ আৰু তাম্ৰফলিসমূহত আটাইকেইটা সংখ্যাই পৰ্যাপ্ত ৰূপত পোৱা যায়। কোচ আৰু আহোম নৃপতিমণ্ডলীৰ দ্বাৰা প্ৰদত্ত মুদ্ৰাসমূহতো সংখ্যা প্ৰতীকসমূহৰ অভাৱ নহয়। সাঁচিপাত তুলাপতীয়া পুথিসমূহত পৃষ্ঠাংক সূচক সংখ্যাসমূহৰ কথাও এই খিনিতে উল্লেখ কৰিব পাৰি। ষোড়শ শতাব্দীৰেপৰা পুৰণি অসমত প্ৰচলিত সংখ্যাৰ প্ৰতীকবোৰৰ ভিতৰত ৫ আৰু ৮ সংখ্যাৰ প্ৰতীক দুটাৰ বৈশিষ্ট্য মন কৰিবলগীয়া। ৫ টো কেতিয়াবা কেতিয়াবা শিৰোৰেখা বিহীন জ ৰ দৰে দেখি। অৱশ্যে ইয়াৰ সৰ্বাধিক প্ৰচলিত ৰূপটোত প্ৰায়ে অনুভূমিক অথবা হেলনীয়া বৰ্ধিত শিৰোৰেখা দেখা যায়। ৮ ৰ অনুভূমিক ৰেখাডাল বহু সময়ত অলংকৰণৰ বাবে ঘোৰ খোৱাকৈ লিখা চকুত পৰে।

পুৰালিপিতত্বৰ আলোচনা প্ৰসংগত বিৰাম চিহ্নসমূহৰ উৎপত্তি আৰু বিকাশৰ ধাৰাটো চালিজাৰি চোৱা প্ৰয়োজন। আজিৰ ছপাশালৰ যুগত ইংৰাজী ভাষাৰ ছত্ৰ ছায়াত যি কোনো লিপিতেই কমা (,), ঊৰ্দ্ধকমা (' ') চেমি ক'লন (;), ডেচ (—), ডট (•), ডাবল ডট ( ) প্ৰভৃতিৰ প্ৰয়োগ চলিছে যদিও বিগত অতীতত উপৰ্যুক্ত বিৰাম চিহ্নমালাই জগতৰ আটাইবোৰ লিপিতে আত্ম প্ৰকাশৰ সুযোগ পোৱা নাছিল। নিম্নোক্ত দফা কেইটাত জগতৰ আন পুৰালিপিৰ ওচৰলৈ নগৈ একমাত্ৰ ব্ৰাহ্মী আৰু অসমীয়া লিপিত কেনে ধৰণৰ বিৰাম চিহ্ন ব্যৱহাৰ হৈছিল তাৰেহে আভাস এটি দিয়া হ'ব।

পুৰণি ভাৰতীয় লিপিত বিৰাম চিহ্নৰ ব্যৱহাৰৰ বিষয়ে ক'বলৈ গৈ ড' ৰাজবলী পাণ্ডেই কয়—'Ancient Indian writers did not realise the absolute

---

৩৮ *JASB*, 1896, Pl I

necessity of punctuation or inter punctuation up to very late times and, even when the need of punctuation dawned upon their mind, they remained indifferent to its proper use'[৩৯] পুৰণি ভাৰতীয় লেখমালাত বিৰাম চিহ্নৰ যথন সুপ্ৰয়োগ নহ'লেও উক্ত চিহ্নৰ অস্তিত্ব নাইকিয়া বুলিব নোৱাৰি। বিভিন্ন ধৰণৰ বিৰাম চিহ্নমালা সাধাৰণতে একোটা শব্দ বিভাজন কৰিবলৈ[৪০], একোটা শব্দ তুপ বেলেগকৈ দেখুৱাবলৈ[৪১], ছন্দবপৰা কথা বিভাজন কৰিবৰ বাবে[৪২], একো একোটা বাক্যৰ অন্তিম স্থিতি নিৰ্দেশ কৰিবলৈ[৪৩], অৰ্ধশ্লোকৰ ৰূপ প্ৰকাশনৰ ক্ষেত্ৰত[৪৪] অথবা পূৰ্ণ শ্লোক এটিৰ পৰিপূৰ্ণতা সূচাবলৈ[৪৫] আৰু অভিলেখ এখনিৰ পৰিসমাপ্তি বুজাবলৈ[৪৫] বিভিন্ন ধৰণৰ বিৰাম চিহ্ন ব্যৱহাৰ কৰা দেখা যায়[৪৬]। এনে চিহ্নৰ ভিতৰত সবাতোকৈ অধিক ব্যৱহাৰ হোৱা বিৰাম চিহ্ন হ'ল—এডাল দুডাল[৪৭] অথবা তিনিডাল[৪৮] দণ্ড দুডাল দণ্ডৰ এডালত ওপৰৰ ফালে হাঁকোটা[৪৯], দুয়োডালৰে শিৰোস্থানত হাঁকোটা[৫০], বাওঁফালৰ দণ্ডডালৰ সোঁমাজতে বাওঁফাললৈ আগবঢ়া ক্ষুদ্ৰ অনুভূমিক ৰেখাৰ সংযোজনা[৫১], হাঁকোটা বিশিষ্ট দণ্ড এডালৰ সোঁফালে ইংৰাজী T ৰ দৰে এডাল দণ্ডৰ সংস্থাপনা[৫২], T-ৰ দৰে এডাল মাথো দণ্ডৰ স্থাপনা[৫৩], TT-ৰ সংস্থাপনা[৫৪], শিৰোৰেখা বিহীন দেৱনাগৰী গ ৰ দৰে দুডাল

৩৯ Pandey, R —*Indian Palaeography*, PP 105 6
৪০ অশোকৰ কালসী শিলানুশাসন নং ১৩, সসাৰাম শিলানুশাসন।
৪১ অশোকৰ কালসী শিলানুশাসন, নং ১২
৪২ Fleet—*CII*, Vol III, no 21
৪৩ Fleet—*CII*, no 80, PI 44
৪৪ Fleet—*CII*, Vol III, no 42, PI 28
৪৫ Fleet—*CII*, Vol III, no 17 PI 10
৪৬ Pandey, R —*Indian Palaeography*, PP 106 9
৪৭ Fleet—*CII*, no 17, PI 10
৪৮ Fleet—*CII*, Vol III, no , no 3 PI 26
৪৯ Fleet—*CII*, Vol III, no 17, PI 10
৫০ *IA*, Vol IX, P 168
৫১ *IA*, Vol XII, P 202
৫২ *EI*, Vol III, P 128
৫৩ *IA*, Vol XII, P 92
৫৪ *IA*, Vol XII, P 92

দণ্ড[৫৫] ৰ ব্যৱহাৰ সঘনাই চকুত পৰে। দুডাল দণ্ডৰ সোঁমাজত এটা তাৰকা চিহ্নৰ ব্যৱহাৰ পুৰণি কামৰূপীয় বিৰাম চিহ্নৰ এটা দৃষ্টিযোগ্য বৈশিষ্ট্য[৫৬]। অনুভূমিক এডাল[৫৭] আৰু দুডাল বক্ৰ ৰেখাৰ[৫৮] উপৰি লম্বভাৱে দুটি বিন্দু[৫৯], দুই বিন্দুৰ মাজত এডাল ক্ষুদ্ৰ ৰেখ[৬০], বিন্দু বিন্দুকৈ আঁকা এডাল ক্ষুদ্ৰ অনুভূমিক ৰেখা[৬১], ঢৌ খেলোৱাকৈ আঁকা দুডাল ৰেখা আৰু তেনেদৰে আঁকা দ্বিৰেখাৰ দুই মূৰে দুডালকৈ আঁকা লম্বৰেখাৰ সহায়ত বিৰাম চিহ্ন ব্যৱহাৰ কৰা দেখা যায়।

শিলালেখ আৰু অভিলেখমালাৰ আৰম্ভণি আৰু অন্তিমত অলংকৰণ আৰু আন আন কাৰণত কেইটামান প্ৰতীক চিহ্নৰ প্ৰয়োগ কৰাও লক্ষণীয়। আৰম্ভণিত পোৱা প্ৰতীকৰ ভিতৰত ও বা ওম্[৬২], স্বস্তিক প্ৰতীক, ত্ৰিৰত্ন, ধৰ্মচক্ৰৰ ওপৰত ত্ৰিৰত্ন[৬৩] বোধ মংগলা[৬৪], ধৰ্মচক্ৰ[৬৫], আৰু আঞ্জী[৬৬] চিহ্নৰ কথা উল্লেখ কৰিব পাৰি। অসমৰ ইন্দ্ৰপালৰ গুৱাকুছি তাম্ৰশাসনৰ অন্তিম পৃষ্ঠাত আছে—সৰ্পহস্ত গৰুড় পক্ষী, বিকশিত পদ্ম শংখ আৰু ধৰ্মচক্ৰৰ প্ৰতিকৃতি[৬৭]।

---

৫৫ অসমৰ প্ৰাক্ আহোম যুগীয় অভিলেখমালাৰ উপৰি সাঁচিপাত-তুলাপতীয়া পুথিতো এই বিৰাম চিহ্ন পোৱা যায়।

৫৬ শালস্তম্ভ আৰু পালবংশী নৃপতিমণ্ডলীৰ দ্বাৰা প্ৰদত্ত অভিলেখসমূহ চাওক।

৫৭ Fleet—*CII*, Vol III no I and III

৫৮ Fleet—*CII* Vol III, no 3, Pl 2B

৫৯ *EI*, Vol I, no. 28

৬০ সাচিপতীয়া পুথিত এনে নিদৰ্শন পোৱা যায়।

৬১ অশোকৰ ধৌলী শিলানুশাসন দ্ৰষ্টব্য।

৬২ Fleet—*CII* Vol III no II, Pl 6A

৬৩ Pandey, R—*Indian Palaeography*, P 113

৬৪ খাৰবেলৰ হাথীগুম্ফা গুহালেখ, *EI*, Vol XX, P 72

৬৫ Pandey, R—*Ibid* P 113

৬৬ আঞ্জীৰ প্ৰয়োগৰ বাবে অসমীয়া আৰু মৈথিলী ভাষাৰ পুৰালেখ আৰু হস্তলিখিত পুথি দ্ৰষ্টব্য। এই প্ৰতীকটো দেখাত ৎ নাইবা ৺-ৰ তলত ৭ চিহ্ন দিয়াৰ দৰে।

৬৭ Sarma, D—(Ed) *Kamarupa Sasanavali*, P 102

ছয়

লেখন সামগ্ৰী

মানৱ মনৰ ভাৱধাৰা আৰু মুখৰ বাণীক দীৰ্ঘস্থায়ী ৰূপত সংৰক্ষণ কৰাৰ অনিৰ্বাৰ বাসনাই ভিন্ ভিন্ লেখন সামগ্ৰীৰ আৱিষ্কাৰত এক গুৰুত্বপূৰ্ণ ভূমিকা লোৱা চকুত পৰে। কোনো এখন ঠাইত পৰ্যাপ্ত পৰিমাণে প্ৰাপ্ত কেঁচামালক লেখন সামগ্ৰীৰ অন্তৰ্ভুক্ত কৰিব পাৰি নে নোৱাৰি, তাৰ নিৰীক্ষণত আদিম মানৱে ভালেখিনি সময় খৰছ কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। অৱশ্যে উন্নত মানৱ নতুন লেখন সামগ্ৰীৰ উদ্ভাৱনে পুৰাতন সামগ্ৰীক এলাগী কৰাৰ দৃষ্টান্তও নথকা নহয়। বিভিন্ন দেশত বিভিন্ন কালত ব্যৱহৃত সামগ্ৰীসমূহৰ ভিতৰত শিল মৃন্ময় আৰু ধাতৱ সামগ্ৰী, গছ, জীৱ-জন্তুৰ ছাল, হাড়, কাঠ প্ৰভৃতিৰ নামোল্লেখ কৰিব পাৰি। তলত এই বিষয়ে আলোচনা কৰা হ'ল—

১ ক শিল ঃ—মানৱ সভ্যতাৰ প্ৰস্তুতি পৰ্বৰে পৰা শিলৰ ওপৰত বিভিন্ন উপায়ে চিত্ৰ অথবা লিপি খোদিত কৰাৰ বিৰাম বিহীন প্ৰচেষ্টা চলি অহাটো মন কৰিবলগীয়া। আগেয়ে, বাখলি অথবা ৰূপান্তৰিত শিলৰ ওপৰত লিপি খোদিত কৰাৰ পূৰ্বে তাক মিহি কৰা প্ৰয়োজন। অৱশ্যে ওখোৰা-মোখোৰা শৈল পৃষ্ঠতো লিপি খোদন কৰা দৃষ্টান্ত নথকা বুলিব নোৱাৰি। বিভিন্ন প্ৰকাৰৰ শিলত লিপি উৎকীৰ্ণ কৰা দেখা যায়[১]। যেনে—(ক) পৰ্বত-পাহাৰৰ প্ৰকাণ্ড শিল। এনে শিলৰ উপৰিভাগ কেতিয়াবা মিহি কৰা হয়—কেতিয়াবা নহয়ো। শৈল পৃষ্ঠত যেতিয়া প্ৰশস্তি লিখিব লগা হয় তেতিয়া সাধাৰণতে ডাঙৰ শিল এটাৰ উপৰি ভাগ কাটি, ঘঁহি পিহি সমান কৰি, তাৰ ওপৰত কৰি কিংবা উচ্চ পৰ্যায়ৰ বিষয়াই উৎকীৰ্ণ কৰিব লগীয়া পাঠটো চিয়াঁহি অথবা খৰি-মাটিৰে (chalk) লিখি দিয়ে। পিছত খোদকাৰে চেনীৰে আখৰবোৰ কাটি যায়। শাৰীবোৰ পোন হ'বলৈ কলমাৰি প্ৰয়োগ কৰে। সম্ৰাট অশোকৰ চৈধ্য শিলানু-শাসনসমূহ ইয়াৰ সুন্দৰ নিদৰ্শন[২]। ৰাজকীয় শিলানুশাসনসমূহৰ লেখাৰ চাৰিওফালে কিছু ঠাই নিলিখাকৈ ৰখা হয়। আখৰ উৎকীৰ্ণ কৰা কালত শিলাখণ্ড উফৰি গ'লে তাত প্লাষ্টিক জাতীয় দ্ৰব্য দি পিছত তাৰ ওপৰত পুনৰ লিখা নিয়ম। কোনো কোনো শিলানুশাসনৰ ওপৰ আৰু তলত পবিত্ৰ ধৰ্মীয় চিহ্ন খোদিত কৰা দেখা যায়। দৃষ্টান্ত

---

১ Pandey, R—*Indian Palaeography*, PP ৭১-৮০

২ Hultzsch—*Inscriptionum Indicarum*, Vol 1 দ্ৰষ্টব্য।

স্বৰূপে, ত্ৰিভাষিক শিলালেখৰ শীৰ্ষস্থানত তেওঁলোকৰ ইষ্ট দেৱতাৰ চিত্ৰ অংকন কৰাটো আঙুলিয়াব পাৰি। ভাৰতৰ গুপ্তবংশী নৃপতিসকলৰ দ্বাৰা প্ৰদত্ত শৈল শাসনসমূহত গৰুড়[৩], বাদামীৰ চালুক্য নৃপতিসকলৰ শৈললেখত বৰাহ[৪] কদম্ব নৃপতিসকলৰ শৈললেখত সিংহ, শিলঘাট কামাখ্যা আৰু কানাই বৰশীবোৱা শিলৰ ৰণজয়ৰ ফলিৰ ওপৰত খোদিত গণেশ মূৰ্তিৰ কথাও সমানেই উল্লেখযোগ্য। তোৱোৰা গুৰিৰ প্ৰকাণ্ড আগ্নেয় শিলত খোদিত 'ভওাৰী গোহাইৰ গড় নিৰ্মাণৰ শিলৰ ফলি'ত চাৰিখনি চিত্ৰৰ সংযোজন তাৎপৰ্যপূৰ্ণ। সেই চিত্ৰৰ প্ৰথম খনিত আছে—বাঘ-হাতীৰ যুদ্ধ, দ্বিতীয় খনিত বাঘটোৰ অগ্ৰসৰতা, তৃতীয় খনিত বাঘ এটাই হৰিণ এটাক পিছ-ফালৰপৰা কামুৰি ধৰাত ভীত হৰিণটোৱে উভতি চোৱা আৰু চতুৰ্থখনিত বাৰ তাল সৰলৰেখাই ছেদ কৰা এখনি আয়তক্ষেত্ৰাকাৰ নক্সা[৫]। কোনো কোনো শিলালেখৰ চতুষ্পাশে থাকে লতা মণ্ডন শিল্পৰ অলংকৰণ। নগাওঁ হাতীমূৰাৰ দুৰ্গা মন্দিৰৰ শিলালিপিখনিৰ চাৰিওফালে থকা লতা মণ্ডন কৰ্মৰ কথা এইখিনিতে স্মৰণযোগ্য[৬]।

খ **শিলাস্তম্ভ :**—বিভিন্ন দেশত লিপি খোদিত থকা কিংবা নথকা শৈললেখৰ অভাৱ নাই। ভাৰতবৰ্ষত প্ৰাপ্ত শৈলস্তম্ভৰ ভিতৰত সম্ৰাট অশোকৰ 'ধৰ্মলিপি' খোদিত সুউচ্চ শৈলস্তম্ভসমূহৰ নাম সৰ্বাগ্ৰে উল্লেখনীয়[৭]। লিপিৰ বিষয়বস্তু অনুযায়ী স্তম্ভ লিপিবোৰক ড দীনেশচন্দ্ৰ সৰকাৰে[৮] ধ্বজ স্তম্ভ (এইবোৰ সাধাৰণতে মন্দিৰৰ সন্মুখত থিয় হৈ থাকে। ৪৮৪ খ্ৰী'ৰ লিপি খোদিত এৰণ স্তম্ভ এই শ্ৰেণীৰ অন্তৰ্ভুক্ত[৯]), জয়স্তম্ভ (য'ত বিজয়ৰ বাৰ্তা খোদিত থাকে। এৰণ আৰু মন্দশৰোত প্ৰাপ্ত নৃপতি সমুদ্ৰগুপ্ত আৰু যশোবৰ্মনৰ বিজয়লিপি খোদিত স্তম্ভ এই পৰ্যায়ৰ সম্পদ[১০]। ১৫৮৯ শকত খোদিত লাচিত নামজানি বৰফুকনৰ জয়স্তম্ভ অথবা ১৫৩৮ শকৰ চাময়দা গড়ৰ ৰণজয়ৰ বাৰ্তা খোদিত শৈলস্তম্ভ[১১]ও উপৰ্যুক্ত শ্ৰেণীৰ অন্তৰ্ভুক্ত।),

৩ Fleet—*IA*, XIX, P 225

৪ Luders, H —*A List of Brahmi Inscriptions*, etc no 12, 32

৫ দাস, নাৰায়ণ—শোণিতপুৰীয়া সংস্কৃতিৰ ৰূপৰেখা, পৃ ১১

৬ শৰ্মা, বেণুধৰ—(সম্পা) হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী, পৃ ২৮২ ৩

৭ *CII*, Vol I, P XV

৮ Sircar, D C —*Indian Epigraphy*, PP 71-72

৯ Fleet—*CII*, Vol III, P 88

১০ Sircar, D C —*Select Inscriptions*, PP 260-293

১১ নেওগ, মহেশ্বৰ—প্ৰাচ্য শাসনাৱলী, পৃ ৫

কীৰ্তিস্তম্ভ (কোনো মহান কৰ্ম সম্পাদন উপলক্ষে য'ত ৰাজ প্ৰশস্তি খোদিত হয়। শিৱমন্দিৰৰ সন্মুখত প্ৰকাণ্ড পুখুৰী খান্দি তাৰ পাৰত কদম্ব নৃপতি কাকুস্থবৰ্মনে লিখোৱা স্তম্ভলিপিক এই শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰিব পাৰি [১২])। **বীৰস্তম্ভ** (য'ত বীৰ যোদ্ধাৰ জীৱন দানৰ মহিমা কীৰ্তিত হয়[১৩]), **সতীস্তম্ভ** (কয়ত ভাৰাত মাস্তি আৰু গুজৰাটীত পলিয়া ৰূপে জনাজাত। এই ধৰণৰ স্তম্ভলিপিত কেতিয়াবা কেৱল বিধৱা গৰাকীৰ নাম আৰু কেতিয়াবা বীৰ স্বামী আৰু তেওঁৰ সৈতে সতীযোৱা বীৰাংগনা গৰাকীৰ নামোল্লেখ থাকে[১৪]), **ছায়াস্তম্ভ**[১৫] আৰু যুপত (যজ্ঞ উপলক্ষে প্ৰতিষ্ঠা কৰা স্তম্ভ[১৬])ত বিভাজিত কৰিছে।

গ° শিলা-ফলক ঃ—অসমতে শিলা ফলকসমূহত লিখিব লগা কথাখিনি লিখি লৈ পিছত সেইখিনি মঠ মন্দিৰ আদিৰ অধিষ্ঠান, জখলা আৰু অন্যান্য স্থানত খাঁজি দিয়া দেখা যায়। তেনে কৰোতে ফলকখনিৰ চাৰিওফালে এটি গড় বান্ধি দিয়া চকুত পৰে। শিলা ফলকসমূহ লিখোতে যথেষ্ট গুৰুত্ব দিয়া হৈছিল। কোনো কোনো শিলা ফলকৰ লিপিৰ চাৰিওফালে পুষ্প লতিকাৰ মণ্ডন কৰ্ম দেখিবলৈ পোৱা যায়। বৰফুকনৰ দৰবাৰৰ দক্ষিণৰ বিজয় দ্বাৰৰ শিলৰ ফলিৰ (১৬৬০ শক[১৭]) কথা এই-খিনিতে উল্লেখ কৰিব পাৰি। এনেদৰে লিখা ফলিৰ কিছুমান আখৰ সুন্দৰকৈ তুলি লিখাও দেখা যায়। শুক্ৰেশ্বৰ মন্দিৰৰ শিলৰ ফলি[১৮], নগাঁও কলিয়াবৰ কামাখ্যা মন্দিৰৰ জখলা-খচিত ফলি[১৯] আৰু ছয়গাওঁ চণ্ডিকা দেৱালয়ৰ শিলৰ ফলিৰ লিপি ইয়াৰ সুন্দৰ নিদৰ্শন। এনেদৰে লিখা ফলিৰ কোনো অংশ কিবা কাৰণত উঠি গ'লে তাক এঠা জাতীয় দ্ৰব্য কিংবা ধাতৱ পদাৰ্থৰে প্ৰলেপ দিয়াও দৃষ্টি গোচৰ হয়। আজমেৰ যাদুঘৰত সংৰক্ষিত ললিত বিগ্ৰহৰাজ আৰু হৰকেলি নাটক শিলালেখলৈ চকু দিলেই ইয়াৰ সত্যতা প্ৰতীয়মান হয়[২০]। সাধাৰণতে এখন লিপি খোদিত কৰি-

১২ Sircar, D C—*Select Inscriptions*, P 450

১৩ *EI*, Vol XXXI, P 323

১৪ Sircar, D C—*Indian Epigraphy*, P 72

১৫ *Annual Report of Epigraphy*, 1957 58, No B 26

১৬ Sircar, D C—*Select Inscriptions*, PP 92 93

১৭ নেওগ, মহেশ্বৰ—প্ৰাচ্য শাসনাৱলী, চিত্ৰ ফলক নং ৮

১৮ শৰ্মা, বেণুধৰ—(সম্পা) প্ৰাগুক্ত গ্ৰন্থ, পৃ ২৬

১৯ নেওগ, মহেশ্বৰ—(সম্পা) প্ৰাগুক্ত গ্ৰন্থ পৃ ৩৭

২০ Sircar, D C—*Op Cit*, P 71

বলৈ এখনি শিলা ফলককে ব্যৱহাৰ কৰা হয় যদিও তাৰ ব্যতিক্ৰমো আছে। দৃষ্টান্ত স্বৰূপে, কুম্ভলগৰ্ৰৰ কুম্ভস্বামিন্ মন্দিৰত সংলগ্ন ৰাণা কুম্ভৰ শিলালিপি খনিত পাঁচ খনি[21] আৰু মেৱাৰৰ ৰাণা ৰাজসিংহৰ ৰাজসমুদ্ৰ পুখুৰীৰ খনন কৰ্ম উপলক্ষে অন্ধ্ৰদেশীয় কবি ৰণচোড়ে লিখা ২৪টা সৰ্গ বিশিষ্ট ৰাজ প্ৰশস্তিত সৰ্বমুঠ ২৪ খনি শিলা ফলক ব্যয় হোৱাটো উল্লেখযোগ্য[22]। প্ৰস্তৰ ফলকত লিখা অগণন লিপি মিছৰৰ পিৰামিড-সমূহত উদ্ধাৰ হৈছে। সিবোৰ পুত খোদিত লিপিত উৎকীৰ্ণ। স্থূলমূলতাৰে দেৰশ বছৰৰ ভিতৰত (খ্ৰী পূ ২৬২৫ ২৪৬৫ খ্ৰী পূ) খোদিত সেই প্ৰস্তৰ ফলকসমূহত মৃত নৃপতিসকলীৰ পাৰলৌকিক জীৱনত শান্তি আৰু সমৃদ্ধিৰ উপৰি যাদুবিশ্বাসমূলক তন্ত্ৰ মন্ত্ৰ, পূজা-পদ্ধতি, স্তোত্ৰাৱলী, প্ৰাচীন কথা আৰু কাহিনীৰ লগতে প্ৰখ্যাত পালে-মোৰ বিৱৰণী পোৱা যায়[23]।

ঘ শৈল প্ৰতিমাৰ পশ্চাৎদেশ আৰু বেদিকা :—শৈল প্ৰতিমা প্ৰতিষ্ঠা কৰা শৈল বেদিকা আৰু শৈল-প্ৰতিমাৰ পশ্চাৎদেশত লিপি খোদিত কৰা দেখা যায়। পাটনা শৈল প্ৰতিমা শাসন[24], কাকীৰ সূৰ্য মূৰ্তি লিপি, হৰিহৰ মূৰ্তি লিপি প্ৰভৃতিৰ নাম এই ক্ষেত্ৰত উল্লেখযোগ্য।

ঙ শৈল দাঁতি (rim) আৰু চাকনি :—বুদ্ধৰ অস্থি অৱশেষ সংৰক্ষিত বিভিন্ন শৈল পাত্ৰৰ কাণ আৰু চাকনিসমূহতো লিপি খোদন কৰা দেখা যায়। এনে কুম্ভলেখৰ ভিতৰত অগ্ৰগণ্যতে আমাৰ মনলৈ আহে পিপ্ৰৱা পাত্ৰ লেখৰ কথা। প্ৰাচীন এট্ৰুস্কান লিপিৰো কিছুমানি কলহৰ কাণত লিখা পোৱা গৈছে।

চ স্ফটিকৰ পৃষ্ঠ :—ত্ৰিকোণী স্ফটিকৰ ওপৰত লিখা লিপিৰ সংখ্যা কম হ'লেও শূন্যৰ প্ৰতিবেশী নহয়। দক্ষিণ ভাৰতৰ ভট্টিপ্ৰোলু স্তূপত এখনি ত্ৰিকোণী স্ফটিকৰ ওপৰত লিখা ক্ষুদ্ৰ লেখ এখনি খোদিত হোৱাটো উল্লেখযোগ্য[25] আৰু **ছ পৰ্বতৰ গুহা :**—বিভিন্ন পৰ্বতৰ গুহাতো লিপি খোদন কৰাটো কাৰো অবিদিত নহয়। শিলত লেখা শাসনসমূহ চৰকাৰী আৰু ব্যক্তিগত উভয় বিধে হ'ব পাৰে। বিষয়বস্তুৰ কালৰপৰা

---

২১ *EI*, Vol XXIV, P 304

২২ *EI*, Vol XXIX-XXX, PP 1 123

২৩ Mespero, G —*Les Inscriptions* des *Pyramides de Sqqarah* (1894) আৰু Sethe, K —*Die Alt Agyptischen Pyramidentexte* (1908-10) দ্ৰষ্টব্য।

২৪ Luders List no 957-58

২৫ *EI*, Vol, II, P 328

ত' ৰাজবলী পাণ্ডেই শিলালেখসমূহক কেইবাটাও ভাগত বিভক্ত কৰিছে[২৬]। যেনে—ৰাজকীয় ঘোষণা (অশোকৰ চৈধ্য শিলানুশাসন অথবা স্তম্ভানুশাসনসমূহ ইয়াৰ উৎকৃষ্ট উদাহৰণ[২৭]), ৰাজ প্ৰশস্তি (খাৰবেলৰ হাথীগুম্ফা শিলালিপি[২৮] নাইবা সমুদ্ৰগুপ্তৰ এলাহাবাদ স্তম্ভলেখ[২৯] এই শ্ৰেণীৰ দৃষ্টান্ত), দুই নৃপতিৰ মাজত সন্ধি[৩০], (সন্ধিয়াৰ সৰ্পস্তম্ভ লিপিৰ কথা এই ক্ষেত্ৰত স্মৰণযোগ্য) আৰু চুক্তি, উৎসৰ্গা (অসমৰ নবগ্ৰহ[৩১] আৰু উগ্ৰতাৰা মন্দিৰৰ[৩২] পুখুৰী দুটা উৎসৰ্গা কৰি দিয়া শিলালিপি দুখন এই পৰ্যায়ৰ), স্মৃতি ফলক[৩৩] (মিছৰৰ পিৰামিডৰ ভিতৰত থকা অধিকাংশ শিলা-লেখেই এই শ্ৰেণীৰ অন্তৰ্ভুক্ত। ভুটিয়াসকলে মৃতকৰ স্মৃতিত শৈলস্তম্ভ কিংবা গোটা সক-বৰ শিলত লিপি খোদন কৰা নিয়ম অদ্যাপি প্ৰচলিত। এনে স্মৃতি ফলক এখনি অসম ৰাজ্যিক সংগ্ৰহালয়ে শোণিতপুৰ জিলাৰ বৰগাং চাহ বাগিছাৰপৰা আনি সুৰক্ষা দিছে), দান লিপি[৩৪] ৰাজনৈতিক নি'সৰণতা[৩৫], সাহিত্য কৰ্ম[৩৬] (সভাকবি সোমদেৱৰ 'ললিত বিগ্ৰহৰাই নাটক' ইয়াৰ উৎকৃষ্ট উদাহৰণ) ইত্যাদি।

২ মৃন্ময় সম্ভাৰ :—মাটিৰ ফলি, টালি অথবা ইটাৰ ওপৰত লিখাৰ ইতিহাস দীৰ্ঘ দিনীয়া। খ্ৰীষ্ট জন্মৰ কেবা হাজাৰ বছৰৰ পূৰ্বে মেচোপটেমিয়াৰ দাক্ষিণাত্যত বাস কৰা সুমেৰীয় লোকসকলে কেঁচা মাটিৰ ফলি তৈয়াৰ কৰি তাৰ ওপৰত জোঙা লেখনিৰে হেঁচি আখৰ লিখাৰ উপায় উদ্ভাৱন কৰিছিল। আখৰ লিখাৰ পিছত সিবোৰ ৰ'দত শুকাই অথবা জুইত পুৰি দীৰ্ঘস্থায়ী ৰূপ দিয়াটো তাৎপৰ্যপূৰ্ণ। সুমেৰবাসীৰ পৰাই মাটিৰ ফলকত আখৰ লিখা পদ্ধতিটো বেবিলন, আসিৰীয়া, হিত্তী সাম্ৰাজ্য, এলাম, গ্ৰীচ

---

২৬ Pandey R—*Indian Palaeography*, P, 76

২৭ Hultzsch—*Corpus Inscriptionum Indicarum*, Vol I দ্ৰষ্টব্য।

২৮ *EI*, Vol XX, P 72

২৯ Fleet—*CII*, Vol III, no, 1

৩০ Buhler—*IP*, P 96

৩১ নেওগ, মহেশ্বৰ—(সম্পা) প্ৰাচ্য শাসনাৱলী, নং ৬১

৩২ Gait, A—*Report on the Progress of Historical Research in Assam*, P 4

৩৩ Fleet—*CII*, Vol III, P 92

৩৪ *EI*, Vol, IV, P 55

৩৫ *Luders List* nos 922, 997 etc

৩৬ *IA*, Vol XX, P 201

আৰু ভাৰতবৰ্ষৰ সিন্ধু অঞ্চলৈ সম্প্ৰসাৰিত হয়। প্ৰাচীন আসিৰীয়াৰ ৰাজধানী নিনিভাত খননকাৰ্য চলোৱাৰ পিছত প্ৰত্নতাত্বিকসকলে এটি প্ৰাসাদৰ ধ্বংসাৱশেষৰপৰা প্ৰায় কুৰি হাজাৰ কীলকাক্ষৰ খোদিত মৃন্ময় ফলক উদ্ধাৰ কৰে। সেই ফলকসমূহ ক্ৰমাংক অনুযায়ী জাপি থোৱা অৱস্থাত পোৱা গৈছিল। সেইটো সম্ৰাট অসুৰ বনি-পালৰ গ্ৰন্থাগাৰ ৰূপে চিহ্নিত হৈছে। হৰপ্পা আৰু মহেঞ্জদৰোৰ ভিন্ন পৰ্যায়ৰ লিপি-মালা মৃন্ময় ফলকৰ যোগেদি সংৰক্ষিত হোৱাটো কাৰো অবিদিত নহয়। পুৰণি ভাৰতত বৌদ্ধ ধাৰিণী মন্ত্ৰ আৰু সূত্ৰসমূহ মাটিৰ ফলিত উৎকীৰ্ণ কৰা হৈছিল[৩৭]। অশ্বমেধ যজ্ঞৰ বাবে এৰি দিয়া ঘোঁৰাৰ কপালত যজ্ঞ কৰিবলৈ বিচৰা নৃপতিজনৰ নাম খোদিত কৰি আঁৰি দিয়া ফলক খনিও আছিল মাটিৰ। নৃপতি দেৱী মিত্ৰ, ভানমিত্ৰ আৰু শীলবৰ্মাৰ তেনে নামখোদিত মৃন্ময় ফলক উদ্ধাৰ হোৱাটো মন কৰিবলগীয়া[৩৮]। মন্দিৰৰ জল্মা, শৈল প্ৰতিমা সংস্থাপিত বেদিকা প্ৰভৃতিত থাজি দিয়া লিপি খোদিত ভালেখিনি মৃন্ময় ফলক কানিংহাম আৰু অন্যান্য প্ৰত্নতাত্বিকসকলে উদ্ধাৰ কৰিছে[৩৯]। কেতিয়াবা কেতিয়াবা সংকলিত নথিসমূহ কেঁচা মাটিৰ ফলকত লিখি পিছত সিবোৰ শুকাই পুৰি থোৱা হৈছিল[৪০]। জুইত পোৰা অথবা নোপোৰা মৃন্ময় মোহৰ উত্তৰ ভাৰতত অগণন পোৱা গৈছে। এই জাতীয় মোহৰবোৰ ব্যক্তিগত, চৰকাৰী আৰু কোনো ধৰ্মীয় অনুষ্ঠানৰ হ'ব পাৰে। পুৰণি প্ৰাগজ্যোতিষৰ নৃপতি কুমাৰ ভাস্কৰ বৰ্মাৰ কেইবাটাও মৃন্ময় মোহৰ নালন্দাত উদ্ধাৰ হোৱাটো এইখিনিতে উল্লেখযোগ্য। মাটিৰ পাত্ৰৰ ওপৰত লিখা লিপিৰো অভাৱ নাই[৪১]। সাধাৰণতে মৃন্ময় পাত্ৰ পোৰাৰ পূৰ্বে জোঙা লেখনিৰে আঁচুৰি আঁচুৰি আখৰবোৰ লিখি পিছত সিবোৰ পুৰি লোৱা হৈছিল। প্ৰাচীন এট্ৰুস্কান লিপিৰ ভালেখিনি নিদৰ্শন কলহৰ ওপৰত সংৰক্ষিত আছিল। ভাৰতবৰ্ষতো লিপি খোদিত মাটিৰ কলহ বহুতো উদ্ধাৰ হৈছে।

---

৩৭ Cunningham—*ASR*, Vol I, P 47, Vol V, P 102; *CII* Vol II, Part I, P 137

৩৮ *EI*, Vol XXX, P 188, Vol XXXIII, P 99

৩৯ *EI*, Vol XXI, P-193, Vol XXIV, P-20, *Annual Report of Epigraphy*, 1951 52, no B 262, 1952-53 no B 477.

৪০ Sircar, D C.—*Indian Epigraphy*, P-74

৪১. *CII*, Vol II, Part I, P 173, *EI*, Vol XXVII, P-125

ইটাৰ ওপৰত লিখা লিপিও নোপোৱা নহয়। ইটা নির্মিত স্তম্ভসমূহত খোদিত ইটা সংস্থাপন কৰাটো এটা সাধাৰণ কথা[৪২]।

৩° তাম :—ধাতৱ পদার্থৰ ভিতৰত খুব সম্ভৱ তামৰ প্ৰয়োগেই হ'ব সবাতোকৈ বেছি। বজা আৰু পালি নৃপতিসকলে বিভিন্ন ধৰণৰ মা সম্পত্তি গ্ৰহীতাসকলৈ আগবঢ়াই তামৰ ফলিত লিখাই দিয়াৰ ব্যৱস্থা কৰিছিল। তামৰ পাতত লিখাৰ পিছত সিবোৰ তাম্ৰপত্ৰ, তাম্ৰ শাসন, শাসন-পত্ৰ দান-পত্ৰ অথবা তাম্ৰৰূপে খ্যাত হয়। ভাৰতবৰ্ষত তাম্ৰশাসন প্ৰচলনৰ ধাৰাটি অতি প্ৰাচীন। প্ৰায় চৰিশ খ্ৰীষ্টাব্দত ভাৰত ভূমিত পদাৰ্পণ কৰা গ্ৰীক কটকী ফাহিয়ানে উল্লেখ কৰি গৈছে যে বৌদ্ধ বিহাৰ-সমূহত তাম্ৰশাসন সংৰক্ষণ কৰা হৈছিল[৪৩]। পালি অভিধর্ম পিটক তামৰ ফলিত লিখি সিবোৰ শিলৰ পেৰাত ভৰাই তাৰ ওপৰত স্তূপৰ নির্মাণ কৰ্ম সমধা কৰাটো মন কৰিবলগীয়া[৪৪]। সায়নাচাৰ্যই বৈদিক ভাষ্যসমূহ তামৰ পাতত লিখা বুলি এটা জনশ্ৰুতি আছে[৪৫]। হিৱেনচাঙে তেওঁৰ বিৱৰণীত উল্লেখ কৰিছে যে কণিষ্কই বৌদ্ধ ধৰ্মৰ সমস্ত পবিত্ৰ গ্ৰন্থকে তামৰ পাতত লিখি থবলৈ আদেশ দিছিল[৪৬]। তেলেগু ভাষাত লিখা তাল্ল পাকমংভৰী খনি তামৰ পাতত খোদিত কৰা। সিখনি বৰ্তমানে তিৰুপতিত সংৰক্ষিত[৪৭]। তাম্ৰ মোহৰত খোদিত বৌদ্ধমন্ত্ৰও ইতিমধ্যে পোৱা গৈছে[৪৮]। তামৰ নির্মিত কলহ, হেঁতা (তক্ষশিলাত পোৱা হৈছিল[৪৯]), থালি[৫০] আৰু ঝাৰি[৫১] আৰু চাকি[৫২]ৰ ওপৰতো লিখা ফলি ভাৰত আৰু বহি ভাৰতত উদ্ধাৰ হোৱাটো উল্লেখযোগ্য।

---

৪২ ওঝা—ভাৰতীয় প্ৰাচীন লিপিমালা, পৃ ১৫১, কাছাৰৰ সকলদীঘি নামে ঠাইৰপৰা সংগ্ৰহ কৰি বাৰ্লিক সংগ্ৰহালয়লৈ অনা ইটা এটুকুৰাত আছে '৪৯৯ শক'।

৪৩ Beal —*Si Yu Ki*, Vol I, P XXXVIII

৪৪ Burnell, A C —*Elements of South Indian Palaeography*, P 86

৪৫ Max Muller, F —*Rgveda*, XVII

৪৬ Watters—*On Yuan Chwang's Jraveb in India*, Vol I, P 271

৪৭ *Annual Reports of Epigraphy* 1912, no 568

৪৮ *Do* 1956, no B 120

৪৯ *CII*, Vol II, Part I, P-87

৫০ *EI*, Vol XVI, P-15

৫১ *CII*, Vol II, Part I, P 120

৫২ *CII*, Vol II, Part I, P 116

সাধাৰণতে তাম হাতুৰীৰে পিতি বহল কৰি আকাৰ মতে কাটি লিখাৰ উপযোগী কৰা হয়। তেনে তামৰ পাতত হাতুৰীৰ দাগ নাথাকে যদিও দুই এখন তামৰ ফলিত তাৰ স্পষ্ট দাগো দেখা যায়[৫৩]। তামৰ পাতবোৰ বিভিন্ন আকাৰ আৰু ওজনৰ হ'ব পাৰে। সাধাৰণতে তালপাতৰ আৰ্হিত কটা তামৰ পাতসমূহ কম প্ৰস্থৰ কিন্তু অধিক দৈৰ্ঘ্যৰ আৰু ভূৰ্জপাতৰ আৰ্হিত তৈয়াৰ কৰা তামৰ ফলিবোৰৰ দীৰ্ঘ-প্ৰস্থ বহু সময়ত একে হোৱা দেখা যায়। উত্তৰ ভাৰতৰ তামৰ পাতবোৰ সাধাৰণতে ভূৰ্জপত্ৰ অথবা সাঁচিপাতৰ আৰ্হিত আৰু দক্ষিণ ভাৰতৰ তামৰ পাতসমূহ তালপাতৰ সাদৃশ্যত তৈয়াৰ কৰা বুলিব পাৰি। বিজয় নগৰৰ নৃপতিসকলে ব্যৱহাৰ কৰা তাম্ৰফলকসমূহ শৈল ফলকৰ আদৰ্শত গঢ় দিয়াটো তাৎপৰ্যপূৰ্ণ[৫৪]। লিখিব লগীয়া কথাৰ ওপৰত তাম্ৰ ফলক সংখ্যাটো নিৰ্ভৰশীল। অলপ কথা লিখিব লগা হ'লে এখনি সক তামৰ পাতেই যথেষ্ট। কিছুমান তামৰ ফলি এপিঠিত আৰু কিছুমান দুয়ো পিঠিত লিখা। অধিক কথা লিখিব লগা হ'লে দুখনি তামৰ পাতৰ প্ৰয়োজন। তেতিয়া প্ৰথম খনি তামৰ পাতৰ তলত আৰু দ্বিতীয় খনিৰ ওপৰত একোটাকৈ ফুটা কৰি তাক আঙুঠি এটাৰে সংলগ্ন কৰা হয় যদিও তাৰ বিপৰীত দিশত ফুটা কৰিও তাম্ৰফলি দুখনি গাঁঠি থোৱা চকুত পৰে[৫৫]। লিখিবলগীয়া কথা বেছি থাকিলে তামৰ ফলিৰ সংখ্যা তিনি চাৰিখনলৈ বৃদ্ধি পায় আৰু সেই আটাইবোৰেই তামৰ শকত আঙুঠিৰে গ্ৰথিত কৰা নিয়ম। আখৰসমূহ যাতে নষ্ট নহয়, তাৰ বাবে প্ৰথম ফলকৰ প্ৰথম পিঠি আৰু অন্তিম ফলকৰ দ্বিতীয় পিঠিটো উকা ৰখাৰ উপৰি উপৰ্যুক্ত ফলক দুখনিৰ (প্ৰথম খনিৰ দ্বিতীয় পিঠি আৰু অন্তিমৰ খনিৰ প্ৰথম পিঠিটোৰ) কাণ বেইটাত গড় বান্ধি দিয়া চকুত পৰে। অসমত প্ৰাপ্ত বলবৰ্মা, বনমালবৰ্মা আৰু ইন্দ্ৰপালদেৱৰ তাম্ৰশাসনসমূহলৈ লক্ষ্য কৰিলেই এই কথাৰ সত্যতা প্ৰতীয়মান হ'ব। সাঁচত ঢালা ৰাজকীয় মোহৰটো সাধাৰণতে এখনীয়া শাসনৰ শীৰ্ষস্থান অথবা বাওঁফালে লগ লগাই দিয়াটো নিয়ম। অৱশ্যে কেবাখনো তামৰ পাত থকা শাসনসমূহত সিবোৰ গ্ৰথিত আঙুঠিটোত পৰ্ণাকৃতিৰ সাঁচত ঢালা ব্ৰঞ্জৰ আন এটি ফলক জোৰা লগাই দিয়া দেখা যায়। সাঁচত নিৰ্মিত উক্ত ধাতৱ ফলকটোত ৰাজকীয় মোহৰৰ উপৰি বজাজনাৰো পৰিচয় উৎকীৰ্ণ হয়। অসমৰ প্ৰাক্‌আহোম

৫৩ Sircar, D C—*Indian Epigraphy*, P 76

৫৪ Sircar, D C—*Ibid*, P, 77

৫৫ Pandey, R—*Indian Palaeography*, P 81

যুগীয় অভিলেখমালাৰ আঙুঠি সংলগ্ন ফলকটিত হাতীৰ প্ৰতিমূৰ্তি উদগত হৈছে। তাৰ তলত পোৱা যায় নৃপতি জনাৰ নাম—'স্বস্তি প্ৰাগজ্যোতিষাধি পতি/মহাৰাজাধিৰাজ/শ্ৰীবত্নপালদেৱ[৫৬]।' বা 'স্বস্তি প্ৰাগজ্যোতিষাধিপতিম/হাৰাজাধিৰাজ শ্ৰীম/দিন্দ্ৰপাল বৰ্ম্মাদেৱ' ইত্যাদি। অৱশ্তে আহোম যুগীয় তাম্ৰশাসনসমূহত ৰাজকীয় মোহৰ আৰু প্ৰতীক চিহ্নটো তাম্ৰফলকৰ সোঁফালে আৰু কেতিয়াবা ওপৰত খোদন কৰা দেখা যায়। দৃষ্টান্ত স্বৰূপে, ১৭২৭ শকত প্ৰতাপবল্লভ বৰফুকনৰ বৰজনা গৃহিনীয়ে হয়গ্ৰীৱ মাধৱলৈ দিয়া পাইকৰ তামৰ ফলিৰ প্ৰথম পিঠিৰ সোঁফালে ৰাজকীয় মোহৰত খোদিত হৈছে 'শ্ৰীশ্ৰীস্ব/র্গনাৰায়ণ/কম লেশ্বৰ/সিংহ নৃপামাত্য/বৰ শ্ৰীপ্ৰতাপ/বল্লভ বৃহ/ত ফুক/নস্য'[৫৭]। তাৰ তলত আছে পাখিলগা ঘোঁৰাৰ প্ৰতিকৃতি।

তাম্ৰশাসন লিখোঁতে তাৰ চাৰিওফালে ভালেখিনি ঠাই উকাকৈ ৰখা হয়। শাৰীসমূহ সদায় সমান সমান দূৰত্বত লিখা। জয়জয়তে, ফলিত লিখিব লগা কথাখিনি সুগঢ়ী আখৰ লিখিব জনা লোকে চিয়াহিৰে লিখি দিয়াৰ পিছত আখৰ কটীয়াই জোঙা সঁজুলিৰে সিবোৰৰ ওপৰত আঁচোৰ মাৰি পিছত সৰুমুখৰ বটালিৰে খোদন কৰে[৫৮]। দক্ষিণ ভাৰতৰ কিছু সংখ্যক তাম্ৰশাসন লিখাৰ পূৰ্বে তামৰ পাতৰ ওপৰত খাৰিমাটি অথবা মাটিৰে এটা প্ৰলেপ দি আধা শুকান অৱস্থাত সুগঢ়ী আখৰ লিখা লোকে লিখিবলগীয়া কথাখিনি লিখাৰ পিছত খোদকাৰে বিন্দু বিন্দুকৈ আখৰ সমূহৰ ৰূপ দি যায়[৫৯]। কলয়ান লিপিমালালৈ চকু দিলেই উপযুক্ত দৃষ্টান্তটো ধৰা পৰে[৬০]। তামৰ ফলিৰ ভুলবোৰ কেতিয়াবা শুধৰোৱা হয়, কেতিয়াবা নহয়। শুধৰাব লগা হ'লে ভুলখিনি পোনতে মোহাৰি অথবা হাতুৰীৰে পিটি তাৰ ওপৰত নতুনকৈ লিখিব লাগে। মধ্যযুগীয় কোনো কোনো তাম্ৰ শাসনত ভুল হোৱা কথাখিনি ওপৰৰ উকা ঠাইত লিখি থোৱা দেখা যায়। বৈ যোৱা শব্দ অথবা শব্দমালাৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। কেতিয়াবা কেতিয়াবা আগতে এবাৰ লিখি নষ্ট হোৱা তামৰ পাত নতুনকৈ গঢ়ি পিটি লিখাৰ উপযোগী কৰা হয়। তেনে কৰোঁতে পূৰ্ববৰ্তী লেখা কোনো কোনো স্থানত অস্পষ্ট ৰূপত ৰৈ যায়[৬১]।

---

৫৬. Sarma, M M.—*IAA*, PP 153 to 175

৫৭. নেওগ, মহেশ্বৰ—প্ৰাচ্য শাসনাৱলী, পৃ ১৩৯

৫৮ Sircar, D C—*OP, Cit*, P 76

৫৯ Pandey R—*OP Cit*, P 81

৬০ *EI*, Vol XXI, P, 259

৬১ *EI*, Vol XXV, P, 191

তামৰ ফলিত যে অকল শাসন হে খোদিত হয়, তেনে নহয়। জৈন আৰু ব্ৰাহ্মণসকলে বিভিন্ন মন্ত্ৰও তামৰ পাতত কাটি লয়[৬২]। মধ্যযুগীয় অসমত বিচাৰৰ হুকুম আদিও তামৰ ফলিত লিখাই তাৰ চিৰস্থায়ী নকল গুচৰীয়াক দিয়াটো তাৎপৰ্যপূৰ্ণ। কালিৰাম মেধি ভাওৰীয়াই এনে ফলি বৰদোৱাত দেখিবলৈ পাইছিল। উক্ত সত্ৰৰ স্বত্বলৈ নবোৱা আৰু শলগুৰীয়া আতাৰ মাজত মনোমালিন্য হোঁনত বজাই বিচাৰ কৰাই হুকুমৰ নকল ৰূপে দিয়া তামৰ ফলিখনি এতিয়াও শলগুৰীয়া আতাৰ ঘৰত আছে[৬৩]।

৪ সোণ :—লেখন সামগ্ৰী ৰূপে সোণৰ ব্যৱহাৰ কোনো কোনো দেশত পোৱা যায়। জাতকত আছে, ধনী সদাগৰসকলৰ দৰ্কাৰী খবৰা নথি পত্ৰ, ৰাজকীয় ঘোষণা, অভিলেখ, কাব্য সংগ্ৰহ আৰু প্ৰবাদ প্ৰবচনসমূহ সোণৰ ফলকত লিখা হৈছিল। বুৰ্ণেলে জনাইছে যে ৰাজকীয় চিঠি পত্ৰ আৰু ভূমিদানৰ ফলিৰূপে মাজে সময়ে সোণৰ পাত প্ৰয়োগ হৈছিল[৬৪]। খৰোষ্ঠী লিপিত লিখা এনে স্বৰ্ণ-ফলক এখনি কানিংহাম চাহাবে তক্ষশীলাৰ বৌদ্ধ স্তুপৰপৰা উদ্ধাৰ কৰিছিল[৬৫]। 'য়ে ধৰ্ম্মা হেতু প্ৰভাৱা' লিখা আৰু খ্ৰীষ্টীয় পঞ্চম শতাব্দীৰ সম্পদৰূপে সাব্যস্ত কৰা সোণৰ ফলি এখনি ব্ৰহ্মদেশৰ হমূজৰ গাঁৱত উদ্ধাৰ হৈছিল[৬৬]। অসমৰ আহোমসকলৰ মাজত সোণত পাতত লিখা দস্তুৰ থকা বুলি জনা যায়[৬৭]। ইউৰোপৰো বিভিন্ন স্থানত খোদিত স্বৰ্ণফলক উদ্ধাৰ হৈছে। স্বৰ্ণ মুদ্ৰা পৃষ্ঠত লিপিৰ অৱস্থিতিও মন কৰিবলগীয়া[৬৮]।

৫ ৰূপ :—ৰূপৰ পাত, পাত্ৰ, মূৰ্তি আৰু মুদ্ৰাত লিখা পদ্ধতি দীৰ্ঘদিনীয়া। সাধাৰণতে ৰাজকীয় দৰ্কাৰী নথি-পত্ৰ ৰূপৰ পাতত লিখা হৈছিল। এনে পাত

---

৬২ Sircar, D C—*Op Cit*, P 77

৬৩ কালিৰাম মেধি ৰচনাৱলী (সম্পা শ্ৰীযতীন্দ্ৰনাথ গোস্বামী আৰু শ্ৰী মুৰাৰিচৰণ দাস) পৃ ২৮৫। তামৰ পাতত লিখা 'ধাতু তাম্ৰক্ষৰী' এখনি বহুশ্ৰুত অসমৰ হস্তলিখিত গ্ৰন্থ।

৬৪ Burnell—*Op Cit*, P 90-93

৬৫ *Annual Report of the Archaeological Survey of India*, Vol. II, P 129

৬৬ *EI*, Vol V P 14

৬৭ গগৈ, লীলা—আহোম জাতি আৰু অসমীয়া সংস্কৃতি, পৃ ১২৮

৬৮ লিপি খোদিত স্বৰ্ণমুদ্ৰা গোৱালপাৰাৰ পাগলাটেকত উদ্ধাৰ হৈছে। ড° সৰকাৰে তাৰ পাঠ পঢ়িছে এনেদৰে—'(১) শ্ৰী (২) মা (মৎ) (৩) হৰ্ষ (৪) ৱ (৫) ন দেৱ (৬) পাল'

ভট্টিপ্ৰোলুৰ স্তূপত পোৱা গৈছে[৬৯]। তক্ষশীলাৰ ধ্বংসস্তূপতো অনুৰূপ ৰূপৰ ফলক এখনি উদ্ধাৰ হৈছিল[৭০]। ৰূপৰ ফলকত নমস্কাৰ মন্ত্ৰ বা তান্ত্ৰিকা লিখা বহু জৈন মন্দিৰত আজিও পোৱা যায়[৭১]। তক্ষশীলাত বৌপ্য-পাত্ৰ লেখ[৭২], তিনিটা খুৰা যুক্ত কাপ প্লেট আৰু তাঙৰ থালৰ উপৰি পাত্ৰতো[৭৩] খোদিত লিপি পোৱাটো মন কৰিবলগীয়া। ব্ৰিটিছ মিউজিয়মত তালপাতত সোণ-ৰূপ চৰোৱা তিনিখনি পাণ্ডুলিপি সংৰক্ষিত হৈছে[৭৪]। উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱী পীঠলৈ স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহই ১৬৭৯ শকত আগবঢ়োৱা ৰূপৰ জাপিটোৰ চাৰিওফালে লিখা আছিল —'শ্ৰীযুত তৰুণ ছুৰবা বৃহৎ যুক্তেনেন শ্ৰী শ্ৰী দীৰ্ঘেশ্বৰী দেৱ্যা মঠ মিমং ব্যবচয়ং ১৬৭১ শাকে'[৭৫]।

৬° **পিতল** :—পুৰণি কালবেপৰা পৃথিৱীৰ বিভিন্ন দেশত পিতলৰ পাতত লেখা পোৱা গৈছে। ক্ৰীটবাসীয়ে পুৰাতন আইনসমূহ পিতলৰ পাতত লিখি ৰাখিছিল। ৰোমানসকলৰ *Laws of the Twelve Fables* প্ৰজাই গ্ৰহণ কৰাৰ পিছত তাক পিতলৰ পাতত লিখি দীৰ্ঘম্যাদী ৰূপ দিয়া হৈছিল। পিছত যেনিবা সিবোৰ বজ্ৰপাতত গলি গ'ল। পিতলৰ পাতত লিখা ক্লডীয়াছৰ বক্তৃতা লিয়ন নগৰীৰ গ্ৰন্থাগাৰত সুৰক্ষিত হৈছে[৭৬]। পিতলৰ ফলকত লিখি মন্দিৰৰ দ্বাৰত খাজি দিয়া পদ্ধতি ভাৰতবৰ্ষৰ বিভিন্ন স্থান লগতে[৭৭] অসমৰ সুন্দৰীদিয়া সত্ৰতো দেখা যায়[৭৮]। ভ নেওগে শিৱসাগৰত এখনি পিতলৰ তামুলী পীৰাত এনে ধৰণে লিখা পাইছিল— 'এই পীৰাৰ মূল্য এক মাইকী পোৱালি মহিষ'[৭৯]।

---

৬৯ Bunler,—*IP* P 95

৭০ Fleet—*CII*, Vol II, Part I, P 70, Sircar, D C —*Select Inscriptions* P 129

৭১ ওঝা—ভাৰতীয় প্ৰাচীন লিপিমালা, পৃ ১৫২, টোকা ৫

৭২ Burnell—*Elements of South Indian Palaeography*, P 87

৭৩ *CII*, Vol II, Part I, PP 97 & 151

৭৪ Buhler—*IP* P 95

৭৫ সৰ্বেশ্বৰ কটকী—স্বৰ্গদেৱ ৰাজেশ্বৰসিংহৰ ৰূপৰ জাপি দান—বৰদৈচিলা, ১৮৫৬ শক, পৃ ৭৮-৮০

৭৬ কালিৰাম মেধি ৰচনাৱলী পৃ ২৮৫

৭৭ *Annual Report of Epigraphy*, 1935-54, no B 135

৭৮ প্ৰাচ্য শাসনাৱলী, পৃ ৯২

৭৯ ঐ পৃ. ভূমিকা ৮২

৭° ব্ৰ'ঞ্জ :—ব্ৰঞ্জৰ মূৰ্তিৰ তলত আখৰ লিখা প্ৰায়ে দেখা যায়। অসম বাজ্যিক সংগ্ৰহালয়ে সুৰক্ষা দিয়া নৰকাসুৰ পাহাৰ সংগ্ৰহৰ একাধিক ব্ৰঞ্জৰ মূৰ্তিৰ দুয়োকাষে বনমালবৰ্মাদেৱৰ নাম খোদিত অৱস্থাত পোৱা গৈছে[৮০]। উক্ত সংগ্ৰহৰে প্ৰকাণ্ড ঘণ্টা এটাত কুমাৰ দেৱৰ লিপি খোদিত হৈছে[৮১]। লিপি খোদিত সক ৰূপৰ টেমা এটা মণিকৈলত পোৱা হৈছিল[৮২]। সোগড়ৰ বহুশ্ৰুত তাম্ৰ ফলকখনি ড সৰকাৰৰ মতে ব্ৰ'ঞ্জৰহে। সেইখনি বালিৰ সাঁচত গঢ়া গুণে তাৰ লিপি ওলোটা আক অগাঢ়[৮৩]। প্ৰাক্ আহোম যুগীয় অসমৰ নৃপতিসকলৰ যিবোৰ তাম্ৰশাসন উদ্ধাৰ হৈছে, তাৰ আঙুঠি সংলগ্ন চিল মোহৰ খোদিত ফলকটো ব্ৰঞ্জৰ দ্বাৰা নিৰ্মিত।

৮ কঁহ :—টিন আক তামৰ যৌগৰূপ কঁহৰ বাচন-বৰ্তনৰ ওপৰতো লিপি খোদন কৰা দেখা যায়। অসমৰ লখীমপুৰ অঞ্চলৰ বাসুদেৱ থানলৈ আগবঢ়োৱা বৰকঁহৰ ওপৰত মুঠতে সাত শাৰীৰ লিপি খোদন কৰাটো মন কৰিবলগীয়া[৮৪]। আজিৰপৰা ১৪৩ বছৰ পূৰ্বে খোদিত কঁহৰ ডাঙৰ থাল এখনিৰ তলফালে ঘূৰণীয়াকৈ লেখা আছে—'শ্ৰী গঙ্গা মায়ৰ খাৰিদ শ্ৰীমতি ধৰিত্ৰি ৰাজমাতা পাত্ৰ পুষ্প পাঃ শ্ৰীশ্ৰী গোঁ বী নাং চৰণস্থ ১৭৬৭'[৮৫]।

৯ টিন :—পৃথীবীৰ কোনো কোনো ঠাইত লেখন সামগ্ৰীৰূপে টিনৰ ব্যৱহাৰ হ'লেও ভাৰত ভূমিত ইয়াৰ প্ৰয়োগ প্ৰায় শূন্যৰ প্ৰতিবেশী। ড বুহলৰে জনাইছে যে ভাৰতবৰ্ষৰ পৰা নি বৃটিছ মিউজিয়মত সুৰক্ষা দিয়া এখনি হস্তলিখিত পুথিৰ লেখন সামগ্ৰী হেনো টিন[৮৬]।

১০ লো :—মানুহৰ দৈনন্দিন জীৱন ধাৰা মসৃণ কৰাৰ উপৰি যুদ্ধত ব্যৱহাৰ কৰা অস্ত্ৰ শস্ত্ৰসমূহ লোৰদ্বাৰা নিৰ্মিত হ'লেও এই ধাতুৰ ওপৰত বৰকৈ লিখা চকুত নপৰে। এই ক্ষেত্ৰত জয়স্বয়তে দিল্লীৰ নিকটবৰ্তী মেহৰৌলি স্তম্ভ লেখৰ কথা মনলৈ আহে। ইয়াত গুপ্তসম্ৰাট দ্বিতীয় চন্দ্ৰগুপ্ত (খ্ৰী ৩৭৬-৪১৩) ওৰফে নৃপতি চন্দ্ৰৰ

---

৮০ বৰ্তমান গ্ৰন্থৰ চতুৰ্থ অধ্যায়ৰ ২৪ নং পাদটীকা চাওক।
৮১ বৰ্তমান গ্ৰন্থৰ চতুৰ্থ অধ্যায়ৰ ৭১ নং পাদটীকা চাওক।
৮২ *CII* Vol II, Part I, P 150
৮৩ Sircar, D C—*Op Cit*, P 79
৮৪ প্ৰাচ্য শাসনাৱলী, পৃ ৭৮
৮৫ এই কঁহৰ থালখনি *Epigraphical Society of India*-ৰ চতুৰ্দশ গুৱাহাটী অধিবেশন উপলক্ষে অসম ৰাজ্যিক সংগ্ৰাহলয়ত প্ৰদৰ্শিত হৈছিল।
৮৬ Buhler, G—*IP*, P 96

সুদীৰ্ঘ প্ৰশস্তি খোদিত হৈছে[৮৭]। আবু গিৰি শিখৰত অৱস্থিত অচলেশ্বৰ মন্দিৰত সংৰক্ষিত ত্ৰিশূলসমূহৰ কোনো কোনোটালত ১৪৬৮ বিক্ৰমাব্দত খোদিত লিপি দেখিবলৈ পোৱা যায়[৮৮]। মধ্যযুগীয় বহুসংখ্যক লোৰ ৰবটোপত ফাৰ্চী, অসমীয়া, বঙলা প্ৰভৃতি লিপিৰ পয়োভৰ চকুত লগা। চাৰ এডোৱাৰ্ড গেইট চাহাবে তেওঁৰ *Report on the Progress of Historical Research in Assam* গ্ৰন্থৰ ওপৰচি ৰূপে ৰবটোপৰ গাৰ কেইখনিমান লিপিৰ উদ্ধৃতি দিছিল। ড° মহেশ্বৰ নেওগ সম্পাদিত 'প্ৰাচ্য শাসনাৱলী'ত জয়ধ্বজ সিংহ, চক্ৰধ্বজ সিংহ, উদয়াদিত্য সিংহ, চুতৈফা, গদাধৰসিংহ, ৰুদ্ৰসিংহ, পৰীক্ষিত নাৰায়ণ, প্ৰথমেশ্বৰী আৰু শিৱসিংহৰ ৰবটোপৰ লিপিৰ পাঠ সন্নিবিষ্ট হৈছে[৮৯]।

১১ **জন্তুৰ হাড়** ঃ—প্ৰাচীন চীনত জন্তুৰ হাড়ৰ ওপৰত আখৰ লিখাৰ পদ্ধতি প্ৰচলিত আছিল। হাড়ৰ ওপৰত শলাকা গৰম কৰি চীনা লোকে দৈৱবাণী লিখিছিল। চীনা ভাষাত তাৰ নাম 'চিয়া কু ওৱেন'। বলদৰ কান্ধৰ হাড়ত লিখা কিছু সংখ্যক লিপি উদ্ধাৰ হোৱাটো উল্লেখযোগ্য।

১২° **শামুকৰ খোলা** ঃ—বিগত অতীত জ্ঞান অন্বেষী মানৱে আন বস্তুৰ উপৰি শামুকৰ খোলাতো লিখিবলৈ লৈছিল। অন্ধ্ৰ প্ৰদেশৰ শ্ৰীককুলমত জিলাৰ বৌদ্ধ স্তূপৰ ধ্বংসাৱশেষৰ মাজত শামুকৰ খোলাত লিখা সংকলিত লেখ কিছু উদ্ধাৰ হৈছে[৯০]।

১৩ **হাতীৰ দাঁত** ঃ—হাতীৰ দাঁত মিহিকৈ কাটি তাৰ ওপৰত আখৰ লিখা, ছবি অঁকা প্ৰভৃতি কাৰ্য সম্পাদন কৰা হৈছিল। ব্ৰিটিছ মিউজিয়মৰ চেষ্টাৰচ সংগ্ৰহত (নং ১০) আন আন গ্ৰন্থৰ লগতে ৬½ × ৪ ইঞ্চি জোখৰ হাতীদাঁতৰ পাতত আখৰেৰে অলংকৃত আবৰণীয়ে অসমীয়া ভাষা আৰু ফাৰ্চী লিপিত লিখা 'বিবি বেমিয়াৰ জীৱনী' থকাটো অসমবাসীৰ বাবে গৌৰৱৰ বতৰা[৯১]।

১৪° **কাছৰ খোলা** ঃ—এটা কালত কাছৰ খোলাত তন্ত্ৰ, মন্ত্ৰ আৰু যন্ত্ৰ লিখাৰ পদ্ধতি বহুতো দেশত প্ৰচলিত আছিল[৯২]।

---

৮৭ Fleet—*CII*, Vol III, P 139, *Select Inscriptions*, P 275

৮৮ ওঝা—ভাৰতীয় প্ৰাচীন লিপিমালা, পৃ ১৫৪

৮৯ নেওগ, মহেশ্বৰ—প্ৰাচ্য শাসনাৱলী, পৃ ১০৭-১১

৯০ *Indian Archaeology*, 1953-54, Pl XVII

৯১ Bora, M—*EAS*, P 64

৯২ Sircar, D C—*Op Cit* P 74

১৫· দাৰু-ফলক :—কাঠৰ স্তম্ভ, নিৰ্মি, ফলক আৰু ইয়াৰে চ'তিত বিভিন্ন সম্ভাৰৰ ওপৰত মানুহে কেতিয়াৰেপৰা লেখিবলৈ শিকিছিল, তাক থাটাংকৈ ক'ব নোৱাৰিলেও লেখন সামগ্ৰীৰূপে যে তাৰ প্ৰয়োগ প্ৰাচীন, তাত অকণো সন্দেহ নাই। প্ৰথম্ শিকাৰুৱে কাঠৰ ফলকত আখৰ লিখিবলৈ শিকাৰ কথা 'জাতক'ত উল্লিখিত হৈছে[৯৩]। শিক্ষাৰ্থীয়ে বিদ্যালয়ত চন্দন কাঠৰ ফলক ব্যৱহাৰ কৰাৰ কথা 'ললিত বিস্তৰ' তো পোৱা যায়[৯৪]। ঋণ আদি দিয়া-লোৱাৰ চুক্তিৰ ক্ষেত্ৰত দাৰু ফলকৰ প্ৰয়োগৰ কথা মহাৰাষ্ট্ৰৰ নাসিক অনুশাসনত উল্লিখিত হোৱাটো আন এটি উল্লেখযোগ্য কথা[৯৫]। খৰিমাটি বা পাণ্ডু লেখেৰে লিখা ফলকলৈ বিভিন্ন স্থানত চলা-ফুৰা কৰাৰ কথা কাত্যায়ন স্মৃতিত থকা বুলি বুৰ্ণেলে জনাইছে[৯৬]। 'দশকুমাৰ চৰিত'ত নায়ক অপহৰণবৰ্মাই তেওঁৰ মনৰ কথা বহণ চৰোৱা দাৰু ফলকত লিখি প্ৰেয়সীলৈ প্ৰেৰণ কৰিছিল[৯৭]। সোণ-ৰূপৰ পানী চৰোৱা কাঠৰ পাতত লিখা হস্তলিখিত পুথি ব্ৰহ্মদেশৰ বৌদ্ধবিহাৰসমূহত দেখা যায়। উক্তদেশৰপৰা কাঠৰ পাতত লিখা হাতে লিখা পুথি নি ব্ৰিটিছ মিউজিয়মত সুৰক্ষা দিয়া হৈছে[৯৮]। ভাৰতবৰ্ষতো কাঠৰ ফলকত পুথি লিখা দস্তুৰ নথকা বুলিব নোৱাৰি[৯৯]। অসমৰপৰা এনে এখনি হস্ত লিখিত পুথি সংগ্ৰহ কৰি নি বোডলিয়াৰ গ্ৰন্থাগাৰত সুৰক্ষা দিয়াৰ সংবাদ উইনটাৰনিট্‌ছে লিপিবদ্ধ কৰাটো তাৎপৰ্যপূৰ্ণ[১০০]। উত্তৰ ভাৰতত দুখীয়া লোকসকলে খৰি মাটিৰে কাঠৰ ফলকত লিখা প্ৰায়ে দেখা যায়[১০১]।

দাৰু স্তম্ভ[১০২], চ'তি[১০৩], সিংহাসন, হস্তলিখিত পুথি থোৱা বাকচ প্ৰভৃতিৰ ওপৰতো লিখা পোৱা গৈছে। কাঠত পোকে ধৰা গুণে তাত হেঙুল (vermilion) আৰু

---

৯৩ কটাহক জাতক

৯৪ ললিত বিস্তৰ, দশম অধ্যায়

৯৫ Pandey, R —*Indian Palaeography*, P 74

৯৬ Burnell —*Op Cit* P 87, footnote 2

৯৭ দশকুমাৰ চৰিত, দ্বিতীয় উচ্ছাস্।

৯৮ Buhler G —*IP*, P 93 , ওঝা—প্ৰাগুক্ত গ্ৰন্থ, পৃ ১৪৬

৯৯ ওঝা—প্ৰাগুক্ত গ্ৰন্থ, পৃ ১৪৬

১০০ Buhler G —*IP*, P 93

১০১ Pandey R.—*Op. Cit*, P 74

১০২ *EI*, Vol, XVIII, P 152

১০৩ *Indian Archaeology*, 1955-56, Pl, XLIV A.

হাইতাল (arsenic) ঘঁহি তাৰ ওপৰত লাহ চবোৱা নিয়ম। তাৰ পিছত হে তাৰ ওপৰত লিখা অথবা চিত্ৰ অঙ্কন কৰা হয়। মধ্যযুগীয় অসমৰ বৈষ্ণৱ সত্ৰ-নামঘৰত সংৰক্ষিত সিংহাসনসমূহত বিভিন্ন ছবি আৰু লেখৰ পয়োভৰ চকুত লগা[১০৪]। অসমৰ পুথি থোৱা বাকচসমূহ চোম, কঁঠাল, তিতাচপা, চেগুণ প্ৰভৃতি কাঠৰে নিৰ্মিত। সিবোৰৰ ওপৰত হেঙুল হাইতাল ঘঁহি ছবি অঁকাটো মন কৰিবলগীয়া। গুৱাহাটী বিশ্ববিদ্যালয়ে শিৱসাগৰৰ পূৰ্ণানন্দ পৰমহংসৰপৰা সংগ্ৰহ কৰা 'শ্যামা ৰহস্য' (পুথি নং ১৩ ৯), গোৱালপাৰাৰপৰা সংগ্ৰহ কৰা 'অষ্ট মংগলা' (পুথি নং ১৮০২) আৰু 'লক্ষ্মী চৰিত', কামৰূপৰ নহিৰা সত্ৰত সংৰক্ষিত 'সেউতী কিৰণ' আৰু কোচবেহাৰৰ ৰাজকীয় গ্ৰন্থাগাৰত সংৰক্ষিত 'ভাগৱত'ৰ বাকচৰ ওপৰত অঁকা বিভিন্ন অৱতাৰ, ৰামচন্দ্ৰৰ প্ৰতি হনুমানৰ সেৱা, গোপী উদ্ধৱ সংবাদ, গোপী বিৰহ আৰু যুদ্ধাদিৰ গতিশীল চিত্ৰৰ প্ৰতিলিপি ড° ৰজতানন্দ দাশগুপ্তই তেওঁৰ *Eastern Indian Manuscript Painting* গ্ৰন্থত দিছে[১০৫]।

১৬° মমঃ—পাতল দাৰু ফলকৰ ওপৰত মমৰ এটা প্ৰলেপ দি তাৰ ওপৰত ষ্টাইলাছেৰে লিখা পদ্ধতি প্ৰাচীন গ্ৰীচ আৰু ইটালীত জনপ্ৰিয় আছিল। এই পদ্ধতিৰ লেখাসমূহ দীৰ্ঘম্যাদী হোৱাৰ লগতে নিৰ্ভুল হয়, কাৰণ ভুল হ'লেই ষ্টাইলাছৰ ভোটা মূৰটোৰে তাক মোহাৰি নতুনকৈ লিখিব পাৰি।

১৭° বাঁহৰ কামিঃ—প্ৰাচীন চীনত বাঁহৰ বহল কামিৰ ওপৰত লিখাটো বৰ জনপ্ৰিয় আছিল আৰু লিখা কামিবোৰ একগোটকৈ বান্ধি সিবোৰক গ্ৰন্থৰূপ দিয়া হৈছিল। দক্ষিণ চীনৰ পৰ্বতীয়া টাইসকলে বাঁহৰ কামিৰ ওপৰত আখৰ লিখা কাৰণে পাৰ্গত আছিল গুণে তেওঁলোকে লিখা আখৰক 'বাঁহ লিপি' ৰূপে জনা গৈছিল[১০৬]। বিনয় পিটক আৰু জাতকত বাঁহৰ পাতত লিখাৰ উল্লেখ আছে। অসমৰ টাইসকলে এটা কালত বাঁহৰ বহল কামি ২ ৩ ছেন্টিমিটাৰ বহল আৰু প্ৰায় ৪০ ছেন্টিমিটাৰ দৈৰ্ঘত কাটি তাৰ সোঁমাজতে এটা ফুটা কৰি সিবোৰত মঙ্গলচোৱা পুথি, মন্ত্ৰ প্ৰভৃতি লিখি ক্ৰমাংক অনুযায়ী জাপি মাজত কৰা ফুটাটোৰে সূতা এডাল পাৰ কৰাই গাঁঠি

১০৪ দাস, নাৰায়ণ—মদাৰগুৰি সত্ৰৰ সম্পদ (ফটিক হাজৰিকা সম্পাদিত তেজপুৰ জিলা সাহিত্য সভাৰ 'স্মৃতিগ্ৰন্থ' ১৯৮৯) আৰু 'কাঠৰ ফলিৰ চিত্ৰকলা' (ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য সম্পা চিহ্ন' ১৯৮১)

১০৫ Dasgupta, R—*Eastern Indian Manuscript Painting* গ্ৰন্থৰ ৭৬-৮১ চিত্ৰ ফলক চাওক।

১০৬ গগৈ, লীলা—আহোম জাতি আৰু অসমীয়া সংস্কৃতি, পৃ ১২৭

হৈছিল[১০৭]। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত সংৰক্ষিত 'গীত-গোবিন্দ'ৰ প্ৰতিলিপি এটা লিখা হৈছে বাঁহৰ কামি বা পাতত[১০৮]। অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে কিছু দিনৰ পূৰ্বে নলবাৰী জিলাৰ মাথিবাহাৰ খনীন্দ্ৰনাথ চৌধুৰীৰপৰা বাঁহৰ পাতত লিখা ভাগৱতৰ একাদশ স্কন্ধ এটি সংগ্ৰহ কৰিছে।

১৮ **জীৱ জন্তুৰ ছাল**ঃ—জন্তুৰ ছালত লিখাটো এটা পুৰণি প্ৰথা। গ্ৰীক মহাকবি হোমাৰৰ ইলিয়াড' আৰু 'ওডিচি অয়জয়তে সাপৰ ছালত লিখা হৈছিল বুলি জনশ্ৰুতি আছে। মধ্যযুগীয় এচিয়া আৰু ইউৰোপত চামৰাৰ প্ৰচুৰ প্ৰয়োগ হৈছিল। জন্তুৰ ছালৰ পাতক কোৱা হৈছিল ভেলাম (vellum) আৰু পাৰ্চমেণ্ট (parchment)। সিবোৰ গৰু ভেৰা আৰু ছাগলীৰ উৎকৃষ্ট পাতল ছালৰদ্বাৰা প্ৰস্তুত কৰা হৈছিল। এচিয়াৰ পাৰগেমাচ নগৰীত জন্তুৰ ছালৰ কৰ্ম বহুল ভাৱে কৰাৰ স্মৃতি বহন কৰিছে পাৰ্চমেণ্ট শব্দই। এটা কালত দামী, চিৰস্থায়ী তথা আভিজাত্যৰ নথি পত্ৰসমূহ ছালত লিখা হৈছিল। জন্তুৰ ছালত লিখা গ্ৰন্থৰ ভিতৰত 'ডেড-ছি স্ক্ৰোলচ (Dead-sea scrolls) ৰ নাম উল্লেখযোগ্য[১০৯]। ইজৰাইল আৰু জৰ্ডনৰ মধ্যৱৰ্তী ডেড-ছি অঞ্চলৰপৰা ইংৰাজী ১৯৪৫ চনত এজন বেদুইনে হঠাতে এটি গুহাৰপৰা কিছু সংখ্যক জন্তুৰ ছালৰ সুৰা পাই সিবোৰ কিছু অংশ জেৰুজালেম বিশ্ববিদ্যালয়ৰ হিব্ৰু বিভাগৰ অধ্যক্ষ E L Sukenik-ৰ ওচৰত আৰু অৱশিষ্ট কিছু সুৰা চিৰীয় সংৰক্ষণশীল গীৰ্জাৰ আৰ্ক বিচপ A Y Samuel ৰ ওচৰত বিক্ৰী কৰে। পিছত সেইবোৰৰ লিখাসমূহ ১৯৪৮ ৫৪ খ্ৰীষ্টাব্দৰ ভিতৰত Sukenik Collection -ৰ শিৰোনামত প্ৰকাশ পায়[১০৯]। উক্ত ছালৰ সুৰাবোৰৰ একো একোটিৰ দৈৰ্ঘ আছিল প্ৰায় ২৪ ২৫ মিটাৰ আৰু সিবোৰত লিখা হৈছিল আলকতৰা জাতীয় দ্ৰব্যেৰে। জন্তুৰ ছালৰ ওপৰত খোদাই আৰু বিভিন্ন বং অথবা সোণ-ৰূপৰ পানী চৰাই লিখা অথবা ছবি অঁকাও দেখা যায়। ভাৰতবৰ্ষত অৱশ্যে জন্তুৰ ছালত লেখা খুব বেছি পোৱা নাযায়। ইয়াৰ কাৰণ হয়তো প্ৰাচীন হিন্দুসকলে হৰিণ আৰু বাঘৰ চৰ্ম বিনে বাকীবোৰক অপৱিত্ৰ জ্ঞান কৰাটো[১১০]। হ'লেও পুৰণি ভাৰতীয় সাহিত্যত জন্তুৰ

---

১০৭ গগৈ, লীলা—অসমৰ সংস্কৃতি, পৃ ৩৮

১০৮ Bora, M —*EAS*, P 64

১ ৯ Burrows M —*The Dead Sea Scrolls* (*1955*) আৰু *More Light on the Dead Sea Scrolls* (1958) দ্ৰষ্টব্য।

১১০ Pandey, R —*Op Cit*, P 74

ছালক লেখন সামগ্ৰীৰূপে স্বীকৃতি নিদিয়া নহয়[১১১]। সুবন্ধুৰ 'বাসবদত্তা'ৰপৰা তেওঁৰ কালত ছালত লিখা হৈছিল বুলি অনুমান কৰিব পাৰি। জৈন গ্ৰন্থাগাৰত 'বৃহজ্জানকোষ' শীৰ্ষক জন্তুৰ ছালত লিখা পুথি এখনি থকাটো এই ক্ষেত্ৰত উল্লেখযোগ্য[১১২]। মোগলৰ ৰাজত্বকালত বিভিন্ন মূল্যবান গ্ৰন্থৰ মলাট চামৰাৰে প্ৰস্তুত কৰি তাত মনোৰম চিত্ৰ আৰু সুলেখন কলাৰ সংযোগ ঘটোৱা হৈছিল। আদিতে অসমৰ আহোমসকলে ম'হ আৰু পহুৰ ছাল সিহি কৰি জোখকৈ কাটি (সিবোৰ দেখাত সাঁচিপাত-তুলাপাত প্ৰভৃতিতকৈ ডাঙৰ আছিল) তাৰ ওপৰত লিখিবলৈ লৈছিল যদিও তেনে পুথি পোক-পৰুৱাৰ উপৰি এন্দুৰ-নিগনিয়েও বৰকৈ নষ্ট কৰাৰ ফলত সেই ব্যৱস্থা অনুক্ৰমে নাইকিয়া হৈ আহে[১১৩]। ড গগৈয়ে ম'হৰ ছাল আৰু পহুৰ ছালত লিখা দুখনি বুৰঞ্জী নিজে দেখিবলৈ পাইছিল [১১৪] যদিও তেনে সংগ্ৰহ সৰহ নহয়। তন্ত্ৰ মন্ত্ৰাদি ওঁই সাপৰ ছালত লেখা পোৱা যায়।

১৯ কাপোৰ ঃ—অতি পুৰণি কালৰেপৰা কাপোৰৰ ওপৰত লিখা প্ৰথা প্ৰচলিত হৈ আহিছে। চীন দেশত মূল্যবান নথি-পত্ৰবোৰ লিখা হৈছিল পাটৰ কাপোৰত। পাটৰ কাপোৰৰ চীনা নাম 'পো' আৰু তাত লিখা গ্ৰন্থসমূহৰ নাম পো চু' বা 'চিয়েন চু'। ইয়াৰ ভাৰতীয় নাম পট, পটিকা অথবা কাৰ্পাসিক পাট। খ্ৰীষ্টপূৰ্ব চতুৰ্থ শতাব্দীত ভাৰতবৰ্ষলৈ অহা গ্ৰীক কটকী নিয়াৰ্কচে উল্লেখ কৰি গৈছে যে ভাৰতবাসীয়ে হাতেৰে কোবাই তৈয়াৰ কৰা কপাহৰ কাপোৰত চিঠিপত্ৰ লিখিছিল [১১৫]। Hwui Li য়ে ৰচনা কৰা *Life of Hiuen Tsiang*-ত লিখিছে যে সম্ৰাট হৰ্ষবৰ্ধনে কিছু সংখ্যক বগা কাপোৰত লিখি সিবোৰ ৰঙা মমেৰে মোহৰ মাৰি চীনা পৰিব্ৰাজক জনা যি দেশৰ মাজেদি পৰিভ্ৰমণ কৰিব সেই দেশৰ লোকৰ মাজত বিলাই দিবলৈ বুলি পৰিব্ৰাজকৰ পথ-প্ৰদৰ্শক (মহত্তৰ) সকলৰ হাতত প্ৰদান কৰিছিল [১১৬]। ৰাজবৰ্ষৰ (১৩১৯) ৰাজকীয় শাসনমালা তাম্ৰপট্ট অথবা কাৰ্পাসিক

১১১ Introductın to *Kachchayana*, P, 27 , Buhler—*IP*, P 5

১১২ ওঝা—ভাৰতীয় প্ৰাচীন লিপি, পৃ ১৪৭

১১৩ গগৈ, লীলা—আহোম জাতি আৰু অসমীয়া সংস্কৃতি, পৃ ১২৮

১১৪ Gogoı, L—*Buranjis. Historical Literature of Assam*, P 320

১১৫ Strabo—Geographica, XV, P 717 , Buhler—*IP*, P 96

১১৬ Beal—Eng. translation, P 190

পটত (কাপোৰত) লিখা বাঞ্ছনীয়। অষ্টম খ্ৰীষ্টাব্দৰ আদি ভাগৰ বুলি সাব্যস্ত কৰা এখনি অনুশাসনত 'ক্ৰয় চিবিকা' [117] (a deed of purchase written on a piece of cloth) শব্দৰ ব্যৱহাৰৰ উপৰি পৰৱৰ্তীকালীন সাতবাহনসকলৰ তাম্ৰলিখিনি অনুশাসনত 'পটিকা' [118] শব্দৰ প্ৰয়োগ চকুত লগা। ড° বুহ্লৰে এখনি জৈন ধৰ্মৰ পুথি 'বৃহজ্ঞান কোষ' যশমেৰৰ শৃংগেৰী মঠৰপৰা উদ্ধাৰ কৰিছিল[119]। জৈন কবি শ্ৰীপ্ৰভসূৰীয়ে ১৪১৮ বিক্ৰমাব্দত ৰচনা কৰা 'ধৰ্মবিধি' শীৰ্ষক কাপোৰত লিখা পুথি এখনি অনহিলৱদ পত্তনৰপৰা পেটাৰচনে উদ্ধাৰ কৰাৰ সংবাদো বুহ্লৰেই সন্নিবিষ্ট কৰিছে [120]। মধ্য এচিয়াৰ কোনো এক বলুকা স্তূপতো ৰেচমত লিখা লেখ উদ্ধাৰ হৈছে [121]। ৰাজস্থানৰ জ্যোতিষীসকলে কোনোবা কাহানিবেলৰপৰা দীঘল কপোৰত জ্যোতিষৰ চক্ৰ আৰু অন্যান্য জ্ঞাতব্য কথা লিখি আহিছে[122]। মহীশূৰৰ সদাগৰসকলে স্থায়ীভাৱে বখাবলৈ কাপোৰ ব্যৱহাৰ কৰে। সেই কাপোৰবোৰত মাৰ দি শুকাই লৈ পিছত কাজলেৰে কলা কৰি আকাৰ মতে কাটি লয়। সেইবোৰৰ স্থানীয় নাম 'কড়িতম'। তাৰ ওপৰত লিখা হয়—খৰিমাটিৰে [123]। লেখন সামগ্ৰীৰূপে কাপোৰৰ ব্যৱহাৰৰ কথা এল ডি বাৰ্নেটে বহলাই আলোচনা কৰিছে [124]। দীঘল কাপোৰত লিখি তাক জাপি থোৱা পদ্ধতি পূৰ্বাঞ্চলৰ সৰ্বত্ৰ প্ৰচলিত [125]।

পূৰ্বাঞ্চলৰ অসমত সূতা কাপোৰৰ উপৰি পাট আৰু মুগাৰ কাপোৰো লেখন সামগ্ৰীৰূপে ব্যৱহাৰ কৰাটো মন কৰিবলগীয়া। সিবোৰত মাটিমাহ (*Phaseolus aconitifolius*), বৰা অথবা আন এঠাযুক্ত চাউলৰ মিহি মণ্ড আৰু গাখীৰৰ মাৰ দিয়াৰ ফলত সিবোৰ খট্‌খটীয়া হৈছিল আৰু পিছত তাক জাপি পুথিৰ আকাৰ দিয়া হৈছিল[126]। মুগাৰ কাপোৰত মহাপুৰুষ মাধৱদেৱৰ 'নামঘোষা'খনি এনেদৰে লিখি জাপি-জুপি

১১৭ *EI*, Vol XXVI, P 246

১১৮ Sircar D C—*Select Inscriptions*, PP 192 & 201

১১৯ Buhler G—*Op cit* P 95

১২০ Buhler, G—*Ibid*, P, 95

১২১ Chakravarty, N P—*India and Central Asia* P 75

১২২ ওঝা,—প্ৰাগুক্ত গ্ৰন্থ, পৃ ১৪৬

১২৩ Sircar, D C—*Indian Epigraphy*

১২৪ Barnett, L. D—*Antiquities of India* দ্ৰষ্টব্য।

১২৫ Dasgupta, R—*Op Cit*, P 97

১২৬ Gogoi, L.—*Buranji*, P 319

পুথিৰ আকাৰত উমনিৰ চামুণ্ডৰি সন্ত্ৰম সংৰক্ষণ কৰাটো এই খিনিতে উল্লেখযোগ্য[১২৭]। 'নামঘোষা'ৰ পদ্ম থকা কপাহী কাপোৰৰ ফিতা এডাল মানৰ আক্ৰমণৰ কালত ব্ৰহ্মদেশ পায়গৈ[১২৮]। বৰ্তমানে সেই সম্পদ ফেৰাই অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত সুৰক্ষা পাইছে। আহোম সকলে মুগা কাপোৰত লিখা কেবাখনো বুৰঞ্জী এতিয়াও বিভিন্ন জনৰ হাতত অক্ষত অৱস্থাত আছে।

২০ **পেপাইৰাছ**ঃ—ইজিপ্তৰ নীল নদৰ পাৰত চাৰি-পাঁচ মিটাৰ উচ্চতাৰ নল-খাগৰী জাতীয় চাইপেৰছ পেপাইৰাছ (*Cyperus papyrus*) নামৰ জলজাত উদ্ভিদ প্ৰচুৰ পৰিমাণে পোৱা যায়। তাৰ বাকলি গুচাই জোখ মতে কাটি তৰপ তৰপকৈ জাপি পানীত ভিজাই কোবাই মিহি কাগজৰ ৰূপ দিয়াৰ পিছত তাৰ ওপৰত শংখ শামুখৰ খোলা ঘহি মিহি কৰাৰ পিছত বং সানি আখৰ লিখাৰ উপযোগী কৰি তোলা হয়। পেপাইৰাছসমূহত আঠা লগাই ইচ্ছা মতে দীঘলীয়া কৰাৰ সুবিধা থকা গুণে সিবোৰৰ দৈৰ্ঘ্য কেতিয়াবা ৪ মিটাৰলৈকে বৃদ্ধি পায়। সাধাৰণতে সিবোৰ পকাই মুৰা কৰি থোৱাটো মন কৰিবলগীয়া। জয়জয়তে মিছৰত লেখন সামগ্ৰী ৰূপে ব্যৱহাৰ হোৱা পেপাইৰাছৰ ব্যৱহাৰ এচিয়া আৰু ইউৰোপৰ বিভিন্ন দেশলৈ সম্প্ৰসাৰিত হয়। মিছৰত খ্ৰী পূ ষোড়শ শতাব্দীৰেপৰা (অষ্টাদশ আৰু উনবিংশ ৰাজবংশৰ কালৰেপৰা) পেপাইৰাছৰ বুকুত 'Pert em Hru' মৃতৰ পুস্তক (*Book of the Dead*) ৰচনা কৰি মৃতকৰ কফিনত সুমাই দিয়া হৈছিল। সেইবোৰ আজিও অক্ষত অৱস্থাত আছে আৰু সিবোৰ তুৰিণ পেপাইৰাছ' ৰূপে প্ৰখ্যাত[১২৯]।

২১ **তালপাত**ঃ—অতীত ভাৰতৰ বহুল প্ৰচলিত সামগ্ৰীসমূহৰ ভিতৰত তালপাত প্ৰধান। ইয়াৰ সংস্কৃত নাম তাল (তাড়) বা তালী (তাড়ী) আৰু উদ্ভিদ বিজ্ঞানৰ নাম হ'ল *Borassus flabelliformis* আৰু *Coryfa umbrculifera* বৌদ্ধ জাতকৰ লেখন সামগ্ৰীৰূপে পন্নৰ নামোল্লেখ হৈছে[১৩০]। ড বুহলৰৰ মতে তালপত্ৰ আৰু পন্ন অভিন্ন[১৩১]। জনপ্ৰবাদ অনুযায়ী বুদ্ধদেৱৰ ঠিক মৃত্যুৰ পিছতেই তেওঁৰ

---

১২৭ Dasgupta, R —*Op Cit*, P 97 , Bora, M — *EAS* P 64

১২৮ বুঢ়াগোহাঁই, পূৰ্ণকান্ত—পুৰণি অসমীয়া শিল্পৰ গৌৰৱজনক নিদৰ্শন (আৱাহন, ৫/১ সংখ্যা)

১২৯ Budge, W —*Facsimilies of Egyptian Hieratic Papyri in British Museum* (1911) আৰু *Book of the Dead* (1968) দ্ৰষ্টব্য।

১৩০ কটাহত জাতক, মহাসুত সোম জাতক আদি।

১৩১ Buhler— *IP*, P, 94

সমগ্ৰ বাণী প্ৰণালীবদ্ধভাৱে তালপাতত লিখাৰ ব্যৱস্থা কৰা হৈছিল[১৩২]। খ্ৰীষ্টীয় সপ্তম শতাব্দীত ভাৰত ভূমিলৈ অহা চীনা পৰিব্ৰাজক হিৱেন চাঙে এই দেশৰ সৰ্বত্ৰ তালপাতত লিখা দেখিবলৈ পাইছিল[১৩৩] আৰু আলবেৰুণী অহাৰ কাললৈকে তাৰ অকণো জনপ্ৰিয়তা কমা নাছিল[১৩৪]। 'বোৱাৰ পাণ্ডুলিপি' আৰু তক্ষশীলাৰ পটিকা তাম্ৰলেখ (খ্ৰী ২১) তালপত্ৰৰ আহিত তৈয়াৰ কৰাটোৱে পৰোক্ষভাৱে তৃতীয় সম্ভাৱটিৰ জনপ্ৰিয়তাত এচেৰেঙা পোহৰ পেলায়[১৩৫]। ষোড়শ শতাব্দীত অসমত ৰচিত বুলি সাব্যস্ত কৰা 'যোগিনী তন্ত্ৰ'তো তালপত্ৰৰ উল্লিখনে ইয়াৰ জনপ্ৰিয়তাৰ আন এটি দিশ উদঙাই দিয়ে[১৩৬]। তালপাত মূলত দাক্ষিণাত্যৰ সামগ্ৰী। লাহে লাহে ই উত্তৰ ভাৰতলৈ অগ্ৰসৰ হ'লেও কাশ্মীৰ, পঞ্জাৱ, ৰাজস্থান আৰু অসমত জনপ্ৰিয়তা লাভ কৰিব নোৱাৰিলে। জলবায়ু অনুকূল নোহোৱা কাৰণেই হয়তো দাক্ষিণাত্যত অতি প্ৰাচীন তালপত্ৰত লিখা পুথি পোৱা নাযায়। ইয়াৰ প্ৰাচীনতম নিদৰ্শনসমূহ বহি ভাৰতত্‌হে উদ্ধাৰ হৈছে। এই ক্ষেত্ৰত জয়জয়তে কুষাণৰাজ কণিষ্কৰ সভাকবি অশ্বঘোষ বিৰচিত 'শাৰিপুত্ৰ প্ৰকৰণ' বা 'শাৰদ্বতী পুত্ৰপ্ৰকৰণ'লৈ নিৰ্দেশ কৰিব পাৰি। তালপাতত লিখা উক্ত নাটকৰ কিছু অংশ তুৰ্ফানত উদ্ধাৰ হৈছে[১৩৭]। মধ্য এচিয়াৰ ভিন্ন স্থানত প্ৰাপ্ত তালপাতত লিখা পুথিৰ ভিতৰত সংস্কৃত 'উদানবৰ্গ', কুমাৰ লাতৰ 'কল্পনা মণ্ডিতিকা' উল্লেখযোগ্য[১৩৮]। কাছগড়ত উদ্ধাৰ হোৱা 'প্ৰজ্ঞা পাৰমিতা হৃদয় সূত্ৰ'ৰ ৰচনাকাল খ্ৰীষ্টীয় চতুৰ্থ শতাব্দী আৰু জাপানৰ হেৰ্‌য়ুজী মঠত সুৰক্ষিত 'উষ্ণীষ বিজয় ধাৰিণী'ক খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীৰ সম্পদৰূপে সাব্যস্ত কৰা হৈছে[১৩৯]। নেপালত উদ্ধাৰ হোৱা 'স্কন্দপুৰাণ' (সপ্তম শতাব্দী), 'পৰমেশ্বৰ তন্ত্ৰ'

---

১৩২ Beal—*Life of Hiuen Tsiang*, P 117

৩৩ Beal—*Si yu ki*, Vol II, P 225

১৩৪ *Alberuni's India*, Part I P 171

১৩৫ Sircar, D C—*Indian Epigraphy*, P 62

১৩৬ যোগিনী-তন্ত্ৰ ২ ৭ ১৫

১৩৭ *Koeniglich Preussische Turfan-Expeditionen*. Kleinere Sanskrit Texte, Heft I, আৰু *Das Sariputra-Prakarana* (1911) দ্ৰষ্টব্য।

১৩৮ Chakravarti, N P—*India and Central Asia* PP 35-41

১৩৯ *Annecdota Oxoniensia*, Vol I, Part III, Pl I-IV

(নৱম খ্ৰীষ্টাব্দ), 'লংকাৱতাৰ' (৯০৭ খ্ৰীষ্টাব্দ), 'কীৰ্তনতন্ত্ৰ' (৯২৫ খ্ৰী) প্ৰভৃতিবো লেখন সামগ্ৰী—তালপাত[১৪০]।

তালপাতক লেখন সামগ্ৰীলৈ ৰূপান্তৰিত কৰাৰ পদ্ধতি এনেধৰণৰ—পোনতে তালপাতসমূহ দীঘলকৈ কাটি উলিয়াই জোখমতে চুৱো মুৰ কাটি ব'দত শুকাবলৈ দি পিছত পানীত সিজাই পুনৰাৰ ব'দাই তেতেলিৰ গুটিৰ বস বোলাই শিল অথবা শঙ্খ শামুখৰ খোলাৰে মিহি কৰাৰ পিছত হৈ উঠে লিখাৰ উপযোগী। লিখিবলৈ সাজু কৰা পাতবোৰ দীঘলে প্ৰায় ১২০ চেণ্টিমিটাৰ আৰু পুতলে ৪ চেণ্টিমিটাৰৰ পৰা ১০ চেণ্টিমিটাৰৰ ভিতৰত[১৪১]। তালপাতবোৰ লিখাৰ পিছত ক্ৰমাংক অনুযায়ী সজাই তলে ওপৰে দুফলা কাঠ দি বান্ধি ৰখা নিয়ম। তালপাতসমূহৰ মাজত এটা ঘুৰণীয়া বিন্ধা থাকে আৰু সেই বিন্ধাটোৰে সূতা সুমাই তালপাতসমূহ গাঁঠি গ্ৰন্থৰূপ দিয়াটো মন কৰিবলগীয়া[১৪২]। তালপাতৰ আকাৰ অধিক দীঘল হ'লে সোঁহাতৰ মাজত প্ৰথমটো আৰু বাওঁহাতৰ মাজত দ্বিতীয়টো ফুটা কৰি দুডাল সূতাৰ গ্ৰথিত কৰা চকুত পৰে। তালপতীয়া পুথিবোৰ বহুসময়ত ভাঙৰ কাঠৰ বাকচত ভৰাই থোৱা পোৱা যায়।

উত্তৰ ভাৰতৰ সাধাৰণতে তালপাতৰ ওপৰত চিয়াহি কলম আৰু তুলিকাৰে লিখা আৰু চিত্ৰ ৰচনা কৰা হয় যদিও দাক্ষিণাত্যত ইয়াৰ ওপৰত তীক্ষ্ণ লোৰ শলাকাৰে আখৰৰ দাগ কাটি তাৰ ওপৰত চিয়াহি ঘহি দিয়া পদ্ধতিৰ হে প্ৰচলন আছিল। কলমেৰে লিখা গুণে উত্তৰ ভাৰতীয় লিপিসমূহ কোণ সৰ্বস্ব, আনহাতে লোৰ শলাকাৰে কৌণিক ৰূপত অক্ষৰৰ ৰূপদান দিবলৈ গ'লে তালপাত ফাটি যোৱাৰ সম্ভাৱনা অধিক গুণে দাক্ষিণাত্যৰ তালপাতত লিখা আখৰসমূহত চক্ৰ কিংবা অৰ্ধচক্ৰ বহুত। তালপাতৰ লিপিয়ে তাম্ৰপট্ট নাইবা শৈললেখৰ লিপিকো প্ৰভাৱান্বিত কৰিবলৈ সমৰ্থ হয়। আল বেৰুণীয়ে উল্লেখ কৰি গৈছে যে তালপাতৰ পুথিৰ গ্ৰন্থৰ নামটো পূৰ্বতে নিদি অন্তিমতহে প্ৰকাশ কৰে[১৪৩]।

---

১৪০ Sastri, H P —*Catalogue of Palm-Leaf and Selected, Paper Mss*, P 52

১৪১ Sachau এ লিখিছে—leaves of length of one yard as broad as three fingers (P 171)

১৪২ Chakravarty, C —*Study of Manuscripts* (1941) আৰু Value and Importance of Manuscripts in older Times (*JRAS*, 1950, Vol, I) দ্ৰষ্টব্য।

১৪৩, Sachu—*Alberuni's India*, Part I, P 182

বৰ্মা আৰু শ্যাম দেশত তালপাত বহলভাবে ব্যৱহাৰ হৈছিল। আহিতে ব্ৰহ্মদেশীয় সংস্কৃতিত শৰণাপন্ন অসমৰ নৰা, টুৰুং,খামতি আদি লোকসকলেও তালপাতত লিখিছিল। বুৰঞ্জীপ্ৰেমী সৰ্বানন্দ ৰাজকুমাৰে ইং ১৯৪০ চনত লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰ-খেৰাজখাট মৌজাৰ বৰখামতি গাঁৱত ৰাজবংশধৰ এজনৰ ঘৰত খামতি আখৰত লিখা ছখনি তালপাত দেখিবলৈ পাইছিল। পাতবোৰ হালধীয়া ৰঙৰ আৰু প্ৰতি পিঠিতে আছিল—একোশাৰীৰ লেখা। সেইকেইখনি তামৰ চুঙা এটাত ভৰাই থোৱা আছিল[১৪৪]। ড লীলা গগৈয়েও দিচাংপানীৰ বৌদ্ধবিহাৰ বিশেষত তালপাতৰ ওপৰত সোণৰ পানী ছটিয়াই লাৰ আখৰেৰে লিখা পুথি এখনি দেখাৰ কথা একাধিক স্থানত উল্লেখ কৰিছে[১৪৫]।

২২ ভূৰ্জ পত্ৰ ঃ—পূৰণি কালত লেখন সামগ্ৰীৰূপে বহুল প্ৰচলিত সামগ্ৰীসমূহৰ ভিতৰত ভূৰ্জপত্ৰৰ নামো উল্লেখযোগ্য। ভূৰ্জপত্ৰ আচলতে ভূৰ্জগছৰ (*Betulautılıs* বা *Betula Bhojpathrawall*) পাত নহয়,ভিতৰৰ বাকলিহে। এই গছ হিমালয়ৰ পাদদেশ আৰু জাপানত প্ৰচুৰ পৰিমাণে পোৱা যায়। ইয়াৰ ব্যৱহাৰ জয়জয়তে উত্তৰ পশ্চিম ভাৰতবৰ্ষত হৈছিল যদিও অনুক্ৰমে সমগ্ৰ মধ্য ভাৰততে ই জনপ্ৰিয়তা অৰ্জন কৰে[১৪৬]। এইবিধ লেখন সামগ্ৰীৰ কথা পোন প্ৰথমে উল্লেখ কৰে গ্ৰীক লিখক কিউ, কাৰ্টিয়াচে[১৪৭]। ভাৰতীয় গ্ৰন্থ 'অমৰ কোষ'ত ইয়াৰ উল্লেখ আছে[১৪৮] আৰু মহাকবি কালিদাসে তেওঁৰ 'কুমাৰ সম্ভৱ'ত ইয়াৰ যশগানত এটি শ্লোক খৰছ কৰিছে—'এই হিমালয়ৰ ভূৰ্জপত্ৰত ধাতুৰসৰ সহায়েৰে যি আখৰ লিখা হয়, সি হস্তীদেহৰ ৰঙা বিন্দুৰ দৰেই। এই ভূৰ্জপত্ৰই সুন্দৰী বিদ্যাধৰীসকলৰ প্ৰেমপত্ৰ ৰচনাত সাহায্য আগবঢ়ায়'[১৪৯]। উত্তৰ ভাৰতীয় বৌদ্ধভিক্ষুসকলৰ ৰচনাত ইয়াৰ সঘন উল্লিখন তাৎপৰ্যপূৰ্ণ[১৫০]। আজ বেৰুণীয়েও এইবিধ সামগ্ৰীৰ পৰিচয় আগবঢ়াবলৈ পাহৰা নাই।

---

১৪৪ ৰাজকুমাৰ, সৰ্বানন্দ—ইতিহাসে গোঁৱৰা ছশটা বছৰ, পৃ ২৩৫

১৪৫, গগৈ, লীলা—আহোম জাতি আৰু অসমীয়া সংস্কৃতি, পৃ ১২৯

১৪৬ Mitra, R —*Gough's Papers*, P 17

১৪৭ Mac Cridle—*History of Alexander's Invansion of India* VIII, P 9

১৪৮ ভূৰ্জে চৰ্মিমৃদুত্বচৌ। ২ ৪ ৪৬

১৪৯ ন্যস্তাক্ষৰা ধাতুৰসেন যত্ৰ ভূৰ্জত্বচঃ কুঞ্জৰ-বিন্দু শোণা।
ব্ৰজন্তি বিদ্যাধৰ—সুন্দৰীণামনংগলেখ—ক্ৰিয়য়োপযোগম্॥ কুমাৰ ১/৭

১৫০ Pandey, R —*Op, Cit*, P 68

তেওঁ লিখিছে—'They take a piece one yard long and as broad as the outstretched fingers of the hand, or some what less, and prepare it in various ways They oil and polish it so as to make it hard and smooth, and then they write on it'[১৫১] তালপাতৰ দৰে ভূৰ্জপাতবো সোঁমাজত এটা অথবা দুইযুৰে দুটা বিন্ধা কৰি সূতা এডালেৰে লিখা, পাতবোৰ ক্ৰমাংক অনুযায়ী সাঁথি লৈ ওপৰত আৰু তলত দুচটা কাঠেৰে বান্ধি থোৱা হয়। অৱশ্যে কাশ্মীৰৰ ফালে কিছুসংখ্যক ভূৰ্জপত্ৰৰ পুথি জন্তুৰ ছালেৰে বান্ধি থোৱা ও পোৱা গৈছে।

ভূৰ্জপত্ৰত লিখা পুথিৰ ভিতৰত প্ৰথমে উল্লেখ কৰিব পাৰি খোতানত পোৱা প্ৰাকৃত 'ধম্ম পদ'খনিৰ কথা। এইখনি খ্ৰীষ্টীয় দ্বিতীয় কিংবা তৃতীয় শতাব্দীৰ সম্পদ[১৫২]। বৌদ্ধ সংস্কৃতত লিখা 'সংখ্যাগমসূত্ৰ' খনি চতুৰ্থ খ্ৰীষ্টাব্দত লিখা। বোৱাৰ পাণ্ডুলিপি আৰু বক্সালী পাণ্ডুলিপি খ্ৰীষ্টীয় অষ্টম শতাব্দীৰ সম্ভাৰ[১৫৩]। পঞ্চদশ যোড়শ খ্ৰীষ্টাব্দত লিখা ভূৰ্জপাতৰ পুথি কাশ্মীৰ, পুণে, লণ্ডন অক্সফোৰ্ড বাৰ্লিন আৰু ভিয়েনাৰ গ্ৰন্থাগাৰত সুৰক্ষিত হৈছে। ভাৰতৰ বিভিন্ন স্থানত আজিও ভূৰ্জপাতত লিখা পুথি ভালেখিনি পোৱা যায়। 'যোগিনী তন্ত্ৰ'ত ভূৰ্জপত্ৰৰ উল্লিখন মন কৰিবলগীয়া[১৫৪]। পুৰণি অসমত মন্ত্ৰৰ লেখন আৰু যন্ত্ৰ অংকনৰ ক্ষেত্ৰত ভূৰ্জপাত ব্যৱহাৰ হৈছিল আৰু সিবোৰ ভোট দেশৰপৰা (ভূটান) আমদানি কৰা হৈছিল[১৫৫]।

২৩ সাঁচিপাত :—সাঁচিপাত আচলতে পাত নহয়—অগৰু গছৰ ভিতৰৰ ছালহে। উদ্ভিদ বিজ্ঞানৰ ভাষাত ইয়াৰ নাম Aquilaria agallocha, লেখন সামগ্ৰী ৰূপে ইয়াৰ ব্যৱহাৰ উত্তৰ-পূৰ্ব ভাৰতৰ একমাত্ৰ অসমত বিনে আন ঠাইত হোৱাৰ নজিৰ নাই[১৫৬]। লিখাৰ সামগ্ৰীৰূপে অসমত ব্যৱহাৰ হোৱা সাঁচিপাতৰ প্ৰথম উল্লেখ পোৱা যায় বাণভট্টৰ হৰ্ষচৰিতত। কুমাৰ ভাস্কৰবৰ্মাই উত্তৰ ভাৰতৰ হৰ্ষ শিলাদিত্যলৈ উপঢৌকনৰূপে পঠোৱা নানা সামগ্ৰীৰ ভিতৰত অগৰুৰ বাকলিত লিখা সুভাষিত

১৫১ Sachu—*Op Cit*, P 171
১৫২ ওঝা—ভাৰতীয় প্ৰাচীন লিপিমালা, পৃ ১৪৪
১৫৩ ওঝা—একে গ্ৰন্থ পৃ ১৪৪
১৫৪ যোগিনী তন্ত্ৰ, ২ ৭ ১৫
১৫৫ Gogoi, L—*Buranji*, P 319
১৫৬ *JASB*, 1894, P 109, Sircar, D C—*Indian Epigraphy*, P 65

ৰচনৰ সংগ্ৰহ পুথি (অগৰু বল্কল কল্পিত সঞ্চয়ানি চ সুভাষিত ভাঞ্জি পুস্তকানি[১৫৭]) আছিল অন্যতম। সাঁচিপাতৰ প্ৰস্তুতকৰণ আৰু তাৰ ওপৰত লেখন পদ্ধতি বেচ উন্নত আছিল। চাৰ এডোৱাৰ্ড গেইট চাহাবে সাঁচিপাত প্ৰস্তুতিৰ বিৱৰণী দিছে এনেদৰে—'৩০ ৩৫ ইঞ্চি (৭৫ ৰ পৰা ৮৮ ছে মি) বেৰৰ পোন্ধৰ বোল বছৰীয়া অগৰু গছ এডাল বাচি লৈ মাটিৰপৰা চাৰি ফুটমান (প্ৰায় ১২০ ছে মি) ওপৰৰ বাকলি ছয় ফুটৰপৰা (১৮০ ছে মি) ১৮ ফুটলৈ (৫৪০ ছে মি) দীঘল আৰু তিনিৰ পৰা ২৭ ইঞ্চিলৈ (৮ ছে মি -ৰ পৰা ৬৮ ছে মি) বহল কৰি একৰাই ভিতৰৰ ফালটো বাহি-ৰলৈ কৰি সুবিধাই লৈ ৰ'দত কেবাদিনো শুকোৱা প্ৰয়োজন। বাকলিৰ ওপৰত টান ভাগটো একৰাবৰ বাবে হাতেৰে কাঠৰ তক্তা বা তেনে জাতীয় আন বস্তুৰে ঘঁহি নিয়ৰত এনিশা দি পিছদিনা পুৰাৱ ভাগতে অতি সাৱধানে ওপৰৰ নিকৰিথন গুচাই সুবিধামতে ৯ ইঞ্চিৰ পৰা ২৭ ইঞ্চিলৈ (২৩ ছে মি ৰ পৰা ৬৮ ছে মি) দীঘল আৰু ৩ ৰ পৰা ১৮ ইঞ্চিলৈ (৮ ছে মি পৰা ৪৫ ছে মি) বহল কৰি কাটিব লাগে[১৫৮]। তেনেদৰে কটা ছালবোৰৰপৰা খাৰপানীখিনি গুচাবলৈ এঘণ্টামান চেঁচা পানীত ডুবাই থৈ কটাৰীৰে চাঁচি ওপৰথন মিহি কৰা প্ৰয়োজন। তাৰ পিছত ভালদৰে ৰ'দাই লৈ তাৰ ওপৰত পোৰা ইটা ঘাঁহিব লাগে। শেষত মাটি মাহেৰে তৈয়াৰী কৰাল আৰু হালধীয়া ৰং সানি পাতবোৰ ভালদৰে ৰ'দত শুকাই ধাতুৰে মোহাৰি চিকুচিকীয়া কৰাৰ পিছত সিবোৰ হৈ পৰে লিখাৰ উপযোগী[১৫৯]। সাঁচিপাতত পোৰা ইটা অথবা শিলেৰে ঘহা কৰ্মটোক স্থানীয়ভাৱে জাও বা ঝাউ দিয়া বুলিছিল[১৬০]। লিখাৰ উপযোগী হোৱাৰ পিছত পাতবোৰ জাপি, কুটনীৰে জুখি, সোঁ মাজতে এটা বিন্ধা দিয়া দৰ্কাৰ[১৬১]। সেইটো লোৰ শলাকাৰে দিয়া অনুচিত, আন কঠিন

১৫৭ হৰ্ষচৰিত

১৫৮ সাঁচিপাতৰ মাপ আকাৰৰ সন্দৰ্ভত 'যোগিনী তন্ত্ৰ'ত আছে—'এক হাত বা একমুঠি পৰিমাণ দীঘল আৰু বহিভাগ পৰ্যন্ত বাৰ আঙুল, দহ আঙুল বা আঠ আঙুল বহল হ'ব লাগিব। ইয়াতকৈ কম নকৰিব। চিৰন্তন পুথিসমূহত বাহুমাত্ৰ পৰিমাণ দীঘলীয়া হোৱা উচিত।' যোগিনী ২।৭।১১ ১২

১৫৯ Gait, A—*A History of Assam*, Appendix D, P 375

১৬০ কথা গুৰুচৰিত, পৃ ১২৭, ২০১ আৰু ২৫৩

১৬১ সাঁচিপাতৰ দৈৰ্ঘ্য অধিক হ'লে তালপাত অথবা ভূৰ্জপাতৰ দৰে দুটা বিন্ধা দিয়া প্ৰয়োজন। এহাত বা এমুঠি পৰিমাণত সমান ভাগ কৰি মাজত এটা বিন্ধা দিব লাগে। দুয়োকালৰপৰা আঠ আঙুল পৰিত্যাগ কৰি মাজতে বিন্ধাটো দিয়া উচিত।—যোগিনী, ২।৭।১৩

পদাৰ্থৰে ঘূৰণীয়াকৈ দিব লাগে। এই সন্দৰ্ভত যোগিনী তন্ত্ৰই নিৰ্দেশ দিছে এনেদৰে —'পুথিৰ পাত লোৰ শলা তপত কৰি বিন্ধা কৰিলে নানা ৰকম পীড়া দুখ হয়। গোলাকাৰ বিন্ধা কৰিলে শুভ ফল চাদ্ধি কোণী বিন্ধা কৰিলে বিপ্লৱ আৰু তিনি কোণী বিন্ধা কৰিলে মৃত্যু হয়'[১৬২]।

সাঁচিপাতত লিখাৰ পূৰ্বে লোখ কৰি সূক্ষ্ম কলমেৰে সমান সমান দূৰত্বত শাৰী টনা চকুত পৰে। ইয়াক কোৱা হয় কুট দিয়া[১৬৩]। কুট দিয়াৰ পিছত পাতসমূহৰ এপিঠিত ক্ৰমাংক বহুৱাই লৈ পিছত লিখা আৰম্ভ কৰে। সাধাৰণতে প্ৰতিখনি ফলকৰ দুয়োপিঠিত লিখা হয়। ইয়াৰ চাৰিওফালে আৰু সোঁমাজত দিয়া বিন্ধা অথবা নাভিটোৰো চাৰিওফালে কিছু ঠাই উকা ৰাখি লিখাটো সাধাৰণ নিয়ম। 'পুথিৰ আখৰবোৰ নিমজ আৰু মলখু যেন, আৰু শাৰীবোৰ পোন, কতো বেঁকা বেঁকি নাইবা লেপ থেপ নহয়[১৬৪] (সমানি সমশিৰ্ষাণি ঘনানি নিৰিবাণ চ)। তালপাত আৰু ভুজপাতৰ পুথিবদৰে সাঁচিপতীয়া পুথিবোৰতো গ্ৰন্থৰ নাম আৰু লিপিকৰৰ নামবোৰ সাধাৰণতে পুথিখনিৰ শেষত থাকে আৰু প্ৰায়বোৰ পুথিৰে তলৈ ওপৰে কিছুসংখ্যক অতিৰিক্ত নিলিখা পাত ৰখা হয়, সিবোৰ বেটীপাতৰূপে পৰিচিত'[১৬৫]। সেই বেটীপাতত পুথিৰ মালিকৰ নাম, তেওঁৰ জীৱনৰ অথবা পৰিয়ালৰ বিভিন্ন বিশেষ ঘটনা আৰু হস্তান্তৰিত হৈ অহা মালিকৰ নামোল্লেখ থাকে[১৬৬]। কোনো এখনি পুথি প্ৰতিলিপি কৰাৰ পিছত পাতবোৰ ক্ৰমানুক্ৰমে জাপি, নাভিটোৱে এডাল সূতা সুমাই গাঁঠি লৈ তলে ওপৰে দুটি ভাঠ সাঁচিপাতৰ ফলক অথবা সাধাৰণ কাঠৰ চলা দুটি সংস্থাপন কৰি ৰচিবে গাঁঠি এখনি কাপোৰেৰে মেৰাই থোৱা চাং বা পুথি থোৱা চাঙত তুলি

১৬২ যোগিনী তন্ত্ৰ ২।৭।১৯

১৬৩ কথা গুৰুচৰিত, পৃ ১২৭, ২০৭

১৬৪ শৰ্মা, বেণুধৰ—হাতে লিখা পুথি (অসমীয়া সংস্কৃতিৰ অন্তৰ্ভুক্ত), পৃ ১১৫

১৬৫ Bhuyan, S.—*Descriptive Catalogue of Assamese Manuscripts*, P XV

১৬৬ ড° নেওগে শিৱসাগৰৰপৰা সংগ্ৰহ কৰা এখনি হাতে লিখা 'ভক্তি ৰত্নাৱলী'ৰ বেটীপাতত লিখা আছিল—'শ্ৰীৰামকৃষ্ণ শৰ্মা অতি দুখ মনে/লেখিলা পুস্তক এহি থাকনা অবিহনে'। (বিশ্ববিদ্যালয়, ভাষা আৰু ভাষণ) সাঁচিপতীয়া 'পাতলি পৰ্ব'ৰ লিপিকৰে লিখিছে—'জগন্নাথ দেৱৰ পুত্ৰ॥ কেশনাথ হস্তাক্ষৰ॥ 'আমাক চেলেঙ এখন দিবা'।

থোৱাটো পূৰ্বাঞ্চলৰ পুথি সংৰক্ষণৰ এটা নিয়ম [১৬৭]। কোনো কোনো পুথি কাঠৰ বাকচত ভৰাই থোৱা অৱস্থাতো পোৱা যায়। সাঁচিপাত-তুলাপাত অথবা তালপাতৰ পুথিৰ মলাটত বিভিন্ন চিত্ৰৰে সুশোভিত কৰাটো এটা দস্তুৰত পৰিণত হৈছিল। 'আৰ্য মঞ্জুশ্ৰী মূলকল্প'ত ইয়াৰ সাক্ষ্য পোৱা যায়। তাত আছে—

শনকাৰা পকাৰে শুক্লম্ পটে চৈব ছুকুলকে।
আতস্তে বাস্কৈল চৈব শুদ্ধে তন্তুবিৱৰ্জিতে॥

অসমত প্ৰাপ্ত সাঁচিপতীয়া পুথিসমূহৰ মলাটত সাধাৰণতে দশাৱতাৰৰ চিত্ৰ অংকন কৰা চকুত পৰে। এই ক্ষেত্ৰত নিত্যানন্দ কায়স্থৰ 'শ্ৰীভাগৱতমস্ত চৰিত্ৰ'ৰ কথা জয়জয়তে উল্লেখ কৰিব পাৰি[১৬৮]। ভূৰ্জপত্ৰ অথবা তালপত্ৰৰ দৰে সাঁচিপাততো লেখাৰ মাজে মাজে চিত্ৰ অংকন কৰা হৈছিল। ভ ভূঞাই লিখিছে, 'পুথি নকল কৰোঁতাসকলে লিখা পুথি একোখনৰ অংগসজ্জা কৰিবৰৈ সাধাৰণতে চিত্ৰকৰ নিয়োজিত হৈছিল। কেতিয়াবা পুথি লেখকেই চিত্ৰকৰৰ কামকেৰা সম্পাদন কৰিব পাৰিছিল। নহ'লে সেই উদ্দেশ্যত নিয়োজিত শিল্পীয়ে চিত্ৰৰ বাবে এৰি থোৱা ঠাই উপযুক্ত চিত্ৰৰে পুৰাই দিছিল'[১৬৯]। পিছে যেতিয়া কোনো এখনি চিত্ৰিত পুথিৰপৰা নতুন পুথি অংকন কৰিবলগীয়া হৈছিল,তেতিয়া নকল কৰাৰ আগতেই সৰু সৰু চিত্ৰবোৰ আঁকি লোৱা হৈছিল। 'কামৰূপ অনুসন্ধান সমিতি'ৰ গ্ৰন্থাগাৰত সংৰক্ষিত অসমাপ্ত সাঁচিপতীয়া 'লৱ কুশৰ যুদ্ধ'ই তাৰ প্ৰমাণ[১৭০]। সাঁচিপতীয়া সচিত্ৰ 'ধৰ্ম পুৰাণ' আৰু 'কীৰ্তন'ৰ একোটাকৈ প্ৰতিলিপি লণ্ডনৰ বৃটিছ মিউজিয়মত সংৰক্ষিত হৈছে। কোনো কোনো সাঁচিপতীয়া পুথিৰ লিখাৰ চতুষ্পাশে আৰু নাভিদেশত মনোৰম লতা মণ্ডন কৰ্ম আৰু পুষ্প সম্ভাৰৰ পয়োভৰ চকুত পৰে[১৭১]। তেনে পুথি 'লটা-কটা পুথি' ৰূপে

---

১৬৭ কোনো কোনো হস্তলিখিত পুথি শুই অথবা ফেটী সাপৰ ছালেৰেও মেৰিয়াই ৰখা হয়। এই পুথিসমূহ সাধাৰণতে মনসা কাব্যৰ অন্তৰ্গত। —Bhuyan *Op Cit*, P XV

১৬৮ Neog M—*The Art of Painting in Assam*, P 4

১৬৯ Bhuyan S—*Op Cit*, P XVII

১৭০ Neog M—*Op Cit*, P 3

১৭১ সবিশেষৰ বাবে ড নেওগৰ '*The Art of Painting in Assam*, ড দাশগুপ্তৰ '*Eastern Indian Manuscript Painting*' আৰু বৰ্তমান গ্ৰন্থকাৰৰ 'পুৰণি অসমৰ চিত্ৰকলা' গ্ৰন্থত্ৰয় চাওক।

জনা যায়। বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত লটা কটা 'শল্যপৰ্ব' 'চাহাপৰী উপাখ্যান' আৰু 'কীৰ্তন'ৰ একোটাকৈ সাঁচিপতীয়া প্ৰতিলিপি সংৰক্ষণ হোৱাটো উল্লেখযোগ্য।

সাঁচিপাতসমূহ বহু শ বছৰলৈ নষ্ট নোহোৱাকৈ থাকে। পোকে নখবিৰলৈ ভাত হেঙুল থঁহাৰ উপৰি মহা নিম, মিচিমি তিতা আৰু কণীবিহৰ গুটিও পুথিৰ লগত ৰখা দেখা যায়। মলি পৰি ইয়াৰ আখৰবোৰ অস্পষ্ট হ'লে তিতা কাপোৰ অথবা তুলাৰে মচি দিলেই সিবোৰ মুকুতাৰ দৰে উজলি উঠে। সংস্কৃত, অসমীয়া আৰু আহোম ভাষাত ৰচিত অগণন সাঁচিপতীয়া পুথি অসমত উদ্ধাৰ হৈছে। ধৰ্মগ্ৰন্থৰ উপৰিও চৰিত পুথি, বুৰঞ্জী, গণিত, জ্যোতিষ, নিদান, হাতী ঘোঁৰা গৰু-পহু আদিৰ চিকিৎসা পুথি, পুথুৰী খন্দা আৰু পানীত বহু চলা পুথি, স্থাপত্য, ভাস্কৰ্য, তন্ত্ৰ মন্ত্ৰ প্ৰমুখ্যে সকলো বিষয়ৰ পুথিয়ে সাঁচিপাতত লিখা পোৱা গৈছে[১৭২]। আলোচিত সামগ্ৰীত লিখা পুথিৰ আকাৰৰ ভিন্নতা দেখা যায়। একোখনি পুথি বুঢ়া আঙুলিটোৰ সমানো হ'ব পাৰে। তেনে জোখৰ এখনি সম্পূৰ্ণ গীতা পুথি ব্ৰহ্মপুত্ৰত উটি অহা মহাপুৰুষ শংকৰদেৱে পোৱাটো উল্লেখযোগ্য[১৭৩]। ড ভূঞা'ই বাঠিটা ফলকযুক্ত এখনি আহোম মন্ত্ৰৰ পুথি পাইছিল—যাৰ জোখ আছিল, ভেৰ ইঞ্চি পুতল আৰু তিনি ইঞ্চি দীঘল[১৭৪]। ১৭৯৯ শকত প্ৰতিলিপি প্ৰস্তুত কৰা 'গুণমালা' এখনি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগে সুৰক্ষা দিছে। তাৰ প্ৰতিখনি ফলকৰ জোখ ২৮×১৫ ছে মি[১৭৫]।

কেতিয়াবা কেতিয়াবা সাঁচিপাতবোৰ চুটিকৈ নাকাটি দীঘলীয়াকৈ ৰাখি তাত জাপে জাপে আখৰ লিখা হয় (প্ৰথম আৰু অন্তিম পৃষ্ঠা দুটা এৰি)। তেনে পুথিৰ নাম 'ৰকলা পুথি'[১৭৬]। আঠ ফুট দীঘল আৰু ছয় ইঞ্চি পুতলৰ, বৰ্গক্ষেত্ৰাকাৰ ভাৱে জাপি ৰখা 'গীতৰ ৰকলা' পুথিখন ইয়াৰ উৎকৃষ্ট উদাহৰণ[১৭৭]। পুৰণি কালত সৌৰৰণী আদি এনে ৰকলা পুথিত লিখা হৈছিল। শোণিতপুৰৰ নিকামুল সত্ৰত সৌৰৰণী লিখা কেবাখনো 'ৰকলা পুথি' আছে। আহোম যুগত সাঁচিপাত পুথি লিখা

১৭২ শৰ্মা, বেণুধৰ—দুণৰি, পৃ ৩৩
১৭৩ Neog, M —*Sankaradeva and His Times*, P 302
১৭৪ Bhuyan, S —*Op Cit*, P XV
৭৫ Bora, M —*EAS*, P 64
১৭৬ Neog, M —*Op Cit*, P 302
১৭৭ *Descriptive Catalogue of Assamese Manuscripts*, P 56

কামৰ উপৰি ৰাজকীয় নথি-পত্ৰ, গোচৰৰ প্ৰতিলিপি প্ৰভৃতিৰ প্ৰকৃতি কৰণতো ব্যৱহাৰ হৈছিল। ৰাজকীয় ব্যৱহাৰৰ বাবে শাঁচিপাত সংগ্ৰহ কৰি দিছিল শাঁচি কটীয়াই। তেওঁলোকৰ কাম কাজ তদাৰক কৰিবলৈ এজন বৰুৱাকো নিয়োগ কৰাটো মন কৰিবলগীয়া[১৭৮]।

২৪° তুলাপাত :—সাধাৰণতে কপাহ চেপি প্ৰস্তুত কৰা লেখন সামগ্ৰীয়ে তুলাপাত। বেণুধৰ শৰ্মাৰ অনুমান মতে, খ্ৰীষ্ট জন্মৰ পূৰ্বৰেপৰা অসমীয়া মানুহে তুলাপাত প্ৰস্তুত কৰা উপায়টো উদ্ভাৱন কৰি লৈছিল[১৭৯]। শাঁচিপাততকৈ তুলাপাত অধিক মসৃণ হোৱা গুণে ইয়াৰ ওপৰত ছবি অঁকা কাম অধিককৈ কৰা হৈছিল। কথা গুৰুচৰিতত উল্লেখ আছে যে শংকৰদেৱে চিহ্ন যাত্ৰাৰ অভিনয়ৰ বাবে তুলাপাতত সপ্ত বৈকুণ্ঠৰ পট অংকন কৰিছিল[১৮০] আৰু এবাৰ তুলাপাতত হেঙুল হাইতালেৰে হাতী এটা আঁকি তাক কাঠৰ বাকচত ভৰাই ৰজাক নৰনাৰায়ণক উপহাৰ দিছিল[১৮১]। 'দেওধাই অসম বুৰঞ্জী'ত পোৱা যায়- এবাৰ স্বৰ্গদেৱ চুতাংফাই (১৩৯৭ ১৪ ৭ খ্ৰী) নৰা ৰজালৈ যাঠিৰ ভিতৰ কাকত পঠাই দিছিল[১৮২]। এয়া নি সন্দেহে তুলাপাত। ৰে এন গুপ্তই '*A Monograph on Paper making and Papier mache in the Province of Eastern Bengal and Assam*' গ্ৰন্থত উল্লেখ কৰিছে যে মুছলমানসকলে মৰাপাটৰ মণ্ডৰপৰা হাতেৰে একপ্ৰকাৰ কাগজৰ সৃষ্টি কৰিছিল। সেই কাগজ পূৰ্ববংগ আৰু মণিপুৰত জনপ্ৰিয় আছিল। সৰ্বানন্দ ৰাজকুমাৰে অনুমান কৰে যে এই হস্তনিৰ্মিত কাগজেই অসমত তুলাপাতৰূপে চিনাক্ত হৈছিল[১৮৩]। অসমীয়া লোকে তুলাপাত কৰা পদ্ধতিটো আজি একেবাৰে পাহৰি পেলাইছে। বেণুধৰ শৰ্মাই এটা প্ৰবন্ধত উল্লেখ কৰিছিল যে বিগত কালত অসমীয়াই তুলাৰ উপৰি কোমলদৈ বাঁহৰ চোঁচ উলিয়াই তাৰেও তুলাপাত প্ৰস্তুত কৰি লৈছিল[১৮৪]। অসমত বাসকৰা আহোম আৰু আন শ্যানলোকসকলে থলুৱা ভাৱে পোৱা কেইবিধমান গছৰ

---

১৭৮ Gogoi, L —*Buranjis*, P 327

১৭৯ শৰ্মা, বেণুধৰ—হাতে লিখা পুথি ('অসমীয়া সংস্কৃতি'ৰ অন্তৰ্ভুক্ত) পৃ, ১৫৪

১৮০ 'তুলাপাতত সাত বৈকুণ্ঠ লিখিছে পৃ ৩৬

১৮১ 'গুৰুজন তুলাপাতত হেঙুল হাইতালেৰে যত্ন কৰি হস্তি সাজি লিখি ভৰাই মুখত চাব মাৰি লৈ গ'ল'—পৃ ৮৭

১৮২ দেওধাই অসম বুৰঞ্জী, পৃ ১২

১৮৩ ৰাজকুমাৰ, সৰ্বানন্দ—প্ৰাগুক্ত গ্ৰন্থ, পৃ ২০৬

১৮৪ ১৭৩ পাদটীকা পঢ়ক।

বাকলি কোবাই চেপি শক্তিশালী তুলাপাত তৈয়াৰ কৰা পদ্ধতিটো দীৰ্ঘদিন জুৰি চলি আহিছে। এনে দুবিধ গছৰ টাই-ফাকে ভাষাত মৈহৰি আৰু য়মন ৰূপে জনা যায়। পিছৰ বিধ গছক শ্বান ভাষাত 'হচ' আৰু অসমীয়া ভাষাত হুনি (*paper mulberry Bronsanettia Papyrifera*) বোলে[১৮৫]। সাধাৰণতে মৈহৰি গছৰপৰা ৰগা, য়মন গছৰপৰা গাঢ় মুগা আৰু আন এবিধ গছৰপৰা বড়া ৰঙৰ তুলাপাত তৈয়াৰী হৈছিল[১৮৬]। ড ৰজতানন্দ দাশগুপ্তই নাম ফাকিয়াল গাৱঁৰ চৈখং গোঁহাইৰ-পৰা তুলাপাত প্ৰস্তুত কৰা পদ্ধতিটো শুনি এনেভাৱে লিপিবদ্ধ কৰিছে—

'The bark of the above mentioned trees were cut up into convenient size and then beaten throughly Thus broke the fibers and seperated and loosen them These were then boiled till they disintegrated and formed a fine pulp and became cleared of all impurities The pulp was next poured over water kept in rectangular ditches of required sizes and here it floated on the water's surface It was then evently spread all over with a seraper to the shape of the waterly surface, and lift to cool When cool the film of pulp lying on the surface of the water gave a sheet of strong and taugh paper Usually, a Tulapat folio was made by stiching two single sheets together or by folding a larger sheet into two and then stitching them This was done to give strength to the folios'[১৮৭] এটা কালত লক্ষীমপুৰ জিলাত সৰ্বাধিক পৰিমাণে তুলাপাত তৈয়াৰ হৈছিল। অৰুণাচলৰ কামেং জিলাতো এই পদ্ধতিতে তুলাপাত প্ৰস্তুত কৰা হৈছিল। তাৰ ভাষাত কাগজ গছৰ নাম হ'ল—চুকচো (Sukso[১৮৮]) আহোম ভাষাত লিখা তুলাপতীয়া পুথিৰ ভিতৰত 'ফু চিন' আৰু 'সংক্ৰান্তা কোম্ পং' প্ৰাচীনতম। নগাওঁ-বালিসত্ৰত সংৰক্ষিত তুলাপতীয়া

---

১৮৫ Dasgupta, R—Ahom painting in Assam (*Pragjyotisa*, 1959), P 84

১৮৬ Milne L—*Shans at Home*, P 175-76

১৮৭ Dasgupta, R—*Op Cit*, P 100

১৮৮ Elwin, V—*The Art* of *the North East Fronter of India*, P 70

‘আদ্য দশম’খনি ইতিমধ্যে ‘চিত্ৰ-ভাগৱত’ শিৰোনামত প্ৰকাশ পাইছে। স্বৰ্গীয় উপেন্দ্ৰ নাথ লেখাৰুৰ হাতত মাধৱ কন্দলিৰ লংকাকাণ্ডৰ তুলাপতীয়া অসমাপ্ত প্ৰতিলিপি এটা আছিল। প্ৰবীৰ ভ অজয় চক্ৰৱৰ্তীৰ হাতত “শ্ৰীমদ্ভগৱদ্ গীতা’ৰ তুলাপতীয়া সচিত্ৰ প্ৰতিলিপি এতিয়াও সংৰক্ষিত হৈছে[189]। কামৰূপ অনুসন্ধান সমিতি, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ উপৰি গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰত কিছু সংখ্যক তুলাপতীয়া পুথিৰ সংৰক্ষণ মন কৰিবলগীয়া।

‘যোগিনী তন্ত্ৰ’ত লেখন সামগ্ৰীৰূপে কেতকীপাত (*Pandans odeoratissimus*), তেজ পাত (*Cinnamuntamala*) আৰু বৰগছৰ পাতৰ (*Ficus Indica*) নামোল্লেখ হৈছে[190]। মাদুৰী জাতীয় বনৰ (*Scripus tagatus*) পাতকো এটা কালত লিখাৰ সামগ্ৰীৰূপে ব্যৱহাৰ কৰা হৈছিল[191]। এটা কালত বহাগ বিহুৰ সময়ত ব্ৰাহ্মণসকলে নাহৰ গছৰ পাতত (*Mesuaferrea*) এটা মন্ত্ৰ লিখি ঘৰে ঘৰে দিছিল। মন্ত্ৰটো হ'ল—‘দেৱ দেৱ মহাদেৱ, নীলগ্ৰীৱ জটাধৰ/বাত বৃষ্টি হৰো দেৱ মহাদেৱ নমস্তুতে ॥’ উক্ত মন্ত্ৰখচিত নাহৰৰ পাতটো গৃহস্থই ঘৰৰ চালত খুঁচি থৈছিল[192]। নৰা, টুকং আদি লোকসকলে টকৌপাত (*Livistonia jenkissiona*) কাটি জালি আঠাৰে মিহি কৰি তাত আখৰ লিখিছিল[193]। ব্ৰহ্মপুত্ৰ উপত্যকাত ন শিখাকৰে কলপাতত লিখা কথা কাৰো অবিদিত নহয়।

২৫° চিয়াঁহি :—লেখন সামগ্ৰীৰ ভিতৰত চিয়াহি অন্যতম। কোমল আৰু কঠিন উভয় বিধ পদাৰ্থৰ ওপৰতেই চিয়াহিৰে লিখা পদ্ধতি খ্ৰীষ্টজন্মৰ বহু শতাব্দী পূৰ্বৰেপৰা প্ৰচলিত হৈ আহিছে। ইয়াৰ সংস্কৃত নাম কালী, মসি অথবা মসী (মসী-ভৱত্ মসুবাহা[194], মসীলিপ্ত[195] আৰু তাৰ ইংৰাজী প্ৰতিশব্দ ink শব্দটোৱে লেটিনত encaustum আৰু গ্ৰীকত enkaustes ৰূপ লৈছেহি। মসি শব্দটো গৃহ্য সূত্ৰ সমূহত সঘনাই পোৱা যায়[196]। ‘মস’ ধাতুৰ অৰ্থ হ'ল মোহাৰা বা গুৰি কৰা। পুৰণি

১৮৯ Dasgupta, R —*Op, Cit*, P 102

১৯০ যোগিনী তন্ত্ৰ ২।৭।১৫-১৭

১৯১ শৰ্মা, বেণুধৰ—তুৰণি, পৃ ২৯

১৯২ বৰদলৈ ৰজনীকান্ত—ৰঙিলী, পৃ ১৮-১৯

১৯৩ গগৈ, লীলা—আহোম জাতি আৰু অসমীয়া সংস্কৃতি, পৃ ২৯

১৯৪ মাঘ ২০ ৬৩

১৯৫ কথা সৰিৎ সাগৰ ৪ ৬৯

১৯৬ Pandey, R.—*Op Cit*, P 83

কাগত বিভিন্ন দ্ৰব্য মোহাৰি গুৰিকৰি মিশ্ৰিত কৰাৰ পিছত 'মসী'ৰ ৰূপ লৈছিল বাবে সেই নাম। ভাৰতবৰ্ষত কোনো কোনো ঠাইত ইয়াক 'মেল' কোৱা হয়। বেনফাই (Benefy) বেবৰ (weber) প্ৰভৃতি প্ৰাচ্যতত্ত্ববিদসকলে উক্ত শব্দটো গ্ৰীক melas 'মেলচ' শব্দৰপৰা অহা বুলি ভাবে[১৯৭]। আনহাতে ড বুহলৰে শব্দটো খলুৱা 'ময়লা' শব্দৰপৰাহে অহা বুলি কয়। চিয়াঁহি অৰ্থত মেলাৰ প্ৰয়োগ সংস্কৃত নোহোৱা বুলিব নোৱাৰি। 'অমৰকোষ'ত মসীধাৰ অৰ্থত 'মেলানন্দ', 'মেলাণ্ধু', 'মেলনধুক' প্ৰভৃতি শব্দ চয়নিত হোৱাটো এইখিনিতে উল্লেখযোগ্য[১৯৮]। অৱশ্যে 'মেলা'ত 'মসি'ৰ প্ৰয়োগ প্ৰচুৰ। যেনে—মসীপাত্ৰ, মসিভাণ্ড, মসি কুপিকা ইত্যাদি[১৯৯]।

পুৰণি ইজিপ্তত এভাৰ গুৰি অথবা এলান্ধু আঠাৰেসৈতে মিহলি কৰি তাৰ দ্বাৰা পেপাইৰাছৰ ওপৰত লিখা হৈছিল। Ainsworth Mitchell ৰ মতে এই জাতীয় চিয়াঁহি সেই ঠাইত খ্ৰীষ্টীয় একাদশ শতাব্দীলৈকে চলিছিল। ইয়াৰ পিছত আৱিষ্কাৰ হয় লৌহ পিত মসী'ৰ (iron gall link)। ওক অথবা আন তেলেতীয়া গছৰ ফহত লৌহ তাম্ৰৰ মিশ্ৰণ ঘটাই 'লৌহ পিত মসী' প্ৰস্তুত কৰা হৈছিল[২০০] আৰু সেই চিয়াঁহিৰে পাৰ্চমেণ্ট অথবা ভেলামত লিখিবলৈ উপযোগী আছিল। খ্ৰীষ্টীয় সপ্তম শতাব্দীত লৌহ পিত মসীৰে পাৰ্চমেণ্টত লিখা আখৰ আজিও অক্ষত অৱস্থাত দেখিবলৈ পোৱা যায়। এই চিয়াঁহি পোনতে লিখা কালত বৰ পাতল যেন দেখা গ'লেও বায়ুৰ সংযোগত লাহে লাহে গাঢ় হৈ আহিছিল। ইয়াৰ পিছত নীলা-ক'লা চিয়াঁহিয়ে (blue-black) জনপ্ৰিয়তা অৰ্জন কৰে।

খ্ৰীষ্ট জন্মৰ কেবা শতিকা পূৰ্বে ভাৰতবৰ্ষলৈ অহা গ্ৰীক লেখক নিয়াৰ্কচ আৰু কাৰ্টিয়াচে এই দেশৰ লোকে কাপোৰ আৰু তুলাপাতৰ ওপৰত চিয়াঁহিৰে লিখাৰ কথা উল্লেখ কৰিছে[২০১]। অভিলেখ কেইখনমানেও এই দিশত পোহৰ পেলায়। সম্ৰাট অশোকৰ কেইখনমান শিলালেখৰ কোনো কোনো আখৰৰ বিন্দুসমূহে ফাঁচৰ আকৃতি লোৱা দেখা যায়। ড বুহলৰে ভাবে যে পোনতে সেই লিপিবোৰ চিয়াঁহিৰে লিখি

১৯৭ Pandey, R—*Ibid*, P 83

১৯৮ মেলা মসীজলং পত্ৰাঞ্জনং চ স্যান্মসির্দ্ধয়ো ইতি ত্ৰিকাণ্ডকোষ —অমৰকোষ ৩ ৫ ১০

১৯৯ Pandey, R—*Ibid*, P 84

২০০ Langwell, W H—*Conservation of Books and Documents*, P 47

২০১ Strabo—*Geographica*, Vol XV, P 717

তাৰ পিছত বটালি আৰু ছেনীৰে কটাৰ ফলত সিবোৰে তেনে ৰূপ লৈছেহি[২০২]। খ্ৰীষ্ট জন্মৰ দুই শতিকা পূৰ্ববৰ্তী অব্দৰ বৌদ্ধস্তূপ এটাৰপৰা উদ্ধাৰ কৰা এটি পাত্ৰত চিয়াঁহিৰ লেখা উদ্ধাৰ হৈছে। খোটানত প্ৰাপ্ত আৰু খ্ৰীষ্টীয় প্ৰথম শতাব্দীৰ সম্পদ-ৰূপে সাব্যস্ত কৰা পাণ্ডুলিপিসমূহ চিয়াঁহিৰে লিখা। একে সময়তে ভূৰ্জপত্ৰ আৰু মৃন্ময় বাচনত লিখা কিছুখিনি নমুনা উদ্ধাৰ হৈছে—আফগানিস্থানত[২০৩]। অজন্তা গুহাতো চিয়াঁহিৰে লেখা বিৰাজমান।

পুৰণি ভাৰতত বেলেগ বেলেগ ৰঙৰ চিয়াঁহি ব্যৱহাৰ হ'লেও ক'লা চিয়াঁহিৰ প্ৰয়োগ আছিল প্ৰচুৰ। ক'লা চিয়াঁহিৰ কিছুমান হ্ৰস্বম্যাদী আৰু আন কিছুমান আছিল দীৰ্ঘম্যাদী। হস্ত লিখিত পুথিবোৰত দীৰ্ঘম্যাদী ক'লা চিয়াঁহি ব্যৱহাৰ হৈছিল। হ্ৰস্বম্যাদী চিয়াঁহি তৈয়াৰ কৰা হৈছিল—এঙাৰ বা এলাজুত পানী আঠা, চেনি অথবা আন দ্ৰব্যৰ সংমিশ্ৰণেৰে আৰু দ্বিতীয় বিধৰ তৈয়াৰীত লা, পানী, লোধ্ৰৰেণু গন্ধক, চাকিৰ ছাই আৰু তিলতেলৰ প্ৰয়োজন হৈছিল। আটাইখিনি সম্ভাৰ উতলাই ল'লেই দীৰ্ঘম্যাদী চিয়াঁহি পোৱা গৈছিল[২০৪]। কাশ্মীৰত আকৌ ভূৰ্জপত্ৰত লিখিবলৈ বাদামৰ ছাই গৰুৰ মূতত উতলাই লোৱাটো মন কৰিবলগীয়া[২০৫]। উত্তৰ ভাৰতত‌কৈ দাক্ষিণাত্যত ভালেখিনি পলমকৈ চিয়াঁহি ব্যৱহাৰ হৈছিল।

ক'লাৰ উপৰি ৰঙা আৰু হালধীয়া ৰঙৰ চিয়াঁহিৰ প্ৰয়োগো চকুত পৰে। পুৰাণত উল্লেখ আছে যে দান কৰা পুথিত ৰঙা চিয়াঁহি ব্যৱহাৰ কৰিব লাগে[২০৬]। উত্তৰ ভাৰতীয় জৈন লিখকসকলে বহু সময়ত ৰঙীন চিয়াঁহি ব্যৱহাৰ কৰিছিল[২০৭]। ৰঙা আৰু নীলা—উভয় বিধ চিয়াঁহিকে তেওঁলোকে ব্যৱহাৰ কৰাটো উল্লেখযোগ্য। হাতে লিখা পুথিৰ নাতি দেশত ভিন্ন ৰঙৰ প্ৰয়োগ এটি সাধাৰণ কথা। কিছুমান হস্তলিখিত পুথিৰ সোঁ আৰু বাওঁফালে ৰঙা চিয়াঁহিৰে আঁক টনা দেখা যায়। আলক্তৰপৰা ৰঙা আৰু হেঙুলৰপৰা হালধীয়া চিয়াঁহি তৈয়াৰ কৰা হৈছিল। সোমদেৱে 'কথা-সৰিৎ সাগৰ'ত তেজেৰে লিখাৰ কথা লিখিলেও বাস্তৱ ক্ষেত্ৰত তাৰ প্ৰমাণ বিৰল।

---

২০২ Buhler—P, *IP* 98

২০৩ Buhler—*IP*, P 98, ওঝা—প্ৰাগুক্ত গ্ৰন্থ, পৃ ১৫৫

২০৪ ওঝা—প্ৰাগুক্ত গ্ৰন্থ, পৃ ১৫৫

২০৫ Burnell—*Elements of South India P.laeography*, P 93

২০৬ হেমাদ্ৰী—দানখণ্ড, পৃ ৫৪৯

২০৭ Mitra, R —*Notes on Sanskrit Mss*, P 3

সাঁচিপাত, তালপাত অথবা তুলাপতীয়া পুথিত সোণ কণৰ পানীৰে বহন চৰোৱা আন এটা উল্লেখযোগ্য কথা[২০৮]।

পুৰণি কালত অসমীয়া মানুহে উৎকৃষ্ট চিয়াহি প্ৰস্তুত কৰিব জানিছিল। কেবা শ বছৰীয়া হস্তলিখিত পুথিৰ আখৰৰ উজ্জ্বলতাই এই কথাৰ প্ৰমাণ দিয়ে। ড সূৰ্যকুমাৰ ভূঞাই হাতে লিখা পুথিৰ চিয়াহি প্ৰসংগত যথাৰ্থ ভাবেই লিখিছে—'আমাৰ প্ৰাচীন পুথিত ব্যৱহাৰ কৰা চিয়াহিবোৰ বিভিন্ন উপাদানেৰে প্ৰস্তুত কৰা হৈছিল, ইয়াৰ প্ৰস্তুত প্ৰণালী প্ৰাচীন কালৰ মানুহে ভালদৰে জানিছিল। পুৰণি কালৰ চিয়াহিৰ অন্যতম বৈশিষ্ট্য হ'ল ই পিছল, মিহি আৰু স্বচ্ছ উপৰি ভাগত (সাঁচিপাত-তুলাপাত) দীৰ্ঘদিনলৈকে লাগি থাকে। ইয়াৰ স্থায়ীত্বৰ প্ৰমাণ পুৰণি পুথিবোৰেই দিয়ে—যাৰ ফলকসমূহ বয়স, সেমেকা জলবায়ু আৰু পোক পৰুৱাৰ আক্ৰমণত জহি-পমি যোৱা সত্ত্বেও চিয়াহিবোৰ অস্পষ্ট হৈ যোৱা নাই'[২০৯]। সাধাৰণতে চকৰ ছাই কেহৰাজৰ ৰসত মিহলাই সাধাৰণ চিয়াহি তৈয়াৰ কৰা হৈছিল। আন কিছুমানে গৰুৰ মূতত শিলিখা মিহলায়ো লিখাৰ ব্যৱস্থা কৰিছিল[২১০]। অসমত চিয়াহিক কোৱা হৈছিল মহী। প্ৰস্তুত কৰা বিৱৰণ দিবলৈ গৈ বুৰঞ্জীবিদ্ বেণুধৰ শৰ্মাই লিখিছে—'চক ছাই বা বৰা চাউলৰ ছাই, কেহৰাজৰ ৰস, লে মা চুৰ, গৰুমূত, শিলিখা, আমছাল, জামছাল—এইবোৰ বস্তু একেলগে লৈ কেৰাহীত সিজাই মাটিৰ চক এটাত ভৰাই নিয়ৰত থৈ দিব লাগে। চকটোৰ বাহিৰে যি ৰস ঘামি ঘামি নিগৰি ওলাব সেয়ে অসমীয়া মহী'[২১১]। কালিৰাম মেধি তাঙৰীয়াই অসমত চিয়াহি প্ৰস্তুতকৰণৰ দুটা আৰু বংগদেশত প্ৰস্তুত কৰণৰ এটা, মুঠতে তিনিটা পদ্ধতি লিপিবদ্ধ কৰিছে[২১২]। তেওঁৰ মতে, প্ৰথম পদ্ধতি এনে ধৰণৰ এটা চকত কিছুমান শিলিখা কিছুদিন তিয়াই ৰাখি পিছত নিয়ৰ পৰা ঠাইত চাং এখন সাজি তাতে সেই পাত্ৰটো তুলি থৈ তলত এটি পৰিষ্কাৰ পাত্ৰ ৰাখিব লাগে। শিলিখাৰ ৰস জৰি জৰি গৈ যেতিয়া তলৰ পাত্ৰটোত পৰিব, সেয়ে হ'ব অসমীয়া মহী। কোনোৱে সেই মহীত অলপ লো বা হিৰাকচ

---

২০৮ ওঝা,—প্ৰাগুক্ত গ্ৰন্থ, পৃ ১৫৬

২০৯ *Descriptive Catalogue of Assamese Manuscripts*, P XV-XVI

২১০ ৰাজগুৰু, সৰ্বেশ্বৰ—মধ্যযুগৰ শিক্ষাব্যৱস্থা • লিখাৰ সঁজুলি (অ সা স প, ২৭/৩) পৃ ১৩

২১১ শৰ্মা, বেণুধৰ—হাতে লিখা পুথি (অসমীয়া সংস্কৃতিৰ অন্তৰ্ভুক্ত) পৃ ১৫৫

২১২ কালিৰাম মেধি ৰচনাৱলী, পৃ ২৮৭-৮৮

আৰু আন কোনোৱে কুচিয়াৰ তেজ মিহলায়। দ্বিতীয় প্ৰমাণ এক সেৰ (কিলো) শুকান শিলিখা, চাৰি সেৰ (লিটাৰ) পানী, পাঁচ শ গ্ৰাম গৰুৰ ঘৃত এটা পুৰণি মাটিৰ পাত্ৰত ভৰাই বাহিৰত এখন চাং পাতি তাৰ ওপৰত তুলি পাত্ৰত মুখত ঢাকনি দিব লাগে। ৰবৰুণ নোহোৱা বাতি পাত্ৰৰ মুখখন মুকলি ৰখা ভাল। সাত-আঠ দিনৰ মূৰত কাপোৰেৰে শিলিখাবোৰ ছেকি পেলাব লাগে। ৰসখিনি দিনে তিনি—চাৰিবাৰ ছেকা প্ৰয়োজন। যেতিয়া পাত্ৰটোত ৰসখিনি শুকাই গোট মাৰিব তেতিয়া তাক বাঁহৰ চুঙা এটাত থৈ দিলে সি হ'ব লিখাৰ উপযোগী মহী। উপযুক্ত পদ্ধতি দুটা অসমৰ। বংগদেশত মসী নিৰ্মাণৰ পদ্ধতিটো হ'ল—শুকান আমলখি ১ কিলো চাৰি লিটাৰ পানীত তিয়াই এটা লোৰ পাত্ৰত ভৰাই ঘৰত থৈ দি এসপ্তাহৰ পিছত ছেকি লৈ আমলখিবোৰ পেলাই দিব লাগে। ইয়াৰ পিছতো সাত দিনমান সেই ৰসখিনি সেই লোৰ পাত্ৰটোত ৰাখি দিনে দিনে ছেকি থাকিব লাগে। অৱশেষত হৈ পৰে লিখাৰ উপযোগী চিয়াঁহি।

কাইথেলী অংকবিদ্ দণ্ডীৰাম দত্তই তেওঁৰ 'কৌতুক আৰু কাইথেলী অংকৰ পুথি'ত কেইবিধমান চিয়াঁহিৰ উল্লেখ কৰিছে। সেইবোৰ হ'ল—সাঁচি মহী, বং সলোৱা মহী, তেল মহী, কাৰে মহী, নাৰিকল বা কাজলৰ মহী আৰু ধাতু কাঠ আদিত লিখা চিয়াঁহি [২১৩]। পুৰণি অসমত ক'লা আৰু ৰঙীন চিয়াঁহিৰ উপৰি চল বা বগা ৰঙেৰেও লিখা হৈছিল। ধুবুৰীৰ ড° অজয়কুমাৰ চক্ৰৱৰ্ত্তীৰ হাতত থকা শ্ৰীমদ্ভগৱদ্গীতাৰ তুলাপতীয়া পাতবোৰত নীলা ৰঙৰ ওপৰত বগা ৰঙেৰে লিখা দেখা যায়। মধ্যযুগীয় অসমত এবিধ ৰহস্যজনক চিয়াঁহিৰে চিঠি পত্ৰ লিখা হৈছিল। সেই চিয়াঁহি বোন্দা কেঁচুৰ বসেৰে তৈয়াৰী। সেই গুণ তাক আন্ধাৰতহে পঢ়িব পাৰিছিল। এনে দৰে লিখা চিঠি এখনি কোচ নৃপতিয়ে চুকাংফা—ন'ৰাৰজাকৈ পঠিয়াই দিয়াৰ কথা বুৰঞ্জীত পোৱা যায় [২১৪]।

২৬ লেখনী :—তালপাত, ভূজপাত অথবা সাঁচিপাতৰ ওপৰত চিয়াঁহিৰে লেখা সামগ্ৰীক সাধাৰণতে লেখনী ৰূপে জনা যায়। অসমীয়াত ই কাপ ৰূপে পৰিচিত। লেখনী বুজোৱা আন কেইটামান সংস্কৃত শব্দ হ'ল—(ক) বৰ্ণক—এইবিধ আঙুলি পচাশলীয়া ল'বা ছোৱালীয়ে কাঠৰ ফলকত আখৰ লিখাৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা বুলি 'ললিত বিস্তৰ'ত বিবৃত হৈছে [২১৫]। এই শব্দটোৰ আন ৰূপ 'বৰ্ণিকা'

২১৩ দত্ত, দণ্ডীৰাম—কৌতুক আৰু কাইথেলী অংক, পৃ ২৪০
২১৪ *Descriptive Catalogue of Assamese Manuscripts*, P XVII
২১৫ ললিত বিস্তৰ, দশম অধ্যায়

'অমৰ কোষ'ত ব্যৱহৃত হৈছে[২১৬] (খ) বৰ্ণ বৰ্তিকা—ই এবিধ বঙীন কলম। 'দশ কুমাৰ চৰিত'ত উক্ত শব্দটি পোৱা যায়[২১৭] (গ) তুলি বা তুলিকা—ভূৰ্জপত্ৰ, তুলাপাত আদিত চিত্ৰ অংকনৰ ক্ষেত্ৰত তুলিৰ বহুল ব্যৱহাৰ হৈছিল (ঘ) শলকা—'মালতী মাধৱ'ত লেখন সামগ্ৰীৰূপে উল্লিখিত শলকাৰ প্ৰয়োগ জগতজোৰা[২১৮] (ঙ) কলম—শব্দ ৰত্নাকৰ মেদিনী, অভিধান চিন্তামণি প্ৰভৃতিত উল্লিখিত কলম শব্দটি আৰবীত 'কলম্' (নলৰ লেখনী), গ্ৰীক Kalames, লেটিন Calamus ৰূপলৈ মোট সলাইছে। ইংৰাজীত ইয়াক pen ৰূপে জনা যায়। এই শব্দটোৰ গ্ৰীক আৰু লেটিন ৰূপ হ'ল—যথাক্ৰমে pteron আৰু penna। এই শব্দই চৰাইৰ পাখিক বুজাইছিল বাবে অনুমান কৰিব পাৰি যে পুৰণি কালত চৰাইৰ পাখিৰে লিখা হৈছিল। 'যোগিনী তন্ত্ৰ'ত বাঁহ, তাম লো, পিতল, কাঁহ, খাগৰি আৰু সোণৰ কাপৰ কথা উল্লিখিত হৈছে। অৱশ্যে বাঁহ আৰু কাঁহৰ কাপেৰে লিখিবলৈ 'যোগিনী তন্ত্ৰ'ই বাৰণ কৰিছে। বাঁহৰ কাপেৰে লিখিলে শ্ৰীহানি আৰু কাঁহৰ কাপেৰে লিখিলে মৃত্যু হয়; আনহাতে তামৰ কাপেৰে লিখিলে অক্ষয় বৈভৱ, স্বৰ্ণ কাপৰদ্বাৰা লিখিলে লক্ষ্মী লাভ, লোহ কাপেৰে লিখিলে পুত্ৰ পৌত্ৰ লাভ আৰু পিতলৰ কাপেৰে লিখিলে বিপুলা লক্ষ্মী লাভৰ বিষয়ে কোৱা হৈছে। কাপৰ দৈৰ্ঘ্য দহ আঠ আৰু চাৰি আঙুলৰ ভিতৰত হোৱা বাঞ্ছনীয়[২১৯]। দণ্ডীৰাম দত্তই উল্লেখ কৰিছে যে কাকতি-সকলে হাঁহ আৰু ম'ৰাৰ পাখিৰে হিচাপ পাতি লিখিছিল। কলপাতত ন শিকাৰুৱে লিখা কামত ব্যৱহাৰ কৰিছিল খাগৰি আৰু বাঁহৰ জেকনিৰ কলম। তালপাত তুলা-পাত, সাঁচিপাত আৰু বাঁহৰ কামিত লেখা কামত সাধাৰণতে বাঁহৰ গুৰি চাঁচি কৰা কলমৰ উপৰি ঢেকীয়াৰ ঠাৰিৰ (*Lygodium flexnosum*) কাপ ব্যৱহাৰ হৈছিল[২২০]। 'কাপ-ঢেকীয়া'ৰ কলমৰপৰাই কাপৰ উৎপত্তি বুলি কালিৰাম মেধিয়ে ভাৱে[২২১]। চিলাৰ পাখি বেত, বটা বা ইকৰা আৰু কহুৱাৰ ঠাৰিৰপৰাও পুৰণি অসমত কলম প্ৰস্তুত কৰা হৈছিল। লোৰ শলাকা টাইলাছেৰে দাক্ষিণাত্যৰ উপৰি প্ৰাচীন ইউৰোপ আৰু এচিয়াৰো বহুদেশত আখৰ লিখাৰ নজিৰ আছে।

---

২১৬ অমৰকোষ, ৩ ৫ ৩৮
২১৭ দশ কুমাৰ চৰিত, দ্বিতীয় উচ্ছবাচ
২১৮ মালতী মাধৱ ১।২
২১৯ যোগিনী তন্ত্ৰ ২।৭ ৬ ৯
২২০ দত্ত, দণ্ডীৰাম—প্ৰাগুক্ত গ্ৰন্থ, পৃ ২৪২
২২১ কালিৰাম মেধি ৰচনাবলী, পৃ ২৮৭

২৭° **মহীচুঙা**ঃ—চিয়াঁহি বথা পাত্ৰটোক সংস্কৃতত কোৱা হয় মসিভাণ্ড বা মসি পাত্ৰ। মধ্যযুগৰ অসমত মহী বথা হৈছিল বাঁহৰ চুঙাত। সেইবাবে তাৰ নাম মহীচুঙা। ইয়াৰ অৰ্বাচীন নাম হ'ল মৈলাম আৰু দোৱাত। ড বুহলৰৰ মতে চিয়াঁহিৰ প্ৰাদেশিক শব্দ মৈলাৰ লগত আম্ প্ৰত্যয় সংযুক্ত হৈ মৈলাম শব্দ নিষ্পন্ন হৈছে। ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে আম্ প্ৰত্যয়টোৰ বুৎপত্তি নিৰ্দেশ কৰিছে—কৰ্মৰপৰা (কৰ্ম>কম্ম>কাম>আম[২২২]। হেমচন্দ্ৰ বৰুৱাই শব্দটোৰ উৎপত্তি নিৰূপণ কৰিছে এনেদৰে—মহী=লেখা জোল+ল=গ্ৰহণ কৰা অৰ্থাৎ মহীক সি লয় অথবা ধৰে বাবে মৈলাম (কাপ মৈলাম শব্দৰ বহুল প্ৰয়োগ আছে)[২২৩]। এক্ষেত্ৰে দোৱাত কলমৰো প্ৰয়োগ নথকা নহয়। দোৱাতৰ মূল আৰবী দৱাআৎ।

২৮ **কুটনী**ঃ—হেমচন্দ্ৰ বৰুৱাই কুটনীৰ অৰ্থ দিছে—'কমপাচৰ দৰে জোখ লৈ চিন দিয়া যতন[২২৪]। ইয়াৰ মূল সম্ভৱ সংস্কৃতৰ 'কুট্টন'। 'কথা গুৰুচৰিত'ত 'কুট দিয়া'ৰ সংবাদ পৰিবেশিত হৈছে[২২৫]। সাঁচিপাত-তুলাপতীয়া পুথিৰ শাৰীবোৰ যাতে সমান হয় সেইবাবে কুটনীৰে জোখ দি লোৰ সূক্ষ্ম শলাৰে আঁক মাৰি লোৱা হৈছিল।

২৯° **আঁকমাৰী**ঃ—আঁকমাৰী হ'ল বাঁহ অথবা কাঠৰ পোন স্কেল। কুটনীৰে জোখ দিয়াৰ পিছত আঁকমাৰী আৰু শলাৰ সহায়ত সাঁচিপাত, তুলপাত প্ৰভৃতিৰ পুথিত সমান্তৰাল ভাৱে ৰেখাসমূহ আঁকি লোৱা দেখা যায়। সংস্কৃত 'অঙ্কন' শব্দৰপৰা আঁক-মাৰী বিকাশ।

৩০° **বিন্ধনা**ঃ—তাল, ভূজ, সাঁচি অথবা তুলাপাতৰ নাভিদেশ উন্মুক্ত কৰিবলৈ যি সঁজুলি ব্যৱহাৰ কৰা হৈছিল, তাৰ অসমীয়া নাম বিন্ধনা। ই ধাতুৰে নিৰ্মিত।

॥ লেখক, লিপিকৰ আদি ॥

যি সকলৰ ঐকান্তিক প্ৰযত্নই বিভিন্ন লিপিৰ বিকাশত যুগান্তৰৰ সৃষ্টি কৰিবলৈ সমৰ্থ হৈছে তৎহে তৎহে লেখন সামগ্ৰীক লোক চকুৰ সমুখত হাজিৰ কৰাইছে সেই সকলেই হ'ল লেখক। গতিকে লেখকৰ আলোচনা অবিহনে লিপিৰ আলোচনা অসম্পূৰ্ণ হ'বলৈ বাধ্য। সেইবাবে এইখিনিতে লেখকৰ সন্দৰ্ভত চমু আলোচনা আগবঢ়োৱা হ'ল—

---

২২২ *The Origin and Development of the Bengali Language*, see 411

২২৩ হেমকোষ, পৃ ৮৩৫

২২৪ ঐ, পৃ ২১৭

২২৫ কথা গুৰুচৰিত, পৃ ১২৭

সংস্কৃত লিখ ধাতুৰপৰা নিষ্পন্ন হোৱা লেখক শব্দটো ৰামায়ণ আৰু মহাভাৰত উভয়তে পোৱা যায়। বেদব্যাসে গণেশক লেখকৰূপে নিয়োগ কৰাটো বহুশ্ৰুত কথা[226]। পালি সাহিত্যতো আলোচিত শব্দটোৰ প্ৰয়োগ ভালেখিনি। 'বিনয় পিটক'ত লেখকক কলা-কুশলীৰূপে প্ৰশংসা কৰা হৈছে[227]। 'মহাবগ্গ'[228] আৰু 'জাতক'ত[229] চৰকাৰী চিঠি-পত্ৰ লেখকে লিখাৰ কথা পোৱা যায়। সাঁচী স্তূপৰ শিলালেখতো উক্ত শব্দটোৰ ব্যৱহাৰ মন কৰিবলগীয়া[230]। পুৰণি ভাৰতত ব্ৰাহ্মণ,কায়স্থ আৰু ভিক্ষুসকলে লেখকৰ কামত প্ৰবৃত্ত হৈছিল। বৌদ্ধ আৰু জৈন ধৰ্মাৱলম্বী ভিক্ষু আৰু ব্ৰহ্মচাৰীসকলে মন্দিৰ আৰু বিহাৰত বহুসংখ্যক পবিত্ৰ গ্ৰন্থৰ লিখিত ৰূপ দিয়াটো ঐতিহাসিক ঘটনা[231]।

পুৰণি ভাৰতবৰ্ষত লেখন কৰ্ম কৰা সন্দৰ্ভত ব্যৱহৃত আনটো শব্দ হ'ল লিপিকৰ অথবা লিবিকৰ[232]। সম্ৰাট অশোকৰ গিৰ্ণাৰ[233] আৰু ব্ৰহ্মগিৰি শিলানুশাসনত[234] লিপিকৰ শব্দৰ প্ৰয়োগ চকুত লগা। শাহবাজগঢ়ী শিলানুশাসনত উক্ত শব্দটোৱে দিপিকৰ ৰূপ লৈছেগৈ। 'অমৰ কোষে' লেখক আৰু লিপিকৰক সমাৰ্থক শব্দৰূপে স্বীকৃতি দিছে[235]। ৰাজকীয় লেখকসকল 'ৰাজ লিপিকৰ' ৰূপে পৰিচিত আছিল। হ'লেও সংস্কৃত সাহিত্য আৰু আভিলেখিক নথি পত্ৰসমূহ ভালদৰে পৰীক্ষা কৰিলে লিপিকৰ শব্দতকৈ লেখক শব্দৰ প্ৰয়োগ অধিক ৰূপত পোৱা যায় আৰু প্ৰথম শব্দটোৱে গ্ৰন্থকাৰ শব্দৰ বিপৰীতে প্ৰতিলিপিকৰ ৰূপেহে ব্যৱহাৰ হোৱাটো তাৎপৰ্যপূৰ্ণ[236]। লেখক অৰ্থত ব্যৱহাৰ হোৱা আনটো শব্দ হ'ল 'দিবিৰ'। মধ্য এচিয়াত প্ৰাপ্ত হস্ত লিখিত শব্দত এই শব্দটোৰ প্ৰথম প্ৰয়োগ পোৱা গৈছে। ড বুহলৰে ইয়াৰ মূল পাৰসীয় 'দেবীৰ' ৰূপে নিৰ্দেশ কৰিছে যদিও[237] ড ৰাজবলী পাণ্ডেই শব্দটোৰ

---

২২৬ মহাভাৰত ১।১।৭৭, ২।৫।৭২

২২৭ বিনয় পিটক ৪ ৭

২২৮ মহাবগ্গ, ১ ৪৩

২২৯ Buhler, G —*IP* P 120 22

২৩০ *IE*, II, P 369 72

২৩১ *Catalogue of Sanskrit Buddhist Mss from Nepal* দ্ৰষ্টব্য।

২৩২ Pandey, R —*Indian Palaeography*, P 90

২৩৩ লিপিকৰা পৰাধেন।

২৩৪ পড়েন লিখিতং লিপিকৰেণ।

২৩৫ লিপিকৰো-অক্ষৰচনো অক্ষৰচুঞ্চু লেখকে—২ ৮ ১৫

২৩৬ Pandey, R—*Op Cit*, P 90

২৩৭ Buhler—*IP*, P 130

অশোকৰ অনুশাসনত ব্যৱহৃত 'দিপিকৰ'ৰ হে প্ৰাকৃতি কৰণ বুলিৰ খোজে[২৩৮] খ্ৰীষ্টীয় সপ্তম অষ্টম শতাব্দীৰ বলভীয় অনুশাসনমালাত কোৱা হৈছে যে যুদ্ধ আৰু সন্ধিৰ ভাৰপ্ৰাপ্ত মন্ত্ৰী গৰাকীয় (সান্ধি বিগ্ৰহাধিকৃত) ৰাজকীয় নথি পত্ৰসমূহ লেখোৱাৰ কামতো নিয়োজিত হোৱা গুণে তেওঁক কোৱা হৈছিল 'দিৱিৰপতি'[২৩৯]। ভাৰত ভূমিত আলোচিত শব্দটো খ্ৰীষ্টীয় একাদশ দ্বাদশ খ্ৰীষ্টাব্দলৈ চলাৰ নজিৰ পোৱা যায়। 'ৰাজ তৰংগিনী'ৰ পৃষ্ঠা লুটিয়ালেই উক্ত মন্তব্যৰ সাৰ্থকতা বিচাৰি পোৱা যাব। ক্ষেমেন্দ্ৰৰ 'লোক প্ৰকাশিক'ত গঞ্জদিবিৰ (হাটত লেখোঁতা), নগৰ দিবিৰ (নগৰত লেখোঁতা) প্ৰভৃতিৰ প্ৰয়োগো এইখিনিতে উলুকিয়াব পাৰি[২৪০]।

বৃত্তিধাৰী লেখকৰ শ্ৰেণী অথবা সম্প্ৰদায়ৰ নাম ল'লেই মনলৈ আহে কায়স্থসকলৰ কথা। পুৰণি স্মৃতিৰ ভিতৰত 'বিষ্ণু ধৰ্মসূত্ৰ'[২৪১] আৰু 'যাজ্ঞবল্ক্য স্মৃতি'ত[২৪২] উক্ত সম্প্ৰদায়ৰ উল্লেখ পোৱা যায়। বুধগুপ্তকালীন দামোদৰপুৰ তাম্ৰলেখ[২৪৩] ৰাজস্থানৰ কণস্ব তাম্ৰলিপি (খ্ৰী ৭৩৮ ৩৯)[২৪৪], গুজৰাটত প্ৰাপ্ত ভিন্ন তাম্ৰলেখ[২৪৫], কলিংগ শাসন[২৪৬], বিহ্লনৰ 'ৰাজ তৰংগিনী' প্ৰভৃতিতো কায়স্থ শব্দৰ উল্লিখন মন কৰিবলগীয়া। মিথিলাৰ কায়স্থসকলে সংৰক্ষণ কৰা লিপিৰ নাম 'কৈথী'। অসমতো কাইথেলী লিপি আছে। লেখক অৰ্থত প্ৰচলিত আন আন শব্দৰ ভিতৰত কৰণিন[২৪৭], শাসনিন [২৪৮] আৰু ধৰ্ম লেখিন [২৪৯] প্ৰধান। শিল, তাম প্ৰভৃতিত উৎকীৰ্ণ কৰা লিপিকৰসকলক বুজাবলৈ শিলাকূট, লোহকৰ, কাংখ্যকৰ, তাম্ৰকৰ, হেমকৰ, আৰু শিল্পী শব্দৰ প্ৰয়োগ আছে[২৫০]।

পুৰণি অসমীয়াত লিখন কাৰ্য কৰোঁতাসকলৰ পৰিচয় আছিল 'লিখক' অথবা

---

২৩৮ Pandey, R —*Op Cit*, P 91
২৩৯ Pandey, R —*Ibid* P 91
২৪০ *IA*, Vol VI, P 10
২৪১ ৰাজাধিকৰেণ তন্নিযুক্ত কায়স্থ কৃতং তদধ্য—ক্ষৰ চিহ্নিতং ৰাজসাক্ষিকম্।
২৪২ যাজ্ঞবল্ক্য, ১ ৩৩৬
২৪৩ প্ৰথম কায়স্থ বিপ্ৰপাল *EI* Vol VX, P 138
২৪৪ *IA*, Vol XIX, P 55
২৪৫ Do, Vol VI, P. 192
২৪৬ *EI*, Vol III, P 224
২৪৭ হৰ্ষ চৰিত,
২৪৮ *IA*, Vol XX, P 315
২৪৯ *Ibid*, Vol XVI, P 208
২৫০ Pandey, R —*Op Cit* PP 94-95

'লিখাক' ৰূপে। বেণুধৰ শৰ্মাৰ মতে গ্ৰন্থকাৰক বোলা হৈছিল 'লেখক' অথবা 'লেখাক' আৰু নকল কাৰকক কোৱা হৈছিল লিখক' বা লিখাক'[২৫১]। লিখক লেখকৰ প্ৰভেদ ৰাখিবলৈকে হেনো নকল কাৰকে পুথিৰ সামৰণিত স্পষ্টভাৱে লিখি গৈছিল—"যথা দৃষ্টং তথা লিখিতং লেখকে নাস্তি দূষণং। ভীমস্যাপি ৰণে ভংগো মুনীনাঞ্চ মতিভ্ৰম।' অথবা 'যেনে দেখে তেনে লিখে জানা সমস্তয়। লিখকে দোষ নাই কহিলো নিচয়।' নকল কাৰকসকলে পুথি নকল কৰা কামতে আবদ্ধ থাকি পৰিয়ালৰ ভৰণ পোষণ দিছিল। মধ্যযুগত পুথি নকল কৰা কাম ইমান ব্যাপকভাৱে হৈছিল যে একোজন লিখকে বিভিন্ন পুথি নকল কৰাৰ বিপৰীতে মাথো এখন নিৰ্দিষ্ট পুথিকেই নকল কৰি একালেদি তেওঁ সেই পুথি নকল কৰাত অভ্যস্ত হৈ পৰিছিল আৰু আন হাতেদি ধনো উপাৰ্জন কৰিছিল[২৫২], আহোম নৃপতিসকলৰ ৰাজত্ব কালত ৰাজধানীত লিখকৰ বৰুৱাৰ অধীনত এদল নকলকাৰক বা লিখাক আছিল আৰু তেওঁলোকৰ হতুৱাই বুৰঞ্জী আৰু ৰাজকাৰ্যৰ আন আন টোকাবোৰ লিখা হৈছিল[২৫৩]। শিলৰ ফলিত জয়জয়তে আখৰ কটাওঁতাই আখৰৰ ৰূপটো লিখি দিয়াৰ পিছত তাৰ ওপৰে ওপৰে শিলা বুটাৱে ছেনী বা সৰু বটালিৰে আখৰবোৰ কাটি গৈছিল[২৫৪] মধ্যযুগীয় সত্ৰবোৰতো একশ্ৰেণী কবি অনুবাদক আছিল আৰু তেওঁলোকে লিখা পুথিবোৰৰ প্ৰতিলিপি প্ৰস্তুত কৰিছিল—লিখক আৰু খনিকৰসকলে। কাৰোমতে খনিকৰসকল শিক্ষিত নাছিল যদিও আখৰ চাই ছবি অকাৰ দৰে সিবোৰ লিখি গৈছিল[২৫৫]। খনিকৰে নকল কৰা পুথি খনিকৰী পুথিৰূপে জনা যায়। লিখকৰ সৃষ্টিত মন্দিৰ, নামঘৰ, সংস্কৃত টোল বা ছাত্ৰশালাবোৰৰ অৱদানো শুক্ৰৰ প্ৰতিবেশী বুলিব নোৱাৰি।

---

২৫১ শৰ্মা, বেণুধৰ—হাতে লিখা পুথি (অসমীয়া সংস্কৃতি) পৃ ১৫৫

২৫২ *Descriptive Catalogue of Assamese Manuscripts* P XV

২৫৩ Do, P XIX

২৫৪ বৰবৰুৱা, হিতেশ্বৰ—আহোমৰ দিন, পৃ ৪৬৮

২৫৫ হিতেশ্বৰ বৰবৰুৱাই অসম সাহিত্য সভাৰ বুৰঞ্জী শাখাৰ প্ৰথম অধিবেশনত সভাপতিৰূপে দিয়া ভাষণত নিবন্ধৰ লিখক বা খনিকৰসকলৰ পুথি নকল কৰা পদ্ধতি সম্পৰ্কে লিখিছে—'কোনো কাট-কুট কৰা কিংবা মহীৰ টোপা পৰা থাকিলে, নকল কৰোঁতে সিবিলাকে ঠিক সেই দৰেই কাট-কুট কৰি আৰু চিয়াহিৰ তদ্ৰূপ টোপা পেলাই বুৰঞ্জী বা পুথি বিলাক অবিকল নকল কৰিছিল। প্ৰবাদ আছে, এনেকুৱা লিখক এজনে বুৰঞ্জী নকল কৰোঁতে বুৰঞ্জীৰ পাত এটাত মাখি এটা পৰি থকাত সেই মাখিৰ ছবিয়ে লৈতে হবহু তুলিছিল। (পৃ ১৭, অসম সাহিত্য সভাৰ ভাষণাৱলী . বুৰঞ্জী)

॥ সমাপ্ত ॥

পরিশিষ্ট-ক
পারিভাষিক শব্দাবলী

Acute angled alphabet সূক্ষ্মকোণী লিপি
A deed of gift দানপত্র
Aloe tree সাঁচি গাছ
Alphabet বর্ণলিপি
Alphabetic writing বর্ণাত্মক লিপি
Angular form কৌণিক রূপ
—head কোণ শীর্ষ
Arm বাহু, ভুজ
Archaeology পুরাতত্ত্ব
Archaeological finds প্রত্নতাত্ত্বিক সামগ্রী
Archaic writing পুরালিপি
Arrow headed কাঁড়মুখী
Arsenic হাইতাল
Aramaic আরামীয়
Base অন্তভূমি
Bilingual দ্বি ভাষিক
Birch bark ভূর্জপত্র
Box headed পেটিকা শীর্ষ
Boustrophoden লাংগলকর্ষণবৎ
Colligraphy সুলেখন কলা
Calligraphist সুলেখক
Charter শাসন
Chronogram সংখ্যা সংকেত
Circle বৃত্ত
Clay tablet মৃৎ ফলক
Coin মুদ্রা
Coin inscription মুদ্রাশাসন
Copy প্রতিলিপি
Copper plate তাম্রফলি
Copper plate charter তাম্রশাসন
Cuneiform বাণমুখ লিপি, কীলকাক্ষর
Curve line কুটিল রেখা
Cursive form বক্ররূপ, কুটিল শৈলী
Cursive writing ধরকৈ পকাই লিখা, কুটিল লেখ
Cylinder seal বর্তুল মোহর
Development বিকাশ
Decree শাসন
Demotic script গণলিপি
Determinative sign নির্ণয়াত্মক চিহ্নলিপি
Edict লেখ, শাসন
Engraved উৎকীর্ণ
Epigraph অভিলেখ, পুরালেখ
Epigraphy অভিলেখ বিজ্ঞান, পুরালেখ বিজ্ঞান
Epigraphist অভিলেখবিদ্
Epigraphic monument অভিলেখিক স্মারক
Era সম্বৎ
Eulogy প্রশস্তি
Evolution বিকাশ
Fame piller কীর্তিস্তম্ভ
Foot marks পাদচিহ্ন
Hand writing হস্তলেখ
Hand written book হস্তলিখিত পুথি

Head line শিরোরেখা
Head mark শিরোচিহ্ন
Hieroglyph পূতখোদিত লিপি
Hierotic script পবিত্র লিপি
Hook হাকোঁটা
Horizontal line অনুভূমিক রেখা
Ideogram ভাবচিহ্ন
Ideographic writing ভাবচিত্রাত্মক লিপি
Image piller ছায়াস্তম্ভ
Ink চিয়াহি, মসি, মসী, মষী
Ink pot দোয়াত, মৈলাম, মষীচুঙা
Iron piller লৌহস্তম্ভ
Iron gall ink লৌহ পিত্ত মসী
Loop ফাঁচ
Loop headed ফাঁচ শীর্ষ
Manuscript পাণ্ডুলিপি
Millennium সহস্রাব্দী
Palaeography পুরালিপি, প্রত্নলিপি
Palaeographist প্রত্নলিপি বিশারদ, পুরালেখবিদ্
Pen কলম, কাপ, লেখনী
Phonogram শব্দলিপি
Pictogram চিত্রলিপি
Pictural script চিত্রলিপি
Piller inscription স্তম্ভলেখ
Quipu গ্রন্থিলিপি
Rock শিলা
Rock inscriptions শিলানুশাসন, শৈলশাসন, শিলালেখ
Royal seal রাজকীয় মোহর
Scribe লিপিকর, লিবিকর, লিখক, শিলাকূট, লোহকর, কাংস্যকর, তাম্রকর, হেমকর, দিবির
Seal মোহর
Scrifical Piller যূপ
Solid গোটা
Solid Triangle গোটা ত্রিকোণ
Stone piller শৈলস্তম্ভ
Stroke ক্ষুদ্ররেখা, সরু আঁচ
Squar head line চতুষ্কোণ শীর্ষরেখা
Symbol প্রতীক
Syllabic অক্ষর
Syllabic sign অক্ষরচিহ্ন
Tails পুচ্ছ
Tools লেখন সামগ্রী
Traingular ত্রিকোণ শীর্ষ
Vermillion হেঙুল
Vertical line দণ্ডরেখা, উলম্বরেখা, লম্বরেখা
Victory piller জয়স্তম্ভ
Wedge গোঁজ, বাণ
Wedge shaped কীলমুদ্রা, গোঁজ মুখী
Writer করণিন, ধর্মলেখিন, লেখক, শাসনিন

পৰিশিষ্ট—খ

॥ গ্ৰন্থপঞ্জী ॥

১ অসমীয়া

ক মুখ্য উৎস :

কটকী, সৰ্বেশ্বৰ—অসমীয়া প্ৰাচীন লিপি, গুৱাহাটী, ১৯৩৬, দ্বি° তা° ১৯৭৯

গোস্বামী, উপেন্দ্ৰনাথ—অসমীয়া লিপি, অসম প্ৰকাশন পৰিষদ, ১৯৮৭

নেওগ, মহেশ্বৰ—(সম্পা°) প্ৰাচ্য শাসনাৱলী, অসম প্ৰকাশন পৰিষদ, ১৯৭৪

খ গৌণ উৎস : গ্ৰন্থ

গগৈ, লীলা—অসমৰ সংস্কৃতি, যোৰহাট, ১৯৮২

আহোম জাতি আৰু অসমীয়া সংস্কৃতি, শিৱসাগৰ, ১৯৬১

টাই সংস্কৃতিৰ ৰূপৰেখা, কলিকতা, ১৯৭১

সাহিত্য সংস্কৃতি-বুৰঞ্জী, ডিব্ৰুগড়, ১৯৭২

গোস্বামী, হেমচন্দ্ৰ—হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী, সম্পা বেণুধৰ শৰ্মা, যোৰহাট, ৮৯৩ শক

চৌধুৰী, সোণাৰাম—অসম সাহিত্য সভাৰ বুৰঞ্জী শাখাৰ সভাপতিৰ অভিভাষণ, শিৱসাগৰ, ১৯৩১

ঠাকুৰীয়া, ৰামচৰণ—পাঠ সমীক্ষা প্ৰসংগত, পাঠশালা সাহিত্য সভা, ১৯৮১

দত্ত, দণ্ডীৰাম—কৌতুক আৰু কাইথেলী অংক, গুৱাহাটী, (পঞ্চম তা), ১৯৬৪

দেৱশৰ্মা, ৰজনীকান্ত—(সম্পা) কৌটিল্যৰ অৰ্থশাস্ত্ৰ, অসম প্ৰকাশন পৰিষদ, ১৯৭৭

নেওগ, ডিম্বেশ্বৰ—অসমীয়া সাহিত্যৰ বুৰঞ্জী, ভৱনী প্ৰকাশ, ১৯৫৭

নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী, ভৱনী প্ৰকাশ, ১৯৬৪

নেওগ, মহেশ্বৰ—অসমীয়া সাহিত্যৰ ৰূপৰেখা, গুৱাহাটী, ১৯৬২

(সম্পা°) অৰুনোদই, অসম প্ৰকাশন পৰিষদ, ১৯৮৩

মজুমদাৰ, তিলকচন্দ্ৰ—(সম্পা°) সুৰীয়া সুৰভি মাত, নগাওঁ, ১৯৭৩

মেধি, কালিৰাম—অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ব, গুৱাহাটী, ১৯৩৬, দ্বিতীয় তা° ১৯৭৮

কালিৰাম মেধি ৰচনাৱলী, সম্পা° সৰ্বশ্ৰী যতীন্দ্ৰনাথ গোস্বামী আৰু মুৰাৰিচৰণ দাস, গুৱাহাটী, ১৯৭৯

শইকীয়া, নগেন—(সম্পা) অধ্যয়ন পৰিচয়, গোলাঘাট, ১৯৭৮

শৰ্মা, বেণুধৰ—দুপৰি, গুৱাহাটী, ১৯৬৩

ফুল-চন্দন, গুৱাহাটী, ১৯৬৯

শৰ্মা, সত্যেন্দ্ৰনাথ—অসমীয়া সাহিত্যৰ ইতিবৃত্ত, গুৱাহাটী, ১৯৫৯

অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, গুৱাহাটী ১৯৮৮

শৰ্মা, হেমন্তকুমাৰ—(সম্পা°) অসম গৌৰৱ, গুৱাহাটী, ১৯৭৮

হাজৰিকা, বিশ্বেশ্বৰ—অসমীয়া ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশ, গুৱাহাটী, ১৯৮১

গ গৌণ উৎস . নিবন্ধ গুচ্ছ

* গোস্বামী, নবীনচন্দ্ৰ—অসমীয়া লিপিৰ চমু ইতিহাস ('অধ্যয়ন পৰিচয়'ৰ অন্তৰ্ভুক্ত), * চৌধুৰী, প্ৰতাপচন্দ্ৰ—আমবাৰী শিলালিপি (অ সা স প, ২৮ বৰ্ষ, ১ সংখ্যা), গছতল শিলালিপি (সাপ্তাহিক নীলাচল (২২ এপ্ৰিল' ৭), গোলাঘাটৰ খনিকৰ গাওঁ শৈলশাসন (দৈনিক অসম, ১৯৭২), * দাস, নাৰায়ণ—অসমীয়া স্বৰলিপিৰ বিকাশৰ ধাৰা (অ সা স প, ষষ্ট ত্ৰিংশ বৰ্ষ, ৪ সংখ্যা), অসমীয়া ব্যঞ্জন লিপিৰ ক্ৰমবিকাশ (অসম কলেজ শিক্ষক সংস্থাৰ আলোচনী, ১৯৮৩), অসমীয়া লিপি বিকাশৰ ভিন্ন স্তৰ (অগ্ৰদূত, ১০মে '৮০) অসমীয়া লিপিৰ যুগবিভাগ (অসম কলেজ শিক্ষক সংস্থাৰ আলোচনী '৮৯), পুৰালেখ অধ্যয়নৰ সমস্যা (অ সা স প পঞ্চত্ৰিংশ বৰ্ষ, দ্বিতীয় সংখ্যা), লিপিৰ উদ্ভৱ, ভাৰতীয় আৰু অসমীয়া লিপিৰ গুৰিকথা (দৰং মহাবিদ্যালয় আলোচনী, ৰূপালী জয়ন্তী সংখ্যা, ১৯৭২), লিপি বিজ্ঞান পৰিচয় (আলিপনা '৮৫), ভাৰতীয় লিপি অধ্যয়নৰ পৰিচয় ('অধ্যয়ন পৰিচয়'ৰ অন্তৰ্ভুক্ত) * নেওগ, মহেশ্বৰ—লিপি পৰিবৰ্তন (মণিদীপ, ১৯৬২) * পাচনি, বিভূতি—ভাৰতীয় লেখন কলাৰ ক্ৰমবিকাশ (দৈনিক অসম, ১৯৭৩), অসমীয়া লিপিৰ উৎপত্তি (সাপ্তাহিক নীলাচল, ১৭ জানুৱাৰী '৭২) * বৰা, কৃষ্ণ—অসমীয়া লিপিৰ উদ্ভৱ আৰু বিকাশ ('সুৰীয়া সুৰভি মাতৰ অন্তৰ্ভুক্ত), * বৰকাকতী, বসন্তকান্ত—সভাপতিৰ ভাষণ (অসম সাহিত্য সভাৰ নাজিৰা অধিবেশন) * বাজগুৰু, সৰ্বেশ্বৰ—মধ্যযুগৰ শিক্ষা ব্যৱস্থা . লিখাৰ সঁজুলি (অ সা স প ২৭ বৰ্ষ, ৩সংখ্যা) * শৰ্মা, মুকুন্দ মাধৱ—নগাজৰী-খনিকৰ গাওঁ প্ৰস্তৰ খণ্ড লিপি ('অধ্যয়ন পৰিচয়'ৰ অন্তৰ্ভুক্ত) * হাজৰিকা, বিশ্বেশ্বৰ—অসমীয়া লিপি আৰু ভাষাৰ ক্ৰমবিকাশ ('অসম গৌৰৱ'ৰ অন্তৰ্ভুক্ত)

২ বাংলা

ক মুখ্য উৎস :

সেন, অমূল্য চন্দ্র—(সম্পা) অশোক লিপি, কলিকাতা, ১৯৫৩
সেন, নীলরতন—(সম্পা°) চর্যাগীতি কোষ, কলিকাতা, ১৯৭৮

খ গৌণ উৎস : গ্রন্থ

চট্টোপাধ্যায়, সুনীতি কুমার—বাংগালা ভাষাতত্ত্বের ভূমিকা, কলিকাতা বিশ্ববিদ্যালয়, ষষ্ঠ ভা ১৯৫৩;
ভাষা প্রকাশ ব্যাকরণ, কলিকতা বিশ্ববিদ্যালয়, তৃতীয় ভা. ১৯৪৫
দাস, সজনীকান্ত—বাংলা গদ্য সাহিত্যের ইতিহাস, ১৯৬৯
নাথ, রাজমোহন—মহেঞ্জদড়োর লিপি ও সভ্যতা, শিলং, ১৯৬১
বন্দ্যোপাধ্যায়, অসিতকুমার—বাংগালা সাহিত্যের ইতিবৃত্ত, মডার্ণ বুক এজেন্সি, তৃতীয় ভা ১৯৭০
বসাক, রাধাকুমুদ—কৌটিল্যের অর্থশাস্ত্র (সানুবাদ), জেনেরেল প্রিন্টারস , কলিকতা
বিদ্যাভূষণ, শ্যামকান্ত—মনুসংহিতা (সানুবাদ), তারা লাইব্রেরী, কলিকতা
মুখোপাধ্যায়, তারাপদ—কৃষ্ণকীর্তন, মিত্র এণ্ড ঘোষ, ১৯৭১
শ্রীপান্থ—যখন ছাপাখানা এলো, কলিকতা, ১৯৭৭
শাস্ত্রী, হরপ্রসাদ—হরপ্রসাদ রচনাবলী, প্রথম সম্ভার, সম্পা সুনীতিকুমার চট্টোপাধ্যায়, ইষ্টার্ণ ট্রেডিং কোম্পানী, ১৯৫০
সিদ্দিকখান, মুহম্মদ—বাংলা মুদ্রণ ও প্রকাশনের গোড়ার কথা, ঢাকা, ১৩৭১
সেন, দীনেশচন্দ্র—বংগ ভাষা ও সাহিত্য, কুমিল্লা, ১৮৯৬
সেন, সুকুমার—ভাষার ইতিবৃত্ত, সপ্তম, ভা ১৯৬২
বিশ্বকোষ, প্রথমখণ্ড (রংগলাল মুখোপাধ্যায় আর ত্রৈলোক্যনাথ মুখোপাধ্যায় সংকলিত), ১২৯৩ সাল।

গ গৌণ উৎস : নিবন্ধ গুচ্ছ

• দে, নন্দলাল—বাংলা লিপি বা বাংলা অক্ষর (সুবর্ণ বণিক সমাচার, ২য় বর্ষ) • বিদ্যাভূষণ, অমূল্যচরণ—ভারতীয় লিপি (অমূল্যচরণ বিদ্যাভূষণ রচনাবলী, দ্বিতীয় খণ্ড) • শাস্ত্রী, হরপ্রসাদ—বাংগালার পুরাতন অক্ষর (সাহিত্য পরিষদ পত্রিকা, প্রথম সংখ্যা ১৩২৭) • সেন, সুকুমার—বটতলার বেসাতি (বিশ্বভারতী পত্রিকা, শ্রাবণ-আশ্বিন, ১৩৫৫)

৩ সংস্কৃত (ব্রাহ্মণ্য, বৌদ্ধ আরু জৈনগ্রন্থ)

* অথর্ববেদ সংহিতা (মূল আরু অনুবাদ দুর্গাদাস লাহিড়ী, কলিকতা, ১৯২৫ ৩৬ ; W D Whitney) * অঙ্গুত্তর নিকায় * অষ্টাধ্যায়ী (পাণিনি) * আশ্বলায়ন (সূত্র) * ঋগ্বেদ সংহিতা (ed Max Muller & tr W W Wilson), দুর্গাদাস লাহিড়ী (অষ্টম খণ্ড) কলিকতা, ১৯২৫ ৩৬ , হরফ প্রকাশনী, ১৯৭৬ * ঐতরেয় ব্রাহ্মণ (সম্পা॰ আনন্দ শর্মা, পুণে) * ঐতরেয় আরণ্যক * কাত্যায়ন স্মৃতি (সম্পা পি ভি কানে, বোম্বে), * কামৰূপ শাসনাৱলী (সম্পা বঙলা অনুবাদ সহ পদ্মনাথ ভট্টাচার্য বিদ্যাবিনোদ, রংপুর সাহিত্য পরিষদ, ১৮৫৩ শক , ইংরাজী আরু অসমীয়া অনুবাদ সমেত, সম্পা॰ ডিম্বেশ্বর শর্মা, অসম প্রকাশন পরিষদ, ১৯৮১) * ছান্দোগ্য উপনিষদ (অনু Charles Johnston, Dublin, 1896 , মূল আরু বঙলা অনুবাদ—সীতানাথ তত্ত্বভূষণ আরু মহেশচন্দ্র ঘোষ, কলিকতা ১৯২৬) * জাতক (অনু ঈশান চন্দ্র ঘোষ, করুণা প্রকাশনী, দ্বিতীয় তা ১৩৯১) * তৈত্তিৰীয় উপনিষদ (শংকর ভাষ্য সমেত দুর্গাচরণ সাংখ্য বেদান্ত তীর্থ, দেব সাহিত্য কুটির, ১৯৬৮) * দীঘ নিকায় * ধম্মপদ * নন্দীসূত্র * নারদস্মৃতি * পারশর ধর্মসূত্র * পন্নবনাসূত্র * বশিষ্ঠর ধর্মসূত্র * বাণর হর্ষচরিত (অসমীয়া অনু —মনোরঞ্জন শাস্ত্রী) * বিনয় পিটক * বৃহস্পতি স্মৃতি * মনুস্মৃতি * মহাভাষ্য (পতঞ্জলি) * মহাবস্তু * মহাবংশ (অনু W Geigar) * যাজ্ঞবল্ক্য স্মৃতি * ললিত বিস্তর * সংযুক্ত নিকায় * সুবন্ধুর বাসবদত্তা ।

৪ হিন্দী

ক মুখ্য উৎস

ওঝা, জি এইচ—ভারতীয় প্রাচীন লিপিমালা, তৃতীয় তা দিল্লী ১৯৫৯

চোবে, বি চি—ব্রাহ্মী লিপি কা বিকাশ ঔর দেৱনাগরী কী উৎপত্তি, ১৯৪৪

মুলে, গুণাকর—ভারতীয় লিপিয়োঁ কী কহানী, রাজকমল প্রকাশন, ১৯৭৪

বাহী, ঈশ্বরচন্দ্র—লেখন কলা কা ইতিহাস, দুইখণ্ড, উত্তরপ্রদেশ হিন্দী সংস্থান, ১৯৮৩

খ গৌণ উৎস : গ্রন্থ

আগ্রৱাল, বাসুদেব শরণ—পাণিনিকালীন ভারতবর্ষ, ২০১২ সম্বৎ

উপাধ্যায়, বাসুদেব—প্রাচীন ভারতীয় অভিলেখোঁ কা অধ্যয়ন ; ১৯৬৫

তিৱারী, ভোলানাথ—ভাষা চিন্তন, আগ্রা, ১৯৭১

ভাষা বিজ্ঞান, অষ্টম তাঙৰণ, ১৯৭১

নাৰায়ণ, এ কে আৰু বৰ্মা, টি পি—প্ৰাচীন ভাৰতীয় লিপি শাস্ত্ৰ ঔৰ অভিলেখী, বাৰাণসী, ১৯৭০

মূলে, গুণাকৰ—অক্ষৰ-কথা, ৰাজকমল প্ৰকাশন

ভাৰতীয় অংক পদ্ধতি কী কহানী, ৰাজকমল প্ৰকাশন

হিন্দী বিশ্বকোষ—দ্বিতীয় খণ্ড, নাগৰী প্ৰচাৰিণী সভা, বাৰাণসী, ১৯৬০

৫ ক টোকা, ভ্ৰমণ বৃত্ত (গ্ৰীক, লেটিন, চীনা আৰু আৰবী)

(A) Arrian— *Anabasis India*, ed, A G Ross, Leipzig; Eng tr by E. J Chinnock, London, 1873

Herodotus— *History* ed C Hude, Eng tr by G C Macaulay, London, 1904

Justin— *Epitome*, Eng tr by J W MeCrindle in the tittle of *The Invasion of India by Alexander the Great* 2nd ed Westminster, 1896

Magasthenes— *Fragments of India*, ed by E A Schwanbeck, Bonn. 1946, Eng tr—*Ancient India as Described by Magasthenes* Cal, 1877

Periplus Maris Erythraei—*Periplus of Erythraean Sea*, Eng. tr by W H Schoff London, 1912

Pliny— *Naturalis Historia*, Eng tr C Mayhaff, Leipzing, 1909

Plutarch— *Life of Alexander* ed K Sintenis,—Leipzing, 1881

Starbo— *Geographica*, Eng tr by Himilton & W Falconer, London, 1854-7

(B) Fa Hien Eng tr by J Legge, Oxford, 1886

Huen Tsang—*Si yu ki*, Eng tr by S Beal in the title of *Buddhist Records of the Western World* 2 vols. London, 1883

Shamans Hwui Li & Yen Tsung—*Life of Hiuen—Tsiang*, 2n. ed, London, 1911

Watters T— *On Yuan Chwang's Travels in India*, 2 vols. London. 1904

(C) Sachau, E C—*Alberuni's India*, London, 1910

৫ নং অভিলেখ অঙ্ক আর মুদ্রা উৎস

Allan, J — *Catalogue of the coins of Ancient India*, London, 1936

Bayer, A M, Rapson, E J & Senart E—*Kharosthi Inscriptions*, *Oxford*, 1920

Bloch, J — *Les Inscriptions d' Asoka*, Paris, 1950

Bolzani, G V P —*Hieroglyphica*, 1557

Botham, A W — *Catalogue of the Provincial Coin cabinet of Assam*, Allahabad, *1930*

Chlfant, F H — *Early Chinese Writing*, 1911

Cunninghum, A —*Corpus Inscriptionum Indicarum*, Vol I, *Coins of Ancient India* Varanasi, 1891

Erman, A — *Die Hieroglyphen*, Leipzig, 1912

Fleet, J F — (ed) *Corpus Inscriptionum Indiarum*, Vol III, London, 1888

Gnoli, Ranlero—*Napalese Inscriptions in Gupta Characters*, Rome, 1950

Gutenbrunner— *Uberden Urspung desgotischen Alphabets*, 1890

Gupta, P L.— *Coins*, National Book Trust, India, 1969

Hultzsch, E.— *Corpus Inscriptionum Indicarum*, Vol, I (New series, Inscriptions of Asoka), London, 1925

Kono, S — *Corpus Inscriptionum Indicarum*, Vol II, Calcutta, 1929

Kharosthi Inscriptions, London, 1929

Lahiri, A.N — *Corpus of Indo-Greek Coins*, Calcutta, 1965

Lock, L — *The Ancient Quipu*, London, 1923

Ludens, H — *Mathura Inscriptions*, Gottingen, 1961

Mahalingam, T V —*Early South Indian Palaeography*, Madras University, 1967

Marshall, J — *Mohenjodaro and the Indus Civilization*, Vol I & II, London, 1931

Monuments of Sanchi

Maitra, A.K.— *Gaudalekhamala*

Majumdar, N G —*Inscriptions of Bengal* Vol I—III, Rajshahi
Mahadeven, I— *Corpus of Tamil Brahmi Inscriptions*, Madras, 1966
Mirashi, V V —*Corpus Inscriptionum Indicarum*, Vol V (Vakataka Inscriptions) Ootacamund, 1963
Inscriptions of the Kalachuri Chedi Era, (Two Parts), Ootacamund, 1955
Patt, T A — *The Inscriptions of Sinai*, 1917
Pauli— *Corpus Inscriptionum Etruscarum*, 1895
Rao, M Rama— *Inscriptions of Andhra Pradesh*, Vol I, 1968
Rapson, E J — *Indian Coins*, Strassburg, 1897
Sarma, M M — *Inscriptions of Ancient Assam*, Gauhati University, 1978
Sastri, H K — *South Indian Inscriptions*, Madras, 1917
Sastry, S S — *Reports on the Inscriptions of the Devasthana Collections with Illustrations*, Delhi, 1930
Sayee, A H —*The Decipherment of Meroitic Hieroghyphs*, 1911
Senart, E — *Les Inscriptions de Piyadasi*, Paris,
Sharpe, S — *Egyption Hieroglyphs*, 1861
Simonides, C— *Hieroglyphic Letters*, 1860
Sircar, D C — *Select Inscriptions—Bearing on Indian History and Civilizations*, Vol I, Calcutta, 1942
Select Inscriptions, Vol II, Motilal Banarasidass 1983
Some Epigraphical Records of the Medieval Period from Eastern India, Delhi, 1979
Thompson, J E S —*Maya Hieroglyphic Writing*, Washington, 1960
Torrer, E — *The Hittite Hieroglyphic Writing*, Chicago, 1932

৫ গ গৌণ উৎস : ইংরাজী গ্রন্থ

Allen, A B —*Romance of Alphabet*, 1937
Abott, Nabia—*Rise and Development of North Arabic Script*, 1939
Astle, T — *Origin and Progress of Writing*, London, 1831
Babylonian and Oriental Records

Banerji R.D — *The Origin of the Bengali Script*, University of Calcutta, 1919, 2nd Nababharat ed, 1973

Barua, B K — *A Cultural History of Assam*, Vol I, Nowgong, 1951

Burua, B M — *Asoka and His Inscriptions*, 2 Vols, 2nd ed, 1955
Bharhut Inscriptions, Calcutta, 1926

Barua, G C — *Ahom Assamese English Dictionary*, 1920

Barua, K L — *Early History of Kamarupa, Shillong*, 1923, 2nd ed 1966

Barnett, L D — *Antiquities of India*, London, 1913

Basak, R K — *Asokan Inscriptions*, 1959

Basham, A L —*The Wander that was India*, Rupa & Co 1971

Bhuyan, S K — *Studies in the History of Assam*, Guwahati, 1965

Booth, A J — *The Discovery and Decipherment of the Tringual Cuneiform Inscriptions*, London, 1902

Bora, M — *The Evolution of Assamese Script* Asam Sahitya Sabha, 1981

Borton, G A —*The Origin and Development of Babylonian Writing*, 1910

Brasted, J H —*The History of Egypt*, London, 1948

Brice, W C — *The Writing System of the Proto-Elamite Tablets of Susa*, 1962

Briton, D G — *A Premer of Maya Hieroglyphs*, Baston, 1893

Buhler, G — *Indian Palaeography* (*IA*, Vol XXXIII, 1904, Appendix)
Do—Indian Studies , Past and Present, Vol I, Calcutta, 1959
Do—Eastern Book House, Patna 6, 1987
On the Origin of the Indian Brahma Alphabet, Chowkhamba 1963

Burnell, A C —*Elements of South Indian Palaeography*, London, 1878 2nd ed, 1968

Budge, E A W —*Early Lessions in Egyptian Hieroglyphs*, 1922

Chakravarty B —*The Message of Indus Script*, Calcutta, 1976

Chamberlain, B H—*A Practical Introduction to the study of Japanese Writing*, 1905

Chatterjee, S K—Linguistic Survey of India , Languages and Scripts—*The Cultural Heritage of India*, Vol I, Cal, 1963

Languages and Literatures of Modern India, Cal, 1963

Chaudhury, R D—(ed) *A Source Book of the Numismatic Studies in North East India*, 2 Vols, Guwahati, 1986

Choudhury P C—*The History of Civilisation of the People of Assam*, Guwahati, 1959, 2nd ed 1966

A Catalogue of Sanskrit Manuscripts at DHAS, 1961

Clark, C— *The Art of Early Writing with Special Reference to the Cuneiform Writing*, London, 1938

Clodd, E— *Story of the Alphabet*, London, 1900, 2nd ed New York, 1938

Dani, A H— *Indian Palaeography*, London, 1963,

Dasgupta, C C—*The Development of Kharosthi Script*, Firma K L Mukhopadhyay, Cal , 1958

Dasgupta, R— *Eastern Indian Manuscript Painting*, Taraporevala Sons & Co, Bombay, 1972

Datta, B B— *History of Hindu Mathematics*, Asia Publishing House, 1962

Dikshit, K N—*Pre Historic Civilisation of Indus Valley*, Madras, 1934

Diringer, David—*The Alphabet* 2nd Rev ed London, 1953

Writing, London, 1962

Driver, G R— *Semetic Writings from Pictography to Alphabet*, 1948

Encyclopaedia Britannica

Everyman's Encyclopaedia

Gait, E A — *A History of Assam*, 2nd *ed* Calcutta, 1926
Report on the Progress of Historical Research in Assam, Shillong, 1897

Gelb, I J — *A Study of Writing*, Chicago, 2n ed, 1963
The Art of writing, London, 1952

Gogoi, L — *Buranji's Historical Literature of Assam*, Omsons Publications Guwahati, 1986

Gokhale, S L —*Indian Numerals*, Puna, 1966

Goswami, H — (ed) *A Descriptive Catalogue of Assamese Manuscripts*, Gauhati, 1930

Gupta, K — *Copperplates of Sylhet*, Vol I, 1967

Heras, H — *Studies in Proto Indian Script*

Hooke S H — *The Early History of Writing*, 1937

Hopkins, L C —*The Development of Chinese Writing*, 1910

Hrozny, B — *Ancient History of Western Asia, India and Crete*

Hunter, G R — *The Script of Harappa and Mahenjodaro and Its Connection with other Scripts*, London, 1934

Isemonger, N E —*The Elements of Japanese Writing*, 1943

Jensen H — *Syn Symbol, Script* (Eng tr by G Unwin), London, 1970

Karlgren, B — *Sound and Symbol in Chinese*, London, 1923
A Chinese-English Dictionary, 1892

Lehman, W P — *Historical Linguistics*, Oxford & IBH Publishing Co , 1966

Mackay E J H —*Further Excavations at Mohenjodaro*, Delhi, 1937

Madden, I — *Universal Palaeography*, 1909

Martin, W J — *The Origin of Writing*, Jarusalem, 1943

Masson, W A —*A History of the Art of Writing*, New York, 1920

Misra, J K — *A History of Maithili Literature*, Allahabad, 1949

Moorhouse, A C —*The Triumph of the Alphabet*—A History of Mankind, New York, 1953

Mukharjee, R & Maity, S K —*Corpus of Bengal Inscriptions*, Firma K L Mukhopadhyaya, 1967

Nath R — *A Clue to the Indus Valley Script and Civilization*, Shillong, 1958
Neog D — *New Light on Asamiya Script*, Gauhati, 1964
Neog, M — *The Art of Painting in Assam*, Gauhati, 1959
Owen, G — *The Evolution of Chinese Writing*, 1911
Pandey, R — *Indian Palaeography*, Part I, 2nd ed Varanasi, 1957
Publication Division, Govt. of India—*Indian System of Writing*, 1966
Ross, A S — *The Numerical Signs of the Mohenjodaro Script*, Delhi, 1388
Saha, R N — *The Origin of the Alphabet and Numerals*, 1931
Sankaranandaji—*The Indus People Speak*, Cal. 1955
Sen, B C — *Some Historical Aspects of the Inscriptions of Bengal* Cal 1943
Sircar, D C.— *Indian Epigraphy*, Delhi-Varanasi-Patna, 1965
Indian Epigraphical Glossary, Motilal Banarasidass, 1966
Sivaramamurti, C —*Indian Epigraphy and South Indian Scripts*, Madras, 1952
Skinner, F N —*The Story of Letters and Figures*, 1902
Strange, E F — *Alphabets*, London, 1907
Tansen, H — *Signs, Symbols and Scripts*, 1968
Taraporewala, I J S —*Elements of the Science of Language*, Cal. University 1951
Taylor, Isaac— *The Alphabets*, 2 Vols
Tripathi, K B — *The Evolution of the Oriya Language and Script*, 1962
Upasak, C S — *The History and Palaeography of Mauryan Brahmi Script*, Nalanda, 1960
Verma, T, P — *Development of Script in Ancient Kamarupa*, Assam Sahitya Sabha, Guwahati, 1976
The Palaeography of Brahmi Script, Varanasi, 1971
The Origin of the Brahmi Script, Varanasi, 1979
Vimalanda, T —*Epigraphy and Palaeography of Cylon*, London, 1951

Waddell, L A — *The Aryan Origin of the Alphabet*, London, 1927

Walawalkar, A B —*Pre Asokan Brahmi* A Study of the Origin of Indian Alphabet, Bombay, 1951

Wickremasinghe, D De Z & Paranavitana— (ed) *Epigraphia Zeylanica*, 5 Vols, London, 1904 55

William, A M —*A History of Writing*, 1924

Yamagiva, J K —*Introduction to Japanese Writing*, 1948

৫ খ° গৌণ উৎস : ইংরাজী প্রবন্ধ পঞ্জী

* Avery, J —The Beginning of writing in and around Tibet (*American Antiquarian*, Vol VIII, 1886) * Bastian, A —Indo-Chinese Alphabet (*JRAS*, 1868) * Beelingham, C, F —Arabic Numerals (*JRAS*, 1940), * Bendall—One system of Letter Numerals in South India (*JRAS* 1886), * Bhattacharyya, P —The Sign Anji in Ancient Copper Plate Inscriptions of Kamarupa (*JARS* Vol I, no 1) * Burn, R —Hindu Numerals (*Asiatic Review* XIII, 1946) * Chakravarti, S N —Development of Bengali Alphabet (*JRAS* (NS), Vol IV) * Cust, R N —On the Origin of Indian Alphabet (*JRAS* (*NS*), 1884), The Origin of Phoenician and Indian Alphabet (*JRAS* 1897) * Das, S R —The Origin and Development of Numerals (*IHQ*, III, 1927) * Dawson J —The Invention of the Indian Alphabets (*JRAS* (NS), 1881), * Heras, H —The Origin of the Sumerian Writing (J University of Bombay, 1938 9) * Hoernle, A L R —The Weber MSS Another collection of Ancient MSS from Central Asia (*JRASB*, 1893) * Hertz —The Origin of the Proto-Indian and Brahmi Script, (*IHQ*, XIII) * Kaye, G R —On Indian Numerical Symbols (*IA*, Vol XL, 1911), * Laufer, B —Origin of Tibetan Writing (*J American Oriental Society*, 1918) * Neog M —Origin and Development of Eastern Indian Script (*S K Bhuyan Commemoration* Vol '66) * Paul, P O —The Development of Bengali Script (*IHQ* XII, 1936) * Rou, S —Harappan Script (*J Andhra Historical Researeh Society* 1972-5) * Sarma Sastri, R —A Theory on the Origin of Devanagari Alphabet, (*IA*, XXXV) * Vasu, N N,—Origin of the Nagari Alphabet (*JASB* (Letters , 1896

পৰিশিষ্ট—গ

॥ গ্ৰন্থ নাম ॥

অৰ্থশাস্ত্ৰ ৩৯, ১২৭
অথৰ্ববেদ ১০২
অধ্যয়ন পৰিচয় ১৩১
অমৰকোষ ২৫৩
অৰুনোদই ১৭৯, ১৮ , ১৮১
অশোক লিপি ৪৭
অষ্টমংগলা ২৪৬
অষ্টাধ্যায়ী ১৭, ৩৯
অসম গৌৰৱ ১৩২, ১৬৩, ১৬৭
অসমৰ সংস্কৃতি ২৪৭
অসমীয়া প্ৰাচীন লিপি ১৬১, ১৬৫, ১৭৪
অসমীয়া লিপি ১৬৪, ১৬৭
অসমীয়া লিপি আৰু ভাষাৰ ক্ৰমবিকাশ ১৬৩
অসমীয়া সাহিত্যৰ ইতিবৃত্ত ১৬২
অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত ১৬৬, ১৭৪
অসমীয়া সাহিত্যৰ বুৰঞ্জী ১৬২
অসমীয়া সাহিত্যৰ ৰূপৰেখা ১৬২, ১৬৬
আইন-ই-আকবৰী ১১৪
আস্ত দশম ২৬২
আৰ্য ভটীয় ২১৯
আৰ্য মঞ্জুশ্ৰী মূলসূত্ৰ ২৫৭
আহোম জাতি আৰু অসমীয়া সংস্কৃতি ২৪১, ২৪৬, ২৪৮
আহোমৰ দিন ১৭৪
ইংৰাজি বঙ্গালি বোকেবিলাৰি ১১৫
ইতিহাসে সোঁৱৰা ছশটা বছৰ ২৫৩
উদান বৰ্গ ২৫১
উষ্ণীষ বিজয় ধাৰণী ৮৬, ৮৭, ৮৯, ৯৮, ২৫১
ঋগ্বেদ ৫৩
ঐতৰেয় ব্ৰাহ্মণ ১২৬
কটাহক জাতক ২৪৫, ২৫০
কথাগুৰু চৰিত ২৫৩, ২৫৬, ২৭৬
কথা সৰিৎ সাগৰ ২৬১
কৰ্ণৱালিচ কোড ১২
কল্পনা মণ্ডিতিকা ২৫১
কাব্য মীমাংসা ১২৭
কামৰূপ শাসনাৱলী ১২৯, ১৩৫, ১৩৮, ১৩৯, ১৪১, ১৪৪, ১৪৫, ১৪৬, ১৪৭, ১৪৯, ১৫১,
কামাখ্যা তীৰ্থ ১৫৭
কাল চক্ৰাৱতাৰ ৯৫, ১৭১
কালিৰাম মেধি ৰচনাৱলী ২৪১, ২৬৪, ২৬৬
কালিকা পুৰাণ ১২৭
কিতাবৎ মঞ্জৰী ১৭৬
কৃষ্ণ কীৰ্তন ১১৩, ২১০
কেম্বিজ পাণ্ডুলিপি ১৭১
কোচ বেহাৰৰ ইতিহাস ১৫৮
কৌতুক আৰু কাইথেলী আৰু ২৫৩, ২৬৫

গণিত কা ইতিহাস ২২৬
গিলগিট পাণ্ডুলিপি ৮৯
গীত গোবিন্দ ২৪৭
গুহ্যাবলী বৃত্তি ৯৫
গোবিন্দ লীলামৃত ৯
গৌববহো ১২৭
গৌড় লেখমালা ১৫
চর্যাগীতি কোষ ৯৫,
চর্যাচর্য বিনিশ্চয় ১৫৯, ২১ , ২১২
চায়না মনুমেন্টিস ১১৩,
চিত্র ভাগবত ১৬০
ছন্দ সূত্র ২২৪
ছান্দোগ্য উপনিষদ ৩৮
টাই সংস্কৃতির রূপরেখা ১০৯
তৈত্তিরীয় সংহিতা ২১৮
ত্রিপিটক ৪০
দশ কুমার চরিত ১২৭
দীঘ নিকায় ৪
দুগবি ১৭৫
দুশ বছরের বাংলা মুদ্রণ ১১৬
দোহাকোষ ৯৫
দোহাকোষ পঞ্জি ৯৫
দ্বীপময় ভারতের প্রাচীন সাহিত্য ১২৩, ১২৪
ধম্মপদ ৪০
ধর্ম পুস্তক ১৬১, ১৭৯, ১৮০
ধর্ম পুরাণ ১৭৫
ধারণীমন্ত্র ৯০
নন্দীসূত্র ৪২
নাম ঘোষা ২৪৯, ২৫০
নৈষধ চরিত ২১৮
পঞ্জিকার ৯৫, ১৭১
পঞ্জিকা ৯৫
পাঠ সমীক্ষা প্রসংগত ১৬৪
পুরণি অসমর চিত্রকলা ২৫৭
প্রজ্ঞাপারমিতা ৮৯
প্রাচীন কামরূপীয় কায়স্থ সমাজের ইতিবৃত্ত ১৫৯
প্রাচীন ভারতীয় লিপিমালা ৪৮, ৫৩, ৫৯, ৬৪, ৮৮, ১ ১, ১০৫, ১১২, ১২১, ২২৫, ২৩৮, ২৪২, ২৪৮, ২৫৪,
প্রাচ্য শাসনাবলী ১৫১, ১৫৩, ১৫৬, ১৫৭, ১৫৮, ১৫৯, ১৭৫, ২২৫, ২৩৪, ২৩৬, ২৪ , ২৪৪
ফা য়ান চু লিন ১৮, ৪৪
ফুল চন্দন ১৮১
বংগ ভাষা ও সাহিত্য ১১৭
বজ্রাবলী ৯৫, ১৭১
বাংগালা ভাষাতত্ত্বের ভূমিকা ১২৫
বাংলা সাহিত্যে ইউরোপীয় লেখক ১১৬
বাংলা সাহিত্যের ইতিবৃত্ত ১১২
বাসবদত্তা ২১৮
বিক্রমাংক চরিত ৮৭
বিনয় পিটক ২৬৮
বিশ্বকোষ ২২০
বিষ্ণু পুরাণ ১২৭

বৃহজ্জানকোষ ২৪৮
বেদাংগ জ্যোতিষ ২১৮
বৈদিক যুগ ৩৩
বোধি চর্যাবতার ১২৩
বোয়ার পাণ্ডুলিপি ৮৯, ৯৮
ব্রহ্মবৈবর্ত পুরাণ ১৭৬
ভাগবত পুরাণ ১২৭
ভাষা চিন্তন ২০
ভাষা বিজ্ঞান ৩, ১৯, ৫৭, ৮৮, ১০৬
ভারতীয় লিপিয়োঁ কী কহানী ৩২, ৪৬, ১২৫,
মহাবংশ ৪০, ২৬৮
মহাবস্তু ৪১, ৪২
মহাভারত ১২৭, ২৬৮
মৃতের পুস্তক ২৩০
যখন ছাপাখানা এলো ১১৩
যোগিনী তন্ত্র ১২৮, ২৫১, ২৫৪, ২৫৬
রাজ তরংগিনী ১২৮, ১২৯
রামায়ণ ১২৭
লঘুকাল চক্রটিকা ৯৫
ললিত বিস্তর ৪১, ২৬৫
লেখন কলা কা ইতিহাস ২০, ১১৮, ১২১, ১২৫
শারিপুত্র প্রকরণ ২৫১
শুল্ব সূত্র ২১৮
শোণিতপুরীয়া সংস্কৃতির রূপরেখা ১৫৮, ২৩৩
শ্রীমদ্ ভগবৎ গীতা ১৬০, ১৭৭
সিন্দ হিন্দ ২১৯
স্কন্দ পুরাণ ২৫১
হরগৌরী সংবাদ ১২৮
হরপ্রসাদ রচনাবলী ৫২, ১৭১
হরিবংশ ১২৭
হর্ষ চরিত ১২৭, ১৩
হস্তীবিদ্যার্ণব ১৭৬
হেমকোষ ২৬৭
হেমচন্দ্র গোস্বামী রচনাবলী ১৫৮, ২৩৩

॥ গ্রন্থকার, পুরালেখবিদ্ আদি ॥

অমূল্যচন্দ্র সেন ৪৭
অসিতকুমার বন্দ্যোপাধ্যায় ১১২
আই জে গেল্‌ব ৫৬
আই টেলর ৪৭, ৪৮, ৫০, ৫৩
আটফ্রেড ম্যুলার ৫১
আতানা চিউচ কির্খে ১১৩
আত্মারাম শর্মা ১৭৯
আর এম, সাহা ৫৩
আর্থার কোক বুর্নেল ৫২, ৫৬, ১০৭, ২২৬, ২৪১
আর্যভট্ট ২১৯
আলবেরুণী ১৪, ৮৬, ১০১, ১০৩, ১৬৫, ২৫০, ২৫২
আহমদ হাসান দানী (-ড দানী) ৪৯, ৫৬, ৭২, ৭৩, ৮৮, ৯০, ৯২, ৯৬, ৯৭, ১০৩, ১৬০, ১৬১, ১৬৫

ইন্দ্ৰজী (ভগৱানলাল) ২২৭
ইমিলি শেনাৰ্ট ৫১
ঈশ্বৰচন্দ্ৰ বাহী ২০, ১১৮, ১২১, ১২৫
উইলকিনচ্ ১১৪
উইলিয়ম কেৰি ১৭৯
উইলিয়ম জোনচ ৫২
উইলিয়ম বোন্‌টচ ১১৪
উপাসক (চণ্ডিকা সিং) ৬৫
উপেন্দ্ৰনাথ গোস্বামী ১৬৪, ১৬৭
এ আপজন ১১৫
এ এইচ গাৰ্ডিনাৰ ২৭
এ এল কোৱেবাবেৰ ১৩
এইচ পি ফষ্টাৰ ১২৭
এইচ লং ১৭
এফ মোচন ৫৭
এন কে ভট্টশালী ১৪৮
এচ এন চক্ৰৱৰ্তী ৯৪
এন বি হলহেড ১১৪, ১১৫
এচ আৰ বাও ৩৬
এ আৰ এফ হৰ্নলে ৭৬, ৭৯, ১৪৪, ১৪৬
এল এ ৰাডেল ৩৪
এলিয়চ কোপীবিচ ২৯
ওঝা (গৌৰীশংকৰ হিৰচন্দ) ৪৮, ৫৩, ৫৯, ৬৪, ৮৮, ১০১, ১০৫, ১১২, ১৬০, ২২৫, ২৩৮, ২৪২, ২৪৪, ২৪৫, ২৫৪, ২৬৩, ২৬৪
ও. বিথতৰ ১৭
ও. ফ্ৰেঙ্ক ৪৫
কনকলাল বৰুৱা ১৩৪, ১০৯, ১৫১
কৰ্নেল পি আৰ টি গৰ্ডন ১৫১
কানিংহাম ৫৪, ৫৮, ৬০
কাৰজভ ৩৫
কালিৰাম মেধি ১৪৬
কাশীৰাম দাস ১১৬
কাশীনাথ দীক্ষিত ১৩৪, ১৩৬, ১৩৭, ১৪৯, ১৫২
কিউ কাৰ্টিয়াচ ৪৪
কীলহৰ্ণ ৮৮, ১৩৮
কৌটিল্য ৩৯
খাঁ চৌধুৰী আমানত উল্লা আহমদ ২৫৬ ২৫৭
গড ৩৪
গণ্ডা (ড) ১২৪
গুণাকৰ মুলে ৪৮, ৫ , ৭ , ৭২, ৭৭, ১২১, ১২৪, ১৭৬
চাৰ আৰ্থাৰ ইভেন্স ২৫
চাৰ এডোৱাৰ্ড গেইট ১৩৮, ১৪৩, ১৪৪, ১৪৫, ১৪৬, ২৫৫
চাৰ জন মাৰ্চাল ৩৪
চাৰ হেনৰী ৰলিনচন ১
চি ই বেলে ২১৯
চেচনোলা ১৭
ছিনীভৰ ২৫
চিলভা লেভী ২৫
জন দচন ৫৯
জন বিম ৪৭
জয়ৱল ৫৯

জে এফ ফ্লিট ১১৪
জে ভি আকেবল্লাড ১৪
জেমচ প্ৰিন্সেপ ৮৫
টমাচ ইয়ঙ ১৪
টমাচ হাইদে ৮
টি বিমলানন্দ ১২০
টি ব্লথ ১৫৩
ঠাকুৰপ্ৰসাদ বৰ্মা ৬৬, ৬৯, ৮৮, ১৬৩, ১৬৬, ১৭২
ডবলিউ উইনক্লেৰ ১৫১
ডিম্বেশ্বৰ নেওগ ১৬২, ১৬৫
ডিম্বেশ্বৰ শৰ্মা ১৩৩, ১৩৮, ১৪১, ১৪৫, ১৪৭, ১৪৮, ১৫৩
ডেভিদ ডিৰিঞ্জাৰ ৫, ৫৬
ডেভিদ মিল ২৩
তি বি ছেণ্ডৰিথ ১৭
দণ্ডী দত্ত ১৬৩, ২২৫, ২৬৫, ২৬৬
দীনেশচন্দ্ৰ সেন ১৭৭
দীনেশচন্দ্ৰ সৰকাৰ ৬ , ১৩০, ১৩২, ১৩৩, ১৪১, ১৪৩, ১৫২, ১৫৫, ১৫৬, ২৪১
দ্য চাকি ১৫
দ্য প্ৰজিলুস্কি ৪৬
ধৰ্মেশ্বৰ চুতীয়া ১৩৯, -১৪১, ১৪২, ১৪৪, ১৫৭
নগেন্দ্ৰনাথ বসু ১৪৪
নন্দ তালুকদাৰ ১৭৯
নাৰদ ৩৯
নাৰায়ণ দাস ১৪০, ১৫৮, ১৭৩, ২৩৩, ২৭৬
নিউহাম ৰবাৰ্ট কাষ্ট ৫২, ৬০
নিয়াৰ্কচ ২ ৮
পতঞ্জলি ৩৯
পদ্মনাথ ভট্টাচাৰ্য বিদ্যাবিনোদ ১৩০, ১৩৮, ১৩৯, ১৪৫, ১৪৬, ১৪৭, ১৪৯, ১৫১, ১৭১
পাণিনি ১, ৩৯
পি আৰ টি গৰ্ড্ন ১৫১
পিগোট ৮২
পিয়েত্ৰা দোল্লা ভাল্লে ১ ৪
পিশ্চেল ৪৫
প্ৰতাপচন্দ্ৰ চৌধুৰী ১৩২, ১৩৬, ১৩৭, ১৪১, ১৪২, ১৪৮
প্ৰেমধৰ চৌধুৰী ১৩২, ১৩৬, ১৩৭, ১৪১ ১৪২, ১৪৮
প্ৰেমনাথ ৩৫
ফতহ সিং ৩৬
ফাদাৰ ৰেভা হেৰাচ ৩৩, ৩৫
ফাহিয়ান ২৩৮
ফোজল ১ ১
ফ্ৰান্সিস গ্লেড উইন ১১৪
ফ্ৰেডিক ডী লিন্স ২৩
ফ্ৰাইডাৰ্চ পেট্ৰে ২৪, ৩৩
ফ্লীট (জে এফ) ৮১, ৮৫
বাসুদেৱশৰণ আগ্ৰৱাল ৩৯
বি চি গোল্ডইকাৰ ৩৯
বিশ্বেশ্বৰ হাজৰিকা ১৩১, ১৬৩, ১৬৫
বৃহস্পতি ৩৯
বেণী মাধৱ বৰুৱা ৩৬, ৩৭

বেণুধব শর্মা ১৫৮, ১৭৫, ১৮০, ২৭০
বেণ্ডেল ৮৭
ব্রহ্মগুপ্ত ২১৯
ভোলানাথ তিৱাবী ৩৪, ৫৭, ৮৮, ১০২, ১০৬
মনিয়ৱ উইলিয়মচ ৫২
মহেন্দ্র ববা ১৬৩, ১৭১, ১৭৬, ১৯৩
মহেশ্বৰ নেওগ ১৫১, ১৫৩, ১৫৪, ১৫৫, ১৫৬, ১৫৭, ১৫৯, ১৬২, ১৭৯, ১৮০, ২২৫, ২৩৩, ২৩৪, ২৪২, ২৪৩, ২৫৬
মুকুন্দমাধব শর্মা ১৩০, ১৩১, ১৩২, ১৩৩, ১৩৪, ১৩৬, ১৩৭, ১৩৮, ১৪১, ১৪৪, ১৪৫, ১৪৬, ১৪৭, ১৪৮, ১৪৯, ১৫০, ১৬৪, ২২৩, ২২৪, ২৩৬, ২৪
মুহম্মদ সিদ্দিক খান ১১৩
মেগেষ্টনিচ ৩৪
মেৰিঙ্গি ৩৩
যাজ্ঞবল্ক্য ২৪২
যোহান গে অর্গ বুহলৰ (ড বুহলব) ৪৭, ৫৫, ৫৬, ৮৫, ৮৭, ৮৮, ৯৮, ১০২, ১৬০, ১৬৫, ২২৬, ২৪৯, ২৫০, ২৬২, ২৬৭, ২৬৮
বজতানন্দ দাশগুপ্ত ২৬০
ববার্ট নিউহাম কাষ্ট ৫২
ৰাখালদাস বন্দ্যোপাধ্যায় ৮১, ৯৪, ১১০, ১৩৪, ১৫৩, ১৫৪, ১৬১
ৰাজবলী পাণ্ডে ৪৮, ৬০, ৬৪, ২৩৬, ২৩৮
ৰাজমোহন নাথ ৩৬, ১৩২, ১৩৩, ১৩৪, ১৫২
ৰাধাগোৱিন্দ বসাক ১৪৮
ৰামচৰণ ঠাকুৰীয়া ১৬৪, ১৬৫
লংগুন ৩৩, ৩৪, ৩৭
লীলা গগৈ ১০৯, ১৫৫, ১৬৩, ১৭৯, ২৪১, ২৪৬, ২৪৭, ২৪৮, ২৫৩, ২৬৬
সজনীকান্ত দাস ১১৪
সত্যেন্দ্রনাথ শর্মা ১৬২, ১৬৩, ১৬৬, ১৭৬, ১৭৭
সবিতা চট্টোপাধ্যায় ১১৬
সর্বানন্দ ৰাজকুমাৰ ২৫০, ২৫৯
সর্বেশ্বৰ কটকী ১৬১, ১৬৫, ১৭৪, ২৪২
সর্বেশ্বৰ বৰুৱা ১৫৩, ১৫৪, ১৬১
সুধাকৰ দ্বিবেদী ২৭
সুধাংশুকুমাৰ ৰায় ৩৬
সুনীতিকুমাৰ চট্টোপাধ্যায় ৮৫, ১৭১ ২৬৭
সুকুমাৰ সেন ১১৩, ১১৬
সূৰ্য্যকুমাৰ ভূঞা ১৬১, ১৭৩
সোণাৰাম চৌধুৰী ১৫৭, ১৬১
হৰপ্রসাদ শাস্ত্রী ১৩৮, ১৫২, ১৬৮
হৰিনাৰায়ণ দত্তবৰুৱা ১৫৯
হাইনৰিখ ৰোট ১৫৪
হাণ্টাৰ ৩৩, ৩৪ ৩৭
হিতেশ্বৰ বৰবৰুৱা ২৭
হিমাংশুভূষণ সৰকাৰ ১২৩
হিৰেনচাং ১৬৬

হেমচন্দ্ৰ গোস্বামী ১৪৭, ১৪৯, ১৫৬, ১৫৮, ১৬১
হেমচন্দ্ৰ বৰুৱা ১৮১, ২৬৭
হেমন্তকুমাৰ শৰ্মা ১৩২, ১৬৭, ১৭০
হোৰেচ হেমান উইলচন ৫১
ভ্ৰেন ফি ৩৫

॥ ইংৰাজী গ্ৰন্থকাৰ, পুৰালেখবিদ্ আদি ॥

Abott, Nabia ৩১
Agrawala, V S ১ ৩
Aitheim ২৯
Allan J ৬৭
Arntz, H ৩
Banerjee, R D ৭৬, ৮ , ৮১, ১১২
Barnett, L D ২৪৯
Barua, B M ৬৫
Barua, K L ১২৮, ১৩৪, ১৫১, ১৭২
Barton, G A ১
Basham, A L ৩১
Basu, N N ১৩৮
Bayley, C E ২১৯, ২২
Beal, ২৩৮, ২৪৮, ২৫১
Beam, J ৫৭
Bendall ৮৭, ১১১
Bhattacharyya, P N ১৩৯
Bhattasali, N K, ১৫২
Bhuyan, S K ২৫৬, ২৫৭, ২৫৮
Bloch, T ৬৫
Bothan, A M ১৫৭, ২৬৮
Bora, M ১৬৯, ১৭৫, ১৭৬, ১৭৭, ১৯৪, ২৩৪, ২৪৪, ২৪৭, ২৫৮
Booth, A J ১১
Brasted, J H ১০, ১৩, ১৪, ২৪
Brice, W C ১১
Brinton, D G ৩০
Buhler, G ৪৫, ৪৭, ৪৮, ৪৯, ৫৩, ৫৪, ৫৫, ৬৪, ৭৩, ৭৬, ৮০, ৮৫, ৮৭, ৮৮, ৯৬, ৯৮, ১০৪, ১৬১, ১৯০, ১৯১, ২১২, ২৪২, ২৪৩, ২৪৫, ২৪৯, ২৬৩, ২৬৮
Burnell ৫১, ৫২, ৫৪, ৫৬, ২৪১, ২৪৫, ২৬৩
Burrow, M ৩১
Bury, J B ১৭, ২৬
Chakravarty, C ২৫২
„ P N ২৫১
„ S N ৮০, ৯৪, ১৬৮
Chamberlain, B H ২১
Choudhury, P C ১৩৬, ১৩৮, ১৫৫, ১৬০, ১৬২, ১৬৬
Chatterjee, B R ১২২
„ S K ৬০
Coomaraswamy, A K ৬৪
Cunninghum, A ৪৪, ৪৯, ৫৪, ৫৮, ৬১, ৬২, ৬৩, ৬৫, ৭০,২৩৭

Clodd, E. ২৯

Dani, A H. ৫৬, ৬৪, ৭৩, ৭৪, ৮১, ৮২, ৮৩, ৮৪, ৮৫, ৮৮, ৯০, ৯১, ৯৬, ৯৭, ৯৮, ১০ , ১০৩, ১২১, ১৬০, ১৮৩

Dasgupta C D ৪৫, ৪৬

„ R. ২৪৬, ২৪৯, ২৫০, ২৬০, ২৬১

Deecke ২৪, ৫৩

Dikshit, K N ৩৭

Dringer, D ৫, ৬, ৩৫, ৪৯, ৫০, ৫১, ৫৩

Dutta, B B & Sing. A N ২১৮

Dutta, R C ৫৮

Fleet, J F ৮০, ৮১, ৮২, ৮৭, ৯১, ৯২, ৯৩, ৯৮, ১২৮, ১৮৪, ১৯৬, ২০১, ২৩০, ২৩১, ২৩৩ ২৩৬, ২৪৪

Gait, A ২৫৫

Gardiner, A. H ২৭

Gelb, L J ৩৮, ৫৬

Gites, H A ১৮

Gogoi, L ১৬৩, ২৪৮, ২৫৪, ২৫৯

Gupta, P L ৬৭

Haras, H. ৩৪

Hook, S H ১৯

Hopkins, L. C ১৮

Hultzsch ৬১, ১৫০, ২৩২, ২৩৬

Hunter, G R , ৩৪, ৩৫, ৫৯

Isemonger, N E ২১

Iansen, H. ২২

Kakati, B ১৮১

Karlgrem, B ১৮

King, L W ১০

Langwell, W H ২৩২

Lehmann, W P ৯

Leland Lock ২

Levi, S ৪৫

Lidzbarski ২৫

Luders, H ২৩৩, ২৩৫, ২৩৬

Mac Grindle ৪৪

Mackay, E J H ৩৭

Madden, I ২৩

Mallery, G ৩

Majumdar, R C ৭৮, ৭৯, ১২২, ১৩১

Marshall, J ৫৯

Mason, F ৫৭

Maxmuller, F ৫১,৮৩

Mercer S ১

Meriggi, P ৩৩

Misra, J K ১১৭

Mitra, R ২৬৩

Moorhouse, A C ১

Nath, R M ১৭২

Neog, M ৮৯, ২৫৭, ২৫৮

Owen, G ১৮

Pandy, R B ৪৬, ৪৮, ৫১, ৫৩, ৫৬, ৬০, ৬৪, ১৩৫, ২১৭, ২৩১, ২৩২, ২৩৬, ২৩৯, ২৪০, ২৪৫, ২৪৭, ২৫৩, ২৬১, ২৬২, ২৬৮, ২৬৯

Panli, W ২৮
Pendersen ২৬
Petrie, F ২৪
Piggot, S ৩২
Premnath ৩৫
Priolkar, A K ১১৪
Prinsep, J ৮৫
Pusalkar, A D ৩২
Rapson, E J ৬৭
Sachau ৪৪ ৮৬, ১ ১, ১ ৪, ২৫২, ২৫৪
Sarma, D ১৩৫, ১৩৭ ১৩৮, ১৪১, ১৪২, ১৪৫, ১৪৬, ১৪৮, ১৪৯, ১৫৩, ১৬৪, ২৩১
Sarma, M M ১২৭, ১৩৪ ১৩৫, ১৩৬, ১৩৭, ১৩৯, ১৪১, ১৪৪, ১৪৫, ১৪৬, ১৪৮, ১৪৯, ১৫ , ১৮৯, ২২৮, ২৩
Sastri H P ৯৫, ২৫২
Sircar, D C ৬ , ৬২, ৬৫, ৬৮, ৭ , ৭৪, ৮ , ৮৩, ১২ , ১৩২, ২১৪, ২২৩, ২২৪, ২৩৩, ২৩৪, ২৩৭, ২৩৯, ২৪০, ২৪১, ২৪২, ২৪৩, ২৪৪, ২৪৯, ২৫১, ২৫৪
Smith, D E ২১৮
,, J ১৩
Sprengling, M ২৭
Steinberg, S N ১১৪
Stenkonow ৪৬
Strabo ৪৪, ২৪৮, ২৬২
Taraporawala, I J S ৪, ৬, ১৯
Taylor, I ৭, ৩৮, ৪৮, ৫১, ৫২, ৫৩, ৬০
Tripathy, K B ১১৬
Upasak, C ১১, ৫৯, ৬০, ৬৩, ৬৫, ৭১, ১৮২, ১৯৬, ১৯৭, ১৯৮, ১৯৯, ২০২, ২০৪, ২০৭
Vauk, R D ৬১
Verma T P ৬৫, ৬৬, ৬৯, ৭১, ৭৪, ৭৬, ৮৮, ১৬৬, ১৭০, ১৮২, ১৮০, ১৮৮
Waddell, L A ৩৪
Weber, A ৪৩, ৫২
Wells H G ৫, ২১
Wylie A ১২

॥ দেব-দেবী, নৃপতি আদি ॥

অংশুবর্মন ৮৬, ৮৯
অশোক ৫ , ৫১, ৬২, ৬৪
অসুর বনিপাল ১০
আইচিচ ১
আদিত্য সেন ৮৬, ১২৮
আলেকজেণ্ডার ২৩, ৪৩, ৬৭
আল্লা ১
ইন্দ্রপাল ১৪৬, ১৪৭
ইন্দ্রবর্মা ১২২
ওগম ১
ওচিবিচ ১৫

কুলতিজন ২৩
কডমচ ১,১৬
কীর্তিবর্মন ৮৪
গদাধর সিংহ ১৫৮
গুর্জর ১২৯
গোপালবর্মদেব ১৪৮
গোপালাদিত্য ১২৯
গৌড়বাজ ১২৯
চন্দ্রবর্মা ১৭০
চিনমুন ২২
জয়বর্মা ১২২
জিরিত গুপ্ত ৮৩
জেহোবা ১
তবিয়মুশ ১২
তৃতীয় থাদ্মোদচ ২৩
তৃতীয় বলবর্মা ১৪৩, ২৪৪
ৎ জুশেন ১৮
ৎ সংকী ১৮
ৎ সাউ স্থ ২১
থচ ১
দন্তিদুর্গ ১ ৪, ১২৮
দশরথ ৬৫
দামোদর গুপ্ত ১২৮
দাবয় বউশ, দাবয় বহুশ, দাবয়বুশ ১১
দেবপাল ১২৯
দ্বিতীয় কীর্তিবর্মা ৭৯
দ্বিতীয় গোপাল ৮৯
জয়দেব ১২৮
মিথ্রাদাত ৬৮
পুলকেশী ৭৯
ধর্মপাল ১৪৮, ১৪৯
ধ্রুবমিত্র ৭
নর নারায়ণ ১৫৭
নববর্মন ১ ০
নয়া পালদেব ৮৯,৯৪
নেবু ১
নেবু চেড নেজার ২৩
পরীক্ষিত নারায়ণ ১৫৯
পীটার ২৯
পুষ্যমিত্র ৬৮
পেলমিডচ ১
প্রত্যক্ষ নারায়ণ ২৫৩
প্রথম মহীপাল ৮৯,১১১
প্রাণ নারায়ণ ১৫৮
প্রমেউথিচ ১
ফু শি ১৮
বনমালবর্মা ১৪ , ১৪১, ১৪২
বল্লভদেব ১৫
বালদেবতা ২৭
বিজয়পাল ১১১
বিনয়ক পাল ৯৪
বৃহদ্রথ ৬৮
বৈদ্যদেব ১৪৯
ব্রহ্ম ১, ৫১
ভদ্রবর্মা ১২৩
ভাগভদ্র ৬৮
ভাস্করবর্মা ১৩৩, ১৩৪, ১৩৫, ১৩৭, ১৬৭

ভীমবৰ্মন দেৱ ৮১
ভূতিবৰ্মা ১ ৩, ১৩৪
মহামাণিক্য ১৫৪
মহেন্দ্ৰপাল ৮৯
মহেন্দ্ৰবৰ্মা ১৩২, ১৭৯
মাধৱদেৱ ১৫৬
মাকু´ৰী ৩
মেঘবাহন ১২৯
মেৰুবৰ্মা ১০
মেশ ১৫, ৫৪
যশোৱৰ্মা ৮৯, ১২২
ৰত্নপাল ১৪৪, ১৪৫, ১৪৬
ৰা ১৫
ৰাজ্যপাল ১২৯
লক্ষ্মণসেন ৯৫
লক্ষ্মীনাৰায়ণ ১৫
লিনোজ ১
ৰেনচাং ১
শশাংক ১২৮
শিৱদত্ত ৬৯
শিৱসিংহ ১৫৯
শ্ৰীকুমাৰদেৱ ১৩৭
শ্ৰীজীৱৰ ৩৬, ১৩৭
সত্যনাৰায়ণ ১৫৩
সমুদ্ৰগুপ্ত ৮১, ৯১
সমুদ্ৰ পাল ১৫১
সিংহ ৰৰ্মন ১০০
সী চোংগ ২২
সুৰেন্দ্ৰ বৰ্মা ১৩১, ১৩২
স্কন্দ গুপ্ত ৮১, ৯০
হংসবেগ ১৩০
হজৰবৰ্মা ১৪ , ১৯৮, ২৩৯
হৰ্ষ শিলাদিত্য ১৩০
হাপি ১৫
হামিচ ১
হেৰোডটাচ ২ ২৬, ৫৩
হেলিওদোৰ ৬৮

॥ পুৰালেখ ॥

অম্বুলিয়া শাসন ৯৫
অপসড লিপি ৮৬, ৯২, ১২৮
আমবাৰী শিলালিপি ১৫১
ইৰ্দা শাসন ৯৪
এলাহাবাদ যাদুঘৰ অনুশাসন ৭৫
এলাহাবাদ স্তম্ভলেখ ৮ , ৮৫, ৯১, ৯২
এৰণ মুদ্ৰালিপি ৪৪
এৰাদীঘল পানী শাসন ১৪৭
উত্তৰ বৰবিল শাসন ১৪৩
উদয়গিৰি গুহালেখ ৮১
উমাচল শৈললিপি ১৩১, ১৩২
উৰুৰপল্লী তাম্ৰলেখ ১০
উলুবাৰী শাসন ১৪৪
কমৌলী শাসন ১৫৯
কহম স্তম্ভলেখ ৮০
কাকীৰ সূৰ্য প্ৰতিমালিপি ১৪২
কানাই বৰশীবোৱা শিলৰ ফলি ১৫১
কামাখ্যা মন্দিৰৰ শিলৰ ফলি ১৪৬
কুকুৰাবাহী তাম্ৰশাসন ২৩৯

কোসম অনুশাসন ৭৫
খনামুখ তামৰ শাসন ১৪৬, ১৪৮
খাৰবেল শাসন ১৩
খালিমপুৰ লিপি ৮৯
গছতল লিপি ১৪৮
গছতল স্তম্ভলিপি ১৫২
গঞ্জাম তাম্ৰলেখ ১২৮
গৰুড় স্তম্ভলেখ ৬৮
গুৱাকুছি শাসন ১৪৭
গুৱাহাটী শাসন ১৫৬
চৰাতবাৰী শাসন ১৪৩
চামধৰা গড়ৰ ৰণজয়ৰ ফলি ১৩৭
চৌগড় শিলালিপি ৩২
জাবাদ শিলালেখ ৩১
জুনগড় শৈললেখ ৯৯
ডুবি তাম্ৰশাসন ১৬৩
তসাম শৈললেখ ৯৭
তেজপুৰ তাম্ৰশাসন ১৪
তেজৰ শৈললেখ ৯৭
ত্ৰিচিনপল্লী পুৰালেখ ১
দিল্লী তোপৰা স্তম্ভলিপি ৬৩
দীঘলীগাওঁ তাম্ৰশাসন ১৪৩
দেওপানী বিষ্ণুমূৰ্তি লিপি ১৩৭
দেওপাৰা শাসন ৮৯, ১১১, ১১৬
দেৱল প্ৰশস্তি ৮৭
ধুলাপাদুং মুদ্ৰালিপি ১৪০
ধৌলী শিলানুশাসন ৬১, ৬২
নগাঁও শাসন ১৪৩
নগাজৰী খনিকৰ গাওঁ প্ৰস্তৰ খণ্ডলিপি ১৩১
নৰকাসুৰ দেৱী মূৰ্তি লিপি ১৪২
নাগাৰ্জুনী গুহালেখ ৬৫
নিধনপুৰ তাম্ৰশাসন ১৩৪, ১৩৫
নীলাচল তাম্ৰশাসন ১৫৬
পট্টদকল স্তম্ভলেখ ৮৪
পৰ্বতীয়া তাম্ৰশাসন ১৪১
পলেৰ্মো শিলাখণ্ড ১৩
পায়া (দিক্কৰ বাসিনী) মন্দিৰ শাসন ১৫৫
পিপ্ৰৱা পাত্ৰলেখ ৬৫, ৬৬
পুষ্পভদ্ৰা শাসন ১৭৯
ফৰিদপুৰ শাসন ৯৪
বনক্ষেৰা শৈললেখ ৮৫
বৰগংগা লিপি ১৩২
বৰগাওঁ শাসন ১৪৪
বৰমূৰ্তিয়া বিল তাম্ৰপত্ৰ ১৫৪
বাদল লেখ ৮৯
বিলসদ অনুশাসন ৮৫
বেইগ্ৰাম লিপি ১৯৬
বেহিস্থান গিৰিলিপি ১১
বোধগয়া মূৰ্তিলিপি ৮৯
ভগাৰী গোহাইৰ গড় নিৰ্মাণৰ ফলি ১৫৭
ভাকাতক শিলালেখ ৯১
ভিটা মৃন্ময় মোহৰ লেখ ৮১
ভিতৰি স্তম্ভলেখ ৯ , ৯১
মথুৰা শাসন ৭৫
মহানামনৰ লিপি ৮৫
মহাস্থান তাম্ৰলিপি ৪৪, ৬৫

মেহৰৌলী স্তম্ভলেখ ৮৫
মোবাইট স্তম্ভলিপি ২৫
য়েৰৰগুৰি লিপি ৪৯, ৫৭, ৬২, ১২
ৰচেটা দুৰ্গলিপি ১৫
ৰাউতকুছি তাম্ৰলিপি ‘৫৩
ৰিতিগল গুহালেখ ১২
লংকা শৈললেখ ১৫৫
লেপেটকটা তামৰ ফলি ১৫৮
শংকৰ নাৰায়ণ মূৰ্তি লিপি ১৩৬
শুৱালকুছি শাসন ১৪৫
সমগড শৈললেখ ১২৮
সসাৰাম শৈললেখ ৪৯, ৬২
সাঁচী শৈললেখ ৮১
সিদ্ধপুৰ লিপি ৪৯
সুন্দৰী দিয়া সত্ৰৰ তামৰ ফলি ১৫৯
সুসুনিয়া শৈললেখ ৮১
সৌগৰ তাম্ৰলিপি ৪৪, ৬৫, ৬৬
হৰিহৰ মূৰ্তিলিপি ১৩৭
হয়গ্ৰীৱ মাধৱ মন্দিৰৰ শিলৰ ফলি ১৫৭
হাতীগুম্ফা লিপি ৭
হীড় হড়া গল্লী দানপত্ৰ ৭৫

॥ বিশ্বলিপি ॥

অক্ষৰ ১
অক্ষৰ লিপি ৬, ৯, ২৫, ৩৩
অশোককালীন ব্ৰাহ্মী ৬১
অসমাক্ষৰ ১ ৯, ১৭৩
অসমীয়া লিপিৰ উৎসসমূহ ১২৯
— লিপিচৰ্চাৰ ইতিহাস ১৬১
অসমীয়া লিপিৰ অৱস্থানান্তৰ কাল ১৭০
— চূড়ান্ত বিকাশৰ কাল ১৭৯
— দ্ৰুতবিকাশৰ কাল ১৭১
— পৰীক্ষা নিৰীক্ষাৰ কাল ১৭১
— প্ৰোজ্জ্বলকৰণৰ কাল ১৭
— ব্যঞ্জনলিপি বিকাশৰ ধাৰা ১৯৫
— যুগ বিভাজন ১৭১
— স্বৰ লিপি বিকাশৰ ধাৰা ১৮২
অহিৰ লিপি ২০
আধুনিক অসমীয়া লিপি ১৭১
আন্ধ্ৰ লিপি ১০৮
আৰবী লিপি ৩৩
আৰামীয় লিপি ৩ , ৪২, ৪৫
উইগুৰী লিপি ২২
উ চান লিপি ২৫
উ ভেদ লিপি ১২৬
উত্তৰ ছেমীয় লিপি ৩৭, ৫৪, ৫৫, ৫৬, ৫৭
উত্তৰ পশ্চিম ভাৰতৰ লিপি ৯৬
উৰীয়া লিপি ১১৬
এট্ৰুস্কান লিপি ২৭
কতকানা লিপি ২১
কন্নড লিপি ১ ৬
কলমৰ শৈলীত অসমীয়া লিপি ১৫৯
কলিংগ লিপি ১ ৮
কৱি লিপি ১২৪
কৰ্ষ্ণোৰী লিপি ১২
কাইথেলী শৈলী (লিপি) ১৭৩, ১৭৫, ১৭৬, ১৭৭, ১৭৮, ১৯৪, ২১১

কাবুলী লিপি ৪৫
কিউনিফর্ম ৮
কিপাচ ২
কিরাত লিপি ১১৮
কীলকাক্ষর ৮
কুইপাচ ২
কুইপু ২
কুটিলাক্ষর ৮৭, ১২৫, ১৬৫, ১৬৬, ১৬৭, ১৮১, ২১৬
— নামকরণ ৮৮
— নিদর্শন ৮৯
— বিকাশ ১৬৮
— বৈশিষ্ট্য ৮৯
কুফী লিপি ৩১
কুশাণকালীন ব্রাহ্মী ৭১
— অশোককালীন ব্রাহ্মীর সৈতে পার্থক্য ৮২
— বৈশিষ্ট্য ৭৩
— শৈলী ৭৪
কৃষ্ণা উপত্যকার লিপি ১০
কৈথী লিপি ১০৬, ১১৭, ১৮২
কোছী লিপি ১০২
কোরিয়ার লিপি ২১
কোন এ লুত্তু ১১০
ক্রীট লিপি ১৭
খরেস্ত্রী লিপি ১৭
খরোষ্ঠী লিপি ১৪, ৫৫, ৪৮, ৪৯, ১২৫ ২২৭
খেমর বর্ণমালা ১২৩
গথিক লিপি ২৯
গণলিপি ১৫
গড়গঞা শৈলী (লিপি) ১৭৩, ১৭৪, ১৭৫, ১৬৮, ১৯৪
গান্ধারী লিপি ৪৫, ৫
গুজরাটী লিপি ১ ৬ ১১৮, ১২২
গুরুমুখী লিপি ১০২
গুপ্তকালীন ব্রাহ্মী লিপি ৭৭, ৭৯ ১৬৭
গোঁজমূরী লিপি ৮৭
গ্রন্থি লিপি ২, ১৮
গ্রীকলিপি ২৬, ৪৪, ৫১
— উৎস ২৬
— লেখন পদ্ধতি ২৬
চম্পা লিপি ১২২
চমোরালী ১ ২
চাইপ্রাচ লিপি ১৭
চাইবেরীয়ার লিপি ২৩
চিত্রলিপি ৩, ৮, ১৭, ৫৯
চিবিলিক লিপি ১৯
চীনালিপি ১৮, ২ , ২২৩
— উৎস ১৮
— প্রকারভেদ ১৯
চৌষষ্ঠি লিপি ২
ছেমীয় লিপি ৩৭
জৌনসারী লিপি ১০২
টক্রী লিপি ১০২
টাইলিপি ১০৯
টাকরী লিপি ১০২
টালিলিপি ১০

টুক লিপি ১০৯
ডোগ্রী লিপি ১০২
তজ্জাত ভ্ৰনপা লিপি ১২৫
তামিল লিপি ১০৯
তিবহুত লিপি ১১৭
তুলু লিপি ১০৮
তেলেগু লিপি ১ ৭, ১২৩
থাই লিপি ১২৫
দক্ষিণ ছেমীয় লিপি ৩৭, ৫৩
দিবি ১
দেৱ নাগৰী লিপি ১ ৬, ১১৭, ১৭৭, ১৭৮, ২ ৯, ২১৫
দেৱী লিপি ২
ধ্বনিমূলক লিপি ৩, ৬, ১৭
ধ্বন্যাত্মক ভাবলিপি ২৫
নন্দীনাগৰী লিপি ১ ৩
নাগৰী লিপি ৮৯, ১ ২, ১০৪, ১ ৫
— নামৰ কাৰণ ১ ২, ১ ৩
— বৈশিষ্ট্য ১ ৫
নেৱাৰী লিপি ১৮
পল্লৱ লিপি ১ ৮, ১২২, ১২৪, ১২২
পৱিত্ৰ লিপি ১৫, ২২
পৰৱৰ্তী স্তৰৰ গুপ্ত লিপি ৮৩
পহলৱী লিপি ৪৭
পুৰণি অসমীয়া লিপি ১৭১
পূত খোদিত লিপি ১২, ২৪, ২৫, ৩০ ৩৫, ১২০
পূৰ্ব ভাৰতৰ লিপি ৯
পূৰ্বী মালোৱা আৰু দাক্ষিণাত্যৰ লিপি ২৯
পেগুঅন লিপি ১২৫
প্ৰতীকাত্মক লিপি ৩
প্ৰত্ন আঞ্চলিক লিপিৰ উৎপত্তি ৮৩
প্ৰাচীন কামৰূপীয় লিপি ১৭১
ফাৰ্চী লিপি ৮১
ফিনিচীয় লিপি ২৩, ২৫, ৫১ ৫২, ৫৩
বঙলা লিপি ১১০, ১১১, ১১২, ১১৩ ১১৪
বট টেলেত্তু ৩৭
বাণমুখলিপি ৮, ৯, ১ , ১৩, ১৮, ২৫, ৩০, ২২০
বৰ্ণ লিপি ৬, ২৫, ৩৭, ৩৯
বামুণীয়া শৈলী (লিপি) ১৭৩, ১৭৭, ১৭৮, ১৯৪, ২১১
বাৰ্মীলিপি ১২৫
ব্ৰাহ্মী লিপি ৪৪, ৪৯, ৫০, ৫৯, ৬০, ১২২, ১২৫, ১৮১,
— উৎস ৫১, ৫২, ৫৩, ৫৪, ৫৫, ৫৬, ৫৮, ৬০
— উত্তৰ ছেমীয় লিপিৰে সম্পৰ্ক ৫৫, ৫৬
— শৈলী ৬৪
ভাৱ লিপি ৪, ১৭, ১৮, ২৫, ৩৩, ৫৯,
ভাৱ ধ্বনিমূলক লিপি ৫
ভু জিংমোল লিপি ১১৮
মংগোল লিপি ২২
মধ্য গংগা উপত্যকাৰ লিপি ৯০, ৯১
মথুৰা আৰু উত্তৰ পশ্চিম ভাৰতৰ লিপি ৯৬

মনোটাইপ ১৮১
মণ্ডোৱালী লিপি ১ ২
মলয়ালম লিপি ১০৮
মহাজনী লিপি ১০২, ১ ৬
মহানদী মোহনাৰ লিপি ১
মায়া লিপি ২৩ ৩
মিনোৱান লিপি ২৪
মেইথেই লিপি ১১৮
মৈথিলী লিপি ১১৭
মোগ দী লিপি ২৩
মোডী লিপি ১ ৬
ৰাজনা লিপি ১১৮
ৰাজস্থান আৰু মধ্যভাৰতৰ লিপি ৯৮
ৰুচলিপি ২৯
ৰুনিচ ২৯
ৰোমান লিপি ২৫
লণ্ডা লিপি ১ ২
লতা আখৰ ১৭৯
লহকৰী শৈলী (লিপি) ১৭৮
লাইনোটাইপ ১৮১
লিপি ১
লিবি ১
লেপছা লিপি ১১৮
ল্লামপুম ২
শাৰদা লিপি ১ ১
শুংগ, শক আৰু ক্ষত্রপকালীন ব্রাহ্মী ৬৬
শূন্যৰ বিকাশ ২১৮
সংখ্যা প্ৰতীকৰ বিকাশ ২২৫
সিৰমৌৰী লিপি ১ ২
সৰাফী লিপি ১ ৬
সাকৰী লিপি ১ ৬
সিনাই লিপি ২৭
সিংহলী লিপি ১ ৮, ১১৯
— অধ্যয়নৰ ইতিহাস ৮৬
সিদ্ধমাতৃকা লিপি ৮৬, ৮৭, ১২৬
সূক্ষ্মকোণী লিপি ৮৫, ৮৭, ১৬৫
হায়ৰ গ্লিফিনচ্ ১৩
হিত্তীলিপি ১৬
হিৰাগানা লিপি ২১



১



২



৩

৪



৫



৬

সারণী—এক



১



২



৩

৪



৫

সারণী—দুই


প্রাচীন চিত্রলিপি
পরবর্তী চিত্রলিপি
প্রাথমিক বাণমুখলিপি
আসিরীয় লিপি
অর্থ
মাটি
পাখী
মুখ
চড়াই
মাছ
গরু
সূর্য
বার্লি
খাদ্য
আহার করা
হাল বোনা
স্থির থাকা

সারণী—তিনি

BRAHMI
KHAROṢṬHI
OLDEST ÆTHIOPIC
SABÆAN (HIMYARITIC)
NASHKI (ARABIC)
TEMA 500 B C
SINDJIRLI 800 B.C
MOABITE STONE
A
B
G
D
E
F(W)
Z
H
TH
I
K
L
M
N
X(SH)
O
P
S
Q
R
S
T
AFTER BUHLER
AFTER EUTING

সারণী—চারি



সারণী—পাঁচ


১ ২ ৩ ৪ ৫ ৬ ৭ ৮ ৯ ১০ ১১
১ ২ ৩ ৪ ৫ ৬ ৭ ৮ ৯ ১০ ২০ ৩০ ৪০ ৫০ ৬০ ৮০ ১০০
১২
১৩



অ আ ই ঈ উ ঊ ঋ ৠ
ঌ ৡ এ ঐ ও ঔ অং অঃ
ক খ গ ঘ ঙ চ ছ জ ঝ ঞ
ট ঠ ড ঢ ণ ত থ দ ধ ন
প ফ ব ভ ম য র ল
ব শ ষ স হ ক্ষ
ক
খ
গ



সারণী—আট


অ
আ
ই
ঈ
উ
ঊ
ঋ
এ
ঐ
ও
ঔ
ক
খ
গ
ঘ
ঙ
চ
ছ
জ
ঝ
ঞ
ট



সারণী—দহ



সারণী—এগার





সারণী—বার



শারদী—তের



সারণী—চৈধ্য

অ.	উ.	ক.	কৈ.	গু.	গু.	টা.	অ.	তে.	মা.	ব
ক	କ	ಕ	𑂍, 𑂍	ક	ਕ	𑚊	க	క	क	ক
খ	ଖ	ಖ	𑂎	ખ	ਖ	𑚋		ఖ	ख	খ
গ	ଗ	ಗ	𑂏	ગ	ਗ	𑚌		గ	ग	গ
ঘ	ଘ	ಘ	𑂐	ઘ	ਘ	𑚍		ఘ	घ	ঘ
ঙ	ଙ	ಙ	𑂑	ઙ			ங	ఙ	ङ	ঙ
চ	ଚ	ಚ	𑂒, 𑂒	ચ	ਚ	𑚏	ச	చ	च	চ
ছ	ଛ	ಛ	𑂓	છ	ਛ	𑚐		ఛ	छ	ছ
জ	ଜ	ಜ	𑂔	જ	ਜ	𑚑	ஜ	జ	ज	জ
ঝ	ଝ	ಝ	𑂕	ઝ	ਝ	𑚒		ఝ	झ	ঝ
ঞ	ଞ	ಞ	𑂖	ઞ			ஞ	ఞ	ञ	ঞ
ট	ଟ	ಟ	𑂗	ટ	ਟ	𑚔	ட	ట	ट	ট
ঠ	ଠ	ಠ	𑂘	ઠ	ਠ	𑚕		ఠ	ठ	ঠ
ড	ଡ	ಡ	𑂙	ડ	ਡ	𑚖		డ	ड	ড
ঢ	ଢ	ಢ	𑂛	ઢ	ਢ	𑚗		ఢ	ढ	ঢ
ণ	ଣ	ಣ	𑂝	ણ	ਣ	𑚘	ண	ణ	ण	ণ
ত	ତ	ತ	𑂞	ત	ਤ	𑚙	த	త	त	ত
থ	ଥ	ಥ	𑂟	થ	ਥ	𑚚		థ	थ	থ
দ	ଦ	ದ	𑂠	દ	ਦ	𑚛		ద	द	দ
ধ	ଧ	ಧ	𑂡	ધ	ਧ	𑚜		ధ	ध	ধ
ন	ନ	ನ	𑂢	ન	ਨ	𑚝	ந	న	न	ন
প	ପ	ಪ	𑂣	પ	ਪ	𑚞	ப	ప	प	প
ফ	ଫ	ಫ	𑂤	ફ	ਫ	𑚟		ఫ	फ	ফ



সাৰণী—ষোল



সারণী—সোতর



সাৰণী—৩ঠৰ